PG SO S1 01
DSC1/DSM1

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

ভাৰতীয় সমাজ বিজ্ঞান
প্ৰথম ষাণ্মাসিক
বুনিয়াদী পাঠ্যবিষয় - ১
সমাজতত্ত্ব

সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক চন্দন কুমাৰ শর্মা, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়।

ডাঃ সঞ্জয় বৰবৰা, টাটা ইনষ্টিটিউট অৰ ছ'চিয়েল চাইন্সেছ, গুৱাহাটী।

সমন্বয়ৰক্ষী ঃ ড° ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
	কৃতঞ্জলি জয়ছোৱাল, জি আই এম টি, গুৱাহাটী	
	ডেনিম ডেকা, মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও	
	উদয়ন হাজৰিকা ডাঙৰীয়া, স্তম্ভলেখক	
	ডোলা বৰকটকি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	
	সোণালী সিংহা, তেজপুৰ বিশ্ববিদ্যালয়	
	ড° উপলা বৰুৱা, কটন বিশ্ববিদ্যালয়	
	ড° উপলা বৰুৱা, কটন বিশ্ববিদ্যালয়	
	ড° কান্ত চক্রৱর্তী, কেখচছৌ	
	ইন্দ্রাণী শর্মা, তেজপুৰ বিশ্ববিদ্যালয়	
	জ্ঞানশ্রী বৰা, জেংৰাইমুখ মহাবিদ্যালয়	
	নন্দিতা ডেকা, জেংৰাইমুখ মহাবিদ্যালয়	
	ডিম্পি দাস, জেংৰাইমুখ কলেজ আৰু...	
	সন্দিপন পাঠক, দুধনৈ মহাবিদ্যালয়	

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ অধ্যাপক চন্দন কুমাৰ শর্মা, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

অসমীয়া ভাষা সম্পাদনা ঃ পৃথৱা দেৱ, দেৱৰাজ ৰায় মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° ডোলা বৰকটকি আৰু মুর্চনা কৌশিক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ মার্চ, ২০২৫

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭

নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এম. এ ছ'চিয়েলজি প্ৰগ্ৰেমৰ প্ৰথম ষান্মাসিকত আগবঢ়োৱা 'ভাৰতীয় সমাজ বিজ্ঞান' পাঠ্যক্ৰমে ভাৰতীয় সমাজক বুজিবলৈ শিক্ষাৰ্থীসকলক বিভিন্ন সমাজ বিজ্ঞানসন্মত দৃষ্টিভংগীৰ সৈতে পৰিচয় কৰাই দিয়ে। ইয়াৰ উপৰিও এই পাঠ্যক্ৰমত ভাৰতীয় সমাজৰ মূল দিশ যেনে— জাতি, শ্ৰেণী, জনজাতি ইত্যাদিৰ বিষয়ে আলোচনা কৰা হ'ব।

এই পাঠ্যক্ৰমটো টা অধ্যায়েৰে গঠিত। পাঠ্যক্ৰমৰ নং অধ্যায়ত ভাৰতত সমাজবিজ্ঞানৰ এক শাখা হিচাপে উত্থান আৰু বৃদ্ধিৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায় ৰ উদ্দেশ্য হৈছে ভাৰতীয় সমাজক বুজিবলৈ দৃষ্টিভংগীৰ ইণ্ডোলজিকেল পদ্ধতিৰ সৈতে শিক্ষাৰ্থীসকলক পৰিচিত কৰা। ইয়াত ভাৰতীয় সমাজক ভাৰতীয় সমাজক ভাৰতীয় দৃষ্টিকোণৰ পৰা বুজাত জি. অধ্যায় ত সমাজ বুজিবলৈ মাৰ্ক্সবাদী দৃষ্টিভংগীৰ ব্যাখ্যা কৰা হৈছে য'ত ডি.পি মুখাৰ্জী, আৰ. কে. মুখাৰ্জী আৰু এ.আৰ. দেশাই অধ্যায় ত সমাজ বুজিবলৈ Subaltern apporoach ৰ বিষয়ে য'ত ৰঞ্জিত গুহা, বি. আৰ. আম্বেদকাৰ আৰু ডেভিদ হার্ডিমেনক বুজাই দিয়া হৈছে। নং অধ্যায়ত ভাৰত সমাজৰ এটা মূল দিশ অর্থাৎ জাতি ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। নং অধ্যায়ত ভাৰতৰ শ্ৰেণী ব্যৱস্থাৰ বিষয়ে কোৱা হৈছে। নং অধ্যায়ত ভাৰতৰ জনজাতিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে আৰু লগতে জনজাতি-জাতিৰ পাৰস্পৰিক ক্ৰিয়াৰ বিষয়েও আলোচনা কৰা হৈছে যিটো ভাৰতীয় সমাজৰ আন এটা অতি অনন্য দিশ। নৰম এককত জনজাতীয় লোকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। নং অধ্যায়ত ভাৰতৰ আন তিনিটা অতি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান অর্থাৎ পৰিয়াল, বিবাহ আৰু আত্মীয়তা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হৈছে। নং অধ্যায়ত ভাৰতৰ শিক্ষা আৰু অর্থনীতিৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। নং অধ্যায়ত ভাৰতৰ প্ৰধান ধর্মসমূহৰ বিষয়ে কোৱা হৈছে। নং অধ্যায়ত ভাৰতৰ সামাজিক আন্দোলন, ইয়াৰ কাৰণ আৰু পৰিণতিৰ বিষয়ে আলোচনা কৰা হৈছে। নং অধ্যায়ত ভাৰতত ৰাষ্ট্ৰীয় সংহতিৰ বিষয়ে আলোচনা কৰা হৈছে। নং এককত সাম্প্ৰদায়িকতাবাদ, ভাৰতীয় সমাজৰ বাবে ইয়াৰ কাৰণ আৰু পৰিণতিৰ বিষয়ে আলোচনা কৰা হৈছে।

অধ্যায়বোৰ পঢ়ি গৈ থাকোতে আপোনালোকে কিছুমান পাৰ্শ্বীয় বাকচ দেখিব। তাত সহজে বুজি নোপোৱা অথবা আগতে নপঢ়া কিছুমান শব্দ অথবা সংজ্ঞাৰ ব্যাখ্যা পঢ়িবলৈ পাব। আপোনালোকৰ নিজৰ চিন্তাবোৰ কার্যক্ষেত্ৰত প্ৰয়োগ কৰিব পৰাকৈ অধ্যায়বোৰত কিছুমান অনুশীলনী 'অর্ন্তভুক্ত কৰা' হৈছে। পাঠ্য বিষয়বোৰৰ লগতে 'জানি থোৱা ভাল' শিতানত কিছুমান অতিৰিক্ত কিন্তু প্ৰাসংগিক তথ্য×ধাৰণা অর্ন্তভুক্ত কৰা হৈছে। প্ৰতিটো শিতানৰ সামৰণিত 'অগ্ৰগতি নিৰীক্ষণ' হিচাপে কিছুমান প্ৰশ্ন দেখিব। আপোনালোকে অধ্যয়নৰ অগ্ৰগতি নিজে পৰীক্ষা কৰি চাব পৰাকৈ এই প্ৰশ্নবোৰ দিয়া হৈছে। শিতানটো পঢ়া শেষ হোৱাৰ লগে লগে প্ৰশ্নবোৰৰ উত্তৰ কৰি গ'লে আপোনালোক অধিক উপকৃত হ'ব। আপোনাৰ উত্তৰবোৰ পাছত অধ্যায়ৰ একেবাৰে শেষৰফালে থকা 'অগ্ৰগতিৰ খতিয়ান' শিতানত মিলাই চাব পাৰিব। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্ৰশ্ন' তুলি দিয়া হৈছে। প্ৰতিটো অধ্যায়ৰ সৈতে জড়িত প্ৰসংগ পুথিবোৰৰ নাম দ্বিতীয় খণ্ডৰ সামৰণিত দিয়া হৈছে।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতত সমাজতত্ত্ব ক্রমবিকাশ ৭-১৬

ভাৰতত সমাজতত্ত্ব উৎপত্তি; ভাৰতত সমাজতত্ত্ব বিকাশ ঃ ভাৰতত সমাজতত্ত্ব আধাৰ, স্বাধীনতাৰ পুৰৱৰ্তি ভাৰতত সমাজতত্ত্ব বিকাশ, স্বাধীনোত্তৰ ভাৰতত সমাজতত্ত্ব বিকাশ; বৰ্তমান সময়ত ভাৰতত সমাজতত্ত্ব ধাৰা।

অধ্যায় ২ ঃ ভাৰতীয় সমাজ অধ্যয়নত প্রাচ্যত্ত্বীয় দৃষ্টিভংগী ১৭-২৭

G.S Ghurye ঃ জীৱনৰ আগছোৱা ঃ প্রাচ্যতত্ত্বীয় দৃষ্টিকোণ, বৈদিক যুগ ১৫০০ খৃঃ পূঃ ৰ পৰা ৬০০ খৃঃ পূঃ, উত্তৰ বৈদিক যুগ ৬০০ খৃঃ পূঃ ৰ পৰা ৩০০ খৃঃ পূঃ, ধৰ্ম শাস্ত্ৰৰ যুগ ৩০০ খৃঃ পূঃ ১১ শতিকালৈ, আধুনিক যুগ ১১ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈ।

অধ্যায় ৩ ঃ ভাৰতীয় সমাজ অধ্যয়নত সংৰচনাত্মক ক্রীয়াশীল দৃষ্টিভংগী ২৮-৩৮

সংৰচনাত্মক ক্রীয়াশীল দৃষ্টিভংগী এক পর্যালোচনা; M.N. SRINIVAS আৰু তেওঁৰ দৃষ্টিভংগী; S.C.Dube আৰু তেওঁৰ দৃষ্টিভংগী।

অধ্যায় ৪ ঃ ভাৰতীয় সমাজ অধ্যয়নত মার্ক্সীয় দৃষ্টিভংগী ৩৯-৪৯

মার্ক্সীয় দৃষ্টিভংগী ঃ আর্থ আৰু সংজ্ঞা ঃ মার্ক্সীয় দৃষ্টিভংগীৰ চিন্তাবিদসকল, D. P. Mukharjee ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী, R. K. Mukharjee ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী, A.R.Desai ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী।

অধ্যায় ৫ ঃ ভাৰতীয় সমাজ অধ্যয়নত অধীনস্থ দৃষ্টিকোণ ৫০-৬০

অধীনস্থ দৃষ্টিকোণ ঃ Ranjit Guha আৰু তেওঁৰ অধীনস্থ দৃষ্টিকোণ, B.R.Ambedkar আৰু তেওঁৰ অধীনস্থ দৃষ্টিকোণ, Devid Hardman আৰু তেওঁৰ অধীনস্থ দৃষ্টিকোণ।

অধ্যায় ৬ ঃ জাতি ব্যৱস্থা ৬১-৭৪

জাতি ব্যৱস্থা ঃ অর্থ, বৈশিষ্ট্য আৰু উৎস ঃ বর্ণৰ অর্থ, বর্ণ আৰু জাতি, শাসক (Dominant) জাতিৰ অর্থ, জাতিব্যৱস্থাৰ গতিশীলতা (Mobility), দ্রজমানী পদ্ধতি, সাংবিধানিক ব্যৱস্থা।

অধ্যায় ৭ ঃ ভাৰতবর্ষত শ্রেণী ৭৫-৯১

সামাজিক শ্রেণী ঃ সংজ্ঞা আৰু অর্থ, শ্রেণীৰ বৈশিষ্ট্য, শ্রেণী নির্দ্ধাৰণৰ উপাদান আৰু কাৰকসমূহ, সামাজিক শ্রেণীৰ প্রকাৰভেদ ঃ জাতি আৰু শ্রেণীৰ তুলনা; ভাৰতবর্ষত শ্রেণী ঃ ভূমিভিত্তিক শ্রেণী, অ-ভূমিভিত্তিক শ্রেণী; ভাৰতবর্ষত মধ্যবিত্ত শ্রেণীৰ উত্থান; প্রভাৱশালী (dominant) জাতি।

অধ্যায় ৮ ঃ আদিবাসী ৯২-১০৫

অদিবাসীঃ অর্থ সংজ্ঞা আৰু বৈশিষ্টসমূহ ঃ অদিবাসী—জাতি অন্তঃক্রিয়া, অদিবাসী—জাতি অন্তঃক্রিয়াত আঞ্চলিক ভিন্নতা, সংবিধানিক ব্যৱস্থা; সামৰণি।

অধ্যায় ৯ ঃ জনজাতীয় সমাজৰ সমস্যাৱলী ১০৬-১১৭

জনজাতীসকলৰ সমস্যা ঃ এক আলোকপাত; ভূমি বিচ্ছিন্নকৰণ ঃ কাৰণসমূহ, প্রস্তাৱিত প্রতিকাৰ প্রণালী; জনজাতীয়লোকৰ স্থানচ্যুতকৰণ ঃ প্রকৃতি আৰু বিস্তাৰ, স্থানচ্যুত হোৱা জনজাতীয়লোকৰ পুনৰ সংস্থাপনৰ বাবে প্রস্তাৱিত নির্দেশাৱলী; স্বাস্থ্য আৰু পৰিপুষ্টিৰ সমস্যা ঃ কাৰণসমূহ, প্রস্তাৱিত ব্যৱস্থাসমূহ।

অধ্যায় ১০ ঃ মূল সামাজিক সংস্থাসমূহ ১১৮-১৩২

পৰিয়াল ঃ ভাৰতীয় সমাজত যৌথ পৰিয়াল, যৌথ পৰিয়ালৰ বৈশিষ্ট্য, যৌথ পৰিয়ালৰ সুবিধাসমূহ, যৌথ পৰিয়াল পদ্ধতিৰ আসোঁৱাহসমূহ; পৰিয়ালৰ পৰিৱর্তন ঃ পৰিয়ালৰ পৰিৱর্তনত অৰিহণা যোগোৱা কাৰকসমূহ; বিবাহ ঃ হিন্দু বিবাহ, মুছলিম বিবাহ, বিবাহৰ পৰিৱর্তনৰ ধাৰা; স্বজন পদ্ধতি ঃ উত্তৰ ভাৰতৰ স্বজন পদ্ধতি, মধ্য ভাৰতৰ স্বজন পদ্ধতি, দক্ষিণ ভাৰতৰ স্বজন পদ্ধতি, পূৱ ভাৰতৰ স্বজন পদ্ধতি, উত্তৰ আৰু দক্ষিণ ভাৰতৰ স্বজন পদ্ধতিৰ তুলনামলক আলোচনা।

অধ্যায় ১১ ঃ ভাৰতীয় সমাজ ব্যৱস্থাত শিক্ষা আৰু অর্থনীতি ১৩৩-১৫৮

ভাৰতবর্ষৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থা ঃ বৈদিক যুগ, বৌদ্ধিক যুগ, মধ্য যুগ; ভাৰতবর্ষত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ উদয় ঃ প্রাক্ স্বাধীনতা কালৰ শিক্ষা ব্যৱস্থা, স্বৰাজোত্তৰ কালত শিক্ষাৰ বিকাশ, ৰাষ্ট্রীয় শিক্ষা নীতি; সাম্প্রতিক কালৰ বৃত্তিগত গাঁথনি; নগৰীয়া আৰু জনজাতীয় অর্থনীতিৰ বৈশিষ্ট্য ঃ নগৰীয়া অর্থনীতিৰ বৈশিষ্ট্য, জনজাতীয় অর্থনীতিৰ বৈশিষ্ট্য।

অধ্যায় ১২ ঃ ধর্ম আৰু সামাজিক কার্যাৱলী ১৫৯-১৭৩

ধর্ম ঃ সংজ্ঞা আৰু অর্থ; সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ধর্মৰ আলোচনা; ধর্মৰ সামাজিক কার্যাৱলী; ভাৰতৰ গ্রাম্যাঞ্চলৰ ধর্ম ঃ এক সংক্ষিপ্ত বিৱৰণ; গ্রাম্য ধর্মৰ অধ্যয়নৰ তাৎপর্য; ভাৰতৰ গ্রাম্য ধর্মৰ বৈশিষ্ট্য;পৰিৱর্তিত দৃশ্যপট; গ্রাম্য ধর্মীয় ব্যৱস্থাৰ প্রধান কার্যসমূহ।

অধ্যায় ১৩ ঃ ভাৰতবর্ষৰ সামাজিক আন্দোলন ১৭৪-১৮৮

সামাজিক আন্দোলন অর্থ আৰু সংজ্ঞা ঃ সামাজিক আন্দোলনৰ কাৰণসমূহ, সামাজিক আন্দোলনৰ স্তৰসমূহ; সামাজিক আন্দোলনৰ শ্রেণীবদ্ধকৰণ ঃ সামাজিক সংস্কাৰধর্মী আন্দোলনসমূহ, ধর্মীয় আন্দোলনসমূহ, সমাজৰ নিম্ন শ্রেণী জড়িত আন্দোলনসমূহ, ভাৰতবর্ষৰ দলিত শ্রেণীসমূহ জড়িত আন্দোলনসমূহ, কৃষি বা ভুমি সম্বন্ধীয় আন্দোলনসমূহ, কৃষক আন্দোলনসমূহ; সিদ্ধান্ত নব সামাজিক আন্দোলনৰ উন্মেষণ।

অধ্যায় ১৪ ঃ ভাৰতবর্ষৰ জাতীয় সংহতি ১৮৯-২০২

জাতীয় সংহতি - অর্থ আৰু সংজ্ঞা ঃ জাতীয় সংহতিৰ নিয়ম বা তত্ত্ব; জাতীয় সংহতিৰ বিকাশৰ কাৰকসমূহ ঃ জাতীয় সংহতিৰ প্রসাৰণৰ মূল উপাদানসমূহ; জাতীয় সংহতিৰ মহত্ব আৰু ইয়াৰ আৱশ্যকতা; জাতীয় সংহতিৰ প্রত্যাহ্বানসমূহ; ভাৰতবর্ষত জাতীয় সংহতি প্রাপ্তিৰ বাবে ল'ব লগা উপায়সমূহ, সামৰণি- জাতীয় সংহতি দিৱস।

অধ্যায় ১৫ ঃ সাম্প্রদায়িকতা ২০৩-২১৫

ধাৰণা আৰু সংজ্ঞা; ভাৰতবর্ষত সাম্প্রদায়িক হিংসা আৰু আন্দোলন সংঘর্ষ; তত্বীয় দৃষ্টিকোণ; সাম্প্রদায়িকতা দৃষ্টিৰ কাৰণসমূহ; সাম্প্রদায়িকতা নিবাৰণ-ধর্মনিৰপেক্ষ ইয়াৰ উপায়নে?

অধ্যায় ১ ঃ ভাৰতত সমাজতত্ত্বৰ ক্ৰমবিকাশ

অধ্যায় গাঁথনি

উদ্দেশ্য

পৰিচয়

১.৩ ভাৰতত সমাজতত্ত্বৰ উৎপত্তি

১.৪ ভাৰতত সমাজতত্ত্বৰ বিকাশ

১.৪.১ ভাৰতত সমাজতত্ত্বৰ আধাৰ

১.৪.২ স্বাধীনতাৰ পুৰৱৰ্তি ভাৰতত সমাজতত্ত্বৰ বিকাশ

১.৪.৩ স্বাধীনোত্তৰ ভাৰতত সমাজতত্ত্বৰ বিকাশ

১.৫ বৰ্তমান সময়ত ভাৰতত সমাজতত্ত্বৰ ধাৰা

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্ৰগতিৰ খতিয়ান

১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতত সমাজতত্ত্বৰ ইতিহাস আৰু ইয়াৰ বিকাশৰ বিষয়ে জানিব পাৰিব
- ভাৰতীয় সমাজতত্ত্বৰ গুৰি ধৰোতাসকলৰ বৰঙণিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় সমাজতাত্বিক পৰম্পৰা সম্বন্ধে আলোচনা কৰিব পাৰিব
- সমাজতত্ব কেনেদৰে ভাৰতত এক অধ্যয়নীয় বিষয় হিচাপে পৰিগণিত হ'ল- সেই বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

সমাজ-বিজ্ঞানৰ বিষয়সমূহৰ ভিতৰত সমাজতত্ব তুলনামূলক ভাৱে এক নতুন বিষয়। ভাৰত আৰু অন্য পশ্চিমীয়া দেশসমূহত সমাজতত্ত্বৰ উৎপত্তি ঐতিহাসিকভাৱে বহু সংকটপূৰ্ণ স্তৰ অতিক্ৰমি আহিছে। সমাজতত্ব আৰু সামাজিক নৃ-বিজ্ঞান ভাৰতলৈ প্ৰধানকৈ ইংলেণ্ডৰ পৰা আহিছে। বৃটিছ পণ্ডিতসকলে ভাৰতত আহি আৰু লগতে বৃটিছ শিক্ষাৰে শিক্ষিত ভাৰতীয় পণ্ডিতসকলে ভাৰতত এই দুই বিষয়ৰ বিকাশৰ বাবে মুখ্য ভুমিকা গ্ৰহণ কৰিছিল। ভাৰতীয় সমাজবিদ, দাৰ্শনিক, ভাৰতীয় সমাজ ব্যৱস্থাৰ বিষয়ে জ্ঞাত প্ৰশাসকসকলে সাধাৰণভাৱে ভাৰতীয় সমাজৰ কিছুমান বিশেষ দিশ যেনে— পৰিয়াল, ধৰ্ম, জাতি পদ্ধতি আৰু অন্য কিছুমান বিষয়হে

আলোচনা আৰু অধ্যয়ন কৰিছিল। এক বিদ্যা বিষয় হিচাপে সমাজতত্ত্বৰ জন্ম বহু পাচতহে হৈছিল।

তদুপৰি, Henry Maine, Alfred Lyelt আদি প্ৰাচ্যবিদৰ বৰঙণিয়েও ভাৰতীয় সমাজতত্ত্বৰ বিকাশত সহায় কৰিছে। এখেতসকলে প্ৰাচীন তথা থলুবা ভাৰতীয় সামাজিক অনুষ্ঠানসমূহৰ ৰক্ষণাবেক্ষণৰ বাবে গুৰুত্ব দিছিল। তেখেতসকলে ভাৰতীয় সংস্কৃতি আৰু সাহিত্যৰ প্ৰাচীন গৌৰৱ অন্তৰেৰে উপলব্ধি কৰিছিল আৰু এইবোৰক ধ্বংস হবলৈ নিদি সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব দিছিল।

প্ৰাচ্যবিদসকলৰ উপৰিও, আমি বৃটিছ প্ৰশাসকসকলৰ ভাৰতীয় লোক, তেওঁলোকৰ বংশ-জাতি আৰু সংস্কৃতি সম্বন্ধে বিস্তৃত অধ্যয়ন আৰু বৰঙণি সম্বন্ধে নুই কৰিব নোৱাৰো। এই ভাৰত সমন্ধীয় অধ্যয়নে ভাৰতৰ লোকপিয়ল তথ্য, ৰাজ-পত্ৰ, জিলা-পত্ৰ আদি লগতে বিভিন্ন কিতাপ-প্ৰৱন্ধ আদিৰ যোগেদি জ্ঞানৰ তথ্যৰ ভাণ্ডাৰ হিচাপে বৰ্তমানৰ সমাজতত্ত্ববিদ আৰু নৃ-তত্ত্ববিদসকলক সহায় কৰি আহিছে।

এই অধ্যায়ত, ভাৰতত সমাজতত্ত্বৰ বিকাশ ইয়াৰ তিনিটা স্তৰত আলোচনা কৰিম। প্ৰথমতে বৃটিছ শাসক আৰু প্ৰশাসকসকলৰ প্ৰভাৱ, দ্বিতীয়তে ভাৰতীয় চিন্তাবিদসকলৰ প্ৰভাৱ আৰু তৃতীয়তে স্বাধীনোত্তৰ ভাৰতৰ পণ্ডিতসকলৰ প্ৰভাৱ।

১.৩ ভাৰতত সমাজতত্ত্বৰ উৎপত্তি

এক আনুষ্ঠানিক বিষয় হিচাপে সমাজতত্ত্ব প্ৰথমবাৰৰ বাবে ১৯১৯ চনত আৰম্ভ হৈছিল। এইসময়তেই মহাত্মা গান্ধী দক্ষীণ আফ্ৰিকাৰ পৰা ভাৰতলৈ প্ৰত্যৱৰ্তন কৰে। প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯১৭) ভয়াৱহতাই মানৱ জাতিৰ প্ৰতি প্ৰত্যাহৱান কঢ়িয়াই আনে এই সময়তেই। মহাত্মা গান্ধীৰ উপস্থিতিয়ে স্বাধীনতা আন্দোলনৰ যুজাৰুসকলৰ মনোবল বৃদ্ধি কৰে আৰু লগতে বহু আগ্ৰণী সমাজতত্ত্ববিদক সমাজৰ সাধাৰন শ্ৰেণীটো সম্বন্ধে জানিবলৈ, তেওঁলোকৰ সামাজিক কাৰ্যকলাপ অধ্যয়ন কৰিবলৈ উৎসাহ যোগায়।

ভাৰতীয় সমাজতত্ত্বৰ দীৰ্ঘ ইতিহাস নহ'লেও, ইয়াৰ এটা দীঘলীয়া অতীত আছে। বৃটিছ শাসকসকলে আনুষ্ঠানিক সমাজতত্ত্ব আৰম্ভ কৰা বহু আগৰে পৰা ভাৰতত সমাজতাত্ত্বিক গৱেষণা চলি আছিল। প্ৰয়োজনীয় ভাৱবোধ আৰু ভাৰতীয় সমাজ সম্বন্ধে প্ৰশংসাসূচক মনোভাৱৰ অভাৱ, দেশীয় ৰীতি-নীতি আৰু পৰম্পৰা সম্বন্ধে অপৰ্যাপ্ত আৰু ভুল দৃষ্টিভংগী আৰু বিভিন্ন অনুষ্ঠানৰ ব্যৱস্থাপনা সম্বন্ধে ভুল ধাৰণাৰ বাবে বৃটিছ প্ৰশাসকসকলে সমাজতত্ব আৰু সামাজিক নৃবিজ্ঞানৰ যথাযথ চৰ্চা আৰু অধ্যয়নৰ ব্যৱস্থা আৰম্ভ কৰিছিল। য'ত তেওঁলোকে সুচাৰুৰূপে প্ৰশাসন চলাব পাৰে Yogendra Singh ৰ কথাৰ উদ্বৃতি অনুসৰি—

বৃটিছ শাসক তথা সমাজতাত্বিকসকলৰ বৰঙণি বিশিষ্ট পৰ্যায়ৰ। ভাৰতীয় সমাজ সংৰচনাৰ বিভিন্ন দিশ, ৰীতি-নীতি আৰু পৰম্পৰাৰ অধ্যয়ণ অৱশ্যেই পক্ষপাতযুক্ত ভাৱনাৰ দ্বাৰা পৰিচালিত হৈছিল, বিষয় নিৰ্বাচন আৰু সমাজতত্ত্বীয় আদৰ্শও বাস্তৱিক নাছিল। জাতি, জনজাতি আৰু

গাঁৱলীয়া সম্প্ৰদায়ৰ ধাৰণাগত সমস্যাসমূহ তেওঁলোকৰ পৰ্যৱেক্ষণৰ সময়ত জ্ঞাত বা অজ্ঞাতভাৱে ভাৰতীয় সমাজৰ বিভাজন কাৰক সমূহহে অতিৰঞ্জিত কৈ প্ৰকাশ পাইছিল আৰু সামাজিক ঐক্য আৰু প্ৰকৃতিগত সম্বন্ধক বৰ্জন কৰিছিল। ভাৰতীয় সমাজ ব্যৱস্থাৰ অধ্যয়ন কৰিব যাওতে পশ্চিমীয়া সমাজতত্ত্ববিদ আৰু পণ্ডিতসকলৰ ধাৰণাগত পৰ্যবেক্ষণত এই পক্ষপাত আধাৰিত হৈ আছিল। "মিছনাৰী" সকলৰ নিজস্ব আদৰ্শ খ্ৰীষ্টীয়ান নিৰ্দেশনাত্মক নীতিৰ ওপৰত আধাৰিত আছিল আৰু বেছিভাগ ভাৰতীয় সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতি তেওঁলোকে ঋণাত্মক দৃষ্টিভংগী ৰাখিছিল। ভাৰতত সমস্যাসমূহ সমাধানৰ উপায় হিচাপে সেয়েহে তেওঁলোকে খৃষ্টানধৰ্ম অৱলম্বন বুলিয়েই বিশ্বাস কৰিছিল। সামাজিক বাস্তৱিকতাৰ ছবি সেয়েহে তেওঁলোকৰ পৰ্যবেক্ষণত যন্ত্ৰৱত, আংশিক আৰু লঘু প্ৰকৃতিৰ আছিল। ভাৰতীয় সমাজৰ বিশ্লেষণসমূহ আছিল "ঔপনিৱেশিক আদৰ্শ মূলক" আৰু সামাজিক বাস্তৱিকতাও আছিল অমূৰ্ত-ভগ্ন-আংশিক।

পশ্চিমীয়া আৰু ভাৰতৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত এক বৃহৎ পাৰ্থক্য দেখা পোৱা গৈছিল। "ধৰ্ম"ই পশ্চিমীয়া আৰু আধুনিক বুদ্ধিজীৱিসকলৰ মানসীকতাৰ গভীৰ প্ৰভাৱ পেলাইছিল। আনফালে, ভাৰতবৰ্ষত চিন্তাবিদসকলে "ধৰ্ম নিৰপেক্ষতাত" অধিক গুৰুত্ব আৰোপ কৰিছিল। অৱশ্যে, একে সময়তে ভাৰতীয় সমাজতত্ত্ববিদসকলে পশ্চিমীয়া সভ্যতাৰ যুক্তিবাদ, প্ৰত্যক্ষবাদৰ দৰ্শন আৰু ঐতিহাসিক বস্তুবাদৰ দ্ধাৰা যোগাত্মকভাৱে প্ৰভাৱিত হৈছিল। ইয়াৰ উপৰিও, ভাৰতীয় সমাজতত্ত্ব ৰাটকটীয়াসকলে তেওঁলোকৰ ধাৰণাৰ পৰিসৰ আৰু দৃষ্টিকোণ ১৯ শতিকাৰ জাতিয়তাবাদী সংস্কাৰধৰ্মী নেতৃত্ত্বৰ পৰা আহৰণ কৰিছিল।

ভাৰতীয় সমাজতত্ত্ব পূৰ্বৰ অন্বেষকসকলে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত প্ৰাচ্যধৰ্মী দৃষ্টিভংগীক বিশ্বাস কৰিছিল। তেওঁলোকৰ মতে , ভাৰতীয় সমাজ আৰু সংস্কৃতি অদ্বিতীয় বা বিশিষ্ট আৰু সেয়ে এই প্ৰাসংগীক বিশেষতা আমি "মূল" (text) উৎসৰ পৰা বা বিষয়ৰ পৰাহে ভালদৰে পাব পাৰোঁ।

১.৪ ভাৰতবৰ্ষত সমাজতত্ত্ৱৰ বিকাশ

বিংশ শতাব্দীৰ প্ৰথম ভাগৰে পৰাই ভাৰতীয় বিশ্ববিদ্যালয়সমূহত সমাজতত্ত্ব এক পৃথক শৈক্ষিক বিষয় হিচাপে স্থান পাই আহিছে। প্ৰথম অৱস্থাত ই নৃতত্ত্ব বিজ্ঞানৰ লগত যুক্ত হৈ আছিল। Srinivas আৰু Panini ৰ মতে, ভাৰতত সমাজতত্ত্ৱৰ বিকাশ আৰু প্ৰসাৰ তিনিটা ভাগত ভাগ কৰিব পাৰি—

- প্ৰথম ভাগত, ১৭৭৩-১৯০০ চন, প্ৰথমবাৰৰ বাবে সমাজতত্ত্বৰ প্ৰতিষ্ঠাপন হৈছিল।
- দ্ধিতীয় ভাগ, ১৯০১-১৯৫০ চন, ইয়াক বৃত্তিমূলক বিষয় হিচাপে গ্ৰহণ।
- তৃতীয় ভাগ, স্বাধীনোত্তৰ কাল, চৰকাৰৰ উন্নয়নমূলক ঔদ্যোগিক সংস্থানসমূহৰ জৰিয়তে ভাৰতীয় পণ্ডিতসকলৰ বিদেশী সংস্থা আৰু ব্যক্তিৰ লগত সংস্পৰ্শ আৰু চৰকাৰৰ অনুদানৰ সহায়ত গৱেষণামূলক অধ্যয়ন।

১.৪.১ ভাৰতত সমাজতত্বৰ আধাৰ

উপনিৱেশিক কালছোৱাৰ পৰাই, বৃটিছ শাসকসকলে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ বিষয়ে জ্ঞান আহৰনৰ গুৰুত্ব উপলব্ধি কৰিছিল। ইয়াৰ দ্বাৰা প্ৰশাসনীয় কাৰ্যত ঘটা সুফলৰ বিষয়ে তেওঁলোক জ্ঞাত আছিল। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো তেওঁলোকক ভাৰতীয় পৰিয়াল পদ্ধতি, পৰম্পৰা আৰু ৰীতি-নীতিৰ বিষয়ে জ্ঞান আহৰণৰ প্ৰয়োজন হৈছিল। সেয়েহে ভাৰতীয় সমাজত প্ৰচলিত নিয়ম আৰু ৰীতি-নীতিসমূহ সঠিকভাৱে সংগ্ৰহ আৰু অভিলিখনৰ প্ৰয়োজন হৈছিল। এইভাৱেই ভাৰতীয় সমাজতত্বৰ উৎস হৈছিল। এই প্ৰাথমিক স্তৰত বৃটিছ কাৰ্যকৰ্তাসকলে ভীৰতীয় সমাজৰ ওপৰত বহুবোৰ জৰীপ (Survey) কৰিছিল। এই সম্বন্ধতেই, চনত Henry Verelst আৰু বিহাৰ আৰু বংগৰ গৱৰ্ণৰে প্ৰথম প্ৰচেষ্টা চলাইছিল। চনত William Jones এ Royal Asiatic Society of Bengal স্থাপিত কৰিছিল আৰু এই সংস্থাৰ উদ্দেশ্য আছিল ভাৰতত "প্ৰকৃতি আৰু জনসাধাৰণ"ৰ অধ্যয়ন। চনত Francis Buchanan এ বেংগলৰ জনসাধাৰণৰ ওপৰত জৰীপ কৰিছিল। চনত মহিশূৰত বাস কৰা ফৰাচী মিচনেৰী Abbe Dubols এ "Hindu Manners, Customs And Ceremonies" বুলি বিখ্যাত কিতাপ এখন লিখিছিল আৰু ইয়াত তেওঁ ভাৰতীয় জাতি ব্যৱস্থা আৰু জাতিসমূহৰ মাজত থকা পা�ৰস্পৰিক প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছিল।

বৃটিছ পণ্ডিতসকলৰ এই কাৰ্যসমূহে ভাৰতীয় সমাজৰ বিষয়ে পদ্ধতিগত অধ্যয়ণৰ ক্ষেত্ৰত পিছত, অৰ্থাৎ শতিকাৰ পিছৰছোৱাত বিশেষ সহায় কৰিছিল। এইসময়তেই, লোকপিয়লৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল আৰুপ্ৰশাসনে চনত ভাৰতত এখন লোকপিয়ল প্ৰৱৰ্তন কৰিছিল। এনেদৰেই লোকপিয়ল ভাৰতত জনসংখ্যা, সমাজ আৰু সংস্কৃতিক জীৱনৰ পৰিসংখ্যাৰ সম্ভেদেৰে এক মূল্যৱান তথ্যৰ আধাৰ হৈ পৰিল।

বৃটিছ উপনিৱেশিকসকলে ভাৰতীয় প্ৰাচীন ভাষাৰ সাহিত্যৰ প্ৰতিও যথেষ্ঠ উৎসাহ দেখুৱাইছিল। সেয়েহে চনত বৃটিছ ন্যায়পালকসকলৰ বাবে সংস্কৃত পণ্ডিতসকলৰ সহায়ত হিন্দু আইনৰ ওপৰত এখন কিতাপ প্ৰস্তুত কৰিছিল। এই কিতাপত হিন্দু সমাজৰ ধৰ্মীয় নিয়মসমূহ আৰু আচাৰ অনুষ্ঠান, ৰীতি-নীতি আলোচনা কৰা হৈছিল। শতিকাত জাৰ্মান পণ্ডিত Max Muller এ বহু পুৰণি শাস্ত্ৰীয় ভাৰতীয় সাহিত্য প্ৰথমে জাৰ্মান আৰু পিছলৈ ইংৰাজী ভাষালৈ আনুবাদ কৰিছিল। পিছত শতিকাৰ শেষৰ কালত বহু পশ্চিমীয়া পণ্ডিত ভাৰতীয় সাহিত্যৰ দ্ধাৰা প্ৰভাৱিত হয়।

এই কালছোৱাত বহু কিতাপৰ প্ৰকাশনৰ বিষয়বস্তু আছিল ভাৰতীয় সমাজ আৰু ইয়াৰ জনসাধাৰণৰ। অৱশ্যে, বৃটিছ শাসকসকলৰ নিজস্ব কাৰ্য সিদ্ধি লাভৰ উদ্দেশ্যতেই এইবোৰ ৰচিত হৈছিল।

১.৪.২ প্ৰাক স্বাধীনতাৰ সময়ত সমাজতত্ত্বৰ বিকাশ

সমাজতত্ত্ব এক শৈক্ষিক বিষয় প্ৰথমে বম্বে আৰু কলিকতা চহৰত আৰম্ভ হৈছিল। ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ত B.N.Seal ৰ প্ৰচেষ্টাত সমাজতত্ত্বৰ আনুষ্ঠানিক (formal) শিক্ষা আৰম্ভ হয় আৰু Radhakamal Mukharjee আৰু B.N. Sarkar ক এই বিষয়ৰ তত্ত্বাৱধানৰ দায়িত্ব দিয়া হয়। কিন্তু দুৰ্ভাগ্যক্ৰমে এই বিষয়টোৱে কলিকতাত বিশেষ প্ৰসাৰ লাভ কৰিব নোৱাৰিলে। পিছত এই বিষয়টোৱে পশ্চিম ভাৰতত, অৰ্থাৎ বম্বে'ত চৰ্চা লাভ কৰে। G.S.ghurye ৰ নেতৃত্বত বম্বে বিশ্ববিদ্যালয়ত ১৯৫১ চনত সমাজতত্ত্ব বিষয়ৰ শিক্ষা আৰম্ভ হয়। Radhakamal Mukharjee ৰ নেতৃত্বত লক্ষ্ণৌ বিশ্ববিদ্যালয়ত ১৯৫১ চনত সমাজতত্ত্বৰ অধ্যযন আৰম্ভ হয়।

আনফালে, দক্ষিণ ভাৰতত, B.N.Seal আৰু A.F wadia ৰ অহোপুৰুষাৰ্থত মহীসুৰ বিশ্ববিদ্যালয়ত ১৯৩৭ চনত সমাজতত্ত্ব বিভাগ প্ৰতিষ্ঠা হয়। সমানুপাতিকভাৱে, ওচমানিয়া বিশ্ববিদ্যালয় আৰু পুণা বিশ্ববিদ্যালয়ত সমাজতত্ত্বৰ আৰম্ভণি হয়। Iravati karve মূৰব্বী অধ্যাপক হিচাপে পুণা বিশ্ববিদ্যালয়ত ১৯৪৮ চনত এই বিষয়ৰ গুৰি ধৰিছিল।

ভাৰতীয় বিশ্ববিদ্যালয়সমূহত আৰম্ভনিতে সমাজতত্ত্বৰ বিষয়টোক গৌণ স্থানহে দিছিল। সমাজতত্ত্বৰ বেছিভাগ তেওঁলোকৰ সপৰিপক্কতাৰহেতু অন্য প্ৰতিষ্ঠিত বিভাগৰ তত্ত্বাৱধানত আৰম্ভ হৈছিল, যেনে— বম্বে আৰু লক্ষ্ণৌত সমাজতত্ত্ব বিষয়টো অৰ্থশাস্ত্ৰৰ লগত যুগ্মভাৱে শিকোৱা হৈছিল। তেনেদৰে কলিকতা বিশ্ববিদ্যালয়ত নৃতত্ত্ব আৰু মহিশূৰত সামাজিক দৰ্শনৰ লগত সমাজতত্ত্ব শিকোৱা হৈছিল।

এই সময়খিনিত বহু বিখ্যাত সমাজতত্ত্ববিদৰ আশাশুধীয়া প্ৰচেষ্টাৰে ভাৰতীয় সমাজতত্ত্ব গৱেশণাৰ ভেটি উন্নত কৰিছিল। B.N. Seal, K.M. Kaoadia, Iravati Karve, S.V. Karanandikar, M.N. Srinivas, A.R. Desai, I.P. Desai, M.S. Gore আৰু Y.B. Damle আদি হ'ল ভাৰতীয় সমাজতত্ত্বৰ ভৱিষ্যত গঢ়োতা। অৱশ্যে, তেখেতসকলৰ বৌদ্ধিক আগ্ৰহ, গৱেষণাৰ তথ্য সংগ্ৰহ প্ৰণালী আৰু ভাৰতীয় সমাজ পদ্ধতি আৰু ইয়াৰ সামাজিক অনুষ্ঠানৰ বাখ্যা এই সকলো উপনিৱেশিক সময়ৰ পণ্ডিত প্ৰশাসকৰ নৃত্যাত্ত্বিক গৱিষণাৰ প্ৰকাশৰ দ্ধাৰা প্ৰভাৱিত হৈছিল। জাতি সম্বন্ধে অধ্যযন, পৱিয়াল, বিবাহ আৰু আত্মীয় স্বজন, সামাজিক স্তৰ বিন্যাস, জনজাতীয় সম্প্ৰদায়, গাঁৱলীয়া আৰু নগৰীয়া সমাজ এই সকলোবোৰ উপনিৱেশিক সমাজতত্ত্ব অধ্যয়নত সুস্পষ্টকৈ স্থান পাইছিল।

স্বাধীনতাৰ পূৰ্বে ভাৰতীয় বিশ্ববিদ্যালয়ত সমাজতত্ত্বৰ অধ্যয়ন বিবেচিত নোহোৱাৰ মূল কাৰণ হ'ল দেশৰ বৃটিছৰ সৈতে থকা সম্বন্ধৰ বাবে উদ্ভূত পক্ষপাতিত্ব।

বৃটিছ শিক্ষাবিদসকলৰ মতে, সমাজতত্ব এক বিদেশী বিষয় আৰু ইয়াৰ মূল হ'ল ইউৰোপ। ইউৰোপৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত ভাৰতীয় বিদ্বানসকলেও এই পক্ষপাতিতা এক অনিবার্য্য বিষয় বুলি মানি লৈছিল। এইখিনিতে মন কৰিবলগীয়া যে, ইংলেণ্ডত এক অধ্যয়ন বিষয় হিচাপে সমাজতত্ত্বক London School of Economics ত প্ৰথম অৰ্ন্তভুক্ত কৰা হৈছিল। Fabians, Fidney, Beatrice Webb আৰু Bernard Shaw ই এই শিক্ষা অনুষ্ঠানখন প্ৰতিস্থাপন কৰিছিল। ফিনলেণ্ডৰ নাগৰিক Edward Westermarcks, LSE ৰ প্ৰথম সমাজতত্ত্বৰ অধ্যাপক আছিল।

১.৪.৩ স্বাধীনোত্তৰ ভাৰতত সমাজতত্ত্বৰ বিকাশ

চনত সমাজতত্ত্বৰ প্ৰসাৰ আৰু উন্নতিৰ ক্ষেত্ৰত ভাৰতবৰ্ষ দ্বিতীয় ভাগত অৱতীৰ্ণ হয় বুলি কব পাৰি। কিছুমান কাৰকে সমাজতত্ত্বৰ চৰ্চাৰ ক্ষেত্ৰখনত প্ৰসাৰতা আনি দিয়ে। স্বাধীন ভাৰতত নীতি- নিৰ্ধাৰকসকলে অৰ্থনৈতিক উত্থান আৰু সামাজিক উন্নয়নৰ উদ্দেশ্য আগত ৰাখিছিল আৰু তেওঁলোকে উপলব্ধি কৰিছিল যে জাতীয় পূৰ্ণগঠন আৰু উন্নতিৰ কাৰণে সমাজবিজ্ঞানৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে সমাজবিজ্ঞানৰ নতুন বিষয়বস্তুসমূহক (task) সামাজিক প্ৰযুক্তিবিজ্ঞান আৰু সামাজিক নীতি বিজ্ঞান হিচাপে নামাকৰণ কৰা হয়। এই সময়তেই সমাজ বিজ্ঞানিসকল, প্ৰধানকৈ অৰ্থবিজ্ঞানী আৰু সমাজতত্ত্ববিদসকলে নতুন গৱেষণা আৰু অৰ্থনৈতিক উন্নতিৰ লক্ষৰে অধিক হাৰত এই ক্ষেত্ৰখনলৈ আগবাঢ়ি আহে।

সৌভাগ্যক্ৰমে এই সময়ত ভাৰতীয় সমাজতত্ত্ববিদসকলে Ford Foundation ৰ পৰা শকতহাৰত অনুদান লাভ কৰে আৰু উন্নয়নমুখী গৱেষণাত নিজকে নিয়োগ কৰাৰ সুবিধা পায়। ইয়াৰ ফলত বৈপ্লৱীক কমিউনিষ্ট উন্নয়নৰ পথ অনুসৰনৰ পৰা দেশে কিছু মুক্তি লা ভ কৰে। গৱেষণা তথা অধ্যয়নৰ সঠিক সুবিধাই নিয়োগৰ প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই আনে আৰু সকলো দিশতে কৰ্মসংস্থানৰ হাৰ বৃদ্ধি পায়।

এই সময়ত সমাজতত্বই প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰে আৰু তাৰ বহুতো কাৰণও দেখা যায়। প্ৰথম কাৰণ হিচাপে দেখা যায় দেশৰ পৰিকল্পণামূলক উন্নয়ন নীতিৰ প্ৰচলন। ইতিমধ্যে, বম্বে সমাজতত্ব বিভাগ Ghurye ৰ নেতৃত্বত সমৃদ্ধ হৈ উঠে আৰু এই বিভাগে ভাৰতৰ অন্য প্ৰান্তত থকা গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ তত্বাৱধান কৰি তেওঁলোকৰ নিজৰ অঞ্চলত ক্ষেত্ৰভিত্তিক গৱেষণা অধ্যয়ন কৰিবলৈ সহায় কৰে। এইদৰে, ভাৰতীয় সম্প্ৰদায়সমূহৰ ওপৰত এক বৃহৎ পৰিমাণৰ ক্ষেত্ৰভিত্তিক গৱেষণাৰ আৰু তথ্যৰ সংগ্ৰহ সম্ভৱ হয়।

G.S. Ghurye ৰ নেতৃত্বত১৯৫১ চনত ভাৰতীয় সমাজতাত্বিক সমাজ স্থাপিত হয় আৰু ইয়াৰ মুখপত্ৰ "Sociological bulletian" প্ৰকাশ হ'ব ধৰে। ইয়াৰ বাহিৰেও ১৯৬৯ চনত "Indian Council of Social Science Research (ICSSR)"

স্থাপিত হয় আৰু ভাৰতীয় সমাজতত্ত্ৱৰ প্ৰসাৰণত এই অনুষ্ঠানও সহায়ক হৈ উঠে।

এই কালছোৱাত বহু সমাজতত্ত্ববিদে গ্ৰাম্যসমাজ সম্বন্ধে অধ্যয়ন কৰি বলৈ লয় আৰু ইয়াৰ ফলত ইয়াৰ ওপৰতো বহু প্ৰবন্ধ- নিবন্ধ প্ৰকাশ পায়। ইয়াৰ কেইখনমান হ'ল— Mckim Marriott ৰ Village India(১৯৫৫),S.C.Dube ৰ "Indian Villege (১৯৫৬)" আৰু M.N.Srinivas ৰ দ্বাৰা সম্পাদিত। "Indian Villege (১৯৫৬)" ইয়াৰ উপৰিও ভাৰতীয় সম্প্ৰদায়সমূহ, জাতি-জনজাতি আৰু আদিবাসীসকল, এই সকলো সমাজতাত্বিক অধ্যয়ণৰ অন্তৰ্ভুক্ত হয়।

স্বাধীনতাৰ পিছৰ সমাজতত্ত্ৱৰ বিকাশৰ বাবে ভাৰতীয় সংবিধানৰ ভূমিকাও আদৰণীয়। সংবিধানত অস্পৃশ্যতাৰ ধাৰণাক কাৰ্যত পালন দণ্ডনীয় অপৰাধ বুলি গণ্য আৰু অনূসূচীত জাতি -জনজাতিৰ বিধানসভা, চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ (Public Sector)ত চাকৰিৰ সংৰক্ষণ আদিয়ে সমাজতত্ত্ববিদসকলৰ বাবে এখন নতুন অধ্যয়নৰ ক্ষেত্ৰ মুকলি কৰি দিয়ে।

এই সময়তে ভাৰতীয় সমাজ ব্যৱস্থাৰও পৰিৱৰ্তন সূচনা হয়। উদ্যোগীকৰণ ব্যৱস্থা গ্ৰহণে ভাৰতীয় সমাজক কৃষিৰ পৰা আতৰাই উদ্যোগমূখী কৰে আৰু সমাজ সংৰচনাৰ ক্ষেত্ৰতো অভ্যন্তৰান অসমানতাৰ জন্ম দিয়ে । এনে পৰিৱেশে সমূহীয়া স্বাৰ্থন্বেষী দল নিৰ্ভৰ সমাজশাস্ত্ৰৰ জন্ম দিয়ে, যেনে— কথা সমাজশাস্ত্ৰ, লিঙ্গ সমাজশাস্ত্ৰ, দলিত সমাজশাস্ত্ৰ, আদিৱাসী সমাজশাস্ত্ৰ আৰু হিন্দু বা মুছলমান সমাজশাস্ত্ৰ আদি। তদুপৰি এই ব্যৱস্থাই মধ্যৱৰ্তী শ্ৰেণী ধাৰণাৰ জন্ম দিয়ে আৰু লগতে পেশাদাৰী আৰু সেৱা ক্ষেত্ৰৰ প্ৰসাৰ, সেউজ বিপ্লৱ, ব্যৱসায়িক আৰু উদ্যোগীক উদ্যমিতা আদি নতুন ধাৰণাৰ আমদানি ঘটে। কিন্তু মূলসমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত সফলতা লাভ কৰিব নোৱাৰে। দেশৰ আধাতকৈ প্ৰায় বেছি লোক নিৰক্ষণ আৰু জনসংখ্যাৰ বৃদ্ধিৰ হাৰ অপ্ৰতিৰোধ্য। এই উচ্চ জনসংখ্যাৰ বৃদ্ধিয়ে দেশৰ ৪০ শতাংশ মানুহক দৰিদ্ৰ সীমাৰেখাৰ তলত ৰাখিছিল লগতে গাঁৱৰ পৰা নগৰ অভিমুখে প্ৰব্ৰজনৰ ফলত চহৰীয়া দুখীয়া মানুহৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছিল ইয়াৰ পৰিণতি স্বৰূপে চহৰসমূহত বস্তি অঞ্চল বৃদ্ধি পালে। মহানগৰৰ কলে�ৱৰ বৃদ্ধিৰ লগতে চহৰাঞ্চলৰ দৰিদ্ৰতা আৰু বস্তি অঞ্চলও বৃদ্ধি হৈছে। বস্তিবাসীসকল অভাৱনীয় সমস্যাৰ মাজত জীৱন নিৰ্ৱাহ কৰিছে। সেয়েহে ভাৰতীয় সমাজতাত্বিকসকলে এই সকলো সামাজিক সমস্যাক গুৰুত্ব দি এক নতুন সমাধানৰ পথৰ সন্ধান কৰিবলগীয়া হৈছে।

১.৫ বৰ্তমান সময়ত ভাৰতত সমাজতত্ত্ৱৰ ধাৰা

বৰ্তমান সময়ত সমাজতত্ত্ৱৰ ধাৰালৈ লক্ষ্য কৰিলে আমি দেখিম যে, ইয়াত উন্নয়নৰ সমাজতত্ত্ব আৰু গোলকীকৰণৰ সমাজতত্ত্ব অন্তৰ্ভুক্ত হৈছে। ইয়াৰ বাহিৰেও কিছুমান বিদ্যাবিষয়ক বা নতুন শাখা ইয়াত অন্তৰ্ভুক্ত হৈছে, যেনে— যৌনবিষয়ক, প্ৰজননজনীত স্বাস্থ্য, সামাজিক

তত্ব, চহৰ অঞ্চলত সংযুক্ত সামূহিক কার্যকলাপ আদি। স্বাধীনতাৰ আগতে, ড. বি. আৰ. আম্বেডকাৰ আৰু ফুলেৰ সমাজতাত্বিক দৃষ্টিভংগীসমূহ জনসাধাৰনৰ মাজত বিশেষভাৱে বিবেচিত হোৱা নাছিল; তেওঁলোকক আনকি সমাজ চিন্তাবিদ বুলিও গণ্য কৰা নহৈছিল। কিন্তু, স্বাধীনতাৰ পিছত, ভাৰতীয় সমাজতত্বৰ এক অভূতপূর্ব পৰিৱর্তন দেখা যায়। বর্তমান সময়ত, জনসাধাৰণে তেওঁলোকৰ দৃষ্টিভংগী বুজিব পাৰিছে আৰু এই সমাজ চিন্তাবিদসকলক বিশেষকৈ দলিত অধ্যয়ন ক্ষেত্রত আগ্রণী চিন্তাবিদ বুলি গণ্য কৰা হৈছে।

সমসাময়িক সমাজত, ভাৰতীয় সমাজতত্ববিদসকলে আঞ্চলিক ভাষাক অধিক গুৰুত্ব দি আহিছে। ভাৰতবর্ষত প্রতি ৰাজ্য আৰু সমাজত ভাষা সমস্যা দেখা যায়। সমাজতত্ববিদসকলে নিজ আঞ্চলিক ভাষাত লিখা মেলা কৰিলে আঞ্চলিক ভাষাৰ সংবাদপত্রৰ স্পষ্টতাৰ বাবে সমস্যাৰ সন্মুখীন হয়, আকৌ তেওঁলোকৰ গৱেষণালব্ধ জ্ঞান ইংৰাজীত লিখিলেও এইবোৰ প্রায়েই প্রকাশ নহয় কিয়নো ইংৰাজীত প্রকাশিত সংবাদপত্রৰ সংখ্যা অতি সীমিত। সেয়েহে এই সমস্যা সমাধাণৰ বাবে Indian Sociological Society (ISS) যে নিজাববীয়াকৈ আঞ্চলিক অনুস্থানসমূহক সহায়ৰ উদ্দেশ্যে আগবাঢ়ি আহে, উদাহৰণ স্বৰূপে আঞ্চলিক অনুস্থানসমূহৰ ওপৰত প্রৱন্ধ সংগ্রহ অনুষ্ঠিত কৰি ভাৰতৰ বিভিন্ন প্রান্তত থকা সমাজতাত্বিকসকলক উৎসাহ প্রদর্শন আদি। বর্তমান সময়ত যুৱ সমাজতত্ববিদসকলে সমাজতত্বৰ নতুন ধাৰা যেনে— সামাজিক বহিঃস্কৰণ, জাতীয়তা আৰু সংস্কৃতি আদিক সামাজিক ন্যায়ৰ বহল পৰিসৰৰ অর্ন্তগত কৰি ইয়াক বুজিবলৈ চেষ্টা কৰি আহিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সমাজতত্বৰ বিকাশক আপুনি কিমান ভাগত অন্তর্ভুক্ত কৰিব?

প্রশ্ন নং ২ ঃ সমাজতত্ব বিভাগ প্রথমে ক'ত আৰু কেতিয়া স্থাপিত হৈছিল?

প্রশ্ন নং ৩ ঃ প্রাচ্যতত্ব মানে কি বুজে?

প্রশ্ন নং ৪ ঃ ১৯৫১ চনত G.S.Ghurye যে কি বৃত্তিগত সংঘ স্থাপন কৰিছিল?

প্রশ্ন নং ৫ ঃ "Indian Villege" গ্রন্থৰ লিখক কোন?

প্রশ্ন নং ৬ ঃ ICSSR কিমান চনত প্রতিষ্ঠা হয়?



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় বুদ্ধিমত্তা আৰু সাংস্কৃতিক ঐতিহ্য, সমাজতত্ব আৰু অন্য সমাজিক বিজ্ঞানৰ কথাকে ধৰি উপনিৱেশিক শাসনৰ প্রভাৱৰ কথা ইতিহাসৰ প্রসংগৰে ক'ব পাৰি যে এইবোৰৰ

তাত্বিক, ভাৱগত আৰু পেশাগত অভ্যুত্থানত এই উপনিৱেশিক এক উল্লেখযোগ্য কাৰক।

- যথাৰীতি সম্পন্ন বিষয় হিচাপে ভাৰতত সমাজতত্ত্ব উৎপত্তি।
- ভাৰত আৰু পশ্চিমৰ বহুতো সংকটপূৰ্ণ অৱস্থাৰ সংযোগত উৎপত্তি হয়।
- ভাৰতৰ সমাজতত্ত্ব বিকাশৰ প্ৰধানকৈ তিনিতা স্তৰ আছে। প্ৰথম স্তৰটো ১৭৭৩-১৯০০ চনৰ ভিতৰত, দ্বিতীয় স্তৰটো ১৯০১-১৯৫০ চনৰ ভিতৰত আৰু তৃতীয় স্তৰটো স্বাধীনোত্তৰ কালৰ ভিতৰত।
- ১৯১৯ চনত সমাজতত্ব যথাবিধি সম্পন্নভাৱে প্ৰথমবাৰৰ বাবে আৰম্ভ হয় আৰু ১৯১৯ চনত বম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্বৰ প্ৰথমবিভাগ আৰম্ভ হৈছিল।
- বহু বিখ্যাত সমাজতত্ত্ববিদে অনৱদ্য প্ৰচেষ্টাতে ভাৰতীয় সমাজতত্ত্ব বিকাশ লৈ বৰহুঙণি যোগাইছিল। তেনেদৰে গৱেষণাৰ ক্ষেত্ৰতো তেওঁলোকৰ অৱদান অতুলনীয়। এইসকলৰ ভিতৰত B.N. Seal, K.M. Kapadia, Isawati Karve, S. V. Karandikar, M. N. Srinivas, A.R. Desai, I. P. Desai, M. S. Gore আৰু Y.B. Damle উল্লেখযোগ্য। দেশৰ সমাজতত্ত্ব ভৱিষ্যত আৰ্হি এইসকল ব্যক্তিৰ অৱদানেৰে ৰচিত।
- স্বাধীনতাৰ পিছত, সমাজতত্ত্ব বিভাগৰ সংখ্যা বৃদ্ধি পায় আৰু এইবোৰৰ অধীনত ভাৰতত বহু গৱেষণা প্ৰকল্প গঢ়ি উঠে।
- ভাৰতৰ স্বাধীনতাৰ কালৰে পৰাই বহু সমাজতাত্ত্বিকৰ সামাজিক অধ্যয়নসমূহত বিভিন্নতা দেখা যায়। ভাৰতবৰ্ষত গ্ৰাম্যসমাজৰ ওপৰত অধ্যয়ণ আৰম্ভ হয়। বহু ভাৰতীয় সম্প্ৰদায়, জাতি আদিবাসী সমাজতাত্বিক অধ্যয়নত অন্তৰ্ভুক্ত হয়।



১.৭ অধিক জানিবলৈ

- B. Paigude, V. S. (2013). http://www.onlinethinker.org/Artical_7_ Lashkar% 20 Sociology.html. Retrieved 2017
- Dhanagre, D.N. 1993. Themes and Perspectives in Indian Sociology. Jaipur: Rawat Publications.
- Modi, I. (2009, Mar 23). Retrieved june 2017, from www.ios.sinica.edu.tw/ cna/download/4b_Modi_2.pdf.
- Mondal, P. (n.d.). Development of Sociology in India. Retrieved june 2017, from www.yourarticlelibrary.com/sociology/development-ofsociology- in-india/35016/.
- Mukherjee, Ramakrishna. 1977b. Trends in Indian Sociology, Current Sociology, 25(3).



১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সমাজতত্ত্ৱ বিকাশ তিনিটা ভাগত ভাগ কৰিব পাৰি—

প্ৰথম ভাগত১৭৭৩-১৯০০ চনলৈ সময়ছোৱাক অন্তৰ্ভুক্ত কৰিব পাৰি, এই সময়তেই বুনিয়াদী আধাৰ ৰচিত হৈছিল।

দ্বিতীয় ভাগত ১৯০১-১৯৫০, চন সমাজতত্ত্ৱ পেশাগত আৰম্ভণি

তৃতীয়টো হ'ল স্বাধীনতাৰ পিছৰ কালছোৱাত, বিভিন্ন জটিল পৰিস্থিতিৰ উদ্ভৱ হয়, যেনে— চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা উন্নয়নমূলক উদ্যোগীক সংস্থানৰ পৰিকল্পনা, ভাৰতীয় গৱেষক পণ্ডিতসকলৰ বিদেশী সমাজতাত্বিকসকলৰ সৈতে গুৰুত্বপূৰ্ণ চিন্তা চৰ্চাৰ অদান প্ৰদান, অনুদানৰ হাৰ বৃদ্ধি, ফলত মহত্ত্বপূৰ্ণ গৱেষণা কাৰ্য সম্পাদনা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯১৯চনত বম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্ৱৰ প্ৰথম বিভাগ স্থাপিত হৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচ্যতত্ব হ'ল ভাৰতৰ ইতিহাস, সংস্কৃতি, ভাষা আৰু সাহিত্য সম্বন্ধে বিদ্যায়তনিক অধ্যয়ণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫১চনত G.S. Ghurye ভাৰতীয় সমাজতাত্ত্বিক সমাজ প্ৰতিষ্ঠা কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ Indian Villege ৰ লিখক হ'ল S.C. Dube.

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬৯ চনত Indian Council of Social Service Research (ICSSR) স্থাপিত হয়।



১.৯ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ভাৰতীয় সমাজতত্ত্ৱৰ বিকাশৰ বিভিন্ন স্তৰসমূহ উল্লেখ কৰা

প্ৰশ্ন ২ ঃ স্বাধীনতাৰ পিছত সমাজতত্ত্ৱৰ মুখ্য বৰঙণিসমূহ কি?

খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰসমূহ লিখিব)

প্ৰশ্ন ১ ঃ ভাৰতীয় সমাজতত্ত্ৱৰ বৰ্তমান ধাৰাসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ প্ৰাক্-স্বাধীনতাৰ কালছোৱাত ভাৰতত সমাজতত্ত্ৱৰ বিকাশ সম্বন্ধে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতত সমাজতত্ত্ৱৰ উৎপত্তিৰ ইতিহাস আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতীয় সমাজ অধ্যয়নত প্ৰাচ্যত্ত্বীয় দৃষ্টিভংগী

অধ্যায় গাঁথনি

- উদ্দেশ্য
- পৰিচয়
- ২.৩ G.S Ghurye ঃ জীৱনৰ আগছোৱা
  - ২.৩.১ প্ৰাচ্যতত্ত্বীয় দৃষ্টিকোণ
  - ২.৩.২ বৈদিক যুগ ১৫০০ খৃঃপূঃ ৰ পৰা ৬০০ খৃঃপূঃ
  - ২.৩.৩ উত্তৰ বৈদিক যুগ ৬০০ খৃঃপূঃ ৰ পৰা ৩০০ খৃঃপূঃ
  - ২.৩.৪ ধৰ্ম শাস্ত্ৰৰ যুগ ৩০০ খৃঃপূঃ ১১ শতিকালৈ
  - ২.৩.৫ আধুনিক যুগ ১১ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈ
- ২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
- ২.৫ অধিক জানিবলৈ
- ২.৬ অগ্ৰগতিৰ খতিয়ান
- ২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- G.S Ghurye ৰ জীৱনসম্বন্ধে জ্ঞাত হ'ব পাৰিব
- প্ৰাচ্যতত্ত্বীয় দৃষ্টিভংগী সম্বন্ধে জানিব পাৰিব
- ভাৰতীয় ইতিহাসৰ সময়ছোৱাৰ বিৱৰণ কৰিব পাৰিব।

২.২ পৰিচয়

এক যিকোনো বিষয় সম্বন্ধে অধ্যয়ন কৰিবলৈ যাওতে, বিষয়টি সম্বন্ধিত সকলো অধ্যয়ন উৎস আমি গম পাওঁ বা বিষয়টিৰ ওপৰত ৰচিত গ্ৰন্থসমূহৰ দ্ধাৰা আমি জ্ঞান লাভ কৰিব পাৰো। তেনেদৰে ভাৰতীয় সমাজৰ বিষয়ে বিশিষ্টভাৱে অধ্যয়ন কৰিবলৈ, প্ৰাচ্যতত্ত্বীয় দৃষ্টিভংগীৰ সহায় লব পাৰি। ই ভাৰতীয় সমাজৰ বিজ্ঞান, স্বৰূপ। ভাৰতীয় সমাজ অধ্যয়ন কৰিবলৈ হ'লে ভাৰতীয় সভ্যতাৰ লগত সম্বন্ধিত ধাৰণা, ৰূপৰেখা আৰু তত্ত্বসমূহৰ জ্ঞান লাভ কৰাতো অপৰিহাৰ্য। ই এক স্বাধীন বিষয় হিচাপে বা অধ্যয়নৰ শাখা হিচাপে কাৰ্য্য কৰি আহিছে আৰু ভাৰতীয় সমাজ অধ্যয়ন ইয়াৰ মূল বিষয়। এক দৃষ্টিকোণ বা বিষয় দুয়োক্ষেত্ৰত, প্ৰাচ্যতত্ত্বই ভাষা, লোক-বিশ্বাস, ধাৰণা, ৰীতি-নীতি, বৰ্জিত ধৰ্ম (taboos), সংকেত লিপি, সামাজিক সংস্থা, ধৰ্মীয় বিধি আৰু সংস্কৃতিৰ অন্য অংশসমূহ অধ্যয়ন বিষয় হিচাপে নিৰ্বাচিত কৰে। প্ৰাচ্যতত্ত্বই আন্তঃবিষয় আৰু বহু

বিষয় দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰাচ্যতত্ত্ব সাধাৰনতে গ্ৰন্থ-নিৰ্ভৰ অৰ্থাৎ, প্ৰাচ্যতত্ত্বই প্ৰাচীন গ্ৰন্থ আৰু লিপিসমূহ জ্ঞানৰ আধাৰ হিচাপে বিবেচনা কৰে আৰু ইয়াৰ দ্বাৰাই সমাজতাত্ত্বিকসকলও ভাৰতৰ সমাজ আৰু সংস্কৃতি সম্বন্ধে জ্ঞাত হয়। G.S.Ghurye এগৰাকী ভাৰতীয় সমাজতাত্ত্বিক আৰু এখেতৰ ভাৰতীয় সংস্কৃতিক সাহিত্য সম্বন্ধে বিশেষ বুৎপত্তি আছিল। তদুপৰি ধৰ্মীয় পৌৰানিক গ্ৰন্থসমূহৰ অধ্যয়নৰ দ্বাৰা ভাৰতীয় সমাজ-সংস্কৃতি সম্বন্ধে তেখেতে গুৰুত্বপূৰ্ণ সমল সংগ্ৰহ কৰিছিল। আগৰ অধ্যয়নত আমি ভাৰতৰ সমাজতত্বৰ বিকাশ সম্বন্ধে আলোচনা কৰিছো। এই অধ্যয়নত আমি ভাৰতীয় সমাজতত্ব সম্বন্ধে অধিক জ্ঞান লভিবলৈ প্ৰাচ্যতত্ত্বীয় দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিম।

২.৩ G.S.GHURYE ঃ জীৱনৰ আগছোৱা

১৮৯৩ চনৰ ১২ ডিচেম্বৰত মহাৰাষ্ট্ৰৰ মালৱানত, এক ব্ৰাহ্মণ পৰিয়ালত Ghurye ৰ জন্ম হৈছিল। সংস্কৃত সাহিত্যৰ প্ৰতি Ghurye ৰ সৰুকালৰেপৰাই বিশেষ আগ্ৰহ আছিল। স্কুল আৰু কলেজত তেখেতে সমাজতত্ব বিষয়টো শিক্ষনীয় বিষয় হিচাপে গ্ৰহন কৰিছিল। মেট্ৰিকৰ দেওনা পাৰ হৈ তেওঁ Elphinstone College, Bombay ত নাম ভৰ্তি কৰিছিল। তাৰপৰা তেওঁ প্ৰথমশ্ৰেণীৰ দ্বিতীয় স্থান লৈ বি.এ পাছ কৰে আৰু সংস্কৃতত Bahu prize-the bulee ribben লাভ কৰে। তেওঁ ইংৰাজী আৰু সংস্কৃত সাহিত্যত প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগ সহিতে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে আৰু Chancellor`s Gold Medel লাভ কৰে। সংস্কৃতৰ তীক্ষ্ণ বুৎপত্তি লাভৰ পিছত Ghurye সমাজতত্ব বিষয় অধ্যয়ণৰ লগত গভীৰ ভাৱে জড়িত হৈ পৰে। Ghurye ৰ সমাজতত্ব সম্বন্ধীয় লিখনিসমূহ ইয়াৰে প্ৰমাণ। তদুপৰি তেওঁৰ তত্ত্বাৱধানত গৱেক্ষণা ক্ষেত্ৰতও গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ হয়।

Elphinstone College ৰ অধ্যাপক Patsick Geddes ৰ ওচৰত Ghurye এ "Bombay as an urbancentre" নামৰ এখন ৰচনা দাখিল কৰিছিল এই ৰচনাখন উচ্চ প্ৰসংসিত হৈছিল আৰু ইয়াৰ বাবে তেওঁ বিদেশী ছাত্ৰ বৃত্তিও লাভ কৰিছিল। Ghurye এ লণ্ডন স্কুল অৱ ইকন্‌মিকছৰ অধ্যাপক L.T.Hobhous ৰ সৈতেও কাম কৰিছিল। ১৯২৩ চনৰ Ghurye এ তেখেতৰ গৱেষণাকৰ্ম সমাপ্ত কৰে আৰু গৱেষণাৰ বিষয় আছিল "ভাৰতৰ জাতি আৰু প্ৰজাতি (race)"। ১৯২৩ চনত C.K.Odgen`s ৰ "History Of Civilisation Service"ত তেওঁৰ গৱেষণা কৰ্মসমূহ Ronthedge আৰু Kegan Paul ৰ দ্বাৰা প্ৰকাশিত হয়। এই প্ৰকাশে বিদ্বৎসমাজত Ghuryeৰ স্থান উচ্চস্থানত অৱস্থিত কৰে।

১৯৫২ চনত G.S.Ghurye ৰ অহোপূৰুষাৰ্থত "Indian Sociological Society" স্থাপিত হয় আৰু Ghuryeৰ মহামূল্যৱান লিখনি "Sociological Journal In India" প্ৰকাশিত হয়। ১৯২০ চনত বৰোডা কলেজ, বৰোডাৰ অধ্যাপক Alban G.Widgeryৰ সম্পাদনাত "The Indian Journal Of Sociology" প্ৰকাশিত হ'ব ধৰে। ভাৰতীয় সমাজৰ বিকাশৰ এক

দীঘলিয়া ইতিহাস আছে আৰু প্রমূল্য, ধর্মীয় ৰীতি-নীতি আৰু হিন্দুত্বৰ আদর্শৰে ইয়াৰ সংস্কৃতি সুসংগঠিত হৈছে। এগৰাকী সমাজতাত্ত্বিক হিচাবে Ghurye এ ভাৰতীয় সমাজৰ অন্বেষণ কৰি ইয়াৰ বিশিষ্টতাসমূহ উপলব্ধি আৰু প্রকাশ কৰিব বিচাৰিছিল।

বৃটিছ সামাজিক নৃবিজ্ঞানৰ প্রসাৰণ দৃষ্টিভংগী (diffusionist aproach)য়ে প্রাৰম্ভিকভাৱে Ghurye' ক প্রভাৱিত কৰিছিল কিন্তু, পিছলৈ ভাৰতীয় সমাজ অধ্যয়নৰ বাবে প্রাচ্যতত্ত্বীয় আৰু নৃ-তাত্তিক দৃষ্টিভংগীক গুৰুত্ব দিছিল। ভাৰতৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ অধ্যয়ন আৰু অন্য ক্ষেত্রৰ অধ্যয়নৰ বাবেও তেওঁ প্রাচ্যতত্ত্বীয় দৃষ্টিকোণক কেন্দ্রীয় উৎস বুলি গণ্য কৰিছিল।

২.৩.১ প্রাচ্যতত্ত্বীয় দৃষ্টিভংগী

প্রাচ্যতত্ত্ব হ'ল সমাজতত্ত্ববিদ মেক্স মূলাৰৰ পৰম্পৰা আৰু সাধাৰণভাৱে ক'বলৈ গ'লে ই পাৰম্পৰিক ভাৰতীয় বিশেষকৈ হিন্দু-বিচাৰধাৰা, প্রমূল্য, অনুষ্ঠান আৰু সাংস্কৃতিক মানদণ্ড আৰু ইয়াৰ উদ্‌যাপন সম্বন্ধীয় অধ্যয়নমূলক বিষয়। এই বিষয়টি অধ্যয়নৰ ক্ষেত্রত প্রাচীন ধর্মীয় গ্রন্থসমূহৰ পুংখানুপুংখ অধ্যয়নক বিশেষভাৱে গুৰুত্ব দিয়া হয়। প্রাচ্যতত্ত্বই ভাৰত সম্বন্ধীয় অধ্যয়নকেই বুজায়। ভাৰতীয়সভ্যতাৰ ওপৰত আধাৰিত প্রাচীন সংস্কৃত সাহিত্য আৰু দার্শনিক পৰম্পৰা যেনে— বেদ, ধর্মশাস্ত্র, মহাকাব্য আৰু হস্তলিখিত কাব্যৰ লগতে পুৰাতাত্ত্বীয় কলাকৃতিসমূহ এই সকলোৰেই প্রাচ্যতাত্ত্বিক সকলৰ বাবে ভাৰত অধ্যয়নৰ সমল। হস্তলিখিত গ্রন্থসমূহ বা পাণ্ডুলিপিসমূহ (Manuscripts)ৰ সহায়ত সমাজতত্ত্ববিদসকলে সমাজৰ প্রকৃতি, আইন আৰু নীতি-নিয়ম, বিজ্ঞান, প্রযুক্তি আদিৰ বিষয়ে জ্ঞানলাভ কৰে। G.S. Ghurye, Radhakamal Mukherjee, B.K. Sarkar আদি বিখ্যাত সমাজতাত্ত্বিকে ভাৰতীয় সমাজ অধ্যয়নৰ বাবে প্রাচ্যতাত্ত্বিক দৃষ্টিভংগী অৱলম্বন কৰিছিল।

G.S. Ghurye যে ভাৰতত হিন্দু সমাজৰ বিকাশ সম্বন্ধে অধ্যয়নত প্রাচ্যতাত্ত্বিক দৃষ্টিভংগী গ্রহণ কৰাৰ ক্ষেত্রত বাটকটীয়া বুলি ক'ব পাৰি। সংস্কৃত ভাষাৰ অগাধ ব্যুৎপত্তিৰ হেতু তেওঁ প্রাচ্যসম্বন্ধীয় সূত্রসমূহ যেনে— বেদ, ধর্মশাস্ত্র আৰু মহাকাব্যসমূহৰ বিষয়ে গভীৰ জ্ঞান আছিল আৰু ইয়াৰ দ্বাৰা ভাৰতীয় সমাজত থকা বিশেষ জাতি আৰু জাতিব্যৱস্থাৰ বিকাশ আৰু প্রচলন সম্বন্ধে সঠিক ধাৰণা আছিল। তেওঁৰ এখন প্রসিদ্ধ লিখনী 'Caste and Race in India' ত Ghurye এ 'সময়ৰ পৰিৱর্তনত জাতি ব্যৱস্থা'ৰ মাজেৰে হিন্দু জাতি সমাজৰ এখন পুংখানুপুংখ আৰু বিস্তাৰিত বিৱৰণ দিছে। বৈদিক সংহিতা, ধর্মশাস্ত্রসমূহ আৰু মহাভাৰতৰ দৰে প্রাচ্য উৎসৰ পৰা সংগৃহীত তথ্যক তেওঁ আধুনিক সমাজশাস্ত্রীয় উৎসৰ তুলনাত অধিক গুৰুত্বৰে বিবেচনা কৰিছিল, তেওঁৰ লিখনীতো এইবোৰৰ প্রভাৱ পৰিছিল। সময়ৰ লগে লগে ভাৰতীয়

সমাজৰ ঐতিহাসিক পুনৰ্গঠনৰ উপযুক্ত বিশ্লেষণৰ বাবে তেওঁ ভাৰতীয় ইতিহাসক চাৰিটা সময়ৰ ব্যৱস্থাত বিচ্ছেদিত কৰিছিল। সেইকেইটা হ'ল—

ক) বৈদিক যুগ ১৫০০ খৃঃপূৰ্বৰ পৰা ৬০০ খৃঃপূৰ্বলৈ

খ) উত্তৰ বৈদিক যুগ ৬০০ খৃঃপূৰ্বৰ পৰা ৩০০ খৃঃপূৰ্বলৈ

গ) ধৰ্মশাস্ত্ৰসমূহৰ যুগ ৩০০ খৃঃপূৰ্বৰ পৰা ১১ শতিকালৈ

ঘ) আধুনিক যুগ ১১ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈকে।

২.৩.২ বৈদিক যুগ (১৫০০ খৃঃপূৰ্বৰ পৰা ৬০০ খৃঃপূৰ্ব)

Ghuryeৰ মতে, বৈদিক যুগৰ প্ৰাৰম্ভকি লেখা ঋগ্‌ৱেদত, বৈদিক যুগৰ আৰম্ভণিতে সমাজত থকা দুই তৰপীয়া সমাজ ব্যৱস্থাই সমাজক বিভাজিত কৰিছিল বুলি ব্যাখ্যা আছে। এই দুই ভাগ হ'ল আৰ্য্য বৰ্ণ — গৌৰ ৰঙৰ যোদ্ধাসকল আৰু দাস বৰ্ণ — আদিবাসী বা স্বদেশীয় কলা ৰঙৰ লোকসকল। "বৰ্ণ" শব্দই বগা আৰু কলা ৰঙৰ আৰ্য্য আৰু দাসসকলক একাদিক্ৰমে বুজাইছিল। তেনেদৰে তিনিতৰপীয়া সামাজিক বিভাজন ব্যৱস্থাৰও উল্লেখ আছে, য'ত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্যসকলে কৰ্ম-বৃত্তি হিচাপে ক্ৰমে পুৰোহিত -লেখক, যোদ্ধা সেনাপতি, আৰু সাধাৰণ নাগৰিকৰ দায়িত্ব গ্ৰহণ কৰিছিল। পুৰুষমুক্তৰ শেষৰ স্তোত্ৰসমূহত ব্ৰাহ্মণ, ক্ষত্ৰীয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিতৰপীয়া সমাজব্যৱস্থাৰ প্ৰৱৰ্তনৰ উল্লেখ আছে। এই ব্যাখ্যাত উল্লেখ কৰা মতে সৃষ্টি কৰ্তা ব্ৰহ্মা আত্মদানৰ মাধ্যমত সমাজৰ চাৰিবৰ্ণৰ সৃষ্টি হৈছে। সৃষ্টিকৰ্মাৰ মুখ, বাহু, জানু আৰু ভৰিৰ পৰা এই চাৰিবৰ্ণৰ সৃষ্টি হৈছে। বৃহ্মাৰ ভৰিৰ পৰা শূদ্ৰবৰ্ণৰ উৎপত্তিৰ ব্যাখ্যাৰে সম্ভৱতঃ সেই সময়ত সমাজৰ নিম্নশ্ৰেণীৰত শূদ্ৰসকলক উপস্থাপনেই বুজাইছে। তেনেদৰে ব্ৰাহ্মণসকলে সমাজৰ উচ্চস্থানত অধিস্থিত হোৱাটো গ্ৰহণযোগ্য আছিল, কিয়নো তেওঁলোক সৃষ্টিকৰ্তাৰ মুখৰ পৰা উৎপত্তি হৈছিল বুলি পৌৰাণিক ব্যাখ্যা আছিল। তেওঁলোকক সন্মানীয় পুৰোহিত আৰু শিক্ষকৰ দায়িত্ব দিয়া হৈছিল। তেনেদৰে ক্ষত্ৰিয়সকল ব্ৰহ্মাৰ বাহু আৰু কান্ধৰ পৰা জন্মীচিল বুলি তেওলোকৰ সমাজ ৰক্ষকৰ দায়িত্ব আৰ্থৎ ৰজা আৰু যোদ্ধাৰ দায়িত্ব দিয়া হৈছিল। বৈশ্যসকলক খাদ্য যোগান আৰু কৰ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছিল। ভৰিৰ পৰা সৃষ্টি হোৱা শূদ্ৰসকলে ওপৰোক্ত তিনিজনক সেৱা শুশ্ৰূষা কৰাৰ দায়িত্ব দিয়া হৈছিল। বয়-বস্তু কঢ়িওৱা আৰু মানুহক ইঠাই সিঠাইলৈ ভাৰ কঢ়িয়াই নিয়া আদি শূদ্ৰৰ কাম। এই চাৰি শ্ৰেণী বা বিভাগ বুজাবলৈ "বৰ্ণ" শব্দ ব্যৱহাৰ কৰা হৈছিল। 'বৰ্ণ' মানে হ'ল ৰং আৰু এই ৰং আৰ্য্যসকল দাসসকলৰ পৰা পৃথক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল, কিন্তু পিছলৈ কৰ্মগত পৃথকতা বুজাবলৈ এই 'বৰ্ণ' শব্দ ব্যৱহাৰ কৰা হয়। আৰ্য্য আৰু দাসসকলৰ মাজত আৰম্ভণিতে থকা ব্যৱধান পিছলৈ দ্বিজ (dvija) বা দুইজনম আৰু একজা বা একজনম শব্দৰে প্ৰকাশ হয়। প্ৰথম তিনিটা বৰ্ণৰ ক্ষেত্ৰত দীক্ষা সংস্কাৰ (initiation ceremony) ৰ ব্যৱস্থা আছিল যিহেতু

ই পূৰ্ণজন্মৰ ধাৰণাৰ লগত সম্বন্ধিত কিন্তু শূদ্ৰসকলৰ ক্ষেত্ৰত এই দীক্ষা সংস্কাৰ'ৰ পৰা বঞ্চিত কৰা হৈছিল।

বৈদিক যুগৰ শৈষলৈকে (১৫০০ খৃঃপূৰ্বৰ পৰা ৬০০ খৃঃপূঃ) লৈ ভাৰতীয় সমাজত ধৰ্মীয় আৰু বৃত্তিগত কৰ্মৰ বৰ্ণ বিভাজনৰ ভিত্তিত সংজ্ঞায়িত হৈছিল আৰু বৈবাহিক সম্বন্ধও কিছুপৰিমাণে বৰ্ণ নিৰ্ধাৰকৰ ভূমকা লৈছিল। অৱশ্যো, ধৰ্মগত ৰক্ষণশীলতাৰ কিছু পৰিমাণে শিথিলতা আহিছিল, যেনে— ক্ষত্ৰীয় এজনেও ব্ৰহ্মনৰ প্ৰস্থিতি লাভ কৰিব পাৰিছিল আৰু ব্ৰাহ্মণ এজনেও ক্ষত্ৰীয় বৰ্ণ গ্ৰহন কৰিব পাৰিছিল আৰু এই কাৰ্য্য যুদ্ধত দেখুওৱা বীৰত্বৰ ওপৰত ভিত্তি কৰি হৈছিল। উদাহৰণ হিচাপে বিশ্বামিত্ৰ ক্ষত্ৰিয় বৰ্ণত জন্ম গ্ৰহণ কৰিলেও ব্ৰাহ্মণৰ পদত অধিস্থিত হৈছিল আৰু পূৰোহিতৰ ভূমিকা গ্ৰহণ কৰিছিল। পৰশুৰাম আকৌ ব্ৰাহ্মণ বংশত জন্ম গ্ৰহন কৰিলেও যুদ্ধ-বিগ্ৰহত থকা ভূমিকাৰ বাবে ক্ষত্ৰিয় ৰূপে গণ্য হৈছিল। এগৰাকী উচ্চবৰ্ণ কন্যাক নিম্ন বৰ্ণৰ পুৰুষৰ লগত বিবাহত বাধা আছিল কিন্তু উচ্চ বৰ্ণৰ পূৰুষৰ নিম্ন বৰ্ণৰ কন্যাৰ লগত বিবাহ কিছু পৰিমাণে সহ্য কৰা হৈছিল।

২.৩.৩ উত্তৰ বৈদিক যুগ (৬০০ খৃঃপূৰ্বৰ পৰা ৩০০ খৃঃপূৰ্বলৈ বিস্তাৰিত)

উত্তৰ বৈদিক যুগ চাৰিবৰ্ণ আৰু নিষাদ সকলৰ অৰ্ন্তভুক্তিয়ে ভাৰতীয় সমাজ গঠন কৰিছিল। আৰ্য্যসকলে নিজৰ পৰিত্ৰ ধৰ্মৰ নীতিৰে চাৰিবৰ্ণৰ বাবে কৰ্ম নিৰ্ধাৰণ কৰিছিল। বৰ্ণধৰ্মত আছিল চাৰিবৰ্ণৰ চাৰিবৰ্ণৰ বাবে কৰ্মৰ নিৰ্দেশনা ইয়াৰ প্ৰথম ভাগত আছে আশ্ৰম —

জীৱনৰ চাৰিটা পৰ্যায় আৰু ইয়াৰ সৈতে জড়িত কৰ্তব্য দ্বিতীয় ভাগত আইনৰ বিৱৰণ আছে যেনে— ব্ৰাহ্মণৰ পালনীয় ধৰ্ম, ক্ষত্ৰিয়ৰ পালনীয় ধৰ্ম আৰু বৈশ্যৰ পালনীয় ধৰ্ম। শূদ্ৰসকলৰ বিষয়ে কোনো নিৰ্দিষ্ট ধৰ্ম পালনৰ নিৰ্দেশ স্পষ্টভাৱে এই গ্ৰন্থসমূহত নাই কিয়নো শূদ্ৰসকলক দ্বিজ বা দুইজন্ম হিচাবে গণ্য কৰা নহয়। শূদ্ৰসকলক বৈদিক শ্লোকসমূহৰ পাঠ কৰা আৰু যাগ-যজ্ঞ আৰু বলিবিধাণৰ পৰা আতৰাই ৰখা হৈছিল। পিছলৈ মহাভাৰতত উন্নেখ কৰা হয় যে শূদ্ৰসকলৰ সম্পূৰ্ণ নিৰংকুশ সম্পত্তিৰ গৰাকী নহয়, কিয়নো সম্পত্তিৰ মালিক আচলতে তেওঁৰ গৰাকী আৰু গৰাকীয়ে ইচ্ছানুসৰি শূদ্ৰৰ সম্পত্তি ব্যৱহাৰ কৰিব পাৰে। শূদ্ৰসকলৰ বাবে বৈদিক মন্ত্ৰউচ্চাৰণ শ্ৰৱন নিষেধ আৰু শুনিব চেষ্টা কৰিল তাৰ বাবে শাস্তিৰ বিধানও আছে। প্ৰথম তিনিতা বৰ্ণৰ নাৰীৰ লগত শূদ্ৰ এজনে বিভিচাৰত লিপ্ত হ'লে তাৰবাবে শূদ্ৰজনে শাস্তিৰ সন্মুখীন হ'ব লাগিছিল। যদিও তথ্যগতভাৱে দেখা যায় যে শূদ্ৰসকলৰ সামাজিক অৱস্থিতি বা অধিক্ৰমণৰ ক্ষেত্ৰত একেবাৰে নিম্নত অৱস্থিত তথাপি, তাৰেই এটা সৰুসংখ্যক তেওঁলোক সামাজিকভাৱে যথেষ্ট সমৃদ্ধ। কিছুমানআকৌ ৰাজপৰিয়ালৰ সন্তানৰ লগত বিবাহ সৰাবৰ বাবেও সক্ষম হৈছিল। উদাহৰণ স্বৰূপে, ৰামায়ণত দশৰথৰ চতুৰ্থ পত্নী

সুমিত্রা শূদ্র বর্ণৰ আছিল। সম্রাট চন্দ্রগুপ্ত শূদ্র বর্ণৰ আছিল। পতঞ্জলিৰ বর্ণিত দাক্ষিণাত্যৰ শাসক অভিৰাচ ক্ষত্রিয় বা শূদ্র নাছিল কিন্তু এই দুই বর্ণৰ মধ্যৱর্তী আছিল। পতঞ্জলি (২০০ খৃঃ পূ ১৫০ খৃঃ পূঃ লৈ) ত প্রথমবীৰৰ বাবে 'জাতি' শব্দৰ ব্যৱহাৰেৰে চাৰি বর্ণৰ বাহিৰেও ভাৰতীয় সমাজত থকা আন বিভিন্ন গোটক বুজাইছিল। অন্য বৃত্তিজীৰি গোট যেনে— কমাৰ, সোণৰী, মূচী, নাপিত, চিকিৎসক, বেপাৰী আৰু ঈৰু গৰুগাড়ী বা ৰথ্ তৈয়াৰ কৰোতা আদিও ইয়াত উল্লেখ আছিল। ভাগৱদ্ গীতাত উল্লেখ আছে যে ইয়াৰ ধর্মীয় সিদ্ধান্তসমূহে বৈশ্য আৰু শূদ্রসকলকো মোক্ষ লাভৰ পথ দেখুৱাব পাৰে। ভাগৱদ্ গীতাত ব্যক্তিক নিজস্ব বর্ণধর্ম পালনৰ মাজেৰে নিজ দায়িত্ব পালনৰ বাবে উপদেশ দিছে আৰু ইয়াৰ দ্ধাৰা মোক্ষ লাভ হয় বুলিও কৈছে।

২.৩.৪ ধর্মশাস্ত্রৰ যুগ (৩০০ খৃঃপূর্বৰ পৰা ১১ শতিকালৈ)

নাতি প্রণেতা গৌতমে তেওঁৰ ধর্মশাস্ত্রত উল্লেখ কৰিছিল যে জাতিয়ে নির্ধাৰিত নিয়ম অনুসৰি কর্তব্য কৰিলে পূর্ণজন্ম লাভ হয় আৰু সমৃদ্ধিশালী দেশ, শ্রেষ্ঠ জাতি আৰু সুপৰিয়াল লাভ কৰে। অপস্তম্বৰ মতে বাকী লোকসকলে নীচ-জাতি আনকি জন্তুৰূপে পিছৰ জনম লাভ কৰে। অৱশ্যে, উত্তৰ বৈদিক যুগৰ শেষৰ ফালে, ব্রাহ্মণসকলে ক্ষত্রিয়সকলক নিজৰ অধীনত ৰাখিবলৈ কঠোৰ নীতি আৰোপ কৰিছিল। ব্রাহ্মণসকলৰ প্রভূত্বৰ বিৰুদ্ধে ক্ষত্রিয়সকল ক্ষুণ্ণ হৈছিল আৰু এই পৰম্পৰা ভাঙিবলৈ প্রতিবাদ কৰিছিল। ক্ষত্রিয়সকলৰ ব্রাহ্মণ একাধিপত্যবিৰোধী অভিযানত জৈন আৰু বৌদ্ধসকলেও অংশগ্রহন কৰিছিল।

ধর্মশাস্ত্রসমূহৰ ভিতৰত মনুৰ আইন (মনু স্মৃতি) (২০০ খৃঃপূ—২০০খৃঃলৈ) ত ব্রাহ্মণৰ শীর্ষস্থানক বর্ণনা কৰি কৈছিল যে, ব্রাহ্মণসকলৰ জৰিয়তে লোকে ঈশ্বৰৰ লগত সংযোগ স্থাপন কৰিব পাৰে আৰু ব্রাহ্মণসকলৰ প্রার্থনাৰ সহায়ত ভগৱানক তুস্ত কৰিব পাৰে। তেওঁ ধর্মীয় আচৰণ নীতি আৰু শাস্তিৰ সম্পত্তিৰ অধিকাৰ আদি বিষয়ত নীতি প্রর্বতন কৰিছিল। কৌটিল্যই শাসন আৰু ন্যায়জনিত নীতি ৰচনা কৰাৰ লগতে নাৰী স্থান অৱনমিত কৰাৰ বাবেও নীতি ৰচনা কৰিছিল। দ্বিজসকলে লাভ কৰা সামাজিক সুবিধাসমূহ শূদ্র আৰু পঞ্চমসকলে ভাগকৰাৰও তেওঁ বিৰোধি আছিল।

Ghurye ৰ মতে, সামাজিক বিৱর্তনৰ লগে লগে বৃত্তিগত গোটসমূহো ভিন্ন আগ্রহেৰে আত্ম প্রকাশ কৰে। প্রাচীন কাল আৰু মধ্যযুগত প্রতিটো সামাজিক গোটৰ সমস্যাসমূহৰ মাজত বৃত্তিগতভাৱে বংশগত প্রথাঅনুসৰণ নীতি আছিল প্রতিটো গোটৰ মাজত একতা আৰু সমূহীয়া ভাৱবোধৰ বাবে প্রতিটো গোট নিজস্ব এক বান্ধানৰ মাজত আছিল। এই সময়ত কোনো শাসনকর্তাই নির্দিষ্ট কোনা নীতি নিয়ম বা প্রথা নির্ধাৰণ কৰি দিছিল যাৰ দ্বাৰা গোটসমূহৰ মাজত ঐক্যবদ্ধতাৰ সৃষ্টি হৈছিল। মনুস্মৃতিত উল্লেখ আছে যে, চাৰিবর্ণৰ সদস্যৰ সংযোগত কিছুমান নতুন গোটৰ সৃষ্টি হয় আৰু এই

গোটসমূহৰ মাজত পাছলৈ অন্তৰ্বিবাহ (intermarriage) সম্পন্ন হৈছিল যিটো আগৰ সময়বোৰত নহৈছিল। অৱশ্যে, সন্মিলিত গোটসমূহৰ মাজত বহুলতা থকিলেও ইয়াৰ অন্তৰ্গত ক্ষুদ্রগোটসমূহৰ বিত্তিনির্বাচনৰ ক্ষেত্রত নির্দিষ্টটা আছিল। সেয়েহে Ghurye য়ে কৈছে যে বৈদিক সময়ত চাৰিবৰ্ণৰ মাজত পিছলৈ সগোত্রীয় বিবাহৰ ৰীতি ভংগ, বৃত্তিগত বংশানুক্রমিকতা ৰীতিৰ পৰিৱৰ্তন আদিয়ে ভাৰতত বিভিন্ন জাতি-উপজাতি (🗁 পৰা ক্রমে) ৰ জন্ম দিয়ে আৰু লগতে বিভিন্ন ভাষা আৰু সুৰিয়া সংস্কৃতিৰ পয়োভৰ ঘটে।

২.৩.৫ আধুনিক যুগ —১১ শতিকাৰ পৰা ১৯ শতিকাৰ আৰম্ভণিলৈ

১১ আৰু ১২ শতিকাৰ ভাৰতীয় ভক্তি আন্দোলনৰ যুগ। ভগৱান শিৱ আৰু বিষ্ণু উপাসকসকল হ'ল এই আন্দোলনৰ গুৰিধৰোতা। ভক্তি আন্দোলনত ব্রাহ্মণ্যবাদ সম্পূর্ণৰূপে আওকাণ কৰা হৈছিল। সকলো জাতিৰ ক্ষেত্রতে পূজা আৰু ঐশ্বৰীয় আশীষৰ বাবে ব্রাহ্মণসকলৰ সাহায্য মধ্যস্থতাৰ সলনি নিজাকৈ পূজা প্রার্থণাৰ সুবিধা দিয়া হৈছিল। Ghurye ধর্মীয় উত্থানৰ উদাহৰণ দিবলৈ ১৩ শতিকাৰ মহাৰাষ্ট্রৰ উদ্ধিতি দি কৈছিল যে শৈৱ আৰু বৈষ্ণৱ ধর্ম গ্রহণ কৰাৰ পিছত শূদ্রজাতিৰ ধর্মীয় স্থিতিৰ উত্থান আৰু উন্নত হৈছিল। নামদেৱ আৰু তুকাৰামে নিম্ন জাতিত জন্ম গ্রহণ কৰিও তেওঁলোকৰ অপৰিসীম আধ্যাত্মীক ব্যক্তিত্বৰ বাবে সন্ত খ্যাতি লাভ কৰিছিল। বেংগলত ৰামাই ৩৬ জাতিৰ কাৰণে দীক্ষা সংস্কাৰ অনুষ্ঠিত কৰিছিল। উদাহৰণস্বৰূপে ডোম (dom) সকলৰ কথা ক'ব পাৰি, যিসকল ইমান দিনে দিক্ষা গ্রহণ কৰাৰ পৰা বিৰত ৰখা হৈছিল। ইছলাম ধর্মৰ ভাৰতীয় জাতি পদ্ধতিৰ ওপৰত সীমিত প্রভাৱহে পৰিলক্ষিত হৈছিল, তাকও ভাৰতৰ কিছু অংশতহে। বৃটিছসকলে ভাৰতত উপনিৱেশ শাসন স্থাপন কৰোতে তেওঁলোকে দেখা পাইছিল যে জাতি ব্যৱস্থা সম্প্রদায়সমূহৰ মাজত সুদৃঢ়ভাৱে স্থাপিত হৈছে। Ghurye ৰ মতে, জাতি ব্যৱস্থা তলত উল্লেখ কৰা ছয়টা উল্লেখযোগ্য বৈশিষ্টৰে সুস্পষ্ট—

খণ্ড বিভাজিত সমাজ ব্যৱস্থা ঃ জাতি হ'ল গোটৰ সমষ্টি, য'ত সুসভ্য জীৱন আৰু সংস্কৃতিৰ সমাহাৰ ঘটে। জাতিৰ সদস্যপদ সম্পূর্ণৰূপে জন্মৰ ওপৰত নির্ভৰ কৰে। এজন ব্যক্তি ব্রাহ্মণ, মাৰাঠা, ৰাজপুত আৰু মাহাৰ বা মাং হোৱাটো পূর্ণনির্ধাৰিত যোগ্যতাৰ ওপৰত নির্ভৰ কৰে আৰু মৃত্যু পর্য্যন্ত এই প্রস্থিতি বাহাল থাকে। এজন ব্রাহ্মণ সেনাধ্যক্ষ আৰু মাৰাঠা সেনাধ্যক্ষ পদবী অনুসৰি সমপর্যায়ৰ কিন্তু ব্যক্তিগত জীৱনত তেওঁলোক বেলেগ বেলেগ সামাজিক প্রস্থিতি গোটৰ অন্তর্ভুক্ত য'ত তেওঁলোকৰ মাজত সমপর্যায়ৰ মিলা প্রীতি সম্ভৱ নহয়। প্রতিটো জাতি গোটৰ নিজস্ব শাসকীয় পৰিষদ থাকে ইয়াক জাতি পঞ্চায়ত বুলি কোৱা হয়। জাতিসমূহৰ মাজত নিয়ম শৃংখলা

আৰু শাসন বজাই ৰাখি ইয়াৰ সদস্যসকলৰ মাজত খাদ্যাভাস, বিবাহ আৰু জীৱনৰ অন্য দিশৰ আচৰণ জাতিৰ সংস্কৃতি আৰু ৰীতি-নীতি অনুকুলে বজাই ৰাখিবলৈ পঞ্চায়তৰ ব্যৱস্থা আছে।

স্তৰভিত্তিক (Hierarchy) ঃ জাতিসমূহক ধৰ্মীয় আৰু সামাজিক স্থিতি অনুসাৰে অসমান স্থান দিয়া হয় আৰু এটাতকৈ আনটো উচ্চ বা নিম্ন বুলি গণ্য কৰা হয়। সামাজিক সংস্তৰণৰ ক্ষেত্ৰত ব্ৰাহ্মণসকলক উচ্চ প্ৰস্থিতি আৰু অস্পৃশ্য বা নিম্নজাতিসকলক একেবাৰে নিম্ন প্ৰস্থিতিৰ বুলি গণ্য কৰা হয়। অন্যজাতিসমূহ ওপৰোক্ত দুই জাতিৰ মাজত অৱস্থান গ্ৰহণ কৰে। জাতিসমূহৰ প্ৰস্থিতি অনুসৰি তেওঁলোকৰ বৃত্তিসমূহত সংস্তৰণ শৈলিত সজ্জিত হয় আৰু পবিত্ৰ-অপবিত্ৰ মাণদণ্ডেৰে গৃহিত হয়। ব্ৰাহ্মণসকলৰ কাৰণে পুৰোহিত বৃত্তি পবিত্ৰ আৰু উচ্চমাণৰ আৰু চামৰাৰ কৰ্মকে বৃত্তি হিচাপে লোৱা ব্যক্তি বা মূচী এজনৰ বৃত্তি অপবিত্ৰ আৰু নিম্নস্তৰৰ বুলি গণ্য কৰা হয়। সামাজিক মাণদণ্ডৰ পিনৰ পৰা মধ্যৱৰ্তী সংস্কৰণৰ ব্যক্তিসকলৰ বাদে, বেছিভাগ উচ্চ আৰু নিম্নজাতিৰ ব্যক্তিৰে সমাজিক স্থিতি স্পষ্টভাৱে বিভাজিত।

খাদ্যগ্ৰহণ আৰু সামাজিক মিলা মিচাত বাধা ঃ প্ৰতিটো জাতিৰেই কিছুমান বিশেষ ৰীতি-নীতি, আচাৰ-আচৰণ আছে। সেইমতে কেনেকুৱা খাদ্য গ্ৰহণ কৰা উচিত আৰু কোন জাতিৰ লগত খাদ্য গ্ৰহন কৰিব পাৰে আদিও নিয়মত বন্ধা আছে। ঠাই বিশেষে কিছুমান নিয়মৰ তাৰতম্য থাকিলেও, উচ্চ শ্ৰেণীৰ জাতৰ ব্যক্তিসকলে নিম্ন জাতিৰ ব্যক্তিসকলৰ পৰা পানী দি ৰন্ধা কোনো খাদ্য (কেচ্চা খাদ্য) গ্ৰহণ কৰিব নোৱাৰে। অৱশ্যে, নিৰ্দিষ্ট কিছুমান ঘিত ৰন্ধা খাদ্য (পক্কা খাদ্য) নিম্নজাতিৰ লোকৰ পৰাও গ্ৰহণ কৰিব পাৰে।

তেনেদৰে কোনো নিম্নজাতিৰ ব্যক্তিৰ স্পৰ্শ বা ছাঁই উচ্চজাতিৰ মানুহ আৰু ঘৰ দুৱাৰ অপবিত্ৰ কৰে। দক্ষিণ আৰু মধ্যভাৰতত এই ৰীতি অধিক প্ৰচলিত যে উচ্চজাতি (দ্বিজ) সদস্যসকল অস্পৃশ্য নিম্নজাতিৰ সদস্যৰ স্পৰ্শৰ দ্ধাৰা কলুষিত হয়। কেৰেলাত এজন নায়াৰে (শূদ্ৰজাত) নাম্বুথিৰি জাতিৰ ব্যক্তি এগৰাকীক দেখা কৰিব পাৰে, কিন্তু চুব নোৱাৰে। তেনেদৰে এজন তিয়ান জাতিৰ লোকে ব্ৰাহ্মণ এজনৰ পৰা কাযেও ত্ৰিশ খোজ দূৰত্বত অৱস্থান কৰিব পাৰে।

সামাজিক আৰু ধাৰ্মিক অসমৰ্থতা আৰু বিশেষাধিকাৰ ঃ এটা নিৰ্দিষ্ট জাতিক নিজ বাস কৰা গাঁৱৰ পৰা পৃথকীকৰণ সামাজিক আৰু ধাৰ্মিক অসমৰ্থতাৰ উৎকৃষ্ট উদাহৰণ। বিভিন্ন জাতিৰ গোটসমূহৰ বাসস্থানৰ বাবে বাসগৃহৰ ক্ষেত্ৰত নিৰ্ধাৰিত নিয়ম অনুসৰি একেজাতিৰ গোটসমূহ লগ হৈ এক নিৰ্দিষ্ট স্থানতহে বাস কৰিব পাৰে। গাঁৱৰ দক্ষিণ-পূৱ অঞ্চলত অস্পৃশ্য জাতিৰ লোকসকলে তেওঁলোকৰ বাসগৃহ সহিতে বাস কৰিব পাৰে। মহাৰাষ্ট্ৰত অস্পৃশ্যজাতি মাহাৰসকলে নিজৰ ডিঙিত এটা মাটিৰ পাত্ৰ থু পেলাৱৰ বাবে বান্ধি ৰাখিবলৈ নিয়ম বন্ধা আছে যাতে তেওঁলোকৰ থুৰ স্পৰ্শত

উচ্চজাতিৰ লোকসকল অপৰিত্ৰ নহয়। নিম্নজাতিৰ লোকসকলক একনির্দিষ্ট ধৰণৰ ঘৰ বন্ধাত নিষেধ কৰা হয় আৰু ঘৰবোৰকো ইয়াৰ আৱাসীসকলৰ জাতিঅনুসৰি বিভিন্ন নামেৰে নামাকৰণ কৰা হয়। গাঁৱৰ কুৱাৰ ব্যৱহাৰ সকলো অস্পৃশ্য জাতিৰলোকৰ বাবে নিষেধ। তেনেদৰে, উচ্চজাতিৰ লোকৰ ঘৰ, মন্দিৰ, ৰাজহুৱা খাদ্যগ্ৰহণৰ ঘৰ আৰু নিম্নজাতিলোকৰ বাবে বিশেষকৈ অস্পৃশ্যসকলৰ বাবে প্ৰৱেশৰ অনুমতি নাই।

কর্মসংস্থান নির্বাচনৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা ঃ সাধাৰণতে প্ৰতিটো জাতিৰে একোটা পৰম্পৰাগত বৃত্তি থাকে। পৰম্পৰাগত বৃত্তিসমূহ ত্যাগ কৰি অন্যবৃত্তি গ্ৰহণ কৰাটো অনুচিত বুলি গণ্য কৰে। বৃত্তিসমূহ জাতি-প্ৰস্থিতি অনুসৰি স্থিতি (rank)লাভ কৰে। কোনো জাতিয়ে ইয়াৰ সদস্যসকলক সন্মানহানিকৰ বা অপৰিত্ৰ জাৰিকা ল'বলৈ সন্মতি নিদিয়ে। ব্ৰাহ্মণ কূলত নজন্মিলে কোনো ব্যক্তিক পূৰোহিতৰ বৃত্তি লবলৈ অনুমতি দিয়া নহয়।

বিবাহ সম্বন্ধীয় নিষেধ ঃ জাতিৰ এটা বিশেষ বৈশিষ্ট্য হ'ল ই অন্তঃবিবাহ অর্থাৎ এটা জাতিৰ সদস্যই আন এটা জাতিৰ সদস্য বা সদস্যৰ লগত বিবাহ পাশত আৱদ্ধ হোৱাটো বাধা নিষেধ আছে। এক কঠোত আন্তঃবিবাহৰ নীতি পালনৰ দ্ধাৰা নিজস্ব জাতিগত বিশিষ্টতা অক্ষুন্ন ৰখাৰ উদ্দেশ্য থাকে। আন্তঃবিবাহৰ নীতি উলংঘন কৰিলে শাস্তিৰ ব্যাৱস্থা আছে। সামাজিকভাৱে বর্জন বা জৰিমনা ইয়াৰ উদাহৰণ।

জাতি ব্যৱস্থা এনেদৰেই বৈদিক যুগৰ পৰা বর্তমান সময়লৈ প্ৰৱর্তিত হৈ আহিছে আৰু সামাজিক স্তৰ বিন্যাসৰ সৃষ্টি কৰিছে। সমাজৰ সংস্কাৰকসকলৰ প্ৰচেষ্টা আৰু ভাৰতীয় সংবিধানৰ নিতিয়ে জাতিসমূহৰ মাজত থকা অসমানতা বহু পৰিমাণে খণ্ডন কৰিব পাৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ প্ৰাচ্যতত্ত্বৰ সংজ্ঞা লিখা।

প্ৰশ্ন নং ২ ঃ Ghurye ৰ বিদেশী ছাত্ৰ বৃত্তি বিজয়ী ৰচনাটিৰ নাম কি আছিল ?

প্ৰশ্ন নং ৩ ঃ প্ৰচ্যতত্ত্বৰ অনুগামী কেইগৰাকীমান সমাজতত্ত্ববিদৰ নাম লিখক।

প্ৰশ্ন নং ৪ ঃ Ghurye ৰ মতে, ভাৰতীয় সমাজক বিভাজন কৰা বিভিন্ন যুগসমূহৰ নাম কি কি ?

প্ৰশ্ন নং ৫ ঃ আন্তঃবিবাহ পদ্ধতিক জাতি ব্যৱস্থাৰ এক মূল বৈশিষ্ট্য বুলি কিয় কোৱা হয় ?



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাচ্যতত্ত্বত পুৰণি গ্ৰন্থ আৰু হস্তলিপি অধ্যয়নৰ পৰা পোৱা জ্ঞানৰ প্ৰয়োগ কৰা হয় আৰু ইয়াৰ দ্ধাৰা সমাজতত্ত্ববিদসকলে ভাৰতীয় সমাজ আৰু সংস্কৃতিক জীৱন সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিছিল।
- G.S Ghurye এ ভাৰতৰ সামাজিক আৰু সাংস্কৃতিক জীৱন সম্বন্ধে অধ্যয়ন কৰোতে প্ৰাচ্যতত্ত্বক দৃষ্টিভংগী হিচাপে গ্ৰহণ কৰিছিল কৰিছিল।
- Ghurye এ তেওঁৰ প্ৰসিদ্ধ লিখনি 'Cast And Race In India' ৰ সময়ৰ পৰিৱৰ্তনত জাতি ব্যৱস্থাৰ মাজেৰে হিন্দু জাতি সমাজৰ এখন বিস্তাৰিত আৰু স্পষ্ট বিৱৰণ দিছে।
- Ghurye ৰ মতে, বৈদিগ যুগৰ আৰম্ভণিত ৰচিত ঋগ্‌ৱেদত ভাৰতীয় সমাজৰ দুই তৰপীয়া ভাগ যেনে— আৰ্য্য বৰ্ণ গৌড় বীৰ যোদ্ধাসকল আৰু দাস বৰ্ণ অৰ্থাৎ স্বদেশী কলা ৰঙৰ লোকসকল বুলি উল্লেখ আছে।
- প্ৰথম অৱস্থাত থকা আৰ্য্য আৰু দাসসকল পিছলৈ দ্বিজ (dvija) বা দুই জন্ম আৰু একজা বা একজন্ম বুলি পৰিচিত হয়।
- আৰ্য্যসকলৰ পৱিত্ৰ ৰীতি অনুসৰি গঠিত বৰ্ণ ধৰ্মত চাৰি বৰ্ণ যেনে— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ কৰ্তব্য সম্বন্ধে উল্লেখ আছে।
- Ghurye ৰ মতে, সমাজ এখন কাৰ্য্যপদ্ধতিৰ বিশিষ্টী কাৰণে, বিভিন্ন জীৱিকা মুখী গোটৰ সৃষ্টি কৰে আৰু এইবোৰ কম বেছি পৰিমাণে ভিন্ন ৰুচিত হয়।



২.৫ অধিক জানিবলৈ

Ghurye, G.S. Caste and Race in India, Popular Prakashan, Bombay, 2004.



২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচ্যতত্ত্বত ভাৰত আৰু ভাৰতৰ সংস্কৃতি সম্বন্ধে অধ্যয়ণ কৰা হয়। ভাৰতীয় সভ্যতাৰ বিষয়ে ৰচিত সংস্কৃত সাহিত্য আৰু আধ্যাত্মিক ৰচনাসমূহ যেনে— বেদ, ধৰ্মশাস্ত্ৰ, মহাকাব্য আৰু অন্যান্য হস্তলিপি আৰু পূৰাতাত্বিক সমলসমূহৰ অধ্যয়ন প্ৰাচ্যতত্ত্বৰ অন্তৰ্গত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ Bombay As An Urban Centre

৩ নং প্ৰশ্নৰ উত্তৰ ঃ G.S.Ghurye, Radhakamal Mukharjee আৰু B.K.Sarkar

৪ নং প্ৰশ্নৰ উত্তৰ ঃ A) বৈদিক যুগ— খৃঃপূঃ ৰ পৰা খৃঃপূ

B) উত্তৰ বৈদিক যুগ —খৃঃপূঃ ৰ পৰা খৃঃপূ

C) ধৰ্ম শাস্ত্ৰৰ যুগ — খৃঃপূঃ ৰ পৰা শতিকালৈ

D) আধুনিক যুগ শতিকাৰ পৰা শতিকাৰ আৰম্ভণিলৈকে

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃবিবাহ পদ্ধতিক জাতি পদ্ধতিৰ মূল বৈশিষ্ট বুলি কোৱা হয়, কিয়নো আন্তঃবিবাহ পদ্ধতিৰ নিয়ম অমান্য কৰিলে, সামাজিকভাৱে বহিস্কাৰ আৰু জৰিমনা শাস্তি স্বৰূপে দিয়া হয়।



২.৭ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্ন— (উত্তৰসমূহ ১৫০শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ Ghurye ৰ জীৱন সম্বন্ধে চমুটোকা লিখা।

প্ৰশ্ন ২ ঃ ১০০ খৃঃ পূঃ পৰা ৬০০ খৃঃ পূঃ জন্তু বৈদিক যুগৰ বিষয়ে লিখক।

খ) দীঘলীয়া প্ৰশ্ন (উত্তৰসমূহ ৩০০-৫০০শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ Ghurye য়ে বৰ্ণনা কৰা মতে, জাতি পদ্ধতিৰ চাৰিতা বৈশিষ্ট বহলাই লিখক।

প্ৰশ্ন ২ ঃ ৩০০ খৃঃপূঃ পৰা ১১ শতিকালৈ ব্যপ্ত ধৰ্মশাস্ত্ৰৰ যুগৰ বিষয়ে আপোনাৰ ভাষাত বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ঃ ভাৰতীয় সমাজ অধ্যয়নত সংৰচনাত্মক ক্ৰীয়াশীল দৃষ্টিভংগী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সংৰচনাত্মক ক্ৰীয়াশীল দৃষ্টিভংগী এক পৰ্যালোচনা

৩.৪ M.N.SRINIVAS আৰু তেওঁৰ দৃষ্টিভংগী

৩.৫ S.C.Dube আৰু তেওঁৰ দৃষ্টিভংগী

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্ৰগতিৰ খতিয়ান

৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সংৰচনাত্মক ক্ৰীয়াশীল দৃষ্টিভংগীৰ প্ৰাথমিকতাসমূহ জানিব পাৰিব
- ভাৰতীয় সমাজ অধ্যয়নত M.N Srinivas ৰ দৃষ্টিভংগী সম্বন্ধে জানিব পাৰিব
- S.C.Dube তেঁওৰ দৃষ্টিভংগীৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

আগৰ অধ্যায়কেইটাত আমি ভাৰতত এক বিদ্যায়তনিক বিষয় হিচাপে সমাজতত্ত্বৰ উৎপত্তি আৰু ভাৰতীয় সমাজতত্ত্বৰ প্ৰাচ্যত্ত্বীয় দৃষ্টিভংগী সম্পৰ্কে জানিব পাৰিলো। কিন্তু আমি জানো যে ভাৰতীয় সমাজত প্ৰাচ্যত্ত্বীয় দৃষ্টিভংগীৰ বাদেও অন্য বহুতো দৃষ্টিভংগী সমাজতত্ত্বৰ লগত জড়িত হৈ আছে। প্ৰতিটো দৃষ্টিভংগীয়েই নিজা বৈশিষ্টৰে পৰস্পৰৰ পৰা পৃথক। এইবিলাকে বিভিন্ন দৃষ্টিভংগীৰে ভাৰতীয় সমাজ সম্বন্ধে আলোচনা কৰাত, পৰীক্ষা কৰাত আৰু বুজাত আমাক ধাৰণাগত তথ্যৰে সহায় কৰে। এই অধ্যয়নত আমি এনে এক দৃষ্টিভংগী, অৰ্থাৎ সংৰচনাত্মক ক্ৰীয়াশীল দৃষ্টিভংগী আৰু ভাৰতীয় সমাজ অধ্যয়নত ইয়াৰ ব্যৱহাৰ সম্বন্ধে আলোচনা কৰিম। সমাজ এখনৰ সামাজিক ব্যৱস্থা, ইয়াৰ ব্যৱস্থাপনা, স্থিৰতা আৰু সমন্বয় সম্বন্ধে সংৰচনাত্মক ক্ৰীয়াত্মক দৃষ্টিভংগীয়ে আলোচনা কৰে আৰু ভাৰতবৰ্ষত এই দৃষ্টিভংগীৰ প্ৰধান পোষক (Advocate) হ'ল M.N.Srinivas আৰু S.C.Dube। এই অধ্যয়নত আমি প্ৰতিগৰাকী চিন্তাবিদৰে তাত্ত্বিক (theoretical) আৰু পদ্ধতিগত (methological) দৃষ্টিভংগী বুজিবলৈ চেষ্টা কৰাৰ লগতে এই চিন্তাবিদসকলে আগবঢ়োৱা বিভিন্ন ধাৰণা সম্বন্ধেও জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰিম।

৩.৩ সংৰচনাত্মক ক্ৰীয়াত্মক দৃষ্টিভংগী ঃ এক পৰ্যালোচনা

সমাজতত্ত্বিক দৃষ্টিভংগী আৰু সিদ্ধান্তসমূহ পাঠ্যক্ৰমত আমি ক্ৰিয়াত্মক দৃষ্টিভংগীৰ বিষয়ে বহলাই অধ্যয়ন কৰিছিলো। ক্ৰিয়াত্মক দৃষ্টিভংগীত সমাজক এক সংমিশ্ৰিত ক্ৰিয়াত্মক সমগ্ৰতা বুলি বিবেচনা কৰে। এই দৃষ্টিভংগী মতে সমাজৰ বিভিন্ন পাৰস্পৰিক সম্বন্ধযুক্ত আৰু পাৰস্পৰিক নিৰ্ভৰশীল অংশসমূহৰ সন্মিলনত সমাজ ব্যৱস্থাৰ প্ৰচলন হয়। প্ৰত্যেক অংশই সমাজৰ সুচাৰু পৰিচালনা আৰু ব্যৱস্থাপনা তথা সামঞ্জস্যৰ হকে কাম কৰে। এই দৃষ্টিভংগীৰ প্ৰাৰম্ভিকভাৱে জৈৱিক বিজ্ঞানত সূত্ৰপাত ঘটিছিল আৰু পিছলৈ সমাজবিজ্ঞানিসকলে সমাজ অধ্যয়নৰ কাৰণে এই দৃষ্টিভংগী অনুকৰণ কৰে। এই দৃষ্টিভংগীৰ মূল ধ্যান সমাজ এখনৰ ব্যৱস্থাপনা, ভাৰসাম্যতা আৰু সংহতি লগতে বিশ্বৰ সকলো সমাজত ব্যৱস্থাপনা পদ্ধতি আৰু আৰ্হি সম্বন্ধে বুজাত গুৰুত্ব দিয়ে। ইয়াৰ প্ৰাথমিক প্ৰস্তাৱনা হ'ল যে সমাজৰ প্ৰতি ব্যক্তিৰ ব্যৱহাৰ সংৰচিত আৰু প্ৰতি ব্যক্তিৰ সমাজৰ অন্যব্যক্তিৰ লগত সম্পৰ্ক কিছুমান বিশেষ প্ৰতিমান আৰু প্ৰমূল্যৰে ওপৰত নিৰ্ভৰ কৰে, সেয়েহে সামাজিক আচৰণ আৰু সামাজিক সম্বন্ধও নিৰ্দিষ্ট কিছুমান নিয়ম আৰু প্ৰতিমানৰ অনুৰূপত সংযোজিত হয় আৰু আদৰ্শগত আৰ্হিযুক্ত আৰু পুনৰাবৃত্তিমূলক হয়। ইয়েই এখন বৃহৎ সামাজিক সংৰচনাৰ বাবে স্থায়িত্ব আৰু দৃঢ়তা প্ৰদান কৰে। সেয়ে ক্ৰীয়াত্মকবাদী সকলে সমাজক এক স্বায়িত্বপূৰ্ণ, সন্মিলিত আৰু দীৰ্ঘস্থায়ী ব্যৱস্থা বুলি গণ্য কৰে। সংঘাত আৰু অন্ত বিৰোধ তেওঁলোকৰ কল্পনীয় সমাজত অবৰ্তমান। এই সিদ্ধান্তৰ চিন্তাবিদসকল হৈছে - Redcliffe Brown, Durkheim, R.K Mertor,Wavis আৰু Moor,Talcoft Parsons আদি।

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ, বহু ভাৰতীয় সমাজতাত্ত্বিকে ভাৰতীয় সমাজৰ পৰীক্ষণ আৰু বিশ্লেষণৰ বাবে এই দৃষ্টিভংগী ব্যৱহাৰ কৰিছিল। সামাজিক বাস্তৱিকতৰ প্ৰকৃত অনুসন্ধান কৰিবলৈ এই দৃষ্টিভংগীযে ক্ষেত্ৰভিত্তিক অনুসন্ধানত যোৰ দিয়ে এই দৃষ্টিভংগীয়ে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ দ্বাৰা প্ৰকৃত বাস্তবিকতাৰ বুনিয়াদী স্তৰতেই অনুসন্ধান কৰি তাক বিশ্লেষণ কৰাত গুৰুত্ব দিয়ে। এই দৃষ্টিভংগীৰ মূল লক্ষ্য হ'ল—

সমাজৰ বিভিন্ন অংশসমূহৰ কাৰ্য্যাত্মক একতা সম্বন্ধে ধাৰণা গঠন কৰা।

সামাজিক সম্বন্ধ আৰু সামাজিক অনুষ্ঠানসমূহৰ প্ৰতিমান বা নমুনা বোধ আৰু বৃহৎ সামাজিক সংৰচনাৰ নিৰ্মাণৰ বাবে এই বিলাকৰ কাৰ্য্যাত্মক ভূমিকা সম্বন্ধে জ্ঞান লাভ কৰা।

বৃহৎ সামাজিক পটভূমিত বিশিষ্ট সামাজিক পৰিঘটনাসমূহৰ বৈশিষ্ট বা মহত্ত্ব আৰু কাৰ্যাত্মক গুৰুত্ব সম্বন্ধে বিশ্লেষন আৰু ইয়াৰ বোধজ্ঞান এই দৃষ্টিভংগীৰ উদ্দেশ্য।

ক্ষেত্ৰভিত্তিক অনুসন্ধান আৰু তাৰদ্বাৰা ভাৰতীয় সমাজ সম্বন্ধে অধিক বিশ্বাসযোগ্য আৰু প্ৰায়োগিক তথা প্ৰসংগিক তথ্য লাভ।

বিভিন্ন সামাজিক অনুষ্ঠানসমূহৰ তুলনামুলক বোধজ্ঞানৰ ওপৰত এই দৃষ্টিভংগীয়ে গুৰুত্ব দিছিল আৰু সামাজিক ৰূপান্তৰ আৰু এইবোৰৰ এক বহল মুক্ত সমাজ গঢ়াত তাৎপৰ্য

সম্বন্ধেও গুৰুত্ব সহকাৰে বিবেচনা কৰিছিল।

M.N.Srinivas ক ভাৰতৰ সমাজ তাত্ত্বিক আৰু সামাজিক নৃতাত্ত্বিক গৱেষণাত সংৰচনাত্মক কার্যত্মক বিশ্লেষণৰ প্রয়োজন ক্ষেত্রত বাটকটীয়া বুলি আখ্যা দিব পাৰি। তেওঁ কিছুমান ভাৰতীয় সমাজতত্ব সম্বন্ধীয় অতি গুৰুত্ব ধাৰণা আগবঢ়াইছিল আৰু এই অধ্যায়ত সেই ধাৰণাসমূহ সম্বন্ধে আলোচনা কৰা হ'ব। S.C Dube এগৰাকী চিন্তাবিদ আৰু তেওঁ ভাৰতীয় সমাজতত্ব সম্বন্ধে বিশ্লেষণ কৰোতে এই দৃষ্টিভংগীৰ প্রয়োগ কৰিছিল। অধ্যায়টোৰ পৰৱর্তী অংশত আমি প্রত্যেকৰে বিশেষ আলোচনা কৰোঁ আহক।

৩.৪ M.N.SRINIVAS আৰু তেওঁৰ দৃষ্টিভংগী

Mysore Narasimhachar Srinivas (১৯১৬-১৯১৯) এগৰাকী বিখ্যাত ভাৰতীয় সমাজতাত্ত্বিক তেখেতে Bombay University ৰ পৰা Ph.D আৰু oxford ৰ পৰা Dphil উপাধি গ্রহণ কৰিছিল। বৰোদাৰ M.S.University ৰ সমাজতত্ব বিষয়ৰ তেখেত অধ্যাপক আছিল আৰু পিছলৈ দিল্লী বিশ্বিদ্যালয়ত অধ্যাপনা কৰিছিল। পৃথিৰী বিখ্যাত সমাজতাত্ত্বিক G.S.Ghurye ৰ তেখেত ছাত্র আছিল। এগৰাকী অধ্যয়নশীল গৱেষক হোৱাৰ উপৰিও এগৰাকী শিক্ষানুস্থান নির্মাতা হিচাপেও তেওঁ প্রসিদ্ধ। বৰোদাৰM.S.University ৰ অন্তর্গত সমাজতাত্ত্বিক বিভাগৰ বিকাশৰ গুৰিতেই আছিল M.N.Srinivas ৰ প্রচেষ্টা। তেনেদৰে Delhi Universityৰ সমাজতত্ব বিভাগৰ নির্মাণ ক্ষেত্রতো তেখেতে উল্লেখযোগ্য বৰঙণি যোগাইছিল।

ভাৰতীয় সমাজতত্বলৈ বিশেষকৈ ভাৰতীয় জাতি আৰু জাতি ব্যৱস্থা, সামাজিক গতিশীলতা আৰু সামাজিক স্তৰ বিন্যাস আদি বিষয় লৈ তেখেতৰ অনবদ্য বৰঙণি আগবঢ়াইছিল। শ্রেণী, ধর্ম আৰু সামাজিক পৰিবর্তন নিচিনা বিষয়ত তেওঁৰ বিশ্লেষণসমূহ এক গুৰুত্বপূর্ণ, স্থান অধিকাৰ কৰিছিল। শ্রেণীসমস্যা, ইয়াৰ বিভিন্ন ৰূপ, বিভিন্ন দিশ আৰু ইয়াৰ পৰিৱর্তনৰ প্রকাৰ আদি প্রধানকৈ তেওঁৰ পৰীক্ষনীয় আৰু অধ্যয়নৰ বিষয় আছিল। ভাৰতীয় সমাজ অধ্যয়নৰ বাবে আৰু ইয়াৰ স্বৰূপ জ্ঞানৰ বাবে তেখেতে সংস্কৃতয়ান, প্রভাৱশালি জাতি (dominant cast) আদি কিছুমান অৱধাৰণা (concept) ৰ প্রথমবাৰৰ বাবে ভাৰতীয় সমাজতত্বত উল্লেখ কৰিছিল। ভাৰতীয় বুদ্ধিজীৱী সমাজত তেখেতৰ উচ্চ প্রসংসিত আৰু বিশিষ্ট গ্রন্থকেইখন মান হৈছে — 'Religion and Society Among The Cotege Of South India, Cast In Modern India,The Remembered Villege, Villege, Cast, Gender And Method, Social Change In Modern India, The dominant Caste ইত্যাদি Redcliff Brown আৰু Evans Pritchard ৰ দৃষ্টিভংগীৰ আধাৰত মিশ্রিতভাৱে তেখেতৰ সংৰচনাত্মক কার্যত্মক দৃষ্টিভংগীৰ বিকাশ হৈছিল। তেখেতে Brown ৰ সৈদ্ধান্তিক✕তাত্ত্বিক (theoritical) সংৰচনাত্মক কর্যত্মম দৃষ্টিভংগী আৰু Pritchard ৰ ক্ষেত্র ভিত্তিক দৃষ্টিভংগীৰ সহায় লৈছিল। সেয়ে তেওঁ শৈদ্ধান্তিক✕তাত্ত্বিক আৰু প্রায়োগিক ধাৰণাৰ মিশ্রণ ঘটাইছিল।

Srinivas ৰ প্ৰবন্ধসমূহত তেখেতৰ মূল্যবান প্ৰয়োগিক তথ্যসমূহ সৈদ্ধান্তিক×তাত্ত্বিক বিশ্লেষণসমূহৰ সৈতে সংমিশ্ৰিত হৈ বিশেষ তথ্যসমূহ আৰু অনুকৰণীয় হৈ উঠিছিল। লিখনিসমূহত সমৃদ্ধ হৈ থকা সিদ্ধান্তসমূহ আৰু তথ্যসমূহৰ সংমিশ্ৰণ বিশেষ উল্লেখনীয় বুলি স্বীকৃত হৈছিল। ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণৰ দ্ধাৰা গঠিত দৃষ্টিভংগী আৰু প্ৰায়োগিক অনুসন্ধানেৰে ভৰপূৰ জ্ঞানেৰে তেখেতে সামাজিক সংস্থাসমূহে কেনেদৰে বিভিন্ন সামাজিক পৰিৱেশত ক্ৰিয়া কৰে তাক সূক্ষভাৰে প্ৰতিচ্ছবিত কৰিব পাৰিছিল। জাতিসম্বন্ধে তেখেতৰ দৃষ্টিভংগী বিভিন্ন ক্ষেত্ৰভিত্তিক পৰ্যালোচনা তথা নিৰীক্ষাৰ দ্ধৰা গঠন হৈছিল। তদুপৰি জাতিপদ্ধতিৰ ওপৰত লিখিত তথ্যসমূহ তেখেতৰ তেখেতৰ জাতি সম্বন্ধে জ্ঞান লাভত সহায় কৰিছিল। তথাপি জাতি ব্যৱস্থাৰ গতিশীলতা (Dynemics of cast system)ই তেওঁৰ ভাৱধাৰা আৰু যুক্তিৰ মূল ভেটি গঠন কৰিছিল। সেয়েহে তেঁওৰ দৃষ্টিভংগীৰ মূল বৈশিষ্ট হ'ল তত্ত্ব বা সিদ্ধান্ত আৰু প্ৰয়োগৰ সংমিশ্ৰণ। মহীসূৰৰ কূৰ্গসকলৰ বিষয়ে অধ্যয়ন কৰোতে প্ৰত্যক্ষ পৰ্যবেক্ষণ পদ্ধতিৰ প্ৰয়োগেৰে তেখেতৰ কৰ্মত নৃতাত্ত্বিক পদক্ষেপ পয়োভৰৰ প্ৰমাণ পোৱা যায়।

অন্য ভাৰতীয় সমাজতাত্ত্বিক সকলৰ অনুৰূপভৱে Srinivas ও ভাৰতীয় সমাজক এক ব্যৱস্থা (system) বুলি মত প্ৰকাশ কৰিছিল আৰু সামাজিক সম্বন্ধসমূহ আৰু সামাজিক সংস্থাসমূহৰ ওপৰত ভিত্তি কৰি সামাজিক সংৰচনাত বিশ্লেষণ কৰিছিল, লগতে এইবোৰ সংস্থা কেনেদৰে সমাজ এখন সুসংহত ভাৱে ধাৰণাশিল কৰি ৰাখিব পাৰে তাক ও বিশ্লেষন কৰিছিল। তেওঁ সামাজিক পৰিঘটনা যেনে- জাতি, পৰিয়াল ধৰ্ম, আদিৰ পৰীক্ষণ আৰু ব্যাখ্যা কৰিছিল। অৱশ্যে, তেওঁ সমাজৰ মাত্ৰ অনুক্ৰম আৰু স্বায়ত্বই নহয় পৰিবৰ্তন সম্বন্ধেও সচেতন আছিল। তেওঁ সংস্কৃতিক পৰিবৰ্তন কেনেদৰে ভাৰতীয় সামাজিক পৰিৱৰ্তনৰ প্ৰধান হেতু তাক বুজাত জোৰ দিছিল। তেওঁ সংস্কৃতিক দৰে সূক্ষ্ম পৰ্য্যায়ৰ পৰিৱৰ্তনে কেনেদৰে বহল ভিত্তিক সামাজিক পৰিবৰ্তন আনে তাক বিশ্লেষন কৰিবলৈ প্ৰয়াস কৰিছিল।

ধৰ্ম আৰু সমাজ সম্বন্ধে Srinivas ৰ দৃষ্টিভংগী

Redcliff Brown ৰ তাত্ত্বিক দৃষ্টিভংগী অৰ্থাৎ, সংৰচনাত্মক কাৰ্যত্মক ভাৱৰ দ্বাৰা অনুপ্ৰাণিত "Religion And Society Among The Coorgs Of South India"। সংৰচনাত্মক ক্ৰীয়াত্মক ধাৰণাৰ বুনিয়াদী প্ৰৱৰ্তক সকলৰ অন্যতম Redcliff Brown আৰু ইয়াক পিছলৈ Evans Pritchard বহলাই বিশ্লেষণ কৰি ইয়াৰ বিকাশ গঠন কৰিছিল। এই চিন্তাবিদসকলৰ মতে সমাজ ব্যৱস্থা কিছুমান অংশৰ সমষ্টি, সকলো অংশই সামাজিকভাৱে প্ৰভাৱশালী আৰু সমাজৰ কাৰ্য্যক্ষমতাৰ বাবে একেলগে কাৰ্য কৰে। এই ধাৰা মতে সমাজ জীৱ সদৃশ। ই বিভিন্ন অংশৰ সমষ্টি। এই অংশসমূহৰ নিজ নিজ কাৰ্য কৰি যায় আৰু এইসমূহৰ মাজত ভাৰসাম্য আৰু পৰস্পৰ নিৰ্ভৰশীলতাই সামাজিক সমগ্ৰ প্ৰক্ৰিয়াৰ মিশ্ৰণ গতিশীলতা বজাই ৰখাত সহায় কৰে। সংৰচনাত্মক ক্ৰীয়াত্মক ধাৰণা মতে স্বীকৃত প্ৰতিমান আৰু প্ৰমূল্য সমাজ এখনৰ আধাৰ স্বৰূপ, ই এনে এক সমজিক মানদণ্ডৰ ওপৰত আধাৰিত যাক সমাজৰ প্ৰতিটো গোট আৰু অনুষ্ঠান আশানুৰূপ বুলি গ্ৰহণ কৰে। এই ধাৰণামতে সমাজত পৰিবৰ্তন ধীৰে আৰু ক্ৰমবদ্ধভাৱে সংঘটিত হয়।

কাৰ্য্যাত্মকবাদি সকলে মতপোষণ কৰে যে সামাজিক পৰিৱৰ্তন কেতিয়াবা প্ৰয়োজনীয় হৈ পৰে আৰু ই সামাজিক বিসংগতি দুৰ কৰে কিন্তু ই মন্থৰ ভাৱেহে হোৱা উচিত, যাতে ব্যক্তি আৰু অনুষ্ঠান সমূহে বিশৃংখলতা নোহোৱাকৈ এই পৰিৱৰ্তন গ্ৰহণ কৰিব পাৰে।

Srinivas, তেখেতৰ কিতাপত ধাৰ্মিক আৰু সামাজিক সংহতিৰ মাজত থকা জটিল পাৰস্পৰিক সম্বন্ধৰ বিষয়ে আলোচনা কৰিছে আৰু সামাজিক জীৱনৰ সাংগঠনিক আধাৰ হিচাপে পৱিত্ৰতা আৰু অপৱিত্ৰতাৰ মাজত থকা গুৰুত্বপূৰ্ণ স্থান সম্বন্ধেও আলোচনা কৰিছে। বিস্তাৰ সহকাৰে তেওঁ দেখুৱাইছে যে যদিও ধাৰ্মিক কাৰ্যত জীৱনচক্ৰৰ লগত জড়িত ৰীতি-নীতিলৈ হ্ৰাস কৰা হৈছে কিন্তু সমাজ এখন পৰিচালনাক ক্ষেত্ৰত আৰু সমাজ ব্যৱস্থা বৰ্তাই ৰাখিবলৈ ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

জাতি সম্বন্ধে Srinivas ৰ ধাৰণা

আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে, পুঠিগত তথ্যৰ বাহিৰেও ক্ষেত্ৰ অধ্যয়ন যোগে লাভ কৰা জ্ঞানে তেওঁৰ জাতিসম্বন্ধে থকা ধাৰণাক বেছিকৈ প্ৰভাৱিত কৰিছিল। বিভিন্ন সামাজিক পটভূমিত জাতিসম্বন্ধীয় পৰ্যৱেক্ষণৰ দ্বাৰা তেওঁৰ ধাৰণা অধিক বাস্তৱিক আৰু স্পষ্ট হৈছিল। তেওঁৰ ধাৰণা মতে জাতি এক বিভাজিত(segmentary) ব্যৱস্থা আৰু প্ৰতিটো জাতিয়েই কিছুমান উপজাতীয় বিভক্ত হয়। এই উপজাতিসমূহ তেওঁৰ মতে কিছুমান অন্ত বিবাহ গোট আৰু সামাজিক তথা ধৰ্মীয় জীৱনৰ ভাগ কিছুমান। এক নিৰ্দিষ্ট উপজাতিৰ সদস্যসকলৰ একধৰ্মী বৃত্তি, উমৈহতীয়া সংস্কৃতি থাকে, আৰু এক শাসকীয় সংস্থাৰ দ্বাৰা শাসিত হয়। ইয়াৰ বাহিৰেও জাতি ব্যৱস্থাৰ আন বৈশিষ্টসমূহ হ'ল—অনুক্ৰমীক (hierarchical) গঠনৰ সমতুল্য নিষেধ, পৱিত্ৰতা আৰু অপৱিত্ৰতাৰ ধাৰণা আৰু জাতিৰ পঞ্চায়ত ব্যৱস্থা। এই বিশেষতাই নিৰ্দিষ্ট জাতিৰ স্থান নিৰ্ধাৰণ কৰে আৰু জাতিসমূহৰ মাজত থকা সম্বন্ধৰ প্ৰকৃতি নিৰূপণ কৰে।

এইখিনিতে আমি Srinivasৰ দ্বাৰা আগবঢ়োৱা কিছুমান ধাৰণাৰ বিষয়ে বহলাই আলোচনা কৰিম —

সংস্কৃতকৰণ

আমি সকলোৱে জানো জাতি পদ্ধতি সংস্তৰীয় অৰ্থাৎ সকলো জাতিকেই একে সামাজিক স্থান দিয়া নহয়। কিছুমান জাতিক পৱিত্ৰতা আৰু অপৱিত্ৰতাৰ ধাৰণাৰ পৰা জাতি সংস্তৰৰ শীৰ্ষ স্থানত আৰু কিছুমান জাতিক জাতি সংস্থৱণৰ নিম্নস্থান দিয়া হয়। সংস্থৱণত নিম্নস্থানত থকা জাতিবোৰে উচ্চজাতিৰ আদৰ্শ ৰীতি-নীতি, ভাৱধাৰা, বৃত্তি আদি গ্ৰহণ কৰি তেওঁলোকৰ নিজৰ সামাজিক প্ৰস্তুতি উচ্চস্থানলৈ নিবলৈ যত্ন কৰে। এই প্ৰক্ৰিয়াক সংস্কৃতকৰণ বুলি M. N. Srinivas অভিহিত কৰিছে। তেওঁৰ মতে সংস্কৃতকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে নিম্ন জাতিৰ লোকসকলে বা জাতিসকলে বা আন আন জনজাতিসমূহে ৰীতি-নীতি উচ্চ জাতিৰ ভাৱাৰ্দেশ আৰু জীৱনধাৰণৰ পন্থা অনুকৰণ অৰ্থাৎ উচ্চজাতিৰ অনুকৰণ কৰি নিজৰ জাতিগত ..... পৰিৱৰ্তন কৰে। ইয়াৰ ফলত শ্ৰেণী সংস্থৱনৰ উচ্চ স্থান এই শ্ৰেণীটোৱেই দাবী কৰে যিটো প্ৰথমাৱস্থাত পৰম্পৰাগত ভাৱে উচ্চ শ্ৰেণীটোৰে একচেটিয়া ভাৱে গ্ৰহণ কৰি আছিল। এই পৰিবৰ্তন তথা গতিশিলতাৰ

বাবে বহু সময়ৰ প্ৰয়োজন হয়, কেতিয়াবা এটা বা দুই পুৰুষৰ প্ৰয়োজন হয়। সংস্কৃকৰণৰ বিষয়ে আমি ৬ষ্ঠ অধ্যায়ত অৰ্থাৎ শ্ৰেণী ব্যৱস্থাত পৰিৱৰ্তনশীলত শীৰ্ষক অধ্যয়নত বহলাই আলোচনা কৰিম।

প্ৰভাৱশালি জাতি

Srinivas সমাজ তত্ত্ব অধ্যয়নৰ এক মূল বিষয় হ'ল গাঁও। Srinivas ৰ পৰামৰ্শদাতা Redcliff Brown ৰ পৰা তেওঁ বুজিব পাৰিছিল যে গাঁও সমাজতাত্ত্বিক অন্বেষণৰ বাবে এক আদৰ্শ ঠাই। ৰামপুৰ মহীশূৰৰ এখন গাঁৱৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি তাৰ পৰা পোৱা তথ্য অভিজ্ঞতা সবিস্তাৰে বৰ্ণনা কৰিছে— "The Remembered Villege" নামৰ গ্ৰন্থখনত। এই গ্ৰন্থখনত তেওঁ ভাৰতৰ সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ ছবি ৰামপুৰ গাঁৱৰ পৰিৱৰ্তনৰ মাজেৰে দেখা পাইছিল। ৰামপুৰ গাঁৱৰ সামাজিক পৰিৱেশ অধ্যয়নৰ জৰিয়তে তেওঁৰ প্ৰভাৱশালী জাতি বিষয়ক ধাৰণাৰ জন্ম হৈছিল আৰু "Dominat Cast In Ramopura" শীৰ্ষক প্ৰবন্ধত এই ধাৰণা প্ৰকাশ কৰিছিল। এই প্ৰবন্ধ আমেৰিকাৰ জাৰ্নাল "American Anthropologists" (vol:61:no1)ত প্ৰকাশ পাইছিল। ৰামপুৰ গাঁৱৰ ক্ষেত্ৰভিত্তিক অনুসন্ধানৰ জৰিয়তে এই গাঁৱৰ লগত তেওঁৰ দীৰ্ঘদিনীয়া সম্পৰ্ক স্থাপন হৈছিল। ইয়াৰ দ্বাৰা ভাৰতীয় গাঁও সম্পৰ্কে এক বুনিয়াদী ধাৰণা গঠন হৈছিল যে গাওঁসমূহত মাটিৰ মালিকীস্বত্বৰ লগত প্ৰভাৱশালী জাতিৰ এক সম্পৰ্ক" আছে। এটা জাতি প্ৰভাৱশালি বা প্ৰমুখ হ'বলৈ হলে জাতিটোৰ অন্তৰ্গত ব্যক্তিসকলে স্থানীয়ভাৱে এক বৃহৎ কৃষিভূমিৰ মালিকীস্বত্ব ভোগ কৰিব লাগিব, সমষ্টিগতভাৱে শক্তিশালী হ'ব লাগিব আৰু স্থানীয় সামাজিক সংস্তৰণত উচ্চ প্ৰস্থিতি থাকিব লাগিব। তেওঁৰ ভাষাত, এটা জাতি প্ৰভাৱশালী বুলি ক'বলৈ হলে ই সংখ্যাগতভাৱে অন্য জাতিতকৈ অধিক প্ৰভাৱশালী আৰু ই অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰতিপত্তি ক্ষেত্ৰতো প্ৰভাৱশালীতা প্ৰদৰ্শন কৰিব লাগিব। এক ডাঙৰ আৰু শক্তিশালী জাতিগোট সহজে অন্যৰ তুলনাত অধিক প্ৰভাৱশালী হ'ব পাৰে যদিহে জাতি প্ৰস্থিতি উচ্চ স্থানত থাকে। সেয়েহে তেওঁৰ মতে গাঁও অঞ্চলত জাতি এটা প্ৰভাৱশালী জাতি হ'ব পাৰে যদিহে ই অৰ্থনৈতিকভাৱে শক্তিশালী ৰাজনৈতিকভাৱে প্ৰতিপত্তিশালী আৰু সংখ্যাগতভাৱেও শক্তিশালী হয়।

৩.৫ S.C.Dube আৰু তেওঁৰ দৃষ্টিভংগী

আমি আগতেই উল্লেখ কৰিছোঁ যে M.N.Srinivas ৰ নিচিনা S.C.Dubeও সংৰচনাত্মক ক্ৰিয়াত্মক ভাৱধাৰাৰ আগশাৰীৰ সমৰ্থক সমাজ তাত্ত্বিক। এই অধ্যয়নত আমি তেওঁৰ তাত্ত্বিক (methological) দৃষ্টিভংগী লগতে অন্যান্য কৰ্মসমূহ আলোচনা কৰিম। কিন্তু তাৰ আগতে আহক আমি S.C. Dubeৰ শৈক্ষিক যাত্ৰা আৰু উপলব্ধি বিষয়ে সম্যক জ্ঞান লাভ কৰোঁ।

S.C. Dube এগৰাকী বিখ্যাত নৃতত্ত্ববিদ আৰু সমাজতত্ত্ববিদ। তেখেতে ভাৰতীয় সমাজ সম্বন্ধে অধ্যয়নত গুৰুত্বপূৰ্ণ বৰঙণি যোগাইছে। তেখেতৰ উল্লেখনীয় বৃত্তিগত দিশেৰে

অধ্যাপক S.C.Dube শিক্ষা ক্ষেত্ৰ এখন সুকীয়া স্থান অধিকাৰ কৰিছিল। নাগপুৰ বিশ্ববিদ্যালয়ৰ পৰা তেখেত ৰাজনৈতিক বিজ্ঞানত স্নাতকোত্তৰ উপাধি গ্ৰহণ কৰিছিল আৰু পিছত মধ্যপ্ৰদেশ ঝুমখেতিৰে জীৱিকা নিৰ্বাহ কৰা কামৰ (kamar) জনগোষ্ঠীৰ ওপৰত গৱেষণা কাৰ্য্য সম্পাদন কৰিছিল। মহাৰাষ্ট্ৰৰ নাগপুৰৰ Bishop College ত তেখেতে শিক্ষকতা বৃত্তিৰ পাতনি মেলিছিল। তাৰপিছত লক্ষ্ণৌ বিশ্ববিদ্যালয়ত ৰাজনৈতিক বিজ্ঞানৰ প্ৰবক্তা পদ লৈছিল আৰু পিছত Osmania University, Hydrabad ত সমাজতত্ত্ব বিভাগৰ ৰিডাৰ হিচাবে যোগদান কৰিছিল। নাগপুৰত থকা Anthropological Survey Of Indiaৰ উপ নিৰ্দেশক পদটো তেখেত অৱস্থিত আছিল। ১৯৭৮-১৯৮০ চনলৈ জম্মু বিশ্ববিদ্যালয়ৰ উপকূলপতি (Vice Chancellor) হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ বাহিৰেও অন্য বহু গুৰুত্বপূৰ্ণ পদ যেনে—Director Of Indian Institute Of Advanced Studies, Shimla, President Of Indian Sociological Society, Chairman Of Madhya Pradesh University Grants Commision আদিত তেখেতে অধিগ্ৰহণ কৰিছিল।

এইখিনিতে S.C.Dube ৰ তাত্বিক আৰু প্ৰায়োগিক দৃষ্টিভংগীৰ বিষয়ে বুজাবলৈ চেষ্টা কৰিম।

S.C.Dube ভাৰতীয় গাঁওসমূহত পৰিৱৰ্তনশীল প্ৰকৃতিৰ ওপৰত বিশেষ দৃষ্টি নিৱদ্ধ কৰিছিল। তেওঁ ভাৰতীয় গাঁওসমূহ স্থবিৰ আৰু পৰিৱৰ্তনহীন হোৱাৰ বিপৰীতে এইবোৰ পৰিৱৰ্তনশীল আৰু বিকাশশীল বুলি কৈছে। তেওঁ ভাৰতীয় গাঁওসমূহ স্বাধীন আৰু সম্পূৰ্ণৰূপে আত্মনিৰ্ভৰশীল হোৱাৰ সলনি এইবোৰ আংশিকভাৱে আত্মনিৰ্ভৰশীল বুলি কৈছে। তেওঁৰ মতে, এক বহল সামাজিক পদ্ধতিৰ মাজত গাঁও মাথো এক গোট (unit) আৰু সংগঠিত ৰাজনৈতিক সমাজ এখনৰ এটা অংশ। তেওঁ সামাজিক বাস্তৱিকতে বিভিন্ন ভাৰতীয় সমাজ যিহেতু বহু বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ সংমিশ্ৰণত গঠিত, সেয়েহে ভাৰতীয় সমাজৰ বিস্তৃত আৰু সামগ্ৰীক বোধজ্ঞানৰ বাবে আৰু ভাৰতীয় জটিল সংস্কৃতিক পটভূমি অনুযায়ী বিস্তৃত প্ৰসংগীক অধ্যায় গঠনৰ প্ৰয়োজন। তেওঁ বিবেচনাত্মক(inductive) আনুমানিক দৃষ্টিভংগীতকৈ বিয়োজক (deductive) প্ৰত্যক্ষবাদ প্ৰয়োগৰ সপক্ষে আছিল। তেওঁৰ দ্বাৰা প্ৰকাশিত আৰু ৰচিত Indian Villege ত গ্ৰাম্য সমাজিক সংৰচনা আৰু অনুষ্ঠানসমূহৰ এক বিস্তৃত বিবৰণ দিছে আৰু ইয়াত তেওঁৰ অন্বেষণমূলক বিৱৰণত্মক গৱেষণাৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। Dhanagre সেয়েহে Dube ৰ প্ৰকাশিত সমাজ তাত্ত্বিক গ্ৰন্থৰ ওপৰত মন্তব্য কৰি কয় যে যিহেতু তেওঁৰ ৰচনাসমূহ বিৱৰ্ণাত্মক প্ৰকৃতিৰ সেয়েহে এইবোৰ বিশ্লেষণাত্মক নিৰীক্ষণৰ পৰা আঁতৰত।

Dube ৰ Indian Villege ত তেওঁৰ সংৰচনাত্মক ক্ৰিয়াত্মক দৃষ্টিভংগীৰ স্পষ্ট প্ৰদৰ্শন হৈছে আৰু ইয়াৰ দ্বাৰা ভাৰতীয় সমাজ ব্যৱস্থাক বুজিবলৈ চেষ্টা কৰা হৈছে। তেওঁৰ এই কিতাপখনত হায়দৰাবাদৰ চামিৰপেট গাঁৱৰ জীৱনৰ এক বিস্তাৰিত বিৱৰণ দিছে তেওঁ বিশ্বাস কৰে যে, ভাৰতীয় গাঁও সম্বন্ধে এক বিশুদ্ধ আৰু সামগ্ৰিক জ্ঞান লাভৰ বাবে গাঁওখন বিভিন্ন সংস্থাসমূহৰ নিৰীক্ষণ আৰু বিশ্লেষন কৰা প্ৰয়োজন। গাঁওসমূহ ৰ বিষয়ে সঠিক সু-সংগঠিত তথ্যৰ বাবে আৰু ইয়াৰ

বিভিন্ন আৰ্থ সামাজিক দিশসমূহৰ বুজিবৰ বাবে তেওঁ ঐতিহাসিক, ভৌগোলিক, ৰাজনৈতিক আৰু সমাজতাত্ত্বিক আদি বিভিন্ন দৃষ্টিকোনৰ পৰা ক্ষেত্রভিত্তিক তথ্য বা সমল সংগ্রহ কৰিছিল। এই কাৰ্যই তেওঁৰ আন্তঃবিষয়ক (interdisciplinary) আৰু সংৰচনাত্মক কাৰ্য্যত্মক দৃষ্টিভংগীকে স্পষ্ট কৰি প্রমাণ কৰে আৰু এইদৰে তেওঁ গাঁওসমূহৰ অন্তর্গত বিভিন্ন অনুষ্ঠানসমূহৰ ক্রিয়াৰ বর্ণনা কৰিছে লগতে এই বিভিন্ন উপাদানসমূহে কেনেদৰে গাঁওখনৰ সুস্থ সঞ্চালনত সহায় কৰে তাকে বর্ণনা কৰিছে।

ভাৰতীয় সমাজৰ বিভিন্ন দিশ সম্বন্ধে অন্বেষন কৰোতে Dube ভাৰতীয় সমাজ আৰু সংস্কৃতিসম্বন্ধে বিস্তৃত ৰূপত লিখিছিল। তেওঁৰ গৱেষণা কর্ম লিখনিয়ে বিভিন্ন বিষয় যেনে— জাতি-জনজাতি, গ্রাম্য সামাজিক সংৰচনা, গ্রাম্য জীৱন, সমুদাই বা সাম্প্রদায়িক প্রগতি, আধুনিকৰণ আৰু বহুতো অন্যবিষয় সামৰি লৈছিল। বিভিন্ন গ্রন্থ, প্রবন্ধ, গৱেষণা পত্র লিখনিৰে Dube এ ভাৰতীয় সমাজতত্ত্ব লৈ অনবদ্য ৰৰঙণি আগবঢ়াইছে। তেওঁৰ লিখনিসমূহত বহু বিষয়ৰ সমাহাৰ ঘটিছে। তেওঁৰ বিশেষ উল্লেখযোগ্য ৰচনাসমূহৰ হ'ল—

a) The Kamar, Indian Villege (1955)
b) India's Changing Villege (1958)
c) Institution Building For Community Development(1968)
d) Contemporary India And It's Modernization(1974)
e) Tribal Haritage Of India (1977)
f) Understanding Society(1977)
g) Modernization And Development(1988)
h) Tradition And Development(1990)
i) Understanding Change(1990)
j) Indian Society(1990)

ওপৰোক্ত লিখনিসমূহৰ নামসমূহ দেখিলেই আমি স্পষ্টকৈ বুজিব পাৰো যে, Dube ৰ সামাজিক কর্মৰ মুখ্য উদ্দেশ্য আৰু প্রধান আকর্ষণ হল, ভাৰতীয় পৰিৱর্তনশীল প্রকৃতিৰ সমাজ বিশেষকৈ ভাৰতীয় গ্রাম্য সমাজ। এইখিনিতে এইটো বিশেষ মন কৰিবলগীয়া যে যদিও ক্রিয়াত্মক সিদ্ধান্ত চিন্তাধাৰাৰ সমর্থক, সমাজৰ স্থিৰতা সামঞ্জস্যটা আৰু ক্রম বা বিধিক বিশেষ গুৰুত্ব দিয়ে, তথাপি তেখেতৰ উপস্থাপন পদ্ধতি কিছু পৃথক। অন্য সংৰচনাত্মক ক্রিয়াত্মক বাদীসকলৰ নিচিনাকৈ ও সামাজিক সংৰচনা আৰু সামাজিক সংস্থাসমূহৰ অধ্যয়ন বিষয় বস্তু হিচাপে গ্রহণ কৰিছিল, তথাপি এইবোৰ কেৱল স্থায়িত্ব আৰু ক্রম বা বিধি দৃষ্টিৰে গ্রহণ কৰাৰ সলনি পৰিৱর্তনৰ দৃষ্টিৰে এইবোৰ অধ্যয়ন কৰাৰ তেওঁ সমর্থন কৰে।

Dubeৰ তাত্ত্বিক আৰু প্রায়োগিক সিদ্ধান্ত সাৰাংশ হিচাপে ইয়াকে ক'ব পাৰি যে সামাজিক ব....স্থবিকতাসমূহৰ সঠিক অধ্যয়নৰ কাৰণে তেওঁ অন্তঃবিষয় অধ্যয়নৰ পোষকতা কৰে । তেওঁ ভাৰতীয় সমাজৰ গঠন আৰু ইয়াৰ পৰিৱর্তনসিলতা উভয়তে সমানে গুৰুত্ব আৰোপ কৰিছিল।

তদুপৰি তেওঁ বিয়োজক প্ৰত্যক্ষ বাদ পদ্ধতি গ্ৰহণ অনুসৰণ কৰিছিল আৰু ভাৰতীয় সমাজ অধ্যয়নত সমাজৰ বিভিন্ন দিশ অধ্যয়নৰ ওপৰত গুৰুত্ব দিছিল। M.N.Srinivas ৰ নিচিনাকৈ ও ক্ষেত্ৰ অধ্যয়নৰ ওপৰত জোৰ দিছিল আৰু তেওঁৰ সমাজতাত্ত্বিক লেখাসমূহ বৰ্ণনাত্মক আৰু অন্বেষণমুকল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ অনুক্ৰম (Hierarchy) ৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ঃ M.N. Srinivas ৰ "Religion And Society Among The Coorgs Of South India" ত কোনটো তাত্ত্বিক আৰ্হিয়ে মুখ্য ভূমিকা লৈছে

প্ৰশ্ন নং ৩ঃ Srinivas ৰ "The Remembered Villege" কেতিয়া প্ৰকাশ হৈছিল?

প্ৰশ্ন নং ৪ঃ Srinivas এ তেখেতৰ গৱেষণা ৰ বাবে ক্ষেত্ৰ ভিত্তিক অধ্যয়ন ক'ত সম্পাদন কৰিছিল।

প্ৰশ্ন নং ৫ঃ খালি ঠাই পুৰ কৰা —

(ক) প্ৰভাৱশালী জাতি ধাৰণা প্ৰথমে সম্পূৰ্ণভাৱে বিকশিত কৰে .....

(খ) প্ৰভাৱশালী জাতি ধাৰণা প্ৰথম প্ৰকাশিত হয় .....

প্ৰশ্ন নং ৬ঃ সত্য অসত্য নিৰ্ধাৰণ কৰক —

(ক) ধৰ্মনিৰপেক্ষত হ'ল এক পদ্ধতি যাৰ পূৰ্বতে ধৰ্মীয় বুলি বিশ্বাস কৰা বস্তুসমূহক বৰ্তমান ধৰ্মীয় দৃষ্টিৰে চোৱাতো বন্ধ কৰা হয়।

(খ) ভাৰতত পশ্চিমীয়াকৰণ হ'ল ব্ৰিটিছ শাসনৰ পৰিণতি।



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- Srinivas ৰ সমাজতত্ত্বলৈ এক মুখ্য বৰঙণি হ'ল সংস্কৃকৰণ ধাৰণা আৰু ইয়াৰ ধাৰা জাতি ব্যৱস্থাৰ আধাৰিত সামাজিক সংৰচনাৰ পৰিবৰ্তন পদ্ধতিৰ বিষয়ে আমি জানিব পাৰোঁ।
- ইয়াৰ দ্ধাৰা নিম্নস্থানীয় বা জনজাতিয় লোকসকলে কেনেদৰে উচ্চ স্থানীয় লোকসকলে ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ অনুকৰণ কৰি নিজৰ জাতিগত প্ৰস্থিতি পৰিৱৰ্তন কৰি জাতিৰ সংস্তৰণ ব্যৱস্থাত এক উচ্চ স্থান লাভ কৰিব পাৰে তাৰবাবে চেষ্টা কৰে।
- Srinivas এ সংস্কাৰ (ritual) আৰু সামাজিক সমন্বয় (Solidarity) ৰ জটিল অন্ত সম্বন্ধ সমাজ পদ্ধতিৰ এক অংশ হিচাপে আলোচনা কৰিছে আৰু লগতে সামাজিক জীৱনৰ

ব্যৱস্থাপনা পবিত্ৰ আৰু অপবিত্ৰৰ মহত্বপূৰ্ণ ধাৰণা সম্বন্ধেও আলোচনা কৰিছে ।

- ভাৰতবৰ্ষত ১৫০ বছৰৰ ও অধিক কাল ব্ৰিটিছসকলৰ ফলস্বৰূপে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ অহা পৰিৱৰ্তনকে পশ্চিমীয়া বুলি তেওঁ অভিহিত কৰে।
- পশ্চিমীয়া কৰণ ধাৰণাৰদ্ধাৰা এ ভাৰতত ব্ৰিটিছ শাসনৰ প্ৰভাৱ বৰ্ণনা কৰে।
- ধৰ্মীয় নিৰপেক্ষতাই কোনো এক নিৰ্দিষ্ট ধৰ্মৰ প্ৰভুত্যহীনতাকে বুজায়।
- Srinivas এ বিশ্বাস কৰিছিল যে ব্ৰিটিছ শাসনে ধৰ্মীয় নিৰপেক্ষতা পদ্ধতি ভাৰতীয় সমাজ আৰু সংস্কৃতি লৈ কঢ়িয়াই আনিছিল।
- স্বাধীনতাৰ পিছত ভাৰতীয় সংবিধান ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ আৰু ইয়াৰ নাগৰিক সকলে আইনৰ ক্ষেত্ৰত সমান অধিকাৰ ভোগ কৰিব বুলি ঘোষণা কৰাৰ পিছত ধৰ্মনিৰপেক্ষ পদ্ধতি অধিক শক্তিশালী ৰূপত ভাৰতত প্ৰতিষ্ঠা লাভ কৰে।
- এটা জাতি প্ৰভাৱশালি হ'বলৈ হ'লে, ই স্থানীয়ভাৱে কৃষিযোগ্য এক বৃহৎ ভূ-খণ্ডৰ অধিকাৰী হ'ব লাগিব, জাতিৰ অন্তৰ্গত সদস্য সংখ্যা অধিক হ'ব লাগিব আৰু স্থানীয় সংস্তৰণ বা সামাজিক অনুক্ৰমন উচ্চ স্থান অধিকাৰ কৰিব লাগিব।
- S.C. Dube ভাৰতীয় গাঁওসমূহৰ পৰিৱৰ্তনশীল প্ৰকৃতিৰ প্ৰতি বিশেষ ধ্যান দিছিল।
- তেখেতে গাঁৱক এক বৃহৎ সামাজিক পদ্ধতিৰ এক গোট আৰু সংগঠিত ৰাজনৈতিক সমাজব্যৱস্তাৰ এক অংশ বুলি গণ্য কৰিছিল।
- বহু বিষয়ৰ বিদ্যাধাৰি অন্ত বিষয়ৰ গুৰুত্বৰ ওপৰত জোৰ দিছিল।
- তেওঁ ভাৰতীয় সমাজৰ সংৰচনা আৰু পৰিবৰ্তনৰ ওপৰত দৃষ্টি নিবন্ধ কৰিছিল।
- তেওঁ বিয়োজক প্ৰত্যক্ষবাদ পদ্ধতি অনুসৰণ কৰিছিল আৰু ভাৰতীয় সমাজৰ সামগ্ৰিক জ্ঞানলাভৰ বাবে ইয়াৰ বিভিন্ন দিশৰ পৰীক্ষণ কৰিছিল।



৩.৭ অধিক জানিবলৈ

- Srinivas, M.N. (1966). Social Change in Modern India, Berkeley, California University Press.
- Nagla, B.K. (2008). Indian Sociological Thought. New Delhi. Rawat Publications.



৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অনুক্ৰমে সংস্তৰনে জাতি গোটসমূহৰ স্থান অনুসৰি এইবোৰৰ উলম্ব উপস্থাপনকে বুজায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ M.N.Srinivasৰ "Religiom And Society Among The Coorgs Of South India" ত সংৰচনাত্মক কাৰ্য্যাত্মক মুখ্য ভূমিকা লৈছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ Srinivas ৰ "The Remembered Villege" গ্ৰন্থখন ১৯৭৮ চনত প্ৰকাশিত হৈছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ Srinivasএ তেখেতৰ গৱেষণাৰ বাবে মহীশূৰৰ দূৰ্গম অঞ্চল অধ্যয়ন ক্ষেত্ৰ হিচাপে গ্ৰহণ কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) M.N.Srinivas

(খ) ৰামপুৰ ৰ প্ৰভাৱশালি জাতি গোট

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) সঁচা



৩.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (উত্তৰসমূহ শব্দৰ ভিতৰত হ'ব লাগিব)

প্ৰশ্ন ১ ঃ সংস্কৃতকৰণ মানে কি বুজা?

প্ৰশ্ন ২ ঃ সংস্কৃতকৰণ আৰু পশ্চিমীয়াকৰণৰ মাজত পাৰ্থক্য লিখক।

প্ৰশ্ন ৩ ঃ এটা জাতি প্ৰভাৱশালী ৰূপে কেতিয়া পৰিগণিত হয়?

প্ৰশ্ন ৪ ঃ ধৰ্মনিৰপেক্ষতা মানে কি?

প্ৰশ্ন ৫ ঃ M.N.Srinivas এ ভাৰতীয় জাতি পদ্ধতি কেনেদৰে চৰিত্ৰায়ন কৰিছে?

(খ) দীঘলীয়া প্ৰশ্ন (উত্তৰ সমূহ শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ ভাৰতীয় সমাজ অধ্যয়নত M.N.Srinivas ৰ মুখ্য বৰঙণি সম্বন্ধে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ S.C.Dube ৰ ভাৰতীয় সমাজ অধ্যয়নত থকা দৃষ্টিভংগী সম্বন্ধে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ভাৰতীয় সমাজ অধ্যয়নত মার্ক্সীয় দৃষ্টিভংগী

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ মার্ক্সীয় দৃষ্টিভংগী ঃ আর্থ আৰু সংজ্ঞা
৪.৩.১ মার্ক্সীয় দৃষ্টিভংগীৰ চিন্তাবিদসকল
৪.৩.২ D.P.Mukharjee ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী
৪.৩.৩ R.K.Mukharjee ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী
৪.৩.৪ A.R.Desai ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী।
অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
অধিক জানিবলৈ
অগ্রগতিৰ খতিয়ান
আহিঁ প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পিছত আপুনি জানিব পাৰিব —

- ভাৰতীয় তিনিগৰাকী আগশাৰীৰ মার্ক্সবাদী চিন্তাবিদৰ জীৱন সম্বন্ধে।
- তেওঁলোকৰ প্রায়োগিক সিদ্ধান্তসমূহ বা দৃষ্টিকোণ সম্বন্ধে।
- মার্ক্সবাদী চিন্তাধাৰাত তেওঁলোকৰ বৰঙণি সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

জার্মান চিন্তাবিদ Karl Marxৰ তত্ত্ব সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি মার্ক্সবাদী দৃষ্টিভংগী গঠন হৈছে। Karl Marx ৰ মতে, সকলো সামাজিক পদ্ধতিৰে বুনিয়াদ দুটা ধৰণৰ গঠন পদ্ধতিৰ ওপৰত নির্ভৰ কৰে— সেই দুটা হ'ল, আধাৰিক সংৰচনা (infrastructure) আৰু ই অর্থনৈতিক সম্বন্ধক অর্ন্তভুক্ত কৰে আৰু আনটো হ'ল- অধিসংৰচনা (superstructure) আৰু ই সংস্কৃতি, ৰাজনীতি, ধর্ম, বিচাৰধাৰা আদি অর্ন্তভুক্ত কৰে। মার্ক্সে, বিশ্বাস কৰিছিল যে অধিসংৰচনা, আধাৰিক সংৰচনা বা ভেটি (base) ৰ ওপৰত আধাৰিত আৰু সেয়েহে এই আধাৰিক সংৰচনা (infrastructure) ৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত। যিহেতু মানুহ সামাজিক প্রাণী আমি সমাজৰ অন্য সদস্যসকলৰ লগত বিভিন্ন সম্বন্ধৰে যুক্ত হওঁ। এই সম্বন্ধসমূহ জীৱনধাৰণাৰ বাবেও অপৰিহার্য্য আৰু ই সামাজিক সংঘবদ্ধতাৰ বাবেও আৱশ্যক। মার্ক্সৰ মতে উৎপাদান ৰীতি (mode) য়ে সমাজৰ সদস্যসকলৰ মাজত সামাজিক সম্বন্ধৰ প্রকাৰ নির্দেশিত কৰে। মার্ক্সবাদী চিন্তাবিদসকলে

সামাজিক সম্বন্ধৰ স্বৰূপ অধ্যয়ন আৰু পৰীক্ষা কৰোতে কোনো এখন বিশেষ সমাজৰ উৎপাদনৰ প্ৰণালী (mode) ৰ ৰীতি সম্বন্ধে আলোচনা কৰে। ভাৰতীয় চিন্তাবিদসকলে ভাৰতীয় সমাজ আৰু বিভিন্ন সামাজিক সংস্থসমূহৰ অধ্যয়নৰ বাবে মাৰ্ক্সবাদী চিন্তাধাৰা এক অন্যতম শ্ৰেষ্ঠ পদ্ধতি বুলি বিশ্বাস কৰে। মাৰ্ক্সবাদী সিদ্ধান্তই সামাজিক বাস্তৱিকতাসমূহ উৎপাদন ৰীতিৰ মাধ্যমেৰে অধ্যয়ন আৰু বিশ্লেষণ কৰাত সহায় কৰিব পাৰে। মাৰ্ক্সবাদীসকলে মতপ্ৰকাশ কৰে যে সমাজত একতাভাৱ বৰ্তি থাকিব মাত্ৰ উৎপাদন ৰীতি বা পদ্ধতিৰ সহায়তহে যিহেতু সমাজৰ সদস্যসকল সামগ্ৰীৰ উৎপাদন পদ্ধতিৰ লগত জড়িত হৈ থাকে। উৎপাদনৰ আহিলা আৰু উৎপাদনৰ সম্বন্ধই সমাজত উন্নতিৰ নতুন স্তৰৰ জন্ম দিয়ে আৰু এনেকুৱা স্তৰত মানুহে উৎপাদনৰ আহিলাসমূহৰ সহায়ত নতুন উৎপাদন আৱিষ্কাৰ কৰে।

আগৰ অধ্যয়নত আমি সংৰচনাত্মক চিন্তাধাৰাৰ বিষয়ে আলোচনা কৰিছিলোঁ আৰু এই চিন্তাধাৰাত সামাজিক ধাৰা স্থায়িত্ব, স্থিৰতা আৰু একতাৰ ওপৰত জোৰ দিয়া হৈছিল। এই অধ্যায়ত আমি ভাৰতীয় সমাজ বিষয়ে জানিবলৈ মাৰ্ক্সবাদী ধাৰণা সম্বন্ধে আলোচনা কৰিম আৰু এই চিন্তাধাৰাত কেনেদৰে সামাজিক সংঘৰ্ষ আৰু পৰিৱৰ্তনৰ প্ৰতি বিশেষ লক্ষ্যৰখা হৈছে তাকও আলোচনা কৰিম।

৪.৩ মাৰ্ক্সবাদী চিন্তাধাৰা ঃ এক পৰ্যবেক্ষণ

বিজ্ঞানসন্মতভাৱে সমাজ আৰু শ্ৰেণী সংৰচনা (class structure) সম্বন্ধে অধ্যয়ন মাৰ্ক্সবাদৰ উদ্দেশ্য। ভাৰতৰ মাৰ্ক্সবাদী চিন্তাবিদসকলে বিশ্বাস কৰে যে ভাৰতীয় সমাজৰ উত্থান আৰু ইয়াৰ সংস্থাসমূহৰ অন্য দৃষ্টিভংগীৰ তুলনাত মাৰ্ক্সবাদী দৃষ্টিভংগীৰে অধিক ফলপ্ৰসুভাৱে পৰীক্ষা কৰিব পাৰি, যিহেতু এই দৃষ্টিভংগী বস্তুবাদৰ লগত জড়িত আৰু ই অন্যসকলো সামাজিক দিশ নিয়ন্ত্ৰণ কৰে। উৎপাদনৰ বিধিয়ে সকলো সমাজৰ আধাৰিক সংৰচনা গঠন কৰে আৰু সামাজিক-সাংস্কৃতিক ক্ষেত্ৰ যিয়ে সামাজিক সম্বন্ধক আৰু সামাজিক অন্তৰ্ভুক্ত কৰে সেই ক্ষেত্ৰই অধিসংৰচনা (superstructure) গঠন কৰে। D.D.Kosambi এগৰাকী আগশাৰীৰ মাৰ্ক্সবাদী ঐতিহাসিক আৰু তেওঁ ভাৰতীয় সমাজব্যৱস্থাৰ 'বস্তুবাদ'ৰ বিশ্লেষণৰ বাবে মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ তত্ত্বৰ প্ৰয়োগ কৰিছিল। তেওঁ ব্যাখ্যা আগবঢ়াইছিল যে, মানুহ খাদ্য অবিহনে জীয়াই থকা অসম্ভৱ। সমষ্টিগত মানুহৰ অংশ এটাই সমাজ বুলি আখ্যা দিব লাগিলে এই সমষ্টিৰ অন্তৰ্গত মানুহ খিনিয়ে এক অনিবাৰ্য্য সম্বন্ধৰ বিকাশ কৰে। অৰ্থাৎ, এই সম্বন্ধ উৎপাদন আৰু সামগ্ৰীৰ পাৰস্পৰিক বিনিময়ৰ ওপৰত নিৰ্ভৰ কৰে।

মানুহৰ মাজত পাৰস্পৰিক সম্বন্ধৰ প্ৰকাৰ উৎপাদন বিধি বা আহিলাৰ ওপৰত নিৰ্ভৰ কৰে। উদ্ধৃত বা Surplus উৎপাদনৰ আহিলাৰ ওপৰত নিৰ্ভৰ কৰে আৰু উৎপাদনৰ লগত থকা সম্বন্ধই নিৰ্দেশ কৰে এই উদ্ধৃত মূল্যৰ বিতৰণ যিয়ে উৎপাদনৰ আহিলাসমূহ আহৰণ কৰে তেওঁৰেই উৎপাদনৰ উদ্ধৃত অংকৰ ওপৰত আৰু ইয়াৰ বিতৰণ কৰ্তৃত্ব খটুৱাই। মাৰ্ক্সবাদীসকলে বিশ্বাস কৰে যে, সমাজ এখন উৎপাদনৰ সম্বন্ধৰ দ্বাৰা একত্ৰিত ভাৱ বান্ধ খাই থাকে। Kosambi

ৰ মতে, উৎপাদনৰ আহিলা আৰু সম্বন্ধৰ। ক্রমাগত উন্নতিৰ কালক্রমবদ্ধ উপস্থাপন ইতিহাসৰ বস্তু। তেওঁ মত ডাঙি ধৰে যে, বস্তুগত বিশ্লেষণৰ দ্বাৰা ভাৰতীয় সংস্কৃতি আৰু সমাজৰ পদ্ধতিগত অধ্যয়ন সম্ভৱ।

মাৰ্ক্সবাদী ধাৰণা মতে, উৎপাদনৰ আহিলা আৰু উৎপাদনৰ সম্বন্ধৰ ক্রমাগত উন্নতিৰ খিতিয়ান প্রধান গুৰুত্ব পোৱা উচিত কিয়নো ইয়াৰদ্বাৰা ইতিহাসৰ যিকোনো সময়ৰ জনসাধাৰণৰ জীৱন সম্বন্ধে সঠিক প্রতিচ্ছবি উপলব্ধি কৰিব পাৰি। Kosambi য়ে দ্বান্দ্বিক বস্তুবাদ (dialectic matirialism) ৰ ওপৰত ভিত্তি কৰি ইতিহাসৰ এক সাধাৰণ তত্ত্ব উত্থাপন কৰিছিল আৰু ইয়াৰ দ্বাৰা ভাৰতৰ সামাজিক উন্নতিৰ বিভিন্ন স্তৰ আৰু ইতিহাসৰ স্বচ্ছ বস্তুমাত্রিক সংশোধনৰ প্রযত্ন কৰিছিল। ধর্ম, অন্ধবিশ্বাস, ধর্মীয় ৰীতি নীতি, কল্পিত কথা আদিৰ অধ্যয়নৰ দ্বাৰা উৎপাদনৰ আহিলা আৰু .... সম্বন্ধে পৰীক্ষণ প্রয়োজনীয় যিহেতু এইবোৰ আদর্শত্মক অধিসংৰচনা গঠন কৰে অধীসংৰচনাসমূহৰ অধ্যয়ন কেতিয়াবা অধাৰিক পৰিৱর্তনৰ সম্বন্ধে সম্ভেদ দিয়ে। তদুপৰি তেওঁ মত প্রকাশ কৰে যে, ধর্ম সম্বন্ধীয় বিশ্লেষনতও অর্থনীতিয়ে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। তেওঁ দাবী কৰে যে সামাজিক বাস্তৱিকতা অধ্যয়নত অধিসংৰচনাসমূহত অধিক গুৰুত্ব প্রদান কৰাৰ সলনি উৎপাদনৰ আধাৰসমূহ বিশ্লেষন বাবে অধিক আৱশ্যক।

৪.৩.১ মাৰ্ক্সবাদী দৃষ্টিকোণৰ পণ্ডিতসকল

M.N. Dutta, D.D. Kosambi, P.C. Joshi আৰু অন্যান্য বহু পণ্ডিতে মাৰ্ক্সবাদী দৃষ্টিভংগীৰে ভাৰতীয় সমাজ অধ্যয়ন কৰিছিল। কিন্তু এইখিনিতে D.P. Mukharjee, R.K. Mukharjee আৰু A.R.Desai ক এইক্ষেত্রত বিশেষ উল্লেখযোগ্য বুলি বিবেচনা কৰিব পাৰি আৰু এইসকল পণ্ডিতে ভাৰতীয় সমাজ অধ্যয়নত মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ দৃষ্টিভংগী গ্রহণ কৰিছিল।

৪.৩.২ D.P.Mukharjee ঃ তেওঁৰ জীৱন আৰু ৰীতিগত দৃষ্টিভংগী

জীৱন—

Dhurjati Prasad Mukharjee বা D.P. Mukharjee ভাৰতীয় সমাজতত্ত্বৰ এগৰাকী প্রতিষ্ঠাপক আছিল আৰু মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ দৃষ্টিভংগীৰে ভাৰতীয় ইতিহাস বিশেষণৰ চেষ্টা কৰিছিল। তেখেত এক মধ্যবিত্ত ব্রাহ্মণ পৰিয়ালত বেংগলত ৫ অক্টোবৰ ১৮৯৪ চনত জন্ম লাভ কৰিছিল। তেওঁৰ জন্ম গ্রহণ কৰা পৰিয়ালটো উচ্চশিক্ষাৰ প্রতি বিশেষ অনুৰাগী আছিল।..... চনত লক্ষ্ণৌ বিশববিদ্যালয়ত তেখেতে অর্থবিজ্ঞান আৰু সমাজতত্ত্বৰ অধ্যাপক হিচাপে অধ্যয়ন কৰিছিল। ইতিহাস আৰু অর্থবিজ্ঞান মাজেৰে তেখেতে সমাজতত্ত্ব অধ্যয়নৰ প্রতি আগ্রহী হৈছিল আৰু বিভিন্ন বিষয় যেনে— সাহিত্য, সংগীত বোলছবি, প্রাচ্য আৰু পাশ্চাত্যৰ দর্শন, মাৰ্ক্সবাদ,

ৰাজনৈতিক অৰ্থনীতি আৰু উন্নয়নমূলক পৰিকল্পনা আদিৰ প্ৰতিও তেখেতে গভীৰ অনুৰাগ ৰাখিছিল। এগৰাকী শিক্ষক হিচাপে তেখেতে বিশেষ স্বীকৃতি লাভ কৰিছিল। বাংলা আৰু ইংৰাজী ভাষাত তেওঁ বহুকেইবাখন কিতাপ লিখিছিল।

পদ্ধতিগত দৃষ্টিভংগী—

D.P.Mukharjee ভাৰতীয় ঐতিহ্য বিজড়িত ভাৰতীয় সামাজিক বাস্তৱিকতাৰ প্ৰকৃতি আৰু অৰ্থ সম্বন্ধে জ্ঞান লাভ কৰিবলৈ গভীৰভাৱে আগ্ৰহী আছিল। তেওঁ মাৰ্ক্সবাদীয় সিদ্ধান্তসমূহ বিশ্লেষণাত্মক দৃষ্টিৰে নিৰীক্ষণ কৰিছিল। ভাৰতীয় ইতিহাসৰ দ্বান্দ্বিক বিশ্লেষণৰ দ্বাৰা তেওঁ মতপোষণ কৰিছিল যে ঐতিহ্য আৰু আধুনিকতা, উপনিৱেশবাদ আৰু জাতীয়তাবাদ, ব্যক্তিবাদ আৰু সমষ্টিবাদ, আধুনিক বা সমসাময়িক ভাৰতত দ্বন্দ্বাত্মক ৰূপত অন্তঃক্ৰিয়াৰ দ্বাৰা পৰস্পৰৰ লগত যুক্ত হোৱা দেখা যায়। তেওঁ নিজকে মাৰ্ক্সবাদী বুলি কোৱাৰ সলনি মাৰ্ক্সশাস্ত্ৰী (marxologist) বুলি কোৱাটো অধিক পছন্দ কৰিছিল আৰু ভাৰতীয় পৰম্পৰা আৰু আধুনিকতা বাদৰ মাজত এক দ্বন্দ্বাত্মক অন্তঃক্ৰিয়া ব্যাখ্যা কৰিবলৈ যত্ন কৰিছিল। তেওঁৰ মতে এই দ্বন্দ্বাত্মক অন্তঃক্ৰিয়াই উপনিৱেশক সময়ছোৱাত নানান সাংস্কৃতিক অন্তৰ্বিৰোধৰ জন্ম দিছিল।

D.P. Mukharjee ৰ মতে ব্যক্তিচৰিত্ৰ অধ্যয়ন কৰিবলৈ সমাজবিজ্ঞান তত্ত্বসমূহ এক সংকীৰ্ণ অৱধাৰণা মাথোন। সেয়েহে ব্যক্তি অধ্যয়নৰ কাৰণে সামগ্ৰিক পদ্ধতিৰে (halistic approach) বিচাৰ বা মানসিক সামাজিক পদ্ধতিৰে বিচাৰ কৰা উচিত বুলি মত পোষণ কৰিছিল। সেয়েহে ব্যক্তিগত সত্তা আৰু সামাজিকিকৰণ দ্বৈত পদ্ধতিৰ সংশ্লেষণ বা সমন্বয়ত ব্যক্তিত্বই গঢ় লৈ উঠে।

D.P. Mukharjee য়ে মত পোষণ কৰে যে বিভিন্ন সংস্কৃতি আৰু উপাদানৰ সংমিশ্ৰণত ভাৰতৰ জন্ম আৰু ভাৰতীয় সমাজৰ বাবে ব্ৰিটিছ শাসন হ'ল এক যুগান্তকাৰী পৰিৱৰ্তনৰ হেতু। তেওঁ বিশ্বাস কৰিছিল যে আধুনিকতাবাদ অনুকৰণ (imitation) ৰ দ্বাৰা আহৰণ কৰিব নোৱাৰি, বৰং ভাৰতীয় ঐতিহ্যৰ আৰু সংস্কৃতিক আদৰ্শৰ বিস্তাৰ উন্নয়ন আৰু পুনৰুদ্ধাৰৰ দ্বাৰাহে ইয়াত উপনীত হ'ব পাৰি। তেওঁ ভাৰতীয় ঐতিহ্য বা পৰম্পৰা সম্বন্ধেও আলোচনা কৰিছে আৰু ভাৰতীয় পৰম্পৰা তিনি প্ৰকাৰৰ বুলি উল্লেখ কৰিছে, যেনে— প্ৰাথমিক পৰম্পৰা (এই পৰম্পৰা প্ৰাচীন তথা বিশুদ্ধ আৰু ভাৰতীয় সংস্কৃতিৰ লগত সম্বন্ধিত), মাধ্যমিক পৰম্পৰা (এই পৰম্পৰা ভাৰতত মুছলিম শাসনকালত প্ৰচলন হৈছিল) আৰু তৃতীয় পৰম্পৰা (এই প্ৰকাৰৰ পৰম্পৰাত ভাৰতৰ বিভিন্ন পৰম্পৰাৰ মাজত থকা বিভিন্নতা প্ৰতিচ্ছবিত হৈছে) তেওঁ মত পোষণ কৰে যে ভাৰতীয় সংস্কৃতি পৰিৱৰ্তনশীল প্ৰকৃতিৰ আৰু ই সহজে অন্যসংস্কৃতিক ইয়াৰ মাজত বিলীন হ'ব দিয়ে, কিন্তু ইয়াৰ ফলত পশ্চিমীয়া সংস্কৃতিয়ে ভাৰতীয় সংস্কৃতি নাশ কৰিব পৰা নাই।

Mukharjeeয়ে ধাৰণা গঠন কৰে যে ভাৰতীয় পৰম্পৰা আৰু আধুনিকতাবাদে

পৰস্পৰৰ মাজত দ্বন্দ্বাত্মক সম্বন্ধ নির্দেশ কৰে আৰু ফলাফল দুই ধৰণে প্রতিফলিত হয় যেনে— (১) সংঘর্ষ আৰু (২) সংশ্লেষণ(get-together)। এইদৰে তেওঁ মতপোষণ কৰে যে ভাৰতীয় সমাজ হ'ল পৰম্পৰা আৰু আধুনিকতাবাদৰ মাজৰ অন্তঃক্রিয়াৰ ফল। ভাৰতীয় ইতিহাসৰ বিষয়ে আলোচনা কৰোতে তেওঁ দুটা বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰে, সেই দুটা হ'ল— বিশেষতা (speciality) আৰু সংকট (crisis)। বিশেষতাই পৰম্পৰা সমূহৰ মাজত ঘটা সংঘর্ষৰ গুৰুত্ব আৰু সংকটে ইয়াৰ পৰিণতিত গুৰুত্ব বুজায়। আকৌ আধুনিকতা বাদৰ উল্লেখ কৰোতে, তেওঁ আত্মসচেতনতাৰ ওপৰত গুৰুত্ব দিছিল যত ব্যক্তিয়ে পৰম্পৰাৰ চিৰাচৰিত প্রথাৰ পৰিৱর্তনশীলতা গ্রহণ কৰিব পাৰে আৰু নতুনক আদৰি ল'বও পাৰে। আনকি পৰম্পৰা আৰু আধুনিকতাবাদৰ সম্বন্ধৰ ঐতিহাসিক প্রক্রিয়াৰ অধ্যয়নৰ ক্ষেত্রতো তেওঁ প্রথম পৰম্পৰা আৰু পিছত পৰিৱর্তনশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

৪.৩.৩ R.K. Mukharjee ঃ তেওঁৰ জীৱন আৰু ৰীতি গত দৃষ্টিভংগী

জীৱন —

Radhakamal Mukharjee or R.K.Mukharjee ১৮৮৯ চনৰ ৭ ডিচেম্বৰ তাৰিখে বেড়ামপুৰ মুর্চিদাবাদৰ এক বেংগলী ব্রাহ্মণ পৰিয়ালত জন্মগ্রহণ কৰিছিল। ইতিহাস তেওঁৰ অধ্যয়নৰ প্রিয় বিষয় আছিল। বেড়ামপুৰ প্রাথমিক শিক্ষা লাভ কৰাৰ পিছত কলিকতা প্রেছিডেন্সি কলেজত ছাত্রবৃত্তি সহকাৰে শিক্ষা লাভ কৰে। এইসময়ত তেওঁ এম ঘোষ, এইচ. এম. .... , বিখ্যাত পণ্ডিতসকলৰ সংস্পর্শলৈ আহে। অন্যান্য কিছুমান সমাজতত্বৰ কর্মৰাজিৰ দ্বাৰা তেওঁ বিশেষভাৱে অনুপ্রাণিত হৈছিল। দেশপ্রেমমূলক ভাৱনাৰে অনুপ্রাণিত হৈ আৰু লর্ড কার্জনৰ বেংগল বিভাজনৰ পিড়িতসকলৰ সহয্যার্থে তেখেতে বিশেষ প্রেৰণা অনুভৱ কৰিছিল। সেয়েহে শেষত তেওঁৰ ইতিহাস অধ্যয়নৰ উপৰিও অর্থনীতি আৰু সমাজতত্ত্ব অধ্যয়নৰ বাবে আগ্রহী হয়। ১৯১৫ চনত তেখেতে (Premchand Raychand) বৃত্তিৰ বাবে মনোনীত হয়। ১৯২০ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা " Socio-Economic Changes In The Indian Rural Community" এই অধ্যয়নৰ বাবে Phd ডিগ্রী লাভ কৰে।

পদ্ধতিগত দৃষ্টিভংগী —

R.K. Mukharjee য়ে ভৌতিক স্তৰৰ পৰা তাত্ত্বিক বা আধ্যাত্মিক ...গুৰলৈ থকা সকলো প্রকাৰৰ সামাজিক বাস্তৱিকতাকে প্রকাশ কৰিছিল দ্বান্দ্বিক বস্তুবাদৰ এক সংগীক ত্রিপদিক নীতি য'ত একধৰণৰ বাস্তৱিকতাক অন্য এক বাস্তৱিকতাৰ লগত সংযোগ ঘটাই আৰু এক ধাৰণাক অন্যস্তৰত মহত্ব আৰু অর্থ প্রদান কৰে তেওঁৰ মতে দ্বান্দ্বিক হ'ল এক পদ্ধতি য'ত স্বাধীনতা আৰু একতাৰ স্পষ্ট সমাৱেশ ঘটিছে আৰু ই সামাজিক বাস্তৱিক তাৰ বিভিন্ন স্তৰৰ মাজত সম্বন্ধ স্থাপন বা সংযোগ স্থাপন কৰে।

তেওঁ মাৰ্ক্সবাদী ধাৰণাৰ দ্বিন্দ্বাত্মক দৃষ্টিভংগীৰ মাজত প্ৰভেদ নিৰ্ধাৰণ কৰিছিল। তেওঁৰ মতে দ্বন্দ্বাত্মক হ'ল মানুহৰ প্ৰতিশোধ ক্ষমতা যাৰ দ্বাৰা সমাজ এই শ্ৰেষ্ঠতাত মধ্যস্থতাকাৰিৰ ভূমিকা গ্ৰহণ কৰে। তেওঁ কৈছিল যে, মানুহে প্ৰাকৃতিকভাৱে শ্ৰেষ্ঠতা অৰ্জন কৰে কাৰণ এই দৃঢ়তা তেওঁ নিজাববীয়াকৈ নহয় সমজৰ পৰা, বিশ্বৰ পৰা আহৰণ কৰে। তেওঁৰ এই দ্বন্দ্বাত্মক ধাৰণা গঠন হয় হেগল, বেদান্ত, বৌদ্ধ ধৰ্ম আৰু তাও(tao) ধৰ্মৰ পৰা সামাজিক একতা অব্যাহত ৰাখিবলৈ হ'লে মুখাৰ্জীয়ে সমাজিক জনসাধাৰণৰ ব্যক্তিগত স্বাধীনতা আৰু মৰ্য্যদাৰ নীতি জড়িত উদাৰ বিচাৰধাৰা আৰু শ্ৰমিক শ্ৰেণী সকলৰ মাজত মাৰ্ক্সৰ নীতি অনুসৰি সামাজিক সম্পদৰ বিতৰণৰ পোষকতা কৰে।

সমাজ এখন অধ্যয়নৰ কাৰণে R.K.Mukharjee য়ে অন্তঃ বিষয়সমূহ বা সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু মানৱ জীৱন অধ্যয়নৰ বাবে এইবোৰৰ তাৎপৰ্যৰ ওপৰত আলোকপাত কৰিছিল। তেওঁ সমাজৰ এক সাধাৰণ উমৈহতীয়া তত্ত্ব বিকাশৰ ওপৰত জোৰ দিছিল, যিটো প্ৰথমতে ভৌতিক বা প্ৰাকৃতিক বিজ্ঞান আৰু সামাজিক আৰু মনোবিজ্ঞানিক দিশসমূহৰ লগত সম্বন্ধ যুক্ত বিজ্ঞানৰ মাজত থকা প্ৰতিদ্বন্দিতাক দাঙি দিয়ে, দ্বিতীয়তে সমাজতত্ত্ব মনোবিজ্ঞান আৰু অৰ্থবিজ্ঞান আদিৰ দৰে সমাজবিজ্ঞান সমূহৰ লগত অবিচ্ছিন্ন অন্তঃক্ৰিয়াৰ ওপৰত জোৰ দিয়ে। মানৱ ব্যক্তিত্বৰ বহুমুখী দিশসমূহৰ কথা উল্লেখ কৰি তেওঁ কয় যে, মানৱ ব্যক্তিত্বৰ সৈতে প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশৰ অন্তঃক্ৰিয়াৰ লগতে ভৌতিক আৰু প্ৰাকৃতিক বিজ্ঞানৰ মাজত পাৰস্পৰিক ভাৱবিনিময়ও আৱশ্যক।

ব্যক্তিৰ ব্যক্তিত্বৰ সম্বন্ধে মত প্ৰকাশ কৰি তেওঁ কয় যে, ব্যক্তিয়ে নিজাকৈ বিচাৰ বিবেচনা তথা সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে, পচন্দ অপচন্দ কৰিব পাৰে আৰু মূল্যৰ পূৰ্ণ সন্তুষ্টি বিচাৰে। মানুহে পচন্দ অনুসৰি কাৰ্য্য কৰে আৰু নিজৰ, আনৰ, সমাজৰ সন্তুষ্টিৰ কাৰণে কাৰ্য্য কৰে। প্ৰকৃতি, পৰিৱেশ, জৈৱিক, প্ৰয়োজনীয়তা আৰু মানসিক প্ৰয়োজনীয়তা আদি বিভিন্ন দিশে ব্যক্তিক প্ৰভৱিত কৰে। ইয়াৰ উপৰিও মানুহ সমাজৰ বিভিন্ন কাৰ্যকলাপ আৰু চাপৰ দ্বাৰা প্ৰভাৱিত হয়।

৪.৩.৪ A.R.Desai ঃ তেওঁৰ জীৱন আৰু ৰীতি গত দৃষ্টিভংগী

A.R.Desai ১৯১৫ চনৰ১৬ এপ্ৰিল তাৰিখে গুজৰাটৰ নডিয়াত জন্ম গ্ৰহণ কৰিছিল। আধুনিক মাৰ্ক্সবাদী চিন্তাধাৰাক প্ৰচলিত কৰাৰ ক্ষেত্ৰত এগৰাকী আগশাৰীৰ চিন্তাবিদ বুলি তেওঁক গণ্য কৰা হয় আৰু লগতে প্ৰযোগসিদ্ধ অনুসন্ধান আৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন ক্ষেত্ৰতো তেখেতে আগভাগ লৈছিল। তেওঁ Marx, Engels আৰু Trotskyৰ কৰ্মৰাজীসমূহ অধ্যয়ন কৰিছিল। তেওঁ নিজৰ সমাজতাত্ত্বিক অধ্যয়নত দ্বন্দ্বাত্মক ঐতিহাসিক আৰ্হিক সমৰ্থন আৰু ইয়াৰ প্ৰয়োগ কৰিছিল। তেওঁৰ ঐতিহ্যৰ সৈতে ধৰ্ম, ৰীতি-নীতি আৰু উৎসৱৰ ব্যখ্যা অগ্ৰাহ্য কৰিছিল যিহেতু এইবিলাক, ধৰ্ম নিৰপেক্ষ

পৰিঘটনা আৰু পৰিয়াল, গাঁও আৰু অন্য সামাজিক অনুষ্ঠানৰ অন্তর্গতহে ইবিলাকৰ স্থান হোৱা উচিত। পশ্চিমীয়া সংস্কৃতিৰ মাজত তেওঁ ঐতিহ্যৰ উৎপত্তিৰ সম্ভাৱনা নাকচ কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে, ভাৰতীয় সামাজিক পৰিবর্তন প্রক্রিয়াত সংঘটিত সামাজিক অন্তর্বিৰোধৰ প্রধান কাৰণ হ'ল পুঁজিবাদী (বুর্জোৱা) সকলৰ ক্রমবর্ধমান উপস্থিতি পেটি বুর্জোৱা (doctor, engineer, professor, lawyer) আৰু দেশীয় উপকৰণ এই সকলো একে সামাজিক মূলৰ পৰা আহৰিত হয়।

A.R.Desai, Dr.G.S.Ghurye ৰ এগৰাকী শিষ্য আছিল আৰু পিছলৈ তেখেত বোম্বে বিশ্ববিদ্যায়ত সমাজতত্বৰ অধ্যাপক তথা মূৰব্বীৰ পদত কার্যনির্বাহ কৰিছিল। ভাৰতীয় সমাজতাত্ত্বিক সমাজৰ তেওঁ এগৰাকী প্রতিষ্ঠাপক সদস্য হোৱাৰ লগতে ইয়াৰ আজীৱন সদস্যপদ তেওঁ লাভ কৰিছিল।

ৰীতিগত দৃষ্টিভংগী—

A.R.Desai তেওঁৰ সামাজ তাত্ত্বিক অধ্যয়নত মেক্র' আৰু মেছ, পুঁজিবাদ জাতীয়তাবাদ, শ্রেণীকৃষি সংৰচনা, ৰাষ্ট্র আৰু কৃষক আন্দোলন আদি বিষয়বস্তু অন্তর্ভুক্ত কৰিছিল। দেশাই তেওঁৰ মার্ক্সবাদী সমাজতত্বত ঐতিহাসিক পদ্ধতিৰ জৰিয়তে মার্ক্সৰ সংৰচনাত্মক দৃষ্টিভংগীৰ ব্যাখ্যা কৰিছিল লগতে ভাৰতত ইয়াৰ সংঘটনৰ বাবে থকা কাৰকসমূহ যেনে— পুঁজিবাদ, সামন্তবাদ শ্রেণী আৰু ৰাষ্ট্রৰ সম্বন্ধ খাতিখোৱা মজদুৰ আৰু কৃষকশ্রেণী উপনিৱেশবাদৰ পৰৱর্তী অৱস্থা আৰু পণ্ডিতসকলৰ অধিকাৰ আদিৰ বিষয়ত নির্দিষ্ট বাখ্যা আগবঢ়াইছিল। তেওঁ এক অন্তঃবিষয়ক সমাজতত্বৰ আর্হি প্রস্তুত কৰিছিল আৰু ইয়াত তেওঁ অংশগ্রহণকাৰী পর্যৱেক্ষণ আৰু ক্ষেত্র কার্যৰ প্রয়োগেৰে ভাৰতীয় সমাজৰ পৰিৱর্তনগত পদ্ধতি আৰু সংৰচনাত্মক আর্হিৰ সম্বন্ধে জ্ঞান লাভ কৰিছিল।

বৃটিছসকললৈ ভাৰতৰ শাসনভাৰ হস্তগত হোৱাৰ ফলস্বৰূপে ভাৰতীয় সমাজৰ সামন্তবাদধর্মী অর্থনীতি পুঁজিপতি বা পুঁজিবাদলৈ অর্থনীতি ৰূপান্তৰিত হৈছিল। ভাৰতৰ পুৰণি অর্থনৈতিক পদ্ধতি আৰু পুৰণি ভূমি সম্বন্ধৰ প্রচলন বন্ধ হৈ তাৰ ঠাইত নতুন অর্থনৈতিক পদ্ধতি আৰু আধুনিক ভূমি নীতি তথা সম্বন্ধ আৰু উদ্যোগৰ প্রচলন আৰম্ভ হয়। এইদৰে অর্থনৈতিক পদ্ধতিৰ পৰিৱর্তনত কৃষিজীৱি, মজদুৰ, পট্টধাৰি জমিদাৰ আদি নতুন শ্রেণীগোটৰ আৱির্ভাৰ হয়। নতুন ভূমিকৰ পদ্ধতিৰ প্রচলন, কৃষিৰ উদ্যোগীকৰণ আৰু ভূমিৰ খণ্ডিতকৰণ আদিয়ে ভাৰতীয় গ্রাম্য জীৱনত পৰিৱর্তন আনিছিল। এই পৰিৱর্তনৰ ফল স্বৰূপে দৰিদ্রতা, ভূমি মালিকৰ দ্বাৰা কৃষি শ্রমিকৰ শোষণ আৰু চহৰাঞ্চলত উচ্চ শ্রেণীৰ দ্বাৰা নিম্ন শ্রেণীৰ শোষণ লগতে পুঁজিবাদী উদ্যোগিক শ্রেণী, পেতি বুর্জোৱা শ্রেণী আৰু উকীল আদিৰ সমাজত প্রাদুর্ভাৰ হয়। মুঠতে ব্রিটিছৰ শাসনকালত এই পৰিৱর্তন আৰু সংৰচনাত্মক বিকাশ ভাৰতীয় জাতীয়তাবাদৰ সূত্রপাত ঘটাইছিল আৰু ইয়ে শেষত জাতিয়তাবাদী স্বাধীনতা আন্দোলনৰ

জন্ম দিছিল।

A.R.Desai য়ে ভাৰতীয় সমাজৰ বিভিন্ন আন্দোলন যেনে গাঁৱলীয়া আৰু চহৰীয়া, জাতি আৰু শ্ৰেণী সংৰচনা সামাজিক গতিশীলতা আৰু অন্যান্য সমূহ মাৰ্ক্সবাদী দৃষ্টিৰে অধ্যয়ন কৰিছিল আৰু সাধাৰণ তথা ঐতিহাসিক দ্বন্দ্বাত্মকবস্তুবাদী দৃষ্টিভংগীৰ প্ৰয়োগ কৰিছিল। তেওঁ লগতে আলোচনা কৰিছিল যে, ভাৰতীয় জাতীয়তাবাদী পৰম্পৰাগত পৃষ্ঠভূমি হ'ল ব্ৰিটিছসকলৰ দ্বাৰা সৃষ্টি বস্তুবাদী পৰিস্থিতি আৰু উদ্যোগীকৰণ, আধুনিকীকৰণ পদ্ধতি ইয়াৰ লগত জড়িত। এই পৰিস্থিতি বৃষ্টিছ পূৰ্ব ভাৰতত নাছিল। Desai মত দাঙি ধৰে যে, পৰম্পৰাগত পৰিৱৰ্তনৰ বাবে অৰ্থনৈতিক সম্বন্ধ ওপৰতো ... ভাৱে পৰম্পৰাগত জড়িত আৰু ই অৰ্থনৈতিক অৱস্থাৰ পৰিৱৰ্তনৰ বাবেও দায়ী। ভাৰতৰ পৰম্পৰাগত জাতি ব্যৱস্থাও বিয়োজন বা খণ্ডিতকৰণ আৰম্ভ হৈছিল, কিয়নো, নতুন সামাজিক আৰু বস্তুগত পৰিস্থিতি যেনে— উদ্যোগসমূহ, অৰ্থনৈকি বিকাশ শিক্ষা আদিয়ে সমাজৰ স্থিতি লৈছিল। Desai ৰ মতে, স্বাধীনতাৰ পিছত ৰাষ্ট্ৰই পুঁজিবাদ। গ্ৰহণ কৰিছিল য'ত প্ৰকাশকসকলে পুঁজিপতি শ্ৰেণীৰ ৰক্ষণাবেক্ষণ আৰু শোষিত শ্ৰেণীৰ অৱৰোধৰ দ্বৈত ভূমিকা লৈছিল।

Desai মাৰ্ক্সৰ আদৰ্শসমূহ ভাৰতীয় সমাজৰ পৰিৱৰ্তনশীলতাৰ স্বৰূপ অধ্যয়নৰ বাবে সবাতোতকৈ প্ৰাসংগিক আৰ্হি বুলি বিবেচনা কৰিছিল। মাৰ্ক্সৰ দৃষ্টিভংগী বা সিদ্ধান্তসমূহে গৱেষণাসমূহ সঠিক দিশত পৰিচালনা কৰাত সহায় কৰে আৰু সঠিক ধাৰণা গঠনটো সহায় কৰে। মাৰ্ক্সৰ মতে মানুহ অন্যজীৱৰ তুলনাত পৃথক, কাৰণ মানুহৰ বিচাৰ বিবেচনা আছে, ধৰ্ম আছে বা অন্য যিকোনো প্ৰকাৰে আমি বিচাৰো।

জীৱন ধাৰণৰ আহিলা উৎপাদনৰ সময়তে মানুহ নিজকে অন্যতকৈ পৃথক কৰে কিয়নো জীৱন ধাৰণৰ আহিলা উৎপাদনৰ সময়তে তেওঁলোকে জীৱন ও আৰম্ভ কৰে।

মাৰ্ক্সৰ সিদ্ধান্তৰ জৰিয়তে সামাজিক বাস্তৱতা, উৎপাদনৰ আহিলাৰ প্ৰকৃতি, শ্ৰমিকৰ অৰ্থ প্ৰযুক্তিৰ বিভাজন আৰু উৎপাদনৰ সামাজিক সম্বন্ধ সম্বন্ধে জ্ঞান লাভ কৰিব পাৰি। এই দৃষ্টিভংগীয়ে সম্পদৰ সম্বন্ধ গুৰুত্ব প্ৰদান কৰে যিহেতু এইবোৰ উৎপাদনৰ অন্তৰ্নিহিত উদ্দেশ্য, প্ৰকৃতি, দিশ আৰু লক্ষ্যৰ ৰূপ বা আকাৰ নিৰ্ধাৰণ কৰে। মাৰ্ক্সবাদী সিদ্ধান্তসমূহ আকৌ এক বিশেষ সমাজ অধ্যয়নত প্ৰয়োগ কৰা হয়, য'ত বিপৰীত ধৰ্মী শক্তি কিছুমানে সমাজৰ সংঘাত সৃষ্টি কৰে। এনে সময়তে কিছু সংঘাত পূৰ্ণ শক্তিয়ে স্থিতি লাভ কৰে আৰু কিছুমান সমন্বয়ৰ যোগেদি সমাজত সংশোধন ঘটায়। এইদৰে মাৰ্ক্সৰ দৃষ্টিভংগীয়ে সমাজ এখন অধ্যয়নৰ কাৰণে ইয়াৰ বস্তুগত সংৰচনাৰ ওপৰত মূল গুৰুত্ব আৰোপ কৰে। ই ঐতিহাসিক স্থিতিৰ যোগান ধৰে আৰু সকলো সামাজিক ঘটনাকে বিশেষত প্ৰদান কৰে। অন্য সিদ্ধান্তসমূহৰ তুলনাত মাৰ্ক্সৰ সিদ্ধান্তই বস্তুগত জীৱনৰ বাবে উৎপাদনৰ প্ৰণালীৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ মার্ক্সৰ সিদ্ধান্তই কেনেদৰে আমাক সহায় কৰিব পাৰে?

প্রশ্ন নং ২ঃ মার্ক্সবাদৰ মূল লক্ষ্য কি?

প্রশ্ন নং ৩ঃ D.D.Kosambi কোন?

প্রশ্ন নং ৪ঃ ভাৰতৰ মুখ্য মার্ক্সবাদী পণ্ডিতসকলৰ নাম লিখক।

প্রশ্ন নং ৫ঃ মার্ক্সবাদীসকলৰ মত অনুসৰি সমাজ এখনৰ ঐক্যভাৰ কেনেকৈ বর্তাই ৰাখিব পাৰি?



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মার্ক্সবাদী সিদ্ধান্ত জার্মান চিন্তাবিদ মার্ক্সৰ তত্ত্বসমূহৰ ওপৰত আধাৰিত।
- Karl Marx ৰ মতে, সামাজিক ব্যৱস্থাৰ বুনিয়াদী আধাৰ দুই ধৰণৰ সংৰচনা ওপৰত আধাৰিত— আধাৰ বা মূল আৰু আধিসংৰচনা।
- মার্ক্সৰ সিদ্ধান্তৰ মূল কর্ম হ'ল উৎপাদনৰ আহিলা আৰু ইয়াৰ সম্বন্ধৰ মাজত ক্রমাগত পৰিৱর্তন বা বিকাশ চিহ্নিত কৰা যিয়ে ইতিহাসৰ যিকোনো সময়ৰে মানুহৰ জীৱন সঁচা প্রতিচ্ছবি অংকিত কৰিব পাৰে।
- D.P. Mukharjee ৰ মতে, ব্যক্তিগত সত্তা আৰু সামাজিককৰণৰ দ্বৈত সমন্বয়ত ব্যক্তিত্বই গড়লৈ উঠে।
- R.K.Mukharjee ৰ মতে, দ্বন্দ্বাত্মক হ'ল এনে এক ক্ষমতা য'ত মানুহে প্রতিৰোধী শক্তিৰে নৈতিকতা আৰু উচ্চতৰ স্থানত নিজকে প্রতিষ্ঠিত কৰিব পাৰে।
- R.K. Mukharjee য়ে মানুহৰ ব্যক্তিত্ব সম্বন্ধে কয় যে— ই এক প্রতিনিধি স্বৰূপ যিয়ে সিদ্ধান্ত গ্রহণ কৰে, পচন্দ-অপচন্দ নির্বাচন কৰে আৰু মূল্যৰ পূর্ণসন্তুষ্টি বিচাৰে।
- A.R. Desai য়ে অংশগ্রহণকাৰী পর্যৱেক্ষণ আৰু ক্ষেত্র কার্যৰ প্রয়োগেৰে ভাৰতীয় সমাজৰ পৰিৱর্তনগত পদ্ধতি আৰু সংৰচনাত্মক আর্হি সম্বন্ধোন লাভ কৰিছিল।
- A.R. Desai এ মেক্র' আৰু মেছ' পুঁজিবাদ জাতীয়তাবাদ শ্রেণী, কৃষি সংৰচনা, ৰাষ্ট্র আৰু কৃষক আন্দোলনৰ আদি বিষয়ৰ ওপৰত আলোকপাত কৰিছিল।



৪.৫ অধিক জানিবলৈ

Singh, Yogendra. Ideology, Theory and Methods in Indian Sociology (1952-1977).



৪.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্ক্সবাদী সিদ্ধান্তই আমাক সমাজিক বাস্তৱতা আৰু উৎপাদনৰ আহিলা সম্বন্ধে জ্ঞান লাভ কৰাত সহায় কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্ক্সে শ্ৰেণীভিত্তিক সমাজ এখনৰ বৈজ্ঞানিক আধাৰিত অধ্যয়নৰ লক্ষ্য ৰাখিছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ D.D.Kosambi এগৰাকী বিখ্যাত মাৰ্ক্সবাদী ঐতিহাসিক আৰু তেওঁ মাৰ্ক্সৰ দ্বন্দ্বাত্মক পদ্ধতিৰ সহায়ত ভাৰতীয় সমাজ ব্যৱস্থাৰ বস্তুগত দিশটো অধ্যয়নৰ চেষ্টা কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ D.P. Mukharjee, R.K.Mukharjee আৰু A.R. Desai ভাৰতীয় সমাজ অধ্যয়নৰ কাৰণে মাৰ্ক্সৰ দ্বন্দ্বাত্মক ঐতিহাসিক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত এইকেইগৰাকী সমাজতাত্ত্বিক বিশেষ উল্লেখযোগ্য বিবেচনা কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্ক্সবাদীসকলে মত পোষণ কৰে যে, সমাজ এখনে ইয়াৰ সদস্যসকলৰ মাজত দল প্ৰক্ৰিয়াৰ জৰিয়তে ঐক্য বজাই ৰাখিব পাৰে আৰু এই প্ৰক্ৰিয়াই সমাজৰ সদস্যসকলক দ্ৰব্যৰ উৎপাদন প্ৰক্ৰিয়াৰ সৈতে যুক্ত কৰে।



৪.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তু ধৰ্মী— (প্ৰশ্ন উত্তৰ সমূহ১৫০ শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ R.K.Mukharjee য়ে কেনেদৰে সমাজ অধ্যয়ন কৰিছিল?

প্ৰশ্ন ২ ঃ মাৰ্ক্সবাদী দৃষ্টিভংগী মানে আপুনি কি বুজে?

(খ) ৰচনাধৰ্মী — (প্ৰশ্ন উত্তৰ সমূহ ৩০০-৫০০ শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ D.P.Mukharjee ৰ জীৱন সম্বন্ধে আলোচনা কৰক আৰু তেওঁৰ পদ্ধতিগত দৃষ্টিভংগী সম্বন্ধে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ A.R.Desai ৰ জীৱন সম্বন্ধে আৰু তেওঁৰ পদ্ধতিগত দৃষ্টিভংগী সম্বন্ধে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ভাৰতীয় সমাজ অধ্যয়নত ছাবলটার্ণ

অধ্যায় গাঁথনি

৫ পৰিচয়

৫.৩ ছাবলটার্ণ দৃষ্টিকোণ

Ranjit Guha আৰু তেওঁৰ ছাবলটার্ণ দৃষ্টিকোণ

৫.৩ B.R.Ambedkar আৰু তেওঁৰ ছাবলটার্ণ দৃষ্টিকোণ

৫.৩.৩ Devid Hardman আৰু তেওঁৰ ছাবলটার্ণ দৃষ্টিকোণ

অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধিক জানিবলৈ

অগ্রগতিৰ খতিয়ান

আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সমাজতত্ত্ব অধ্যয়নত ছাবলটার্ণ দৃষ্টিকোণ সম্বন্ধে বুজিব পাৰিব
- ছাবলটার্ণ দৃষ্টিকোণ সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰি।
- ৰণজিৎ গুহ, বি.আৰ, আম্বেদকাৰ আৰু ডেভিদ হার্ডিমেনৰ দৃষ্টিকোণৰ মাজত থকা ব্যৱধান সমূহ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

আপোনালোকে প্রায়েই দেখিবলৈ পায় যে সমাজৰ ধনী, প্রতিপত্তিশালী আৰু অভিজাত বর্গই×শ্রেণীয়ে প্রায়েই এক প্রসিদ্ধ লাভ কৰিবলৈ সুবিধা পায়। কিন্তু, সমাজৰ নিম্নস্থ শ্রেণীৰ ক্ষেত্রত বা অধীনস্থ বর্গৰ ক্ষেত্রত এনেকুৱা সুবিধা লাভ কৰিব। নোৱাৰে সমাজৰ নিম্ন শ্রেণীৰ লোকসকলে অগবঢ়োৱা বৰঙণি সম্বন্ধে স্বাভাৱিকভাৱেই হয়তো আমি উদাসীন হোৱাৰ প্রৱণতা এটা আছে বা ই আমাৰ মনোযোগ আকর্ষণ কৰিব নোৱাৰে। নিম্ন শ্রেণীৰ ছাবলটার্ণ দৃষ্টিভংগী প্রৱর্তন কৰা। Ranjit Guha উপনিৱেশবাদৰ সমালোচক জতিয়তাবাদি মার্ক্সৰ ঐতিহাসিক ব্যাখ্যাকাৰী আৰু এই অধীনস্থ দৃষ্টিভংগীৰ এগৰাকী প্রধান বিশ্লেষক। এই সিদ্ধান্তই বিচাৰিছিল "শাস্ত্রীয় বৈশিষ্টপূর্ণ সম্ভ্রান্তৱাদী পক্ষপাতপূর্ণ কার্য্যৰ সংশোধন" অর্থাৎ, (specify the elitist bias characterstic of academic work) আৰু ইয়াক সমাজ তাত্ত্বিক অধ্যয়নত অন্তর্ভুক্ত কৰি অধীনস্থ বিষয়ৰ আলোচনাৰ এক নতুন পথৰ সন্ধান দিছিল। Guha ৰ মতে অধীনস্থ দৃষ্টিভংগীয়ে সম্ভ্রান্তৱাদি সকলৰপৰা স্বাধীনভাৱে নিজস্ব ভুকিকা প্রদর্শন কৰে। তেওঁ লগতে

এইটোও দেখুৱাইছিল কেনেদৰে সম্ভ্রান্ত ৰাদী দৃষ্টিভংগীয়ে অধীনস্থ সকলৰ প্ৰচেষ্টা বা ভূমিকাক উপেক্ষা কৰিছিল। ছাবলটার্ণ দৃষ্টিভংগী প্ৰৱৰ্তন কৰা সকলে ভাৰতীয় ইতিহাসৰ এক পৃথক উপস্থাপন আগবঢ়াইছিল যিটো জনসাধাৰণৰ চেতনাৰ উপৰত আধাৰিত আৰু নিম্নশ্ৰেণী বৰ্গৰ বিষয়ে জানিবলৈ আমাক সুবিধা দিয়ে। যদিও ভাৰতীয় দুখীয়া কৃষক শ্ৰেণীয়ে তেওঁলোকৰ বিষয়ে আমাক জনাব পৰা কোনো স্বৰচিত জীৱনী বা লেখনী আমাক দি থৈ যোৱা নাই। আগৰ অধ্যয়নত আমি ভাৰতীয় সমাজ অধ্যয়নত মাৰ্ক্সবাদী চিন্তাধাৰাৰ বিষয়ে আলোচনা কৰিছিলোঁ। এই অধ্যায়ত আমি ভাৰতীয় সমাজ অধ্যয়ন আৰু ইয়াৰ বিষয়ে ধাৰণা সংগঠনৰ কাৰণে ছাবলটার্ণ দৃষ্টিকোণৰ বিষয়ে আলোচনা কৰিম। এই অধ্যয়নত Ranjit Guha,B.R.Ambedkar আৰু Devid Hardman ৰ সমাজতাত্ত্বিক বৰঙণিৰ বিষয়ে আলোচনা কৰিম।'

৫.৩ ছাবলটার্ণ দৃষ্টিকোণ

ছাবলটার্ণ দৃষ্টিকোণে ভাৰতীয় জাতীয়তাবাদক এক নতুন ধৰণে বিশ্লেষণ কৰিছিল। ছাবলটার্ণ দৃষ্টিকোণৰ দ্বাৰা সন্তুলন ৰক্ষাৰ উদ্দেশ্যে ভাৰতীয় ইতিহাসত জনসাধাৰণৰ ৰাজনৈতিক ভূমিকাক আৰু ইয়াৰ বিপৰীতে সম্ভ্রান্তবাদী গোটৰ ভূমিকাক আলোকপাত কৰা হৈছিল। সেহেয়ে সম্ভ্রান্তবাদী (elite) আৰু জনসাধাৰণক (people) ক এক সংৰচনাত্মকভাৱে বিৰোধভাৱাপন্ন বা পৰস্পৰ বিৰোধী যুগ্ম ক্ষেত্ৰ হিচাপে বিবেচনা কৰা হৈছিল। এই দৃষ্টিভংগীৰ সমৰ্থকসকলে উল্লেখ কৰে যে, ভাৰতীয় জাতীয়তবাদ গঠনত সম্ভ্রান্তবৰ্গৰ ভূমিকা সদায় বিশেষভাৱে প্ৰচাৰিত হৈ আহিছে কিন্তু, সৰ্বসাধাৰণ জনসাধাৰণৰ ভূমিকাক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদাসীনতাহে দেখা যায়। সম্ভ্রান্তবাদীৰ ৰাজনীতিৰ সমান্তৰালকৈ, উপনিৱেশক সময়ৰ পৰাই ভাৰতীয় সমাজত সদায়ে 'অধীনস্থ'শ্ৰেণীৰ আৰু শ্ৰমিক শ্ৰেণীৰও ৰাজনৈতিক স্থিতি আছে। অধীনস্থ ইতিহাস লেখনীয়ে প্ৰতি মানুহক এক স্বতন্ত্ৰ ক্ষেত্ৰ হিচাপে গণ্য কৰে আৰু এইসকল লোক সম্ভ্রান্তবৰ্গৰ ওপৰত অৱলম্বিত নহয় বুলি প্ৰকাশ কৰে। সেয়েহে সম্ভ্রান্তশ্ৰেণীৰ লোকৰ ৰাজনৈতিক সমাৱেশ বা সংহতি উলম্বভাৱে পোৱা যায় যদিও ছাবলটার্ণ ৰাজনীতিত ইয়াক অনুভূমিক (horizontally)হে পোৱা যায়।

যিসকল ঐতিহাসিকে ছাবলটার্ণ শব্দটো ব্যৱহাৰ কৰিছে তেওঁলোকে ইটালিয়ান মাৰ্ক্সবাদী কমিউনিষ্ট Antonio Gsamciৰ পৰা এই শব্দটোৰ অনুকৰণ কৰিছে। Antonio Gsamci মুচোলিনিৰ শাসনকালত দীৰ্ঘকালৰ বাবে কাৰাগাৰত আবদ্ধ হৈ থাকিব লগা হৈছিল আৰু তাতেই তেওঁ মৃত্যুবৰণ কৰিছিল। জেলত থকা কালত তেওঁ ৰাজনীতি, ইতিহাস আৰু দৰ্শনৰ ওপৰত টোকাবহী কিছুমান লিখিছিল। তেওঁ ব্যক্ত কৰিছিল যে সমাজ এখনত ছাবলটার্ণসকল হ'ল অধীন বা দাস শ্ৰেণীৰ নিম্নজাত। যিসকলৰ ওপৰত সম্ভ্রান্তশ্ৰেণীসকলে নিজৰ প্ৰতিপত্তিৰে ছাবলটার্ণ বিস্তাৰ কৰে। ছাবলটার্ণ শব্দটোৱে দাসত্ব বা অধীন বুজায়, ই এক হীন অৱস্থা বা স্থান নিৰ্দেশ কৰে আৰু জাতি, শ্ৰেণী, বয়স, লিংগ বা অন্য বহু দিশৰে বহু দিশৰে এই ছাবলটার্ণ অৱস্থা সম্পৰ্কীয়।

. এইদৰেই ছাবলটার্ণ বা নিম্নশ্রেণীৰ লোকসকলে তেওঁলোকতকৈ উচ্চবর্ণৰ লোকৰ ওচৰত নিজৰ অধীনত স্বীকাৰ কৰে। এই শোষণৰ বিৰুদ্ধে ছাবলটার্ণ লোকসকলে নিজৰ প্রতিবাদ প্রকাশ কৰিব নোৱাৰে। সেয়েহে ছাবলটার্ণ ইতিহাস লেখনৰ বিষয়বস্তু আচলতে ইতিহাসৰ পুণনির্মাণ অর্থাৎ, জনসাধাৰণৰ ৰাজনীতি, আন্দোলনৰহে ইতিহাস আৰু লগতে তেওঁলোকৰ জীৱনৰ সঁচা ইতিহাসৰ পুনৰুদ্ধাৰৰ প্রচেষ্টা ছাবলটার্ণ দৃষ্টিভংগীয়ে "নিম্নৰ পৰা দৃষ্টিভংগী"(view from below), অর্থাৎ সমাজৰ নিম্নজনৰ বিষয়ে জ্ঞানবোধ বা দৃষ্টি বা নিম্নৰ পৰা জ্ঞান আহৰণ, নিম্নসকলৰ দৃষ্টিভংগী এই ধাৰণাক প্রকট কৰে।

জনজাতীয় কৃষক আন্দোলনৰ বিষয়ে অধ্যয়নত এই দৃষ্টিভংগী এক আৱশ্যকীয় উপাদান। ছাবলটার্ণ দৃষ্টিভংগীৰ পণ্ডিতসকলে দাবী কৰে যে, তেওঁলোকে জাতীয়তাবাদীসকল আৰু সম্ভ্রান্তবর্গৰ ইতিহাস লেখনত দুর্বলসকলৰ কণ্ঠ সংলগ্নকৰণত থকা অপাৰগতা প্রকাশ কৰিছিল। ছাবলটার্ণবাদীসকলে সম্ভ্রান্তবাদি ৰাজনৈতিক কেন্দ্র কৰি তেওঁলোকৰ মনোযোগ নিৱদ্ধ কৰিছিল। আৰু বিদ্রোহাত্মক বর্ণকলৰ ওপৰত জোৰ দিছিল, লগতে ছাবলটার্ণ বর্গৰ যেনে মিস্ত্রী, দুখীয়া কৃষক, ভূমিহীন শ্রমিক, আদিবাসী আদিৰ সম্ভাৱনা সামর্থসমূহৰ প্রকাশ কৰি তেওঁলোকৰ মাজৰ আত্মসচেতনতা আৰু প্রতিৰোধ ক্ষমতাৰ প্রকাশ ঘটাইছিল। ইয়াৰ দ্বাৰা এই শ্রেণী দুর্বললোকক ধনী কৃষক আৰু চহৰীয়া ব্যৱসায়ীসকলৰ বিৰুদ্ধে প্রতিৰোধ গঢ়ি তুলিবলৈ উৎসাহ দিছিল। ভাৰতবর্ষত ছাবলটার্ণ দৃষ্টিভংগীৰ বিখ্যাত সমর্থকসকল হ'ল— Ranjit Guha, B.R. Ambedkar, Devid Hardiman, Kapil kumar আদি।

৫.৩.১ Ranjit Guha আৰু তেওঁৰ ছাবলটার্ণ দৃষ্টিভংগী

Ranjit Guha ই উপনিৱেশিক ভাৰতবর্ষত জনজাতি আৰু কৃষক বিদ্রোহৰ বিষয়ে আৰু অন্য সামাজিক আন্দোলনৰ বিশ্লেষন কৰোতে তেওঁৰ অধ্যয়নৰ বিষয় হিচাপে মার্ক্সবাদী ধাৰণাৰ বিজ্ঞানসন্মত অধ্যয়নও কৰিছিল। Guha ই বিশ্বাস কৰিছিল যে বুৰঞ্জীলিখন কর্মবুৰঞ্জী লিখন আৰু অধ্যয়ন হ'ল, বর্তমান পৃথিৰীৰ পৰিৱর্তনৰ উদ্দেশ্য অতীতৰ ব্যাখ্যা আৰু এই পৰিৱর্তনে চেতনা বা মানসিকতাৰ বৈপ্লৱিক পৰিৱর্তন আনে। তেওঁ সেইকাৰণে সমাজ বিজ্ঞানী আৰু সমাজ কার্যকর্তাসকলক সকীয়নি দিছিল যাতে তেওঁলোকে খেতিয়ক বা প্রতিবাদী বিদ্রোহীসকলক সাধাৰণভাৱে ঐতিহাসিক এক বস্তু বা উপাদান হিচাপে গণ্য নকৰে, বৰং এই লোকসকলক পৰিৱর্তিত আত্মসচেতনতা সম্পন্ন স্বইতিহাস ৰচোতা হিচাবে গণ্য কৰে। ই এক নির্দিষ্ট শ্রেণীৰ কৃষক অধ্যয়নৰ প্রতি আগ্রহী আছিল, অর্থাৎ কৃষক বিদ্রোহ বা আন্দোলন, য'ত সংস্থা নেতৃত্ব আৰু আদর্শবাদ আছিল বিদ্রোহৰ মূল উপাদান আৰু লগতে বিদ্রোহক এক পূর্ব ৰাজনৈতিক ঘটনা বুলি গণ্য কৰাৰ প্রৱণতা আছিল।

Guhaই ভাৰতীয় জাতীয়তাবাদী আন্দোলনক ইতিহাসবিদসকলে তেওঁলোকৰ লিখনিত প্রধানকৈ আলোকপাত কৰাকলৈ মত প্রকাশ কৰিছিল কিয়নো, ইয়াৰ

আন্দোলনৰ নেতাসকলৰ দৃষ্টিভংগী বা ধাৰণাকে প্ৰধানকৈ মান্যতা দিয়া হৈছিল। তেওঁৰ মতে, আমাৰ সমাজৰ ইতিহাস সম্পূৰ্ণভাৱে প্ৰকাশিত হোৱা নাই বা ইয়াত বহুক্ষেত্ৰত এইবোৰ সম্পূৰ্ণভাৱে নিৰীক্ষণ কৰা হোৱা নাই বা কেতিয়াবা জাতীয় আন্দোলনৰ এক অংশ হিচাপেহে পৰীক্ষা কৰা হৈছে, ই ছাবলটার্ণ দৃষ্টিভংগীক সমৰ্থন কৰে য'ত সমাজৰ নিম্নস্থসকলৰ ধাৰণা বা দৃষ্টিভংগীৰ অধ্যয়ন কৰা হয়।

Guhaৰ ভাৰতীয় উপনীৱেশিক সময়ৰ আন্দোলনসমূহ অধ্যয়নৰ মূল উদ্দেশ্য হল, ভাৰতীয় উপনিৱেশিক ইতিহাসত কেনেদৰে পৰাধীনতা আৰু অৱজ্ঞা সমানুপাতিক হাৰত সমাজৰ পৰিৱৰ্তিত হৈছিল তাক দেখুৱাই দিয়া। তদুপৰি প্ৰভুত্ব বা প্ৰতিশোধ আৰু বিদ্ৰোহ আৰু বিদ্ৰোহ দমন এইবোৰৰ অনুমোদনে কেনেকৈ পাৰস্পৰিক শক্তিশালী কৰিছিল তাকও তেওঁৰ অধ্যয়নৰ বিষয়বস্তু আছিল। ই ছাবলটার্ণ ইতিহাস গুহই কৃষকবিদ্ৰোহৰ অধ্যয়নৰ এক পদ্ধতি হিচাপে ব্যৱহাৰ কৰিছিল। ই বিদ্ৰোহীসকলৰ চেতনাবোধক এক উমৈহতীয়া ৰূপ আৰু ধাৰণা দিছিল। অধিকাৰ বা অমান্যতা, দ্ব্যৰ্থতা, প্ৰকাৰতা, একতা, হস্তকৰণ বা প্ৰসাৰণ আৰু ক্ষেত্ৰীয়তা হ'ল এই ৰূপ বা ধৰণাৰ উদাহৰণ।

কৃষক বা জনজাতীয় বিদ্ৰোহাত্মক চেতনাবোধ প্ৰথম ৰূপ হ'ল অস্বীকাৰ বা অসহমতি আৰু ইয়েই এক ঋণাত্মক পৰিচয়ো গঠন কৰে। এই অসহমতিয়ে এক নিৰ্বাচনশীল হিংস্ৰতাৰ জন্ম দিয়ে য'ত কিছুমানক ক্ষেত্ৰ শত্ৰু বুলি গণ্য কৰা হয়। খেতিয়কসকলক তেওঁলোকৰ সম্পদ অনুযায়ী পৰিচয় বা সামাজিক বৰঙণি অনুযায়ী পৰিচয় গঠন কৰাৰ সলনি তেওঁলোকৰ শ্ৰেষ্ঠ বা উচ্চবৰ্ণৰ দ্বাৰা ভোগ কৰা শোষণ আৰু অৱমাননাৰ দ্বাৰাহে নিজৰ পৰিচয় গঠন কৰিবলৈ উৎসাহ দিছে। গুহই ধাৰণা কৰে যে, শোষণ আৰু অধীনকৰণৰ উগ্ৰ সংৰচনাত্মক প্ৰণালী ভাৰতীয় সমাজৰ সম্ভ্ৰান্ত আৰু ছাবলটার্ণ স্তৰৰ আভ্যন্তৰীণ সমাৱেশৰ দ্বাৰা সম্পন্ন হৈছিল। এই নীতি শাসকীয় গোটৰ দ্বাৰা প্ৰকল্পিত হৈছে আৰু অধীনস্থ গোটৰ ওপৰত ইয়াক আৰোপ কৰা হৈছে। এই অসহমতি বা অসহযোগেই বিদ্ৰোহাত্মক প্ৰতিবন্ধী আচৰণক পৰিকল্পিত কৰে, য'ত সমাজৰ সকলো নীতি শৃংখলাহীন, বিধ্বংস হয়।

ছাবলটার্ণ বা কৃষক আদিবাসীসকলৰ সচেতনৰ দ্বিতীয় ৰূপ হল দ্ব্যৰ্থতা বা যিটো গুহৰ মতে অপৰাধ (crime) আৰু বিদ্ৰোহ মাজৰ ব্যৱধানত গঢ় লয়। যদিও উপনিৱেশিক বুৰঞ্জী লিখনিত ইয়াৰ দুইটা শব্দকে একে অৰ্থতে প্ৰকাশ কৰা হয়। গুহৰ মতে, অপৰাধ হ'ল ব্যক্তিকেন্দ্ৰিক বা সৰু ব্যক্তি গোটৰদ্বাৰা পৰিচালিত আৰু ই গোপনে ষড়যন্ত্ৰপূৰ্ণ প্ৰক্ৰিয়া। ইয়াৰ বিপৰীতে, বিদ্ৰোহ হ'ল সামূহিক চৰিত্ৰৰ আৰু ইয়াৰ প্ৰকাশও ৰাজহুৱা। এই দুয়োটা কাৰ্যই হিংস্ৰতাক দুধৰণে প্ৰতিফলিত কৰে, তথাপি প্ৰত্যক্ষতাৰ ক্ষেত্ৰত দুয়োটাই হিংস্ৰতাকে একেধৰণে প্ৰকাশ কৰে, সেয়েহে হিংস্ৰতাৰ ক্ষেত্ৰত দ্ব্যৰ্থতা (ambiguity) অভ্যন্তৰীক বা বাহ্যিকভাৱে বিদ্ৰোহৰ অংগ হৈ পৰে।

কৃষক অথবা জনজাতীয় বিদ্ৰোহৰ আন এক দিশ হ'ল প্ৰকাৰতা (modality)।

দাক্ষিণাত্যৰ বিদ্রোহৰ (১৮৭৫) সময়ত আৰু চন্দাল বিদ্রোহ (১৮৫৫) ৰ সময়ৰ কথাৰে গুহই বৰ্ণনা কৰিছিল যে বিদ্রোহীসকলে বিদ্রোহী নবাব আৰু তেনেধৰণৰ বিকল্প নেতৃত্বৰ সন্ধান কৰিছিল। তদুপৰি বিদ্রোহৰ সমাৱেশকৰণৰ সময়তো আত্মীয়স্বজনৰ মাজত থকা আবেগ অনুভূতি বা সজাতি সম্বন্ধীয় বান্ধোন আৰু ভাৱেও এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এইখিনিতে এইটোও মনকৰিব লগীয়া যে, বিদ্রোহী কাৰ্যসমূহ বিভিন্নধৰণে প্রকাশ পাইছিল, আনকি অৰ্থনৈতিক লাভৰ উদ্দেশ্যও ইয়াত ঠাই পাইছিল। উদাহৰণ স্বৰূপে চোতানাগপুৰত কোলসকলৰ দ্বাৰা মূল্যবান সম্পত্তি লুট আৰু টকা পইছাৰ ডকাইতি, অৰ্থনৈতিক লাভৰ উদ্দেশ্যত সংঘটিত হৈছিল। জনজাতি আৰু কৃষকবিদ্রোহী সকলে সাধাৰণতে সংস্কৃতিক চিহ্নসমূহ আৰু ক্ষমতাৰ প্রতীকসমূহ ধ্বংস কৰাৰ লগতে সুবিধা অনুযায়ী অৰ্থনৈতিক লাভৰ উদ্দেশ্যও কিছুমান কাৰ্য কেতিয়াবা সংঘটিত কৰিছিল।

সচেতনতা (conciousness)ৰ একতা(solidarity)ৰ অন্য ৰূপ যিটো বিদ্রোহৰ লগত জড়িত। কৃষক আৰু জনজাতি বিদ্রোহীসকলৰ আত্ম সচেতনতাই নিজস্ব পৰিচয় তেওঁৰ শত্রুপক্ষৰ পৰা লুকুৱাই ৰক্ষাৰ কাৰণে উদ্যত কৰে। অৱশ্যে ইয়াত ঋণাত্মক ভৱনাও সচেতনভাৱেই আচ্ছাদিত হয়। গুহই ইয়াত দুটা গুৰুত্বপূৰ্ণ অংশ উল্লেখ কৰিছে — প্রথমতে, সামূহিক সচেতনতা গুণ বিদ্রোহৰ পর্যায় অনুসৰি বিভিন্ন হয়। দ্বিতীয়তে, শ্রেণী ঐক্য (এই ঐক্য সাধাৰণতে সজাতি, ধর্মীয়, জাতি, বান্ধোনৰ পৰা উদ্ভূত) পাৰস্পৰিকভাৱে স্বতন্ত্র নহয়, এইবোৰ ওপৰা ওপৰিকৈ থাকে। গুহই বিদ্রোহৰ দ্বৈত চৰিত্র বিশ্লেষন কৰি কয় ইয়াত কেতিয়াবা শ্রেণী আৰু ধর্ম সংমিশ্রিত হৈ থাকে। উদাহৰণ স্বৰূপে মোপলা বিদ্রোহৰ কথা ক'ব পাৰি। কেতিয়াবা নৃ জাতিয়তা আৰু শ্রেণী পৰিচয় পৰস্পৰ বিলীন হৈ পৰে, যেনে বিচৰা মুণ্ডা আন্দোলন।

জনজাতি বা কৃষক প্রসাৰণ বা হস্থান্তকৰণ বিদ্রোহৰ এক দিশ বা ৰূপ, য'ত ই বিদ্রোহৰ বিস্তাৰৰ ৰূপ সম্বন্ধে ব্যাখ্যা কৰিছে প্রতিষ্ঠিত বা প্রতীক চিহ্ন বা আনকি প্রবাদৰ দ্বাৰা অন্য অধীনস্থ শাখা। গোটসমূহে সম্পর্ক স্থাপন কৰে আৰু বিদ্রোহৰ বাবে নিজকে তৈয়াৰ কৰে। বিদ্রোহী গোটবোৰে প্রার্থনাসভা অনুষ্ঠিত কৰি, ড্রাম বজাই, পেঁপা বা বাঁহী বজাই, শালগছৰ পুলি বিতৰণ কৰি, জোৰ বা লণ্ঠন জ্বলাই বা কেতিয়াবা আকৌ ৰীতি বিলাই, সেন্দুৰ আৰু তেল বিতৰণ কৰি বিদ্রোহৰ বাতৰি বিয়পাইছিল আৰু অন্যকো নিজৰ দলত অন্তর্ভুক্ত কৰিছিল। কোল, চন্দাল আৰু বীৰচা আন্দোলনত তেনেদৰে চনৰ চিপাহী বিদ্রোহৰ সময়ত আৰু চনৰ মপলা বিদ্রোহৰ সময়ত ওপৰোক্ত উপায় সময় প্রভাৱশালী প্রসাৰণ উপকৰণ হিচাপে চিহ্নিত হৈছিল।

শেষত ক্ষেত্রীয়তা অথবা ভূমন্তীয়তা কৃষক। জনজাতীয় চেতনাৰ এক দিশ হিচাপে বিবেচনা কৰা হৈছে। বিদ্রোহীসকল সমগোত্রীয়তাৰ দ্বাৰা এফালে দৃঢ়ভাৱে পৰস্পৰৰ লগত বান্ধ খাই আছিল আনহাতে অঞ্চলভিত্তিক স্বকীয়তা বান্ধোন তেওঁলোকৰ মাজত আছিল। নিজ আত্মীয়স্বজন বংশৰ প্রতি আত্মীয়তাভাৱ আৰু অংশীদাৰী বাসস্থান

এইবোৰও এটাই আনটোৰ ওপৰত ক্ৰিয়া কৰে আৰু এইটোৱেই বুজায় যে সজতি আৰু ভৌতিকস্থানে ক্ষেত্ৰীয়তা অথবা ভূমন্তক গঠন কৰে।

৫.৩.২ B.R. Ambedkar আৰু তেওঁৰ ছাবলটার্ণ দৃষ্ঠিভংগী

দলিতসকলৰ জীৱনৰ পৰিৱৰ্তন সাধন কৰাত B.R.Ambedkarৰ ভূমিকা সৰ্বজনবিদিত। আম্বেদকাৰ আন্দোলনৰ ফলশ্ৰুতিত জন্ম দলিতসকলক এক সামাজিক আৰু ৰাজনৈতিক সচেতনতাকে প্ৰকাশিত কৰে। আম্বেদকাৰ আন্দোলন দলিতসকল মুক্ত বা স্বতন্ত্ৰ কৰি সমাজত ইমান দিনে চলি থকা তেওঁলোকৰ অমানৱীয় অৱস্থাৰ উন্নতিৰ বাবে আৰম্ভ হৈছিল। অস্পৃশ্যসকলক উদ্দেশ্য কৰি দলিত শব্দ ব্যৱহাৰ কৰা হৈছিল আৰু এইসকল লোকক সমাজত শোষিত আৰু উৎপিৰিত বুলি গণ্য কৰা হৈছিল। সামাজিক শ্ৰেণী আনুক্ৰমত এইসকলৰ স্থান নিম্নত আছিল অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আৰু দলিত বা অস্পৃশ্য এনেকুৱা আছিল শ্ৰেণী আনুক্ৰমত স্থিতি। দলিতসকলৰ ভিতৰত দুখীয়া আৰু সমাজৰ অন্য শ্ৰেণীৰ দ্বাৰা শোষিত লোকসকলও স্থান আছিল। ই কেৱল উদ্ধৃত বা অতিৰিক্ত সম্পদৰ আত্ম..... দ্বাৰা অৰ্থনৈতিক শোষণকে নিৰ্দেশ কৰা নাই। ই লগতে দলিতসকলৰ সংস্কৃতিক জীৱন, জীৱন ধাৰণৰ পথ, প্ৰমূল্য আদিক শোষণ বা দমন আৰু সৰ্বোপৰি দলিতসকলক মৰ্য্যদাপূৰ্ণ জীৱনৰ পৰা বঞ্চিত কৰাটো বুজাইছে। ই এক ৰাজনৈতিক শ্ৰেণী হিচাপে আত্ম প্ৰকাশ কৰিছিল আৰু দলিতসকলৰ সামাজিক স্থান নিশ্চিতকৰণৰ কাৰণে সামাজিক সংৰচনাৰ পৰিৱৰ্তন আহ্বান কৰিছিল। দলিত দলিত শব্দই সমতাবাদী ব্যৱস্থাৰ বাবে কৰা সংগ্ৰামক বুজাই। B.R. Ambedkar এ এক সামাজিক পৰিৱেশ য'ত দলিতসকলৰ সন্মান হানি হয়, তেওঁলোকৰ স্থিতিক অগ্ৰাহ্য কৰা হয় তেনে পৰিৱেশৰ পৰা মুক্তি বিচাৰিছিল আৰু এক সমানুপাতিক সমাজ ব্যৱস্থাৰ বাবে প্ৰয়াস কৰিছিল। কিন্তু, তেওঁ উপলদ্ধি কৰিছিল যে, হিন্দুত্ববাদি সকলৰ সংস্পৰ্শত এইয়া সম্ভৱ নহ'ব যিহেতু এই সকলোকে দলিতসকলক সমাজৰ নিম্ন স্থানত প্ৰক্ষেপণ কৰিছে। সেয়েহে তেওঁ দৃঢ়তাৰে ঘোষণা কৰিছিল যে, দলিত সকলে আগবাঢ়ি ওলাই আহিব লাগে আৰু নিজৰ অৱস্থাৰ পুনৰুদ্ধাৰৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হ'ব লাগে, অন্যথাই অন্য কোনেও তেওঁলোকৰ অৱস্থাৰ আৰু দুৰ্দশাৰ উন্নতি সাধন কৰিব নোৱাৰে। আম্বেদকৰে সেয়েহে দলিতসকলৰ কাৰণে শ্লোগান বা মন্ত্ৰ ৰচনা কৰিছিল— শিক্ষিত, সু ব্যৱস্থিত আৰু বিক্ষোভিত। দলিতসকলে তেওঁলোকৰ নিজ জীৱনৰ দুৰ্দশা উপলদ্ধি কৰা উচিত আৰু নিজ অৱস্থাৰ উন্নতিৰ কাৰণে তেওঁলোকে নিজৰ চেষ্টা কৰা উচিত। তেওঁ বিশ্বাস কৰিছিল যে আত্মসচেতনতাইহে প্ৰয়োজনীয় শক্তিৰ যোগান ধৰিব পাৰে আৰু সমাজৰ নিম্নস্থসকলক সমাজৰ অন্যায়ৰ বিৰুদ্ধে যুদ্ধত সহায় কৰিব পাৰে। আম্বেদকাৰে কোটি কোটি কণ্ঠহীন, যিসকলক অমানৱীয় জীৱনধাৰণৰ বাবে বাধ্য কৰিছিল, তেওঁলোকৰ হতাশাক বিপ্লৱৰ উপাদান হিচাপে প্ৰয়োগ কৰিছিল। এইগৰাকী

মুক্তিদাতাই তেওঁলোকক বাণী শুনাইছিল স্বাধীনতা উপহাৰ হিচাপে ভোগ কৰিব নোৱাৰি, ইয়াৰ কাৰণে সংগ্রাম অনিবার্য। আত্ম উৎকর্ষ অন্যৰ অনুগ্রহত লাভ কৰিব নোৱাৰি, ইয়াক সংগ্রাম আৰু স্ব কার্য্যৰ দ্বাৰাহে সম্ভৱ। নিষ্ক্রিয়, শুপ্ত জনসাধাৰণ প্রয়োজনীয় সাহসৰ অভাৱেৰে জর্জৰিত আৰু তেওঁলোকৰ বাবে এক অভিযান আৰু লক্ষ্যৰ প্রয়োজন। তেওঁলোকৰ মানৱীয় অধিকাৰসমূহ প্রাপ্তিৰ বাবে সংগ্রামত অৱতীর্ণ হ'বলৈ আম্বেদকাৰে উৎসাহ যোগাইছিল। তেওঁ নিজেও সক্রিয় হৈ অন্যসকলক ও সক্রিয় কৰি তুলিবলৈ প্রয়াস কৰিছিল। আম্বেদকাৰে নিজৰ সক্রিয় কার্যসমূহৰ প্রদর্শনৰ মাজেৰে একধৰণৰ শক্তি প্রদর্শন কৰিছিল যাতে এই লোকসকলৰ নিজৰ শক্তি সম্বন্ধেও বিশ্বাস গঢ় উঠে। (keer 1971)

আম্বেদকাৰৰ ছাবলটার্ণ দৃষ্টিকোণে শাস্ত্রীয় লিখনি প্রতি থকা ভাৱমূর্তিসমূহত নিম্ন শ্রেণীৰ প্রতি থকা ভাৱমূর্তিৰ প্রতিফলনক ৰাজহুৱা কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে, জাতি ব্যৱস্থা আৰু ব্রাহ্মণ হিন্দুবাদ, পৰস্পৰে উভয়কে অধিক শক্তিশালী কৰিছে আৰু ইয়াৰ দ্বাৰা হিন্দু মূল সুঁতিৰ পৰা নিম্ন বর্গসকলক ভিন্ন কৰা হৈছে। তেওঁৰ দৃষ্টিভংগী মতে, বেদ, মনুস্মৃতি আৰু শাস্ত্রসমূহে অস্পৃশ্যসকলক তেওঁলোকৰ সামাজিক অধিকাৰ আৰু প্রযোজনীয় তাৰপৰা বঞ্চিত কৰিবলৈ নিন্দুত্ববাদত ব্যৱহাৰ কৰা হৈছে। তেওঁ এই কথা প্রকাশ কৰিবলৈ সংকোশ কৰা নাছিল যে এক ধর্ম হিচাপে হিন্দুধর্মৰ অস্তিত্বৰ একো অধিকাৰ নাই আৰু ই ধ্বংস হৈ যোৱাটোৱেই সমিচিন যিহেতু ই নিজৰ সমাজৰ আপোনসকলক অস্পৃশ্য জ্ঞান কৰে আৰু সমঅধিকাৰ প্রদানৰ পৰা বঞ্চিত কৰে।

আম্বেদকাৰে দলিতসকলৰ অধিকাৰৰ সুৰক্ষাৰ বাবে চেষ্টা কৰিছিল আৰু অন্যজাতিৰ নিচিনা কৈ তেওঁলোককো নিজ ইচ্ছানুসৰি এক সমৃদ্ধিশালী জীৱন গ্রহন কৰাতো বিচাৰিছিল। তেওঁৰ ছাবলটার্ণ দৃষ্টিভংগীৰ অন্তর্গত এক ধাৰণা হ'ল ভাৰতীয় জাতীয়তবাদৰ গঠন সম্বন্ধে। ৰজা ৰাম মোহন ৰয়, বি. জি. তিলক, আৰু অন্যান্যসকলৰ হিন্দু জাতীয়তাবাদ সম্বন্ধে কৰা বক্তব্যক তেওঁ শোষণমূলক বুলি প্রত্যাখান কৰিছিল আৰু বিৰোধ কৰিছিল। আম্বেদকাৰে সমাজৰ নিম্নস্থসকলৰ সবলি কৰা বাঞ্চা কৰিছিল। শ্রেণী পক্ষপাতিতাৰ পৰা এই লোকসকলক মুক্ত কৰিব বিচাৰিছিল আৰু লগতে এই দুর্বল লোকসকলক সাহস দিছিল যাতে তেওঁলোকে সামাজিক অপশক্তিসমূহক ধ্বংস কৰি সমাজত নিজৰ মানৱীয় পৰিচয় সুকলমে ডাঙি ধৰিব পাৰে। তেওঁ বিছাৰিছিল যে দলিতসকলে তেওঁলোকৰ সংগ্রামৰ পথত থকা এই অপশক্তিসমূহ ধ্বংস কৰি মানুহ হিচাপে নিজৰ সামাজিক অধিকাৰ সুৰক্ষিত কৰিব পাৰে।

৫.৩.৩ David Hardiman আৰু অধীনস্থ দৃষ্টিভংগী

David Hardimanএ তেওঁৰ সমাজ তাত্ত্বিক অধ্যয়নত দেখুৱাইছিল যে, জনজাতি সমাজৰ দ্বাৰা পৰিচালিত দেৱী আন্দোলনে বৃষ্টিছ উপনিৱেশিক শাসনত প্রভাৱ

পেলাইছিল। জনজাতিসকল প্ৰধানত কৃষক শ্ৰেণীৰ আৰু ঝুমখেতিৰে জীৱন নিৰ্বাহ কৰিছিল। এই জনজাতিসকলে সামাজিকভাৱে প্ৰায় এক নিঃসংগ জীৱন যাপন কৰিছিল কিন্তু তথাপিও অনা জনজাতি ঋণদাতা আৰু ডাঙৰ ধনী ব্যৱসায়ীসকলে এই লোক সকলৰ জীৱনৰ ওপৰত অধিপত্য বিস্তাৰ কৰিছিল।

David Hardimanএ তেওঁৰ গ্ৰন্থত ছাৱলটাৰ্ণ দৃষ্টিভংগীৰ প্ৰয়োগ কৰিছিল। দেৱী আন্দোলন দক্ষিণ গুজৰাটত সংঘটিত হৈছিল অৰ্থাৎ পশ্চিম মহাৰাষ্ট্ৰ অঞ্চলত। পশ্চিম ভাৰতৰ জনজাতি লোকসকলৰ মাজত এই আন্দোলনে প্ৰসাৰতা লাভ কৰিছিল আৰু তেওঁলোকে নিজৰ চিৰাচৰিত জীৱন ধাৰণাৰ পৰিৱৰ্তন বিচাৰিছিল এই আন্দোলনৰ মাজেৰে। জনজাতি লোকসকলেই এই আন্দোলনৰ নেতৃত্ব দিছিল আৰু জনজাতি লোকসকলৰ সামাজিক জীৱনৰ সংস্কাৰ অভিমুখে সঞ্চালিত হৈছিল। জনজাতি লোকসকলক প্ৰায়েই গাঁৱৰ উচ্চবৰ্ণৰ লোকসকলে আৰু ভজন মণ্ডল লোকৰ গোটসকলে প্ৰলোভিত কৰি মদ কানি আদি নিচাজাতীয় দ্ৰব্য ক্ৰয় কৰিছিল আৰু এইবোৰৰ বাবে জনজাতিসকলে উচ্চ হাৰত কৰ দিব লাগিছিল। মদৰ দাম দিনে দিনে বৃদ্ধি পাইছিল আৰু জনজাতিসকলও মদ পানৰ প্ৰতি আসক্ত হৈ পৰিছিল। ফলত উচ্চ হাৰত ঋণৰ বোজা লৈ হ'লেও মদ ক্ৰয় কৰিছিল। এনেদৰেই তেওঁলোকক ধীৰে ধীৰে শোষণ প্ৰবঞ্চনা কৰা হৈছিল দৰিদ্ৰতাৰ ফালে তেওঁলোকক লৈ যোৱা হৈছিল। এইলোক সকলৰ জীৱনৰ সংস্কাৰৰ বাবে মদ্য পান অভ্যাসৰ পৰা বিৰত কৰিবলৈ চেষ্টা কৰা হৈছিল। তদুপৰি ঋণ দাতা জমিদাৰ আৰু বৃহৎ ব্যৱসায়ী, পাৰ্চী মদ বেপাৰীসকলৰ শোষণ প্ৰতাৰণাৰ বিৰুদ্ধে যুঁজিবলৈ জনজাতি লোকসকলে সামাজিক সংস্কাৰ আন্দোলনত নিজকে লিপ্ত কৰিছিল। এই শোষণকাৰী সকলে জাপিদিয়া ধাৰৰ বজাৰ পৰা পৰিত্ৰাণৰ বাবে এই আন্দোলন আৱশ্যক আছিল।

পশ্চিম ভাৰতৰ জনজাতিসকলে এগৰাকী দেৱী বা ভগৱতিক উপাসনা কৰিছিল আৰু এই দেৱীগৰাকী পৰ্বতৰ পৰা কানপুৰ গাঁও (জনজাতি গাঁৱলৈ) আহিছিল বুলি ধাৰণা কৰিছিল। দেৱী শালাবাই এই লোকসকলে তেওঁলোকৰ জীৱনৰ কিছুমান অভ্যাস পৰিৱৰ্তনৰ বাবে আদেশ দিছিল বুলি বিশ্বাস কৰিছিল। মদ্যপানৰ অভ্যাস পৰিত্যাগ, পাৰ্চী মদ বেপাৰীসকলক পৰিহাৰ বা বৰ্জন, নিয়মিত স্নান আদি দেৱীৰ আদেশ বুলি গণ্য কৰিছিল। জনজাতিসকলে গোট খাই দেৱীক পৰিবেষ্টিত কৰি ৰাখিছিল আৰু প্ৰত্যেকে হাতত ৰঙা কাপোৰ বান্ধি ৰাখিছিল দেৱীক তেওঁলোকে মুদ্ৰা আৰু অন্য উপহাৰ সন্মানৰ প্ৰতীকৰূপে অৰ্পন কৰিছিল। দেৱীৰ সন্মুখত জনজাতিসকলে একগোট হৈ উপস্থিত হৈছিল আৰু এই সমাৱেশ লোকসকলক গভীৰভাৱে প্ৰভাৱিত কৰিছিল আৰু সকলোৰে মনত একধৰণৰ জাগৰণৰ ভাৱত উদ্বুদ্ধ হৈ উঠিছিল। পাৰ্চী ব্যৱসায়ী সকলৰ প্ৰতাৰণা ৰ পথ পৰিহাৰ কৰি অন্যপথৰ সন্ধান কৰিবলৈ এই আন্দোলনৰ জৰিয়তে জনজাতিসকলে সহায় পাইছিল। ঋণ দাতা বণিয়া আৰু পাৰ্চীসকলক পৰিহাৰৰ পথ

অৱলম্বনৰ জৰিয়তে তেওঁলোকে নিজৰ অৱস্থাৰ উন্নতিৰ বাবেও উৎসাহ পাইছিল।

কিন্তু, এই আন্দোলনে জনজাতিসকলক সম্পূৰ্ণ সফলতা দিব নোৱাৰিলে। পাৰ্চীসকলৰ শোষণৰ অন্ত পৰিলেও অভিজাত বৰ্গৰ অধিপিত্য ভৰা শোষণ জনজাতি সকলৰ ওপৰত ন্যস্ত আছিল। সেয়েহে দেৰী আন্দোলনেৰে আৰম্ভ হোৱা ধৰ্মীয় আন্দোলন জনজাতিঅধিকাৰ আন্দোলনলৈ ৰূপান্তৰিত হৈছিল। উপনিৱেশিক চৰকাৰৰ ক্ৰমাগতভাৱে বৃদ্ধি হোৱা মুনাফাকেন্দ্ৰিক হস্তক্ষেপৰ কুফল ভোগ কৰিছিল জনজাতি সকলে, কিন্তু এনেকুৱা পৰিস্থিতিত জনজাতিসকলে নিজস্ব মৰ্য্যদা আৰু আত্মনিয়ন্ত্ৰণ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল।

দেৰীৰ আন্দোলনৰ প্ৰভাৱে কিছুবছৰ ধৰি জনজাতিসমাজক ক্ৰিয়া কৰিছিল। জনজাতিসকলে পিছলৈ পুনৰ মদ্যপানৰ অভ্যাস আৰম্ভ কৰিছিল কিন্তু, গান্ধীজী, জনজাতি কৃষক সভা আদিৰ পৰামৰ্শ আৰু নেতৃত্বত তেওঁলোকে জীৱনৰ পৰিৱৰ্তনৰ প্ৰতি সজাগ হৈছিল আৰু তাৰ বাবে নিজেও প্ৰয়াস কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং১ ঃ অভিজাত বৰ্গ আৰু জনসাধাৰণৰ সম্বন্ধে কেনেকুৱা দৃষ্টিভংগী আছিল?

প্ৰশ্ন নং২ ঃ ছাৱলটাৰ্ণ ইতিহাস লেখকে জনসাধাৰণক কেনেভাৱে লৈছিল?

প্ৰশ্ন নং৩ ঃ Antonio Gsamci কোন?

প্ৰশ্ন নং৪ ঃ ভাৰতবৰ্ষত ছাৱলটাৰ্ণ দৃষ্টিভংগীৰ প্ৰসিদ্ধ সমৰ্থকসকল কোন কোন আছিল?

প্ৰশ্ন নং৫ ঃ Ranjit Guha ৰ মতে ইতিহাস লেখনৰ মুখ্য ভূমিকা কি?



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- Guha ই দেখুৱাইছিল যে ছাৱলটাৰ্ণসকলে নিজস্বভাৱে, অভিজাত বৰ্ণৰ পৰা স্বাধীনভাৱে কাৰ্য কৰিছিল, লগতে দেখুৱাব চেষ্টা কৰিছিল যে বিদ্বানসকলৰ দৃষ্টিভংগীত ছাৱলটাৰ্ণসকলৰ সকলো প্ৰচেষ্টা অস্বীকাৰ কৰা হৈছিল।
- ছাৱলটাৰ্ণ দৃষ্টিভংগীয়ে ভাৰতীয় ইতিহাসত অভিজাত বৰ্গৰ দ্বাৰা পৰিচালিত ৰাজনীতিৰ বিপৰীতে ছাৱলটাৰ্ণ লোকসকলৰ ৰাজনৈতিক আলোকপাত কৰিছিল।
- গুহই এক বিশেষ কৃষক গোটৰ অধ্যয়নৰ প্ৰতি আগ্ৰহী আছিল আৰু সংগঠন, নেতৃত্ব আৰু বিচাৰ ধাৰাক সংগ্ৰামী চেতনাৰ সৃষ্টিত মূল উপাদান বুলি গণ্য কৰাসকল তেওঁৰ আকৰ্ষণৰ কেন্দ্ৰ আছিল।
- Ranjit Guha ৰ অধ্যয়নত কৃষক চেতনাৰ শৈলী বা ৰূপসমূহ আছিল অমান্যতা বা

অস্বীকাৰ, দ্ব্যর্থতা, প্রকাৰতা, একতা, প্রসাৰণ আৰু ক্ষেত্রীয়তা।

- B.R.Ambedkar এ Ambedkar আন্দোলনৰ গুৰি ধৰিছিল আৰু দলিতসকলে সমাজত ভোগ কৰা অমানৱীয় পৰিস্থিতিৰ মুক্তি আৰু স্বতত্রিকৰণৰ বাবে এই আন্দোলনে লক্ষ্য লৈছিল।
- Ambedkar এ বিচাৰিছিল যে দলিতসকলে নিজৰ যন্ত্রণা সম্বন্ধে সজাগ হওঁক আৰু নিজৰ সম্ভাৱনাসমূহৰ বিষয়ে জ্ঞাত হওঁক, নিজৰ পৰিস্থিতিৰ উন্নত কৰক।
- David Hardmanৰ বিখ্যাত লিখনি হ'ল ইয়াত তেওঁ জনজাতি চেতনা কেনেদৰে দেৱী বিশ্বাসে জনাই তুলিছিল তাক বৰ্ণনা কৰিছে।



৫.৫ অধিক জানিবলৈ

Dhanagare, D.N, "Themes and Perspectives in Indian Sociology", Rawat Publications, 1993.



৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'অভিজাত' বর্গ আৰু 'সর্বসাধাৰণক' এক সিংৰচনাত্মকভাৱে বিৰোধ ভাৱপন্ন বা পৰস্পৰ বিৰোধী যুগ্ম ক্ষেত্র হিচাপে বিবেচনা কৰা হৈছে।

২ নং প্রশ্নৰ উত্তৰ ঃ অধীনস্থ ইতিহাস লেখনে জনসাধাৰণক ছাৱলটার্ণ সকলক এক শ্বশাসিত ক্ষেত্র আৰু এইসকল বিদ্বান ৰাজনীতিৰ পৰা উৎপন্ন বা বিদ্বান বর্গৰ ওচৰত নির্ভৰশীল নহয় বুলি গণ্য কৰিছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ Antonio Gsamci এগৰাকী ইটালিয়ান মার্ক্সবাদী আৰু কমিউনিষ্ট আছিল আৰু মৃত্যু পর্য্যন্ত মুচোলিনিৰ পুলিচ বাহিনীৰ দ্বাৰা আৱদ্ধ হৈ জেলত আছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতত ছাৱলটার্ণ দৃষ্টিভংগীৰ বিখ্যাত সমর্থকসকল হ'ল —Ranjit Guha, B.R.Ambedkar, David Hardiman, Kapil kumar

৫ নং প্রশ্নৰ উত্তৰ ঃ Guha ই বিশ্বাস কৰিছিল যে ইতিহাস লেখন কার্য বুৰঞ্জী আৰু বুৰঞ্জী পঢ়া বর্তমান পৃথিৱীৰ পৰিৱর্তনৰ কাৰণে পুৰণি সময়ৰ ব্যাখ্যা যাতে এই পৰিৱর্তনৰ লগত চেতনাৰ বৈপ্লৱিক ৰূপান্তৰ ও সংযুক্ত হৈ থাকে।



৫.৭ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰ (প্ৰশ্ন উত্তৰসমূহ ১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ছাৱলটার্ণ দৃষ্টিভংগীৰ বিষয়ে চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ ব্যাখ্যা কৰা দেৰী আন্দোলনৰ বিষয়ে লিখক।

(খ) উত্তৰ সমূহ ১৫০ শব্দৰ ভিতৰত লিখিব।

প্ৰশ্ন ১ ঃ Guha ই বৰ্ণনা কৰা চেতনাৰ চাৰিটা ৰূপ বা শৈলীৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ দলিতসকলৰ সামাজিক স্থিতি বা দুৰ্দশা আৰু B.R. Ambedkar ৰ ছাৱলটার্ণ দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ঃ জাতি ব্যৱস্থা

অধ্যায় গাঁথনি

 উদ্দেশ্য

 পৰিচয়

 জাতি ব্যৱস্থা ঃ অর্থ, বৈশিষ্ট্য আৰু উৎস

 বর্ণৰ অর্থ

 বর্ণ আৰু জাতি

 শাসক (Dominant) জাতিৰ অর্থ

 জাতিব্যৱস্থাৰ গতিশীলতা (Mobility)

 দ্রজমানী পদ্ধতি

 সাংবিধানিক ব্যৱস্থা

 সামৰণি

 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

 অধিক জানিবলৈ

 অগ্রগতিৰ খতিয়ান

 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতৰ জাতি ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব
- জাতি ব্যৱস্থাৰ উৎস আৰু ইয়াৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব
- বর্ণ, জাতি আৰু শাসক শ্রেণীৰ ধাৰণা কৰিব পাৰিব
- সময়ৰ পৰিৱর্তনত জাতি ব্যৱস্থাত সংঘটিত পৰিৱর্তনসমূহ পৰীক্ষা কৰিব পাৰিব।

৬.২ পৰিচয়

জাতি ব্যৱস্থা হ'ল সামাজিক স্তৰীকৰণ (Stratification) ব্যৱস্থাৰ এটা ৰূপ আৰু ই ভাৰতৰ বিশেষ সামাজিক সংৰচনা (Structure) ৰ বৈশিষ্ট্য প্রকাশ কৰে। এইটো তথ্য অনুসৰি জানিব পৰা হৈছে যে 'জাতি' ব্যৱস্থাৰ নিচিনা সামাজিক বিধি যিয়ে ব্যক্তিৰ সংস্কৃতি, ঐতিহ্য আৰু জীৱন-শৈলী পৰিচালিত কৰে, এনেকুৱা বিধি ভাৰতীয়সকলে প্ররজন কৰা অন্য দেশ যেনে - শ্রীলংকা, পাকিস্থান, নেপাল আদিতো প্রচলিত আছে। ভাৰতৰ জাতিব্যৱস্থা পুৰণি কালৰে পৰাই প্রচলন থকাৰ তথ্য পোৱা যায় আৰু তেতিয়াৰ পৰাই সমাজৰ পৰিৱর্তিত পৰিস্থিতি বহনকৰি

আহিছে। উদ্যোগীকৰণ, আধুনিকীকৰণ, পশ্চিমীয়া প্ৰভাৱ, শিক্ষা, ধৰ্মনিৰপেক্ষতা আদি বিভিন্ন কাৰকৰ প্ৰভাৱ ইয়াৰ ওপৰত পৰিছে আৰু জাতিব্যৱস্থাই এই পৰিৱৰ্তন গ্ৰহণ কৰিছে। লগতে নিজেও পৰিৱৰ্তনমুখী হৈছে। অৱশ্যে, এই শক্তি বা কাৰকসমূহে জতিব্যৱস্থা সমূলি নিঃশেষ কৰিব পৰা নাই, যদিও জাতিব্যৱস্থাৰ পৰম্পৰা আৰু ৰীতিসমূহ অন্ধবিশ্বাস পূৰ্ণ আৰু সন্মানজনক বুলি সমালোচিত হৈ আহিছে। তদুপৰি, সমাজ সংস্কাৰকসকলৰ কঠোৰ প্ৰচেষ্টাৰ পিছতো, জাতি ব্যৱস্থাৰ দ্বাৰা উৎপন্ন সামাজিক অসমানতা সমাজত এতিয়াও বৃহৎ পৰিমাণে বৰ্তি আছে। আচলতে, এই পদ্ধতি পৰিৱৰ্তিত হৈ নতুনধৰণে প্ৰকাশিত হৈছে, য'ত জটিল প্ৰণালীৰে সামাজিক অসমানতা প্ৰসাৰিত হৈছে। এই জটিলতাৰ প্ৰকাৰ সম্বন্ধে আনকি ভাৰতীয় আৰু বিদেশী পণ্ডিতসকলেও নানান আলোচনা আৰু সমালোচনাত অৱতীৰ্ণ হৈও এই পদ্ধতিসম্বন্ধে ধাৰণা গঠনকৰাৰ ক্ষেত্ৰত সংগ্ৰাম কৰিব লগা হয়।

আগৰ অধ্যয়ত ভাৰতীয় সমাজতত্ত্ব আৰু ইয়াৰ সম্বন্ধে জ্ঞান আহৰণ হেতু বিভিন্ন দৃষ্টিভংগীৰ কথা আলোচনা কৰা হৈছে। এই অধ্যয়ত ভাৰতীয় সমাজৰ এক গুৰুত্বপূৰ্ণ আৰু বিশেষ দিশ অৰ্থৎ জাতি ব্যৱস্থাৰ ওপৰত আলোকপাত কৰা হ'ব। ইয়াত ভাৰতীয় জাতি ব্যৱস্থাৰ অৰ্থ আৰু বৈশিষ্ট্যসম্বন্ধে আলোচনা কৰাৰ উপৰিও ইয়াৰ অন্যান্য দিশ যেনে - জাতি ব্যৱস্থাৰ গতিশীলতা, জজমানী পদ্ধতি আৰু সংবিধানিক ব্যৱস্থা আদিও আলোচনা কৰিম।

৬.৩ জাতি ব্যৱস্থা ঃ অৰ্থ, বৈশিষ্ট্য আৰু উৎস

প্ৰতিখন সমাজেই স্তৰীকৃত। সেয়ে ইতিহাসত এখন অ-স্তৰীকৃত সমাজ, য'ত সমাজৰ সকলো সদস্যই সমান, এনেকুৱা সমাজ এতিয়ালৈ আৱিস্কৃত হোৱা নাই যজিও স্তৰীকৰণৰ ৰূপ আৰু অনুপাতত প্ৰতিখন সমাজেই বিভিন্ন স্থানত কিন্তু সকলোৰে মূল বা সাৰাংশ একেই। স্তৰীকৰণ, সাধাৰণভাৱে ক'লে, সম্পদ, সন্মান আৰু ক্ষমতাৰ অসমান বিতৰণৰ ওপৰত ভিত্তি কৰি সমাজৰ সদস্যসমূহৰ স্থান নিৰ্ধাৰণ। এই স্তৰীকৰণ অৰ্থনৈতিক (শ্ৰেণী) বা সামাজিক (জাতি) হ'ব পাৰে। পৃথিৱীৰ বৰ্তমান সভ্য, উদ্যোগীক আৰু শিক্ষিত সমাজ প্ৰধানকৈ জাতি আৰু শ্ৰেণী ব্যৱস্থাৰ দ্বাৰা স্তৰীভূত হৈ আহিছে। এজন ব্যক্তিৰ জাতি আৰু শ্ৰেণীয়ে সমাজত তেওঁৰ স্থিতি নিৰ্দেশ কৰে। পূৰ্বতে জাতি আৰু শ্ৰেণী একাৰ্থক হিচাবে ব্যৱহাৰ কৰা হৈছিল অৰ্থাৎ, কোনো ব্যক্তি এজন এক নিৰ্দিষ্ট জাতিত জন্ম গ্ৰহণ কৰিলে, তেওঁৰ শ্ৰেণী/অৰ্থনৈতিক স্থিতিও তেওঁৰ জন্ম অনুযায়ী হ'ব। উদাহৰণ স্বৰূপে, এজন ব্যক্তিৰ দেউতাকে যদি শ্ৰমিকহিচাবে জীৱিকা-নিৰ্বাহ কৰে আৰু তেওঁ দুখীয়া হয়, তেওঁৰ ল'ৰা-ছোৱালীয়েও জীৱিকা অৰ্জনৰ বাবে একেই পথকে অৱলম্বন কৰিব। এইটোৰে বুজায় জাতি হ'ল এক সামাজিক সংৰচনা য'ত বংশানুক্ৰমিকতাৰে শ্ৰেণী নিৰ্ধাৰণ কৰা হয়। সামাজিক স্তৰীকৰণ পদ্ধতি হিচাবে জাতি দুইধৰণে পৰিলক্ষিত হয়। কোনো-কোনো সমাজতাত্বিকে জাতিক এক সাংস্কৃতিক ঘটনা হিচাবে গণ্য কৰে। সেয়েহে তেওঁলোকে জাতিক বিচাৰ, প্ৰমূল্য আৰু বিশ্বাসৰ এক পদ্ধতি হিচাবে গণ্য কৰে। আনহাতে, অন্য কিছুসংখ্যকে আকৌ, জাতিক এক সংৰচনাত্মক ৰূপত (form) গণ্য কৰে। সেয়েহে

তেওঁলোকৰ মতে জাতি এক ভূমিকা আৰু প্ৰস্থিতি যুক্ত পদ্ধতি।

গাঁৱলীয়া সামাজিক সংৰচনাত জাতি এক অত্যাৱশ্যকীয় উপাদান। অৱশ্যে, ইয়াৰ জটিল বৈশিষ্ট্যৰ কাৰণে সমাজতাত্ত্বিক পণ্ডিতসকলে ইয়াক প্ৰকৃতভাৱে সংজ্ঞাকৰণ কৰিবলৈ ব্যৰ্থ হয়। এই জাতিব্যৱস্থাৰ ধাৰণা গঠন সম্বন্ধে কিছুসংখ্যক সংজ্ঞা তলত আগবঢ়োৱা হ'ল -

Kethar ৰ মতে, "জাতি হ'ল দুই বৈশিষ্ট্যযুক্ত এটা সমূহ (ক) সদস্যভূক্তি অকল সেইসকলৰ বাবেহে, যিয়ে জাতিত জন্ম গ্ৰহণ কৰে আৰু তেওঁ সেই জাতিৰ সদস্য হৈ পৰে (খ) সদস্যসকলক এক সামাজিক আইনৰ দ্বাৰা গোটৰ বাহিৰত বিবাহৰ বাবে কঠোৰভাৱে নিষেধ কৰা হয়।

D.N. Mazumdar আৰু T.N. Madan এ কৈছে যে "বন্ধ শ্ৰেণী একোটাই জাতি।"

C.H. Codey ৰ মতে, "যেতিয়া কোনো এটা শ্ৰেণী ব্যৱস্থা কঠোৰভাৱে বংশানুক্ৰমিক হৈ পৰে তেতিয়া আমি তাক জাতি বুলি কওঁ।"

Sir Herbert Risley এ জাতিৰ সংজ্ঞা দিছে এনেদৰে "শ্ৰেণী হৈছে পৰিয়ালসমূহৰ এক সংকলন, যিসকলে কোনো মানুহ বা দেৱতাৰ উপৰিপুৰুষৰ বংশধৰ বুলি পৰিচয় দিয়ে, যিসকলে বংশগত বৃত্তি গ্ৰহণ কৰে আৰু নিজকে এটা স্বজাতীয় সমুদায়ৰ সংগঠন বুলি মত প্ৰকাশ কৰে।

MacIver আৰু Page ৰ মতে, "যেতিয়া সামাজিক সংস্তৰণ পূৰ্বনিৰ্ধাৰিত হয় আৰু ই এনেভাৱে হয় যে মানুহে যি বংশত জন্মে সেইমতেই তেওঁৰ জীৱন হয় আৰু শ্ৰেণীয়ে জাতিৰ সৰ্ব্বোচ্চ ৰূপ লাভ কৰে।"

M.N. Scinivas ৰ মতে, "জাতি এক বংশানুক্ৰমিক, অন্তবিবাহী, সাধাৰণতে স্থানীয় গোট আৰু পৰম্পৰাগতভাৱে সংঘবদ্ধ লগতে স্থানীয় জাতীয়বৰ্গীকৰণ ক্ৰমত বিশেষ স্থানপ্ৰাপ্ত আৰু সেইমতে বৃত্তিলব্ধ। জাতিসমূহৰ মাজত সম্বন্ধ নিৰ্ধাৰিত হয়, পবিত্ৰ আৰু অপবিত্ৰ ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰি আৰু সাধাৰণতে জাতিসমূহত নিজৰ ভিতৰতে সহভোজন হয়।

Andre Betcille ৰ মতে, অন্তৰ্বিবাহ, বংশনুক্ৰমিক সদস্যভুক্তি বৈশিষ্টৰে জাতিক এক সৰু আৰু নামধাৰী ব্যক্তিৰ গোট বুলি সংজ্ঞা দিব পাৰি। এক নিৰ্দিষ্ট শৈলী, য'ত বৃত্তিসমূহ ঐতিহ্য অনুসৰি হয়, পবিত্ৰ-অপবিত্ৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি অধিক্ৰম পদ্ধতিত কম-বেচি ধৰণৰ আনুষ্ঠানিক প্ৰস্থিতি লাভ কৰে।

সমাজতাত্ত্বিক শাস্ত্ৰৰ পণ্ডিত তথা চিন্তাবিদসকলে এনেদৰেই জাতিপদ্ধতিক সংজ্ঞীকৰণ কৰিবলৈ চেষ্টা কৰিছিল। তথাপিও ইয়াৰ জটিল প্ৰকৃতিৰ কাৰণে তেওঁলোক ইয়াত সম্পূৰ্ণভাৱে সফল হ'ব পৰা নাছিল।

বৈশিষ্ট্যসমূহ ঃ

G.S. Ghurye, তেওঁৰ Caste and Race in India গ্ৰন্থত মন্তব্য কৰিছে যে, জাতি পদ্ধতি প্ৰাথমিকভাৱে ছয় বিভিন্ন দিশেৰে বৈশিষ্ট্যযুক্ত হৈছে। জাতি পদ্ধতিৰ পৰম্পৰাগত বৈশিষ্ট্যসমূহ এই দিশসমূহৰ মাজেৰে ফুটি উঠিছে। অধ্যায়-২ ত যদিও আমি এই বৈশিষ্ট্যসমূহৰ

বিষয়ে অধ্যয়ণ কৰিছোঁ, অধিক স্পষ্ট ধাৰণা গঠনৰ কাৰণে ইয়াক আমি পুনৰাই আলোচনা কৰিম।

- **সমাজৰ খণ্ডযুক্ত বিভাজন ঃ** প্ৰকৃতিগত ভাৱে সমাজ এখন ভিন্ন ধৰণৰ হয়। তেনেদৰে ভাৰতীয় হিন্দু সমাজ বিভিন্ন ভাগত বিভাজিত হৈছে আৰু এইবোৰকে জাতি বুলি নামাকৰণ কৰা হৈছে। সকলো জাতিয়ে হৈছে এক সু-বিকাশিত সামাজিক গোট। এই জাতিৰ অন্তৰ্গত সদস্যভূক্তিৰ নির্ধাৰিত হয় জন্মৰ মাজেৰে, কোনো ধৰণৰ পচন্দ বা দক্ষতাৰ ওপৰত নহয়। অর্থাৎ সন্তান এটিয়ে নিজে আৰু তেওঁৰ পিতৃ-মাতৃয়ে জন্ম লাভ কৰা জাতিয়ে তেওঁৰ নিজৰ জাতি। এজন ব্যক্তিয়ে জন্মৰ মাধ্যমেৰে লাভ কৰা জাতি প্ৰস্থিতি গোটেই জীৱন-জুৰি অপৰিৱর্তনীয় আৰু অ-হস্তান্তৰকৰণীয় থাকে। কোনো শক্তি, সন্মান বা সম্পদে ব্যক্তিগৰাকীৰ জাতি-গোটৰ সদস্যতা পৰিৱর্তন বা সংশোধন কৰিব নোৱাৰে। তদুপৰি, প্ৰতিটো জাতিগোটৰে নিজা ৰীতি-নীতি, আচাৰ-অনুষ্ঠান সংস্কৃতি থাকে। এইটো সাধাৰণভাৱে বিশ্বাস কৰা হয় যে জাতিৰ সামাজিক গতিশীলতা আচলতে নাই। M.N. Srinivas য়ে দেখুৱাইছে যে সমাজৰ পৰিৱর্তনৰ লগে-লগে নিম্ন জাতিগোটৰ ব্যক্তিয়ে সম্পদ আৰু শক্তি আহৰণ কৰি নিজৰ সামাজিক প্ৰস্থিতি উর্ধমুখী কৰিব পাৰে আৰু ব্ৰাহ্মণ্য ৰীতি-নীতি আৰু সংস্কৃতি গ্ৰহণ কৰিব পাৰে।
- **সংস্তৰণ বা সমাজৰ বর্গীকৰণ বিভাজন ঃ** আগতেই উল্লেখ কৰা হৈছে যে, হিন্দুসমাজ বিভিন্ন ভাগত বিভাজিত হৈ আহিছে আৰু এই ভাগবোৰক জাতি আৰু উপজাতি বুলি কোৱা হয়। হিন্দু সমাজত জাতি পদ্ধতিক ক্ৰম (rank) আৰু শ্ৰেণী ব্যৱস্থাৰ মাজত বিভাজিত কৰা হয়। এই ব্যৱস্থাত ক্ৰম অনুযায়ী শ্ৰেষ্ঠত্ব আৰু হীনমান্যতাৰ অনুভৱ জড়িত হৈ থাকে আৰু সেই বাবে জাতিসমূহৰ মাজত এক সংস্তৰণ বা অনুক্ৰম গঠন হয়। এই বর্গীকৰণ বা সংস্কৰণৰ ওপৰস্তৰত থাকে ব্ৰাহ্মণসকল যিসকলক পবিত্ৰ, উচ্চ আৰু শ্ৰেষ্ঠ জ্ঞান কৰা হয়। সমাজৰ নিম্ন আৰু অস্পৃশ্য বুলি গণ্য কৰাসকল এই সংস্তৰণ স্তৰ বা জখলাৰ নিম্নত স্থান দিয়া হয় আৰু তেওঁলোকক অপবিত্ৰ, অধীন আৰু নীচ বুলি গণ্য কৰা হয়। এই লোকসকলকেই দলিত বা হৰিজন আখ্যা দিয়া হৈছে। এই দুইশ্ৰেণীৰ মাজত থাকে মধ্যম বর্গৰ জাতিগোট আৰু এইসকলৰ সামাজিক স্থিতি সদায় স্পষ্ট হৈ নাথাকে। সেয়েহে অন্য জাতিসমূহৰ লগত এই জাতিসমূহৰ সদস্যসকলৰ সামাজিক মানদণ্ডক লৈ একধৰণৰ বিবাদ সংঘটিত হৈ থাকে।
- **সামূহিক ভোজন আৰু সামাজিক-সংসর্গৰ ক্ষেত্ৰত নিষেধাজ্ঞা ঃ** জাতিসমূহৰ অন্তর্গত সদস্যসমূহৰ খাদ্য গ্ৰহণৰ ক্ষেত্ৰত কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হয়। কেনেকুৱা ধৰণৰ খাদ্য আৰু কেনে অৱস্থাত তেওঁলোকে গ্ৰহণ কৰিব পাৰে সেইসম্বন্ধে বিধি-বিধান আছে। জাতি বিশেষে এই নিষেধাজ্ঞা ভিন্ন হয়। ব্ৰাহ্মণ এগৰাকীয়ে কেচা (kaccha) খাদ্য (পানীত সিজোৱা খাদ্য) মাত্ৰ তেওঁৰ নিজা জাতিৰ ব্যক্তিৰ পৰা গ্ৰহণ কৰিব পাৰে। আনহাতে, ব্ৰাহ্মণ এগৰাকীয়ে নিম্নজাতিৰ ব্যক্তিৰ পৰা 'পৰণ' খাদ্য (ঘিত ৰন্ধা) গ্ৰহণ কৰিব পাৰে।

অর্থাৎ ব্রহ্মণসকলে নিম্নজাতিৰ লোকৰ পৰা খাদ্য-গ্রহণ কৰাৰ ক্ষেত্রত বাধা-নিষেধ আহে। আনহাতে ব্রাহ্মণসকলে ৰন্ধা যিকোনো খাদ্য অন্যজাতিয়ে গ্রহণ কৰিব পাৰে।

জাতি পদ্ধতিয়ে সামাজিক সম্বন্ধৰ ক্ষেত্রত নিষেধাজ্ঞা আৰোপ কৰে। এই পদ্ধতিৰ লগত পবিত্র-অপবিত্র ধাৰণাও সংযুক্ত হৈ আছে, য'ত উচ্চজাতিক পবিত্র বুলি গণ্য কৰা হয় আৰু নিম্ন জাতিসকল, বিশেষকৈ অস্পৃশ্যসকল অপবিত্র বুলি গণ্য কৰা হয়। উচ্চ জাতিৰ ব্যক্তিসকল অস্পৃশ্যসকলৰ স্পর্শ আনকি গাৰ ছাঁৰ পৰাও দূৰত অৱস্থান কৰে, অন্যথাই তেওঁলোক এনে স্পর্শৰ পৰা অপবিত্র হৈ পৰিব পাৰে। এনেকুৱা উদাহৰণত দেখিবলৈ পোৱা গৈছিল য'ত অস্পৃশ্যসকলে লগত কাঠৰ টুকুৰা লৈ ফুৰে আৰু ৰাজহুৱা স্থানত এইবোৰ বজাই উচ্চ জাতিক নিজৰ উপস্থিতি জনাই দিছিল। কিবা প্রকাৰে উচ্চজাতিৰ ব্যক্তিয়ে অস্পৃশ্যজনক চুলে, তেওঁ এক কঠোৰ 'পৰিক্রমা'ৰ মাজেৰে নিজকে শুদ্ধ কৰিবলগীয়া হৈছিল আৰু তাৎক্ষণিকভাৱে স্নান কৰি নিজকে পবিত্র কৰাৰ বাবে অগ্রসৰ হয়।

- **সামাজিক আৰু ধর্মীয় অযোগ্যতা আৰু বিভিন্ন স্তৰৰ বিশেষাধিকাৰ ঃ** পাৰস্পৰিক জাতি-সমাজত, নিম্ন জাতিৰ ব্যক্তিসকল, বিশেষকৈ হৰিজনসকল সামাজিক আৰু ধর্মীয় বাধা-বিঘিনিৰ সন্মুখীন হ'বলগীয়া হয়। গাঁৱৰ উপান্ত (Outskirts) অঞ্চলত সাধাৰণতে এই লোকসকল থাকিবলৈ বাধ্য হয়। ৰাজহুৱা কুঁৱা, আলিবাট, খাদ্যৰ দোকান, শিক্ষানুষ্ঠান, শ্মসান ঘাট আদিৰ ব্যৱহাৰ এইসকল লোকৰ ক্ষেত্রত নিষেধ কৰা হয়। পূর্বতে ৰাজহুৱা মেল-ঘৰ, মন্দিৰ আৰু নাট্যগৃহ আদি নিম্নজাতিৰ লোকৰ কাৰণে প্রৱেশৰ ক্ষেত্রত নিষেধ আছিল। ইয়াৰ উপৰিও, বহুদিনলৈ এইলোকসকলৰ আইনী অধিকাৰ আৰু ৰাজনৈতিক প্রতিনিধত্বৰ পৰা বঞ্চিত কৰা হৈছিল। অঞ্চলভেদে এই বাধা-বিঘিলীসমূহৰ পার্থক্য থাকে। দক্ষিণ ভাৰতত, নিম্নজাতিৰ লোকসকলে এক বিশেষধৰণৰ বাসগৃহ নির্মাণক্ষেত্রতহে অনুমতি পাইছিল। তেনেদৰে বাসগৃহৰ সাজ-সজ্জাৰ ক্ষেত্রত বাধা-নিষেধ আছিল। আকৌ, মালাৱাৰত নিম্নজাতিৰ লোকসকলক গাই-খীৰোৱা, অলংকাৰ পৰিধান কৰা, ৰ'দ-বৰষুণত ছাতি লোৱা আদিৰ নিষেধাজ্ঞা আছিল। তেওঁলোকে উচ্চজাতিৰ লোকসকলৰ আগত নতশিৰে থাকিব লাগিছিল আৰু বহুদূৰৈৰ পৰাই দেখিলেও প্রণাম জনাই থাকিব লাগিছিল। যিহেতু এইলোকসকল নিম্ন প্রস্থিতিযুক্ত আছিল সেয়েহে এই লোকসকলে সকলোসময়তে নানান-অসুবিধা ভোগ কৰাৰও নিয়ম আছিল, যাতে এইবোৰে তেওঁলোকৰ নিজৰ স্থিতি সম্বন্ধে সজাগ ৰাখে আৰু উচ্চজাতিৰ প্রভূত্ব মানি লয়।

নিম্নজাতিৰ লোকসকলক বহুক্ষেত্রত বাধা-নিষেধ আৰোপ কৰা হৈছিল যদিও, উচ্চ জাতিৰ ক্ষেত্রত, বিশেষকৈ ব্রাহ্মণসকলৰ ক্ষেত্রত সমাজত প্রচলিত সকলো সুবিধা ভোগ কৰাৰ অধিকাৰ আছিল। তেওঁলোকৰ সকলো ঠাইলৈ অহা-যোৱাৰ অবাধ স্বাধীনতা আছিল। সামাজিক অধিকাৰ আৰু শিক্ষাৰ সুবিধা এইসকলে বাধাহীনভাৱে ভোগ কৰিছিল। সেয়েহে, আগৰ কালছোৱাত শিক্ষক আৰু ৰাজনৈতিক প্রতিনিধিৰ বেছিভাগেই, উচ্চজাতি সম্পন্ন

আছিল। এই উচ্চ জাতিৰ লোকসকলে সামাজিক, ধর্মীয় আৰু ৰাজনৈতিক অধিকাৰ ভোগ কৰাৰ উপৰিও নিম্নজাতিৰ লোকসকলৰ পৰা অভিবাদন বা প্ৰণাম আৰু দেৱতাৰ দৰে ভক্তি পাইছিল। এইটো কথিত আছেব্ৰাহ্মণসকলে নিম্নজাতিয়ে আৰাধনা কৰা মন্দিৰত মূৰ-দোৱাই ভগৱানক প্ৰণাম জনোৱাৰ পৰাও আনকি বিৰত আছিল। ব্ৰাহ্মণসকলৰ বৈদিক মন্ত্ৰসমূহ পাঠ কৰাৰ বিশেষ অধিকাৰ আছিল আৰু ইয়েই সমাজত তেওঁলোকক দৈৱিক শক্তিসম্পন্ন ৰূপে প্ৰতিপন্ন কৰিছিল। উচ্চজাতিসকলে এই সামাজিক অধিকাৰসমূহ ভোগ কৰাৰ বাবে সুবিধা পাইছিল কিয়নো তেওঁলোকক পবিত্ৰ আৰু শ্ৰেষ্ঠত্বম জাতি বুলি বিশ্বাস কৰা হৈছিল।

- **বৃত্তি নিৰ্বাচনৰ ক্ষেত্ৰত নিষেধাজ্ঞা ঃ** জাতি পদ্ধতি পদানুক্ৰমিক (generational) বা শ্ৰেণী বা পদ (rank) অনুযায়ী বিভাজিত আৰু এই পদ ব্যক্তি এগৰাকীয়ে সমাজত নিৰ্বাহ কৰা তেওঁৰ বৃত্তিগত সেৱাৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰিত হয়। জাতি এটাৰ সদস্যসকলে জীৱিকা অৰ্জনৰ বৃত্তিৰ বাবে অন্যজাতিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। অৱশ্যই এইক্ষেত্ৰত অন্যজাতিৰ সৈতে এক সামাজিক দূৰত্ব বা ব্যৱধান বজাই ৰাখে। সমাজত কিছুমান বৃত্তিক শ্ৰেষ্ঠ আৰু পবিত্ৰ আৰু অন্য কিছুমানক অপমানজনক তথা নীচ বুলি গণ্য কৰা হৈছিল। প্ৰত্যেক জাতিকে নিজস্ব বিশেষ বৃত্তি কিছুমান আছিল। এই বৃত্তিসমূহ প্ৰায় বংশগত আছিল। যিহেতু এই বৃত্তিসমূহ বংশানুক্ৰমিক অৰ্থাৎ পুৰুষানুক্ৰমে চলাই নিয়াটোৱে গ্ৰহণযোগ্য আছিল। সেয়েহে ক'ব পাৰি যে বৃত্তিসমূহ নিৰ্দিষ্ট বা পূৰ্ব নিৰ্ধাৰিত আছিল।

  চামৰাৰ জোতা তৈয়াৰ কৰা, ৰাষ্টা-ঘাট, স্থান আদি সাৰি-পুচি ৰখা, ধোবীৰ কাম কৰা, কমাৰৰ কাম, নাপিত, শিপিনী, তেলী আদিক হীন আৰু তলতীয়া বা অধীন জ্ঞান কৰা হৈছিল। আনহাতে পুৰোহিত, শিক্ষকতা আদি বৃত্তিক সন্মানীয় বুলি গণ্য কৰা হৈছিল আৰু ব্ৰাহ্মণসকলে এই বৃত্তিসমূহ গ্ৰহণ কৰিছিল। ব্যক্তিগত দক্ষতা, আগ্ৰহ, যোগ্যতা আদি লক্ষণীয় নাছিল। অৱশ্যে সামাজিক বৃত্তি, কৃষি আৰু বাণিজ্য বৃত্তি সকলো জাতিৰ বাবে মুক্ত আছিল।

- **বিবাহ-সম্বন্ধীয় নিষেধ ঃ** জাতি বিবাহৰ ক্ষেত্ৰত কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হৈছে অন্তৰ্বিবাহ (Endogamy) য'ত প্ৰতিটো জাতিৰে বিবাহ নিজ জাতিৰ মাজতে সম্পন্ন হয় আৰু জাতিভেদ প্ৰথাৰ ই এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। জাতিৰ বা উপজাতিৰ সকলো সদস্যকে নিজৰ জাতিৰে ভিতৰতে বিবাহ সম্পন্ন কৰিব লাগে। জাতিৰ বাহিৰত বা অসবৰ্ণ বিবাহৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হয় আৰু কোনোবাই এই নিয়ম ভংগ কৰিলে কঠোৰ শাস্তিৰ বিধান আছে। এই শাস্তি অনুসৰি নিজ জাতিৰ পৰা বহিস্কাৰ হ'বলগীয়া হয়। বৰ্তমান সময়তো বৰ্হি বিবাহ বা অন্য জাতিৰলোকৰ লগত বিবাহ সহজে অনুমোদন কৰা নহয়। এইটোৱে অন্তঃপ্ৰজনত বাধা দিয়ে। এইটো বিশ্বাস কৰা হয় যে, অন্তৰ্বিবাহ আইন কঠোৰ ভাৱে বলৱৎ হোৱা উচিত কাৰণ, উচ্চজাতিৰ সদস্যসকলে তেওঁলোকৰ

জাতিগত পৱিত্রতা বজাই ৰাখিব খোজে।

অৱশ্যে, জাতি প্রথাত অন্তৰ্বিবাহ ক্ষেত্রত তিনিটা ব্যতিক্রমও ঘটে। বিভাজীয় বা বৰ্হিবিবাহ (eroganey) ৰ অর্থ হ'ল জাতিৰ গোত্রৰ বা গোটৰ বাহিৰত বিবাহ। হিন্দু জাতিৰ প্রথাত বিবাহৰ ক্ষেত্রত স্বজাতিক সীমাৰ মাজতেই আকৌ স-গোত্র, সপিণ্ড আৰু সপ্রভৰা। সাপিণ্ড অনুসৰি দুজন একে পিণ্ডৰ বা পুৰুষ-মহিলাৰ মাজত বিবাহ হ'ব নোৱাৰে কাৰণে তেওঁলোক একে পিতৃ-মাতৃৰ বংশজাত হ'ব পাৰে। পিণ্ডা শব্দৰ অর্থ হ'ল উমৈহতীয়া পিতৃ-মাতৃ আৰু Brghaspati ৰ মতে, পাচ মাতৃ বংশ আৰু সাত পিতৃ বংশৰ সন্তানসকলে সপিণ্ড গঠন কৰে। সেয়েহে তেওঁলোকে পিণ্ডাৰ বাহিৰতহে বিবাহ কৰিব পাৰে। অৱশ্যে এই নিয়ম সমগ্র দেশতে একেধৰণে পালন কৰা নহয়।

এজন ব্যক্তিয়ে তেনেদৰে একেগোত্রৰ ভিতৰত বিবাহ কৰিব নোৱাৰে। যিহেতু সগোত্রৰ ব্যক্তিসকলৰ একেই তেজৰ সম্বন্ধ থাকে সেয়ে তেওঁলোকৰ মাজত বিবাহৰ ক্ষেত্রত বাধা থাকে। বিশেষকৈ সগোত্র বৰ্হিবিবাহ ব্রাহ্মণ আৰু ক্ষত্রিয়সকলৰ মাজত প্রচলিত।

আকৌ, ব্রাহ্মণসকলে সপ্রভৰা অনুকৰণ কৰে। প্রভৰা হ'ল এক ধর্মীয় আধ্যত্মিক বান্ধোন আৰু যিসকল ব্যক্তিয়ে কোনো এক নির্দিষ্ট গুৰুৰ ওচৰত ধর্মীয় আনুষ্ঠানিকতাৰ পালন কৰে তেওঁলোক একে প্রভৰা অর্থাৎ গুৰুভাই। সেয়েহে এই ব্রাহ্মণসকলে গুৰুভাই হিচাবে নিজৰ মাজত বিবাহ অনুষ্ঠিত নকৰে।

তদুপৰি এই বৈশিষ্ট্যসমূহৰ উপৰিও, জাতি-প্রথা অন্য কিছুমান দিশৰ পৰাও বৈশিষ্ট্যপূর্ণ। প্রথমতে, প্রতিটো, জাতিৰে বিশিষ্ট বা পৃথক সংস্কৃতি ৰীতি-নীতি, পৰম্পৰা আছে আৰু এইবোৰে প্রতিটো জাতিয়ে অন্য জাতিতকৈ পৃথক কৰিছে। প্রতিটো জাতিৰে খাদ্যভাস আৰু জীৱনশৈলী নিজা বৈশিষ্ট্যৰে অন্যতকৈ পৃথক। দ্বিতীয়তে, জাতি প্রথা পঞ্চায়ত বা এখন পৰিষদৰ অন্তৰৰ্ত্তী। এই পৰিষদ বা পঞ্চায়তে জাতি প্রথাৰ লগত সম্বন্ধিত কিছুমান নীতি-নিয়ম, যেনে - গো-হত্যা, ঋণ-অপৰিশোধ, ব্যভিচাৰ, অন্যজাতিৰ লগত সম্পর্ক আদিৰ নীতি উলংঘনৰ ক্ষেত্রত শাস্তিৰ ব্যৱস্থা কৰে। তৃতীয়তে, জাতি প্রথা হ'ল এক বন্ধ প্রথা। ইয়াত জাতিৰ প্রস্থিতি সলোৱাতো সহজ নহয়। বৰ্হিবিবাহ, বৃত্তিগত স্থায়িত্ব, বংশানুক্রমিতা আৰু বিশিষ্ট সংস্কৃতি এই বন্ধ ব্যৱস্থাকে প্রতীয়মান কৰে।

জাতি ব্যৱস্থাৰ উৎপত্তি

বিভিন্ন দার্শনিকে জাতিৰ উৎপত্তি সম্বন্ধে বিভিন্ন দৃষ্টিভংগী বা মতবাদ গঠন কৰিছে। এইসকলৰ ভিতৰত S.V. Ketkar's দৃষ্টিভংগী অধিক বিশ্বাসযোগ্য। তেওঁৰ মতে জাতিৰ ইংৰাজী শব্দ caste মূলতঃ spanish বা portuguese শব্দৰ পৰা আহিছে। Spanish শব্দ 'caste' ৰ অর্থ হ'ল বংশ (lineage) বা গোষ্ঠী। 'caste' শব্দটো আকৌ লেটিন শব্দ 'castus' ৰ পৰা আহিছে আৰু ইয়াৰ অর্থ হ'ল পৰিত্র বা বিশুদ্ধ (pure)। অৱশেষত পর্তুগীজসকলে আধুনিক সমাজ জীৱনত এই শব্দৰ প্রয়োগ কৰিলে। তেওঁলোকে অসংখ্য অন্তৰ্বিবাহী বংশানুগত গোষ্ঠীৰ ক্ষেত্রত এই শব্দৰ ব্যৱহাৰ কৰিছিল সিবোৰক ১৪৯৮ চনত ভাৰতত প্রৱেশৰ পিছত তেওঁলোকে

দেখিবলৈ পাইছিল।

ভাৰতত প্ৰায় ২৮০০ জাতি আৰু উপজাতিৰ অস্তিত্বৰ তথ্য পোৱা গৈছে আৰু প্ৰত্যেকৰে নিজস্ব বৈশিষ্ট্য আছে। জাতি প্ৰথা পূৰ্বৰ পৰা প্ৰচলিত হৈ আছে আৰু বৰ্তমানও চলি আছে। এই জাতি প্ৰথা ব্যৱস্থা হিন্দু, বৌদ্ধ, শিখ, জৈন, খৃষ্টান আদি ধৰ্মৰ মাজত পালন হৈ আহিছে। প্ৰধানত কঠোৰতা, প্ৰয়োগ, প্ৰচলন আদিত ভিন্নতা থাকিলেও, হিন্দুধৰ্মৰ মাজত প্ৰচলিত জাতিব্যৱস্থা অধিক প্ৰসিদ্ধ।

জাতি প্ৰথাৰ উৎপত্তি সম্বন্ধে দৃঢ় ঐতিহাসিক তথ্য পোৱা নাযায়। ধৰ্মীয়, জৈৱিক আৰু ঐতিহাসিক তত্ত্বসমূহও দৃষ্টিভংগীজনিত বিভিন্নতাৰে পূৰ্ণ। ভক্তি তত্ত্ববাদ মতে জাতি প্ৰথা মূলতে কৃষ্ণ বিচাৰৰ পৰাই আৰম্ভ হৈছে আৰু প্ৰাকৃতিক, জৈৱিক আৰু কৰ্ম এই তিনি প্ৰকাৰৰ ওপৰত আধাৰিত। এই তিনি প্ৰকাৰ অনুসৰি হিন্দু সমাজ চাৰিটা ভাগত বিভক্ত হয়। অন্য এক তত্ত্ব মতে জাতি প্ৰথা ভাৰতীয় পৰম পুৰুষ ব্ৰহ্মাক কেন্দ্ৰ কৰি উৎপত্তি হৈছিল। তেওঁ হ'ল বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা আৰু হিন্দু জাতি প্ৰথাৰ বিভিন্ন ভাগসমূহ তেওঁৰ শৰীৰৰ বিভিন্ন ভাগৰ পৰা জন্ম হৈছে। প্ৰতিটো ভাগেই জাতিসমূহৰ মাজত দূৰত্ব বা ব্যৱধানৰ বজাই ৰাখে আৰু ইয়াৰ উলংঘন শাস্তিযোগ্য বিবেচিত হয়।

ভাৰতবৰ্ষত জাতি প্ৰথাৰ প্ৰসাৰ আৰু বিকাশৰ কেইবাটাও কাৰণ আছে। প্ৰথমতে, ভাৰত উপদ্বীপ বহুদিনলৈ ভৌগলীকভাৱে বিভাজিত হৈ আছিল। সেয়েহে, ইয়াৰ পুৰণি প্ৰচলিত ৰীতি-নীতি, বিশ্বাস, অন্ধবিশ্বাস আৰু ঐতিহ্য লোকসকলে প্ৰায় অপৰিৱৰ্তনীয়ভাৱে বহুকাল পালন কৰি আহিছিল আৰু এইবোৰৰ বিকাশ তথা প্ৰসাৰৰ ক্ষেত্ৰতো পৰিৱেশে সহায় কৰিছিল। দ্বিতীয়তে, যিহেতু প্ৰতিটো গোষ্ঠী বা ভাগে নিজৰ বিশুদ্ধতা বজাই ৰখাৰ ক্ষেত্ৰত আগ্ৰহী আছিল তেওঁলোকে অধিক দৃঢ় আইনৰ দ্বাৰা শ্ৰেণী বিভাজন ৰক্ষা কৰি চলিছিল, য'ত অন্যসকল নিজৰ পৰা পৃথক হৈছিল। তৃতীয়তে, বৰ্নজন্ম আৰু কৰ্ম এই ধৰ্মীয় বিশ্বাসে এই প্ৰথাক অধিক প্ৰসাৰণৰ সুবিধা দিছিল। চতুৰ্থতে, দেশৰ অপৰিবৰ্তনীয় গ্ৰামীন সংৰচনাইও এই প্ৰথাক অধিক স্থায়িত্ব প্ৰদান কৰিছিল। এই কাৰকসমূহৰ উপৰিও, অধিক গুৰুত্বপূৰ্ণ হ'ল - শিক্ষাৰ অভাৰ আৰু ইয়েই মানুহক অধিক পৰম্পৰাগত কৰি তোলে। মানুহে প্ৰায় জ্ঞানহীনভাৱে জাতিসম্বন্ধীয় সকলো প্ৰতিমান (noruns) বা আদৰ্শ গ্ৰহণ কৰে আৰু এই বিশ্বাস মানুহৰ অন্তৰত প্ৰাকৃতিকভাৱে জীৱন-শৈলীৰ অংগ হিচাবে থিত লয়।

৬.৩.১ বৰ্ণৰ অৰ্থ

'বৰ্ণ' (varna) শব্দটোৰ উৎপত্তি সংস্কৃত শব্দ বৰ্ণ অৰ্থাৎ, "to cover, to envelop, count, clssify, consider, describe or choose"। ঋগ্‌বেদত এই বৰ্ণ শব্দৰ আলোচনা আছে, ইয়াৰ বৰ্ণৰ অৰ্থ হৈছে - "ৰং, ৰূপ, বাহ্যিক ৰূপ বা শৈলী, অবয়ব - "। মহাভাৰতত বৰ্ণৰ অৰ্থ ৰং আভা, ৰঞ্জক পদাৰ্থ। এই শব্দটোৱে, আকৌ প্ৰাসংগিক ৰূপত বেদ আৰু মধ্যযুগীয় গ্ৰন্থসমূহত গোষ্ঠী, আদিবাসী, প্ৰজাতি বা এটা

বস্তুৰ প্ৰকৃতি বা ব্যক্তিক বুজাইছে। মনুস্মৃতিতও বৰ্ণ শব্দৰ ব্যৱহাৰ আছে আৰু চাৰি সামাজিক শ্ৰেণী সন্দৰ্ভত ইয়াৰ আলোচনা কৰা হৈছে।

জাতি প্ৰথাই হিন্দুসকলক চাৰিটা প্ৰধান ভাগত বিভক্ত কৰিছে - ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য আৰু ক্ষুদ্ৰ। বহুতে বিশ্বাস কৰে যে, এই গোটসমূহ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ শৰীৰৰ পৰা উৎপত্তি হৈছে। ব্ৰাহ্মণসকল এই অধিক্ৰমৰ শীৰ্ষত আছে। তেওঁলোক প্ৰধানকৈ শিক্ষাদান আৰু অধ্যয়নৰ লগত জড়িত, কিয়নো তেওঁলোক ব্ৰহ্মাৰ মুখৰ পৰা সৃষ্টি হৈছিল বুলি বিশ্বাস কৰা হয়। ক্ষত্ৰিয়সকল অধিক্ৰম বা স্তৰৰ দ্বিতীয় স্থানত আছিল। তেওঁলোক যোদ্ধা আছিল আৰু ব্ৰহ্মাৰ বাহুৰ পৰা তেওঁলোকৰ জন্ম হৈছিল বুলি বিশ্বাস কৰিছিল। তৃতীয় স্থানত আছিল বৈশ্যসকল, এইলোকসকল প্ৰধানকৈ বেপাৰ-বাণিজ্য, কৃষিকাৰ্য, গো-পালন আদি জড়িত আছিল আৰু সৃষ্টিকৰ্তাৰ উৰুৰ পৰা জন্ম হৈছিল বুলি বিশ্বাস আছিল। স্তৰৰ নিম্নস্থানত শূদ্ৰসকলৰ স্থান আৰু ব্ৰহ্মাৰ ভৰিৰ অৰ্থাৎ শৰীৰৰ নিম্নস্থানৰ পৰা তেওঁলোকৰ জন্ম হৈছিল। শূদ্ৰসকল প্ৰধানকৈ শ্ৰমিক আৰু সেৱামূলক বৃত্তিৰ লগত জড়িত। ইয়াৰ উপৰিও এটা শ্ৰেণী আছিল আৰু তেওঁলোকক হিন্দুধৰ্মৰ অন্তৰৰ্ত্তী শ্ৰেণী বুলি গণ্য কৰা নহৈছিল। এইলোকসকল হ'ল অস্পৃশ্য বা দলিতসকল, এওঁলোকক অচ্যুত (নুচুবলগীয়া)ও বোলা হৈছিল। হিন্দু সংস্তৰণ মতে একেবাৰে নিম্ন প্ৰস্থিতি সম্পন্ন বৃত্তিত জড়িত এই লোকসকল মুখ্য সামাজিক ধাৰাৰ পৰা এফলীয়া কৰি ৰখা হৈছিল। পৱিত্ৰ আৰু অপৱিত্ৰতা ধাৰনাই জাতি ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ মহত্ব অধিকাৰ কৰিছিল। উচ্চজাতিৰ লোকসকলে তেওঁলোকৰ জাতিগত পৱিত্ৰতা বজাই ৰাখিবলৈ চেষ্টা কৰে, আৰু অস্পৃশ্যসকলৰ কাৰণে কিছুমান প্ৰতিবন্ধকৰ সৃষ্টি কৰে। এই অস্পৃশ্যসকল অপৱিত্ৰ বুলি জ্ঞান কৰা হৈছিল আৰু কিছুমান সামাজিক সুবিধা যেনে ৰাজহুৱা সভা-সমিতি তথা আমোদ গৃহ, শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ আদিৰ পৰা কঠোৰভাৱে বিৰত ৰখা হৈছিল। এইলোকক উচ্চজাতিৰ লোকসকলৰ পৰা দূৰৈত অৱস্থান কৰিব দিয়া হৈছিল, কাৰণ অস্পৃশ্যসকলৰ স্পৰ্শ বা গাৰ ছাঁও অপৱিত্ৰ বুলি গণ্য কৰা হৈছিল। এই স্তৰীকৃত সামাজিক ব্যৱস্থা শতিকাজুৰি ব্যাপ্ত হৈ আছিল আৰু হিন্দু ধাৰ্মিক তথা সামাজিক জীৱনৰ প্ৰায়সকলো দিশ এই ব্যৱস্থাৰ জৰিয়তে প্ৰকাশিত হৈছিল। সেয়েহে, অনুক্ৰমৰ অথবা সংস্তৰণৰ উচ্চতম স্থানত অৱস্থিতসকলৰ সামাজিক প্ৰত্তিপত্তি, সুযোগ সুবিধা, সন্মানৰ অৰ্থে সামাজিক ৰীতি-নীতি সম্পত্তি অৰ্পিত হৈছিল।

৬.৩.২ বৰ্ণ আৰু জাতি

এইটো দেখা যায় যে বৰ্ণ শব্দটোৱে ভাৰতৰ জাতি ব্যৱস্থাৰ বিচিত্ৰ প্ৰকৃতি সঠিকভাৱে বুজাত সহায় কৰে আৰু ইয়াক মূখ্য পাৰ্থক্য যুক্ত জাতি বা ইংৰাজী শব্দ 'caste' ৰ লগত ভ্ৰান্ত অৰ্থত ব্যৱহাৰ কৰিব নালাগে। এইটোৱে প্ৰায়েই বিভ্ৰান্তিৰ সৃষ্টি কৰে কাৰণ বৰ্ণ (শ্ৰমৰ বিভাজনৰ ওপৰত ভিত্তি কৰি তাত্ত্বিক শ্ৰেণীবিভাগ) আৰু জাতি

দুটা সুকীয়া ধাৰণা। ভাৰতীয় সমাজ ব্যৱস্থাৰ অধ্যয়ণ আৰু ইয়াৰ জ্ঞান লাভত দুয়োটা শব্দৰে গুৰুত্ব আছে আৰু হিন্দুসকলৰ জীৱনত বর্ণ আৰু জাতি উভয়ৰে গুৰুত্বপূর্ণ ভূমিকা আছে।

বর্ণ শব্দটো হিন্দী ভাষান্তৰ মতে ৰং বুজায়, যদিও আচলতে ই ব্যক্তিৰ গাৰ ৰঙৰ লগত কোনো প্রকাৰে সম্বন্ধিত নহয়। আগতেই উল্লেখ কৰা হৈছে ই ব্যক্তিৰ ভূমিকা বা গুণ আৰু সমাজলৈ অর্থনৈতিক আৰু সামাজিক বৰঙণিৰ ওপৰত নির্ভৰ কৰি শ্রেণীবিভাজনক চিহ্নত কৰিবলৈ ব্যৱহাৰ কৰা হয়। সময়ৰ পৰিৱর্তনত এই ব্যৱস্থা ভাৰতীয় জাতিব্যৱস্থাৰ দ্বাৰা স্পষ্ট হৈ পৰে। ইয়াৰ ফলত এজন ব্যক্তিৰ বর্ণ তেওঁৰ জন্ম অনুসৰি নির্ধাৰিত হয় আৰু তেওঁৰ যোগ্যতা তথা গুণসমূহ আওকান কৰা হয়।

সংস্কৃত শব্দ জাতা (jata) ৰা পৰা জাতি শব্দৰ উৎপত্তি। ভাৰতীয় সামাজিক বিধি অনুসৰি সম্প্রদায়ৰ উপ-বিভাজন যিটো চাৰিটা বর্ণত বিভক্ত হয়। ইয়াৰ অর্থ হ'ল জাতি প্রকৃততে এক উপ-শ্রেণী আৰু বর্ণপদ্ধতিৰ অন্তগর্ত। এক প্রামানিক আৰু বিশিষ্ট পৰিচয়ৰ প্রয়োজনীয়তাই জাতি ব্যৱস্থাৰ প্রসাৰণ আৰু বিকাশ ঘটাইছিল। ই ব্যক্তি এজনক বর্ণৰ জৰিয়তে এক পৰিচয় প্রদান কৰে। ই আকৌ ব্যক্তিৰ বা এক বিশেষ সম্প্রদায়ৰ বৃত্তি বা ব্যৱসায় সম্বন্ধেও চিত্র ডাঙি ধৰে। উদাহৰণ স্বৰূপে, বৈশ্য জাতিৰ অন্তর্গত বিভিন্ন প্রকাৰৰ ব্যৱসায়ী আছে। যেনে গান্ধীসকল সু-গন্ধিৰ ব্যৱসায়ৰ লগত জড়িত। গান্ধী শব্দটো আকৌ 'গান্ধা' (gandha) অর্থাৎ, গোন্ধ শব্দৰ পৰা আহিছে। বৃত্তিগত চলনশীলতাৰ বাবে আৰু বিভিন্ন সামাজিক ৰাজনৈতিক তথা অর্থনৈতিক পৰিৱর্তনৰ বাবে এই ব্যৱস্থাৰ বর্তমান প্রচলন স্থবিৰ হৈ পৰিছে।

৬.৩.৩ প্রভুজাতি বা শাসক জাতিৰ অর্থ

M.N. Srinivas এ প্রথমবাৰৰ বাবে "শাসক জাতি"ৰ সংজ্ঞা নিধাৰণ কৰিছিল। এই শাসক জাতিয়ে সংখ্যাগতভাৱে শক্তিশালী গাওঁঅঞ্চলত বাস কৰা জাতিকে নির্দেশ কৰিছিল। এই লোকসকলে সর্বোচ্চ অর্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা আহৰণ কৰিছিল। সহজ ভাষাত, এক অঞ্চলত প্রভাৱশালী হ'বলৈ হ'লে, এটা জাতিয়ে এক বৃহৎ পৰিমাণৰ কৃষিযোগ্য ভূমিৰ মাতিকীস্বত্ব লাভ কৰিব লাগিব, সংখ্যাগত ভাৱে অধিক হব লাগিব আৰু জাতি সংস্তৰণত উচ্চতম স্থানত অৱস্থিত হ'ব লাগিব। বর্তমান সময়ত, আধুনিকীকৰণৰ ফলত, শাসক বা প্রভু জাতিৰ, ক্ষমতা ক্ষেত্রত নতুন ব্যৱস্থাত পৰিৱর্তন আহিল। এই নতুন কাৰকসমূহৰ কিছুমান হ'ল - পশ্চিমীয়া শিক্ষা, প্রশাসনীয় বিভাগত চাকৰি বা নগৰকেন্দ্রিক আয় উৎপাদন আৰু ৰাজনৈতিক সম্পর্ক। এই নতুন আইনগত প্রশাসনীয় সুবিধা, ৰাজনৈতিক আৰু সামাজিক ক্ষমতা লাভ কৰে, ইয়াৰ ফলত স্বয়ংক্রিয়ভাৱে স্থানীয়ক্ষেত্রত তেওঁলোকৰ ক্ষমতা বৃদ্ধি পায় আৰু ফলত প্রভূত্বও বাঢ়ি যায়। এই প্রভূত্বক ক্ষমতা লাভ কৰি শাসক গোষ্ঠীয়ে সামাজীক জীৱনৰ প্রায়

সকলো ক্ষেত্রতে তেওঁলোকৰ নিয়ন্ত্রণ বৃদ্ধি কৰে। এই সুযোগতে শাসক জাতি গোটে কিছুমান নির্দিষ্ট সুবিধাও লাভ কৰে। নিম্নজাতিৰ গোটসমূহেও এই উচ্চজাতিক সন্মান আৰু সমীহ কৰে আৰু এইলোকসকলৰ জীৱন ধাৰণৰ আর্হি, বিশ্বাস আৰু ৰীতি-নীতি অনুকৰণ কৰিবলৈ চেষ্টা কৰে। এনেদৰেই শাসক জাতিয়ে এখন ঠাইৰ সাংস্কৃতিক প্রসাৰণ আৰু সামাজিক চলনশীলতাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

৬.৩.৪ জাতি পদ্ধতিত চলনশীলতা

সংজ্ঞা অনুসৰি জাতি এক বন্ধ সামাজিক গোট আৰু ইয়াৰ নিজস্ব সাংস্কৃতিক বৈশিষ্ট্য আছে। জাতিয়ে কিছুমান নির্দিষ্ট আচৰণ বিধি পালন কৰে আৰু খাদ্য, বিবাহ, সামাজিক আদান-প্রদান, বৃত্তি আদিৰ ক্ষেত্রত সীমাৱদ্ধতা নির্ধৰণ কৰে। ইয়াৰ দ্বাৰা জাতিগত পৰিত্রতা বজাই ৰাখি জাতিয়ে অন্য জাতিৰ পৰা নিজৰ বিশিষ্টতা অক্ষুন্ন ৰাখিবলৈ চেষ্টা কৰে। জাতি প্রথাক সদায় কঠোৰ প্রথা বুলি গণ্য কৰা হয় আৰু উচ্চজাতিৰ সদস্যসকলে অকল উচ্চজাতি প্রস্থিতিসম্পন্ন হিচাবে সামাজিক সুবিধাসমূহ ভোগ কৰিব পাৰে। অৱশ্যে, ১১ শতিকাৰ সময়ৰে পৰাই, আধুনিকীকৰণ, উদ্যোগীকৰণ, নগৰীকৰণ, শিক্ষাৰ প্রসাৰণ, সামাজিক চলনশীলতা, আইনগত ব্যৱস্থাৰ ব্যৱস্থাপন আদিৰ ফলত জাতি প্রথা আগৰ দৰে কঠোৰ অর্থাৎ স্থবিৰ হৈ থাকিব পৰা নাই। সামাজিক চলনশীলতাই ইয়াক প্রমাণ কৰে। জাতি ব্যৱস্থাত চলনশীলতা সাধাৰণতে উলম্বমুখীভাৱে উর্ধ বা নিম্ন স্থানলৈ গতি কৰে। M.N. Srinivas এ "সংস্কৃতকৰণ" আৰু "পশ্চিমীয়াকৰণ" এই দুই ধাৰণাৰে সামাজিক চলনশীলতা পদ্ধতি ব্যাখ্যা কৰিছে। তেওঁ নিজৰ দৃষ্টিভংগী ডাঙি ধৰি কয় যে, নিম্নজাতিসকলে এক বা দুই পুৰুষ (generation) ৰ পিছত উচ্চ প্রস্থিতি লাভ কৰিব পাৰে আৰু এই স্থান তেওঁলোকে উচ্চজাতিসকলৰ অনুকৰণৰ দ্বাৰা লাভ কৰে। নিম্নজাতিসকলে উচ্চজাতিৰ আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিশ্বাস আদি অনুকৰণ কৰে আৰু নিজৰ সংস্কৃতি পৰিত্যাগ কৰে। এই পদ্ধতিকে শ্রীনিবাস এ 'সংস্কৃতকৰণ' বুলি আখ্যা দিছে। Lynch আৰু Bernett এ এই পদ্ধতিক যথাক্রমে "অভিজাত অনুকৰণ" আৰু "ৰাজকীয় আদর্শ" বুলি আখ্যা দিছে। শ্রীনিবাস এ ব্যাখ্যা কৰে যে অস্পৃশ্যসকলে অৱশ্যে অনুকৰণৰ দ্বাৰা ক্ষুদ্রসকলতকৈ ওপৰত স্থান লব নোৱাৰে।

সংস্কৃতকৰণ এক দ্বি-মুখী (two way) পদ্ধতি অর্থাৎ, জাতি এটাই মাত্র উচ্চজাতিক অনুকৰণৰ দ্বাৰা গ্রহণ কৰাৰ লগতে উচ্চজাতিক নিজৰ পৰাও প্রদান কৰে। ব্রাহ্মণজাতিৰ ৰীতি-নীতি, বিশ্বাস অনুকৰণ আৰু বৃত্তিগত পৰিৱর্তনে চলনশীলতা সকলো সময়তে সৃষ্টি নকৰিবও পাৰে। এই প্রক্রিয়া কিছুমান কাৰক যেনে- উদ্যোগীকৰণ, বিজ্ঞান আৰু প্রযুক্তি সম্বন্ধে জ্ঞান, শিক্ষাৰ প্রসাৰণ, কু-ৰীতি-নীতিসমূহ পৰিত্যাগ, সামাজিক কু-নীতিসমূহ পৰিত্যাগ আদিৰ লগতে সম্বন্ধিত।

সংস্কৃতকৰণৰ লগতে পশ্চিমীয়াকৰণেও চলনশীলতাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই প্ৰক্ৰিয়া মতে, উচ্চ জাতিসকলে পশ্চিমীয়া সমাজৰ ভাৱ আদৰ্শ, আচাৰ নীতি, জীৱন-শৈলী অনুকৰণ বা গ্ৰহণ কৰে। শ্ৰীনিবাস এ পশ্চিমাকৰণ (westernity) অভিধাৰণাৰে ভাৰতীয় সমাজ আৰু সংস্কৃতিত প্ৰৱৰ্তনৰ ফলত ভাৰতত পশ্চিমীয়া প্ৰভাৱ পৰিছিল। সেয়েহে, সহজ ভাষাত কবলৈ হ'লে, পশ্চিমীয়াকৰণৰ বিস্তাৰৰ লগে-লগে ক্ৰিয়াশীল কৰি তোলে। ব্ৰাহ্মণসকলৰ পশ্চিমীয়াকৰণৰ বিস্তাৰৰ লগে-লগে নিম্নজাতিসকলেও সংস্কৃতকৰণৰ দ্বাৰা নিজৰ প্ৰস্থিতি উন্নত কৰাৰ সংখ্যা বৃদ্ধি হৈছিল। অৰ্থাৎ নিম্নজাতিসকলে ব্ৰাহ্মণধৰ্মী ৰীতি-নীতি, সংস্কৃতি গ্ৰহণ কৰাৰ সময়তে ব্ৰাহ্মণসকলে পশ্চিমীয়াকৰণৰ প্ৰক্ৰিয়া গ্ৰহণেৰে নিজকে নিম্ন জাতিৰ লোকসকলৰ পৰা পৃথককৰাৰ প্ৰয়াস কৰে। অৱশ্যে এইটো মনকৰিবলগীয়া যে, সংস্কৃতকৰণে, জাতিগত চলনশীলতা নিৰ্দেশ কৰে, পশ্চিমীয়াকৰণ প্ৰক্ৰিয়াত পৰিৱৰ্তন বাহ্যিক তথা জাতিকেন্দ্ৰিক নহয়।

৬.৩.৫ জজমানী পদ্ধতি

জজমানী শব্দটো সংস্কৃত ভাষাৰ ajman অৰ্থাৎ, প্ৰভু বা ৰক্ষক (patron) সকল যিয়ে যজ্ঞ (yagya) অৰ্থাৎ ব্ৰাহ্মণসকল। জজমানী প্ৰথা প্ৰকৃততে গ্ৰাম্য ভাষাত প্ৰচলিত এক পৰম্পৰাগত বৃত্তিগত দায়িত্ব বা বন্ধন প্ৰথা। ই জাতি পদ্ধতিৰ ওপৰত দৃঢ়ভাৱে প্ৰতিষ্ঠিত। এই প্ৰথা মতে, নিম্নজাতিসকলে উচ্চজাতিৰ কাৰণে সেৱা আগবঢ়োৱা আৰু উৎপাদন ব্যৱস্থা সম্পাদন কৰিব লাগে। বিনিময়ত, নিম্নজাতিসকলে উচ্চজাতিৰ পৰা ধন আৰু দ্ৰব্য যেনে - শস্য, বস্ত্ৰ, গাখীৰ, পশুখাদ্য, ঘি বা অন্য জীৱ-জন্তু লাভ কৰে। যিসকলে সেৱা লাভ কৰে তেওঁলোকক জজমান বোলা হয়। তেওঁলোক প্ৰধানকৈ কৃষিভূমিৰ গৰাকী বা তেনে পৰিয়ালৰ সদস্য হয়। সেৱক জাতিক 'কামিন' বোলা হয়। আমাৰ দেশৰ কিছুমান অঞ্চলত এই সেৱকসকলক প্ৰজা, প্ৰধান, বালুটেডৰ আদি কোৱা হয়। নাবিত, কুমাৰ, লোহাৰ, ধোবী আদি সেৱকৰ উদাহৰণ। সেয়েহে জজমানী প্ৰথাক জজমান প্ৰজা সম্বন্ধৰে সংজ্ঞাকৰণ কৰিব পাৰি আৰু ইয়ে ভাৰতীয় গাঁওসমূহক আত্ম-নিৰ্ভৰ সমাজ হিচাবে গঢ় দিছিল।

৬.৩.৬ সাংবিধানিক ব্যৱস্থাপনা

গভীৰ ভাৰতবৰ্ষত প্ৰচলিত জাতি পদ্ধতিয়ে নিম্নজাতিসকলৰ সামাজিক বৈষম্য ভোগ কৰিবলগীয়া হৈছিল। সকলো ধৰণৰ সামাজিক সা-সুবিধা আৰু অধিকাৰৰ পৰা তেওঁলোকক বঞ্চিত কৰা হৈছিল। সেয়েহে ভাৰতৰ সংবিধানৰ খচৰা প্ৰস্তুতকাৰীসকলে এই দূৰ্বল শ্ৰেণীসমূহক ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণৰ বাবে কিছুমান বিশেষ সাংবিধানিক নীতিৰ দ্বাৰা ৰচনা কৰি এইলোকসকলক সুবিধা প্ৰদান কৰিব চেষ্টা কৰিছিল।

ৰাজনৈতিকভাৱে এই লোকসকলক অনুসূচীত জাতি বা পিচপৰা শ্ৰেণী বুলি নামাকৰণ কৰা হৈছে। সংবিধানে নির্দিষ্টভাৱে পিছপৰা শ্ৰেণী, এই পৰিয়াল ব্যৱহাৰ কৰা নাই, কিন্তু যিসকল ব্যক্তিৰ সামাজিক প্রতিনিধিতৰ ক্ষেত্রত সমমর্য্যদা দিয়া হোৱা নাই, তেওঁলোকক পিছপৰা শ্ৰেণী বুলি কোৱা হয়।

সংবিধানৰ অনুচ্ছেদ নং ১৫ (৪) মতে, যিকোনো সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা নাগৰিক বা অনুসূচিত জাতি আৰু জনজাতি বিকাশ সম্বন্ধীয় ৰাষ্ট্রীয় ব্যৱস্থাপনাত কোনেও প্রতিবন্ধকতা সৃষ্টি কৰিব নোৱাৰে।

সংবিধানৰ অনুচ্ছেদ নং ১৫ (৫) মতে এই ধাৰাত ৰাষ্ট্রক পিছপৰা শ্ৰেণীৰ কাৰণে বা অনুসূচীত জাতি-জনজাতিৰ কাৰণে ব্যক্তিগত শিক্ষানুষ্ঠান, সাহায্য প্রাপ্ত আৰু অন্য সাহায্যপ্রাপ্ত শিক্ষানুষ্ঠানত নামভর্তিৰ ব্যৱস্থা কৰিবলৈ পৰামর্শ দিয়ে।

অনুচ্ছেদ নং ১৬ (৪) অনুসৰি চৰকাৰী চাকৰিৰ ক্ষেত্রত যিকোনো পিছপৰা শ্ৰেণীৰ কাৰণে সংৰক্ষণৰ পৰামর্শ দিয়ে, যিহেতু চৰকাৰী খণ্ডত এইলোকসকলৰ যোগদান অতি কম।

অনুচ্ছেদ নং ১৪ (৪ ক) ঃ এই দফাতে অনুসূচীত জাতি আৰু জনজাতিৰ পদোন্নতিৰ বাবে ৰাষ্ট্রক সংবিধানে কর্তৃত্ব দিছে।

অনুচ্ছেদ নং ১৬ (৪ খ) ঃ এই বিধিয়ে ৰাষ্ট্রক পিছপৰা শ্ৰেণীৰ কাৰণে সংৰক্ষিত পদৰ খালীঠাইসমূহ পূৰণ কৰোতে প্রতিটো শ্ৰেণীকে আচুতীয়াকৈ ৰাখিবলৈ আৰু ৫০% সংৰক্ষণৰ সীমা অতিক্রম নকৰিবলৈ পৰামর্শ দিয়ে।

অনুচ্ছেদ নং ১৭ ৰ মতে, জৰিয়তে, অস্পৃশ্যতা আৰু ইয়াৰ লগত জড়িত যিকোনো প্রচাৰ প্রচলনৰ ক্ষেত্রত নিয়ন্ত্রণৰ ব্যৱস্থা কৰে।

অনুচ্ছেদ নং ১৯ (৫)ৰ মতে, চলন-ফুৰণ বা বাসস্থানৰ বাবে অনুসূচীত জনজাতিসকলৰ সুবিধা অনুযায়ী প্রতিবন্ধকতাৰ ব্যৱস্থা ৰাষ্ট্রই কৰাৰ ক্ষেত্রত নীতি ৰচনা কৰে।

অনুচ্ছেদ নং ৪০ ঃ এই অনুচ্ছেদত অনুসূচীত জাতি/জনজাতিসকলৰ বাবে পঞ্চায়তত ১/৩ আসন সংৰক্ষণৰ নির্দেশ দিয়ে।

অনুচ্ছেদ নং ৩৩০ / ৩৩৮ (ক) ত SC আৰু ST সকলৰ বাবে ৰাষ্ট্রীয় আয়োগ (National Commission) স্থাপনৰ পৰিকল্পনা কৰা হয়।

অনুচ্ছেদ নং ৩৩৯ ত SC আৰু ST সকলৰ উন্নয়ণৰ অর্থে ৰাজ্যচৰকাৰ সমূহে যাতে আচনি তৈয়াৰ আৰু কার্য্যকৰী কৰে তালৈ চকু দিবলৈ কেন্দ্রীয় চৰকাৰক দায়িত্ব দিয়া হয়।

অনুচ্ছেদ নং ৩৪০ ঃ এই দফাত সামাজিক আৰু অর্থনৈতিকভাবে পিছপৰা শ্ৰেণীৰ অবস্থা সম্বন্ধে অনুসন্ধান কৰিবলৈ এক আয়োগ গঠনৰ বাবে আৰু আয়োগৰ অনুসন্ধানৰ তথ্যসমূহ লোকসভাত দাখিলৰ বাবে সংবিধানে ৰাষ্ট্রপতিক দায়িত্ব দিয়ে।

৬.৪ সামৰণি

জাতি পদ্ধতিৰ প্ৰচলন বৰ্তমান সময়তো আমি দেখিবলৈ পাইছোঁ আৰু ই বৰ্তমান অধিক জটিল হিচাবেহে দেখা দিছে। যদিও আধুনিকতাবাদে সমাজত বহুতো পৰিৱৰ্তন আনিছে, তথাপিও জাতি ব্যৱস্থাৰ প্ৰচলন বন্ধ কৰা বা ইয়াৰ কূনীতি সমূহ দূৰকৰাৰ সলনি ইয়াক অধিক দৃঢ়ভাৱেহে সমাজত দেখা গৈছে। বহুতো সামাজিক কাৰ্য্য-কলাপত জাতি প্ৰথাৰ প্ৰচলন বা প্ৰয়োগে সামাজিক সংঘাট হিংসাৰ জন্ম দিছে আৰু সামাজিক অসমানতাৰ সৃষ্টি কৰিছে। আন্তঃ জাতি (inter-caste) বিবাহ জনিত সন্মানৰক্ষার্থে হত্যাৰ অসংখ্য উদাহৰণ আমাৰ সমাজত আছে। বহু সমাজত এতিয়াও জাতি জনিত কঠোৰ বাধা আৰু ৰীতি-নীতি দৃঢ়ভাৱে চালিত হৈ আহিছে। আনকি বৰ্তমান সময়তো, দক্ষিতসকলক এতিয়াও বহু সামাজিক অধিকাৰ আৰু পৌৰ-সুবিধাৰ পৰা বঞ্চিত কৰি অহা হৈছে। ইয়াৰ উপৰিও জাতি প্ৰথাৰ প্ৰচলনে দূৰ্নীতিৰ অবাধ প্ৰচলনতো এক কাৰকৰ ভূমিকা গ্ৰহণ কৰিছে। ভোট বেংক সৃষ্টিৰ বাবে ৰাজনৈতিক দলসমূহে জাতি ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰিছে আৰু নিজৰ দলীয় স্বার্থ-পূৰণ কৰিছে আৰু ইয়ে সাম্প্ৰদায়িকতাৰ সৃষ্টি কৰিছে। যিহেতু ৰাজনৈতিক দলসমূহে বিশেষ কিছুমান সম্প্ৰদায়ৰ অধিক গুৰুত্ব দিয়ে আৰু সা-সুবিধা প্ৰদান কৰে। এই সকলোবোৰে জাতি প্ৰথাৰ অপ্ৰাসংগিকতাকে সূচায়। তথাপিও ই আমাৰ দেশত অন্যায়জনকভাৱে প্ৰচলিত হৈ আহিছে। জাতি প্ৰথাৰ কূ-প্ৰভাৱ দূৰ কৰিবলৈ অতীজৰে পৰা প্ৰচলিত জাতিসম্বন্ধীয় মানসিক ধাৰণা জনসাধাৰণৰ অন্তৰৰ পৰা দূৰ কৰিব লাগিব আৰু সামাজিক বিভেদক হিচাবে জাতি প্ৰথাৰ লগত জড়িত সকলো ৰক্ষাপাৰপূৰ্ণ ধাৰণাৰ পৰা জনসাধাৰণক মুক্ত কৰিব লাগিব।

অধ্যায় ৭ ঃ ভাৰতবর্ষত শ্রেণী

অধ্যায় গাঁথনি

- উদ্দেশ্য
- পৰিচয়
- সামাজিক শ্রেণী
  - সংজ্ঞা আৰু অর্থ
  - শ্রেণীৰ বৈশিষ্ট্য
  - শ্রেণী নির্দ্ধাৰণৰ উপাদান আৰু কাৰকসমূহ
  - সামাজিক শ্রেণীৰ প্রকাৰভেদ
- জাতি আৰু শ্রেণীৰ তুলনা
- ভাৰতবর্ষত শ্রেণী
  - ভূমিভিত্তিক শ্রেণী
  - অ-ভূমিভিত্তিক শ্রেণী
- ভাৰতবর্ষত মধ্যবিত্ত শ্রেণীৰ উত্থান
- প্রভাৱশালী (dominant) জাতি
- অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
- অধিক জানিবলৈ
- অগ্রগতিৰ খতিয়ান
- আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রেণীৰ সংজ্ঞা দিবলৈ আৰু ইয়াৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব,
- শ্রেণী নির্দ্ধাৰণ কৰা কাৰকসমূহ চিনাক্ত কৰিব পাৰিব,
- ভাৰতত শ্রেণীৰ পৰা শ্রেণীৰ পার্থক্য নিৰূপণ কৰিব পৰিব,
- প্রভাৱশালী জাতিৰ বৈশিষ্ট্য আৰু শ্রেণীৰ লগত ইয়াৰ পার্থক্যৰ বিষয়ে জানিব পাৰিব,
- শ্রেণীৰ বৈশিষ্ট্য বুজি পাব,
- জাতিপ্রথাৰ পৰিবর্তিত ধাৰা সম্পর্কে জ্ঞাত হোৱাৰ লগতে তাৰ কাৰণ নির্দ্ধাৰণ কৰিবলৈ সমর্থ হ'ব।

৭.২ পৰিচয়

ষষ্ঠ অধ্যায়টিত আমি ইতিমধ্যে সামাজিক স্তৰীকৰণৰ বিষয়ে আলোচনা কৰিলোঁ। আমি সামাজিক স্তৰীকৰণৰ এটা প্ৰকাৰ জাতিপ্ৰথাৰ বিষয়ে আলোচনা কৰিলোঁ, যিটো ভাৰতীয় সমাজৰ এটা অন্যতম বিশেষত্ব। সঁচা অৰ্থত শ্ৰেণী আৰু জাতি মানৱ সমাজত উপলব্ধ সামাজিক স্তৰীকৰণৰ দুটা প্ৰকাৰ। তথাকথিত সামাজিক স্তৰবিহীন সমাজ বা কেন্দ্ৰীয় মূৰব্বীহীন সমাজত সামাজিক শ্ৰেণীক্ষমতা বা শ্ৰেণীবিভাগৰ ধাৰণা দেখা নাযায়। এনেকুৱা সমাজত প্ৰত্যেক ব্যক্তিৰেই বেছিভাগ পৰিবেশতেই এক মোটামুটি সমমৰ্য্যদাৰ সামাজিক স্থিতি থাকে।

প্ৰতিখন সমাজকে বয়স, লিংগ, স্বজনতা, স্থান ইত্যাদি বিভিন্ন কাৰকৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ গোটত বিভক্ত কৰিব পাৰি। এই ধৰণৰ সামাজিক বিন্যাস (arrangement)ক সামাজিক পৃথকীকৰণ বোলা হয়। ই সমাজৰ লোকসকলৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ ওপৰত ভিত্তি কৰি বেলেগ বেলেগ গোট বা ভাগত বিভক্ত কৰে। সৰল সমাজবোৰত এই গোটবোৰৰ সকলোকে মোটামুটি একে সমান বা সম-মৰ্য্যাদা সম্পন্ন বুলি ধৰা হয়। কিন্তু সমাজখন জটিল হৈ অহাৰ লগে লগে এই বিভিন্ন গোটসমূহ আৰু ব্যক্তিক প্ৰস্থিতি (status)ৰ ওপৰত ভিত্তি কৰি উচ্চ আৰু নিম্ন মৰ্য্যাদা সম্পন্ন কেইবাটাও স্তৰত ভাগ কৰি সজাই পেলোৱা দেখা যায়। এয়েই হ'ল সামাজিক স্তৰীকৰণ।

স্তৰ (stratification) শব্দটো মূলত ভূ-বিজ্ঞানৰ পৰা অনা হৈছে, যিটোৱে পৃথিৱীৰ বিভিন্ন স্তৰসমূহৰ বিষয়ে অধ্যয়ন কৰে। সমাজত এজন ব্যক্তি বা গোটৰ স্থান, বিভিন্ন সামাজিক ভিন্নতা যেনে-- উপাৰ্জন, জীৱিকা, মৰ্যাদা, আত্মীয় গোট আদিৰ ওপৰত নিৰ্ভৰশীল। বয়স, লিংগ, আত্মীয় গোট, প্ৰজাতি, অঞ্চল আৰু তেনেকুৱা আন আন উপাদানৰ ভিত্তিত প্ৰত্যেক সমাজকেই বিভিন্ন ভাগত ভাগ কৰিব পৰা যায়।

৭.৩ সামাজিক শ্ৰেণী

জাতি আৰু শ্ৰেণী সামাজিক বিন্যাসৰ দুটা মূল প্ৰকাৰ। আমি ইতিমধ্যে জাতিৰ বিষয়ে অধ্যয়ন কৰিছোঁ, ইয়াত আমি শ্ৰেণীৰ বিষয়ে বিস্তৃতভাৱে জানিবলৈ চেষ্টা কৰিম।

৭.৩.১ সংজ্ঞা আৰু অৰ্থ

❻ শ্ৰেণী' এই শব্দটো বিভিন্ন পৰিৱেশত বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হয়। সমাজ শাস্ত্ৰত, 'শ্ৰেণী' শব্দটোৰ এক বিশেষ অৰ্থ আছে।

সামাজিক শ্ৰেণীৰ সংজ্ঞাঃ আহক এতিয়া আমি বিভিন্ন পণ্ডিতে দিয়া সামাজিক শ্ৰেণীৰ সংজ্ঞাৰ বিষয়ে জানি লওঁ।

- অ'গবার্ণ আৰু নিম্‌কফ (Ogburn and Nimkoff) মতে ঃ *সামাজিক শ্ৰেণী হ'ল*

সমাজৰ একে সামাজিক মৰ্যাদাসম্পন্ন সকলো লোকৰ সমষ্টি

- মেক্ আইভাৰ আৰু পেজ (MacIver and page) ঃ *সামাজিক শ্ৰেণী হৈছে সম্প্ৰদায়ৰ যিকোনো এটা ভাগ যিটোৱে সামাজিক মৰ্যাদাৰ দ্বাৰা আনটোৰ পৰা নিজকে চিহ্নিত কৰে।*
- মেক্স ৱেবাৰ (Max weber) ঃ *সামাজিক শ্ৰেণী হৈছে সেই সকলে লোক, যিসকলে বস্তু আহৰণৰ ক্ষেত্ৰত সমান সুবিধা লাভ কৰি থাকে আৰু একেই জীৱনযাত্ৰাৰ মানদণ্ড বজাই ৰাখে।*
- মাৰ্ক্সৰ বাবে শ্ৰেণীত দুটা উপাদান সোমাই থাকে ঃ সভ্যসকলৰ মাজত একে দীৰ্ঘকালীন অৰ্থনৈতিক আগ্ৰহ, বিশেষকৈউৎপাদনৰ আহিলাৰ মালিকানা আৰু অ-মালিকানা স্বত্ব থকা দেখা যায়। সভ্য সকলৰ মাজত থকা আৰু উমৈহতীয়া উদ্দেশ্য সম্পৰ্কে কিছু জ্ঞান থাকিব লাগিব। মাৰ্ক্সে ইয়াকে সামাজিক শ্ৰেণী চেতনা (Class consciousness) হিচাপে অভিহিত কৰিছে। এটা শ্ৰেণীৰ চেতনাবোধ সাধাৰণতে, লক্ষণীয়ভাবে নিখুট নহয়, কিন্তু মাৰ্ক্সে ইয়াক শ্ৰেণীৰ প্ৰক্ৰিয়াত এক দৰকাৰী নিৰ্দ্ধাৰক হিচাপে বিবেচনা কৰিছে।
- এন্থনি গিডেন্চ ঃ *শ্ৰেণী হ'ল মানুহৰ এনে এটা বৃহৎ হাৰৰ মানৰ গোট য'ত সকলে সদস্যই উমৈহতীয়াভাৱে একেই অৰ্থনৈতিক সম্পদ ভোগ কৰে, যিটোৱে তেওঁবিলাকৰ ক্ষমতাৰ ভিতৰৰ জীৱন যাত্ৰা পদ্ধতি নিৰ্দ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।*

এইটো এতিয়া স্পষ্ট যে সামাজিক শ্ৰেণী হ'ল সমাজৰ এনে এক অংশ যত বয়স লিংগ নিৰ্বিশেষে সকলো সদস্যৰ সাধাৰণ সামাজিক প্ৰস্থিতি একেই থাকে। মেক-আইভাৰৰ মতে "*যেতিয়াই সামাজিক আদান প্ৰদান উচ্চ আৰু নিম্ন সামাজিক প্ৰস্থিতিৰ দ্বাৰা সীমিত হৈ পৰে, তেতিয়াই সামাজিক শ্ৰেণী বিদ্যমান হয়।*"

সামাজিক প্ৰস্থিতিৰ ধাৰণা আৰু ইয়াৰ দুটা মুখ্য প্ৰকাৰৰ বিষয়ে আপোনাৰ মনত আছেনে? সামাজিক প্ৰস্থিতিৰ দুটা প্ৰকাৰ হ'ল-- আৰোপিত আৰু আহৰণ কৰা সামাজিক প্ৰস্থিতি।

৭.৩.২ শ্ৰেণীৰ বৈশিষ্ট্য

- **শ্ৰেণী প্ৰস্থিতিৰ ভিত্তিত গঠিত**। মৌলিকভাৱে ই এক প্ৰস্থিতি গোট। সমাজত বিভিন্ন ধৰণৰ প্ৰস্থিতি থাকে কাৰণ মানুহ বিভিন্ন কাৰ্যাৱলী আৰু বৃত্তিত জড়িত হৈ থাকে। যদি শ্ৰেণীক আমি এক প্ৰস্থিতি গোট হিচাপে বিবেচনা কৰোঁ তেতিয়া সামাজিক স্তৰ থকা যিকোনো সমাজত ইয়াক প্ৰয়োগ কৰিবলৈ সুবিধা হ'ব।
- ই মুখ্যতঃ **স্বলব্ধ** প্ৰস্থিতি (achieved status) ওপৰত প্ৰতিষ্ঠিত। শ্ৰেণী প্ৰথাৰ ক্ষেত্ৰত, প্ৰস্থিতি আহৰণ কৰা হয়, আৰোপিত নহয়। সামাজিক স্তৰীকৰণৰ

ক্ষেত্ৰত, প্ৰস্থিতি জন্মতেই স্থিৰ কৰি দিয়া নহয়, কোনো এজন ব্যক্তিৰ কাম-কাজৰ প্ৰদৰ্শনৰ দ্বাৰা সমাজত তেওঁৰ প্ৰস্থিতি উন্নত কৰাৰ সুযোগ থাকে। উপাৰ্জন, জীৱিকা, কল্যাণ, জীৱন ধাৰণৰ মানদণ্ড আদি কিছুমান উপাদান যিয়ে শ্ৰেণী নিৰ্দ্ধাৰণ কৰে।

- উপাৰ্জন, জীৱিকা, সম্পত্তি, শিক্ষা, জীৱনশৈলী হৈছে কেতবোৰ শ্ৰেণী নিৰ্দ্ধাৰণৰ মাপকাঠি।
- **শ্ৰেণী বিশ্বজনীন**। এইটোৱেই এটা পৰিঘটনা যিটো কেৱল মাত্ৰ ক্ষুদ্ৰ আৰু সৰলতম সমাজত দেখা নাযায়। বৰ্তমান সময়ত, প্ৰত্যেক সমাজৰে কিবা নহয় কিবা ধৰণৰ সামাজিক শ্ৰেণী থাকে।
- **অনুভৱৰ প্ৰকাৰ** ঃ শ্ৰেণী পদ্ধতিত ▯ ধৰণৰ অনুভৱৰ প্ৰকাৰ দেখা পোৱা যায়। ক) একেই শ্ৰেণীৰ মাজত সমানতাৰ অনুভৱ, খ) আৰ্থ-সামাজিক শ্ৰেণীক্ৰমভিত্তিক ব্যৱস্থাত উচ্চ স্থানত থকা জনৰ লগত নিম্নস্থানত থকাজনৰ হীনমান্যতাৰ অনুভৱ, গ) যিজনে সমাজৰ নিম্ন স্থানত থাকে তেওঁৰ লগত উচ্চ স্থানত অধিষ্ঠিত গৰাকীৰ উচ্চমান্যতাৰ অনুভৱ দেখা যায়। এনেকুৱা ধৰণৰ অনুভৱৰ ফলত শ্ৰেণী সংহতি গঠন হয়।
- **মৰ্যাদাৰ উপাদান** ঃ আমি দেখিছো যে প্ৰত্যেক শ্ৰেণীৰেই সমাজত নিজা প্ৰস্থিতি থাকে আৰু প্ৰস্থিতি সাধাৰণতে মৰ্যাদা বা সন্মানৰ লগত জড়িত। সমাজত, শ্ৰেণীৰ আপেক্ষিক স্থান প্ৰস্থিতিৰ লগত জড়িত মৰ্যাদাৰ মাত্ৰাৰ পৰা আহে। এই ধৰণে শাসকগোষ্ঠী বা ধনী শ্ৰেণীয়ে ভোগ কৰা মৰ্য্যাদা বা সন্মান দুখীয়া বা সাধাৰণ শ্ৰেণীতকৈ উচ্চ হয়। এইটো প্ৰত্যেক সমাজৰ বাবেই সত্য। এতিয়া চাওঁ আহক কেনেকৈ মৰ্যাদা বা সন্মান নিৰ্দ্ধাৰণ কৰিব পাৰি। মৰ্যাদা জ্ঞান, প্ৰজাতি বা বংশগতি, ধৰ্ম, কল্যাণ, বীৰত্ব, সাহস আৰু তেনেকুৱা গুণৰ ভিত্তিত নিৰ্দ্ধাৰণ কৰা হয়। যিবোৰ সমাজে উচ্চ মাত্ৰাৰ সন্মান বুলি বিবেচিত কৰে। এইটো মনত ৰাখিবলগীয়া যে এই গুণবোৰ বেলেগ বেলেগ সমাজত বিভিন্ন সময়ত সলনি হৈ থাকে।
- **স্থিৰতা** ঃ এটা সামাজিক গোট কম বেছি পৰিমাণে স্থিৰ বা প্ৰতিষ্ঠিত গোট। জন সমাবেশ বা মানুহৰ জুমৰ নিচিনা পৰিবৰ্তনশীল বা অস্থিৰ নহয়। শ্ৰেণী প্ৰথাত মৰ্যাদা সময়ে সময়ে সলনি হ'ব পাৰে, যদিও আপেক্ষিকভাৱে ই বহু সময়লৈকে সম্পূৰ্ণৰূপে স্থিৰ হৈ থকা দেখা যায়।
- **জীৱনশৈলী বা জীৱন ধাৰণৰ পন্থা** ঃ এটা সামাজিক শ্ৰেণী আনটোৰ পৰা পৃথক কৰা হয় ইয়াৰ সংস্কৃতি বা প্ৰচলিত আচৰণ-বিধিৰ দ্বাৰা। ইয়াক এক বিশেষ শ্ৰেণীৰ জীৱনশৈলী বুলি কোৱা হয়। এজন লোকৰ জীৱন শৈলী যে তেওঁ ৰ সাজ-পাৰ, ঘৰ আৰু চুবুৰীয়া, আমোদ-প্ৰমোদ বা বিনোদন, তেওঁ পঢ়া

কিতাপ, আলোচনী আৰু তেওঁ প্ৰায়ে চোৱা টি, ভিৰ অনুষ্ঠান, বন্ধু-বান্ধৱ, পৰিবহন ব্যৱস্থা আৰু টকা খৰচ কৰাৰ পদ্ধতি ইত্যাদি সকলো দিশ সাঙুৰি লয়। এটা শ্ৰেণীৰ বিশেষ পচন্দ, ৰুচি আৰু মূল্যবোধ তেওঁবিলাকৰ জীৱন শৈলীত প্ৰতিফলিত হয়। প্ৰতিটো শ্ৰেণীৰেই একোটা উপ-সংস্কৃতি (Sub-culture) থাকে।

- সামাজিক শ্ৰেণীবোৰ সাধাৰণে **মুক্ত গোট**। সামাজিক শ্ৰেণীয়ে মুক্ত বা খোলা সামাজিক পদ্ধতিক প্ৰতিনিধিত্ব কৰে। মুক্তশ্ৰেণী ব্যৱস্থাত এজন লোকৰ বাৰে উলম্ব গতিশীলতা (Vertical mobility) লাভ কৰাৰ সুবিধা আছে। অৰ্থাৎ প্ৰস্থিতি স্বলৱ্ধ হোৱা বাবে কোনো এজন ব্যক্তিয়ে নিজৰ দক্ষতা অনুসৰি ওপৰলৈ উঠাত সামান্য বাধা থাকে বা কোনো নিষেধাজ্ঞা নাথাকে।
- সামাজিক শ্ৰেণীৰ মূল ভেটি হৈছে **অৰ্থনৈতিক মান**। কিন্তু আন উপাদানসমূহৰ গুৰুত্বও আগ্ৰাহ্য কৰিব নোৱাৰি। মান বা নীতিদুই ধৰণৰ। মানসিক বা বিষয়নিষ্ঠ নীতি (objective), শ্ৰেণী চেতনাবোধ, শ্ৰেণী সংহতি আৰু শ্ৰেণী চিহ্নিতকৰণ মানসিক বস্তুনিষ্ঠ নীতিৰ অন্তৰ্গত আনহাতে বৈষয়িক নীতিত ধন-সম্পদ, সম্পত্তি, উপাৰ্জন, শিক্ষা, জীৱিকা এই উপাদানবোৰ অন্তৰ্ভুক্ত।
- **শ্ৰেণী চেতনাবোধ** ঃ আমি গম পালোঁ যে শ্ৰেণী চেতনাবোধ শ্ৰেণী প্ৰথাৰ লগত জড়িত। ইয়াৰ অৰ্থ হ'ল একত্ববোধৰ মানসিকতা। একত্ববোধৰ মানসিকতাত নিজৰ শ্ৰেণী তথা অন্য শ্ৰেণীৰ লগত থকা সম্পৰ্ক প্ৰতিফলিত হয়।



জানি থোৱা ভাল

লয়ড ৱাৰ্ণাৰে দেখুওৱাইছে কিদৰে শ্ৰেণী বৈশিষ্ট্যইশ্ৰেণী সুস্থিৰতা অনাত সহায়তা কৰে। ভেৱলেনে (Veblen) ধনী শ্ৰেণীটোৰ বিশিষ্ট ব্যৱহাৰৰ বিষয়বস্তুৰ দ্বাৰা খৰচ কৰাৰ পদ্ধতি ব্যাখ্যা কৰিছে।



অগ্ৰগতি নিৰীক্ষণ ১

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক—

ক) শ্ৰেণীৰ সংজ্ঞা দিয়ক।

খ) শ্ৰেণী চেতনাবোধ কি?

শুদ্ধ উত্তৰটো বাচি উলিয়াওক—

গ) শ্ৰেণী স্বলৱ্ধ ✗আৰোপিত প্ৰস্থিতিৰ ওপৰত প্ৰতিস্থিত।

ঘ) এটা শ্ৰেণী মুক্ত ✗বন্ধ গোট।

ঙ) শ্ৰেণী পদ্ধতি সমতাবাদী ✗ক্ৰমোচ্চ পদ্ধতি।

৭.৩.৩ শ্ৰেণী নিৰ্দ্ধাৰণৰ উপাদান আৰু কাৰণসমূহ

এই শাখাত আমি শ্ৰেণী নিৰ্দ্ধাৰণৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰিম। আমি ইতিমধ্যে দেখিছোঁ যে সামাজিক শ্ৰেণী বিষয়নিষ্ঠ বা বস্তুনিষ্ঠ নীতি বা দুয়োবিধৰ দ্বাৰাই নিৰ্দ্ধাৰিত হয়।

যিসকল সদস্যৰ মাজত উমৈহতীয়া আগ্ৰহ আৰু বৈশিষ্ট্য থাকে তেওঁবিলাকৰ ভিতৰত এটা অন্তঃগোট ঐক্যৰ মনোভাৱ দেখা যায়। তেওঁলোকে অনুভৱ কৰে যে তেওঁবিলাকৰ আৰ্থ-সামাজিক সা-সুবিধাবোৰ প্ৰায় সমান সমান।

- ৱাৰ্ণাৰ আৰু লুণ্টে আমেৰিকাৰ শ্ৰেণী প্ৰথাৰ ওপৰত অধ্যয়ন কৰি নিৰীক্ষণ কৰিছে যে শ্ৰেণী নিৰ্দ্ধাৰণৰ কাৰণে বিষয়নিষ্ঠ আধাৰসমূহ অতি প্ৰয়োজনীয়। তেওঁলোকৰ মতে
  - সঠিক পৰিয়াল অন্তৰ্ভুক্ত হোৱা,
  - যথোপযুক্ত কাম কৰা,
  - কেনেকৈ শুদ্ধভাবে কাৰ্য প্ৰদৰ্শন কৰিব লাগে তাক জনাটো,
  - সঠিক লোকৰ সৈতে যোগাযোগ,
  - নগৰৰ সঠিক অঞ্চলত বসবাস কৰাটো,
  - কোনো এটা বিশেষ বস্তুৰ প্ৰতি এজনৰ বিশ্বাস আৰু অনুভৱ

এই সকলোবোৰেই মৰ্যাদাক প্ৰভাৱিত কৰি এটা শ্ৰেণী নিৰ্দ্ধাৰণ কৰে। তেওঁলোকে আৰু নিৰীক্ষণ কৰিছে

যে উচ্চ শ্ৰেণীত ভৰ্ত্তি হ'বলৈ কেৱল মাত্ৰ সম্পত্তিয়েই যথেষ্ঠ নহয়।

- বস্তুনিষ্ঠ আধাৰঃ বস্তুনিষ্ঠ আধাৰৰ ভিতৰত
  - কল্যাণ, সম্পত্তি আৰু উপাৰ্জন,
  - পৰিয়াল আৰু আত্মীয় গোট,
  - বাসস্থানৰ অৱস্থান,
  - জীৱিকা,
  - শিক্ষাৰ স্তৰ
  - শাৰীৰিক বৈশিষ্ট্য যেনে-- ছালৰ ৰং, উচ্চতা আদি অন্তৰ্ভুক্ত হয়।

বহুতো সমাজ শাস্ত্ৰবিদে-- বস্তুনিষ্ঠতাৰ আৰু বহুতো বৈশিষ্ট্য দিছে যাতে ইয়াক পৰিষ্কাৰভাৱে নিৰীক্ষণ আৰু লিপিবদ্ধ কৰিব পৰা যায়।

ইয়াৰ বিপৰীতে কাৰ্লমাক্সে, বস্তুনিষ্ঠ আধাৰ বিশেষকৈ অৰ্থনৈতিক আধাৰৰ ওপৰত গুৰুত্ব দিছে।

৭.৩.৪ সামাজিক শ্ৰেণীৰ শ্ৰেণীবিভাগ

- বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে সামাজিক শ্ৰেণীৰ শ্ৰেণীবিভাগ কৰিবলৈ চেষ্টা কৰিছে। সমাজ শাস্ত্ৰবিদসকলে ইয়াক তিনি তৰপীয়া শ্ৰেণী বিভাজন কৰিছে-- উচ্চ শ্ৰেণী, মধ্য শ্ৰেণী আৰু নিম্ন শ্ৰেণী।
- চ'ৰকিনে শ্ৰেণী বিন্যাসৰ তিনিটা মুখ্য প্ৰকাৰৰ কথা উল্লেখ কৰিছে-- অৰ্থনৈতিক, ৰাজনৈতিক আৰু বৃত্তিমূলক।
- ভেব্লেনে ধনী শ্ৰেণীয়ে ভোগ কৰা পদ্ধতি বিশিষ্ট ভোগবাদৰ বিষয়বস্তুৰ দ্বাৰা ব্যাখ্যা কৰিছে।
- ৰাৰ্ণাৰে শ্ৰেণীক ধনী আৰু দুখীয়া, বা পুঁজিবাদী আৰু শ্ৰমিক মধ্যবিত্ত সম্প্ৰদায় আৰু বিত্তহীন সম্প্ৰদায় বুলি চিহ্নিত কৰিছে।
- এণ্টনি গিডেন্চে উচ্চ, মধ্য আৰু নিম্ন (শ্ৰেণীক) এই তিনিটা শ্ৰেণীৰ কথা উল্লেখ কৰিছে।

৭.৪ জাতি আৰু শ্ৰেণীৰ তুলনা

জাতি আৰু শ্ৰেণী হ'ল সামাজিক শ্ৰেণী বিন্যাসৰ দুটা মুখ্য প্ৰকাৰ। এতিয়া আহক আমি আলোচনা কৰো এই দুয়োবিধৰ মাজত থকা প্ৰভেদসমূহ।

- বিশেষ বৈশিষ্ট্যৰ সৈতে জাতিপ্ৰথা ভাৰতীয় সমাজৰ এক বিশিষ্টতা। ই বিশ্বজনীন নহয়। আনহাতে, শ্ৰেণী প্ৰথা বিশ্বজনীন। ইয়াক পৃথিৱীৰ প্ৰায়বোৰ সমাজতেই দেখা পোৱা যায়।
- জাতি প্ৰস্থিতি এজন ব্যক্তিয়ে জন্মতেই আ হৰণ কৰে। জন্মতেই লাভ কৰা জাতিৰ মৰ্যাদা সলনিও কৰিব নোৱাৰি আৰু ব্যক্তিগতভাৱে উন্নতো কৰিব নোৱাৰি। শ্ৰেণী প্ৰথাৰ ক্ষেত্ৰত এজন ব্যক্তিৰ প্ৰস্থিতি নিজ প্ৰচেষ্টাৰ ফলৰ দ্বাৰা উন্নত কৰিব পাৰি। উচ্চ শ্ৰেণীলৈ উন্নত হোৱাৰ ইয়াত সুবিধা থাকে। সেয়েহে, শ্ৰেণীপ্ৰথাত মৰ্যাদা সলনি আৰু উন্নত কৰিব পাৰি।
- এইটো মনত ৰাখিব লাগিব যে জাতি এক বন্ধ প্ৰথা। ই এটা সামাজিক প্ৰস্থিতিৰ এটাৰ পৰা আনটোলৈ গতি কৰাত বাধা প্ৰদান কৰি সামাজিক পৰিবৰ্তনশীলতা সীমিত কৰে। তুলনামূলকভাৱে শ্ৰেণী এটা মুক্ত প্ৰথা, ই এজন ব্যক্তিৰ সামাজিক প্ৰস্থিতি উন্নত কৰিবলৈ সুবিধা দিয়ে। এজন ব্যক্তিয়ে নিজৰ পটুতাৰ দ্বাৰা নিম্ন শ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈ যাব পাৰ।
- সেয়েহে আমি ক'ব পাৰোঁ যে প্ৰায় সকলো সমাজ শাস্ত্ৰবিদে তিনিটা মুখ্য শ্ৰেণীৰ কথা উল্লেখ কৰি আহিছে।
- শ্ৰেণীপ্ৰথাৰ নিচিনা জাতি প্ৰথা ধৰ্ম নিৰপেক্ষ নহয়। জাতিপ্ৰথাৰ এক দৈৱিক উৎপত্তি

আছে বুলি বিশ্বাস কৰা হয়। ই হিন্দুবাদৰ লগত ওতঃপ্ৰোতভাবে সংযুক্ত, তথাপিও কিছুমান আন ধৰ্মৰ লোকৰ মাজতো জাতি প্ৰথা বিচাৰি পোৱা যায়। আনহাতে শ্ৰেণী প্ৰথা ধৰ্ম নিৰপেক্ষ। কোনো ধৰ্মৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

- বিশুদ্ধতা আৰু অশুদ্ধতাৰ ধাৰণাটো জাতি প্ৰথাৰ লগত সম্পূৰ্ণভাৱে সাঙোৰ খাই আছে। কিছুমান জাতি বিশুদ্ধ বা পৰিষ্কাৰ আৰু আন কিছুমান অশুদ্ধ বা অপৰিষ্কাৰ বা আনকি অস্পৃশ্যও বুলি গণ্য কৰা হয়। শ্ৰেণীপ্ৰথাৰ ক্ষেত্ৰত বেলেগ বেলেগ শ্ৰেণীৰ মাজত অসমতাৰ মনোভাব থাকিলেও বিশুদ্ধতা আৰু অশুদ্ধতাৰ প্ৰশ্নটো নাহে। সেয়েহে, শ্ৰেণীপ্ৰথাত কোনে অস্পৃশ্য গোট নাথাকে।
- জাতিপ্ৰথাই ইয়াৰ সদস্যসকলৰ কাৰ্যাৱলী আৰু সম্পৰ্ক এক বৃহৎ পৰিসৰলৈ লৈ যায়। ই সমাজত এজন ব্যক্তিৰ ভূমিকা নিৰ্ণয় কৰে। শ্ৰেণী প্ৰথাই আনহাতে, ইয়াৰ সদস্য সকলৰ সংযোগ আৰু সম্পৰ্ক সীমাবদ্ধ কৰে। শ্ৰেণীত ব্যক্তি বেচি মুক্ত। ই ব্যক্তিৰ দৈনন্দিন কাৰ্য্যকলাপো নিয়ন্ত্ৰিত কৰে।
- বিভিন্ন জাতিৰ মাজত তুলনামূলকভাবে বৃহৎ সামাজিক দূৰত্ব থাকে, আনহাতে, বিভিন্ন শ্ৰেণীৰ মাজত কম সামাজিক দূৰত্ব থাকে। শ্ৰেণীৰ সভ্যসকল আনতকৈ বেচি সহনশীল হয়।
- জাতিপ্ৰথা সংৰক্ষণশীল, গোড়া আৰু প্ৰতিক্ৰিয়াশীল হয়। আনহাতে, সামাজিক শ্ৰেণী বেছি সহনশীল আৰু প্ৰগতিশীল হয়। ই সভ্যসকলক উচ্চস্থান আহৰণ কৰিবলৈ বা বৃহৎ পৰিবৰ্তনশীলতা আনিবলৈ অনুমতি দিয়ে।
- জাতি অন্তঃবৈবাহিক গোট। আমি সকলোৱে জানো যে-- ইয়াৰ অৰ্থ হ'ল-- জাতিৰ সভ্যসকলে তেওঁলোকৰ বিবাহৰ সঙ্গী একেই গোটৰ ভিতৰত বাচি ল'ব লাগিব। এইটো শ্ৰেণীপ্ৰথাৰ ক্ষেত্ৰত নহয়। শ্ৰেণী আন্তঃবৈবাহিক গোট নহয়।
- জাতিপ্ৰথা এটা জটিল পদ্ধতি। [illegible]তকৈও বেচি জাতি আৰু উপ-জাতিৰ উপস্থিতিয়েই ইয়াৰ জটিলতা প্ৰমাণ কৰে। আনহাতে শ্ৰেণীপ্ৰথা সৰল। বহলাই ক'বলৈ হ'লে-- কেৱল তিনি প্ৰকাৰৰ শ্ৰেণীহে দেখা পোৱা যায়-- উচ্চ, মধ্য আৰু নিম্ন শ্ৰেণী। সেয়েহে, শ্ৰেণীপ্ৰথা জাতি প্ৰথাৰ নিচিনা জটিল নহয়।
- ভাৰতবৰ্ষৰ নিচিনা এখন গণতান্ত্ৰিক দেশত শ্ৰেণী চেতনাবোধতকৈ জাতি চেতনাবোধ বেছি ভয়ঙ্কৰ। জাতিপ্ৰথা জাতীয় সংহতিৰ এক বৃহৎ প্ৰাচীৰ। আনহাতে, শ্ৰেণী প্ৰথাই গণতন্ত্ৰৰ আত্মা কেতিয়াও সীমাবদ্ধ নকৰে।

  ভাৰতীয় সমাজত, জাতি আৰু শ্ৰেণী দুয়োটাই একেলগে বিৰাজ কৰা দেখা যায়। একে সময়তেই দুয়োটাই কেতিয়াবা কেতিয়াবা ওপৰা ওপৰি হোৱাও পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ ২

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

ক) শ্ৰেণী সংহতি বস্তুনিষ্ঠ উপাদান নেকি।

খ) শ্ৰেণীৰ দুটা বস্তুনিষ্ঠ উপাদান উল্লেখ কৰক।

তলত উল্লেখ কৰা বাক্য সমূহ শুদ্ধ নে অশুদ্ধ

গ) জাতি এবিধ মুক্ত প্ৰথা।

ঘ) শ্ৰেণীপ্ৰথাই এটা শ্ৰেণীৰ পৰা আন এটালৈ গমনৰ অনুমতি প্ৰদান নকৰে।

ঙ) শ্ৰেণী এটা ধৰ্ম নিৰপেক্ষ গাঁথনি।

৭.৫ ভাৰতবৰ্ষত শ্ৰেণী

ভাৰতৰ গ্ৰামাঞ্চলত প্ৰায় শতাংশ লোকে বসবাস কৰে। ভাৰতৰ গাঁওসমূহতপ্ৰচলিত শ্ৰেণী বিন্যাসে জাতি-শ্ৰেণীৰ সদস্যতা কেনেদৰে ওপৰা-ওপৰি হয় সেয়া প্ৰকাশ কৰে। এতিয়া আমি জাতি শ্ৰেণীৰ এই দিশটোৰ বিষয়ে আলোচনা কৰোঁ আহক।

- আমি দেখা পাওঁ যে উচ্চ জাতিসমূহে সম্পত্তিশালী শ্ৰেণীসমূহৰ ফালে যোৱাৰ প্ৰৱণতা বেছি। এইটো নৃতত্ত্ববিদ মিৰিয়াম শৰ্মাই যথোপযুক্তভাৱে দেখুৱাইছে। তেওঁৰ মতে যিবোৰ ডাঙৰ ভূস্বামীয়ে শ্ৰমিক হাজিৰা দি খটুৱায় তেওঁলোকৰ বেছি ভাগেই উচ্চজাতিৰ অন্তৰ্ভুক্ত। আনহাতে কৃষি শ্ৰমিক সকল বেছিভাগেই সমাজৰ নিম্ন শ্ৰেণীৰ পৰা অথবা অস্পৃশ্য বুলি জ্ঞান কৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত।
- তেওঁ আকৌ আঙুলিয়াই দেখুৱাইছে যে-- ঘৰুৱা বনুৱা নিয়োগ কৰা মালিক বৰ্গ মধ্য কৃষি ভিত্তিক জাতিৰ পৰা অহা।
- আন সম্পদৰ বিতৰণ আৰু ৰাজনৈতিক ক্ষমতাৰ ব্যৱহাৰৰ ক্ষেত্ৰতো একেই জাতি তথা শ্ৰেণীৰ ভিন্নতাৰ যি আৰ্হি তাকেই অনুসৰণ কৰা হয়।

  যদিও এই সাদৃশ্যতাৰ শক্তি জাতি প্ৰথাৰ প্ৰয়োজনীয় তৎসত্বেও ইয়াত শ্ৰেণী গঠনৰ প্ৰৱণতা থাকে, বিশেষকৈ চহৰত। গ্ৰাম্য অঞ্চল এয়া ইমান প্ৰকাশ্য নহয়।
- ভাৰতবৰ্ষত শ্ৰেণী গঠনৰ এক বিশ্লেষণত নৃতত্ত্ববিদ হেৰল্ড এ গৌল্ডে আঙুলিয়াই দেখুৱাইছে যে গ্ৰাম্য ভাৰতবৰ্ষত এক এক তিনি তৰপীয়া সামাজিক স্তৰীকৰণ পদ্ধতি গঢ় লৈ উঠিছে। তেওঁৰ মতে তিনি তৰপীয়া পদ্ধতিটো হ'ল--
- আগবঢ়া বা অগ্ৰসৰ শ্ৰেণী (উচ্চ জাতি),
- পিছপৰা বা অনগ্ৰসৰ শ্ৰেণী (মধ্য আৰু নিম্ন জাতি),
- হৰিজন (অতি নিম্ন জাতি)।
- এই গোটসমূহৰ সদস্যসকলে ভূমি আৰু উৎপাদনৰ ক্ষেত্ৰত প্ৰায় একেই ধৰণৰ সম্পৰ্ক ভোগ কৰে, যেনে বৃহৎ পৰিসৰৰ কৃষক, ক্ষুদ্ৰ পৰিসৰৰ কৃষক আৰু ভূমিহীন বনুৱা ইত্যাদি।

যিহেতু এই জাতি গোটসমূহে একেই অৰ্থনৈতিক অৱস্থাত থাকে বা জীবিকা নিৰ্বাহ কৰে অহিলা একেই হয়, তেওঁলোকে অৰ্থ-ৰাজনৈতিক তথা সামাজিক স্থিতিত একেই থাকে। জাতি সমূহৰ ধৰ্মীয় স্থিতি বেলেগ বেলেগ হ'লেও তেওঁবিলাকে একেই শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ শ্ৰেণীৰ স্বাৰ্থত কাম কৰে। উচ্চ জাতিসমূহৰ পৰিস্থিতি কিছু বহুল। নিজৰ মাজত উচ্চ নীচৰ ভাব থাকিলেও তেওঁলোক জাতিৰ ক্ৰমত উচ্চ স্থানতেই অৱস্থিত। বহু জাতি ইতিমধ্যে একেলগ হ'ব ধৰিছে। ইয়াৰে কিছুমান গোটে অঞ্চলৰ ভিতৰতেই জাতিৰ সীমা পাৰ হৈ ৰাজনৈতিক ক্ষমতাৰ কাৰণে কাম কৰে আৰু দৰকাৰী সম্পদ আহৰণ কৰে। উদাহণস্বৰূপে-- ☐ ৰ ☐ দশকৰ শেষৰ ফালে, উত্তৰ ভাৰতৰ কিছু সংখ্যক মধ্য স্থানীয় কৃষক জাতিয়ে তেওঁলোকৰ আৰু বজাৰ সংক্ৰান্তীয় স্বাৰ্থ পূৰণৰ বাবে ৰাজনৈতিক ক্ষেত্ৰত একত্ৰিত হৈছিল। তেওঁলোকৰ এই প্ৰচেষ্টা আছিল উচ্চ জাতিৰ ভূস্বামী তথা এলিটসকলৰ সৈতে প্ৰতিযোগিতাৰ ফল। ইয়েই দেখুৱায় যে উমৈহতীয়া অৰ্থনৈতিক সচেতনতাৰ ফলস্বৰূপে বিভিন্ন জাতিগোট একত্ৰিত হৈছিল।

- অৱশ্যে যিহেতু শ্ৰেণী ধৰ্মীয় স্থিতিতকৈ অৰ্থনৈতিক শক্তি আৰু ৰাজনৈতিক সমীকৰণৰ ভিত্তিতহে গঢ় লৈ উঠে গতিকে জাতি ব্যতিৰেকে শ্ৰেণী গঠনৰ এটা প্ৰৱণতা দেখা যায়, বিশেষকৈ চহৰ অঞ্চলত। বজাৰ ভিত্তিক অৰ্থনীতি আৰু আধুনিক উৎপাদনৰ আহিলাসমূহৰ প্ৰসাৰ হোৱাৰ লগে লগে আধুনিক শ্ৰেণী ব্যৱস্থা, আনকি গ্ৰাম্যাঞ্চলতো এক আৱশ্যকীয় উপাদানত পৰিণত হৈছে।

চহৰসমূহত অন্যান্য স্বাৰ্থ জড়িত শ্ৰেণীসমূহে জাতিৰ সীমাবদ্ধতাত ধাৰধাৰি নকৰে; ইয়েই ভৱিষ্যতে শ্ৰেণী গঠনৰ সম্ভাৱনীয়তাৰ কথা উনুকিয়ায়। এই গোটসমূহত আছে, *উন্নত উদ্যোগপতি আৰু ব্যৱসায় পৰিচালক*সকল যি কেন্দ্ৰীয় চ ৰকাৰক এক ব্যৱসায়িক দৃষ্টিভঙ্গী গঠন কৰাৰ প্ৰয়াসত সফলতা লাভ কৰিছে, *আমোলাসকল*- যি প্ৰশাসনীয় সেৱক হিচাপে নিজৰ স্থান অক্ষুন্ন ৰাখিবৰ বাবে ভূমি সম্পত্তি নহয় শিক্ষাৰ ওপৰত নিৰ্ভৰশীল, *ৰাজনৈতিক বিষয়ৱৰীয়া* সকল-যি এক উচ্চ হাৰত দৰমহা আৰু অন্যান্য স-সুবিধাসমূহ লাভ কৰে আৰু *সামৰিক বিষয়াসকল*-যি উন্নতিশীল ৰাষ্ট্ৰসমূহৰ ভিতৰতে ভাৰতত এক শক্তিশালী সামৰিক বাহিনী গঠন কৰিছে।

অৰ্থনৈতিকভাৱে এইগোটসমূহৰ বহু তলত আছে ভৃত্য তলতীয়া শ্ৰেণীৰ সদস্য সকল, যি গাওঁ আৰু চহৰ সকলোতে ক্ৰমে গা কৰি উঠিছে। সন্মানিত উচ্চশ্ৰেণীৰ লোকসকল অৰ্থাৎ এলিট সকল আগবঢ়াৰ লগে লগে সমাজৰ নিম্নস্তৰৰ এই ভৃত্যসকল অৰ্থনৈতিক নিৰাপত্তাৰ অভাৱত ভোগে। তেওঁলোকে তেওঁলোকৰ স্বাৰ্থৰ খাতিৰত ধন বা শ্ৰেণীৰ ভিত্তিত সংগঠিত হয় আৰু গৌডৰ মতে তেওঁলোক সংখ্যাৰ ভিত্তিত ৰাজনৈতিক ক্ষমতা লাভ কৰিবও পাৰে।

৭.৫.১ ভূমিভিত্তিক শ্ৰেণী

ভূমিভিত্তিক শ্ৰেণীৰ সংৰচনাই সাধাৰণতে এখন কৃষিভিত্তিক সমাজত থকা শ্ৰেণী পদ্ধতিক বুজায়। পণ্ডিতসকলে মন্তব্য কৰিছে যে ভূমিভিত্তিক শ্ৰেণী স্বাধীনতাৰ পূৰ্বৱৰ্তী কালতেই আৰম্ভ হৈছিল। গ্ৰাম্য ভাৰতৰ বিভিন্ন ভূমিভিত্তিক শ্ৰেণীয়ে ভূমিভিত্তিক সামাজিক গোটসমূহকেই প্ৰতিনিধিত্ব কৰে। স্বাধীনতাৰ পূৰ্বৱৰ্তী কালৰ গ্ৰাম্য ব্যৱস্থাত টা শ্ৰেণীৰ উপস্থিতি দেখা যায়। সেইকেইটা হ'ল--

- ভূমিৰ মালিক (landowners)
- ৰায়ত (Tenants)
- বনুৱা (Labourers)
- অ-কৃষিজীৱি লোক (non-agriculturests)

এ. আৰ. দেশাইৰ মতে, ভাৰতবৰ্ষত-- প্ৰায় শতাংশ ভূস্বামী, শতাংশ ৰায়ত, শতাংশ কৃষিবনুৱা আৰু অ-কৃষিজীৱি প্ৰায় শতাংশ।

ডেনিয়েল থৰ্ণাৰে (Daniel Thorner) গ্ৰাম্য শ্ৰেণীক টা শ্ৰেণীত বিভক্ত কৰিছে। এইকেইটা হ'ল-

- **মালিক বা ভূমিৰ স্বত্বাধিকাৰী** ঃ মালিকসকল দুই ধৰণৰ; অনুপস্থিত ভূমিৰ স্বত্বাধিকাৰী আৰু ধনী আবাসিক স্বত্বাধিকাৰী। অনুপস্থিত ভূমিৰ স্বত্বাধিকাৰী বা মালিকসকল গাঁৱত উপস্থিত নাথাকে কিন্তু দূৰৰ চহৰ বা নগৰত থাকে। তেওঁলোকে পৰিচালক বা পৰিদৰ্শকৰ জৰিয়তে কৃষিকাৰ্য কৰে। বিভিন্ন গাঁৱত এই ভূমিপতিসকলৰ ভূমিৰ অধিকাৰ থাকে। ধনী আবাসিক স্বাত্বাধিকাৰীসকল তেওঁলোকৰ নিজা মাটি থকা গাঁৱতেই বসবাস কৰে। এই লোকসকলেও নিজে কৃষিৰ কাম নকৰে, কিন্তু আনৰ দ্বাৰা কাম কৰোৱায়।
- **কিষাণ বা কৰ্মী খেতিয়ক** ঃ কিষাণ বা কৰ্মী খেতিয়কসকলে তিনি তৰপীয়া ভূমিভিত্তিক শ্ৰেণী গঠনত মধ্যস্থ স্থান দখল কৰে। এই শ্ৰেণীত কম পৰিমাণৰ ভূমিৰ মালিকসকল অন্তৰ্ভুক্ত। তেওঁলোকৰ অধীনৰ ভূমিৰ পৰিমাণ মালিক শ্ৰেণীতকৈ তুলনামূলকভাবে কম পৰিসৰৰ হয়। মালিকৰ নিচিনাকৈ, কিষাণ আৰু তেওঁৰ পৰিয়াল কৃষি কাৰ্যত কাম নকৰাকৈ নাথাকে। তেওঁলোকে কেতিয়াবাহে কৃষি কাৰ্যত বাহিৰা বনুৱা ব্যৱহাৰ কৰে, যিহেতু তেওঁলোকৰ উপাৰ্জনৰ স্তৰ কিছু নিম্ন পৰ্যায়ত থাকে।
- **মজদুৰ** ঃ বৰ্তমানৰ ভাৰতবৰ্ষৰ ভূমিভিত্তিক শ্ৰেণী প্ৰথাৰ মুখ্য উপাদান হ'ল মজদুৰ বা বনুৱাসকল। গ্ৰাম্য প্ৰসঙ্গত 'মজদুৰ' শব্দটোৱে ভূমিহীন গাঁওবাসীক বুজায়, যিসকলে মজুৰিৰ ভিত্তিত বনুৱা হিচাপে কাম কৰে। মজদুৰ শ্ৰেণীত দুখীয়া ভাৰাতীয়া আধিয়াৰ আৰু ভূমিহীন বনুৱাসকলো অন্তৰ্ভুক্ত হ'ব পাৰে।

ভূমিহীন বনুৱাসকলে মজুৰী কেতিয়াবা নগদ হিচাপে বা কেতিয়াবা বস্তু হিচাপে গ্ৰহণ কৰে। যেতিয়া তেওঁলোকে কাম পোৱাত অকৃতকাৰ্য হয়, তেতিয়া তেওঁলোকে জীৱিকাৰ সন্ধানত বেলেগ গাঁও, জিলা বা নগৰ আৰু চহৰলৈ গমণ কৰে। মাজে-সময়ে তেওঁলোকে ঔদ্যোগিক বনুৱাও হয়। তেওঁলোকৰ কিছুমান আনকি অনা আনুষ্ঠানিক ক্ষেত্ৰত ক্ষুদ্ৰ বা নিম্নমানৰ কামো কৰে। এই ধৰণে তেওঁলোকে ভূমিভিত্তিক প্ৰথাৰ পৰা বাহিৰলৈ ওলাই আহে। তেওঁলোকে অ-ভূমিভিত্তিক শ্ৰেণী বিন্যাসৰ বাবে একত্ৰিত হয়।



জানি থোৱা ভাল

আধিয়া দিয়া কৃষি বা কৃষি উৎপাদনৰ এক পদ্ধতি য'ত এজন ভূমৰ মালিকে এজন ভাৰাতীয়াক উৎপাদিত সামগ্ৰীৰ সম বিতৰণৰ চৰ্তত তেওঁৰ ভূমি ব্যৱহাৰ কৰিবলৈ দিয়ে। (যেনে-- উৎপাদিত সামগ্ৰীৰ ▯▯ শতাংশ)

৭.৫.১ অ-ভূমিভিত্তিক শ্ৰেণী

এই উক্তিটোৱে দেখুওৱাৰ দৰে, এই প্ৰকাৰৰ শ্ৰেণী সংৰচনাই উৎপাদনৰ ক্ষেত্ৰত অ-ভূমিভিত্তিক পদ্ধতিৰ ওপৰত গঠিত হয়। অৰ্থনৈতিক কাৰ্যাৱলীৰ লগত সংযুক্ত উৎপাদন আৰু বৃত্তিৰ ক্ষেত্ৰত এক নতুন সামাজিক বিন্যাসৰ সৃষ্টি কৰিছে, যিটো ভূমিভিত্তিক গঠনতকৈ বেলেগ। সেই হিচাপে শ্ৰেণীপ্ৰথাও বিভিন্ন ধৰণৰ হয়।

অ-ভূমিভিত্তিক শ্ৰেণী পদ্ধতি বৈশিষ্ট্যপূৰ্ণভাৱে নগৰীয়া সমাজৰ এক বিশেষত্ব। কিন্তু গ্ৰাম্য অঞ্চলতো অ-ভূমিভিত্তিক উৎপাদন পদ্ধতিৰ প্ৰৱেশ ঘটি এই অঞ্চলসমূহতো অ-ভূমিভিত্তিক শ্ৰেণীৰ উৎপত্তি হৈছে।

আমি ইতিমধ্যে আলোচনা কৰি আহিছোঁ যে শ্ৰেণী সংৰচনাত মুঠ তিনিটা মৌলিক শ্ৰেণী থাকে, সেয়া হ'ল -- উচ্চ, মধ্য আৰু নিম্ন।

- ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় ▱ শতাংশ অ-ভূমিভিত্তিত উচ্চ শ্ৰেণীৰ অন্তৰ্ভুক্ত, যেনে-- উদ্যোগপতিসকল, ভূতপূৰ্ব মহাৰজাসকল আৰু শীৰ্ষ কৰ্মকৰ্তাসকল। তেওঁলোক বিশাল সম্পত্তিৰ স্বত্বাধাৰী, বিশেষ সংঘৰ সভ্য আৰু ছুটি উপভোগ কৰিবলৈ তেওঁলোকে বিদেশ ভ্ৰমণ কৰে। ভূমিভিত্তিক সংৰচনাত তেওঁলোকৰ অনুৰূপ শ্ৰেণী হ'ল ধনী ভূমিৰ মালিক সকল।
- উচ্চ শ্ৰেণীৰ তলত মধ্য শ্ৰেণী। মধ্য শ্ৰেণী দুয়োফালৰ পৰাই উচ্চ আৰু নিম্ন শ্ৰেণীৰ মাজত আৱদ্ধ। ভাৰতৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ এই শ্ৰেণীত পৰে। ব্যৱসায়ী, কৃষি কৰ্মী আৰু অ-ভূমি খণ্ডৰ বিভিন্ন বৃত্তিধাৰী লোক ইয়াৰ অন্তৰ্ভুক্ত। ভূমিভিত্তিক সংৰচনাত মধ্য শ্ৰেণীক প্ৰতিনিধিত্ব কৰে কৃষকসকলে।
- অৰ্থনৈতিক মাপত একেবাৰে শেষত থাকে দুখীয়াসকল, যিসকল নিম্ন শ্ৰেণীৰ

অন্তর্ভুক্ত। ☐☐চনত ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ☐শতাংশ অর্থাৎ মুঠ ☐☐☐ নিযুত লোক ইয়াৰ ভিতৰত পৰে। তেওঁলোক পর্যাপ্ত আহাৰ অবিহনে অযোগ্য বাসগৃহত থাকে, যৎসামান্য বেতন বা ভিক্ষাৰ বাবদ কাম কৰে, অশিক্ষিত আৰু প্ৰায়ে ৰুগীয়া সন্তান থাকে আৰু বিভিন্ন সামাজিক অসমতাৰ বলী হয়। ভূমিভিত্তিক সংৰচনাত কৃষি শ্ৰমিকসকল এই নিম্ন শ্ৰেণীৰ অন্তর্ভুক্ত।

৭.৬ ভাৰতবৰ্ষত মধ্যবিত্ত শ্ৰেণীৰ উত্থান

☐☐☐ চনত, যেতিয়া 'সামাজিক শ্ৰেণী' এই শব্দটো ইংৰাজী অভিধানত প্ৰথম সোমাইছিল, গঠনৰ ভিতৰত 'মধ্য শ্ৰেণীৰ' বিষয়বস্তুও সমানেই গুৰুত্বপূর্ণ আছিল। ঔদ্যোগিক বিপ্লৱৰ ফলত ইউৰোপীয় সামন্তবাদৰ সামন্ত, বুর্জোৱা আৰু কৃষক এই তিনি তৰপীয়া সামাজিক স্তৰীকৰণ বেয়াকৈ ক্ষতিগ্রস্ত হয়। কিয়নো ঔদ্যোগিক বিপ্লৱৰ ফলত শ্ৰমিক শ্ৰেণীয়ে পঢ়া শুনা, অর্থাৎ শৈক্ষিক তথা সাংস্কৃতিক কামত লিপ্ত হ'বলৈ সময় পায়।

বৈশিষ্ট্য

ভাৰতবৰ্ষত দ্রুতগতিত বাঢ়ি অহা অর্থনীতিয়ে সমাজৰ মৌলিক পৰিবর্তনৰ সূচনা কৰে আৰু সেইটোৱেই হ'ল এটা নতুন শ্ৰেণীৰ অভ্যুত্থান। এই নতুন শ্ৰেণীয়ে ভাৰতবৰ্ষৰ ৰাজনৈতিক আৰু অর্থনৈতিক দিশক বর্দ্ধিতভাৱে শাসন কৰি আহিছে। এই গোট ভাৰতবৰ্ষৰ নতুন মধ্যবিত্ত শ্ৰেণী যি গতিশীল, সক্রিয়, ভোগকেন্দ্রীক আৰু কিছুক্ষেত্রত অগ্রগতিশীল। যথাযথভাৱে ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ সংজ্ঞা দিয়া কঠিন। ই সমাজৰ কেৱল এটা স্তৰতে নহয়, সকলোতে ইয়াৰ উপস্থিতি দেখুৱায়। ই চহৰ আৰু গ্রাম্যাঞ্চলতো বিয়পি পৰিছে। ই সফল খেতিয়কসকলক, উচ্চ স্তৰৰ কর্মচাৰী, ব্যৱসায়ী লোক, সেনা বাহিনীৰ লোক আৰু আন বহুতকে সামৰি লৈছে। এই সকলোৱেই উন্নতিশীল জীৱনৰ বাৰে সক্রিয়ভাবে কাম কৰি থাকে। গাড়ী, টি ভি আৰু আন দৈনন্দিন ব্যৱহার্য সামগ্রী থকা, যথেষ্ট উপার্জন আৰু শিক্ষিত (ইংৰাজী ভাষাত বাক্‌পটুতা থকা) ল'ৰা-ছোৱালী থকা পৰিয়ালসমূহ হ'ল এই গোটৰ বৈশিষ্ট্য। তেওঁলোকৰ বহুতৰে বিদেশত থকা আত্মীয়ৰ লগতো সম্পর্ক থাকে।

বৃদ্ধি

মধ্যবিত্ত শ্ৰেণীৰ সংজ্ঞা দিবলৈ কোনো একমাত্র উপাদান নাই আৰু এওঁলোকৰ সংখ্যা অতি বিস্তৃত। তথাপিও উল্লেখ কৰিব পাৰি যে নতুন মধ্যবিত্ত শ্ৰেণীৰ ক্রমে বৃদ্ধি হৈ আছে - অন্ততঃ আংশিকভাৱে। ইয়াৰ এটা কাৰণ হৈছে ☐☐চনত প্ৰায় ☐ নিযুত কেন্দ্রীয় চৰকাৰৰ কর্মচাৰী দৰমহা দুগুণ বৃদ্ধি আৰু ইয়াৰ পাছত একেই ধৰণে ৰাজ্যিক আৰু জিলাৰ বিষয়াসমূহৰ দৰমহাবৃদ্ধি। মুক্ত অর্থনীতিৰ অভূতপূর্ব স্বাধীনতা আৰু ☐☐☐☐☐☐চনৰ অর্থনীতি উদাৰীকৰণ আদি এই নতুন মধ্যবিত্ত শ্ৰেণীৰ উত্থানৰ বাবে আংশিকভাৱে দায়ী।

মধ্যবিত্ত শ্ৰেণীৰ উত্থান আৰু বৃদ্ধি অতি দ্রুতগতিত হৈছে। ই বিভিন্ন ধর্মীয় আৰু বিভিন্ন ভাষিক গোটৰ মাজত বিয়পি পৰিছে। প্রথমতে আধুনিক হিন্দু আৰু সম্ভ্রান্ত পৰিয়ালৰ মাজত

সীমিত আছিল। বৰ্ত্তমান, মধ্যবিত্ত শ্ৰেণীৰ ধাৰণা মুছলমান আৰু প্ৰতিপত্তিশীল গাঁওসমূহতো প্ৰচলিত হ'বলৈ লয়। ভি. এ. পানন্দিকাৰ, (Director of the centrefor policy research, New Delhi, cited by Dubey)ৰ মতে কুৰি শতিকাৰ শেষৰফালে ভাৰতৰ মুঠ জনসংখ্যাৰ □□শতাংশ অৰ্থাৎ প্ৰায় □□□নিযুত জনসংখ্যা মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত।



জানি থোৱা ভাল

□□চনৰ আগষ্ট মাহত প্ৰধান মন্ত্ৰী ভি. পি. সিঙে□□চনতেই পিছ পৰা শ্ৰেণী কমিচনে দিয়া পৰামৰ্শসমূহ বলবৎ কৰিবলৈ ঘোষণা কৰে। এই কমিচনৰ প্ৰতিবেদনত পিছপৰা শ্ৰণীৰ বাবে অসামৰিক সেৱাৰ আসন সংৰক্ষণৰ সুবিধা দিয়া হৈছিল বাবে দেশ জুৰি বিদ্ৰোহৰ সৃষ্টি হয় আৰু বহুতেই নিজকে অগ্নিজাহ দিয়ে। ইয়াৰ ফলত ভি. পি. সিঙ ক্ষমতাচ্যুত হ'বলগীয়া হয়।

৭.৭ প্ৰভাৱশালী জাতি

প্ৰভাৱশালী শ্ৰেণীৰ বিষয়বস্তুৰে, অৰ্থনৈতিক, ৰাজনৈতিক আৰু আন সামাজিক উপাদানসমূহৰ পৰস্পৰৰ ওপৰত পৰস্পৰে কোনো এটা অঞ্চলৰ জাতি গোটৰ ওপৰত কিদৰে প্ৰভাৱ পেলায়, সেইটো উপস্থাপন কৰে। প্ৰভাৱশালী জাতিৰ আন আন জাতিসমূহৰ দৰেই জাতি গঠনত এক ক্ৰমোচ্চ ৰীতিৰ স্থান থাকে। কিন্তু, কোনো এটা অঞ্চলৰ জাতিৰ ওপৰত, ইয়াৰ সামাজিক মৰ্যাদা নিৰ্দ্ধাৰণৰ উপাদানে প্ৰভাৱ পেলায়।

এম. এন. শ্ৰীনিবাসে ইয়াৰ বিষয়বস্তু উপস্থাপন কৰি কৈছে যে-- এটা জাতি প্ৰভাৱশালী তেতিয়া হয়, যেতিয়া সংখ্যাগতভাৱে আন জাতিতকৈ উচ্চ হয়। তেওঁ বৰ্ণনা কৰিছে যে-- মহীশুৰৰ গাঁৱৰ ওক্কালিঙ্গা কৃষক গোটে □□টা জাতি গোটেৰে মুঠ জনসংখ্যাৰ প্ৰায় অৰ্ধেক দখল কৰিছে। ওক্কালঙ্গাসকল বৃহৎ পৰিসৰৰ ভূমিৰ মালিক। সংখ্যাগত শক্তিৰ বাহিৰেও, প্ৰভাৱশীলতাৰ আন কিছুমান উপাদানো থাকে। এটা জাতি প্ৰভাৱশালী কৰা মুখ্য উপাদানকেইটা হ'ল---

- অৰ্থনৈতিক শক্তি
- ৰাজনৈতিক ক্ষমতা
- ৰীতিগত বিশুদ্ধতা
- সংখ্যাগত শক্তি

প্ৰভাৱশালী জাতিয়ে আন জাতিৰ ওপৰত অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাও নিয়ন্ত্ৰিত কৰে। সংখ্যাগত শক্তি অঞ্চলটোৰ মৌলিক শক্তি। প্ৰভাৱশালী জাতি ধৰ্ম্মীয় ভাৱে উচ্চ ন'হবও পাৰে, কিন্তু সম্পত্তি, ৰাজনৈতিক ক্ষমতা আৰু সংখ্যাগত শক্তিৰ বাবে উচ্চ মৰ্য্যাদা ভোগ কৰে। শিক্ষিত লোকৰ উপস্থিতি আৰু উচ্চ জীৱিকায়ো এটা গোটৰ ওপৰত আন এটাৰ প্ৰভাৱৰ ক্ষেত্ৰত এক উল্লেখ্যযোগ্য ভূমিকা গ্ৰহণ কৰে। মাজে সময়ে প্ৰভাৱশালী জাতিৰ একমাত্ৰ গোট এটাই অঞ্চলৰ বহু সংখ্যক গাঁৱক নিয়ন্ত্ৰণ কৰে। প্ৰভাৱশালী জাতিয়ে তেওঁলোকৰ নিজা বা অইন জাতি

গোটৰ লোকৰ মাজৰ মতানৈক্যৰ বা বিবাদৰ মিমাংসা কৰে। প্ৰভাৱশালী জাতিৰ ক্ষমতাই চৰকাৰী বিষয়া ন্যায়ালয় বা গাঁৱৰ বাহিৰৰ আৰক্ষী আদিৰ পৰা ন্যায় বিচৰাৰ ক্ষেত্ৰত গাঁওবাসীক উৎসাহ নজনায়। প্ৰভাৱশালী জাতিৰ ভিতৰত বিশেষকৈ ধনী আৰু ক্ষমতাসম্পন্ন পৰিয়ালৰ, সদস্যই বিষয়ববীয়াৰ লগত লেনদেনৰ ক্ষেত্ৰত গাঁৱক প্ৰতিনিধিত্ব কৰে।



অগ্ৰগতি নিৰীক্ষণ ৩

খালী ঠাই পূৰণ কৰক

ডেনিয়েল থৰ্ণাৰৰ মতে

ক) অনুপস্থিত ভূমিৰ মালিক আৰু আবাসিক ভূমিৰ মালিক ..... শ্ৰেণীৰ অন্তৰ্ভুক্ত।

খ) ক্ষুদ্ৰ ভূমিৰ মালিকসকল..... বা ..... শ্ৰেণীৰ অন্তৰ্ভুক্ত।

গ) দুখীয়া ৰায়ত, আধিয়া আৰু ভূমিহীন শ্ৰমিক ..... শ্ৰেণীৰ অন্তৰ্ভুক্ত।

শুদ্ধ উত্তৰ দিয়ক

ঘ) প্ৰভাৱশালী জাতিৰ সদায়ে সৰ্ব্বোচ্চ ক্ৰমত থকা উচ্চ ধৰ্মীয় মৰ্যাদা থাকে এই উক্তিটো শুদ্ধ নে অশুদ্ধ লিখক।



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অ-স্তৰীভূত সমাজত কেতিয়াবাহে সামজিক শ্ৰেণীৰ ধাৰণা থাকে। সামাজিক ক্ৰম সীমিত আৰু সাধাৰণতে আৰোপিত প্ৰস্থিতিৰ ওপৰত প্ৰতিস্থিত। জটিল সমাজত, য'ত ক্ষমতা, সম্পত্তি আৰু মৰ্যাদাৰ বিতৰণ সমান নহয়, শ্ৰেণী গঠন, সামাজিক আকাৰৰ লক্ষণীয় দৃষ্টিভঙ্গী হৈ আহে।
- শ্ৰেণী প্ৰক্ৰিয়াত কোনো এজনৰ স্থান স্বলব্ধ গুণৰ ভিত্তিত প্ৰতিষ্ঠিত, যেনে--শিক্ষা, উপাৰ্জন, দক্ষতা, কল্যাণ, সম্পত্তি,পৰিয়ালৰ স্থান আৰু প্ৰভাৱ। পিছৰটোৱে কোনো ব্যক্তিয়ে সমাজত কিমান ক্ষমতা লাভ কৰিব পাৰে তাক নিৰ্ণয় কৰে। এই দিশটোৱে শ্ৰেণীত ইয়াৰ সভ্যসকলৰ জীৱনধাৰণ প্ৰণালীক গঢ় দিয়ে।
- প্ৰত্যেক শ্ৰেণীৰে অইন এটা শ্ৰেণীৰ লগত পাৰস্পৰিকভাৱে শ্ৰেষ্ঠ আৰু হীনমন্যতাৰ স্থান থাকে।
- একেই শ্ৰেণীৰ সভ্যসকলৰ সমান স্থান থাকে আৰু তেওঁলোকে শ্ৰেণী সচেতনতাৰ অংশীদাৰ হয়।
- ভাৰতবৰ্ষত শ্ৰেণী আৰু জাতি ইটোৱে সিটোৰ সৈতে সাঙোৰ খাই থাকে আৰু ইটোৱে সিটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আছে।

- ভাৰতবৰ্ষত আমি ভূমিভিত্তিক আৰু অ-ভূমিভিত্তিক দুই ধৰণৰ শ্ৰেণী পাওঁ।
- কোনো কোনো জাতিয়ে নিজৰ বৰ্দ্ধিত ধন সম্পত্তি বৃহৎ জনবল আৰু তাৰ পৰা উৎপন্ন হোৱা ক্ষমতাৰ ব্যৱহাৰ কৰি অঞ্চল একোটাত প্ৰভাৱশালী জাতিৰূপে পৰিগণিত হয়।



৭.৯ অধিক জানিবলৈ

N. Jayapalan *Indian Society and Social Stratification,* (volume 1), Atlantic,New Delhi.

K.L. Sarma *Social Stratification in India*, Sage, Delhi.



৭.১০ অগ্ৰগতিৰ খতিয়ান

অগ্ৰগতি নিৰীক্ষণ ১

ক) এটা শ্ৰেণী হ'ল এক বৃহৎ পৰিসৰৰ লোকৰ গোট, যিয়ে উমৈহতীয়া অৰ্থ সম্পদ ভোগ কৰে, যিটোৱে তেওঁলোকৰ জীৱন ধাৰণৰ ৰীতিৰ ওপৰত শক্তিশালী প্ৰভাৱ পেলায়।

খ) ই একতাৰ অনুভূতি প্ৰকাশ কৰে, যিটো এজন সভ্যৰ তেওঁৰ নিজৰ বা আন শ্ৰেণীৰ প্ৰতি থকা সম্পৰ্কৰ বৈশিষ্ট্য।

গ) স্বলব্ধ ঘ) মুক্ত

ঙ) ক্ৰমোচ্চ

অগ্ৰগতি নিৰীক্ষণ ২

ক) নহয় খ) সম্পদ আৰু উপাৰ্জন গ) অশুদ্ধ ঘ) অশুদ্ধ ঙ) শদ্ধ

অগ্ৰগতি নিৰীক্ষণ ৩

ক) মালিক খ) কিষাণ, কৃষক গ) মজদুৰ ঘ) অশুদ্ধ



৭.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শ্ৰেণীৰ অৰ্থ আৰু সংজ্ঞা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ শ্ৰেণীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। সামাজিক শ্ৰেণীৰ শ্ৰেণীবিভাগ কৰক।

প্ৰশ্ন ৩ ঃ শ্ৰেণী নিৰ্দ্ধাৰণৰ উপাদানসমূহ কি কি?

প্ৰশ্ন ৪ ঃ শ্ৰেণী আৰু জাতিৰ পাৰ্থক্যসমূহ কি কি?

প্ৰশ্ন ৫ ঃ প্ৰভাৱশালী জাতি কি?

প্ৰশ্ন ৬ ঃ ভাৰতীয় সমাজৰ শ্ৰেণী গঠন ব্যাখ্যা কৰক?

প্ৰশ্ন ৭ ঃ জাতি আৰু শ্ৰেণীৰ সম্পৰ্ক কিদৰে উপৰা-ওপৰি হয় আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ চমুটোকা লিখক ঃ--

- ভাৰতবৰ্ষত ভূমিভিত্তিক শ্ৰেণীৰ আকাৰ
- ভাৰতবৰ্ষৰ মধ্যবিত্ত শ্ৰেণী

*** ***** ***

অধ্যায় ৮ ঃ আদিবাসী

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অদিবাসীঃঅর্থ সংজ্ঞা আৰু বৈশিষ্টসমূহ
৮.৩.১ অদিবাসী—জাতি অন্তঃক্রিয়া
৮.৩.২ অদিবাসী—জাতি অন্তঃক্রিয়াত আঞ্চলিক ভিন্নতা
৮.৩.৩ সংবিধানিক ব্যৱস্থা
৮.৪ সামৰণি
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান
৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আদিবাসী ৰ অর্থ আৰু ইয়াৰ বৈশিষ্ঠ সমূহ
- আদিবাসী আৰু জাতিৰ মাজত থকা অন্তঃ ক্রিয়া সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব আৰু
- অঞ্চল ভেদে এই অন্তঃ ক্রিয়াৰ বিভিন্নতাৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

ভাৰত বর্ষ প্রাচীন শ্বদেশী আদিবাসীসকলৰ গৃহভূমি। ভাৰতৰ প্রান্তত সিচঁৰিত হৈ থকা এই আগমন অধিবাসীৰ বেছিভাগেই সামাজিক আৰু অর্থনৈতিক ভাৱে পিছপৰা বা অনুন্নত যদিও ইয়াৰে কিছুমান নগৰী কৰণ শিক্ষাৰ প্রসাৰ আৰু আধুনিকীকৰণৰৰ দ্বাৰা প্রভাৱিত হৈছে তথাপিও বেছিভাগেই এতিয়াও আদিম ভাৱেই জীৱন নির্বাহ কৰি আহিছে আৰু জীৱন ধাৰণাৰ বাবে খাদ্য সংগ্রহ মাছ ধৰা আদিকে বৃত্তি হিচাপে লৈ আহিছে । এই আদিবাসী সম্রদায়ে এক বেলেক পর্য্যায়ৰ সামাজিক অর্থনৈতিক আৰু শিক্ষাজনিত বিকাশ লাভ কৰিছে যিটো অনা আদিবাসী সকলৰ লগত প্রভেদ আছে । অৱশ্যে কিছুমান আদিবাসী সম্প্রদায়ে ৰাষ্ট্রীয় মূলসূঁতিৰ জীৱন শৈলীৰ লগত গ্রহণ কৰিছে । একেই ধৰণে দেখা যায় যে কিছুমান নির্দিষ্ট অনুসূচিত জনজাতিয়ে অতি প্রাচীন প্রযুক্তি সম্পন্ন বা আদিম অৱস্থাৰ , প্রাচীন, পশ্চাত গ্রামী অতি নিম্ন সৰলতা বিশিষ্ট আৰু নিম্ন পর্যায়ৰ অর্থনৈতিক অৱস্থা সম্পন্ন হয় সেয়েহে এই লোকসকলক সমাজৰ নিম্ন

পর্যায়ৰ শাখা হিচাপে গণ্য কৰা হয়। ভীল, খাচী, গণ্ড, আও, আংগামী, আপাতানি, আদিবাসী আদি হল ভাৰতৰ কিছুমান আদিবাসী সম্প্রদায়। এই অধ্যয়নত আমি অধিবাসীৰ অর্থ আৰু সংজ্ঞা সম্বন্ধে আলোচনা কৰিম, লগতে আদিবাসী জাতিৰ অন্ত ক্রিয়া, আদিবাসী সকলৰ বাবে সংবিধানিক ব্যৱস্থাপনা আদিৰ বিষয়েও আলোচনা কৰিম।

৮.৩ আদিবাসী

অর্থ ঃ আদিবাসী সকল ভাৰতৰ প্রাচীন আৰু মূল আদিবাসী বুলি কোৱা হয় আৰু এই লোক সকল ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি আছে ভাৰত বর্ষৰ আদিবাসী বাসিন্দাৰ জনসংখ্যা পৃথিৰীৰ ভিতৰতে দ্বিতীয় আৰু আফ্রিকা এইক্ষেত্রত প্রথম স্থান প্রাপ্ত বহু আদিবাসীয়ে এতিয়াও প্রাথমিক বা প্রাচীন স্তৰৰ জীৱন ধাৰণৰ পথকেই বর্তাই ৰাখিছে আৰু আধুনিক সভ্যতাই এই লোকসকলৰ স্পর্শ কৰিব কৰা নাই । এই আদিবাসী লোক সকল দেশৰ এক গুৰুত্ব পূর্ণ সামাজিক গোট আৰু সংবিধানে এই লোক সকলৰ অনুসূচিত জনজাতি বুলি আখ্যা দিছে ।এই পৰিভাষাৰ আৰম্ভনি ঘটাইছিল সংবিধানৰ খচৰা প্রস্তুত কমিটিৰ সভাপতি ভি .আৰ. আম্বেডকাৰ ডাঙৰীয়াই আৰু সংবিধানত এই পৰিভাষা ব্যৱহাৰ কৰা হৈছিল ।তেওঁ অনুসূচিত জনজাতি শব্দৰ ব্যৱহাৰ অধিক পচন্দ কৰিছিল। আৰু আদিবাসী , বনবাসী ,আদিম আদি শব্দৰ ব্যৱহাৰ বিৰোধিতা কৰিছিল। সংবিধানৰ অনুচ্ছেদ নং ৩৬৬ (২৫) ত অনুসূচিত জনজাতিৰ সংখ্যা দিয়ে হৈছে যে এনেকুৱা আদিবাসী জাতি বা আদিবাসী সমুদায় , যিসকলক সংবিধানৰ উদ্দেশ্যৰ কাৰণে অনুচ্ছেদ ৩৮২ত অনুসূচিত জনজাতি বুলি মান্যতা দিয়া হৈছে । অনুসূচিত জনজাতি সকল পিছপৰা শ্রেণীৰ অন্তর্গত সেয়েহে , সংবিধানে তেওঁলোকৰ উন্নতিৰ অর্থে কিছুমান বিশেষ সুবিধাৰ ব্যৱস্থা কৰিছে। এই লোকসকলৰ আদিবাসী সংস্কৃতিৰ সুৰক্ষিত কৰণৰ অর্থে সংবিধানে তেওঁলোকৰ কিছুমান বিশেষ অধিকাৰ ও দিছে আৰু জাতি ,ৰং বা অর্থ সামাজিক সংস্থাৰ ওপৰত ভিত্তি কৰি তেওঁলোকে যাতে পক্ষপাতৰ সন্মুখীন হ'ব নালাগে তাৰ বাবেও বিশেষ অধিকাৰ সংবিধানে দিছে । ভাৰত বর্ষৰ আদিবাসী সকল মূলতে দুই প্রজাতিয় গোটৰ পৰা সৃষ্টি হৈছে , দ্রাবীড় আৰু মংগোলীয় ।

অনুসূচিত জনজাতিসকলৰ ৩০খন ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলত বসবাস কৰা বুলি অধিসূচিত হৈ আহিছে আৰু অনুসূচিত জনজাতি সকলৰ প্রজাতিগত গোটৰ সংখ্যা ৭০৫বুলিও অনুসুচণা জাৰি কৰা হৈছে । ২০০১ চনৰ পৰিসংখ্যা মতে , জনজাতি সকলে ১০.৪৩কোটি জনসংখ্যাৰে দেশৰ মুঠ জনসংখ্যাৰ ৮.৬ শতাংশ বুলি নির্ধাৰিত হৈছে । এই জনজাতি সকলৰ মুঠ জনসংখ্যাৰ ৮৯.৯ শতাংশ ভিতৰত গাঁও অঞ্চলত আৰু বাকী১০.৩ চহৰ অঞ্চলত বাস কৰে । ২০০১চনৰ পৰা ২০১১চনলৈ কৰা পৰিসংখ্যা মতে প্রতিটো দশকতে জনজাতিসকলৰ মুঠ জনসংখ্যাৰ বৃদ্ধি হাৰ হল ২৩.৬৬৭ ইয়াৰ বিপৰীতে দেশীয় জনসংখ্যাৰ মুঠ হাৰ হল১৭.৬৯ ইয়াৰ উপৰিও ST সকলৰ লিংগ অনুপাত হল প্রতি এহেজাৰ পুৰুষৰ বিপৰীতে ৯৯০ মহিলা আৰু ভাৰতৰ মুঠ জনসংখ্যাৰ লিংগ অনুপাত হ'ল ৯৪০ঃ১০০০। অনুসূচিত জনজাতি সকল প্রধানকৈ দুটা প্রধান ভগলিক অঞ্চলত বসবাস কৰি আহিছে , সেইকেইটা হল, মধ্য ভাৰত

অঞ্চল আৰু উত্তৰ পূৱ ভাৰত । মুঠ আদিবাসী জনসংখ্যাৰ আধাতকৈ বেছি লোক মধ্য ভাৰত অঞ্চলত বসবাস কৰি আহিছে । মধ্য প্রদেশত ১৪.৬৯, চত্তিশগৰত ৭.৫, ঝাৰখণ্ডত ৮.২৯, অন্ধ্রপ্রদেশ ৫.৭, মহাৰাষ্ট্রত ১০.০৮ ,উৰিষ্যাত ৯.২, গুজৰাট৮.৫৫ আৰু ৰাজস্থানত ৮.৮৬ শতাংশ , আদিবাসী লোক বাস কৰি আহিছে ।উত্তৰ পূৱ ভাৰত হল অন্য এক গুৰুত্বপূর্ণ আদিবাসি অঞ্চল ।উত্তৰ-পূৱ মণিপুৰ , নাগালেণ্ড,মিজোৰাম , মেঘালয় ,চিকিম আৰু অৰুণাচল প্রদেশ হল আদিবাসী অধ্যুনিত ৰাজ্য । এই অঞ্চলত ২৭ শতাংশ দেশীয় অনুসূচিত জনজাতি লোক বসবাস কৰি আহিছে , সাক্ষৰতাৰ হাৰও অঞ্চলভেদে বিভিন্ন এই ৰাজ্য সমূহৰ ভিতৰত মিজোৰাম সাক্ষৰতা হাৰ সর্বোচ্চ ৯৩ শতাংশ ।

সংজ্ঞাসমূহ ঃ— আদিবাসী পৰিভাষা বা শব্দটোৰ সংজ্ঞা বিভিন্ন ধৰণে বিভিন্ন জনে দিছে । আদিবাসী শব্দটোৰ সঠিক ,সংজ্ঞা সংবিধানেও প্রকাশ কৰা নাই । সাধাৰনতে এই শব্দটোৰ অর্থ বিভিন্ন জনে বিভিন্ন ধৰণে দিছে ।এজন সাধাৰণ জনসাধাৰণৰ বাবে আদিবাসী শব্দটোৱে কিছুমান সাধাৰণ জনজাতি অৰণ্য অঞ্চলত বাস কৰে আৰু এওঁলোক আধুনিক জীৱন যাত্রাৰ পৰা আঁতৰত বুলিয়ে প্রকাশ কৰে । সাধাৰণ ভাৱে সামাজিক ধাৰণা থকা এগৰাকী ব্যক্তিৰ বাবে আকৌ এই শব্দটোৱে সমাজৰ এক বাৰেৰহনীয়া তেওঁলোকৰ পৰিচ্ছদ জনজাতীয় নৃত্য আৰু গীতেৰে উচ্চসংস্কৃতিপূর্ণ সামাজিক গোটৰ কথাকে মনলৈ আনে । তেনেদৰে, এগৰাকী প্রকাশকৰ কাৰণে , আদিবাসী সকল সমাজৰ এক বিশেষ গোট, যিসকলে পক্ষপাতমূলক সামাজিক আচৰণ বৈষম্যৰ প্রতিৰোধৰ বাবে বিশেষ অধিকাৰ ভোগ কৰি আহিছে আৰু যিটো গোট বা সম্প্রদায়ৰ কল্যাণৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে । এগৰাকী নেতৃত্ব বিজ্ঞানীৰ কাৰণে আদিবাসী সকল সামাজিক পৰিঘটনা সম্বন্ধীয় ক্ষেত্র ভিত্তিক অধ্যয়নৰ বিষয় । এই সকলো সংজ্ঞা বা ধাৰণা নিজস্ব ধৰণে শুদ্ধ কিন্তু এইবোৰ আদিবাসী পৰিভাষাৰ এক সু-সংবদ্ধ , একক সংজ্ঞা গঠন কৰিব নোৱাৰে । বৰং এই বিভিন্ন ধাৰণা আৰু সংজ্ঞাই মাথো এই সম্প্রদায়টোৰ লগত সম্বন্ধিত শব্দত অর্থহীন ভাৱে প্রয়োগহে কৰিছে । Varrier Elwin এ উত্তৰ পূৱ ভাৰতৰ জনজাতি সকলৰ বিষয়ে ৰচনা কৰা গৱেষণা সম্বন্ধীয় কার্য্য সমূহত এই জনজাতি সকলক ‘Aboriginal’ বুলি উল্লেখ কৰিছে আৰু ইয়াৰ অর্থ হল আদিম বা মৌলিক ।

এগৰাকী পৰিসংখ্যা বিষয়া Sir Bians এ আকৌ এইলোক সকলক “পাহাৰী জনজাতি” বুলি কৈছে ।G.S.Ghurye এ “পিছপৰা” হিন্দু বুলি আদিবাসী সকলক নামাকৰণ কৰিছে । আন্তর্জাতিক শ্রমিক সস্থা এইলোকসকলক“ শ্বদেশীয় লোক”(indegenous people) বুলি উল্লেখ কৰিছে ।M.K.Gandhi য়ে “গিৰীজন” ভাৰতীয় সংবিধানে এই লোকসকলক “অনুসূচিত জনজাতি” বুলি নামাকৰণ কৰিছে আৰু এই লোকসকল অর্থনৈতিক ভাৱে পিছপৰা বা দুর্বল । এই নামসমূহৰ উপৰিও আদিবাসী সকলক বনবাসি, অৰণ্যবাসী আদি নামে নামাকৰণ কৰা হৈছে।

পিছপৰা শ্রেণী আয়োগৰ মতে , অনুসূচিত জনজাতি সকলে এক বিভাজিত আৰু বর্জিত স্থিতিৰে বসবাস কৰি আহিছে আৰু দেশৰ মূল সুতিৰ জনসাধাৰণৰ লগত নিজকে সম্পূর্ণ

ভাৰে বান্ধ খুৱাব পৰা নাই । এই অনুসূচিত জনজাতি সকল হয়তো কোনো নির্দিষ্ট ধর্মৰ লগত সম্বন্ধিত নহবও পাৰে । এই লোকসকল S.T হিচাপে চিহ্নিত হৈছে তেওঁলোকৰ বিশেষ জীৱনধাৰণৰ বৈশিষ্ঠ বাবে । এই সংজ্ঞাত বিশেষ জনজাতীয় জীৱন ধাৰণৰ পথৰ ওপৰত জোৰ দিয়া হৈছে । আধাতেই উল্লেখ কৰাৰ দৰে , ভাৰতীয় সংবিধানে অনুচ্ছেদ নং ৩৬৬ (২৫) ত অনুসূচিত জনজাতিৰ সংজ্ঞা দিছে কিন্তু আদিবাসী শব্দৰ ব্যাখ্যা কৰা নাই । সেয়েহে , আদিবাসী শব্দৰ সমাজতাত্ত্বিক অর্থ , সংজ্ঞা আৰু ইয়াৰ বৈশিষ্ঠ সমূহ বুজিবলৈ বিভিন্ন নৃতত্ব বিজ্ঞানী আৰু সমাজতাত্ত্বিকে আগবঢ়োৱা ব্যাখ্যা সমূহ লক্ষ্য কৰো আহক ।

D.N.Mzumder এ আদিবাসী সংজ্ঞা দিয়ে , পৰিয়াল কিছুমানৰ সামূহিক গোট যাৰ এক উমৈহতীয়া নাম আছে , সদস্য সকলে এক নির্দিষ্ট ভূখণ্ড অধিকাৰ কৰে , এক উমৈহতীয়া ভাষা কৈ আৰু বিবাহ বৃত্তি বা জীৱিকা সম্বন্ধীয় নির্দিষ্ট কিছুমান নিষিদ্ধ(taboos) বুলি পালন কৰে আৰু এক সুনির্দিষ্ট পদ্ধতিৰ মাজেৰে পাৰস্পৰিকতা আৰু কর্ত্তব্য পৰায়নতা বজাই ৰাখে। Imperial Gazetter Of India ৰ মতে আদিবাসী হল পৰিয়াল সমূহৰ গোট , এক উমৈহতীয়া নামবিশিষ্ট এক উমৈহতীয়া উপভাষা কয় , এক নির্দিষ্ট ভো খণ্ড অধিকাৰ কৰে বা বৃত্তিৰ বাবে ব্যৱহাৰ কৰে আৰু সাধাৰণতে অন্তর্বিবাহী নহয়,যদিও প্রথম অৱস্থাত তেনেকুৱা কৰিবও পাৰে।

S.C.Dube ঃ আদিবাসী হল এক নৃ জাতি প্রজাতিয় বর্গ , এক প্রকৃত বা কল্পিত উৎসৱ বংশজ আৰু সমষ্টিগত পৰিষয়েৰে বৈশিষ্ঠ পূর্ণ , আৰু এক বহল আৰু বিচিত্র সাংস্কৃতিক বিশিষ্টতা পালন কৰে ।

Gillinআৰু Gillin ঃ আদিবাসী হল এক স্থানীয় সাম্প্রদায়িক গোট, যিসকলে এক নির্দিষ্ট ঠাইত বসবাস কৰে , এক উমৈহতীয়া উপভাষা কয় আৰু এক উমৈহতীয়া অঞ্চলত বসবাসৰ বাবে সংস্কৃতি ব্যৱহাৰ কৰে ।

W.J.Rerry ঃ আদিবাসীৰ সংজ্ঞা হিচাপে কব পাৰি যে "উমৈহতীয়া ভাষা বিশিষ্ঠ এক গোট আৰু উমৈহতীয়া এক অঞ্চলত বসবাসৰ বাবে ব্যৱহাৰ কৰে।"

Andre Betellie ঃ আমি জনজাতি সকলক ৰাজনৈতিক , ভাষিক আৰু কিছুপৰিমানে অস্পষ্ট ৰূপত বন্ধা সংস্কৃতিক বান্ধনীৰে এক সমাজ হিচাপে ব্যাখ্যা কৰোঁ। তদুপৰি ই এনে এক সমাজ যিখন সম্বন্ধ(kinship) ৰ ওপৰত প্রতিষ্ঠিত আৰু সামাজিক স্তৰীকৰণৰ ইয়াত স্থান নাই ।

বৈশিষ্টসমূহঃ আদিবাসী সকলৰ কিছুমান বৈশিষ্ঠ ইতিমধ্যে ইয়াৰ সংজ্ঞাৰ মাজতে প্রকাশ পাইছে । তথাপিও আমি ভাৰতৰ আদিবাসী সকলোকে ধৰি সকলো আদিবাসী সম্প্রদায়েৰে বৈশিষ্ঠ সমূহ বিশ্লেষন কৰিম ।

উমৈহতীয়া অধিকাৰ ক্ষেত্র(territory) ঃ আদিবাসী সম্প্রদায়ৰ এক বিশেষ বৈশিষ্ট্য হল এওঁলোকে এক নির্দিষ্ট ঠাইত উমৈহতীয়া বা গোটহিচাপে বসবাস কৰে । এক নির্দিষ্ট সম্প্রদায়ৰ সকলো সদাস্যই এখন ঠাইত গোট বান্ধি স্থায়ীভাৱে বাস কৰে আও, অংগামী , ৰেংমা, চেমা আৰু অন্য কিছুমান নগা উপগোটে নাগালেণ্ডত বাস কৰি অহা দেখিবলৈ পোৱা যায় । তেনেদৰে ভিল সকলে মধ্য দেশত , গাৰো আৰু খাচী সকলে মেঘালয়ত , তামিলনাড়ুৰ নীলগিৰি হিলত

তোৰহাসকলে , ঝাৰখণ্ডত আদিবাসী সকলে , চত্তিছগড়ত আদিবাসী সকলে বসবাস কৰি আহিছে । এক উমৈহতীয়া কিন্তু নির্দিষ্ট বাসস্থানৰ অভাৱত আদিবাসী সকলে নিজৰ স্বকীয় বৈশিষ্ট্য এক উমৈহতীয়া উপভাষা সাম্প্রদায়িক আবেগিকতা আদি বহু পৰিমাণে হেৰুৱাইছে ।

উমৈহতীয়া নাম ঃ সকলো আদিবাসীয়ে এক উমৈহতীয়া নাম বহন কৰে আৰু এই নামেই তেওঁলোকৰ অন্য সকলৰ মাজত পৰিচিতি প্রদান কৰে । তেওঁলোকৰ সুকীয়া সংস্কৃতি , ভাষা আৰু জীৱন ধাৰণৰ পথ এই সকলোবোৰ অন্য সকলতকৈ সুকীয়া আৰু তেওঁলোকৰ নামেই ইয়াক বহন কৰে ।"

পৰিয়াল সমূহৰ একত্রিকৰণ ঃ Imperial Gezether Of India ত আদিবাসী সকলৰ ব্যাখ্যা কৰি কোৱা হৈছে —"এক উমৈহতীয়া নামবিখিষ্ট একত্রিত পৰিয়াল সমূহ.... "এই পৰিয়াল সমূহৰ মাজত সাধাৰণতে তেজৰ সম্বন্ধ থাকে । এই একত্রিত বা সামূহিক পৰিয়াল সমূহ আকাৰতো বিভিন্ন হয় আৰু এওঁলোকৰ পিতৃতান্ত্রিক বা মাতৃপ্রধান বা সমাজতান্ত্রিক হয় ।

উমৈহতীয়া ভাষা ঃ

আদিবাসী সম্প্রদায়ৰ এক উমৈহতীয়া ভাষা আছে , যিটো তেওঁলোকৰ নিজস্ব ভাষা প্রতিটো আদিবাসী সম্প্রদায়ৰ ভাষা অন্য এটা সম্প্রদায়ত কৈ পৃথক হয় । এটা সম্প্রদায়ৰ উমৈহতীয়া ভাষায় তেওঁলোকৰ মাজত সাম্প্রদায়িক সম্ভৰ বৃদ্ধি কৰে । অৱশ্যে বেছিভাগ ভাষাৰে লিপি অভাৱত এই লোকসকলে শিক্ষা গ্রহণৰ ক্ষেত্রত বহুতো অভাৱৰ সন্মুখীন হব লগা হয় । এই সময়ত আকৌ , আদিবাসী সকলে কোৱা ভাষাক উপেক্ষা কৰি এইবোৰক ভাষা হিচাপে গ্রহণ কৰা নহয় । পাৰস্পৰিক ভাৱৰ আদান প্রদানৰ কাৰণে তেওঁলোকৰ মাজত ব্যৱহাৰ বা ভাষাটো উপভাষা হিচাপে আখ্যা দিয়া হয় । ভাষা আৰু উপভাষা সম্বন্ধে প্রায়েই বহুতো তর্ক বিতর্ক চলি অহা দেখা যায় । আৰু এতিয়া বহুতো জাতীয় মান্যতা প্রাপ্ত ভাষাৰ ক্ষেত্রত সংবিধানত স্বীকৃতি প্রাপ্ত সমূহক ভাষা আৰু বাকীবোৰ ক উপভাষা হিচাপে গ্রহণ কৰিছে। বহু ক্ষেত্রত অৱশ্যে এই ধাৰণা শুদ্ধ নহয়, কিয়নো এনেকুৱা কিছুমান কথা বতৰাৰ মাধ্যম আছে যিবোৰ, জাতীয় স্বীকৃতি প্রাপ্ত নহয় সেয়েহে উপভাষা হিচাপে পৰিচিত কিন্তু এক নির্দিষ্ট অঞ্চলৰ বৃহৎ সংখ্যক জনসাধাৰণে ইয়াক কথা বতৰাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰে।

উমৈহতীয়া পূর্বপুৰুষ ঃ আদিবাসী সকলে সম্বন্ধ বা পৰিজন বান্ধোন বা সমাজতাত্ত্বিক ভাষা স্বাজন পদ্ধতি পালন কৰে আৰু তেওঁলোকে এক উমৈহতীয়া পূর্ব পুৰুষৰ বংশজ বুলি বিশ্বাস কৰে। এগৰাকী উমৈহতীয়া পূর্বপুৰুষ বা মূল পুৰুষৰ অর্থ হল তেওঁলোক সকলো পায়েই ৰক্ত সম্বন্ধেৰে আবৃত আৰু ইয়েই এই লোকসকলৰ মাজত আত্মীয় বৃদ্ধি কৰে।

উমৈহতীয়া ধর্ম ঃ এগৰাকী উমৈহতীয়া পূর্বপুৰুষৰ বিশ্বাসেৰে আদিবাসী লোক সকলে পবিত্র অনুষ্ঠানতে তেওঁক পূর্ব পুৰুষক পূজা বা প্রার্থনা কৰে ইয়াৰ লগতে ,প্রকৃতিয়েও পূজা কৰে। তদুপৰি জড়শক্তি(fetishism) পূজা , জীৱ পূজা (Animism), চিহ্ন বা প্রতীক পূজা আদিও আদিবাসী সকলে পালন কৰে তেওঁলোকে পালন কৰা ধর্ম অনুসৰি , ৰাজনৈতিক আৰু সামাজিক অনুষ্ঠান সমূহেও ক্রিয়া কৰে । এই ধর্মীয় অনুষ্ঠান সমূহৰ অংশ গ্রহণ আৰু ধর্মীয় কার্য্য

পালনৰ মাজেৰে সম্প্রদায় সমূহৰ মাজত সদ্ভৱ আৰু মিলা-প্রীতি গড়ী উঠে। বৰ্তমান সময়ত আদিবাসী সকলক খ্রীষ্টান বৌদ্ধ আৰু হিন্দু ধর্মলৈ ধর্মান্তৰ কৰণ কৰা হৈছে বুলি বিবাদৰ সৃষ্টি হৈছে।'

উমৈহতীয়া শয়নগৃহঃ শয়নগৃহ বা উমৈহতীয়া সোৱা ঘৰ আদিবাসী সকলৰ এক গুৰুত্বপূর্ণ বৈশিষ্ঠ । সম্প্রদায় এটাৰ ডেকা কৰা আৰু গাভৰু ছোৱালী সকলে এই উমৈহতীয়া শয়ণগৃহ ব্যৱহাৰ কৰে আৰু ইয়াত তেওঁলোকে লোক নৃত্য , গান, ছবি আঁকা, বাঁহ বেতৰ কাম আদি বিভিন্ন কার্য্য সংঘবদ্ধ ভাৱে কৰে । এই শয়নগৃহত থকা কালছোৱাত তেওঁলোকে নিজৰ দৈনন্দিন জীৱনৰ বিষয়ে আৰু শয়নগৃহৰ কার্য্য সম্বন্ধে গোপনীয়তা পালন কৰে আৰু বিবাহ নোহোৱা পর্যন্ত ডেকা গাভৰু সকলে এই শয়ন গৃহত কাল অতিবাহিত কৰে শয়নগৃহত ধার্য্য কৰা নীতি নিয়ম সমূহ সকলোৱে দৃঢ়ভাৱে প্রলন কৰাটো বাঞ্চনকৰ হয়।

বংশ বা কুলৰ(clan) সংগঠন ঃ বংশ বা কুল হল এক আত্মীয় বা পৰিজন গোট আৰু ইয়াত একেজন পূর্ব্বপুৰুষৰ বংশধৰ সকলো আত্মীয় বা সম্বন্ধীয় লোক , মা দেউতা আৰু সন্তান সমূহে থাকে এই লোক সকল তেজৰ সম্বন্ধৰে বান্ধ খাই থাকে সেয়েহে তেওঁলোকৰ উপৰিও একেগৰাকী পূর্বপুৰুষৰ পৰা হোৱা বুলি বিশ্বাস কৰে এটা বংশ বা কুলৰ বংশধৰ সকল মাতৃ বংশীয় বা পিতৃ বংশীয় হয়। বংশধৰ বা সন্তানসকলৰ মাজত পৰস্পৰ অর্পন ভাৱ থাকে। সেয়েহে আদিবাসী গোট বা সংস্থা সমূহৰ বাবে এইবোৰ গুৰুত্ব পূর্ণ অংগ।

সহজ আৰু অর্থ নির্ভৰ জীৱনঃ আগৰ কালত আদিবাসী সকলে প্রকৃতিৰ মাজত এক সহজ সৰল আৰু আত্ম নির্ভৰ জীৱন কটাইছিল । প্রতিদিনৰ জীৱন নির্বাহৰ উপায় হিচাপে তেওঁলোকে চিকাৰ কৰা , মাছ ধৰা , মৌ জোল , কিছু জাতীয় খাদ্য সংগ্রহ, বনৰীয়া বগৰী আৰু অন্য ফলমূল সংগ্রহ , গাখীৰ উৎপাদন আৰু অন্য বন প্রকৃতিৰ পৰা উৎপাদিত সমগ্রি সংগ্রহ আদিকে প্রধানকৈ অৱলম্বন কৰে । তেওঁলোকে আধুনিক সমাজৰ ওপৰত নির্ভৰশীল নহয় বা আধুনিক সাময়িক পৃথিৱীৰ সুখ শ্বচন্দ বা সুবিধা সমূহ ও পাবলৈ ইচ্ছা নকৰে । তেওঁলোকে শিক্ষা গ্রহণ বা নিজৰ জীৱন পদ্ধতিৰ উন্নতিৰ বাবেও আগ্রহী হয় । আত্মসন্তুষ্টি তেওঁলোকৰ স্বভাৱগত বৈশিষ্ট আৰু নিজৰ জীৱন লৈ তেওঁলোক সুখী । অৱশ্যে জনসংখ্যাৰ ক্রমবর্ধমান পৰিস্থিতিৰ বাবে আজিকালি এই লোকসকল তেওঁলোকৰ প্রাথমিক প্রকৃতি নির্ভৰ জীৱন ধাৰণৰ পৰা আঁতৰি আহিব লগা হৈছে । আধুনিকতাবাদৰ দ্বাৰা এইলোক সকলেও বর্তমান প্রভাৱিত হৈছে আৰু চৰকাৰৰ ওচৰত অধিকয়তা বাবে দাবী কৰি আহিছে তেওঁলোকৰ অর্থনৈতিক আগ্রহ প্রয়োজনও বর্তমান পৰিৱর্তন হৈছে আৰু বহুতে তেওঁলোকৰ আদিবাসী বাবে জনজাতীয় জীৱন নির্বাহৰ পথ সম্পূর্ণ বাবে পৰিত্যাগ কৰিছে ।

অন্তর্বিবাহী গোটঃ আদিবাসী সকল প্রধানকৈ অন্তর্বিবাহী গোট। তেওঁলোকৰ জনজাতিৰ বাহিৰত বিবাহৰ অনুমতি নিদিয়ে । অন্তর্বিবাহ পদ্ধতি পূৰণ কৰাৰ কাৰণ হল তেওঁলোকে নিজৰ তেজৰ পবিত্রতা অক্ষুণ্ণ ৰাখিব খোজে , লগতে সাংস্কৃতিক বৈশিষ্ট্যত আৰু জনজাতীয় সম্পদ সমূহ সংৰক্ষণ কৰি ৰাখিব খোজে । অৱশ্যে , অন্য আধুনিক আৰু সভ্য সমাজৰ সংস্পর্শলৈ

আহি তেওঁলোকেও অসবর্ণ বা বহির্বিবাহ পদ্ধতি গ্রহণ কৰিব লৈছে। বংশৰ ক্ষেত্রতো আদিবাসী সকলে বহির্বিবাহ অনুকৰণ কৰে বংশ হল আত্মীয় বা পৰিজন গোট যিসকলৰ একেইজন পূর্বপুৰুষ থাকে । ইয়াৰ অর্থ হল যে এটা বংশৰ অন্তর্গত সকলোৰে তেজৰ সম্বন্ধ আছে আৰু তেওঁলোক শ্বজন পদ্ধতিৰে পৰিবেষ্টিত। সেয়েহে বংশৰ ভিতৰুৱা সদস্যসকলৰ মাজত বিবাহ নিষিদ্ধ । তেওঁলোকে অন্য বংশৰ সদস্যৰ সৈতেহে বিবাহৰ সম্বন্ধ স্থাপন কৰিব পাৰে। এনেদৰেও তেওঁলোকে বহির্বিবাহ অনুকৰণ কৰে।

৮.৩.১ জনজাতি জাতি অন্তঃক্রিয়া

জনজাতি আৰু জাতিক পণ্ডিতসকলে সদায়েই বেলেগ বা পার্থক্য যুক্ত সামাজিক গোট হিচাপে ধাৰণা কৰি আহিছে । আমি আগতেই আলোচনা কৰিছোঁ যে, জাতিৰ উৎপত্তি হৈছে শ্রমৰ বিভাজনৰ ওপৰত ভিত্তি কৰি । জনজাতি সকল , অন্যহাতে এক নির্দিষ্ট ভূখণ্ডত বসবাস কৰি আৰু তেওঁলোকৰ মাজত থকা সাম্প্রদায়িক ভাৱধাৰাৰ বাবে উৎপত্তি হৈছে বা গঠন হৈছে ।জাতি আৰু জনজাতিৰ মাজত থকা পার্থক্য সমূহ স্পষ্ট আৰু সর্বজ্ঞাত। অৱশ্যে , জাতি জনজাতি, অন্ত ঃক্রিয়া ও পৰিৱর্তিত সমাজিকতাৰ স্পষ্টভাৱে প্রভাৱিত ।এগৰাকী জনজাতীয় সদস্যই হিন্দু সমাজৰ ভিতৰুৱা সদস্য হব লাগিলে তেওঁ এটা জাতিৰ নাম আৰু বংশ গ্রহণ কৰিব লাগিব ।কিছুমান আদিবাসী লোকে বর্তমান সময়ত হিন্দু সমাজত আৰু হিন্দু গাঁৱত বসবাস কৰি হিন্দু লোকসকলৰ বাবে শাৰীৰিক শ্রম নির্ভৰ জীৱিকা ও গ্রহণ কৰি আহিছে । ইয়াৰ ফলত , স্বাভাৱিকতেই তেওঁলোকে এক হিন্দু বান্ধনীৰে আবৃত হয় । আদিবাসী গোটত সদস্য সকলে আকৌ কেতিয়াবা জাতিৰ উপাধি বা গোত্রও গ্রহণ কৰিব পাৰে আৰু জাতিৰ ভিতৰত বিবাহ কার্য্যও সম্পাদন কৰে কিছু ধনী আদিবাসী লোকে জাতি ধর্মী পুৰোহিতৰ শৰণ লৈ বা ধর্ম গ্রহণ কৰি উচ্ছ জাতিৰ ও সদস্য ভক্তি লাভ কৰে । জনজাতি সকলে জাতিৰ সদস্য ভূমিৰ দ্বাৰা নিজৰ জনজাতীয় পৰিচয় হেৰুৱাই পেলায় । সমাজতত্ত্ব বিদসকলে দেখুৱাই দিয়া সাদৃশ্য আৰু বৈসাদৃশ্য সমূহৰ জৰিয়তে আমি জনজাতীয় জাতি অন্ত ঃক্রিয়াৰ সম্বন্ধে ভালদৰে বুজিব পাৰিম এইক্ষেত্রত এইটো মন কৰিব লগীয়া যে , জাতি আৰু জনজাতি সকলৰ প্রাথমিক বৈশিষ্ট্যসমূহ বিশেষ পার্থক্য যুক্ত নহয় ।

N.K.Bose এ নিজৰ দৃষ্টিভংগী প্রকাশ কৰি কয় যে, জাতি আৰু জনজাতি সকলৰ মাজত থকা ৰীতি নীতিসমূহ সাদৃশ্য যুক্ত, দুয়ো ক্ষেত্রত, অন্তর্বিবাহ পালন কৰা হয় , কিন্তু বংশ বা গোত্রৰ ভিতৰত তেওঁলোকে বহিঃর্বিবাহ পালন কৰে।

Ghurye এ মত প্রকাশ কৰে যে, জনজাতীয় লোকসকল পিছপৰা হিন্দু আৰু অন্য হিন্দু সকলোতকৈ এওঁলোক কিছু ক্ষেত্র বেলেগ।

জনজাতি আৰু জাতি সকলে শৱদেহৰ সৎকাৰ বা সমাধি কৰে।

এই দৃষ্টিভংগীৰ বিপৰীতে —Andre Beteille য়ে মত পোষণ কৰে যে , জাতি আৰু জনজাতিৰ মাজত কিছুমান উমৈহতীয়া বৈসাদৃশ্য আছে তেওঁ দাবী কৰে যে এখন জাতি সমাজে বংশানুক্রতিমকতা পালন কৰে আৰু জনজাতি সমাজে সমতাবাদ অনুকৰণ কৰে ।

Max Webor এ কয় যে , জনজাতি সকল স্থানীয় গোট কাৰণ ইয়াৰ মূল্য বা গুৰুত্ব মাত্র তেওঁলোকৰ নিজস্ব বসবাস ভূমিত আবদ্ধ আনহাতে যেতিয়া জনজাতিয়ে নিজৰ স্বকীয় ভূমিৰ স্বায়িত্ব হেৰুৱাই তেতিয়া ই জাতি হৈ পৰে । সেয়েহে কব পাৰি যে জাতি এক সামাজিক গোট ।

Bailey ৰ মতে জাতিৰ সদস্য সকলৰ এটা নির্দিষ্ট বৃত্তি আছে কিয়নো তেওঁলোকৰ জীৱিকাৰ উপায় বা বৃত্তি সমাজে নির্ধাৰণ কৰি ৰাখে ।আনহাতে জনজাতি সকলৰ ক্ষেত্রত জীৱিকা নিজৰ পচন্দ ওপৰত হে নির্ভৰশীল । তেওঁলোকৰ জীৱিকা পূর্ণ নির্ধাৰিত নহয় ।“

D.N.Mazumder এ মত পোষণ কৰে যে , যেতিয়া ধর্মীয় নীতিসমূহ জনজাতীয় সকলৰ বাবে সম্পূর্ণ ভাৱে অপৰিচিত ,আনহাতে এইবোৰ জাতি পদ্ধতিৰ আৱশ্যকীয় ধর্মীয় অংশ ।“

জনজাতি আৰু জাতি হিন্দু সকলৰ বহু বছৰ পুৰণি সম্পর্কৰ সম্বন্ধ আছে । এই সম্পর্কই দুয়োটা সম্প্রদায়তে গুৰুত্ব পূর্ণ প্রভাৱ পেলায় । কিন্তু সম্পদৰ গভীৰতা আৰু মিলা প্রিতিৰ প্রকৃতি অঞ্চলভেদে দুয়োটা গোটৰ বাবেই ভিন্নতৰ । বহু ক্ষেত্রত দেখা যায় , আদিবাসী সকলেই বেছিকৈ প্রভাৱিত হয়, কাৰণ নেতৃত্ব বিজ্ঞানৰ অভিলেখন সমূহেই দেখুৱাই যে বেছিভাগ নিম্ন জাতিৰ হিন্দুৱেই জনজাতি স্তৰৰ পৰা ধর্মান্তকৰণ কৰে। বেছি ভাগেই জাতি পদ্ধতিৰ লগত সম্পূর্ণ ভাৱে মিলিযোৱা দেখা যায়।

জনজাতি আৰু জাতিৰ মাজত অন্ত ক্রিয়াৰ ক্ষেত্রত ওপৰত বৈপৰীত্য দেখা নাযায় কিয়নো দুয়োটা গোট পৰস্পৰৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে ।

৮.৩.২ জনজাতি জাতি অন্ত ক্রিয়াৰ আঞ্চলিক বিভিন্নতা

জনজাতি অন্ত ঃক্রিয়া অঞ্চলভেদে বিভিন্ন । বহু আদিবাসীয়ে আঞ্চলিক হিন্দু সকলৰ বিশেষতা গ্রহণ কৰে আৰু তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতিত ইয়াৰ ছাপ দেখা যায় । ইয়াৰ দ্বাৰা তেওঁলোকে হিন্দু জাতি প্রথাৰ লগত সমোৱেশিত হয় । কিন্তু দেখা যায় এনে সমাৱেশনও আদিবাসী সকলক হিন্দু জাতি সংস্থৱনত স্থান লাভ কৰাৰ ক্ষেত্রত ব্যর্থ কৰে। কিছুসংখ্যক আদিবাসীয়ে আকৌ এই জাতি পদ্ধতিৰ লগত সমাবেশীত হৈ নিম্ন হিন্দু জাতিৰ সদস্যপদ স্বীকাৰ কৰে কিছু ক্ষেত্রত আদিবাসী সকলক দ্বিজ দুই জনম সকলৰ মাজতও গ্রহণ কৰা দেখা যায় । উদাহৰণৰ স্বৰূপে — মধ্য হিমালয়ৰ দুই আদিবাসী গোট,থাৰু(tharu) আৰু খাচা(khasa) ক ক্ষত্রিয় হিচাপে স্বীকৃতি দিয়া

হৈছে । ৰাজপুত আৰু ব্ৰাহ্মণ সকলৰ জীৱন ধাৰণৰ পদ্ধতি আৰু সংস্কৃতি তেওঁলোকেও অনুকৰণ কৰে । ভৈয়ামৰ আঞ্চলিক হিন্দু জাতিৰ লগত তেওঁলোকৰ দীৰ্ঘ দিনীয়া আৰু অবিৰত সামাজিক সম্বন্ধ থকাৰ উপৰিও তেওঁলোকে নিজৰ বাবে হিন্দু নাম ও গ্ৰহণ কৰিছে । এইদৰে তেওঁলোক ক্ৰমে ৰাজপুত সকলৰ জাতি প্ৰস্থিতি লাভ কৰে ।

বহু আদিবাসীয়ে জজমানী সম্বন্ধৰ মাজত নিজকে অন্তৰ্ভুক্ত কৰা দেখা যায় । উদাহৰণ স্বৰূপে— চোতানাগপুৰৰ ওৰাণ সকল আদিবাসী সম্প্ৰদায়ৰ যদিও তেওঁলোকে নিজক কুৰুখ বুলি নামাকৰণ কৰিছে আৰু গো ভাষাৰ সাদৃশ্য থকা দ্ৰাবিড় ভাষা কয় । হিন্দু জাতিৰ নিচিনাকৈ ওৰাণ সকলেও অন্য আদিবাসী সকলৰ লগত এক বিশিষ্ট অৰ্থ সামাজিক সম্বন্ধ ৰক্ষা কৰে । ওৰাণ সকলে সেৱকজাতি বা কামিন সকলৰ সেৱা গ্ৰহণ কৰে । সেয়েহে , জুলাহা আৰু তুৰি সম্প্ৰদায়ে ওৰাণ সকলক কাপোৰ, মাটিৰ পাত্ৰ আৰু ঘৰ সজা সামগ্ৰিৰ যোগান ধৰে । তেনেদৰে লোহাৰ সকলে লোৰসামগ্ৰী মেৰামতি কৰে আৰু নতুন সামগ্ৰীৰ যোগান ধৰে ,তেনেদৰে অন্য কিছুমান আদিবাসী গোট যেনে মাহলি, কোৰা, বনৰাজা, বাইগাছ আদিয়ে চোতানাগপুৰৰ ওৰাণ সকলৰ দৰে আদিবাসী আৰু অন্য জাতিক সেৱাৰ যোগান ধৰে আৰু তেওঁলোকৰ লগত জজমানি সম্বন্ধ থাকে ।নীলগিৰি হিলৰ আদিবাসী সকলৰ লগতও এনেকুৱা জজমানি সম্বৃদ্ধ প্ৰচলিত আছে । সেয়েহে দেখা যায় যে আদিবাসী আৰু জাতিৰ মাজত এক উল্লেখ যোগ্য অন্ত ক্ৰিয়া সমাধা হয় , যদিও এই অন্ত ঃক্ৰিয়া অঞ্চলভেদে বেলেগ বেলেগ ধৰণৰ হয় ।

৮.৩.৩ সাংবিধানিক ব্যৱস্থা ঃ

ব্ৰিটিছৰ সময়ৰ পৰাই , শাসক সকলে মাথোন আদিবাসী অঞ্চলৰ ভূমি ৰাজহ আৰু ভূমি নীতিৰ গতিহে আগ্ৰহী মনোভাৱ প্ৰদৰ্শন কৰিছিল । আদিবাসী সকল প্ৰায়েই পৃথক ভাৱে সমাজৰ পৰা প্ৰায় আঁতৰত বাস কৰিছিল । স্বাধীনতাৰ পিছত স্বাধীন ভাৰতৰ চৰকাৰে এই লোকসকলৰ মঙ্গলৰ বাবে বহুবিলক আঁচনি গ্ৰহণ কৰিছিল ।যিহেতু সমতা আৰু ন্যায় ভাৰতীয় সংবিধানৰ মূল উদ্দেশ্য , সেয়েহে এই নীতি সমূহৰ দ্বাৰা সমাজৰ দুৰ্বল সকলৰ নিৰাপত্তা দিব বিচাৰিছিল বিশেষকৈ অনুসূচিত জাতিৰ নিচিনা পিছপৰা শ্ৰেণীসমূহক ।জাতি ,ৰং , জনমন অঞ্চল বা ধৰ্মৰ ওপৰত ভিত্তি কৰি প্ৰচলিত যিকোনো বৈষম্য ইয়াৰ দ্বাৰা দুৰ কৰিব বিচাৰিছিল । সেয়েহে সেয়েহে সংবিধানে কিছুমান বিশেষ আৰু নিৰ্দিষ্ট ব্যৱস্থাৰ দ্বাৰা এই দুৰ্বল শ্ৰেণীক সাহায্য আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ মঙ্গলৰ ব্যৱস্থা কৰিছিল । ভাৰতীয় সংবিধানৰ দ্বাৰা ব্যৱস্থাপিত সংৰক্ষণমূলক অধিকাৰ সমূহ কিছুমান ভাগত তলত দিয়া ধৰণে প্ৰকাশ কৰিব পাৰি —

শিক্ষা মূলক আৰু সংস্কৃতিক অধিকাৰ(অনুচ্ছেদ নং ১৫(৪),২৯,৪৬,আৰু৩৫০)

অনুচ্ছেদ নং১৫(৪)ঃ ইয়াৰ দ্বাৰা দেশক অনুসূচিত জাতি-জনজাতি (SCs.STs) সকলক শিক্ষানুষ্ঠানত নামভৰ্তিৰ ক্ষেত্ৰত নিম্ন যোগ্যতা মাপক সম্বৰৰ

বাবে বিশেষ আইনৰ ব্যৱস্থা কৰিবলৈ নির্দেশ দিয়ে ।

অনুচ্ছেদ নং২৯ ঃএই অনুচ্ছেদত নাগৰিক সকলৰ যিকোনো শ্রেণীক দেশৰ যিকোনো অঞ্চলত বসবাস কৰাৰ , নিজৰ ভাষাৰ সংৰক্ষণ আৰু ব্যৱহাৰ কৰাৰ , নিজৰ সংস্কৃতি আৰু লিপি সমূহ শিক্ষানুষ্ঠানৰ কার্য্য সূচী ৰ মাজেৰে সংৰক্ষণ কৰাৰ অধিকাৰ প্রচাৰ কৰা হয় ।"

অনুচ্ছেদ নং৪৬ ঃএই অনুচ্ছেদ অনুসাৰে দেশৰ দুর্বল আৰু পিছপৰা শ্রেণী সমূহক বিশেষকৈ অনুসূচিত জাতি আৰু জনজাতি সকলৰ শিক্ষা আৰু অর্থনৈতিক স্বার্থৰ বাবে দেশক বিশেষ অধিকাৰ দিয়া হৈছে । ইয়াৰ দ্বাৰা এই দুর্বল লোক সকলক সামাজিক অন্যায় আৰু অন্য সকলো প্রকাৰৰ শোষণৰ পৰা সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

অনুচ্ছেদ ৩৫০ ঃ ইয়াৰ দ্বাৰা প্রতি ব্যেক্তিকে কোনো সম্প্রদায়ৰ ধাৰণাৰ বাবে ৰাজ্যৰ বা কেন্দ্রীয় শাসিত ৰাজ্যৰ কোনো , বিষয়া বা কর্তিপক্ষক যিকোনো ভাষাৰ মাধ্যমেৰে (ৰাজ্য বা কেন্দ্রীয় শাসিত ৰাজ্যত প্রয়োগ হোৱা)আবেদন জনাব পাৰিব অধিকাৰ প্রদান কৰা হয়।

সামাজিক অধিকাৰ (অনুচ্ছেদ নং ২৩ আৰু ২৪)

অনুচ্ছেদ নং ২৩ ঃ এই আইনৰ দ্বাৰা বন্ধা শ্রমিক পদ্ধতি নিয়ম বিৰুদ্ধ ঘোষণা হয়।

অনুচ্ছেদ নং ২৮ ঃ ১৪বছৰৰ তলৰ শিশু শ্রমিকৰ নিয়োগ , বিশেষকৈ কাৰখানা আৰু অন্য সংকট পূর্ণ নিয়োগ বে আইনী ঘোষণা ।

অর্থনৈতিক অধিকাৰ (অনুচ্ছেদ২৪৪ আৰু২৭৫)

অনুচ্ছেদ ২৪৪ ঃ এই অনুচ্ছেদ অনুসূচিত অঞ্চল বা আদিবাসী অঞ্চল সমূহৰ প্রশাসনীয় ব্যৱস্থাৰ লগত জড়িত ।

অনুচ্ছেদ ২৭৫ ঃ এই অনুচ্ছেদৰ দ্বাৰা সংসদক ৰাজ্য সমূহত বিশেষ আঁচনিৰ দ্বাৰা সুবিধাৰ ব্যৱস্থা কৰিবলৈ নির্দেশ দিয়া হৈছে, যাতে , ইয়াৰ দ্বাৰা অনুসূচিত জনজাতি সকলৰ উন্নতি বা অনুসূচিত অঞ্চলৰ শাসনীয় পৰিস্থিতিৰ উন্নয়নৰ লক্ষ্য ৰখা হৈছে ।

ৰাজনৈতিক অধিকাৰ (অনুচ্ছেদ১৬৪ (১),২৪৩, ৩৩০,৩৩৮আৰু ৩৭১)

অনুচ্ছেদ নং ১৬৪ (১) ঃ ইয়াৰ দ্বাৰা দেশক বা ৰাষ্ট্রক চত্তিশগড় , মধ্যপ্রদেশ , উৰিষ্যা আদি বাক্য অনুসূচিত জনজাতিৰ কাৰণে বিশেষ মন্ত্রালয়ৰ প্রতিষ্ঠা কৰিবলৈ অধিকাৰ দিয়া হৈছে ।

অনুচ্ছেদ ২৪৩, ৩৩০ আৰু ৩৩৮ ঃ লোকসভা আৰু পঞ্চায়তত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি সকলৰ আসন সংৰক্ষণৰ লগত এই অনুচ্ছেদ সমূহ জড়িত হৈ আছে ।

অনুচ্ছেদ ৩৭১ ঃউত্তৰ পূর্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে বিশেষ ব্যৱস্থা সুচীৰ লগত অনুচ্ছেদ জড়িত হৈ আছে ।

এক মহত্বপূর্ণ ৰায়ৰ জৰিয়তে উচ্চতম ন্যায়ালয় ৰ পাঁচ জনীয়া ন্যায়পীঠৰ দ্বাৰা গঠিত কমিটি এখনে নিশ্চয় কৰে যে , এজন ব্যক্তিয়ে ভোগ কৰা অধিকাৰ সুবিধা আৰু লাভ সমূহ কেৱল মাত্র তেওঁৰ নিজা মূলৰজ্য খনতহে লাভ কৰিব পাৰিব অন্য এখন ৰাজ্যত নহয় , যদিও সেইবোৰ অনুসূচিত জাতি-জনজাতিৰ কাৰণে সংৰক্ষিত (অনুচ্ছেদ৩৪১ আৰু৩৪২)

অনুসূচিত জনজাতিৰ কাৰণে কর্ম সংস্থানৰ অধিকাৰ (অনুচ্ছেদ নং১৫ (৪),১৬(৪),৪ক

অনুচ্ছেদ নং১৫ (৪)ঃ এই সূচীৰ জৰিয়তে অনুসূচিত জনজাতিৰ কাৰণে শিক্ষানুষ্ঠন সমূহত আসন সংৰক্ষণ আইন নির্ধাৰিত কৰা হৈছে ।

অনুচ্ছেদ নং ১৬(৪),৪ক ঃ এই সূচীৰ জৰিয়তে অনুসূচিত জনজাতিৰ কর্ম সংস্থান বা চাকৰি আৰু পদোন্নয়নৰ ব্যৱস্থা কৰা হৈছে।

ভাৰতীয় সংবিধানে অনুসূচিত জাতি জনজাতিৰ মঙ্গলৰ কাৰণে পঞ্চম আৰু ষষ্ঠ অধ্যয়নত বিশেষ কিছুমান ব্যৱহাৰ উল্লেখ কৰিছে। সংবিধানৰ পঞ্চম অধ্যায়ত ৰাজ্যৰ কোনো অনুসূচিত অঞ্চল আৰু জনজাতি সমূহৰ প্রশাসনীয় ব্যৱস্থা আৰু নিয়ন্ত্রণৰ ব্যৱস্থা কৰিছে । অনুসূচিত জনজাতি অধ্যুমিত ৰাজ্য মেঘালয়, ত্রিপুৰা, অসম, মিজোৰাম, আদিত সংবিধানৰ পঞ্চম অধ্যয়ৰ কার্যকৰিতা দেখা যায় । এনেদৰে ষষ্ঠ অধ্যায়ত অসমৰ অনুসূচিত অঞ্চল সমূহৰ প্রশাসন ব্যৱস্থাৰ লগত জড়িত। স্থানীয় বিধি বিধান বা মন্ত্রী পৰিষদৰ বাবেও এই ৰাজ্য সমূহক অধিকাৰ দিয়া হৈছে ।

২০০৩ চনৰ ৮৯নং সাংবিধানিক সংশোধনৰ জৰিয়তে , ৩৩৮নং অনুচ্ছেদ এক নতুন অধ্যায় সংযোজন কৰা হৈছে । এই সংশোধন মতে , অনুসূচিত জনজাতিৰ কাৰণে এক জাতীয় আয়োগ স্থাপিত হয় । আয়োগৰ এগৰাকী সভাপতি , এগৰাকী উপসভাপতি আৰু তিনিগৰাকী সদস্য থাকিব । ৰাষ্ট্র পতিয়ে এই সকলোৰে নিয়োগ কৰিব । আয়োগৰ কর্তব্য হল অনুসূচিত জনজাতিৰ সুৰক্ষাৰ বাবে সাংবিধানিক ব্যৱস্থাৰ ভাৰতৰ অনুসন্ধান আৰু মূল্যাংকনৰ ব্যৱস্থা কৰা । তেওঁলোকে সুৰক্ষা মূলক ব্যৱস্থা সমূহ সঠিকভাৱে প্রযোজ্য হৈছে নে নাই ,এনেকুৱা বিষয়সমূহ অনুসন্ধান কৰে। ৰাষ্ট্রপতিক এই অনুসন্ধানৰ ভিত্তিত তেওঁলোকে এক প্রতিবেদন দাখিল কৰিব লাগে। আৰু এই প্রতিবেদন বছৰেকীয়া বা অন্য এক সুবিধা জনক সময়ত দাখিল কৰে আয়োগৰ কর্তব্য হল অনুসূচিত জনজাতিৰ সমস্যা বা আপত্তিসমূহৰ অনুসন্ধান কৰা আৰু তেওঁলোকৰ ন্যায্য অধিকাৰ আৰু সুৰক্ষা প্রাপ্তিৰ ক্ষেত্রত বঞ্চনা হৈছে নেকি তাক পৰীক্ষা কৰা । অনুসূচিত জনজাতিৰ সুৰক্ষা , উন্নয়ন বা অর্থ সামাজিক উন্নয়নৰ বাবে আয়োগে ব্যৱস্থাৰ পৰামর্শ দিব পাৰে। ৩৩৯ (১)নং অনুচ্ছেদ মতে, ৰাষ্ট্রপতিয়ে যিকোনো সময়তে , আৰু সংবিধান প্রাৰম্ভৰ দহবছৰ ৰ অন্তত এখন আয়োগ গঠন কৰি অনুসূচিত আৰু ৰাজ্যৰ অনুসূচিত জনজাতিৰ প্রশাসনীয় ব্যৱস্থাৰ প্রতিবেদন গঠনৰ ব্যৱস্থা কৰিব পাৰে ।

৮.৪ সামৰণি

আদিবাসী বা জনজাতি সকলৰ হকে স্থিৰ কৰা ব্যৱস্থা সমূহৰ তালিকাই এইটো স্পষ্টকৈ দেখুৱাই যে , এই লোক সকলৰ কল্যাণৰ নিমিত্তে লোৱা কার্যসূচী আৰু আঁচনি সমূহৰ মাজেৰে কেন্দ্র আৰু ৰাজ্য চৰকাৰৰ চাহিদা তথা আগ্রহৰ ফলশ্রুতি। যদিও , এই প্রচেষ্টা সমূহৰ ফলাফল মধ্যমস্তৰৰ হে হোৱা দেখা গৈছে। বেছিভাগ আদিবাসী সম্প্রদায়েই আধুনিক সমাজৰ পৰা আঁতৰত, প্রযুক্তি, শিক্ষা আৰু অন্যান্য সুবিধাৰ পৰা আঁতৰত আওহতীয়া ঠাইসমূহত বাস কৰে। বিভিন্ন উন্নয়ন মূলক পৰিকল্পনা আৰু কার্যসূচী সত্ত্বেও তেওঁলোকে এতিয়াও সামাজিক আৰু অর্থনৈতিক ভাৱে উন্নত প্রস্থিতি লাভ কৰিব পৰা নাই আনকি ষষ্ঠ পঞ্চবার্ষিক পৰিকল্পনাৰ তথ্যই দেখুৱাই যে তিনিদশক জোৱা উন্নয়নেও সামাজিক , অর্থ নৈতিক আৰু শৈক্ষিক ভাৱে অনগ্রসৰ শ্রেণীসমূহৰ ওপৰত আশাকৰা ধৰণে প্রভাৱ বিস্তাৰ কৰিব পৰা নাই আনকি বর্তমান সময়ৰ পৰিকল্পনা সমূহৰ মাজতো, উন্নয়ন মূলক কোনো বিশেষ পৰিবর্তন সংঘটিত হোৱা নাই । এই সফলতাৰ কাৰণ সমূহ চালে অশিক্ষিত পৰিচালনাৰ অভাৱ , বহল ক্ষেত্রত বিনিয়োগৰ বাবে তৎপৰতা , পদ্ধতিগত বিলম্ব , তথ্য যোগান প্রক্রিয়াত ত্রুটি , উপযুক্ত পর্যবেক্ষণৰ অভাৱ , প্রশাসনীয় বিভাগৰ মূল্যাংকন তথা অপাৰদর্শিতা আদিকে দেখা যায় । আঁচনি সমূহৰ ফলত কার্য্যকৰিতাৰ বাবে সঠিক ৰাজনৈতিক ইচ্ছা আৰু প্রশাসক সকলৰ অধিকাৰী কার্য্যবদ্ধতাৰ প্রয়োজন। তদুপৰি , ৰাজনৈতিক নীতি ৰ ওপৰত আধাৰিত কৰি অনুসূচিত জনজাতিৰ তালিকা প্রস্তুত কৰণৰ সময়ত অর্থনৈতিক সামাজিক , সংস্কৃতিক মানদণ্ড সমূহ ও গুৰুত্ব দিয়া । উচিত ৰাজনৈতিক প্রতিবন্ধকতা সমূহ বন্ধ নকৰাকৈ এই কল্যাণমূলক আঁচনি সমূহ আৰু কার্য্য সূচী সমূহৰ পৰা কেতিয়াও সন্তোষজনক ফলাফল আশা কৰিব নোৱাৰি । অনুসূচিত সম্প্রদায় সমূহৰ ব্যক্তিগত সমস্যা সমূহৰ বিস্তৃত অধ্যয়ন ও হোৱা উচিত যাতে ই দীর্ঘদিনীয়া সমস্যা সমূহৰ সমাধান আনিব পাৰে । এই অধ্যয়নৰ উদ্দেশ্য অকল সমাজ সমূহৰ নিৰাময়েই নহয় বৰঞ্চ আদিবাসী সম্প্রদায়ৰ সংস্কৃতিক প্রকৃতিৰ ৰক্ষণাবেক্ষণ ও ইয়াৰ লগত জড়িত হৈ আছে ।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতবর্ষৰ কেইটামান আদিবাসী সম্প্রদায়ৰ নাম লিখক।

প্রশ্ন নং ২ ঃ জাতি আৰু জনজাতিৰ এটা সাদৃশ্য ব্যক্ত কৰক ।

প্রশ্ন নং ৩ ঃ জাতি আৰু জনজাতিৰ এটা পার্থক্য লিখক।

প্রশ্ন নং ৪ ঃ ২০০১লোকপিয়ল মতে , ভাৰত বর্ষৰ মুঠ জনসংখ্যা কিমান শতাংশ আদিবাসী সম্প্রদায়ৰ লোক ?

প্রশ্ন নং ৫ ঃ আদিবাসী বা জনজাতিৰ সংজ্ঞা দিয়ক।



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবর্ষ হ'ল অসংখ্যা দেশীয় আদিবাসী লোকৰ নিবাস স্থল বেছিভাগ আদিবাসী লোকেই সামাজিক আৰু অর্থনৈতিক ভাৱে অনগ্রসৰ ।
- কিছুসংখ্যক আদিবাসী সম্প্রদায়ে দেশৰ মূলসূঁতিৰ লগত মিলাকৈ জীৱন ধাৰণৰ মান গ্রহণ কৰিছে যদিও অন্যফালে বেছিভাগ আদিবাসী লোকেই এতিয়াও আদিম পদ্ধতিৰ প্রযুক্তিৰ স্তৰকে অনুকৰণ কৰি আছে । অতি নিম্ন সাক্ষৰতা, দুর্বল অর্থনৈতিক অৱস্থা , স্থিৰ বা নিম্নগতি মুখি উন্নতি এই লোক সমূহৰ বৈশিষ্ট্য সংবিধানৰ।
- অনুচ্ছেদ নং৩৬৬ (২৫) ত অনুসূচিত জনজাতি সকলক সংজ্ঞা দিয়া হৈছে যে "এনেকুৱা আদিবাসী জাতি বা আদিবাসী সম্প্রদায় যিসকলক সংবিধানিক উদ্দেশ্যৰ কাৰণে অনুচ্ছেদ নং ৩৮২ত অনুসূচিত জনজাতি বুলি মান্যতা দিয়া হৈছে।
- অনুসূচিত জনজাতি সমূহ দেশৰ ৩০খন ৰাজ্য। কেন্দ্রী শাসিত অঞ্চলত থকা বুলি অধিসূচীত হৈছে আৰু ব্যক্তিগত শ্বদেশী গোট সমূহৰ সংখ্যা আৰু এইবোৰক অনুসূচিত জনজাতি বুলি আখ্যা দিয়া হৈছে।
- এই অনুসূচিত জনজাতি সমূহৰ বহুবোৰ অর্থ সামাজিক সমস্যা আছে, সেয়েহে সংবিধানে এই সম্প্রদায়ৰ কল্যাণৰ কাৰণে নির্দিষ্ট কিছুমান ব্যৱস্থা গ্রহণ কৰিছে।



৮.৬ অধিক জানিবলৈ

- Bhushan, Vidya and D.R. Sachdeva. An Introduction toSociology. Kitab Mahal, 2014, Print.
- "Sociology Guide-A Student's Guide to Sociology", 2017, Web.http://www.sociologyguide.com/tribal-society/tribal-caste-continuum.php.
- Kumar, B.B. "Tribe-Caste Continumm", Dialogue: A Quarterly Journal of Asha Bharati1.1(July-Sep. 1999). Web. http://www.asthabharati.org/Dia_July99/bbk.htm.



৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভীল, খাচী, গণ্ড, আও, অংগ্রামী, আদিবাসী আদি।

২ নং প্রশ্নৰ উত্তৰ ঃ আদিবাসী আৰু জাতি উভয়ে অন্তবিবাহ প্রথা অনুকৰণ কৰে, কিন্তু বিংশ বা গোত্রৰ ক্ষেত্রত তেওঁলোকে বহির্বিবাহ প্রথা পালন কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জাতি সমাজ এখন বংশানুক্রমিক কিন্তু আদিবাসী সমাজ এখন সমতা বাদৰ ওপৰত প্রতিষ্ঠিত।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৮.৬ শতাংশ

৫ নং প্রশ্নৰ উত্তৰ ঃ আদিবাসীৰ সংজ্ঞা দিছে যে পৰিয়াল কিছুমানৰ সামূহিক গোট, যাৰ এক উমৈহতীয়া নাম আছে, ইয়াৰ সদস্য সকলে এক নির্দিষ্ট ভূখণ্ড অধিকাৰ কৰে, এক উমৈহতীয়া ভাষা কয় আৰু বিবাহ , বৃত্তি বা জীৱিকা সম্বন্ধীয় নির্দিষ্ট কিছুমান নিষিদ্ধ বুলি পালন কৰে আৰু এক সুনির্দিষ্ট পদ্ধতিৰ মাপেৰে পাৰষ্পৰিকতা আৰু অন্য বক্তব্য পৰায়নৰ বজাই ৰাখে।



৮.৭ আৰ্হি প্রশ্ন

প্রশ্ন ২ ঃ ম

(ক)চমু উত্তৰ দিয়া(উত্তৰ সমূহ ১৫০শব্দৰ ভিতৰত)

প্রশ্ন নং১ ঃ আদিবাসী জনসাধাৰণৰ কল্যাণৰ কাৰণে ধার্য্য কৰা গুৰুত্বপূর্ণ সংবিধানিক ব্যৱস্থাবলিৰ উল্লেখ কৰক।

(খ) দীঘলীয়া উত্তৰ প্রশ্ন (উত্তৰ সমূহ ৩০০-৫০০শব্দৰ ভিতৰত)

প্রশ্ন নং১ ঃ আদিবাসী মানে আপুনি কি বুজে ? ইয়াৰ বৈশিষ্ঠ সমূহৰ বিষয়ে বর্ণনা কৰক ।

প্রশ্ন নং২ ঃ আপুনি ভাৱেনে জাতি পদ্ধতিৰ আৰু সামাজিক গতি শীলতাই আদিবাসী সকলক ও প্রভাৱিত কৰিছে ? যদি কৰিছে , কেনেদৰে কৰিছে ব্যাখ্যা কৰক ।

*** ***** ***

অধ্যায় ৯ ঃ জনজাতীয় সমাজৰ সমস্যাৱলী

অধ্যায় গাঁথনি

- উদ্দেশ্য
- পৰিচয়
- জনজাতীসকলৰ সমস্যা ঃ এক আলোকপাত
- ভূমি বিচ্ছিন্নকৰণ
  - কাৰণসমূহ
  - প্রস্তাৱিত প্রতিকাৰ প্রণালী
- জনজাতীয়লোকৰ স্থানচ্যুতকৰণ
  - প্রকৃতি আৰু বিস্তাৰ
  - স্থানচ্যুত হোৱা জনজাতীয়লোকৰ পুনৰ সংস্থাপনৰ বাবে প্রস্তাৱিত নির্দেশাৱলী
- স্বাস্থ্য আৰু পৰিপুষ্টিৰ সমস্যা
  - কাৰণসমূহ
  - প্রস্তাৱিত ব্যৱস্থাসমূহ
- অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
- অধিক জানিবলৈ
- অগ্রগতিৰ খতিয়ানৰ উত্তৰ
- আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জনজাতীয় লোকসকলৰ সমস্যাসমূহ আলোচনা কৰিব পাৰিব।
- জনজাতীয় লোকক ভূমিৰ পৰা বিচ্ছিন্নকৰণৰ সমস্যাটো আলোচনা কৰিব পাৰিব
- জনজাতীয় লোকসকলৰ স্থানচ্যুতকৰণৰ প্রকৃতি আৰু বিস্তাৰ সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- এই সমস্যাসমূহৰ কাৰণসমূহ নির্ণয় কৰিব পাৰিব
- নিৰাময়ৰ বাবে ভাৰত চৰকাৰে গ্রহণ কৰা ব্যৱস্থাসমূহ বর্ণণা কৰিব আৰু মূল্যায়ন কৰিব পাৰিব।

৯.২ পৰিচয়

প্ৰথম অধ্যায়টিত আমি ইতিমধ্যে ভাৰতবৰ্ষৰ প্ৰসঙ্গত, জনজাতিৰ সংজ্ঞা, বৈশিষ্ট্য, তেওঁলোকৰ বাসস্থান আদিৰ বিষয়ে আলোচনা কৰি আহিছোঁ। এই অধ্যায়টিত আমি জনজাতীয় লোকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ আৰু ইয়াৰ সমাধানৰ বাবে লোৱা পদক্ষেপৰ বিষয়ে আলোচনা কৰিম।

৯.৩ জনজাতিসকলৰ সমস্যা ঃ এক আলোকপাত

অতীজৰে পৰা জনজাতিসকলক ভাৰতীয় সমাজৰ এক আদিম অংশ হিচাপে বিবেচনা কৰি অহা হৈছে। প্ৰভাৱশালী চুবুৰীয়াৰ প্ৰভাৱৰ পৰা দূৰৈত তেওঁলোকৰ বাসস্থান স্থাপন কৰাত তেওঁলোক অভ্যস্ত। তেওঁলোকে তেওঁলোকৰ ওচৰ-চুবুৰীয়াৰ লগত কেৱল সাধাৰণ সংযোগহে ৰাখে। বৃটিছ চৰকাৰে আৰম্ভণিতে জনজাতি প্ৰধান অঞ্চলসমূহৰ প্ৰশাসনত হস্তক্ষেপ নকৰা নীতি অনুকৰণ কৰিছিল। কিন্তু লাহে লাহে, তেওঁলোকৰ স্থিতি সুদৃঢ় হোৱাৰ পাছত, চুবুৰীয়া প্ৰভাৱশালী অঞ্চলসমূহৰ নিচিনা একেই নীতি জনজাতিৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব ধৰিলে। তেওঁলোকৰ ভূমিৰ জৰীপ কৰা হ'ল আৰু ৰাজহৰ পৰিমাণ নিৰ্দ্দিষ্ট কৰা হ'ল। যিসকল অভাৱগ্ৰস্থ জনজাতি লোকে ৰাজহ নিয়মিতভৱে দিবলৈ অপাৰগ হ'ল তেওঁলোকে নিজৰ মাটি হেৰুৱালে, যিহেতু এই ভূমিসমূহ অ-জনজাতীয় লোকক নীলামত বিক্ৰী কৰা হৈছিল। এনেদৰে তেওঁলোকে দৈনন্দিন বাসস্থান হেৰুৱালে।

জনজাতীয় অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰশীল। অধিকৃত বেচিভাগ জনজাতীয় ভূমিয়েই অতি কম পৰিসৰৰ নাইবা প্ৰান্তীয় ধৰণৰ হয়। তেওঁলোকক দৰিদ্ৰৰ ভিতৰতেই আটাইতকৈ দৰিদ্ৰ বুলিব পাৰি। বিভিন্ন উদাহৰণৰ পৰা দেখা যায় যে, জনজাতীয় লোকসকলৰ নিৰক্ষৰতাৰ বাবে, তেওঁলোকে চুবুৰীয়া সমাজৰ প্ৰচলিত ব্যৱস্থাৰ লগত পৰিচিত নোহোৱা বাবে তেওঁলোকৰ অসহায়তাৰ সুযোগত বহুতো অ-জনজাতীয় লোকে তেওঁলোকক শোষণ কৰে। তেওঁলোকৰ সমগ্ৰ জীৱন নিৰ্বাহ প্ৰণালী উৎপাদনৰ দুটা আহিলা বননি আৰু ভূমিভাগলৈ গঠিত হয়। কিন্তু, বৰ্তমান এই দুয়োটা সম্পদৰ ওপৰত তেওঁলোকে অধিকাৰ হেৰুৱাই পেলাইছে।

ভূমি সমস্যাৰ প্ৰশ্নটো কেৱল বৰ্তমান পৰিস্থিতিৰেই ফলাফল নহয়। ইয়াৰ উৎপত্তি, জনজাতীয় ভূমিৰ বঞ্চিতকৰণৰ কালৰ পৰা বা বননি ব্যৱহাৰ বা ধ্বংসৰ অধিকাৰ প্ৰত্যাহাৰ কৰাৰ সময়ৰ পৰা আহিব পাৰে। যিবোৰ বননি আইন আৰু নীতিয়ে, বিশ্লেষণাত্মক সমাজ সাংস্কৃতিক দিশৰ পৰা জনজাতীয় জীৱনৰ জ্ঞান লোৱাত অনুত্তীৰ্ণ হৈছিল, সিবিলাকে তেওঁলোকৰ অৰ্থনীতি প্ৰভাৱিত কৰিছিল। যি ভূমি ভাগ, পৰম্পৰাগতভাৱে তেওঁলোকৰ নিজা আছিল আৰু কৃষিকাৰ্য্য কৰিছিল, সেইখিনি নতুন বন নীতিৰ অধীনত "বন ভূমি" (forestlands) হিচাপে শ্ৰেণীভুক্ত কৰা হ'ল। ইয়াৰ ফলত, তেওঁলোক নিজৰ ভূমিৰ ওপৰতেই বহিৰাগত বা বিদেশী আৰু অবৈধ

হৈ পৰিল।

আনহাতে, অজনজাতীয় লোকৰ হাতত, জনজাতীয় লোকৰ ভূমি হস্তান্তৰ কৰাৰ প্রতিকাৰৰ কোনো আইন কানুনৰ অভাৱৰ ফলত বৃহৎ পৰিমাণৰ জনজাতীয় ভূমি হস্তান্তৰিত হ'ল। ইয়াৰ উপৰিও, জনজাতীয় ব্যৱস্থাৰ বাহিৰত আৰু ভিতৰত বিভিন্ন গাঁঠনিক অবয়বৰ সলনিৰ বাবে, আধুনিক গোটসমূহে, জনজাতি গোটসমূহক, হয় ওচৰৰ হাবিলৈ যাবলৈ বা ভূমিহীন শ্রমিক হিচাপে থাকিবলৈ বাধ্য কৰিছিল। যিহেতু মাটিয়েই তেওঁলোকৰ জীৱন নির্বাহৰ একমাত্র উৎস আছিল (যিহেতু আন সম্পত্তিসমূহ অতিশয় দুর্বল), সেয়েহে ধনী ব্যৱসায়ীসকলৰ একতন্ত্র মানি লোৱাৰ বাহিৰে তেওঁলোকৰ আন কোনো বিকল্প নাছিল। মূলতঃ সূদখোৰ মহাজন, ব্যৱসায়ী আৰু সামন্তবাদী বা ধনী কৃষকসকলেই জনজাতিসকলক বেচিকৈ শোষণ কৰিছে। এইটো এটা প্রতিষ্ঠিত সত্য যে, জনজাতিৰ ভূমিখণ্ডৰ এক বৃহৎ পৰিসৰৰ হস্তান্তৰকৰণ হৈছে আৰু আত্মসাৎ কৰা সকল সকলো ক্ষেত্রতেই অ-জনজাতীয় লোক। উৎপাদনৰ নতুন শক্তিয়েই পিছলৈ এই ৰূপ ধ্বংস কৰে। ইয়াৰ ওপৰত মন্তব্য কৰি, পিছপৰা অঞ্চলৰ উন্নতিৰ জাতীয় সমিতিয়ে () কৈছে, "বেচিভাগ অঞ্চলতে, নতুন ঔদ্যোগিক আৰু খনন কার্য্য চলোৱা অঞ্চলসমূহ আৰু বহুতো জলসিঞ্চন প্রকল্প জনজাতীয় অঞ্চলসমূহত অৱস্থিত যাৰ ফলত বিস্তৃত পৰিমাণৰ জনজাতীয় ভূমি হস্তান্তৰ হৈছে।"

৯.৪ ভূমি বিচ্ছিন্নকৰণ

জনজাতীয় লোকক চৰম অভাৱগ্রস্ত কৰাৰ একমাত্র কাৰণ হৈছে তেওঁলোকৰ পৰা ভূমি বিচ্ছিন্নকৰণ কৰা। যিহেতু ভূমি এক ৰাজ্যিক বিষয়, বহুতো ৰাজ্যত ভূমি হস্তান্তৰ ৰোধ কৰিবলৈ আইন বিধিবদ্ধ কৰা হ'ল তথাপিও, জনসাধাৰণে বিভিন্ন ধৰণে এই আইনসমূহ ধৰণে পৰিহাৰ কৰি চলিছিল।

জনজাতীয় লোকসকলৰ বিচ্ছিন্নকৰণ বিভিন্ন ধৰণে হয়। কিছুমান মুখ্য কাৰণ তলত আলোচনা কৰা হ'ল।

৯.৪.১ কাৰণসমূহ

- প্রথমতে ভূমিনথিৰ পৰা কৌশলেৰে জনজাতীয় লোকৰ অধিকাৰ খর্ব কৰা। তেওঁলোকক ভূমিৰ পৰা বিচ্ছিন্ন কৰা হয়। বেচিভাগ ঘটনাতেই জনজাতীয় লোকসমূহ তেওঁলোকে কৃষিকার্য্য কৰা ভূমিভাগৰ আইনগতভাবে স্বীকৃত মালিক নহয়।
- নামবিহীন বা বে-নামী লেনদেন আন এটা পদ্ধতি, যাৰ দ্বাৰা বৃহৎ পৰিমাণৰ জনজাতীয় ভূমি অ-জনজাতীয় লোকৰ হকে হস্তান্তৰ হয়। কেন্দ্রীয় গৃহমন্ত্রালয়ৰ () জৰীপ দলৰ প্রতিবেদনত আঙুলিয়াইদিয়া হৈছে যে, বৃহৎ পৰিসৰৰ 'আদিবাসী ভূমিৰ' মালিকানা বে-আইনী আৰু বেনামী লেনদেন, নাগৰিকৰ ষড়যন্ত্রমূলক পদ্ধতিৰ জড়িয়তে অ-

জনজাতীয়লোকৰ হাতলৈ যাবলৈ অনুমতি দিয়া হয়, য'ত ভূমি মূল মালিকৰ নামত থাকে, কিন্তু তেওঁক আধিয়াৰ পর্য্যায়লৈ নমাই দিয়া হয়।



জানি থোৱা ভাল

'বেনামী লেনদেনৰ' অর্থ হ'ল, যিকোনো লেনদেন য'ত যিকোনো মূল্যৰ বিনিময়ত সম্পত্তি এজনৰ পৰা আনজনলৈ হস্তান্তৰিত কৰা হয়। যাৰ নামত এই হস্তান্তৰকৰণ হয়, সম্পত্তি তেওঁৰ বাবে নহয় বৰঞ্চ লেনদেন প্রক্রিয়াটোত সেই লোকজনৰ কেৱল নামটোহে থাকে আৰু তেওঁ সেই সম্পত্তিত কোনো ক্ষেত্রতে অধিকাৰ লৈ অহাত ব্যর্থ হয়। জনজাতীয় অঞ্চলত এনে বেনামী লেনদন জনজাতীয় লোকৰ নামতহে হয়, যদিও এই লেনদেনৰ আঁৰত যিজন ব্যক্তি থাকে তেওঁ অ-জনজাতীয়ও হ'ব পাৰে। সেয়েহে, যেতিয়া অ-জনজাতীয় লোকে মালিক হিচাপে ভূমি ভাগ ব্যৱহাৰ কৰে, যি জন লোকৰ নামত মাটিৰ হস্তান্তৰকৰণ হয়, সেই ভূমিৰ ওপৰত কেতিয়াবাহে কিবা অধিকাৰ থাকি যায়।

- জনজাতীয় ছোৱালীক বিবাহ কৰাই অ-জনজাতীয় লোকসকলে জনজাতীয় এলেকাৰ ভূমি ভাগৰ মালিকানাস্বত্ব নিজৰ হাতলৈ আনে। বেছিভাগ সময়তেই, জনজাতীয় মহিলাসকল, যিসকল ভূমি আৰু উৎপাদিত সামগ্রীৰ আইনগত মালিক হয়, সাধাৰণতে উপপত্নী হিচাপে থাকে আৰু তেওঁলোকক সম্পত্তি আৰু অধিকাৰ তথা সা-সুবিধাৰপৰা অজনজাতীয় লোকসকলে বঞ্চিত কৰে।
- প্রচলিত ত্রুটিপূর্ণ আইন ব্যৱস্থাৰ বাবেও অ-জনজাতীয় লোকসকলে ন্যায়ালয়ৰ আদেশ স্থগিতকৰণ ব্যৱহাৰ কৰে আৰু আনকি কিছুমান ঘটনাত উচ্চ ন্যায়ালয়ৰ পৰা জনজাতীয় লোকৰ সপক্ষে দিয়া ৰায়ৰ বিৰুদ্ধেও স্থগিতকৰণৰ অনুমতি আদায় কৰে। এনে পুন-স্থাপনকৰণৰ নির্দেশ যাতে বাতিল নহয় তাৰ বাবে পদক্ষেপ লোৱাটো নিশ্চিত কৰিব লাগে।

৯.৪.২ প্রস্তাৱিত প্রতিকাৰ প্রণালী

বাঢ়ি অহা ভূমি বিচ্ছিন্নকৰণৰ প্রতি লক্ষ্য ৰাখি, [illegible] চনৰ ৰাষ্ট্রীয় নীতিৰ খচৰাত (ভাৰতৰ অনুসূচীত জনজাতিৰ বাবে এক নীতি) প্রতিকাৰৰ প্রণালী হিচাপে নিম্নোক্ত পদক্ষেপসমূহৰ প্রস্তাৱ দিয়া হৈছে।

- ৰাজ্যিক ভূমি অ-হস্তান্তৰকৰণ আইন পুংখানুপুংখভাবে পর্য্যালোচনা কৰা হ'ব আৰু ইয়াৰ ত্রুটিসমূহ আঁতৰাবলৈ সংশোধন কৰা হ'ব, যাতে ইয়াক অব্যর্থ আৰু কঠোৰ কৰিব পৰা যায় আৰু পঞ্চায়ত আইন [illegible]ৰ (Extension to the Scheduled Areas) সৈতে মিল খুৱাব পাৰি।



জানি থোৱা ভাল

ভাৰতীয় সংবিধানে, দেশৰ পঞ্চম অনুসূচীৰ (কেতবোৰ জনজাতীয় অঞ্চল) অঞ্চলসমূহৰ ক্ষেত্রত ৮০৮০ চনৰ বলবৎ হোৱাকৈ Provision Panchayat (Extension to the Scheduled Areas) Act 1996 বিধেয়কত অনুমোদন কৰিছে। এই আইন খন বিশেষ ভাবে গুৰুত্বপূর্ণ কিয়নো, ই পঞ্চম অনুসূচীত অঞ্চলৰ গ্রাম সভাক বহল পৰিসৰৰ ক্ষমতা আৰু কতৃর্ত্বৰ সৈতে এক আইনগত মর্য্যদা প্রদান কৰিছে। ৭৩ তম সংবিধানী সংশোধনৰ পাছৰ পৰা এই বিকাশ মূলক দৃষ্টিকোন হেৰাই যায়। এই আইনখনে প্রচলিত ৰীতি-নীতিৰ আইনসমূহ চিনাক্তকৰণৰ বাহিৰেও সকলো প্রাকৃতিক সম্পদ যেনে ভূমি, পানী আৰু বনাঞ্চল অনুসূচীত অঞ্চলত বাস কৰা লোকৰ হাতত ইয়াৰ পৰিচালনা আৰু নিয়ন্ত্রণ অর্পণ কৰে। এই আইনখনে জনজাতীয় অঞ্চলৰ লোকসকলক পুনঃক্ষমতাসম্পন্ন কৰি তোলে আৰু স্বায়ত্ব শাসনৰ এক নতুন পথ দেখুৱায়।

- **কেন্দ্রীয় মন্ত্রালয়ে বিভিন্ন ৰাজ্যিক আইনসমূহত থকা ত্রুটিসমূহ এক তাৎক্ষণিক অধ্যয়ন কৰিব আৰু এক আর্হি আইন প্রণয়ণ কৰিব,** যেনে-- হস্তান্তৰিত ভূমিৰ পুনঃস্থাপন আৰু পিছত হস্তান্তৰিত হোৱাৰ পৰীক্ষা।
- **জনজাতীয় লোকৰ পৰা অ-জনজাতীয় লোকলৈ জনজাতীয় ভূমি পঞ্জীয়ন হোৱা প্রক্রিয়াটো ৰোধ কৰিবলৈ,** ভাৰতীয় পঞ্জীয়ন হোৱা প্রক্রিয়াটো ৰোধ কৰিবলৈ, ভাৰতীয় পঞ্জীয়ন আইন, যিখন সংশোধন কৰা অতি প্রয়োজনীয়।
- **ভূমি পুনঃসংস্থাপনৰ অগ্রগতি**-- হস্তান্তৰ কৰি সমুদায় ভূমিৰ পুনঃসংস্থাপনৰ বাবে বছৰেকীয়া লক্ষ্য নির্দ্ধাৰণ কৰি যত্ন সহকাৰে যাতে চোৱা-চিতা কৰা হয়, তাৰ বাবে ৰাজ্যৰ মুখ্য সচিবৰ স্তৰত এক উচ্চস্তৰীয় ক্ষমতাশালী সমিতি থাকিব, এই সমিতিত অন্ততঃ দুজন সদস্য জনজাতীয় এলেকাত সামাজিক কামত জড়িত থকা সমাজৰ লোক থাকিব লাগিব।
- অনুসূচীত অঞ্চলৰ জনজাতীয় ভূমি হস্তান্তৰকৰণৰ মোকর্দ্দমাসমূহৰ বিচাৰৰ বাবে বিশেষ তাৎক্ষণিকভাবে **নিস্পত্তি কৰিব পৰা ন্যায়ালয়** (Fast-Track) স্থাপন কৰা হ'ব। মামলা মোকর্দ্দমাৰ যিকোনো স্তৰতেই জনজাতীয় লোকক উপযুক্ত আইনী সাহায্য আগবঢ়োৱা হ'ব। ভূমি হস্তান্তৰকৰণৰ মোকর্দ্দমাসমূহ মীমাংসা কৰিবলৈ ৬০ বছৰলৈ এক সময়সীমা নির্দিষ্ট কৰিবলৈ ন্যায়পালিকাক কোৱা হ'ব।
- অনুসূচীত অঞ্চলৰ **ভূমি নথিবদ্ধকৰণ,** কম্পিউটাৰকৰণ আৰু সময় সাপেক্ষে পৰিবর্তন আৰু কৰা হ'ব। যেতিয়া ভূমি জনজাতীয় লোকক বিতৰণ কৰা হ'ব,

ই স্বামী-স্ত্রী দুয়োজনৰেই নামত নথিবদ্ধ কৰা হ'ব বা অকল মহিলাগৰাকীৰ নামত নথিবদ্ধ কৰা হ'ব। অনুসূচীত জনজাতিৰ ভূমিহীন পৰিয়ালক কমেও ▯ হেক্টৰ মাটি আবণ্টন দিবলৈ চেষ্টা কৰা হ'ব।

৯.৫ জনজাতীয় লোকৰ স্থানচ্যুতকৰণ

৯.৫.১ প্রকৃতি আৰু বিস্তাৰ

সাম্প্রতিক কালত, নিজৰ মালিকানাৰ পৰা জনজাতীয় লোকৰ স্থানচ্যুত কৰি ৰাজহুৱা কামত ভূমি অধিগ্রহণ কৰাটো এটা ডাঙৰ সমস্যা হৈ উঠিছে। সম্পদৰ ফালৰ পৰা চহকী দেশৰ বেচিভাগ অঞ্চল জনজাতীয় লোকৰ পৰম্পৰাগত বাসস্থান, আৰু ইয়াক সদায় দেশৰ সম্পদ হিচাপে গণ্য কৰা হৈছে, সেয়েহে ইয়াক দেশৰ উপকাৰিতাৰ হকে ব্যৱহাৰ কৰা হয়। কিন্তু এই পদ্ধতিত, থলুৱা বাসিন্দাৰ অধিকাৰ, মুখ্যতঃ অনুসূচীত জনজাতিসকলক অধিকাৰ আপোচৰ সন্মুখীন হয়। ইয়াৰ বিনিময়ত জনজাতীয় লোকসকলক নামমাত্র আর্থিক ক্ষতিপূৰণ দিয়া হয়। ফলস্বৰূপে জনজাতীয় তেওঁলোকৰ নীতি, পৰম্পৰা, বাসস্থান আৰু সংস্কৃতি ধ্বংস হোৱাৰ অৱস্থা আহি পৰিছে। আর্থিক ক্ষতিপূৰণ যিখিনি জনজাতীয় লোকে পাইছে সেইখিনি কামত লগাকৈ পৰিচালনা কৰিবলৈ তেওঁলোক সক্ষম নাছিল, আৰু ফলস্বৰূপে তেওঁলোকৰ হাতৰ পৰা সদায় পিছলি গৈছিল,-- পৰম্পৰাগত বাসস্থানৰ পৰা স্থানচ্যুতিয়ে তেওঁলোকক যথেষ্ঠ মানসিক আঘাত দিছিল। বাট পথ আৰু নলা-নর্দমা বনাবলৈ ভূমি নিয়মীয়া অধিগ্রহণ, উদ্যোগৰ স্থাপন আৰু ৰাষ্ট্রীয় উদ্যান সংৰক্ষণৰ নামত আৰু পাৰিপার্শ্বিককৰণত জংঘলৰ সংৰক্ষিতকৰণ আদিয়ে **জনজাতীয় লোকক বাসভূমি আৰু মাটি এৰিবলৈ বাধ্য কৰিছিল যিটো তেওঁলোকৰ জীৱিকাৰ মূল আছিল**।

চৰকাৰৰ এক হিচাপ মতে, ▯▯▯চনলৈ প্রায় ▯▯▯লাখ জনজাতীয় লোক কিছুমান বৃহৎ প্রকল্প, জংঘলৰ সংৰক্ষিতকৰণ আৰু ৰাষ্ট্রীয় উদ্যানৰ বাবে স্থানচ্যুত হৈছে। **দেশৰ স্থানচ্যুত হোৱা সর্বমুঠ লোকৰ ৫৫.১৬ শতাংশই** হৈছে জনজাতীয় লোক। জনজাতীয় লোকৰ জীৱিকা পদ্ধতি আৰু আত্মিক বৈশিষ্ট্যত যি অভিজ্ঞতা হৈছে সেইখিনি আর্থিক অনুদানে ক্ষতিপূৰণ কৰিব নোৱাৰে।

নিজ ভূমিৰ পৰা জনজাতীয় লোকক স্থানচ্যুত কৰাটো **সংবিধানৰ পঞ্চম অনুসূচীৰ লঙঘন কৰাৰ নিচিনা** কিয়নো ই তেওঁলোকক জীৱিকা পদ্ধতিৰ বাবে অপৰিহার্য্য প্রাকৃতিক সম্পদৰ মালিকানা স্বত্ব আৰু নিয়ন্ত্রণৰ পৰা বঞ্চিত কৰিছে।

ৰাষ্ট্রীয় জনজাতীয় নীতিয়ে নির্দেশন কৰে যাতে জনজাতীয় লোকৰ স্থনচ্যুতকৰণ নুন্যতম স্তৰত ৰখা হয়। স্থানচ্যুতকৰণ নকৰিবৰ বাবে সকলো দিশ চালি জাৰি চাই উঠাৰ পিছতহে এনে নুন্যতম ব্যৱস্থা লোৱা বাঞ্চনীয়। বৃহত্তৰ স্বার্থৰ

পৰিপ্রেক্ষিতত জনজাতীয় লোকসকলক স্থানচ্যুত অতি বেছি প্রয়োজনীয় হলেহে কৰিব লাগে আৰু স্থানচ্যুত লোকসকলক এক উচ্চ জীৱন নির্বাহৰ মর্য্যদা দিব লাগিব। ৰাষ্ট্রীয় নীতিয়ে, সেয়েহে জনজাতীয় লোকৰ পুনৰ সংস্থাপনৰ পাছত নিম্নোক্ত নির্দেশাৱলীসমূহ পালনৰ নির্দেশ দিছে।

৯.৫.২ স্থানচ্যুত হোৱা জনজাতীয় লোকৰ পুনৰসংস্থাপনৰ বাবে প্রস্তাৱিত নির্দেশাৱলী

- যেতিয়া স্থানচ্যুতি অপৰিহার্য্য হয়, প্রত্যেক জনজাতীয় পৰিয়ালকেই 'মাটিৰ পৰিবর্তে মাটি' নিয়মেৰে ভূমি প্রদান কৰিব লাগিব। নূন্যতম ▯ হেক্টৰ কৃষিপোযোগী মাটি এটা পৰিয়ালৰ (স্বামী-স্ত্রী আৰু তেওঁলোকৰ অবিবাহিত সন্তান) বাবে প্রয়োজনীয় বুলি ধৰা হয়।
- জনজাতীয় লোকৰ প্রাচীন অধিকাৰ,-- যেনে মাছ মৰাৰ অধিকাৰ ইত্যাদি তেওঁলোকৰ নতুন বাসস্থানতো থাকিব লাগিব।
- তেওঁলোকৰ উৎপত্তিস্থলত থকা সংৰক্ষণৰ সা-সুবিধাসমূহ নতুন সংস্থাপিত অঞ্চলতো থাকিব লাগিব।
- বনাঞ্চলৰ পৰা উৎপাদনৰ ৰীতিগত অধিকাৰ আৰু উপস্বত্ব অধিকাৰ হেৰুৱালে প্রায় ডেৰ বছৰৰ ন্যুনতম কৃষি বেতন অতিৰিক্ত আর্থিক সাহায্য হিচাপে দিব লাগিব।
- স্থানচ্যুত হোৱা জনজাতীয় লোকসকল একোটা গোট হিচাপে তেওঁলোকৰ প্রাকৃতিক বাসস্থানৰ ওচৰে পাজৰে সংস্থাপিত কৰিব লাগিব যাতে তেওঁলোকৰ গোষ্ঠীগত ভাষিক আৰু সামাজিক সাংস্কৃতিক চৰিত্র অক্ষুণ্ণ ৰাখিব পাৰে।
- সামাজিক আৰু ধর্মীয় অনুষ্ঠানৰ বাবে বিনামূলীয়া ভূমি প্রদান কৰিব লাগিব।
- যদি পুনঃসংস্থাপন কেৱল মাত্র জিলাৰ পৰা দূৰতহে সম্ভৱ হয়, তেন্তে আর্থিকভাবে যথেষ্ঠ উচ্চ সুবিধা প্রদান কৰিব লাগিব।
- যেতিয়া জনজাতীয় পৰিয়ালসমূহ এটা দল হিচাপে পুনঃসংস্থাপিত হয়, নতুন অঞ্চলত সকলো মৌলিক আমোদ প্রমোদৰ সুবিধা প্রদান কৰিব লাগিব। এইবোৰত অর্ন্তভূক্ত হ'ব ৰাস্তা-ঘাট, বিজুলী, স্বাস্থ্য আৰু নিস্কাষণ ব্যৱস্থা, নিৰাপদ বীজাণুমুক্ত খোৱা পানী, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধা, কম মূল্যৰ দোকান, এটা সামাজিক ভৱন আৰু এটা পঞ্চায়তৰ কার্য্যালয়।

৯.৬ স্বাস্থ্য আৰু পৰিপুষ্টিৰ সমস্যা

কোনো এটা সম্প্রদায়ৰ সামগ্রিক আৰু ব্যক্তিগত স্বাস্থ্য সম্পর্কীয় আচৰণ সেই সম্প্রদায়টোৰ

সংস্কৃতিয়ে নির্ণয় কৰে। এজন ব্যক্তিৰ স্বাস্থ্য সম্পর্কীয় আচৰণ তেওঁৰ বিভিন্ন স্বাস্থ্য সমস্যাৰ উপলব্ধি তাৰে লগতে বিভিন্ন স্বাস্থ্য সেৱা উপলব্ধ কৰোৱা।

বহুলভাৱে বিস্তাৰিত দাৰিদ্রতা, নিৰক্ষৰতা, অপুষ্টি, নিৰাপদ খোৱাপানীৰ অভাৱ, স্বাস্থ্য ব্যৱস্থাৰ অপপর্য্যাপ্ততা, অস্বাস্থ্যকৰ বাসস্থান, নিম্নমানৰ মাতৃ আৰু শিশুৰ স্বাস্থ্য ব্যৱস্থা, ৰাষ্ট্রীয় স্বাস্থ্য পৰিকল্পনাসমূহৰ অনুপযুক্ত বিস্তাৰ আৰু সগোত্রীয় বিবাহ এই সকলোবোৰে জনজাতীয় লোকৰ স্বাস্থ্য বেয়াকৈ প্রভাৱিত কৰিছে। কিছুমান বিশেষ অসুস্থতা যেনে জন্মগত বিসংগতি আদিৰ বাবেও ই দায়ী।

৯.৬.১ কাৰণসমূহ

- দুর্ভগ্যবশতঃ উপযুক্ত স্বাস্থ্য ব্যৱস্থা বেছিভাগ জনজাতীয় অঞ্চলতেই অপর্য্যপ্ত আৰু উপলব্ধ (accessible) নহয়।
- স্বাস্থ্য আৰু বেমাৰৰ লগত জড়িত পৰম্পৰাগত বিশ্বাস, ৰীতি-নীতি আৰু অভ্যাসে তেওঁলোকৰ চিকিৎসা পদ্ধতিৰ নির্বাচনৰ ওপৰত প্রভাৱ পেলায়। প্রত্যেক সাংস্কৃতিক পদ্ধতিতেই স্বাস্থ্য আৰু অসুস্থতা সম্পর্কীয় নিজস্ব ধাৰণা আৰু বিশ্বাস থাকে। সেইমতে, তেওঁলোকৰ নিজা চিকিৎসা প্রণালীও থাকে। ৰীতিগত ব্যৱস্থাৰ পৰা বর্তমানৰ আধুনিক পৃথিৱীলৈ অনাটো অসুবিধাজনক, যেতিয়ালৈ এই বিষয়ত উপযুক্ত প্রচেষ্টা কৰা নাযায়।
- শিক্ষাৰ অভাৱ, নিৰক্ষৰতাৰ সমস্যা আৰু আধুনিক চিকিৎসা পদ্ধতিত ফল পাবলৈ অসচেতনতাও জনজাতীয় লোকক আধুনিক চিকিৎসা পদ্ধতিকৈ আদৰি লোৱাত বাধা প্রদান কৰিছে। সাক্ষৰতা আৰু শিক্ষাই আধুনিক চিকিৎসা পদ্ধতি বোধগম্য কৰাত আৰু এই পদ্ধতি ব্যৱহাৰত সুবিধা প্রদান কৰে।
- বহু জনজাতীয় অঞ্চলত অপর্য্যাপ্ত চিকিৎসা সেৱা আৰু আন আন সা-সুবিধাৰ অভাৱ আৰু য'ত ব্যৱস্থা আছে সেই অনুষ্ঠান চলোৱা লোকসকলৰ জনজাতীয় ৰাইজৰ সম্পর্কে অপৰিপক্ক জ্ঞানৰ বাবে এনে ৰোগীৰ প্রতি কম মনযোগীতা দিয়া হয়।
- আধুনিক চিকিৎসা পদ্ধতি আৰু ঔষধৰ ওপৰত জনজাতীয়সকলৰ আস্থাহীনতা আৰু মানি নোলোৱাৰ বাবে ওপৰত উল্লেখিত কাৰণসমূহেই দায়ী।

ভাৰতবর্ষৰ বহু জনজাতীয় গোটৰ মাজতেই কিছুমান বিশেষ স্বাস্থ্যজনিত সমস্যা আৰু জন্মগত বিসঙ্গতি যেনে-- চিক্‌ল চেল এনিমিয়া, জি -☒ -পি ডি চেল এনজাইম বিসংগতি আৰু সোঁচৰা যৌন ৰোগ আছে। জন্মগত কাৰকৰ বাহিৰেও, অ-স্বাস্থ্যকৰ পৰিবেশ, অজ্ঞানতা, ব্যক্তিগত পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু স্বাস্থ্য শিক্ষাৰ অভাৱ আদিয়েই মুখ্য কাৰণ যিবোৰ বেচিভাগ স্বাস্থ্যজনিত সমস্যাৰ বাবে দায়ী।

ভাৰতবৰ্ষৰ জনজাতীয় আৰু গাঁও অঞ্চল উভয়ৰে মহিলাসকলৰ পৰিপুষ্টি আৰু ৰক্তহীনতা এক মুখ্য সমস্যা। ৰক্তহীনতা অৱসাদৰ নিম্ন প্ৰতিৰোধী, আৰু ই কাম কৰাৰ ক্ষমতা বেয়াকৈ প্ৰভাৱিত কৰে, আৰু আন আন ৰোগে সহজে আক্ৰমণ কৰে। জনজাতীয় খাদ্যসমূহত সাধাৰণতে কেলছিয়াম, ভিটামিন A, B, C ৰাইবোফ্লেভিন আৰু জন্তুৰ প্ৰটিনৰ অভাৱ থাকে।

প্ৰজনন আৰু মাতৃৰ স্বাস্থ্য

একেদৰেই কিছুমান জনজাতীয় গোটৰ মাজত যেনে-- উৰিষ্যাৰ খৰিয়া, গোণ্ড, কুটীয়া খোণ্ড, চাওতাল, জৌনচাৰী ইত্যাদিসকলৰ মাজত অস্বাস্থ্যকৰ জন্ম ব্যৱস্থা দেখা যায়। উদাহৰণ স্বৰূপে-- ৮ তকৈও বেছি প্ৰসৱ ঘৰতেই কোনো বয়সস্থ মহিলাৰ দ্বাৰা কৰোৱা হয়, প্ৰসৱৰ সময়ত কোনো ধৰণৰ বিশেষ প্ৰতিৰোধৰ ব্যৱস্থা লোৱা নহয়, যিয়ে বহুতো সংক্ৰমণৰ আক্ৰমণৰ সম্ভাৱনা বঢ়াই তোলে। এই ব্যৱস্থাসমূহে মাতৃৰ পৰা শিশুলৈ সংক্ৰমিত হ'ব পৰা যেনে-- HIV/AIDS আদিৰ দৰে ৰোগ সংক্ৰমিত হোৱাৰ সম্ভাৱনাও বঢ়াই তোলে।

সংক্ৰমণ প্ৰতিৰোধ কৰা ক্ষমতাত অপুষ্টিয়ে মুখ্য প্ৰভাৱ বিস্তাৰ কৰে, বিশেষকৈ দীৰ্ঘস্থায়ী ৰোগত আৰু গৰ্ভৱতী সময়ত ই স্থায়ী মগজুৰ ক্ষতিসাধনত মুখ্য ভূমিকা লয়। অপুষ্টিৰ উচ্চ পৰিঘটনা কিছুমান আদিম জনজাতীয় গোটৰ মাজত দেখা গৈছিল, যেনে-- ফুলবানিৰ জনজাতীয় গোষ্ঠী, উৰিষ্যাৰ কৰাপুট আৰু সুন্দৰগড় জিলা, ৰাজস্থান আৰু পাজৰচৰ ভিল আৰু গাৰাচিয়া, গুজৰাটৰ ৰাবৰিগ আৰু চাৰানচ আৰু উৰিষ্যাৰ বোন্দাচ। Body Mass Index (BMI), যিটো শৰীৰৰ উচ্চতা হিচাপে ওজন লোৱা হয়, যিয়ে এজন ব্যক্তিৰ শাৰীৰিক স্বাস্থ্যৰ মৰ্য্যদা নিৰ্ণয় কৰে, জনজাতীয় সমাজত অতি নিম্ন আৰু যিটোৱে অপৰিপুষ্টিৰ সমস্যালৈ নিৰ্দেশ কৰে।

এই শতিকাৰ শেষলৈ জনজাতীয় লোকে, বিভিন্ন গছ-লতা আৰু প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰা আন আন বস্তুৰ পৰা আৰু কিছুমান থলুৱা পদ্ধতিৰ দ্বাৰা তেওঁলোকৰ নিজা চিকিৎসা পদ্ধতিৰ উন্নতি সাধন কৰিছে। জনজাতীয় লোকৰ স্ব-জাতীয় ঔষধৰ পদ্ধতিক গোষ্ঠীগত ঔষধ (Ethnomedicine) হিচাপে অভিহিত কৰা হয়। তেওঁলোকৰ ৰোগৰ চিনাক্তকৰণ আৰু চিকিৎসাৰ নিজা পদ্ধতি আছে। কিন্তু, এই ক্ষেত্ৰত দক্ষতাৰ লগতে প্ৰাকৃতিক সম্পদবোৰো দ্ৰুতগতিত নিঃশেষ হৈ আহিছে। ইয়াৰ উপৰিও, পৌৰাণিক পদ্ধতিয়ে বহুতো ৰোগৰ প্ৰতিৰোধ আৰু চিকিৎসা কৰিব নোৱাৰে, যিবোৰ আধুনিক চিকিৎসাত সম্ভৱ। বহুতো চিকিৎসক থকা অনুষ্ঠানলৈ যোৱাৰ নিশ্চিতকৰণ, বাট পথৰ সংযোগৰ লগতে ওচৰ পাজৰৰ গাঁওসমূহলৈ যাতায়তৰ ব্যৱস্থা বহুলভাবে উন্নত কৰাটো প্ৰয়োজনীয়।

৯.৬.২ প্রস্তাৱিত ব্যৱস্থাসমূহ

ৰাষ্ট্রীয় নীতি [illegible] ৰ জৰিয়তে (খছৰা) ব্যৱস্থাসমূহ গ্রহণ কৰিবলৈ প্রস্তাৱ লোৱা হৈছে—

- জনজাতীয় লোকসকলক আধুনিক স্বাস্থ্য যতন প্রক্রিয়ালৈ প্রৱেশৰ পথ সুগম কৰিবলৈ নতুন ব্যৱস্থা বা অনুষ্ঠানৰ সৃষ্টি কৰাৰ প্রয়াস কৰা হ'ব।
- ভাৰতীয় চিকিৎসা পদ্ধতি যেনে আয়ুর্বেদিক আৰু সিদ্ধাৰ সৈতে জনজাতীয় পদ্ধতি আৰু আধুনিক ঔষধৰ সংমিশ্রণত আগবঢ়াই নিয়া হ'ব।
- স্বাস্থ্য কর্মীৰ ওপৰত থলুৱা মর্য্যদাশালী গোটসমূহৰ নিয়ন্ত্রণ। PESA আইন [illegible] মতে, স্বাস্থ্য উপকেন্দ্রসমূহৰ চিকিৎসাৰ সহায়কাৰী কর্মীসকলৰ ওপৰত গ্রামসভাৰ নিয়ন্ত্রণ থাকিব, মাধ্যমিক পর্য্যায়ৰ পঞ্চায়তসমূহৰ প্রধান স্বাস্থ্যকেন্দ্রসমূহৰ চিকিৎসকসকলৰ ওপৰত নিয়ন্ত্রণ থাকিব। একেদৰে কেন্দ্রীয় স্বাস্থ্যকেন্দ্রসমূহৰ কর্মীৰ ওপৰত জিলা পৰিষদৰ নিয়ন্ত্রণ থাকিব।
- নিম্নমানৰ খোৱা পানী আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ বিষয়ে সচেতনতাৰ আৰু অনুন্নত প্রণালীয়েই হ'ল পানীৰ পৰা হোৱা ৰোগৰ মূল উৎস। যিহেতু জনজাতীয় অঞ্চলসমূহ বিশেষ ধৰণৰ ভূ-খণ্ডত অৱস্থিত, গতিকে খোৱা পানীৰ বিশেষ ব্যৱস্থা গ্রহণ কৰা হ'ব। বেছিভাগ জনজাতীয় অঞ্চলতেই যথেষ্ট পৰিমাণৰ বৰষুণ হয়। সমতল অঞ্চলত, কুঁৱা আৰু নলী নাদেই যথেষ্ট পাহাৰীয়া অঞ্চলত, ই উচ্চ পৰিমাণৰ গভীৰ নাদ হ'ব লাগিব।
- চৰকাৰে, অনুসূচীত জনজাতিৰ মাজত স্বাস্থ্যৰ উন্নতি, খোৱাপানীৰ যোগান, পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু স্বাস্থ্যকৰ পৰিবেশৰ কাৰণে যথাসাধ্য চেষ্টা কৰিছে।



অগ্রগতি নিৰীক্ষণ

তলত উল্লেখ কৰাসমূহ শুদ্ধ নে অশুদ্ধ ঃ

ক) ত্রুটিপূর্ণ আইন ব্যৱস্থা জনজাতীয় লোকক ভূমিৰ পৰা বিচ্ছিন্নকৰণ সমস্যাৰ এক দৰকাৰী কাৰণ।

খ) চৰকাৰী প্রণালী আৰু মর্য্যদাশালী ব্যৱস্থাসমূহৰ লক্ষ্য হ'ল সংৰক্ষিত এলেকাত জনজাতীয় ভূমি অ-জনজাতীয় লোকলৈ হস্তান্তৰ কৰাটো নিশ্চিত কৰা।

গ) ৰক্তহীনতা জনজাতীয় মহিলাৰ এক সার্বজনীন সমস্যা।

ঘ) PESA আইনে গ্রাম সভাৰ নিচিনা থলুৱা গোটৰ স্বাস্থ্য কর্মীৰ ওপৰত নিয়ন্ত্রণত বাধা নিষেধ কৰে।

উত্তৰ দিয়ক ঃ

ঙ) জনজাতীয় ভূমি বিচ্ছিন্নকৰণৰ দুটা মুখ্য কাৰণ উল্লেখ কৰক।

চ) ঢেবৰ জৰীপ মতে, কিমান সংখ্যক জনজাতীয় লোক জংঘল সংৰক্ষণ আৰু জাতীয় উদ্যান নির্মাণৰ বাবে উচ্ছেদিত হয় ?



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ভাৰতবর্ষৰ জনজাতীয় লোকসকলৰ সমসাময়িক সমস্যাসমূহৰ ওপৰত দৃষ্টিপাট কৰিলোঁ। ইয়াৰ পৰা এইটো প্রতীয়মান হৈছে যে তেওঁলোকে সন্মুখীন হোৱা অইনবোৰ সমস্যাতকৈ দৰকাৰী সমস্যা হ'ল, অর্থনৈতিক, বিশেষকৈ ভূমি হস্তান্তৰকৰণ, ইয়াৰ পাছতেই হ'ল অভাৱগ্রস্ততা আৰু স্বাস্থ্যজনিত সমস্যাৰ বাহিৰেও ৰীতিগত অভ্যাসৰ হস্তান্তৰকৰণ। ভাৰতবর্ষৰ সংবিধানৰ অধীনত এক ভিন্ন সাংস্কৃতিক, সামাজিক পদ্ধতিত জনজাতীয় আৰু অ-জনজাতীয় লোকসকলৰ দীর্ঘকালীন সাংস্কৃতিক সমন্বয়ে এক নতুন দিশত গতি লৈছে। স্বাধীনতাৰ পৰবর্ত্তী কালছোৱাত জনজাতীয় লোকৰ কাৰণে প্রস্তুত কৰা ৰাজ্যিক নীতি কল্যাণমূলক আছিল আৰু আধুনিক সুবিধা গ্রহণৰ বাবে সুবিধা দিয়া হৈছিল। কিন্তু, এই প্রক্রিয়াটোও কিছু সমস্যাৰ সন্মুখীন হৈছে। জনজাতীয় লোকসকলে সামাজিক আৰু সাংস্কৃতিক দিশত বহুতো সমস্যাৰ সন্মুখীন হৈ আহিছে। ভাৰতীয় সংবিধানে জনজাতীয় লোকসকলক তেওঁলোকৰ অধিকাৰৰ নিশ্চয়তা দিছে। বিভিন্ন চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনি যুগুতাই উলিয়াইছে। জনজাতীয় লোকৰ সমস্যাসমূহ পৰীক্ষা কৰি তাৰ উপশম ঘটোৱাৰ দুটা মূল সহায়ক হ'ল-- PESA আৰু ৰাষ্ট্রীয় জনজাতি নীতি।



৯.৮ অধিক জানিবলৈ

- B.K. Roy Burman Tribal Situation and Approach to Tribal Problems in India, 1996, Rajiv Gandhi Institute for Contemporary Studies, New Delhi.
- G.C. Rath (edt) Tribal Development in India, Sage India, Delhi
- L.P. Vidyarthi Tribal Cultures of India, Concept, Delhi.
- Nadeem Hasnain Tribal India, Palaka Prakashan, Delhi.
- R.S. Mann (edt) Tribes of India: Ongoing Challenges, M.D. Publication Pvt. Ltd. New Delhi.

❁ R.N.Pati & J. Dash Tibal and Indigenous People of India: Problems and Prospects. Aph Publishing Corporations, Delhi.

৯.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

(ঙ) জনজাতীয় লোকৰ ভূমি, জনজাতীয় লোকলৈ বে-আইনীভাবে হস্তান্তৰ আৰু বৃহৎ প্রকল্পসমূহৰ বাবে জনজাতীয় লোকৰ পৰা ভূমি অধিগ্রহণ কৰা হয়।

(চ) [illegible]লাখ

৯.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ জনজাতীয় লোকৰ সমস্যাৰ ওপৰত আলোকপাত কৰক।

প্রশ্ন ২ ঃ জনজাতীয় ভূমি বিচ্ছিন্নকৰণ সমস্যা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ জনজাতীয় ভূমি হস্তান্তৰকৰণৰ কাৰণসমূহ ব্যাখ্যা কৰক। প্রতিৰোধী ব্যৱস্থাসমূহ আলোচনা কৰক।

প্রশ্ন ৪ ঃ জনজাতীয় স্থানচ্যুতিৰ অর্থ কি? জনজাতি স্থানচ্যুতিৰ প্রকৃতি আৰু বিস্তাৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৫ ঃ স্থানচ্যুত হোৱা জনজাতীয় লোকৰ পুনঃসংস্থাপনৰ প্রস্তাৱিত নির্দেশাৱলীসমূহ কি কি?

প্রশ্ন ৬ ঃ জনজাতীয় লোকৰ স্বাস্থ্য আৰু পৰি পুষ্টিৰ সমস্যাৰ মুখ্য কাৰণসমূহ কি? কিছুমান প্রতিৰোধী প্রণালী আগবঢ়াওক।

*** ***** ***

অধ্যায় ১০ ঃ মূল সামাজিক সংস্থাসমূহ

অধ্যায় গাঁথনি

- উদ্দেশ্য
- পৰিচয়
- পৰিয়াল
  - ভাৰতীয় সমাজত যৌথ পৰিয়াল
  - যৌথ পৰিয়ালৰ বৈশিষ্ট্য
  - যৌথ পৰিয়ালৰ সুবিধাসমূহ
  - যৌথ পৰিয়াল পদ্ধতিৰ আসোঁৱাহসমূহ
- পৰিয়ালৰ পৰিৱৰ্তন
  - পৰিয়ালৰ পৰিৱৰ্তনত অৰিহণা যোগোৱা কাৰকসমূহ
- বিবাহ
  - হিন্দু বিবাহ
  - মুছলিম বিবাহ
  - বিবাহৰ পৰিৱৰ্তনৰ ধাৰা
- স্বজন পদ্ধতি
  - উত্তৰ ভাৰতৰ স্বজন পদ্ধতি
  - মধ্য ভাৰতৰ স্বজন পদ্ধতি
  - দক্ষিণ ভাৰতৰ স্বজন পদ্ধতি
  - পূৰ ভাৰতৰ স্বজন পদ্ধতি
  - উত্তৰ আৰু দক্ষিণ ভাৰতৰ স্বজন পদ্ধতিৰ তুলনামলক আলোচনা
- অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ
- অধিক জানিবলৈ
- অগ্রগতিৰ খতিয়ান
- আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতত দেখা পোৱা বিভিন্ন প্রকাৰৰ পৰিয়ালৰ বিষয়ে জানিব আৰু চিনাক্ত কৰিব পাৰিব
- পৰিয়ালৰ পৰিৱৰ্তনৰ অৰিহণা যোগোৱা প্রধান কাৰকসমূহ চিনাক্ত কৰিব পাৰিব

- ভাৰতীয় বিবাহৰ ব্যৱস্থা প্ৰণালী আৰু ইয়াৰ পৰিৱৰ্তনৰ ধাৰাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতীয় সমাজৰ স্বজন পদ্ধতিৰ প্ৰধান দিশসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ আৰু দক্ষিণ ভাৰতৰ স্বজন পদ্ধতিৰ মাজত তুলনা আগবঢ়াব পাৰিব।

১০.২ পৰিচয়

প্ৰথম ষান্মাষিকৰ দ্বিতীয় অধ্যায়ত আমি মূল সামাজিক সংস্থাসমূহ যেনে পৰিয়াল, বিবাহ আৰু স্বজন পদ্ধতি সম্পৰ্কে আলোচনা কৰিছোহঁক। এই অধ্যায়ত আমি ভাৰতীয় সমাজৰ আধাৰত পৰিয়াল, বিবাহ আৰু স্বজন পদ্ধতি সম্পৰ্কে আলোচনা কৰিম। ভাৰতবৰ্ষত সামাজিক সংস্থা হিচাবে পৰিয়াল, বিবাহ আৰু স্বজন পদ্ধতি সাৰ্বজনিক। যিহেতু ভাৰতবৰ্ষ এখন বৈচিত্ৰপূৰ্ণ দেশ; সেয়েহে ইয়াৰ সামাজিক সংস্থাসমূহৰো অঞ্চল, ভাষা, জাতি, ধৰ্ম, শ্ৰেণী তথা জীৱিকাভেদে বিভিন্নতা দেখিবলৈ পোৱা যায়। সেই কাৰণে, ভাৰতবৰ্ষৰ সামাজিক সংস্থাসমূহৰ সাধাৰণীকৰণ কৰিবলৈ অসুবিধা।

১০.৩ পৰিয়াল (FAMILY)

ভাৰতবৰ্ষত পৰিয়াল সদায় এটি অত্যাৱশ্যকীয় আৰু প্ৰয়োজনীয় প্ৰাথমিক গোট হিচাপে পৰিগণিত হৈ আহিছে। সাধাৰণতে পৰিয়াল বুলিলে মাক-দেউতাক আৰু তেওঁলোকৰ সন্তানক লৈ গঠিত গোটকে বুজায়। আমি এনেদৰেও ক'ব পাৰো যে পৰিয়াল হ'ল সম্বন্ধীয় মানুহ আৰু তেওঁলোকৰ দ্বাৰা আশ্ৰিত (Dependent) ব্যক্তিসকলৰ দ্বাৰা একে গৃহস্থীৰ সৃষ্টি কৰা গোট। সাধাৰণতে তেওঁলোকে একে বাসগৃহতে বসবাস কৰে, সদস্যসকলৰ মাজত পাৰস্পৰিক অধিকাৰ আৰু কৰ্তব্য বিৰাজ কৰে।

ভাৰতীয় সমাজৰ প্ৰসংগত আমি সাধাৰণতে দুই প্ৰকাৰৰ পৰিয়াল পাওঁ, একক পৰিয়াল আৰু যৌথ পৰিয়াল। একক পৰিয়ালৰ আটাইতকৈ জনপ্ৰিয় সংজ্ঞা এনেধৰণৰ— *'এজন ব্যক্তি, তেওঁৰ পৰিবাৰ আৰু তেওঁলোকৰ অবিবাহিত সন্তানৰ দ্বাৰা গঠিত হোৱা এটা সৰু গোট।'* যৌথ পৰিয়াল হৈছে মাক-দেউতাক, তেওঁলোকৰ সন্তান আৰু অন্যান্য বিবাহ বা তেজৰ দ্বাৰা সম্বন্ধীয় লোকৰ সমষ্টিগত গোট। অন্যান্য সদস্যসকলৰ ভিতৰত মাক✕দেউতাকৰ ফালৰ আত্মীয় (Siblings) আৰু তেওঁলোকৰ পৰিয়ালেই অন্যতম। কেতিয়াবা আকৌ 'বৰ্ধিত পৰিয়াল' অৱধাৰণাটোও (Term) 'যৌথ পৰিয়ালৰ' পৰিপুৰক হিচাপে ব্যৱহাৰ কৰা হয়। ভাৰতত মূল সামাজিক সংস্থা হিচাপে যৌথ পৰিয়ালে বিশেষ ভূমিকা পালন কৰি আহিছে।

১০.৩.১ ভাৰতীয় সমাজত যৌথ পৰিয়াল (Joint Family in India)

ভাৰতীয় সমাজত যৌথ পৰিয়াল ব্যৱস্থাটো বিশেষ প্ৰকৃতিৰ। সমাজ বিজ্ঞানী

ইৰাৱতী কার্ভেৰ মতে, *'যৌথ পৰিয়াল হৈছে কিছুমান ব্যক্তিৰ দ্বাৰা গঠিত এটা গোট, যিসকলে সাধাৰণতে একেটা ঘৰতে বাস কৰে, একে ৰান্ধনি শালৰ আহাৰ গ্ৰহণ কৰে, উমৈহতীয়া সম্পত্তি থাকে, উমৈহতীয়া ধৰ্মীয় উপাসনাত অংশ গ্ৰহণ কৰে আৰু ইজনে সিজনৰ লগত কিছুমান বিশেষ ধৰণৰ স্বজন সম্পৰ্কৰে জড়িত।'* সন্মিলিত (Corporate) বৈশিষ্টৰ ফালৰ পৰা কার্ভেৰ সংজ্ঞাই যৌথ পৰিয়ালৰ এক আদৰ্শমূলক ছবি দাঙি ধৰিছে। যেতিয়া এটি যৌথ পৰিয়াল ককাক-আইতাক, মাক-দেউতাক আৰু নাতি-নাতিনীৰে গঠিত হয়, তেতিয়া তাক **স্বগোত্রীয়** (Lineal) যৌথ পৰিয়াল বুলি কোৱা হয়। যেতিয়া বিবাহিত ককাই-ভাই, তেওঁলোকৰ পত্নী আৰু সন্তানৰ সৈতে একেলগে বসবাস কৰে তেতিয়া তাক **পাৰ্শ্বীয়** (Lateral) যৌথ পৰিয়াল বুলি কোৱা হয়। তদুপৰি পিতৃয়াত্মক যৌথ পৰিয়ালৰ দৰে মাতৃয়াত্মক যৌথ পৰিয়ালো পোৱা যায়।

১০.৩.২ যৌথ পৰিয়ালৰ বৈশিষ্ট্য (Features of Joint Family)

যৌথ পৰিয়ালৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্টসমূহ তলত উল্লেখ কৰা ধৰণৰ—

- **উমৈহতীয়া বাসস্থান ঃ** সাধাৰণতে, যৌথ পৰিয়ালৰ সদস্যসকল একেটা ঘৰতে বসবাস কৰে। যৌথ পৰিয়াল এটা ককাক-আইতাক, মাক-দেউতাক আৰু তেওঁলোকৰ সন্তানসকলক লৈ দুই বা ততোধিক প্ৰজন্মৰে গঠিত হয়।
- **উমৈহতীয়া ৰান্ধনিশাল ঃ** যৌথ পৰিয়ালৰ সকলো সদস্যই উমৈহতীয়াভাৱে তৈয়াৰ কৰা ৰান্ধনিশালৰ খাদ্য গ্ৰহণ কৰে। একে বাসস্থানত বসবাস কৰি যদিহে সদস্যসকলে একে ৰান্ধনিশালৰ খাদ্য গ্ৰহণ নকৰে, তেন্তে তেনে পৰিয়ালক যৌথ পৰিয়াল বুলি গন্য কৰা নহয়।
- **সম্পত্তিৰ যৌথ মালিকীস্বত্ব ঃ** যৌথ পৰিয়ালৰ আন এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট হ'ল সম্পত্তিৰ যৌথ মালিকীস্বত্ব। পৰিয়ালৰ মুৰব্বীজনে তত্ত্বাৱধায়কৰ ৰূপত (Trustee) পৰিয়ালৰ সম্পত্তি পৰিচালনা কৰে। প্ৰতিজন সদস্যৰ দ্বাৰা উপাৰ্জিত সামুহিক আয় পৰিয়ালৰ ব্যয়ৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।
- **উমৈহতীয়া ধৰ্মীয় বিশ্বাস আৰু ৰীতি ঃ** যৌথ পৰিয়ালৰ সদস্যসকলে উমৈহতীয়াভাৱে একে ধৰ্মীয় বিশ্বাস মানি চলে। প্ৰত্যেক পৰিয়ালৰ নিজা ধৰ্মীয় দেৱ-দেৱী থাকে। দক্ষিণ ভাৰতৰ বহুতো অঞ্চলত প্ৰতিটো যৌথ পৰিয়ালৰে পৰম্পৰাগত ভাৱে বংশানুক্ৰমিক অথবা গাঁও বিশেষে নিজা উপাসক দেৱ-দেৱী আছে।
- **কৰ্তৃত্বৰ পৰিচালনা ঃ** যৌথ পৰিয়ালৰ আন এটি বৈশিষ্ট হ'ল যে, ই পৰিয়ালৰ মুৰব্বীজনৰ দ্বাৰা শাসিত হয়। তেওঁৰ আদেশ সাধাৰণতে পৰিয়ালৰ বাকী সদস্যসকলে মানি চলে।
- **পাৰস্পৰিক অধিকাৰ আৰু কৰ্তব্য ঃ** যৌথ পৰিয়ালৰ প্ৰতিজন সদস্যৰে পৰিয়ালৰ

প্রতি পাৰস্পৰিক দায়িত্ব আৰু কৰ্তব্যবোধ থাকে। পৰিয়ালৰ মুৰববীজনৰ বিশেষ কিছুমান অধিকাৰ বা সুবিধা থাকিলেও প্রতিজন সদস্যই তেওঁলোকৰ বয়স, সামাজিক স্থান আৰু সম্বন্ধৰ ভিত্তিত কিছুমান আর্থিক আৰু সামাজিক দায়িত্ব কান্ধ পাতি ল'বলগীয়া হয়।

- **উৎপাদন গোট ঃ** যৌথ পৰিয়াল এক উৎপাদনৰ গোট হিচাপে বিশেষকৈ কৃষিপ্রধান পৰিয়ালবোৰৰ মাজত পৰিচিত। প্রত্যেক সদস্যই একেলগে একে কৃষিভূমিত কাম কৰে। আনকি, শিল্পবিদ্যা জনা কাৰিকৰী পৰিয়ালবোৰত লিংগ, বয়স আৰু পাৰদর্শিতাৰ ভিত্তিত যৌথ পৰিয়ালৰ সদস্যৰ মাজত শ্রম-বিভাজন দেখা পোৱা যায়।

১০.৩.৩ যৌথ পৰিয়ালৰ সুবিধাসমূহ (Merits of Joint Family System)

- **যৌথ পৰিয়াল ব্যৱস্থাই ভূমি বিভাজনত বাধা আৰোপ কৰে ঃ** যৌথ পৰিয়ালৰ এটি বিশেষ সুবিধা হ'ল যে ই পৰিয়ালৰ সম্পত্তি আৰু কৃষিভূমি বিভাজনৰ অনুমতি নিদিয়ে আৰু ইয়াৰ বিশেষ সুৰক্ষা প্রদান কৰে। প্রত্যেক সদস্যই পৰিয়ালৰ সামুহিক লাভালাভ যৌথভাৱে ভোগ কৰিবলৈ আশা কৰে।
- **যৌথ পৰিয়ালত উপযুক্ত শ্রম বিভাজনৰ ব্যৱস্থা আছে ঃ** কৃষি প্রধান আৰু কাৰিকৰী যৌথ পৰিয়ালসমূহত সদস্যসকলৰ মাজত সাধাৰণতে শ্রম-বিভাজনৰ ব্যৱস্থা থাকে। সকলো সদস্যই আর্থিক উৎপাদনত সহায়ৰ হাত আগবঢ়ায়। এইয়া সদস্যসকলৰ সক্ষমতাৰ ভিত্তিতে কৰা হয়।
- **যৌথ পৰিয়াল পদ্ধতিয়ে সদস্যসকলক সুৰক্ষা প্রদান কৰে ঃ** যৌথ পৰিয়ালৰ এটি বিশেষ সুবিধা হ'ল যে, এই পৰিয়াল ব্যৱস্থাই সকলো সদস্যকে সমানে চোৱা চিতা কৰে। যৌথ পৰিয়ালত শিশু, বৃদ্ধ, বিধবা আৰু সহায়হীন আদি সকলোকে প্রতিপালন কৰাৰ ব্যৱস্থা থাকে। যৌথ পৰিয়ালত যিকোনো জটিল সময়ত, যাক অতিকৈ সহায়ৰ প্রয়োজন তেওঁক পৰিয়ালৰ সকলো সদস্যই সহায়ৰ হাত আগবঢ়ায়।
- **যৌথ পৰিয়াল পদ্ধতিয়ে সামাজিক নিয়ন্ত্রণত এক ফলদায়ক প্রতিনিধি হিচাপে সেৱা আগবঢ়ায় ঃ** এটি যৌথ পৰিয়ালৰ অন্তর্ভুক্ত প্রতিজন সদস্য তেওঁলোকৰ জ্যেষ্ঠসকলৰ সতর্ক নজৰত থাকে। কনিষ্ঠসকলে বয়োজ্যেষ্ঠ সকলৰ পৰা বিভিন্ন প্রকাৰৰ সামাজিক ব্যৱহাৰৰ সম্পর্কে পুংখানুপুংখভাৱে জানি লোৱাৰ সুবিধা পায়। যাৰ জৰিয়তে যৌথ পৰিয়ালে সামাজিক নিয়ন্ত্রণৰ প্রতিনিধি হিচাপে সুচাৰুৰূপে কাম সমাধা কৰিব পাৰে।

১০.৩.৪ যৌথ পৰিয়াল পদ্ধতিৰ আসোঁৱাহ সমূহ (Demerits of Joint Family System)

- **যৌথ পৰিয়াল ব্যৱস্থাই ব্যক্তিৰ ব্যক্তিত্ব বিকাশত বাধা আৰোপ কৰে ঃ** যৌথ পৰিয়ালৰ এক উল্লেখযোগ্য ত্রুটি হ'ল ই সদস্যসকলৰ ব্যক্তিত্ব বিকাশত অসুবিধাৰ সৃষ্টি কৰে। যৌথ পৰিয়ালৰ সদস্যসকল সদায় পৰিয়ালৰ মুৰববীজনৰ নিয়ন্ত্রণৰ অধীনত থাকিব লাগে। মুৰববীজনে লোৱা যিকোনো সিদ্ধান্ত বাকী সদস্যসকলে কেতিয়াও অৱমাননা কৰিব নোৱাৰে। এনেধৰণৰ সম্পর্ক- কর্তৃত্বশীল গাঁথনিয়ে কেতিয়াও সদস্যসকলৰ ব্যক্তিত্ব গঠনত অনুপ্রেৰণা নোযোগায়।
- **মহিলাসকলৰ স্থান নিম্ন মানৰ হয় ঃ** যৌথ পৰিয়াল পদ্ধতিত সাধাৰণতে মহিলাসকলে নিজৰ পৰিচয় হেৰুৱাবলগীয়া অৱস্থা হয়। মহিলাসকলে প্রায় গোটেই দিনটো কাম কৰে কিন্তু নিজৰ প্রাপ্যখিনি নাপায়। তেওঁলোকে পৰিয়ালৰ সিদ্ধান্ত গ্রহণত অংশ ল'ব নোৱাৰে। পৰিয়ালৰ অন্যান্যসকলৰ চোকা নজৰত থাকি মহিলাসকলৰ নিজস্ব গোপনীয়তা ভংগ হয়। এনেবোৰ কথাই পাৰিবাৰিক অসন্তুষ্টিৰ সৃষ্টি কৰে।
- **যৌথ পৰিয়াল পদ্ধতি হ'ল খৰিয়ালৰ উৎস ঃ** যৌথ পৰিয়াল ব্যৱস্থা কেতিয়াবা দণ্ড বা খৰিয়ালৰ উৎস হৈ উঠিব পাৰে। সদস্যসকলৰ মাজত থকা ঘনিষ্ঠতা খুব সোনকালে নাইকিয়া হৈ পাৰিবাৰিক শান্তি ব্যাহত হয়। আনকি কাজিয়াৰ সূত্রপাত হৈ বেলেগে বেলেগে খোৱা-লোৱাৰ ব্যৱস্থা কৰাও দেখা যায়।

১০.৪ পৰিয়ালৰ পৰিৱর্তন (CHANGES IN THE FAMILY)

বর্তমান ভাৰতবর্ষত পৰিয়ালৰ গাঁথনি আৰু কাম-কাজ দুয়োটাতে মন কৰিবলগীয়াকৈ পৰিৱর্তনে দেখা দিছে। গাঁথনিৰ ফালৰ পৰা আজিকালি পৰিয়ালবোৰৰ মুখ্য বৈশিষ্ট্য হৈছে আকাৰত সৰু আৰু সীমিত সদস্যৰে গঠিত; পৰিয়ালকেন্দ্রীক কর্তৃত্ব আৰু শ্রম-বিভাজনৰ অভাৱ।

- আগতে পৰিয়ালবোৰত চাৰি পাঁচোটাকৈ প্রজন্মৰ সদস্যই একেলগে বসবাস কৰিছিল। আজিকালি যৌথ পৰিয়ালসমূহ দুই বা তিনিটা প্রজন্মৰ সদস্যৰেহে গঠিত। যৌথ পৰিয়ালৰ আকাৰ লাহে লাহে সৰু হৈ আহিছে।
- পৰম্পৰাগত যৌথ পৰিয়ালত মহিলাসকলৰ ক্ষেত্রত দমনমূলক নীতি পোষণ কৰা হৈছিল। বর্তমান পৰিয়াল ব্যৱস্থাত দেখা দিয়া পৰিৱর্তনে মহিলাসকলৰ সামাজিক প্রৰিস্থিতিৰো পৰিৱর্তন ঘটিছে। এতিয়া সামাজিকভাৱে সন্মানজনক স্থান লাভ কৰাই নহয় সামগ্রিকভাৱে পুৰুষৰ সৈতে সমান মর্যাদা লাভ কৰিছে।
- স্বাভাৱিকতে যৌথ পৰিয়ালৰ আর্থিক কাম-কাজতো পৰিৱর্তনে দেখা দিছে। পৰম্পৰাগত কৌশল আৰু ঘৰুৱা শিল্পবিদ্যাৰ অভাৱৰ কাৰণে পৰিয়ালে উৎপাদিকা গুণ বিশেষকৈ

হেৰুৱাবলগীয়া হৈছে।

- পৰম্পৰাগত যৌথ পৰিয়ালত ককা আৰু আইতাসকলে শিশুসকলৰ ডাঙৰ-দীঘল কৰাত, আনকি প্ৰাথমিক ভাৱে শিক্ষাদানৰ দৰে সকলো দায়িত্ব সমাধান কৰিছিল। কিন্তু আজিকালি, এনে দায়িত্ব শিশু সেৱা কেন্দ্ৰ বা সংস্থাসমূহৰ হাতলৈ হস্তান্তৰিত হৈছে।
- যৌথ পৰিয়ালত শাৰীৰিকভাৱে অক্ষম, মানসিকভাৱে বাধাগ্ৰস্ত, বয়সস্থ আৰু ৰোগগ্ৰস্ত সদস্যসকলৰ সামাজিক সুৰক্ষাৰ ব্যৱস্থা আছিল। কিন্তু, আজিকালি পৰিয়ালসমূহে পৰিয়ালৰ সকলো সদস্যকে নিৰাপত্তা প্ৰদান কৰাত অপৰাগ। ইয়াৰ প্ৰতিকাৰ হিচাপে বৃদ্ধাবাস, তথা মানসিক বাধাগ্ৰস্তসকলৰ বাবে বিশেষ গৃহৰ জৰিয়তে পাৰিবাৰিক দায়িত্ববোধ সম্পন্ন কৰা হয়।
- আজিকালি পৰিয়ালৰ উপাৰ্জন সৱলীকৰণৰ কাৰণে বিভিন্ন কাৰিকৰী প্ৰশিক্ষণ কেন্দ্ৰ আৰু বৃত্তিমুখী শিক্ষানুষ্ঠানৰ জৰিয়তে জীৱিকা সম্পৰ্কীয় প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা হয়।

১০.৪.১ পৰিয়াল পৰিৱৰ্তনৰ অন্তনিৰ্হিত কাৰকসমূহ (Factors Responsible for Change in the Family)

ভাৰতীয় পৰিয়াল ব্যৱস্থা বিভিন্ন কাৰকৰ প্ৰভাৱত পৰিৱৰ্তনৰ সন্মুখীন হৈছে। এনে বিভিন্ন কাৰকৰ ভিতৰত শিক্ষা, আইন, নগৰীকৰণ, উদ্যোগীকৰণ আদিয়ে পৰিয়ালৰ পৰিৱৰ্তনত বিশেষ ভাৱে প্ৰভাৱ পেলাইছে।

- **শিক্ষা ঃ** শিক্ষা হ'ল এটি প্ৰধান কাৰক যি পৰিয়াল গাঁথনি আৰু ভূমিকাৰ পৰিৱৰ্তনত বিশেষ ভাৱে প্ৰভাৱ পেলাইছে। শিক্ষাই কেৱল আকাৰ, ৰেহ-ৰূপ, বিশ্বাস, প্ৰমূল্য আৰু ভাবাদৰ্শতে পৰিৱৰ্তন অনা নাই; ব্যক্তিবাদতো উৎসাহিত কৰিছে। নাৰী সম্পৰ্কীয় নতুন ভাৱাদৰ্শ সৃষ্টি কৰাত শিক্ষাই বিশেষ প্ৰভাৱ পেলাইছে। বিভিন্ন সেৱা খণ্ডত নিয়োগৰ সুযোগ লাভৰ কাৰণে শিক্ষা ব্যৱস্থাই এক বৃহৎ সংখ্যক মহিলাক সহায় কৰিছে। যেতিয়াই আৰ্থিকভাৱে মহিলাসকল স্বাৱলম্বী বা স্বাধীন হোৱাৰ লগে লগে তেওঁলোকৰ মাজত সামাজিক ভূমিকা আৰু সামাজিক গুৰুত্ব সম্পৰ্কেও নতুন চেতনা জাগ্ৰত হৈ উঠে। পৰম্পৰাগত যুটীয়া পৰিয়ালত শিক্ষাই বিশেষ পৰিৱৰ্তন সূচনা কৰিবলৈ সক্ষম হৈছে। শিক্ষিতসকলৰ মাজত একক পৰিয়াল ব্যৱস্থা বেছি জনপ্ৰিয় হোৱা দেখা যায়।
- **উদ্যোগীকৰণ ঃ** পৰিয়ালৰ আৰ্হি বা চানেকিত প্ৰভাৱ পেলোৱা আন এটি গুৰুত্বপূৰ্ণ কাৰক হ'ল উদ্যোগীকৰণ। আজিকালি গাঁৱৰ পৰা নগৰ অঞ্চললৈ মানুহৰ প্ৰব্ৰজন, ভাৰতীয় নগৰসমূহৰ এক সাধাৰণ বৈশিষ্ট বুলি ক'ব পাৰি। নগৰীয়া জীৱনে ব্যক্তিক সকলো দিশতে স্বাধীনতা প্ৰদান কৰে আৰু পৰম্পৰাগত সামাজিক প্ৰমূল্যসমূহ নগৰীয়া জীৱনত অপ্ৰয়োজনীয় বুলি ধাৰণা কৰা হয়। নগৰীয়া জীৱনে মহিলাক গতানুগতিক জীৱনৰ পৰা অব্যাহতি দিয়ে। তেওঁলোকে লিঙ্গ বিষয়ক

বৈষম্যমূলক আচৰণৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সক্ষম হয়।

- **নগৰীকৰণ ঃ** সাধাৰণ অৰ্থত, নগৰীকৰণে সমাজৰ প্ৰকৃতিৰ পৰিৱৰ্তনত বিশেষভাৱে সহায় কৰে আৰু বিশেষকৈ পৰিয়ালৰ পৰিৱৰ্তন আনে। পৰিয়াল, যাক আগতে উৎপাদন আৰু উপভোগৰ এক প্ৰধান গোট হিচাপে গন্য কৰা হৈছিল, এতিয়া কম-বেছি পৰিমানে কেৱল উপভোগৰ গোটলৈ সংকুচিত হোৱা দেখা গৈছে। বহুক্ষেত্ৰত, ঘৰুৱা উদ্যোগ বা কাৰখানাৰ সম্প্ৰসাৰণৰ লগে লগে যৌথ পৰিয়ালৰ লগত জড়িত পৰম্পৰাগত হস্তশিল্প আৰু ঘৰুৱা উদ্যোগ, শিল্পবোৰ ধ্বংসমুখী হৈছে। ইয়াৰ কাৰণে উজ্জ্বল ভৱিষ্যত আৰু উপযুক্ত পৰিয়ালৰ যুৱক-যুৱতীয়ে জীৱিকাৰ সন্ধানত নিজকে নিয়োজিত কৰা দেখা গৈছে। ইয়াৰ ফলত স্বজন পদ্ধতি আৰু জীৱিকাৰ গাঁঠনিত সংযোগ বিচ্ছিন্ন হোৱা দেখা যায়। তেওঁলোকে স্বাধীন হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিছে। এই অৰ্থনৈতিক স্বাধীনতাই উপাৰ্জনক্ষম কৰি তোলা সদস্যসকলে পৰিয়ালৰ মুৰব্বীৰ কৰ্তৃত্ব শিথিল কৰি তুলিছে।
- **আইনৰ সুবিধা ঃ** আইনী ব্যৱস্থাই পৰিয়াল পৰিৱৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সময় সাপেক্ষে এক বিশেষ ধৰণৰ কিছুমান আইনী ব্যৱস্থা ভাৰতত সূচনা হৈ আহিছে। ইয়াৰে ভিতৰত বাল্য বিবাহ প্ৰতিৰোধ আইন, হিন্দু বিবাহ আইন, বিধবা পুনৰ বিবাহ আইন, হিন্দু উত্তৰাধিকাৰী আইন, আদি অন্যতম। ভাৰতীয় পৰিয়াল ব্যৱস্থাৰ পৰিৱৰ্তনত এই আইনসমূহে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছে।
- **বিবাহ পদ্ধতিত পৰিৱৰ্তন ঃ** বিবাহৰ বয়স (age at marriage), উত্তৰাধিকাৰী স্বত্ব, বিবাহ বিচ্ছেদ, সন্তান তুলি লোৱা (adoption) আৰু ভৰণ-পোষণ আদিৰ লগত জড়িত আইনসমূহে, বিবাহৰ পৰিৱৰ্তনত মন কৰিবলগীয়া ভূমিকা পালন কৰিছে। প্ৰাপ্তবয়স্ক সকলে বিবাহ দেৰিকৈ কৰাৰ লগতে এই বিষয়ত ব্যক্তিগত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। বিবাহ-সংগী নিৰ্বাচনত মাক-দেউতাকৰ ভূমিকাও বহু পৰিমানে হ্ৰাস পাইছে। বিবাহক এক ধৰ্মীয় বিষয়ৰ সামাজিক উৎসৱ, আনুষ্ঠানিকতা হিচাপেহে গণ্য কৰা হয়।

১০.৫ বিবাহ (MARRIAGE)

বিবাহ এক বিশ্বজনীন সামাজিক সংস্থা। সহজ অৰ্থত বিবাহ হ'ল পুৰুষ আৰু মহিলাৰ মাজত হোৱা এক আইনগত সামাজিক বন্ধন। ভাৰতবৰ্ষত, সাধাৰণতে বিশ্বাস কৰা হয় যে, বিবাহ কেৱল দুজন ব্যক্তিৰ মাজতে নহয়, দুটি পৰিয়ালৰ মাজত সংযোগ স্থাপন কৰা এক ব্যৱস্থা। বিবাহে নিশ্চিতভাৱে সন্তান জন্ম দিয়াৰ অনুমতি প্ৰদান কৰে আৰু সন্তান সকলৰ সামাজিক প্ৰস্থিতি নিৰ্ধাৰণ কৰে।

১০.৫.১ হিন্দু বিবাহ (Hindu Marriage)

হিন্দুসকলে বিবাহক এক সামাজিক সংস্কাৰ হিচাপে গণ্য কৰে। হিন্দু বিবাহৰ মূল উদ্দেশ্য সমূহ হ'ল— ধর্ম (কর্তব্য), প্রজা (সতী-সন্ততি) আৰু ৰতি (সন্তোষ)।

হিন্দু চিন্তাবিদসকলৰ মতে, বিবাহৰ প্রথম আৰু সর্বোচ্চ উদ্দেশ্য হ'ল ধর্ম। বিবাহে এজন মানুহক গৃহস্থ হিচাপে জীৱন যাপন কৰি বিভিন্নধৰণৰ ধর্মীয় কাম-কাজ কৰিবলৈ অনুমতি প্রদান কৰে। এনে ধর্মীয় ৰীতি-নীতি, কাম-কাজ কৰিবলৈ পত্নীৰ উপস্থিতি একান্তই আৱশ্যকীয়। বিবাহৰ আন এটি উদ্দেশ্য হ'ল পুত্র সন্তান লাভ যাৰ জৰিয়তে সন্তানে পিতৃ-মাতৃক নৰক বাসৰ পৰা পৰিত্রান কৰায়। গতিকে, বিবাহৰ প্রাথমিক উদ্দেশ্য হ'ল কর্তব্য পালন, সেয়া হ'ল ধর্ম। দ্বিতীয় উদ্দেশ্য হ'ল সন্তান প্রতিপালন। বিবাহে স্বামী-স্ত্রীক আইনগতভাৱে সন্তান জন্ম দিয়াৰ অনুমতি প্রদান কৰে। বিবাহৰ তৃতীয় উদ্দেশ্য হ'ল যৌন সুখ। গতিকে, হিন্দু বিবাহে ব্যক্তিৰ এনে সুখ-সম্ভোগৰ ওপৰত গুৰুত্ব দিয়ে।

হিন্দু বিবাহ এক পবিত্র অনুষ্ঠান। কিয়নো ই ধর্মীয় কাম-কাজ সম্পূর্ণ পবিত্রভাৱে সম্পন্ন কৰে। এই সকলেবোৰ কাম-কাজ পবিত্র অগ্নি (হোম)ৰ সন্মুখত বৈদিক মন্ত্রোচ্চাৰণৰ দ্বাৰা সমাপন কৰা হয়। হিন্দু বিবাহ পবিত্র বুলি গণ্য কৰা হয়, ই অখণ্ড (Irrevocable) অর্থাৎ স্বামী-স্ত্রীৰ সম্বন্ধ আজীৱন অটুট থাকে। স্বামীয়েই হওক বা পত্নীয়েই হওক কোনেও ইচ্ছামতে, বিবাহ বিচ্ছেদ ঘটাব নোৱাৰে। বিবাহ এনে এক সংস্থা য'ত স্বামী-স্ত্রীৰ মাজত সমগ্র জীৱন যুৰি আপোচ আৰু বুজা-পৰা বর্তি থাকে।

হিন্দু বিবাহ বহিঃবিবাহ আদর্শৰ ওপৰত প্রতিষ্ঠিত। ব্রাহ্মণসকলৰ মতে বহিঃবিবাহৰ গোটসমূহ 'গোত্র' হিচাপে জনা যায়। গোত্র হ'ল এক পৰম্পৰাগত প্রথমজন উপৰি পুৰুষৰ নাম যিটো উত্তৰাধিকাৰী সূত্রে পিতৃৰ পৰা পুত্রই লাভ কৰে। অবিবাহিত যুৱতী বিবাহ নোহোৱা পর্যন্ত দেউতাকৰ গোত্রৰ অধীনত থাকে। বিয়াৰ পাছত স্বামীৰ গোত্রৰ অধীন হয়। একে গোত্রৰ ল'ৰা-ছোৱালীৰ মাজত বিবাহ হ'ব নোৱাৰে।

১০.৫.২ মুছলিম বিবাহ (Muslim Marriage)

সংখ্যাৰ ফালৰ পৰা মুছলিমসকল ভাৰতৰ আটাইতকৈ বৃহৎ সংখ্যালঘু। কোৱা হয় যে, হিন্দুসকলৰ দৰে বিবাহক পবিত্র অনুষ্ঠান বোলাতকৈ মুছলমান সকলে বিবাহক সামাজিক চুক্তি হিচাপেহে মানি লয়। মুছলিম বিবাহৰ গুৰুত্বপূর্ণ লক্ষ্য হৈছে যৌন বাসনা নিয়ন্ত্রণ, গ্রাহস্থ্য জীৱন পালন, সন্তানৰ প্রতিপালন আৰু বংশ চিৰস্থায়ী কৰা। মুছলমানসকলে পবিত্র ধর্মীয় গ্রন্থ কোৰাণৰ নিয়ম মানি বিবাহক ধর্মীয় দায়িত্ব হিচাপে মানি চলে।

মুছলিমসকলৰ মাজত দুই প্ৰকাৰৰ বিবাহৰ প্ৰচলন আছে— ***নিকাহ*** আৰু ***মুটা বিবাহ***। ইয়াৰ ভিতৰত নিকাহ বিবাহ বিস্তৃতভাৱে মুছলিমসকলৰ মাজত প্ৰচলিত। এই বিবাহত পত্নীয়ে বিবাহৰ পাছত স্বামীৰ সৈতে বাস কৰে আৰু স্বামীৰ বংশৰক্ষাৰ কাৰণে সন্তান জন্ম দিয়ে। কিন্তু এই বিবাহ- চুক্তি ভংগ কৰিব পৰা যায়, যাক ***তালাক*** (বিবাহ বিচ্ছেদ) বুলি জনা যায়। মুটা বিবাহ ল'ৰা-ছোৱালী দুয়োপক্ষৰ অনুমতি সাপেক্ষে সম্পন্ন হোৱা এক সম্বন্ধ। এই চুক্তি এক নিৰ্দিষ্ট সময়ৰ বাবেহে বৰ্তি থাকে। কিছুদিনৰ পাছত এই বিবাহৰ অন্ত পৰে। কেতিয়াবা মাত্ৰ কেইদিনমানৰ বাবেহে বৰ্তি থাকে। ইছলাম ধৰ্মই মুটা বিবাহৰ অনুমতি প্ৰদান নকৰে।

মুছলিম বিবাহৰ সৈতে জড়িত আন এটি গুৰুত্বপূৰ্ণ দিশ হ'ল 'মেহৰ' আৰু মুছলিম আইনমতে মেহৰ হ'ল স্বামীৰ ওপৰত নিয়োজিত এক দায়িত্ব বা কৰ্তব্য। ই স্বামীয়ে পত্নীক প্ৰদান কৰা টকা-পইচা, সম্পত্তি অথবা যিকোনো বস্তু হ'ব পাৰে। কেতিয়াবা কেতিয়াবা এই মেহৰ স্ত্ৰী-ধন বা কন্যা-মূল্যৰ সম পৰ্যায়ৰ হয়, কিন্তু ঠিক কন্যা-মূল্য নহয়।

১০.৫.৩ বিবাহৰ পৰিৱৰ্তনৰ ধাৰা (Changing Trends in Marriage)

সময়ৰ পৰিণতিত বিবাহ ব্যৱস্থাত বিভিন্ন পৰিৱৰ্তনে দেখা দিছে। বিবাহৰ বয়স (age at marriage) ক্ৰমান্বয়ে বৃদ্ধি হোৱাই পৰিৱৰ্তনৰ এটা দিশ সূচনা কৰিছে। এটা কথা অনুভৱ কৰা হয় যে, বাল্য বিবাহ (pre puberty marriage) স্বাস্থ্যৰ কাৰণে বিশেষভাৱে হানিকাৰক আৰু খুব বেছি হাৰত বিধবা হোৱাৰ কাৰক। শিক্ষাৰ প্ৰসাৰে বিয়াৰ বয়স বৃদ্ধি কৰাত বিশেষ প্ৰভাৱ পেলাইছে। হিন্দু বিবাহ আইন চনত সূচনা হোৱাৰ পাছৰে পৰা, আৰু বাল্য বিবাহ প্ৰতিৰোধ আইন প্ৰচলন হোৱাৰ পাছৰে পৰা স্পষ্টকৈ ছোৱালীৰ বাবে বছৰ আৰু ল'ৰাৰ বাবে বছৰ বিয়াৰ বয়স নিৰ্ধাৰণ কৰা হয়।

বিবাহ সঙ্গী নিৰ্বাচনৰ ক্ষেত্ৰতো আমূল পৰিৱৰ্তন সূচনা হৈছে। আগতে মাক-দেউতাক আৰু পৰিয়ালৰ বয়োজ্যেষ্ঠসকলে এই বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিছিল। আজিকালি শিক্ষা ব্যৱস্থাই মুকলি কৰা বিভিন্ন সুবিধা আৰু সংস্থাপনে এনে এক সামাজিক পৰিৱেশৰ সৃষ্টি কৰিছে যে ল'ৰা-ছোৱালীয়ে নিজৰ সংঙ্গী নিৰ্বাচনৰ সিদ্ধান্ত নিজে গ্ৰহণ কৰে। এনে অৱস্থাই বিবাহ সম্পৰ্কতো পৰিৱৰ্তন ঘটাইছে। অৰ্ন্ত জাতি বিবাহৰ দৰে অৰ্ন্ত ধৰ্মীয় বিবাহেও লাহে লাহে গা কৰি উঠিছে।

ভাৰতীয় সমাজৰ হিন্দুসকলৰ মাজত বহু পত্নী বিবাহৰ প্ৰচলন আছিল, কিন্তু হিন্দু বিবাহ আইন, প্ৰচলন হোৱাৰে পৰা বহু পত্নী বিবাহক অপৰাধ আৰু এক পতি -পত্নী বিবাহক গ্ৰহণযোগ্য বিবাহ হিচাপে মানি লোৱা হয়। আজিকালি বিবাহক পবিত্ৰ বন্ধনতকৈ চুক্তি হিচাপে গ্ৰহণ কৰাৰহে মনোবৃত্তি বৃদ্ধি পাইছে। উচ্চ হাৰত সম্পন্ন

হোৱা বিবাহ বিচ্ছেদ কেৱল বিবাহৰ পৰিৱৰ্তনতে নহয় অন্যান্য পৰিৱৰ্তনৰ কাৰণেও দায়ী। লাহে লাহে বিধবা বিবাহৰ প্ৰচলনো বৃদ্ধি পাইছে।

বিবাহ ব্যৱস্থাত ইমানবোৰ পৰিৱৰ্তনে দেখা দিয়া স্বত্বেও বৰ্তমান বিবাহ এক বিশ্বজনীন সংস্থা হিচাপে ভাৰতত প্ৰচলিত হৈ আহিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ খালী ঠাই পূৰণ কৰক।

ক) ..... পৰিয়াল ব্যৱস্থাই ভাৰতত মূল সামাজিক সংস্থাৰ সৃষ্টি কৰে।

খ) যেতিয়া বিবাহিত ককাই-ভাই, তেওঁলোকৰ পত্নী আৰু সন্তানসকল একেলগে বাস কৰে, তাক..... যৌথ পৰিয়াল বুলি জনা যায়।

গ) হিন্দুসকলে বিবাহক এক ..... বুলি গণ্য কৰে।

ঘ) ..... আৰু ..... মুছলিমসকলৰ মাজত প্ৰচলিত দুই প্ৰকাৰৰ বিবাহ।

ঙ) যৌথ পৰিয়াল ব্যৱস্থা হ'ল ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ এটি .....।

১০.৬ স্বজন পদ্ধতি (KINSHIP)

স্বজন হ'ল এক গুৰুত্বপূৰ্ণ সামাজিক বন্ধন। স্বজন বুলি ক'লে তেজ (সগোত্ৰীয়) আৰু বিবাহ (বৈবাহিক)ৰ জৰিয়তে হোৱা সম্বন্ধসমূহক বুজা যায়। স্বজন বুলিলে তেজ আৰু বিবাহৰ জৰিয়তে সৃষ্টি হোৱা সকলো সম্বন্ধ, যিবোৰ লগ হৈ এক সম্বন্ধৰ জাল গোঁঠনিৰ সৃষ্টি কৰে। স্বজন পদ্ধতি হ'ল এনে এক ব্যৱস্থা যাৰ জৰিয়তে ব্যক্তি আৰু গোটসমূহৰ মাজত এক সংগঠিত ব্যৱস্থাৰ সৃষ্টি হৈ মানৱ সমাজত এক কেন্দ্ৰীয় স্থান অধিকাৰ কৰি আহিছে। ভাৰতীয় সমাজৰ বৈচিত্ৰতাৰ দৰে বিভিন্ন অঞ্চলত, বিভিন্ন প্ৰকাৰৰ স্বজন ব্যৱস্থা প্ৰতিফলিত হোৱা দেখা যায়। ভাৰতত দেখা পোৱা স্বজন পদ্ধতি বৰ্ণনা কৰিবলৈ ইৰাৱতী কাৰ্ভেই চাৰিটা সাংস্কৃতিক ক্ষেত্ৰ চিহ্নিত কৰিছে - উত্তৰ, মধ্য, দক্ষিণ আৰু পূৱ ভাৰত ক্ষেত্ৰ।

২.৬.১ উত্তৰ ভাৰতৰ স্বজন পদ্ধতি (Kinship System in North India)

উত্তৰ ভাৰতত পিতৃ প্ৰধান বংশ বা পৰিয়ালৰ ভিত্তিত সিন্ধি, পাঞ্জাবী, হিন্দী, বিহাৰী, বেংগলী, অসমীয়া আৰু নেপালী স্বজনীয় সংগঠনবোৰক লৈ উত্তৰাঞ্চল গঠিত হৈছে। এই উত্তৰাধিকাৰীত্বই পুৰুষৰ বংশটোকে বুজায়; সেইয়া হ'ল- পিতৃৰ পৰা পুত্ৰলৈ আৰু কেৱল পুৰুষসকলৰ মাজতে সামাজিক প্ৰস্থিতি আৰু সম্পত্তিৰ স্বত্ব হস্তান্তকৰণ। সহজ অৰ্থত এই অঞ্চলৰ লোকসকলে পুৰুষকেন্দ্ৰীক উত্তৰাধিকাৰী স্বত্ব মানি চলে।

এই অঞ্চলৰ জাতি আন্তঃবিবাহ, গোত্ৰ বহিঃবিবাহ আৰু প্ৰাথমিক স্বজনৰ মাজত যৌন সম্পৰ্ক সম্বন্ধীয় ধৰ্মীয় নিষেধাজ্ঞা আদি খুব কঠোৰভাৱে মানি চলে। দেউতাকৰ সম্বন্ধৰ ফালৰ কোনো ল'ৰা-ছোৱালীৰ মাজত বিবাহৰ অনুমতি দিয়া নহয়। উত্তৰ ভাৰতত সাধাৰণতে, বংশগত সম্বন্ধ (lineage) পাঁচোটা বা ছয়টা প্ৰজন্মলৈকে গণনা কৰা হয় আৰু এনে পৰিসৰৰ ভিতৰৰ ব্যক্তিৰ মাজত বিবাহ নিষিদ্ধ। বহুলভাৱে ব্যৱহৃত সংস্কৃত শব্দ 'গোত্ৰ' এটি বহিঃবিবাহী গোট। চাৰি গোত্ৰ নীতি, অৰ্থাৎ এজন মানুহে তেওঁৰ দেউতাকৰ গোত্ৰ, মাকৰ গোত্ৰ, তেওঁৰ দেউতাকৰ মাকৰ গোত্ৰ আৰু মাকৰ মাকৰ গোত্ৰৰ ছোৱালী বিয়া কৰাব নোৱাৰে। এই নিয়ম সাধাৰণতে উত্তৰ ভাৰতৰ ব্ৰাহ্ম আৰু উচ্চ বৰ্ণৰ লোকসকলৰ মাজত প্ৰচলিত আছে। তদুপৰি কিছুমান মধ্যস্থ জাতি (উচ্চ বৰ্ণ আৰু নিম্ন বৰ্ণৰ মাজৰ) নিম্ন জাতিৰ গোত্ৰৰ কেৱল মাক-দেউতাকৰ মাজত এই ব্যৱস্থা প্ৰচলিত হোৱা দেখা যায়।

স্বজন পৰিভাষাটো (terminology) স্বজন সম্পৰ্কৰ ভাষিক পৰিভাষাৰ প্ৰকাশ বুলি কোৱা হয়। উত্তৰ ভাৰতৰ ক্ষেত্ৰত, বক্তাৰ দৃষ্টিকোণৰ পৰা তেওঁৰ সম্বন্ধসমূহ প্ৰকাশ কৰিবলৈ বৰ্ণনাত্মক পৰিভাষা ব্যৱহাৰ কৰা হয়। খুড়া-খুড়ী, সম্বন্ধীয় ভাই-ভনী, আদি সম্বন্ধবোৰে বয়স, বিবাহ, পিতৃ-মাতৃ বংশীয় সম্বন্ধ যথেষ্ট স্পষ্ট। উদাহৰণ স্বৰূপে ছচেৰা (chachera) ভাই বুলিলে দেউতাকৰ ভায়েকৰ (খুড়াকৰ) পুতেকক বুজা যায়। একেদৰে মেমৰা (memra) ভাই বুলিলে মাকৰ ভায়েক(মামা) ৰ পুতেকক বুজা যায়।

১০.৬.২ মধ্য ভাৰতৰ স্বজন পদ্ধতি (Kinship System in Central India)

ৰাজস্থান, মধ্যপ্ৰদেশ, গুজৰাট, কাথিৰাৰা, মহাৰাষ্ট্ৰ আৰু উৰিষ্যাক সামৰি মধ্য ভাৰত গঠিত হৈছে। উত্তৰ আৰু পূৰ অঞ্চলৰ লগত তেওঁলোকৰ সম্পৰ্ক আছে। এই অঞ্চলত— উলম্বিক সহোদৰ (cross cousin) বিবাহৰ প্ৰচলন আছে, যিটো উত্তৰ ভাৰতত দেখা পোৱা নাযায়। উত্তৰ ভাৰতৰ দৰে ইয়াৰো বিভিন্ন জাতিবোৰ বহিঃ বিবাহী গোটত বিভক্ত হৈ থাকে। কিন্তু স্বজন সম্পৰ্কীয় সকলোবোৰ বৈশিষ্ট্য এই অঞ্চলৰ সকলো ঠাইতে দেখা পোৱা নাযায়। উদাহৰণস্বৰূপে ৰাজস্থানৰ জাট সকলে দ্বি-গোত্ৰীয় বহিঃবিবাহ আৰু বনিয়া সকলে চৰ্তু গোত্ৰীয় বহিঃবিবাহ নীতি মানি চলে।

কাথিৰাৰা আৰু গুজৰাটত বিশেষ সানমিহলি ঠলুৰা প্ৰথা আৰু উত্তৰ ভাৰতীয় ৰীতি দুয়োটাই প্ৰচলিত। আনকি বৰ্তমানেও Levirate প্ৰথা বৰ্তি আছে। ব্ৰাহ্মণ, বনিয়া, কুনবিচ আৰু শিল্প বিদ্যা জনা উচ্চ জাতিসকলে উত্তৰ ভাৰতীয় স্বজন ৰীতি মানি চলিলেও কিছুমানে দক্ষিণ ভাৰতীয় নীতিহে গ্ৰহণ কৰে। কিছুমান জাতিৰ মাজত উলম্বিক সহোদৰ (cross Cousin) বিবাহো প্ৰচলন হোৱা দেখা যায়।

মধ্য ভাৰতৰ মহাৰাষ্ট্ৰৰ মুঠ জনসংখ্যাৰ প্ৰায় আধা অংশই হ'ল মাৰাঠা আৰু কুনবিচসকল। তেওঁলোকে নিজকে ক্ষত্ৰিয় হিচাপে পৰিচয় দিয়ে। মহাৰাষ্ট্ৰৰ মধ্য অঞ্চলত

অনুলোম বিবাহ (hypergamy) আৰু গোত্ৰ বহিঃবিবাহৰ প্ৰচলন আছে। দক্ষিণ মহাৰাষ্ট্ৰত উলম্বিক সহোদৰৰ (cross cousin) আৰু সমান্তৰাল সহোদৰ (parallel cousin) দুয়োধৰণৰ বিবাহৰ প্ৰচলনৰ উদাহৰণ আছে।

১০.৬.৩ দক্ষিণ ভাৰতৰ স্বজন পদ্ধতি (Kinship System in South India)

কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, তামিলনাড়ু আৰু কেৰালাক সামৰি দক্ষিণ ভাৰত গঠিত হৈছে, য'ত ভাষা হৈছে দ্ৰাবিড়ীয়। এই অঞ্চলত আমি অতি সাধাৰণ ধৰণৰ স্বজন ব্যৱস্থা দেখা পাওঁ। তদুপৰি মাতৃয়াত্মক উত্তৰাধিকাৰী ব্যৱস্থাৰ বাবে কেৰালা আনতকৈ পৃথক।

এই অঞ্চলত পিতৃয়াত্মক (patrilineal) আৰু পিতৃস্থানিক (patrilocal) দুয়ো পদ্ধতিৰ আধিপত্য আছে। তদুপৰি কিছু অঞ্চলত বাহাল আছে মাতৃয়াত্মক (matrilineal) আৰু মাতৃস্থানিক (matrilocal) ব্যৱস্থা। কিছুমান জাতিয়ে বহুপত্নী বিবাহৰ অনুমতি প্ৰদান কৰে। কিছুমানৰ আকৌ বহু পতি-পত্নী আৰু বহুপতি দুয়ো বিবাহৰে ব্যৱস্থা আছে। উত্তৰ ভাৰতৰ দৰে জাতি আন্তঃবিবাহ আৰু গোত্ৰ বহিঃবিবাহ দুয়োটা ব্যৱস্থাৰ প্ৰচলন হয়।

দক্ষিণ ভাৰতীয় অঞ্চলত জেঠায়েকৰ (ডাঙৰ বায়েক) জীয়েক, পেহীয়েকৰ জীয়েক আৰু মামাকৰ জীয়েকৰ সৈতে হোৱা বিবাহক অগ্ৰাধিকাৰ দিয়া হয়। কিন্তু তেওঁলোকৰ মাজত সৰু ভনীয়েকৰ জীয়েক, মাহীয়েকৰ জীয়েক, Levirate বিবাহত ধৰ্মীয় নিষেধাজ্ঞা আছে।

এওঁলোকে পৰিভাষামূলক শ্ৰেণী বিভাজনীয় (classificatory) পদ্ধতি মানি চলে। উদাহৰণ স্বৰূপে, 'আতাই' (attai) শব্দটো ফুফি (father's sister) আৰু মামী (mami) দুয়োক্ষেত্ৰতে ব্যৱহাৰ কৰা হয়। 'মামা' শব্দটো পেহাক আৰু মামাক দুয়োকে বুজাবলৈ ব্যৱহাৰ কৰে। বৈবাহিক সম্বন্ধীয় স্বজন (affinal) বুজাবলৈ কোনো বিশেষ পৰিভাষা ব্যৱহাৰ কৰা নহয়।

বিবাহ সম্পৰ্কত যোগাত্মক নীতি মানি চলাতো দক্ষিণ ভাৰতৰ স্বজন ব্যৱস্থাৰ বিশেষ বৈশিষ্ট। তাৰমানে, বিবাহ সম্বন্ধত অগ্ৰাধিকাৰ যুক্ত এক বিশেষ প্ৰকাৰৰ সম্বন্ধ স্পষ্ট ৰূপত পালন কৰা দেখা যায়। বিবাহৰ ক্ষেত্ৰত তিনি প্ৰকাৰৰ সম্বন্ধক অগ্ৰাধিকাৰ দিয়া হয়—

- ভালে কিছুমান জাতিৰ মাজত, এজন ব্যক্তি আৰু তেওঁৰ ডাঙৰ বায়েকৰ জীয়েকৰ সৈতে হোৱা বিবাহক অগ্ৰাধিকাৰ দিযে।। মাতৃয়াত্মক সমাজৰ 'নায়াৰ'সকলৰ মাজত এনে বিবাহৰ অনুমতি নাই।
- আন কিছুমানৰ মাজত, এজন ব্যক্তিয়ে দেউতাকৰ ভনীয়েকৰ জীয়েকক বিয়া কৰাব পাৰে। অথবা ছোৱালীয়ে মামাকৰ ল'ৰাক বিয়া কৰাব পাৰে।

- তৃতীয় প্রকাৰটো হৈছে এজন ব্যক্তিয়ে তেওঁৰ মাকৰ ভায়েক বা ককায়েকৰ জীয়েকৰ সৈতে হোৱা বিবাহ।

এইদৰে দক্ষিণ ভাৰতীয় সমাজত এটি সৰু স্বজনীয় গোটৰ মজতে বিবাহ সম্পন্ন কৰাৰ প্ৰবণতা দেখা যায়।

১০.৬.৪ পূৰ ভাৰতৰ স্বজন পদ্ধতি (Kinship System in Eastern India)

পূৰ ভাৰত এটি সংক্ষিপ্ত অঞ্চল নহয় আৰু ভৌগোলিক ভাৱে ওচৰা ওচৰিকৈ লগ লাগি থকা নাই। তাৰোপৰি এই অঞ্চলৰ মানুহে উত্তৰ ভাৰতীয় ভাষাৰ উপৰিও 'মুণ্ডাৰী' আৰু 'মনখেম'ৰ ভাষা ব্যৱহাৰ কৰে। মুণ্ডাৰী ভাষা কোৱা সকলো লোকেই পিতৃয়াত্মক আৰু পিতৃস্থানীয় হয়। এওঁলোক সকলোবোৰ বহিঃ বিবাহীয় টোটেমীয় (totemistic) গোত্ৰত বিভক্ত। সেইয়া হ'ল একে গোত্ৰৰ অন্তৰ্ভূক্ত ল'ৰা-ছোৱালীৰ মাজত বিবাহ হ'ব নোৱাৰে।

মেঘালয়ৰ খাচীসকল মাতৃয়াত্মক জাতি। উত্তৰাধিকাৰী আৰু বংশানুক্ৰমিক স্বত্ব মাকৰ ফালৰ পৰা নিৰ্ণয় কৰা হয়। পৰিয়ালৰ কনিষ্ঠ ছোৱালীজনীয়ে উত্তৰাধিকাৰীসূত্ৰে সম্পত্তিৰ স্বত্ব লাভ কৰে। অৰ্থাৎ বিয়াৰ পিছত ল'ৰাটো ছোৱালীৰ দেউতাক-মাকৰ ঘৰত থাকিবলৈ লয়।

এওঁলোকৰ মাজত শ্ৰেণী বিভাজিত স্বজন পৰিভাষা (terminology) ব্যৱহৃত হয়। খাচী সম্প্ৰদায়ৰ বৈবাহিক নীতিয়ে মাতৃয়াত্মক উলম্বিক সহোদৰ (cross cousin) বিবাহৰ অনুমতি দিয়ে। কিন্তু, মৃত স্বামীৰ ভায়েকৰ সৈতে (levirate) অথবা মৃত পত্নীৰ ভনীয়েকৰ সৈতে বিবাহ (sororate) ৰ অনুমতি নিদিয়ে। বহু পত্নী আৰু বহু পতি বিবাহৰ প্ৰচলন খাচী সমাজৰ মাজত কেতিয়াও দেখা নাযায়।

১০.৬.৫উত্তৰ আৰু দক্ষিণ ভাৰতৰ স্বজন পদ্ধতিৰ এটি তুলনা (A Comparision of North and South Indian Kinship System)

উত্তৰ ভাৰতৰ স্বজন পদ্ধতি বিবাহৰ ঋণাত্মক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে, দক্ষিণ ভাৰতৰ স্বজন পদ্ধতি যোগাত্মক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। উত্তৰ ভাৰতৰ বৈবাহিক সম্বন্ধ সম্পূৰ্ণ এটি নতুন পৰিয়ালে নাইবা এখন গাঁৱে আন এখন গাঁৱৰ লগত গঢ়ি উঠে। দক্ষিণ ভাৰতত মাক-দেউতাক দুয়োটা ফালৰ সৰু স্বজন গোটৰ মাজত বৈবাহিক সম্বন্ধ ঘটে।

উত্তৰ ভাৰতত গাঁও বহিঃবিবাহ সামাজিক নিয়ম হিচাপে মানি লোৱা হয়। কিন্তু দক্ষিণ ভাৰতত একেখন গাঁৱতে আন্তঃ বিবাহীয় গোটসমূহে বাস কৰে।

উত্তৰ ভাৰতত তেজৰ সম্পৰ্ক থকা আৰু বৈবাহিক সম্পৰ্ক থকাসকলক স্পষ্টকৈ চিনাক্ত কৰিব পাৰি। তেওঁলোকে বৰ্ণনাত্মক প্ৰকৃতিৰ পৰিভাষা ব্যৱহাৰ কৰে।

দক্ষিণ ভাৰতত বৈবাহিক আৰু তেজৰ সম্পৰ্ক বুজাবলৈ কোনো বিশেষ পৰিভাষা ব্যৱহাৰ কৰা নহয়। এওঁলোকে শ্ৰেণী বিভাজিত প্ৰকৃতিৰ পৰিভাষা ব্যৱহাৰ কৰে।

এনেদৰে, বৈবাহিক সম্পৰ্ক, জন্মগত সম্পৰ্ক, আৰু বিশেষকৈ বিভিন্ন প্ৰজন্মৰ বিশেষ স্বজন গোট প্ৰতিস্থাপিত কৰাৰ দিশৰ পৰা দক্ষিণ আৰু উত্তৰ ভাৰতীয় স্বজন পদ্ধতি সম্পূৰ্ণ পৃথক।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সমাজৰ প্ৰসংগত আমি দুই প্ৰকাৰৰ পৰিয়াল দেখা পাওঁ— সেই দুটা হ'ল একক পৰিয়াল আৰু যৌথ পৰিয়াল।
- যৌথ পৰিয়াল ভাৰতীয় সমাজ জীৱনৰ এক অতুলনীয় আৰু অদ্বিতীয় বৈশিষ্ট। বহুতো পৰম্পৰাগত সমাজৰ ই মূল সামাজিক সংস্থা। যৌথ পৰিয়াল হ'ল কেইবাটাও প্ৰজন্ম সামৰি তেজৰ আৰু বিবাহৰ সম্বন্ধৰে সম্পৰ্কযুক্ত একে লগে বসবাস কৰা আৰু এজন মুৰববীৰ অধীনত কাম কৰা সদস্যৰ সমষ্টি।
- কিন্তু বহুতো আন্তঃসম্বন্ধযুক্ত কাৰকৰ প্ৰভাৱত ভাৰতবৰ্ষত পৰিয়াল ব্যৱস্থাৰ মন কৰিবলগীয়া পৰিৱৰ্তন ঘটিছে। বৰ্তমানে পৰিয়ালৰ আকাৰ সৰু হৈছে আৰু কেন্দ্ৰীয় কৰ্তৃত্ব আৰু শ্ৰম বিভাজন নোহোৱা হৈছে।
- ভাৰতৰ প্ৰসংগত, বিবাহ কেৱল দুজন ব্যক্তি, ল'ৰা-ছোৱালীৰে নহয় দুটি পৰিয়ালৰ মাজত সৃষ্টি হোৱা সামাজিক বান্ধোন বুলি বিশ্বাস কৰা হয়।
- হিন্দু বিবাহক পবিত্ৰ সম্বন্ধ বুলি গণ্য কৰা হয়। হিন্দু বিবাহৰ লক্ষ্যসমূহ হ'ল— ধৰ্ম(কৰ্তব্য), প্ৰজা(সতি-সন্তান) আৰু ৰতি(সন্তোষ)। কিন্তু আজিকালি বহুক্ষেত্ৰত হিন্দু বিবাহৰ পৰিৱৰ্তন ঘটিছে।
- মুছলিম বিবাহক সামাজিক চুক্তি বুলি মানি লোৱা হয়। মেহৰ মুছলিম বিবাহৰ সৈতে জড়িত এক গুৰুত্বপূৰ্ণ দিশ।
- অতিশয় বৈচিত্ৰতা থকাৰ কাৰণে ভাৰতৰ বিভিন্ন অঞ্চলত পৃথক পৃথক স্বজন পদ্ধতি দেখা পোৱা যায়।



১০.৮ অধিক জানিবলৈ

1) Beattie, John (1974), *Other culteres*, London : Routledge & Kegan paul.

2) Dube, Leela (1974) *Sociology of kinship*. Bombay : Popular Prakarhan.

3) Madan, T. N. (1965). *Family and kinship : A study of Pandits of Rural Kashmir*, New Delhi : Asia Publishing House.

4) Sharma K L (2008). *Indian Social structure and Change*. New Delhi : Rawat Publications.

5) Uberoi, Patrica (ed.) (1994) : *Family, kinship and Marriage in India*. New Delhi : Oxford University Press.



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) যৌথ খ) পাৰ্শ্বীয় গ) পবিত্র অনুষ্ঠান
ঘ) নিকাহ, মুটা ঙ) বাধা, প্রতিবন্ধক



১০.১০ আহিঁ প্রশ্ন

ক) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ [illegible]টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ভাৰতীয় স্বজন পদ্ধতিৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ ভাৰতৰ পৰিয়াল পৰিৱর্তন সম্পর্কে চমু বিৱৰণ আগবঢ়াওক।

প্রশ্ন ৩ ঃ হিন্দু বিবাহৰ পৰিৱর্তন সম্পর্কে চমুৱাই ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ উদ্যোগীকৰণে পৰিয়াল ব্যৱস্থাত পৰিৱর্তন আনিছে নেকি ?— আলোচনা কৰক।

প্রশ্ন ৫ ঃ 'মুছলিম বিবাহ এক সামাজিক চুক্তি' — আলোচনা কৰক।

খ) দীঘল প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ [illegible] শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ যৌথ পৰিয়াল কি ? ভাৰতৰ যৌথ পৰিয়াল ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ যৌথ পৰিয়ালৰ সুবিধা আৰু অসুবিধা সমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতত পৰিয়াল ব্যৱস্থাৰ প্রভাৱান্বিত কৰা কাৰকসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ দক্ষিণ ভাৰতীয় আৰু উত্তৰ ভাৰতীয় স্বজন পদ্ধতিৰ তুলনা কৰক ।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰতীয় সমাজ ব্যৱস্থাত শিক্ষা আৰু অর্থনীতি

অধ্যায় গাঁথনি

- উদ্দেশ্য
- পৰিচয়
- ভাৰতবর্ষৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থা
  - বৈদিক যুগ
  - বৌদ্ধিক যুগ
  - মধ্য যুগ
- ভাৰতবর্ষত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ উদয়
  - প্ৰাক্ স্বাধীনতা কালৰ শিক্ষা ব্যৱস্থা
  - স্বৰাজোত্তৰ কালত শিক্ষাৰ বিকাশ
  - ৰাষ্ট্ৰীয় শিক্ষা নীতি
- সাম্প্ৰতিক কালৰ বৃত্তিগত গাঁথনি
- নগৰীয়া আৰু জনজাতীয় অর্থনীতিৰ বৈশিষ্ট্য
  - নগৰীয়া অর্থনীতিৰ বৈশিষ্ট্য
  - জনজাতীয় অর্থনীতিৰ বৈশিষ্ট্য
- অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
- অধিক জানিবলৈ
- অগ্ৰগতিৰ নিৰীক্ষণ
- আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ বিষয়ে জানিব পাৰিব
- শিক্ষাৰ সামাজিক দিশৰ বিষয়ে বুজিব পাৰিব
- শিক্ষাৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- শিক্ষা আৰু সমাজ ব্যৱস্থাৰ পাৰস্পৰিক সম্বন্ধ ব্যাখ্যা কৰিব পাৰিব
- জনজাতীয় আৰু নগৰীয় অর্থনীতিৰ কিছু বিশেষ তাৎপর্য বর্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

এই অধ্যায়ত আমি ভাৰতবর্ষত শিক্ষাৰ বিকাশ আৰু প্ৰসাৰৰ বিষয়ে অধ্যয়ন কৰিম।

আৰম্ভণিতে আমি শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত মনোনিবেশ কৰিম। আমি দেশীয় শিক্ষা ব্যৱস্থাৰ পৰা আৰম্ভ কৰি স্বাধীনোত্তৰ কালৰ শিক্ষা ব্যৱস্থা বিকাশৰ বিষয়ে আতিঁগুৰি মাৰি আলোচনা কৰিম। এনে উন্নয়ন আৰু বিকাশৰ বিষয়ে আলোচনা কৰোতে আমি আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ আৰম্ভণি আৰু কিছুমান গুৰুত্বপূৰ্ণ পৰিৱৰ্তনো সামৰি ল'ম। তাৰোপৰি সামাজিক পটভূমিত শিক্ষাৰ ভূমিকা তথা সমাজৰ বিভিন্ন বিষয়ত পাৰস্পৰিক সম্বন্ধৰ বিষয়েও বুজিবলৈ চেষ্টা কৰিম। ইয়াকে কৰিবলৈ যাওঁতে, আমি শিক্ষাৰ প্ৰকৃত অৰ্থ আৰু ভাৰতবৰ্ষৰ প্ৰসংগত শিক্ষাৰ বিভিন্ন দিশসমূহ তথা শিক্ষা আৰু মূল্যবোধৰ পাৰস্পৰিক সম্বন্ধৰ বিষয়েও আলোচনা কৰা হ'ব। এতিয়া শিক্ষাৰ ধাৰণা আৰু সমাজত ইয়াৰ প্ৰভাৱৰ বিষয়ে বুজিবলৈ চেষ্টা কৰা হওক।

"শিক্ষা" শব্দটো লেটিন শব্দ "এডুকেয়াৰ" (educare) ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে 'শিক্ষা প্ৰদান কৰা', 'নেতৃত্ব দিয়া' আৰু 'বিকাশ কৰা'। সহজ অৰ্থত ক'বলৈ গ'লে শিক্ষা হৈছে প্ৰতিপালন, দিহা-পৰামৰ্শ আৰু বিকাশৰ জৰিয়তে এজন ব্যক্তিক পৈণত প্ৰাপ্তবয়স্ক লোক হোৱাত সহায় কৰাৰ আহিলা। বহল অৰ্থত ক'বলৈ গ'লে শিক্ষাৰ বৈশিষ্ট্য হৈছে এজন ব্যক্তিৰ নৈতিক চৰিত্ৰ গঠন, বৌদ্ধিক আৰু তেওঁৰ আধ্যাত্মিক বিকাশত সহায় কৰা। সকলো মানৱ সমাজতে সামাজিকৰণৰ লগতে শিক্ষা হৈছে ব্যক্তিবিশেষৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ ধৰণী স্বৰূপ। এই সকলো দিশ পৰস্পৰ নিৰ্ভৰশীল। শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়াসমূহ হৈছে পঢ়াশালি, ঘৰুৱা পৰিৱেশ আৰু সমনিয়াৰ সান্নিধ্যত গঢ়ি উঠা বৈশিষ্টপূৰ্ণ গুণসমূহ আৰু মূল্যবোধ। শিক্ষা হৈছে নীতি নিয়মৰ মাজেৰে আগবঢ়া এটি আনুষ্ঠানিক কাৰ্য্য। সামাজিকৰণে যুৱ সমাজৰ মাজত মূল্যবোধ, বিশ্বাস আৰু বংশগত পাৰদৰ্শিতা লাহে লাহে বৃদ্ধি কৰি প্ৰাপ্তবয়স্কৰ দায়িত্ব লবলৈ সাজু কৰি তোলে। শিক্ষাই মাত্ৰ মূল্যবোধ আৰু দক্ষতা বঢ়োৱাই নহয়, বৰঞ্চ ই আমাৰ জীৱন সুশোভিত কৰাৰ উপৰিও সুপ্ত প্ৰতিভা জগাই তোলাত সহায় কৰে। সামাজিকৰণ যেতিয়া পৰিয়াল বা আত্মীয় লোকৰ মাজত আৱদ্ধ হৈ থাকে অন্তঃত ল'ৰালি কালত, তেনে সময়তে কিন্তু সম্বন্ধৰ আওঁতাৰ বাহিৰত, অৰ্থাৎ শিক্ষা গুৰুৱে শিক্ষাদান কৰে।



জানি থোৱা ভাল

শিক্ষাই সমাজত সকলোৰে কাৰণে দুইধৰণে প্ৰভাৱ পেলায়—

(ক) এহাতেদি জন্মগতভাৱে পোৱা শিক্ষা সমাজৰ শ্ৰীবৃদ্ধি আৰু সফলতাৰ উদ্দেশ্যে সৰ্বসাধাৰণৰ মাজত বিলাই দিয়া;

(খ) অন্যহাতে, সৰ্বশিক্ষা হৈছে সামাজিক নিয়ন্ত্ৰণৰ আহিলা স্বৰূপ। ইমাইল দুৰখেইমে শিক্ষাৰ এই দিশটোত গুৰুত্ব প্ৰদান কৰিছে। ই ৰাষ্ট্ৰীয় ঐক্য আৰু একাত্মবোধৰ ধাৰণা সবল কৰাৰ উপৰিও জনসাধাৰণৰ মাজত সামাজিক দায়িত্ববোধৰ চেতনা জগাই তোলে।

১১.৩ ভাৰতবৰ্ষৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থা (TRADITIONAL SYSTEM OF EDUCATION IN INDIA)

১১.৩.১ বৈদিক যুগ (Vedic Period)

শিক্ষা কেতিয়াও স্থবিৰ নহয়, অৱশ্যে সময়ৰ লগে লগে ইয়াৰ প্ৰচুৰ পৰিৱৰ্তন হয়। প্ৰাক্ ব্ৰিটিছ কালৰ বহুল প্ৰসাৰিত দেশীয় শিক্ষা ব্যৱস্থা লক্ষণীয়। মুছলমান শাসনৰ বহু আগৰে পৰাই ভাতবৰ্ষত গুৰুকুল আৰু আশ্ৰম আৰ্হিৰ শিক্ষা প্ৰণালী প্ৰচলিত আছিল। এনেধৰণৰ শিক্ষা ব্যৱস্থা প্ৰধানতঃ বৈদিক যুগতো প্ৰচলিত আছিল। জ্ঞান আহৰণৰ ক্ষেত্ৰত দিয়া গুৰুত্ব আৰু শিক্ষা প্ৰসাৰ হৈছে বৈদিক যুগৰ অতুলনীয় অৱদান। শিক্ষা প্ৰদান কৰা স্থানসমূহ আছিল গুৰুকূল, আশ্ৰম বা পাৰিষদ ইত্যাদি। যুৱ শিক্ষাৰ্থীসকলক ঘৰৰ পৰা আৱাসিক শিক্ষানুষ্ঠানলৈ পঠাইছিল, য'ত তেওঁলোকে গুৰুগৃহ অৰ্থাৎ শিক্ষাগুৰুৰ সৈতে একেলগে বাস কৰিছিল। শিক্ষা একেলেঠাৰিয়ে কেইবাবছৰো প্ৰদান কৰা হৈছিল, যাতে শিক্ষাৰ্থীসকলে সকলো বিষয়তে কৃতকাৰ্যতা লাভ কৰি সমাজত ত্ৰাণকৰ্তা হিচাপে ঠিয় দিব পাৰে। শিক্ষা প্ৰদান আৰু আহৰণ প্ৰধানতঃ মৌখিক কাৰ্য্যক্ৰমণিকা আছিল। লিখা আৰু পঢ়া এই দুই মাধ্যমৰ জৰিয়তে উপদেশ অনুসৰণ, চিন্তা-চৰ্চা, আয়ত্ব আৰু মন্ত্ৰ মুখস্থ কৰোৱা হৈছিল। এই ব্যৱস্থাৰ মূল লক্ষ্য আছিল ছাত্ৰসকলৰ বিভিন্ন দিশ যেনে শাৰীৰিক, নৈতিক চৰিত্ৰ, বৌদ্ধিক ইত্যাদিৰ ক্ষেত্ৰত সন্তুলিত বিকাশ। সামাজিক আৰু সাংস্কৃতিক দিশৰ বিকাশৰ ক্ষেত্ৰটো গুৰুত্ব দিয়া হৈছিল। পাটলিপুত্ৰ আৰু বাৰাণসী এই দুখন বিখ্যাত শিক্ষানুষ্ঠান আছিল। এই শিক্ষানুষ্ঠানসমূহত গুৰু শিষ্যৰ সম্বন্ধৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। গুৰু বা শিক্ষা গুৰু হৈছে নৈতিকতা, মহত্ব আৰু আদৰ্শৰ প্ৰতিভূস্বৰূপ। সেইকাৰণে শিক্ষাগুৰুক ভগৱানৰ প্ৰতিনিধি ৰূপে গণ্য কৰা হৈছিল আৰু তেওঁ শিষ্যৰ শিক্ষা তথা সৰ্বতোপ্ৰকাৰ কল্যাণৰ কাৰণে দায়বদ্ধ আছিল। যদিও গুৰু দক্ষিণাৰ (ফীজ বা মাছুল) ধাৰণা প্ৰচলন আছিল তথাপি শিক্ষাগুৰুৱে শিক্ষাদান কৰাটো পবিত্ৰ কৰ্ত্তব্য বুলি ধৰা হৈছিল। অন্যহাতে শিষ্যসকলে কঠোৰ পৰিশ্ৰমৰ যোগেদি ভোগ-বিলাসৰ জীৱন পৰিহাৰ কৰাটো আৱশ্যক আছিল। ইয়াৰ দ্বাৰা ছাত্ৰসকল শিক্ষিত হোৱাৰ উপৰিও দৈনন্দিন জীৱনত আৱশ্যকীয় কৌশল সমূহত দক্ষতা অৰ্জনেৰে পাকৈত হৈ পৰিছিল। তেওঁলোকে জ্ঞান আৰু পাৰদৰ্শিতা আহৰণত গুৰু গৃহত সময় অতিবাহিত কৰাৰ উপৰিও খেতি-বাতি, পশুধন চোৱা-চিতা, ভিক্ষা কৰা আৰু গুৰুৱে নিৰ্ধাৰণ কৰা যিকোনো কাৰ্য সমাধা কৰিব লাগিছিল। সেই সময়ৰ শিক্ষা ব্যৱস্থা বহল ভিত্তিক আছিল আৰু শিক্ষা ব্যৱস্থাত অংক, ব্যাকৰণ, ভাষা, সাহিত্য, ক্ষত্ৰিয়সকলৰ কাৰণে যুদ্ধ কৌশল, প্ৰশাসন, ধৰ্মগ্ৰন্থ, জ্যোতিষ বিজ্ঞান, জ্যোৰ্তিবিজ্ঞান ইত্যাদি অন্তৰ্ভুক্ত আছিল। কিন্তু সেই সময়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান অন্তৰায় হৈছে—মাত্ৰ উচ্চ শ্ৰেণীৰ

লোক যেনে ব্রাহ্মণ আৰু ক্ষত্রিয়সকলৰ মাজতহে শিক্ষা সীমাবদ্ধ আছিল। শিক্ষাদানৰ সমগ্র ব্যৱস্থা ব্রাহ্মণসকলৰ ওপৰত ন্যস্ত কৰা হৈছিল। অন্য লোকসকলৰ কাৰণে শিক্ষা অনানুষ্ঠানিক, অসংগঠিত আৰু সামগ্রিকভাৱে উপেক্ষিত আছিল। সেই সময়ৰ বিভিন্ন দিশত পাণ্ডিত্যপূর্ণ অৱদান উল্লেখনীয়ভাৱে চহকী।

১১.৩.২ বৌদ্ধিক যুগ (Buddhist Period)

বৈদিক যুগত প্রচলিত বৈষম্যমূলক শিক্ষা ব্যৱস্থা বৌদ্ধিক যুগত প্রত্যাহ্বানৰ সন্মুখীন হয়। এই যুগতেই প্রথমে সর্বসাধাৰণক শিক্ষাদানৰ প্রচেষ্টা কৰা হৈছিল। মহান ধর্মীয় নেতা তথা সমাজ সংস্কাৰক গৌতম বুদ্ধই অহিংসা আৰু সামাজিক সদ্ভাৱৰ বিষয়ে প্রচাৰ কৰিছিল। তেওঁ এখন জাতিবিহীন সমাজৰ পোষকতা কৰিছিল। পৰিণাম স্বৰূপে ব্রাহ্মণসকলৰ সমাজৰ নিম্ন শ্রেণীৰ লোকৰ ওপৰত থকা অনমনীয় তথা প্রচুৰ দমন নীতি প্রত্যাহ্বানৰ সন্মুখীন হৈছিল। এই সময়তে শিক্ষা ব্যৱস্থাক আনুষ্ঠানিকতা দিয়া হয় আৰু তক্ষশীলা, নালন্দা ইত্যাদি অনুষ্ঠানসমূহ জনাজাত হৈ উঠে। এই শিক্ষানুষ্ঠানসমূহত আজিকালিৰ নিচিনাকৈ যুৱ মঠসমূহ সকলো ধৰণৰ ধর্মীয় শিক্ষা আৰু কার্যবিধিৰ কেন্দ্র হিচাপে গঢ় লৈ উঠিছিল। এই অনুষ্ঠানসমূহ সমাজৰ সকলো শ্রেণীৰ লোকৰ কাৰণে মুকলি আছিল আৰু সামগ্রিকভাৱে যথেষ্ট অন্তর্ভুক্তিৰে সমূহীয়াভাৱে অংশ গ্রহণ কৰিছিল। শিক্ষা প্রদান কৰাৰ কাৰণে শিক্ষার্থীসকলে মাচুল আদায় দিব লাগিছিল। বৈদিক যুগৰ নিচিনাকৈ শিক্ষার্থীসকল শিক্ষকৰ প্রতি শ্রদ্ধাবান তথা বাধ্য হোৱাৰ উপৰিও তেওঁলোকে ব্রহ্মচর্য ব্রত পালন কৰিব লাগিছিল। বৈদিক যুগত যেনেকৈ ব্রাহ্মণসকলে শিক্ষাদান কৰিছিল ঠিক তেনেকৈ এই যুগত ভিক্ষুসকল মঠ বা বৌদ্ধ বিহাৰৰ দায়িত্বত আছিল। ভিক্ষুসকল ব্রহ্মচাৰী আছিল আৰু মঠত প্রার্থনা, ধ্যান আৰু পঢ়া শুনা কৰি সময় কটাইছিল। তাৰোপৰি আগেয়ে শিক্ষা আৰু সাহিত্যৰ মাধ্যম হিচাপে থকা সংস্কৃত ভাষাৰ কঠিনতা নাপাবৰ কাৰণে সাধাৰণ লোকে ব্যৱহাৰ কৰা পালি আৰু প্রাকৃত ভাষা ব্যৱহাৰ কৰিছিল। যদিওবা বৈদিক আৰু বৌদ্ধিক যুগৰ শিক্ষা ব্যৱস্থাৰ উল্লেখনীয় পার্থক্য আছিল, তথাপিও বৌদ্ধিক যুগতো বৈদিক যুগৰ ব্যৱহৃত শিক্ষাৰ পাঠ্যক্রমেই ব্যৱহাৰ আৰু প্রতিফলন হৈছিল। বৌদ্ধ মঠ সমূহৰ মূল বিষয়বস্তু আছিল ধর্ম। এনে ব্যৱস্থাৰ ভিতৰত আছিল ঈশ্বৰতত্ব বা ধর্মতত্ব, দর্শন, সাহিত্য, জ্যোর্তিবিজ্ঞান ইত্যাদি। গতিকে আমি দেখা পালো যে বৌদ্ধিক যুগত প্রথমে সমাজৰ সকলো শ্রেণীৰ লোকক শিক্ষা প্রদান কৰাৰ ব্যৱস্থা কৰা হৈছিল। শিক্ষা প্রদানৰ ক্ষেত্রত যথেষ্ট সামাজিক সদ্ভাৱ ৰখা হৈছিল। অৱশ্যে, ভাৰতবর্ষত বৌদ্ধিক যুগ বেছি দিন নিটিকিল আৰু ভাৰতবর্ষৰ বাহিৰতহে জনপ্রিয় হ'ল।

১১.৩.৩ মধ্য যুগ (Medieval Period)

মধ্যযুগ বুলিলে আমি খৃষ্টাব্দ ▯▯▯▯ শতিকালৈ উভতি যাব লাগিব। এই সময়ছোৱাত মুছলমান আক্রমণকাৰীসকলে ভাৰতবর্ষত অনুপ্রৱেশ কৰি ইছলামসকলৰ স্থিতি দৃঢ় কৰি তুলিলে। এই সময়ছোৱাত শিক্ষা ব্যৱস্থাৰ সুদূৰপ্রসাৰী পৰিৱর্তন অনা হ'ল। প্রাথমিক পর্যায়ৰ শিক্ষানুষ্ঠান হিচাপে 'মকতাব' আৰু 'মাদ্রাছা' খোলা হ'ল। 'মাদ্রাছা' হৈছে আৰবী শব্দ আৰু তাৰ অর্থ হৈছে উচ্চ শিক্ষাৰ পঢ়াশালি বা স্কুল। এই স্কুলসমূহ বর্তমানেও ইছলাম ধর্মীয় কানুন বিধি মতে পৰিচালিত হয়। পাঠ্যক্রম কেন্দ্রীভূত হৈছে কো�ৰাণ, হাডিঠ, আৰবীয় ব্যাকৰণ, দর্শন, সাহিত্য ইত্যাদিক লৈ। ইয়াত ইচলাম ধর্মৰ আইন শাস্ত্রৰ বিষয়ে জ্ঞান দিয়া হয়। অন্যহাতে 'মকতাব' হৈছে মুছলমানসকলৰ প্রাথমিক পর্যায়ৰ বিদ্যালয় য'ত শিক্ষার্থীসকলক ধর্মশাস্ত্র পঢ়িব পৰাকৈ শিক্ষা প্রদান কৰা হয়। প্রাথমিক পর্যায়ত ল'ৰা-ছোৱালী সমূহক পঢ়া, লিখা আৰু কিছু ব্যাকৰণৰ জ্ঞান দিয়া হয়। 'মকতাব' আৰু 'মাদ্রাছা' স্কুলসমূহত সাধাৰণতে মৌখিকভাৱেই শিক্ষা প্রদান কৰা হৈছিল। ধর্মীয় বিষয়ত গুৰুত্ব দিয়া হৈছিল আৰু মূল লক্ষ্য আছিল সমাজৰ পৰা নিৰক্ষৰতা দূৰ কৰা। ভাৰতবর্ষত মোগল যুগৰ আৰম্ভণি ▯▯ শ শতিকাৰ আৰম্ভণিৰ পৰা ▯▯ শ শতিকাৰ মাজভাগলৈকে আছিল। মোগল সম্রাটসকলে তেওঁলোকৰ নিজস্ব বিষয়সমূহৰ শিক্ষা দিয়াত আগ্রহী আছিল আৰু সেই অনুসাৰে জ্ঞানীলোক আৰু শিক্ষানুষ্ঠানসমূহৰ পৃষ্ঠপোষকতা কৰিছিল। সম্রাট আকবৰৰ শাসন কালত হিন্দু আৰু মুছলমান দুয়োপক্ষৰে উচ্চ শিক্ষাৰ উদ্দেশ্যে বহুতো স্কুল আৰু অনুষ্ঠান খুলিছিল। তেওঁ আনকি এনে কিছুমান পাঠ্যক্রম প্রৱর্তন কৰিছিল য'ত ধর্মতত্ত্বৰ বাহিৰেও বিজ্ঞান, বুৰঞ্জী, জ্যামিতি, অংকশাস্ত্র ইত্যাদি বিষয়সমূহ সামৰি লোৱা হৈছিল। তেওঁ হিন্দুসকলৰ কাৰণেও শিক্ষানুষ্ঠান খুলিছিল, য'ত ব্যাকৰণ, বেদান্ত, সাহিত্য ইত্যদি বিষয়সমূহ শিকোৱা হৈছিল।

পৰৱর্তী কালত, ভাৰতবর্ষ ব্রীটিছ উপনিৱেশলৈ পৰিণত হোৱাত মোগল সাম্রাজ্যৰ পতন ঘটিল। পৰিণামত, ইয়াৰ লগে লগে শিক্ষা ব্যৱস্থাৰো ধ্বংসপ্রাপ্তি হ'ল। বিজ্ঞান আৰু সাহিত্য দুই বিষয়তেই হিন্দু আৰু মুছলমান দুয়ো সম্প্রদায়ৰে উন্নয়ন স্থবিৰ হৈ পৰিল। শিক্ষাৰ যি ব্যৱস্থা আৰম্ভ হৈছিল ▯▯ শ শতিকালৈ তাৰ শক্তি লোপ পালে। মাত্র স্থানীয় শিক্ষা ব্যৱস্থা হিচাপে 'টোল' আৰু 'মাদ্রাছা' সমূহত যথাক্রমে হিন্দু আৰু আৰবী শিক্ষা চলি থাকিল। শিক্ষা বিকাশৰ ক্ষেত্রত ব্রীটিছ সকলে ভাৰতবর্ষত পৰিৱর্তন আনিলে। ব্রীটিছৰ শাসনকালতনো শিক্ষা ব্যৱস্থাৰ কেনেধৰণৰ গুৰুত্বপূর্ণ পৰিৱর্তন হ'ল তাক আলোচনা কৰা হওক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) হিন্দুসকলৰ দেশীয় শিক্ষানুষ্ঠানসমূহ কি আছিল?

.....

(খ) 'মকতাব' বুলিলে কি বুজে? কোন সময়ত মুছলমানসকলে ভাৰতবর্ষ আক্রমণ কৰিছিল?

.....

প্রশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) 'মাদ্রাছা' শব্দৰ আৰবী অর্থ হৈছে .....

(খ) প্রাক্ ব্রীটিছ সময়ছোৱাত, হিন্দুসকলৰ দেশীয় শিক্ষা ব্যৱস্থাত .....

ৰ প্রভাৱ পৰিছিল আৰু ..... আৰ্হিৰ শিক্ষা আহৰণ কৰিছিল।

১১.৪ ভাৰতবর্ষত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ উদয় (EMERGENCE OF FORMAL EDUCATION IN INDIA)

১১.৪.১প্রাক্ স্বাধীনতা কালৰ শিক্ষা ব্যৱস্থা (Education in Pre-Independence Period)

চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবর্ষত তেওঁলোকৰ ৰাজনৈতিক জীৱন আৰম্ভ কৰা সময়ত কোনো ধৰণৰ সংগতি থকাআৰু চৰকাৰী সমর্থিত শিক্ষা ব্যৱস্থা নাছিল। আগৰ খণ্ডত উল্লেখ কৰা ধৰণে ভাৰতীয় সমাজত নিজস্ব গভীৰ তথা বিশাল পাণ্ডিত্যপূর্ণ জ্ঞান আহৰণৰ দেশীয় পদ্ধতি আছিল। অৱশ্যে শ শতিকাৰ প্রথমাৰস্থাৰ পৰাই দেশীয় পদ্ধতিৰ উচ্চ শিক্ষা আৰু গ্রাম্য প্রাথমিক পর্যায়ৰ পঢ়াশালিসমূহৰ অৱনতি ঘটিবলৈ ধৰিলে।

ব্রিটিছসকল আমাৰ দেশত পদার্পণ কৰাৰ সময়তে ইউৰোপৰ পৰা বহুতো মিছনেৰী লোক খৃষ্টান ধর্ম প্রচাৰৰ কাৰণে ভাৰতবর্ষলৈ আহে। তেওঁলোকে শিক্ষা ব্যৱস্থা গঢ় দিয়াৰ ক্ষেত্রত বলিষ্ঠ পদক্ষেপ গ্রহণ কৰে। কিন্তু প্রথম অৱস্থাত এই মিছনেৰীসকলৰ ইংৰাজী শিক্ষা প্রচেষ্টা বিফল হয়। কাৰণ কোম্পানী শাসনৰ প্রথম কেইটামান দশকত প্রাচ্যৰ লোকসকলে প্রভাৱ বিস্তাৰ কৰিছিল, অর্থাৎ তেখেতসকলে ভাৰতীয় শিক্ষা ব্যৱস্থা সংস্কৃত আৰু পার্চী ভাষাত আগবঢ়াই নিয়াৰ পোষকতা কৰিছিল। গৱর্ণৰ জেনেৰেল ৱাৰেণ হেষ্টিংচ (Warein Hastings) এ সংস্কৃত আৰু পার্চী ভাষাৰ পৰা ইংৰাজী ভাষালৈ কিতাপসমূহ অনুবাদ কৰিবলৈ উৎসাহ যোগাইছিল। কলিকতা মাদ্রাছা তেওঁ প্রতিষ্ঠা কৰাই নহয় ৰঞ্চ দান-ৰঙণিও আগবঢ়ায়। এইখন ব্রীটিছ শাসনৰ প্রথম অৱস্থাতে

প্ৰতিষ্ঠা কৰা এখন শিক্ষানুষ্ঠান। তাৰ কিছুদিনৰ পিছতে বাৰণসীত সংস্কৃত মহাবিদ্যালয় খোলা হয়। হিন্দু পদ্ধতিৰ শিক্ষাব্যৱস্থাৰে এখন মহাবিদ্যালয় পুণাতো খোলা হয়। পাশ্চাত্য ভাৱাদৰ্শৰ লোকসকলে মূলতে ভাৰতীয় সাহিত্যৰ ওপৰত বিশেষকৈ বিৰল গ্ৰন্থ আৰু ভাৰতীয় সমাজৰ সমৃদ্ধ ইতিহাস আৰু সংস্কৃতিৰ ওপৰত বেছি মনোযোগ দিয়ে। এনেধৰণৰ প্ৰৱণতা ঊনৈশ শতিকাৰ প্ৰথম ভাগ পৰ্যন্ত আছিল।

লাহে লাহে অৱশ্যে ইংৰাজী অনুৰাগী অৰ্থাৎ ইংৰাজী মাধ্যমৰ পোষকতা কৰা সকলে প্ৰভুত্ব বিস্তাৰ কৰে। তেওঁলোকে কলা আৰু বিজ্ঞান বিষয়ৰ শিক্ষা থলুৱা লোকসকলক ইংৰাজী মাধ্যমত দিয়াৰ পোষকতা কৰে। তেওঁলোক সকলোৱে ভাৰতীয় সমাজৰ সংস্কাৰ সাধনত যুক্তি দৰ্শায়। তেনে অৱস্থাত খৃষ্টান মিছনেৰীসকলে থলুৱা লোকসকলৰ শিক্ষা প্ৰদানত সক্ৰিয় ভূমিকা পালন কৰে। ঊনৈশ শতিকাৰ আৰম্ভণিতে কলিকতা, শ্ৰীৰামপুৰ, চেন্নাই, মুম্বাই আৰু অন্যান্য বহুতো ঠাইত বিদ্যালয় আৰু মহাবিদ্যালয় খোলা আৰম্ভ কৰে। বংগ দেশৰ উচ্চ বৰ্গ তথা মধ্যবিত্ত থলুৱা লোকসকলে এনে শিক্ষানুষ্ঠান সমূহত প্ৰদান কৰা শিক্ষাতকৈ অধিক উদাৰপন্থী আৰু ফলপ্ৰসূ বুলি উপলব্ধি কৰিবলৈ ধৰিলে। সমাজ সংস্কাৰক আৰু শিক্ষাবিদসকলেও পশ্চিমৰ উত্তম সমূহ ভাৰতীয় সকলৰ বিকাশৰ কাৰণে আৱশ্যকীয় বুলি অনুভৱ কৰে। উদাহৰণস্বৰূপে, ৰাজা ৰাম মোহন ৰায়ে ভাৰতীয়সকলৰ মনত আধুনিক চিন্তাধাৰা তথা উদাৰতা জগাবৰ কাৰণে পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰ পোষকতা কৰে।

চনত চার্লচ উদ (Charles Wood) আৰু টি বি মে'কলেই (T. B. Macaulay) ইংৰাজী আৰু স্থানীয় ভাষাত শিক্ষা দানৰ বিষয়ে এটি টোকা আগবঢ়ায় আৰু তাৰ ভিত্তিতেই আধুনিক শিক্ষা ব্যৱস্থাৰ বুনিয়াদ ৰচনা হয়। এই টোকাত, ইষ্ট ইণ্ডিয়া কোম্পানী আৰু সৰ্বসাধাৰণৰ মাজত মধ্যস্থতাকাৰী হিচাপে ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয় লোকৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হয়। ব্ৰিটিছ শাসনৰ অধীনত থকা নগৰ তথা মহানগৰ সমূহত স্থাপন কৰা ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহেই গ্ৰাম্য অঞ্চলত স্থাপন কৰা স্থানীয় বিদ্যালয় সমূহৰ কাৰণে আৰ্হিস্বৰূপ হয়। প্ৰথমবাৰৰ কাৰণে সম্প্ৰদায় বা জাতিৰ ভিত্তিত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণ অনাৱশ্যকীয় নিৰ্ণায়ক মানদণ্ড হিচাপে গণ্য কৰা হয়। সিমানখিনিলৈকে ঔপনিৱেশিক কালত বিকাশ হোৱা আধুনিক শিক্ষা ব্যৱস্থা বহল ভিত্তিৰ বুলি ক'ব পাৰি। তাৰোপৰি ঔপনিৱেশিক চৰকাৰ তথা অন্যান্য অনুষ্ঠানসমূহে বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপনত গুৰুত্ব দিয়ে। এই অনুষ্ঠানসমূহ হৈছে—খৃষ্টান মিছন, হিন্দু আৰু মুছলমান সংস্কাৰক নিকায়সমূহ (আৰ্য সমাজ আৰু মুছলমান শিক্ষা সংঘ), স্থানীয় স্বায়ত্ত শাসিত সংস্থা (পঞ্চায়ত, জিলা পৰিষদ, নগৰ পালিকা ইত্যাদি)। ঊনৈশ শতিকাৰ তৃতীয়াংশত ব্ৰিটিছ চৰকাৰে তিনিখন প্ৰেচিডেন্সি চহৰত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰে। কোনো কোনো সামন্ত ৰাজ্যতো উচ্চ শিক্ষাৰ মানসেৰে বিশ্ববিদ্যালয় স্থাপন কৰা হয়। মুঠতে ৰ পৰা

চনলৈকে সৰ্বসাধাৰণ ভাৰতীয় জনসাধাৰণৰ মাজত শিক্ষা বিস্তাৰ আৰু সাক্ষৰতাৰ কাৰণে বিভিন্ন ধৰণৰ চেষ্টা চলোৱা হৈছিল। ফলশ্ৰুতিত হেজাৰ হেজাৰ ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয় লোকে চৰকাৰী প্ৰশাসনিক আৰু ন্যায়িক সেৱাৰ নিম্নবৰ্গৰ চাকৰিত যোগদান কৰে।



জানি থোৱা ভাল

মে'কলেৰ কাৰণে ইংৰাজী শিক্ষাৰ লক্ষ্য আছিল ভাৰতীয় তেজ-মঙহৰ কিন্তু ইংৰাজী ৰুচি বোধ, মতবাদ, নীতি আৰু জ্ঞানৰ এটা শ্ৰেণী সৃষ্টি কৰা; যি সকলে লক্ষ লক্ষ ভাৰতীয় আৰু শাসনত অধিস্থিত চৰকাৰৰ মাজত দোভাষী হিচাপে কাম কৰিব পাৰিব। ব্ৰিটিছ শাসন কালত ইংৰাজী শিক্ষা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত হৈছে জটিল অৰ্থনৈতিক, প্ৰশাসনীয়, ৰাজনৈতিক, ধৰ্মীয় আৰু নৈতিক কাৰণসমূহৰ সংযোজিত অভিপ্ৰায়। পশ্চিমীয়া শিক্ষা ব্যৱস্থা ভাৰতবৰ্ষত প্ৰৱৰ্তন কৰাটো মাত্ৰ ইংলেণ্ডৰ কিছু গোটৰ মাজত সীমিত নাছিল। বৰঞ্চ, ভাৰতবৰ্ষৰ ভিতৰত ইংৰাজ মিছনেৰী আৰু কোম্পানীৰ বহুতো বিষয়াই ইয়াত সক্ৰিয় ভূমিকা পালন কৰিছিল। চনত ভাৰতীয় সকলৰ মাজৰ পৰাও এনে দাবীৰ উদয় হয়। গতিকে শিক্ষা ব্যৱস্থা পৰিৱৰ্তনৰ অনুভূতি মাত্ৰ ব্ৰিটিছ নীতি নিৰ্ধাৰকসকলৰ জল্পনা কল্পনাই নহয়।

ইংৰাজী শিক্ষাৰ জনপ্ৰিয়তা চনত পাৰ্চী ভাষাৰ পৰিৱৰ্তে ইংৰাজী ভাষা চৰকাৰী তথা ন্যায়পালিকাৰ ভাষা হিচাপে স্বীকৃতি দিয়াতেই আৰম্ভ হয় যদিও চনত গৱৰ্ণৰ জেনেৰেল লৰ্ড হাৰ্ডিঞ্জৰ (Lord Hardinge) ইংৰাজী শিক্ষাৰে শিক্ষিত লোকে চৰকাৰী চাকৰিত অগ্ৰাধিকাৰ পাব বুলি কৰা ঘোষণাৰ পৰা অধিক জনপ্ৰিয়তা লাভ কৰে। নতুনকৈ খোলা ইংৰাজী মাধ্যমৰ বিদ্যালয়ত শিক্ষা আহৰণ কৰাটো চৰকাৰী চাকৰি আঁৰত বিভিন্ন বৃত্তিৰ ক্ষেত্ৰত পাৱপত্ৰৰ নিছিনা কাম কৰিবলৈ ধৰিলে।

- **জাতীয়তাবাদী আন্দোলনৰ সময়ৰ শিক্ষা ব্যৱস্থা** (Education During the Nationalist Movement)

চনত জাতীয়তাবাদী আন্দোলনৰ উত্থানৰ সময়ছোৱাত পৃথক শিক্ষা ধাৰণাৰ সৃষ্টি হয়। এয়া আছিল জাতীয় স্বনিৰ্ভৰশীলতাৰ আন্দোলন। এনে আকাংক্ষাৰ প্ৰতীক হৈছে কেইখনমান মহান শিক্ষানুষ্ঠান যেনে বাৰাণসী হিন্দু বিশ্ববিদ্যালয়, কাশী বিদ্যাপীঠ, আলিগড় মুছলীম বিশ্ববিদ্যালয় আৰু গুজৰাট বিদ্যাপীঠ। এই বিদ্যায়তনিক অনুষ্ঠানসমূহত জাতীয় আদৰ্শ আৰু মূল্যবোধ শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা হৈছিল। জাতীয়তবাদী শিক্ষা ব্যৱস্থাৰ বাটকটীয়া অৰ্থাৎ শিক্ষাগুৰু আৰু ছাত্ৰসকলে বহুতো কঠোৰ অগ্নি পৰীক্ষাৰ সন্মুখীন হ'ব লগা হৈছিল, কিয়নো চৰকাৰে কোনোধৰণৰ সাহায্য এই অনুষ্ঠানসমূহক দিয়া নাছিল, বিশেষকৈ প্ৰথমাৱস্থাত। বহুতো শিক্ষিত ভাৰতীয়

লোকে লোভনীয় চৰকাৰী চাকৰি এৰি সামান্য পাৰিতোষিকত এনে জাতীয় অনুষ্ঠান সমূহত যোগদান কৰিছিল। এই সময়ছোৱা হৈছে ভাৰতবৰ্ষৰ ৰাজহুৱা শিক্ষা বিস্তাৰৰ স্মৰণীয় ঘটনা। এই বিষয়ত দুটি উল্লেখনীয় পৰীক্ষামূলক আঁচনিৰ ভিতৰত এটা হৈছে মহাত্মা গান্ধীয়ে আৰম্ভ কৰা প্ৰধানকৈ গ্ৰাম্য লোকসকলৰ কাৰণে প্ৰস্তুত কৰা "বুনিয়াদী শিক্ষা আঁচনি"। এই শিক্ষা ব্যৱস্থাত বিশেষকৈ স্বাক্ষৰতা আহৰণ, কাপোৰ বোৱা, সূতা কটা, কাঠৰ কাম-কাজ ইত্যাদি ব্যৱহাৰিক বিষয়সমূহত পাৰদৰ্শিতা বৃদ্ধিত গুৰুত্ব দিয়া হৈছিল। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে নিত্য ব্যৱহাৰ্য বিভিন্ন বিষয়ত যদি ভাৰতীয় গ্ৰাম্য সমাজখনে নগৰ বা মহানগৰসমূহৰ ওপৰত নিৰ্ভৰ নকৰাকৈ আগবাঢ়ি যাব পাৰে তেনেহ'লে ভাৰত ৰাষ্ট্ৰ স্বনিৰ্ভৰশীল ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব। আনহাতে, কবিগুৰু ৰবিন্দ্ৰনাথেও একে ধৰণৰ চিন্তা চৰ্চাৰে প্ৰাচাত্যমুখী ভাৰতীয় শিক্ষা ব্যৱস্থাৰ সপক্ষে যুক্তি আগবঢ়াইছিল। অৱশ্যে তেওঁ নন্দনতাত্ত্বিক বা কলা বিদ্যাত বেছি প্ৰাধান্য দিছিল। তেওঁ শান্তি নিকেতনত শিল্প নৈপুণ্যৰ ভিত্তিত গঢ়লৈ উঠা শিক্ষানুষ্ঠানৰ পৃষ্ঠপোষকতা কৰে। আগত উল্লেখ কৰা জাতীয়তাবাদী শিক্ষানুষ্ঠানসমূহে প্ৰায় ঔপনিৱেশিক চৰকাৰৰ মধ্যস্থতাৰ বাহিৰত পশ্চিমীয়া শিক্ষা সৰ্বসাধাৰণ লোকে ঢুকি পোৱাৰ পোষকতা কৰিছিল। মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে আগবঢ়োৱা শিক্ষাৰ আৰ্হি সম্পূৰ্ণভাৱে থলুৱা আছিল। যিসময়ত জাতীয়তাবাদী শিক্ষানুষ্ঠান বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ স্নাতকসকলে প্ৰতিদ্বন্দিতামূলক চাকৰিত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল, সেই একে সময়তে বুনিয়াদী শিক্ষাৰে শিক্ষিত লোকসকলে স্বল্পভাৱে গ্ৰাম্য জীৱনৰ পুনৰ্গঠন কৰিবলৈ সমৰ্থ হৈছিল। এই অনুষ্ঠানসমূহ স্বৰাজোত্তৰ ভাৰতবৰ্ষতো সক্ৰিয় হৈ আছে।



জানি থোৱা ভাল

চনত গোপাল কৃষ্ণ গোখলেইভাৰতবৰ্ষত ল'ৰা-ছোৱালীৰ বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষাৰ পোষকতা কৰি বিতৰ্ক আগবঢ়ায়। সেই সময়তে শিক্ষক প্ৰশিক্ষণ আৰু প্ৰাপ্তবয়স্ক লোকৰ শিক্ষাৰ কথাও উঠে। চনত চৰকাৰক শিক্ষা বিষয়ত দিহা পৰামৰ্শ দিবৰ কাৰণে "কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদ" (Central Advisory Board of Education-CABE) গঠন কৰা হয়। পৰৱৰ্তী কালত এই পৰিষদ ভংগ কৰি চনত পুনৰ গঠন কৰা হয়। প্ৰাপ্তবয়স্ক শিক্ষাৰ আৱশ্যকতা গণ শিক্ষা সমৰ্থকসকলে বুজিছিল। চনৰ ভিতৰত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদৰ সদস্যসকলে প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট হেঁচা প্ৰয়োগ কৰিছিল আৰু বহল ভিত্তিত আগবঢ়াই নিবলৈ পৰামৰ্শ দিছিল। এই বিষয়ত তেওঁলোকে স্বেচ্ছাসেৱী সংস্থা সমূহকো কামত লগাবলৈ কৈছিল।

- **পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱ** (Impact of Western Education)

গতিকে দেখা পোৱা হ'ল যে পশ্চিমীয়া শিক্ষাৰ মিশ্ৰ প্ৰভাৱ ভাৰতীয় সমাজৰ

ওপৰত পৰে। এফালৰ পৰা দেখা যায় যে ভালেমান শিক্ষিত ভাৰতীয়ই ঔপনিৱেশিক চাকৰিত যোগদান কৰি শিক্ষাৰ পাশ্চাত্যকৰণ উপযুক্ত বুলি মত পোষণ কৰে। ভাৰতবৰ্ষৰ কিছু অভিজাত পৰিয়ালৰ লোকে পশ্চিমীয়া ধৰণৰ জীৱন আৰু মনোভাৱ গ্ৰহণ কৰিছিল। আনহাতে সংস্কাৰকামী জাতীয়তাবাদীসকলে পাশ্চাত্য আৰ্হিৰ বিৰোধিতাৰে এটি নতুন পৰিচয়ৰ পোষকতা কৰে। ভাৰতীয় সমাজতত্ত্ববিদ এ আৰ দেশাই (A. R. Desai)-ৰ মতে ঔপনিৱেশিক শাসনত ভাৰতীয়সকলক পুৰণি ভাবধাৰা পৰিহাৰ কৰি বিস্তৃত পৃথিৱীৰ সংস্পৰ্শলৈ আনে। ঔপনিৱেশিক শাসন কালত শিক্ষিত লোক সকললৈ অজস্ৰ জীৱিকাৰ সন্ধান আহে, বজাৰ চাহিদাৰ ফলশ্ৰুতিত বহুতো নতুন বৃত্তি যেনে আইন, ঔষধ, সাংবাদিকতা ইত্যাদিৰ সৃষ্টি হয়। অৱশ্যে ঔপনিৱেশিকতাৰ উত্তৰাধিকাৰী হিচাপে সমাজৰ শ্ৰেষ্ঠ লোক আৰু জনগণৰ মাজত পাৰ্থক্যৰ প্ৰাচীৰ যেনে ৰাজহুৱা আৰু ব্যক্তিগত স্বাৰ্থৰ সৃষ্টি হয় আৰু পাচলৈ ইয়াৰ পৰাই এটি নতুন স্বকীয় শিক্ষা সংস্কৰণৰ জন্ম হয়। ভাৰতবৰ্ষৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শিক্ষা উৰ্দ্ধমুখী সুঁতিৰ গতিশীল পথ বুলি চিহ্নিত হয়। ইংৰাজী শিক্ষা আৰু চৰকাৰী তথা অৰ্ধ-চৰকাৰী চাকৰিৰ যোগসূত্ৰৰ কাৰণে নতুন নতুন বিদ্যালয়-মহাবিদ্যালয়ৰ বৃহৎ চাহিদাৰ সৃষ্টি হয়। মহানগৰসমূহ শিক্ষিত শ্ৰেণীৰ কেন্দ্ৰস্থল হৈ পৰে, বিশেষকৈ, বৃত্তিধাৰী বা পেছাদাৰী লোকসকলৰ কাৰণে। অন্যহাতে গ্ৰাম্য পশ্চাদভূমি এলেকাত নগণ্য পৰিমাণৰ শিক্ষিতলোক পোৱা গৈছিল।

গতিকে পিছলৈ উভতি চালে দেখা পোৱা যায় যে ঔপনিৱেশিকতাৰ পৰিণাম যোগাত্মক তথা ঋণাত্মক দুয়োটা দিশতে আছে। যদিওবা ঔপনিৱেশিক শিক্ষা ব্যৱস্থাই ধৰ্মনিৰপেক্ষতাৰ হেতু বৃহৎ সংখ্যক কঢ়িয়াই আনিছিল যদিও দেশখনৰ সচৰাচৰ অনগ্ৰসৰতাৰ হেতু বৃহৎ সংখ্যক জনসধাৰণৰ কাৰণে এনে শিক্ষা সহজসাধ্য নাছিল। যিহেতু ব্ৰিটিছৰ শিক্ষা আৰ্হি নগৰমুখী আছিল গতিকে ভাৰতবৰ্ষৰ গ্ৰাম্য সমাজৰ লগত খাপ খাব পৰা নাছিল। সেই কাৰণে ঔপনিৱেশিক শিক্ষা ব্যৱস্থাই সমাজৰ কিছু শিক্ষিত লোক আৰু অশিক্ষিত বৃহৎ জনগণৰ মাজত সৃষ্টি কৰা দূ�ৰত্বৰ প্ৰাচীৰ মনকৰিবলগীয়া। অৱশ্যে কিছু যোগাত্মক দিশো নোহোৱা নহয়। প্ৰথমবাৰৰ কাৰণে শিক্ষাৰ লক্ষ্য আৰু পাঠ্যক্ৰমে এটি বাস্তৱমুখী দিশ প্ৰতিফলিত কৰে, যাৰ বৰ্তমান আধুনিক যুগৰ লগত মিল আছে। শিক্ষাক বৈচিত্ৰপূৰ্ণ কৰি তোলা, বিদ্যালয় পাঠ্যক্ৰমৰ পৰিৱৰ্তন, শিক্ষক প্ৰশিক্ষণৰ নিচিনা ধাৰণা, সৰ্ব-শিক্ষা, বিনামূলীয়া তথা বাধ্যতামূলক শিক্ষা, প্ৰাপ্ত বয়স্ক শিক্ষা ইত্যাদি উল্লেখনীয়। মুঠতে আধুনিক শিক্ষাৰ ভেঁটি স্থাপন কৰোতে, পাশ্চাত্যত বিভিন্ন দিশত হোৱা প্ৰগতিৰ আভাস থলুৱা লোকৰ পৰা দূ�ৰত ৰাখিবলৈ বিচৰা নাছিল, বৰঞ্চ তেনেধৰণৰ জ্ঞান আহৰণক উৎসাহিতহে কৰিছিল।

১১.৪.২ স্বৰাজোত্তৰ কালত শিক্ষাৰ বিকাশ (Growth of Education in the post Independance period)

স্বাধীনতা প্ৰাপ্তিৰ পিছত জৱাহৰলাল নেহেৰুৰ নেতৃত্বত আৰু তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকাত ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰণয়ন কৰাত ভাৰতীয় শিক্ষা ব্যৱস্থাই নতুন দিশ লয়। কিন্তু নতুন শিক্ষা ব্যৱস্থা ব্ৰিটিছৰ পৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা শিক্ষা ব্যৱস্থাত জড়িত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল, সেইবিলাক হৈছে—অত্যাধিকভাৱে নিম্নস্তৰৰ সাক্ষৰতা অৱস্থা, বিদ্যালয়ত শোচনীয় উপস্থিতি, সমাজৰ অনুন্নত শ্ৰেণীৰ কাৰণে অবিশ্বাস্যভাৱে নিম্ন পৰ্যায়ৰ শিক্ষাৰ সুযোগ ইত্যাদি বহুতো। এনে সমস্যাসমূহ সমাধান কৰিব আৰু শিক্ষা ব্যৱস্থাৰ মূল দিশৰ চৰিত্ৰগত পৰিৱৰ্তন ঘটাব লাগিব যাতে এনে পৰিৱৰ্তনে এখন আধুনিক আৰু বিকশিত ৰাষ্ট্ৰ গঢ়াত সহায়ক হয়। প্ৰথম কাম হ'ল শিক্ষাৰ প্ৰসাৰ বা বিস্তাৰ, যাতে শিক্ষা ব্যৱস্থাক লক্ষ লক্ষ জনগণৰ কাষ চপাই নিয়াব পাৰি, বিশেষকৈ সমাজৰ পদদলিত আৰু নিপীড়িত সকলৰ কাষলৈ নিয়াৰ ব্যৱস্থা কৰা। নিৰক্ষৰতা দূৰীকৰণ, বৃত্তিমুখী শিক্ষা আৰু পাঠ্যক্ৰমৰ অন্যান্য সংস্কাৰৰ আৱশ্যকতা আছিল।

[illegible] চনত ভাৰতীয় সংবিধান বলৱৎ হয়। পুনৰবাৰ শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয় আৰু সংবিধানত শিক্ষাৰ অধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা ৰখা হয়। আৰম্ভণিতে শিক্ষা ৰাজ্যিক বিষয় আছিল, কিন্তু [illegible] চনত সংবিধানৰ [illegible]তম সংশোধনী ঘটাই শিক্ষাক কেন্দ্ৰ আৰু ৰাজ্য দুয়োৰে উমৈহতীয়া বিষয় কৰা হ'ল। ফলশ্ৰুতিত ৰাজ্য আৰু কেন্দ্ৰ দুয়োৰে শিক্ষা বিষয়ত আইন প্ৰণয়ণ কৰিব পৰা হ'ল। কেন্দ্ৰই কিন্তু সাধাৰণতে ৰাজ্যসমূহৰ শিক্ষা ব্যৱস্থা কাৰ্যকৰীকৰণত সমন্বয় আৰু নিৰীক্ষণতে সীমাবদ্ধ থাকে। কেন্দ্ৰত মানৱ সম্পদ উন্নয়ন মন্ত্ৰ্যালয় (Ministry of Human Resources Development - MHRD) ক শিক্ষা বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। সংবিধানৰ [illegible] নং অনুচ্ছেদ অনুসৰি সকলো ভাষিক বা ধৰ্মীয় সংখ্যালঘু লোকে তেওঁলোকৰ পচন্দৰ শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ পাব। এনে সাংবিধানিক ব্যৱস্থাৰ কাৰণে চৰকাৰী সাহায্য নোপোৱাৰ ভয় পৰিহাৰ কৰি আগৰে পৰা চলি অহা সংখ্যালঘু বিদ্যালয়, মহাবিদ্যালয় যেনে খৃষ্টিয়ান, মুছলমান, শিখ শিক্ষানুষ্ঠানসমূহ অব্যাহত থাকিল। সংবিধানৰ [illegible] অনুচ্ছেদ অনুসৰি ৰাজ্যিক নীতি (State Policy) ৰ নিৰ্দেশিকা (Directive Principle) মতে "*চৰকাৰে বিশেষ সাৱধানেৰে সমাজৰ অনুন্নত শ্ৰেণী বিশেষকৈ অনুসূচীত জাতি আৰু জনজাতিসকলৰ শিক্ষা আৰু আৰ্থিক দিশৰ উন্নতিৰ হকে কাম কৰিব আৰু সকলো ধৰণৰ সামাজিক অন্যায় আৰু শোষণ তথা নিপীড়ণৰ পৰা ৰক্ষা কৰিব।*" সংবিধানৰ [illegible] অনুচ্ছেদো হৈছে ৰাজ্যিক নীতিৰ নিৰ্দেশিকা। এই নিৰ্দেশিকা অনুসৰি "*চৰকাৰে [illegible] বছৰ নোহোৱা পৰ্যন্ত সকলো শিশুকে বিনামূলীয়া বাধ্যতামূলক শিক্ষা প্ৰদান কৰিবলৈ প্ৰয়াস কৰিব।*"

এইয়া আছিল এক বৈপ্লৱিক সিদ্ধান্ত, কাৰণ ইয়াৰ উদ্দেশ্য আছিল স্বয়ংক্রিয়ভাৱে যাতে এটা সময়ত দেশৰ ৰাজনীতি, অৰ্থনীতি আৰু বিকাশৰ ক্ষেত্রত শিক্ষিত লোকসকল জড়িত হৈ পৰে। তাৰোপৰি বিভিন্নসময়ত এই আইন সমূহৰ বহু পৰিমাণে কেন্দ্ৰ আৰু ৰাজ্যসমূহে সংশোধনী ঘটাইছে। কাৰণ শিক্ষা হৈছে কেন্দ্ৰ আৰু ৰাজ্য দুয়োৰে উমৈহতীয়া বিষয়। [illegible] চনত গঠিত হোৱা পৰিকল্পনা আয়োগেও দেশত শিক্ষা বিকাশৰ ক্ষেত্রত ধাৰাবাহিক পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোগেদি দায়িত্ব বহন কৰে। সেই সময়লৈকে শিক্ষাৰ শিতানত বিনিয়োগসমূহ অসমন্বিত আৰু অসংগঠিত আছিল। শিক্ষাৰ ক্ষেত্রত কোনোধৰণৰ ৰাষ্ট্রীয় পদ্ধতি নাছিল, বিশেষকৈ এখন নতুনকৈ স্বাধীন হোৱা ৰাষ্ট্রৰ নতুন আদৰ্শৰ শিক্ষা ব্যৱস্থা গ্রহণৰ সাহসিক পদক্ষেপ ৰচনাত। পঞ্চবাৰ্ষিক পৰিকল্পনাত শিক্ষাৰ শিতানত বিনিয়োগৰ মাত্রা বঢ়োৱাৰ উল্লেখনীয় ব্যৱস্থা গ্রহণ কৰা হ'ল। যথেষ্ট সংখ্যক শিক্ষানুষ্ঠান বৃদ্ধি হোৱাৰ লগতে শিক্ষিত লোকৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে।

গতিকে আমি দেখা পাওঁ যে ভাৰতীয় শিক্ষা ব্যৱস্থাই গুৰুকুল, পাঠশালা, টোল, মাদ্রাছাৰ পৰা আৰম্ভ কৰি বৰ্তমান অৱস্থালৈ এটি দীৰ্ঘ পথ অতিক্রম কৰিছে। স্বৰাজোত্তৰ কালত শিক্ষাৰ প্রসাৰ বিভিন্ন দিশত যেনে প্রাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্রত দেখা পোৱা যায়। উচ্চ শিক্ষাৰ বিভিন্ন দিশত পৰিমাণ বিশিষ্ট প্রসাৰে বিভিন্ন খণ্ডত প্রয়োজন হোৱা মানৰ সম্পদৰ লক্ষ্য পূৰণ কৰিছে।

১১.৪.৩ ৰাষ্ট্রীয় শিক্ষা নীতি (National Policies on Education)

স্বাধীনতাৰ পিছৰ পৰা ভাৰতবৰ্ষত দুটি প্রধান সৰ্বাত্মক ৰাষ্ট্রীয় শিক্ষা নীতি [illegible] আৰু [illegible] চনত ঘোষণা কৰা হয়। [illegible] চনৰ শিক্ষা নীতিগ্রহণ কৰাত সমগ্র দেশতে শিক্ষা ব্যৱস্থাৰ যথেষ্ট প্রসাৰ ঘটিল আৰু গ্রামাঞ্চলৰ বহুতো সৰু সৰু অঞ্চল এই নীতিৰ অন্তৰ্গত সামৰি লোৱা হ'ল। ইয়াৰ উপৰি বহুতো নতুন প্রত্যাহ্বান আৰু সামাজিক প্রয়োজনীয়তাৰ কাৰণে চৰকাৰে সমগ্র ভাৰতবৰ্ষক সামৰি লোৱাকৈ এটি নতুন শিক্ষানীতি বিধিবদ্ধ কৰাটো জৰুৰী হৈ পৰে। সেই হেতুকে, ৰাষ্ট্রীয় শিক্ষা নীতি (National Policy on Education-NPE) [illegible] চনত বলবৎ কৰা হয়, য'ত সঠিকভাৱে উল্লেখ কৰা হৈছে যে সমসাময়িক প্রত্যাহ্বান সমূহ পূৰণ কৰি প্রত্যেক দেশেই অদ্বিতীয় সামাজিক তথা সাংস্কৃতিক পৰিচয় প্রকাশ আৰু প্রতিষ্ঠা কৰাৰ কাৰণে নিজস্ব শিক্ষা ব্যৱস্থা বিকাশ কৰা আৱশ্যক। এই নীতিৰ কিছু বৈশিষ্ট্য এনেধৰণৰ —

- শিক্ষা সকলোৰে কাৰণে সৰ্বতোপ্রকাৰ উন্নয়নৰ বুনিয়াদ স্বৰূপে অপৰিহাৰ্য্য বুলি বিবেচনা কৰা হৈছে। তাৰোপৰি শিক্ষাই ৰাষ্ট্রীয় বন্ধন সবল কৰা, সংবেদনশীলতা গাঢ় কৰা, বোধক্ষমতা ত্বৰান্বিত কৰাৰ উপৰিও আমাৰ সংবিধানত অন্তর্ভুক্তি হৈ থকা ধর্মনিৰপেক্ষতা আৰু গণতন্ত্রৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হৈছে।
- এই নীতিয়ে এটি ৰাষ্ট্রীয় শিক্ষা ব্যৱস্থাৰ নিশ্চয়তা প্রদান কৰিছে, য'ত এটা

স্তৰলৈকে ধৰ্ম, বৰ্ণ স্থান, সম্প্রদায় বা লিংগ নির্বিশেষে এটি অতুলনীয় মান বৈশিষ্ট্যৰ শিক্ষা সকলো ছাত্র-ছাত্রীৰ কাৰণে সহজলভ্য কৰি তোলাত সফলতা লাভ কৰিব আৰু চৰকাৰে এই বিষয়ত আৱশ্যকীয় পুঁজি যোগানেৰে আঁচনি গ্রহণ কৰিব।

- আৰু এটা গুৰুত্বপূর্ণ সিদ্ধান্ত হৈছে সকলো ধৰণৰ বৈষম্যতা দূৰ কৰি নির্দিষ্ট আৱশ্যকতা অনুযায়ী শিক্ষাৰ দ্বাৰা সমতা স্থাপন কৰা। সমাজৰ দুর্বল আৰু উপেক্ষিতসকল যেনে মহিলা অনুসূচিত জাতি আৰু জনজাতিসকলৰ উৎকর্ষ সাধনৰ কাৰণে যথেষ্ট প্রয়াস কৰা হৈছে। এই নীতিত শিক্ষাক মৌলিক কাৰক হিচাপে লৈ নাৰী শিক্ষাত প্রাধান্য দিয়া হৈছে আৰু সমান সুযোগেৰে সমাজত নাৰীৰ স্থান পৰিৱর্তনত গুৰুত্ব দিয়া হৈছে। শিক্ষাৰ বিশেষ সা-সুবিধা প্রদানেৰে সমাজৰ উপেক্ষিতসকল যেনে— অনুসূচীত জাতি আৰু জনজাতিৰ লোকক শিক্ষা প্রদান আৰু এনে লোকৰ মাজৰ পৰা শিক্ষক নিযুক্তিত গুৰুত্ব দিয়া হৈছে। ঠিক তেনেধৰণে শিক্ষাৰ ক্ষেত্রত পিছপৰা অন্যান্যসকল যেনে শাৰীৰিকভাৱে অক্ষম লোক আৰু সংখ্যালঘু, বিশেষকৈ শিক্ষাৰ ক্ষেত্রত পিছপৰি থকা সংখ্যালঘুসকলৰ কাৰণে বিশেষ সা-সুবিধা আগবঢ়োৱা হৈছে। গতিকে এনেধৰণৰ গোটসমূহৰ ক্ষেত্রত সমতা আৰু সামাজিক ন্যায় প্রতিস্থাৰ কাৰণে যথেষ্ট মনোযোগ দিয়া হৈছে।
- প্রাপ্তবয়স্কসকলৰ শিক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ কাৰণে প্রাপ্তবয়স্ক শিক্ষা নীতি বিধিবদ্ধ কৰা হৈছে আৰু তাৰেই ফলস্বৰূপে বিভিন্ন পদ্ধতিগত আঁচনি বর্তমান প্রচলিত হৈ আছে।
- প্রাথমিক শিক্ষাৰ ক্ষেত্রত এই শিক্ষা নীতিত দুটি বিষয়ত গুৰুত্ব দিয়া হৈছে —
  ক) সার্বজনীন নামভর্তিকৰণ তথা ১৪ বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীৰ শিক্ষা আৰু
  খ) শিক্ষাৰ মানদণ্ডৰ বুজন পৰিমাণে উন্নতি সাধন কৰা।

  প্রাথমিক পর্যায়ৰ বিদ্যালয়সমূহলৈ প্রয়োজনীয় সা-সুবিধা আগবঢ়োৱা আৰু অপাৰেচন ব্লেক ব'র্ড প্রকল্পৰ পৰিসৰ বৃদ্ধিৰ দ্বাৰা বুনিয়াদী সা-সুবিধাৰ উন্নতি সাধন কৰা।
- এই নীতিত মাধ্যমিক শিক্ষাৰ পৰিসৰ বৃদ্ধিৰ দ্বাৰা ছোৱালী আৰু অনুন্নত জাতি আৰু জনজাতিসকলৰ নাম ভর্তি কৰণত গুৰুত্ব দিয়া হৈছে, বিশেষকৈ বিজ্ঞান, বাণিজ্য আৰু ব্যৱসায়িক শিক্ষাৰ ক্ষেত্রত।
- উচ্চ শিক্ষাই জ্ঞান আৰু কৌশল বিস্তাৰিত কৰাত সহায় কৰে আৰু ৰাষ্ট্র উন্নয়নত বৰঙণি যোগায়। এনেধৰণৰ শিক্ষা ব্যৱস্থা শিক্ষা পিৰামিডৰ একেবাৰে ওপৰৰ অংশ বুজায় আৰু শিক্ষা ব্যৱস্থাত প্রয়োজনীয় শিক্ষক সৃষ্টি কৰাত মুখ্য ভূমিকা

পালন কৰে। বৰ্তমান অৱস্থাৰ পৰিপ্রেক্ষিতত যেতিয়া জ্ঞানৰ অভূতপূর্বভাৱে বর্হিপ্রকাশ ঘটিছে সেই সময়ত উচ্চ শিক্ষা গতিশীল হোৱা প্রয়োজন। ৰাষ্ট্রীয় শিক্ষা নীতি ১৯৮৬ অনুসৰি মুক্ত শিক্ষা ব্যৱস্থাৰ সূচনা কৰা হৈছে যাতে উচ্চ শিক্ষাৰ সুযোগ বৃদ্ধি কৰি শিক্ষাক গণতান্ত্রিক আহিলা হিচাপে জীৱনজোৰা প্রক্রিয়া বুলি গণ্য কৰিব পাৰি। মুক্ত শিক্ষা ব্যৱস্থাৰ লক্ষ্য হৈছে শিক্ষা পদ্ধতি সবল কৰা।

- ১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষা নীতি অনুসৰি শিক্ষকৰ মর্যদাই এখন সমাজৰ সামাজিক তথা সাংস্কৃতিক আচৰণ প্রতিফলিত কৰে। শিক্ষার্থী আৰু বিভিন্ন সম্প্রদায়ৰ আৱশ্যকতা তথা সক্ষমতা অনুযায়ী খাপ খাব পৰা কার্যাৱলী আৰু যোগাযোগৰ বিষয়ত উপযুক্ত শিক্ষা প্রণালী উদ্ভাৱন আৰু অভিযোজন কৰাৰ স্বাধীনতা শিক্ষকৰ থকা উচিত।
- ১৯৮৬ চনৰ শিক্ষা নীতি অনুযায়ী শিক্ষাৰ ক্ষেত্রত পৰিকল্পনা আৰু ব্যৱস্থাপনাই অগ্রাধিকাৰ পাইছে। এই ক্ষেত্রত দিগদর্শন হৈছে উন্নয়ন তথা বিভিন্ন দিশত প্রয়োজনীয় মানৱ সম্পদৰ প্রয়োজন। এই দুয়ো দিশ একলগ কৰি শিক্ষা ব্যৱস্থাৰ দীর্ঘম্যাদী পৰিকল্পনা আৰু ব্যৱস্থাপনা কৰা।
- পৰীক্ষা ব্যৱস্থা আৰু মূল্যায়নৰ সংস্কাৰৰ ক্ষেত্রত ১৯৮৬ চনৰ শিক্ষা নীতিত কোৱা হৈছে—
  - অধিক মাত্রাৰ সম্ভাৱনা আৰু বিষয়সূচক উপাদানসমূহ আঁতৰ কৰা
  - মুখস্থ বিদ্যাক নিৰুৎসাহ কৰা
  - পৰীক্ষা পৰিচালনাৰ উন্নতিকৰণ
  - পৰীক্ষাত নম্বৰ দিয়াৰ পৰিৱর্তে গ্রেড বা স্কেল ব্যৱহাৰ কৰা
  - নিৰৱচ্ছিন্ন আৰু সর্বাত্মকভাৱে মূল্যায়ন কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত দিয়া সমূহৰ উত্তৰ লিখক—

ক) গ্রাম্য জনসাধাৰণৰ কাৰণে বুনিয়াদী শিক্ষা আঁচনি কোনে আৰম্ভ কৰিছিল? এই আঁচনিৰ মুখ্য উদ্দেশ্য কি আছিল?

.....

.....

খ) সংবিধানৰ ব্যৱস্থা আৰু আইন অনুযায়ী বিধিবদ্ধ কৰা শিক্ষা বিষয়ৰ নীতিৰ চমু তালিকা প্রস্তুত কৰক।

.....

.....

.....



জানি থোৱা ভাল

নির্দিষ্ট জিলা পৰিকল্পনাৰ যোগেদি প্রাথমিক শিক্ষা সর্বাত্মক কৰাৰ উদ্দেশ্যে চনৰ নৰেম্বৰ মাহত জিলা প্রাথমিক শিক্ষা আঁচনি (District Elementary Education Programme-DPEP) আৰম্ভ কৰা হয়। সর্বশিক্ষা অভিযান (Sarva Shiksha Abhiyan- SSA) চনৰ নৰেম্বৰত ভাৰত চৰকাৰে অনুমোদন কৰে। ইয়াৰ থুলমূল উদ্দেশ্য হৈছে—

(ক) সকলো ছাত্র-ছাত্রী বিদ্যালয়লৈ, শিক্ষা নিশ্চয়তা কেন্দ্র, বিকল্প বিদ্যালয় বা অস্থায়ী বিদ্যালয়লৈ ঘূৰি অহা।

(খ) চনৰ ভিতৰত পাঁচবছৰীয়া প্রাথমিক শিক্ষাবর্ষত সকলো ছবছৰৰ ভিতৰৰ ল'ৰা-ছোৱালীৰ নামভর্তিকৰণ সম্পূর্ণ হ'ব লাগিব।

(গ) বছৰৰ ভিতৰৰ সকলো ছাত্র-ছাত্রীয়ে আঠ বছৰীয়া প্রাথমিক শিক্ষাস্তৰ সম্পূর্ণ কৰিব লাগিব।

(ঘ) সন্তোষজনক মানদণ্ডৰ প্রাথমিক শিক্ষা আৰু জীৱনজোৰা শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া।

(ঙ) সকলো ধৰণৰ লিংগ আৰু সামাজিক বর্গৰ ব্যৱধান দূৰীকৰণ প্রক্রিয়া চনত প্রথমে প্রাথমিক স্তৰত আৰম্ভ কৰি চনৰ ভিতৰত প্রাথমিক শিক্ষা স্তৰত সম্পূর্ণ বিলুপ্তি সাধন কৰাৰ সিদ্ধান্ত।

(চ) সর্বাত্মক প্রতিধাৰণ বা বিদ্যালয়ত শিক্ষার্থী ধৰি ৰখা চনৰ ভিতৰত সম্পূর্ণ কৰা। সর্বশিক্ষা অভিযান হৈছে বহুলভাৱে প্রসাৰিত অভিযান ভিত্তিত সমগ্র ৰাষ্ট্রৰ ছাত্র-ছাত্রীৰ প্রয়োজনীয়তা দূৰ কৰিব বিচৰা এটি অভিলাসী অভিযান।

'অপাৰেছন ব্লেকৰ্ড আঁচনি' চনত আৰম্ভ কৰা হয়। এই আঁচনিৰ মৌলিক লক্ষ্য আছিল শিক্ষাৰ পৰিৱেশ উন্নত কৰি বিদ্যালয়ত ছাত্র-ছাত্রীৰ প্রতিধাৰণ বঢ়োৱা আৰু ন্যুনতম আৱশ্যকীয় সা-সুবিধা প্রাথমিক বিদ্যালয় সমূহলৈ প্রদান কৰি ছাত্র-ছাত্রীৰ জ্ঞান আহৰণ বৃদ্ধি কৰা। আঁচনিমতে তলত উল্লেখ কৰা সা-সুবিধা সমূহ সকলো বিদ্যালয়লৈ আগবঢ়াব লাগে।

ক) অন্ততঃ সকলো বতৰ বিশিষ্ট আহল বহল বাৰান্দাসহ দুটি কোঠা বিশিষ্ট তথা ল'ৰা-ছোৱালীৰ কাৰণে পৃথক শৌচালয়ৰ ব্যৱস্থাৰে বিদ্যালয় ভৱনৰ সুবিধা।

খ) অন্ততঃ দুজনকৈ প্রতি বিদ্যালয়ত শিক্ষক নিযুক্তি আৰু তাৰে এগৰাকী মহিলা শিক্ষক।

গ) তৃতীয়তে আৱশ্যকীয় শিক্ষা বিষয়ৰ সা-সুবিধা সমন্বিতে ব্লেকৰ্ড, মানচিত্র চার্ট, পুতলা আৰু কর্ম অভিজ্ঞতাৰ কাৰণে প্রয়োজনীয় আহিলাৰ ব্যৱস্থা কৰা।

১১.৫ সাম্প্ৰতিক কালৰ বৃত্তিগত গাঁথনি (Present Occupational Structure)

শ্ৰম বিভাজন আৰু শ্ৰম অনুযায়ী জনসংখ্যাৰ পাৰ্থক্য সকলো সমাজতে বিদ্যমান। অৱশ্যে এনেধৰণৰ পাৰ্থক্যৰ ভেটি সমাজ অনুযায়ী লক্ষণীয়ভাৱে বেলেগ। উদাহৰণস্বৰূপে, প্ৰাক্ উদ্যোগিক সমাজ এখনত, শ্ৰম বিভাজন বয়স, লিংগ বা জাতি অনুসৰি নিৰ্ণয় কৰে। কিন্তু আধুনিক উদ্যোগিক সমাজত বৰ্তমান সমাজ ব্যৱস্থাৰ দৰে ইয়াক নতুন মানদণ্ড যেনে আনুষ্ঠানিক শিক্ষা, প্ৰশিক্ষণ, পাৰদৰ্শিতা ইত্যাদিৰ দ্বাৰা নিৰ্ণয় কৰা হয়। এনেধৰণৰ সমাজত শ্ৰম বিভাজন প্ৰাক উদ্যোগিক সমাজৰ তুলনাত অধিক জটিল। কামৰ পাৰদৰ্শিতা অনুসৰি শ্ৰম বিভাজনৰ সূচনা কৰা হয়। অৰ্থাৎ ব্যক্তি বিশেষ বিভিন্ন কামত পাৰ্গত যেনে শিক্ষক, ডক্তৰ, কাঠ মিস্ত্ৰী, কমাৰ ইত্যাদিয়ে নিজস্ব পাৰদৰ্শী কাম-কাজ অব্যাহত ৰাখে। বৃত্তি হৈছে, তুলনামূলকভাৱে কোনো এটি নিৰ্দ্ধাৰিত কৰ্ম বাচি লৈ সেই জীৱিকাৰ দ্বাৰা সঠিক সামাজিক মৰ্যাদা নিৰ্ণয় কৰা। সকলো ধৰণৰ বৃত্তিতে তিনিধৰণৰ উপাদান থাকে।

- **প্ৰযুক্তিগত ঃ** নিৰ্দিষ্ট ধৰণৰ কোনো কাৰ্য হাতে কামে আৰু মানসিক প্ৰস্তুতিৰে কাৰ্যকৰীকৰণ কৰা।
- **অৰ্থনৈতিক ঃ** কোনো এটা বৃত্তিৰ দ্বাৰা উপাৰ্জন কৰি জীৱিকা নিৰ্বাহ কৰা।
- **সামাজিক মৰ্যাদা ঃ** কোনো এটা বৃত্তিত জড়িত হোৱাৰ পিচত সেই অনুযায়ী সামাজিক মৰ্যাদা লাভ কৰা।

  উল্লেখনীয় যে নগৰীকৰণ আৰু উদ্যোগিকৰণৰ বিকাশে সমাজত জীৱিকাৰ গাঁথনিত উল্লেখযোগ্য পৰিৱৰ্তন আনিছে। আধুনিক বৃত্তিৰ কেইটামান মনকৰিবলগীয়া বৈশিষ্ট্য এনেধৰণৰ—

  - কাৰ্য মানে কোনো এটা নিৰ্দিষ্ট কাৰ্য সম্পাদন কৰা; অৱশ্যে সুকীয়া সুকীয়াকৈ বিভিন্নজনে কৰা কাৰ্য বা কাম নকৰাকৈ থকা বা জিৰণি লোৱা কাৰ্য ইয়াৰ ভিতৰত ধৰা নহয়।
  - বুজন পৰিমাণৰ কৃষিৰ লগত জৰিত বৃত্তি অকৃষি কাৰ্যলৈ স্থানান্তৰিত হৈছে।
  - বিভিন্নধৰণৰ বৃত্তিমূলক খণ্ডলৈ বৃহৎ পৰিমাণৰ শ্ৰম শক্তিৰ প্ৰসাৰণ, যেনে— প্ৰযুক্তিগত, বৃত্তিগত চাকৰি বা কাম-কাজ ইত্যাদি।
  - সফলতাৰে সাংগাঠনিক পটভূমিৰ চাকৰি বৃদ্ধি।
  - অকৃষি কাৰ্যৰ বৃত্তিসমূহত আনুপাতিকভাৱে কম শাৰীৰিক শ্ৰমৰ চাকৰি কৰা লোকৰ বৃদ্ধি।

আধুনিক বৃত্তিসমূহত আনুষ্ঠানিক সংগঠন সমূহৰ প্ৰাধান্য বেছি। এনে সংগঠনসমূহ হৈছে সামাজিক গোট, যিবিলাকক ইচ্ছাকৃতভাৱে কিছুমান অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰৰ আৱশ্যকতা পূৰণৰ কাৰণে গঠন কৰা হয়। অতি সহজ উদাহৰণ হৈছে—

চৰকাৰী কাৰ্যালয়, বিশ্ববিদ্যালয়, চিকিৎসালয়, বহু ৰাষ্ট্ৰীয় কোম্পানী, বেংকিং, শিক্ষানুষ্ঠান, বৰ্হি

উৎস অভিকৰণ, উদ্যোগিক সংগঠন ইত্যাদি। এনে সংগঠন আৰু অনুষ্ঠানসমূহ আগৰে পৰা প্ৰচলিত সামাজিক গোটসমূহ যেনে—পৰিয়াল, জনজাতি, ধৰ্মীয় গোট, জাতি ইত্যাদিৰ লগত পাৰ্থক্য আছে। এনে অনুষ্ঠানসমূহ প্ৰধানকৈ যুক্তিনিৰ্ভৰ বিধিগত মানবিশিষ্ট ভেটিৰ ওপৰত প্ৰতিস্থিত; যেনে চাকৰিয়াল আৰু নিয়োগকৰ্তাৰ মাজৰ চুক্তিবদ্ধ সম্বন্ধ, সংস্তৰিত সম্বন্ধ, ক্ষেত্ৰ অনুযায়ী শ্ৰম বিভাজন, নিৰ্দিষ্ট কাৰ্য আৰু ব্যক্তি বিশেষৰ মাজৰ অনুভূতিবিহীন সম্বন্ধ ইত্যাদি। যুক্তিনিৰ্ভৰ বিধিগত সম্বন্ধই ব্যক্তিৰ বৈজ্ঞানিক তথা ধৰ্মনিৰপেক্ষ মনোভাৱকেই সূচায়। সমাজতত্ববিদ মেক্স ৱেবাৰে (Max Weber) আনুষ্ঠানিক সংগঠনসমূহৰ সমাজ বিজ্ঞানৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰিছে, যাক তেওঁ 'আমোলাতন্ত্ৰ' আখ্যা দিছে। তেওঁৰ মতে আমোলাতন্ত্ৰ হৈছে চৰকাৰী কাম-কাজক গাৰ্হস্থ্য জীৱনৰ পৰা আঁতৰাই ৰখা এটি বিশেষ ধৰণ। গতিকে আমোলাতান্ত্ৰিক কৰ্তৃত্বৰ বৈশিষ্ট্য এনেধৰণৰ—

- **চৰকাৰী চাকৰিয়ালৰ কাম-কাজ ঃ** আমোলাতন্ত্ৰৰ ভিতৰতে চাকৰিয়ালসকলে নীতি-নিয়মৰ মাজেৰে নিজ কামৰ ক্ষেত্ৰাধিকাৰ নিৰ্দিষ্ট কৰি লয়।
- **পদবী বা স্থানৰ সংস্তৰিত বিন্যাস ঃ** কাৰ্যালয় আৰু তাৰ কৰ্তৃত্ব শ্ৰেণীবদ্ধ সংস্তৰণ হিচাপে বিভিন্ন স্থানত স্থলাভিষিক্ত কৰা হয়, য'ত উচ্চ পৰ্যায়ৰ চাকৰিয়াল সমূহৰ তত্তাৱধান তথা পৰ্যবেক্ষণৰ দায়িত্ব থাকে।
- **লিখিত নথি-পত্ৰৰ ওপৰত নিৰ্ভৰশীলতা ঃ** আমোলাতান্ত্ৰিক সংগঠন পৰিচালনা চৰকাৰী নথি পত্ৰৰ মাধ্যমেৰে (ফাইল ব্যৱস্থা) কৰা হয়।
- **কাৰ্যালয় পৰিচালনা ঃ** যিহেতু কাৰ্যালয়ৰ পৰিচালনা এটি আধুনিক পাৱদৰ্শী কাৰ্য গতিকে কাৰ্যালয় পৰিচালনা কৰিবলৈ কৌশলগত আৰু প্ৰশিক্ষিত চাকৰিয়ালৰ প্ৰয়োজন।
- **কাৰ্যালয়ৰ ভিতৰৰ আচৰণ ঃ** কাৰ্যালয়ৰ কাম-কাজত চাকৰিয়াল সকলৰ নিৰ্দিষ্ট সময়সীমা থাকিলেও পুৰুষ✕মহিলাসকলৰ সম্পূৰ্ণ সময়ৰ উপস্থিতি প্ৰয়োজন, গতিকে কাৰ্যালয়ৰ আচৰণ বিধি বিস্তৃত নিয়ম-তথা বিনিময়ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়।

গতিকে, ৱেবাৰৰ আমোলাতান্ত্ৰিক বিৱৰণত এটি আধুনিক ৰূপৰ অনুষ্ঠানত এজন ব্যক্তি বিশেষৰ কাৰ্যপদ্ধতিত তেওঁৰ (পুৰুষ✕মহিলা) কৌশল তথা প্ৰশিক্ষণৰ কেনেধৰণৰ প্ৰয়োজনীয়তা আছে আৰু সেই বিষয়ত কৰ্তৃপক্ষই কেনে ব্যৱস্থা লোৱা উচিত তাক প্ৰতিফলিত কৰিছে।

১৯৯১ চনৰ পৰা ভাৰত চৰকাৰে উদাৰ নীতিৰ পোষকতা কৰি আহিছে। ব্যক্তিগত কোম্পানী বিশেষকৈ বিদেশী পামসমূহক আগতে চৰকাৰী খণ্ডৰ কাৰণে সংৰক্ষিত বিষয়সমূহত বিনিময় কৰিবলৈ উৎসাহিত কৰিছে; যেনে দূৰসংযোগ, অসামৰিক বিমান সেৱা, শক্তি খণ্ড ইত্যাদি সমন্বিতে বিশ্ব বজাৰত ভাৰতীয় অৰ্থনীতিৰ প্ৰভাৱ পেলোৱাৰ উদ্দেশ্যেৰে ১৯৯১ চনৰ পৰাই ভাৰত চৰকাৰে বিভিন্ন উদাৰ নীতিৰ সিদ্ধান্ত লৈ আহিছে। এনে পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত, ভাৰতীয় অৰ্থনীতিয়ে প্ৰায় সকলোবিলাক প্ৰধান খণ্ডত বহুধৰণৰ সংস্কাৰ প্ৰত্যক্ষ কৰিছে যেনে তথ্য-প্ৰযুক্তি উদ্যোগ, হোটেল, ব্যৱসায়-বাণিজ্য, প্ৰযুক্তিবিদ্যা, ৰাজহুৱা খণ্ড, বিত্তীয় সংস্থা, কৃষি উদ্যোগ ইত্যাদি। অন্যান্য সেৱাসমূহত বেছিপৰিমাণৰ নিয়োগৰ সম্ভাৱনা থকাৰ কাৰণে নগৰ

অঞ্চলৰ মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ সংখ্যা বৃদ্ধি হৈছে। সেইকাৰণে আন্তৰ্জাতিক পৰ্যায়ৰ কোম্পানী (Trans National Companies-TNC) সমূহে ভাৰতীয় অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এনে কোম্পানীসমূহ হৈছে যিবিলাক কোম্পানীয়ে সামগ্ৰী উৎপাদন তথা বজাৰ সেৱা, এখনতকৈ অধিক দেশত কৰে। যেনে ঃ ক'কাক'লা, জেনেৰেল মটৰচ, ক'লগেট-পাম'লিভ, ক'দাক, মিটচুভিচি আৰু বহুতো। ইয়াৰ উপৰিও বৰ্তমান সময়ত জ্ঞান বা বিজ্ঞ অৰ্থনীতি বিকাশৰ লগে লগে নতুন ধৰণৰ চাকৰি গাঁথনিত বৃহৎ পৰিমাণৰ পৰিৱৰ্তন পৰিলক্ষিত হৈছে। জ্ঞান বা বিজ্ঞ অৰ্থনীতি হৈছে য'ত বেছিভাগ কৰ্ম-বাহিনী পাৰ্থিৱ উৎপাদন বা উৎপাদিত বস্তু বিতৰণৰ পৰিৱৰ্তে সেইবিলাকৰ আৰ্হি প্ৰস্তুত তথা বিকাশ, প্ৰযুক্তি বিপণন, বিক্ৰী আৰু সেৱা ইত্যাদিত জড়িত থাকে। পূৰ্ববৰ্তী কালৰ তুলনাত বিশ্ব অৰ্থনীতি বৰ্তমান কৃষি বা উদ্যোগমুখী নহয়। বৰ্তমান বিভিন্ন শৃংখলাৰ সেৱা জনসাধাৰণলৈ আগবঢ়োৱা হয়। বৰ্তমান এক দশকৰ আগতে নাম নুশুনা বহুতো ধৰণৰ বৃত্তি দেখা যায়; যেনে ব্যৱস্থাপনা সেৱা (Event Management)।

একে সময়তে দেখা যায় যে, বিশ্বায়নৰ প্ৰভাৱ সকলো ঠাইতে সমান নহয়। মধ্যবিত্ত বৰ্গৰ যুৱক-যুৱতীসকলৰ কাৰণে তথ্য প্ৰযুক্তি বিপ্লৱে প্ৰচুৰ নতুন ধৰণৰ পেছাদাৰী বৃত্তিৰ সুযোগ কঢ়িয়াই আনিছে। নিয়মিত পদ্ধতিত কলা, বিজ্ঞান বা বাণিজ্য বিভাগৰ স্নাতক উপাধি লোৱাতকৈ নগৰ অঞ্চলৰ যুৱক-যুৱতীসকলে চাকৰিৰ বজাৰত চাহিদা থকা বিভিন্ন বিষয়ৰ পাঠ্যক্ৰমত অধ্যয়ন কৰাহে দেখা যায়। গতিকে আমি বিনা দ্বিধাই ক'ব পাৰো যে বিশ্বায়ন আৰু উদাৰ নীতিয়ে সমাজত বৰ্তমান সময়ত পৰিৱৰ্তনৰ জৰিয়তে নিয়োগৰ সুযোগৰ ক্ষেত্ৰত অসমতা আৰু বৈষম্যৰ সৃষ্টি কৰিছে। ভাৰতবৰ্ষত বৰ্তমান মুষ্টিমেয় লোকৰহে নিৰাপদ চাকৰি আছে; অতি নগণ্য সংখ্যক নিয়মীয়া দৰমহা পোৱা চাকৰিয়ালেও চুক্তিগত চাকৰিৰ কাৰণে নিৰাপদ অনুভৱ নকৰে। অলপ দিনলৈকে চৰকাৰে দিয়া নিয়োগ সুবিধাই জনগণৰ কল্যাণৰ মুখ্য পথ আছিল; বৰ্তমান সেয়াও ক'ম হৈ আহিছে। বহুতে ক'ব খোজে যে বিশ্বায়নৰ শক্তিয়ে উৰ্দ্ধগামী বৈষম্যতাৰ মূল কাৰণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলত দিয়া সমূহত উত্তৰ লিখক ঃ

ক) আনুষ্ঠানিক সংগঠন বুলিলে কি বুজে?

.....

খ) আধুনিক বৃত্তিসমূহ বৈশিষ্ট্যৰ তালিকা প্ৰস্তুত কৰক।

.....

প্ৰশ্ন নং ঃ খালী ঠাই পূৰণ কৰক—

গ) আমোলাতান্ত্ৰিক শব্দ ..... ব্যৱহাৰ কৰিছিল।

ঘ) শ্ৰম বিভাজন আধুনিক সমাজত ..... আৰু .....।

১১.৬ নগৰীয়া আৰু জনজাতীয় অৰ্থনীতিৰ বৈশিষ্ট্য (Features of Urban Economy and Tribal Economy)

১১.৬.১ নগৰীয়া অৰ্থনীতিৰ বৈশিষ্ট্য (Features of Urban Economy)

- নগৰীয়া অৰ্থনীতিৰ সংজ্ঞা নিৰূপণ কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্ণায়ক আছে। সেয়া হৈছে—আকৃতি, ঘনত্ব, বৃত্তিগত গাঁথনি আৰু প্ৰশাসনিক শৃংখলাৰ ধৰণ। সমাজতত্ত্ববিদ ইমাইল দূৰখেইমৰ যুক্তিত প্ৰাকৃতিক ঘনত্ব, এটি বিশেষ অঞ্চলত বসবাস কৰা লোকৰ সংখ্যা, এটি বিশিষ্ট সম্প্ৰদায়ৰ লোকৰ মাজত হোৱা ভাৰ বিনিময় ইত্যাদিয়ে এখন সমাজৰ স্বভাৱ নিৰ্ধাৰণ কৰে। গতিকে নগৰ হৈছে প্ৰধানকৈ ঘনবসতিপূৰ্ণ, অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত আগবঢ়া, শিক্ষা, চাকৰি-বাকৰি, বিশিষ্ট শ্ৰম-বিভাজন ইত্যাদি থকা অঞ্চলক নগৰ বুলি গণ্য কৰিবলৈ হ'লে নিম্নলিখিত নিৰ্ণায়ক সমূহ গ্ৰহণ কৰা হৈছিল।
  - সকলো পৌৰসভা, পৌৰ নিগম, সৈন্য শিবিৰ পৰিষদ (Cantonment Board) বা জাননীকৃত নগৰ-সমিতি ইত্যাদি।
  - অন্যান্য অঞ্চল যি নিম্নলিখিত মানদণ্ড সমূহ পূৰণ কৰিব পাৰে—
    ক) নিম্নতম লোকৰ জনবসতি
    খ) কৰ্মৰত পুৰুষ জনসংখ্যাৰ অন্ততঃ শতকৰা ভাগ লোক অকৃষি কাৰ্যত জড়িত আৰু
    গ) জনসংখ্যাৰ ঘনত্ব হিচাপে অন্ততঃ এক বৰ্গ কিল'মিটাৰত লোকৰ জনবসতি।
- নগৰীকৰণ আৰু উদ্যোগীকৰণৰ পদ্ধতিয়ে নগৰীয় অৰ্থনীতিৰ সূচনা ঘটাই আৰু এইসমূহে মূখ্যতঃ জনসাধাৰণৰ জীৱনত বহুল পৰিৱৰ্তন আনিছে। উদাহৰণ স্বৰূপে, পৰিয়াল মানে একক পৰিয়াল গাঁথনি, য'ত স্বামী-স্ত্ৰী আৰু তেওঁলোকৰ সন্তান থাকে। এয়া হৈছে লক্ষণীয়ভাৱে পৰম্পৰাগত বিশ্বাস, সিদ্ধান্ত, আত্মবিশ্বাস ইত্যাদিসমূহৰ বিলুপ্তি সাধন আৰু নতুন জীৱন নিৰ্বাহৰ ৰীতি, দৃষ্টিকোণ, নিয়োগৰ সূচনা, খাদ্যাভ্যাস, সাজ-পোছাক, সংস্কৃতি ইত্যাদি।
- নগৰীয় অৰ্থনীতিত লক্ষণীয় হৈছে অসমসত্ব, কাৰণ অজস্ৰ গোট নগৰ অঞ্চলত বাস কৰে। তাৰোপৰি বিভিন্ন খণ্ডত হোৱা নিয়োগৰ ব্যৱস্থায়ো জাতি, ধৰ্ম আৰু আঞ্চলিকতাৰ কঠোৰ সীমা অতিক্ৰম কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে আৰু ইয়াৰ দ্বাৰা বিভিন্ন গোটৰ মাজত বৈষম্যতা দূৰ কৰি একত্ৰিত হোৱাত সহায় কৰিছে।
- প্ৰযুক্তি, বিজ্ঞান তথা যোগাযোগৰ ক্ষেত্ৰত বৃহৎ পৰিমাণৰ বিকাশৰ কাৰণে নগৰ

অঞ্চলক আগৰ অধ্যায়ত উল্লেখ কৰা ধৰণে বৰ্তমান বৃত্তিগত গাঁথনিৰ নিয়োগ বজাৰৰ কেন্দ্রস্বৰূপ বুলি গণ্য কৰা হয়। পৰিণাম স্বৰূপে চাকৰি আৰু জীৱিকাৰ সন্ধানত যথেষ্ট সংখ্যক লোকৰ নগৰ অঞ্চললৈ প্রব্রজন ঘটিছে। বৃত্তিগত সংস্তৰণৰ বিভিন্ন খাপত লোক নিযুক্তিৰ ক্ষেত্রত শিক্ষাই উল্লেখনীয় ভূমিকা পালন কৰে। বিভিন্ন ধৰণৰ বৃত্তিত আৱশ্যকীয় শিক্ষা আৰু কৌশল জনা লোকক ভাল স্থানত নিৱিষ্ট কৰা হয়। অৱশ্যে নগৰীয় অৰ্থনীতিত প্রব্রজনে বিৰূপ প্রভাৱ পেলাইছে। বৃহৎ সংখ্যক গ্রাম্য অঞ্চলৰ লোক নগৰ অঞ্চললৈ প্রব্রজন ঘটাত বিশেষকৈ তেওঁলোকে শাৰীৰিক পৰিশ্রম কৰিবলগীয়া কামৰ (যেনে ৰিক্সা চালক, নির্মাণ কার্যত জড়িত কর্মী, চাফাই কর্মী, ঘৰুৱা সহায়কাৰী ইত্যাদি) দ্বাৰা জীৱিকা নির্বাহ কৰোতে "নগৰীয়া বস্তি" অঞ্চলৰ সৃষ্টি হৈছে। এনেধৰণৰ নগৰীয়া বস্তি অঞ্চলৰ কাৰণে নগৰত ঠাহ খোৱা অৱস্থাৰ সৃষ্টি হৈছে। নগৰীয়া বস্তি অঞ্চলৰ বৃদ্ধি হৈছেনগৰীকৰণৰ এটি ঋণাত্মক বৈশিষ্ট্য। চীনৰ লোকপিয়ল অনুসৰি প্রায় মিলিয়ন (লক্ষ্য) লোক সাধাৰণতে বৃহৎ মহানগৰসমূহত কেন্দ্রীভূত হৈ আছে, য'ত বিভিন্ন ধৰণৰ জীৱিকাৰ সন্ধান থাকে।

১১.৬.২ জনজাতীয় অৰ্থনীতিৰ বৈশিষ্ট্য (Features of Tribal Economy)

- অক্সফর্ড অভিধান অনুসৰি "জনজাতি হৈছে কিছু বন্য বা প্রাগৈতিহাসিক যুগৰ লোকক সামৰি যিসকলে একে পূর্ব পুৰুষৰ সতি-সন্ততি বুলি নিজকে ভাৱে আৰু এজন মুখীয়ালৰ কর্তৃত্বত বিশ্বাস কৰে"। সমাজতত্ববিদ ডি এন মজুমদাৰ (D. N. Majumdar) ৰ সংজ্ঞামতে জনজাতি হৈছে এটি বিস্তীর্ণ ভূভাগত বসবাস কৰা লোকৰ সামাজিক গোট, তেওঁলোক হৈছে আন্তঃবিবাহী আৰু বংশগতভাৱে জনজাতীয় মুখিয়ালৰ কর্তৃত্বত থকা আৰু কোনো বিশিষ্ট বৃত্তিধাৰী নহয়; অন্যপ্রকাৰে, ভাষা বা দোৱানৰ ক্ষেত্রত ঐক্যবদ্ধ কিন্তু অন্য জাতি বা জনজাতিৰ মাজত সামাজিক দূৰত্ব বজাই ৰাখে। ৰা'লফ লিনটন (Ralph Linton) ৰ মতে জনজাতি হৈছে কিছু লোকৰ সমষ্টি যি এটি নির্দিষ্ট ভূ-ভাগত নিকট লোকসকলৰ সৈতে একেলগে বসবাস কৰে আৰু নিজ লোকৰ মাজত একেধৰণৰ সংস্কৃতি বজাই ৰাখে আৰু সঘনাই মিলামিছা কৰি সম্প্রদায়ৰ খাটিৰত একগোট হৈ থাকে।
- জনজাতীয় অৰ্থনীতি তুলনামূলকভাৱে সৰু আৰু সমসত্ব ধৰণৰ। প্রত্যেক জনজাতি গোটৰ সংস্কৃতি, ঔপচাৰিক ধর্মীয় নীতি, ভাষা, জীৱিকা ইত্যাদিৰ বৈশিষ্ট্যতা আছে। সেইকাৰণে তেওঁলোকৰ সমাজখনক "আত্মধাৰণ ক্ষুদ্র সমাজ" (Self Contained Little Societies) বুলি কোৱা হয় কাৰণ জনজাতি সকলৰ এটি নিজস্ব জীৱন ধৰণৰ প্রথা আছে।

- সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত বসবাস কৰা যথেষ্ট সংখ্যক জনজাতীয় লোকৰ বৰ্ণাঢ্য অৰ্থনীতি দেখা পোৱা যায়। তেওঁলোকৰ অৰ্থনৈতিক কাৰ্যৰ দ্বাৰা নিম্নলিখিত ভাগত বিভক্ত কৰা হয়।
  - আহাৰ সন্ধানত চিকাৰৰ কাৰণে একগোট হোৱা
  - গ্ৰাম্য জীৱন সম্বন্ধীয়
  - কৃষক সমাজ
  - হস্ত-শিল্প উৎপাদন আৰু ব্যৱসায়

ভাৰতবৰ্ষৰ কোনো কোনো জনজাতীয় সমাজত বৰ্তমানো চিকাৰৰ কাৰণে একগোট হোৱা সমাজ দেখা পোৱা যায়। এনেধৰণৰ কিছু সংখ্যক মধ্য ভাৰত আৰু লাক্ষা দ্বীপপুঞ্জত দেখা পোৱা যায়।

অৰণ্য ভিত্তিক হ'লে তেওঁলোকৰ অৰ্থনীতি চিকাৰৰ ওপৰত নিৰ্ভৰশীল। এওঁলোকে অৰণ্য মুকলি কৰি গৰু-গাই পোহা আৰু খেতি বাতি কৰাত ব্যস্ত থাকে। সংখ্যাগৰিষ্ঠ কৃষিজীৱি জনজাতি সকলৰ ক্ষেত্ৰত অৰণ্যই বহুতো আৱশ্যকতা পূৰণ কৰে। বিভিন্ন বনজ সামগ্ৰী যেনে— খৰি, গছৰ পাত, মৌ, ফলমূল, ঘাঁহ ইত্যাদিৰ কাৰণে তেওঁলোকৰ উপৰুৱা আৰ্জন হয়।

পাহাৰীয়া অঞ্চলত বসবাস কৰা জনজাতিসকল এঢলীয়া মাটিত খতি বাতি (ঝুম বা স্থানান্তৰিত কৃষি কাৰ্য) কৰাত পাকৈত। এনেকুৱা পাহাৰীয়া ঠাইসমূহৰ এঢলীয়া অংশ উলম্বভাৱে ওপৰলৈ মাটি কাটি ঘেঁহু, পাহাৰীয়া ধান, গোমধান আলু ইত্যাদিৰ খেতি কৰা হয়। তাৰোপৰি বহুতো অঘৰী ভেড়াপালক ভিত্তিত গঢ় লয়। আজিকালি অৱশ্যে কাশ্মীৰ, গাড়োৱাল আৰু হিমাচল প্ৰদেশৰ জনজাতিসকলে বাণিজ্যিকভাৱে আপেল, আলু ইত্যাদিৰ খেতি কৰি তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিছে।

জনজাতি অঞ্চলসমূহ পৰম্পৰাগত হস্তশিল্প আৰু কাৰুশিল্প কৌশলৰ কাৰণে প্ৰখ্যাত। এনে সমাজত বোৱনী আৰু অন্যান্য শিল্পীসকলে এটি বিশেষ স্থান লাভ কৰি আহিছে। বহুতো জনজাতীয় লোকে কাঠ আৰু বাঁহ-বেতৰ কাম, ধাতু আৰু শিলেৰে তৈয়াৰী শিল্প কাৰ্যত ব্ৰতী হয়। এনেকুৱা শিল্প কাৰ্যৰ বিষয়ে নৱ প্ৰজন্মক শিক্ষানবীচ হিচাপে লগত ৰাখি শিকোৱা হয়। যদিওবা বহুতো সম্প্ৰদায়ত পুৰুষ আৰু নাৰীৰ কাম লিংগ অনুযায়ী ভাগ কৰা থাকে, জনজাতি বিশেষে এই ৰীতিৰ তাৰতম্য দেখা পোৱা যায়। উদাহৰণ স্বৰূপে গাড়োৱাল অঞ্চলৰ "জোনচা বাৱাৰ"সকলৰ ঘৰ দুৱাৰত কৰা ৰং-বিৰঙৰ চিত্ৰ শিল্প মহিলাসকলেহে কৰে। হিমাচল প্ৰদেশৰ "কিনৌৰি" জনজাতি সকলৰ কিন্তু মূল সম্প্ৰদায়ৰ ভিতৰৰে এটি বিশেষ জাতিৰ পুৰুষ সকলেহে প্ৰধানতঃ কাপোৰ বোৱা কাৰ্য কৰে। কিছু সংখ্যক জনজাতি সম্প্ৰদায়ৰ লোক (যেনে উত্তৰ প্ৰদেশৰ তৰাই অঞ্চলৰ ভুতীয়া লোকসকল) ব্যৱসায় কাৰ্যত জড়িত।

- জনজাতিসকলৰ মাজত মাটি-বাৰীৰ মালিকীস্বত্ব তেওঁলোকৰ প্ৰচলিত জনজাতীয়

আইন অনুসৰি অধিকাৰ সাব্যস্ত হয়। যদিওবা সংখ্যাগৰিষ্ঠ ব্যক্তিগত মালিকীস্বত্ত্ব আছে, যৌথ মালিকীস্বত্ত্ব হিচাপে গাঁও পঞ্চায়ত বা গাঁৱৰ মুখীয়ালৰ পৰিচালনাত চলিত প্ৰথাও দেখা পোৱা যায়। এনে অঞ্চল সমূহত অজনজাতীয় লোকসকলে জনজাতি লোকসকলক ঋণ দি ধৰুৱা কৰি তেওঁলোকৰ মাটি-বাৰী হস্তগত কৰাটো এটি প্ৰধান সমস্যাত পৰিণত হৈছে। পৰিয়াল মানে হৈছে শ্ৰম কৰিব পৰা লোকৰ সংখ্যা; সামাজিক জীৱন আৰু সমূহীয়াৰ ধাৰণাও সবলভাৱে জনজাতিৰ পৰিচয়ৰ লগত জড়িত। তেওঁলোকৰ সম্প্ৰদায়ৰ বিভিন্ন সদস্যৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা দেখা যায়।

- উদ্যোগীকৰণ আৰু নব্য উদাৰীকৰণৰ অৰ্থনৈতিক নীতিয়ে ঐতিহ্যমণ্ডিত জনজাতীয় অৰ্থনীতিত বেয়াধৰণে প্ৰভাৱ পেলাইছে। বনাঞ্চল ধ্বংস, জনজাতীয় অঞ্চলৰ মাটি হস্তগত কৰা, বুনিয়াদী সা-সুবিধাৰ অভাৱ আৰু প্ৰযুক্তিৰ বিকাশে তেওঁলোকৰ সীমিত সম্পদৰ ওপৰত বৰ্দ্ধিত হাৰত হেঁচা প্ৰয়োগ কৰিছে আৰু পৰম্পৰাগত স্বাৱলম্বী অৰ্থনীতিক বেয়াধৰণে অস্থিৰ কৰি তুলিছে। বিশেষকৈ যিসকল লোক বনাঞ্চলত বসবাস কৰিছে তেওঁলোক ঘোৰ সংকটত পৰিছে। ভাৰত চৰকাৰে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ কাৰণে বনাঞ্চলসমূহ এনে স্থানীয় জনজাতীয় সম্প্ৰদায়ৰ লোকসকলৰ জীৱন ধাৰণৰ কথা একাষৰীয়া কৰি বিভিন্ন কামত ব্যৱহাৰ কৰিছে। উন্নয়নৰ নামত বনাঞ্চলৰ মাটি বৃহৎ কোম্পানীসমূহক লীজত দিয়া হৈছে। উদাহৰণ স্বৰূপে, উৰিষ্যাৰ বেদান্ত (Vedanta) খনি আৰু ধাতু কোম্পানী আৰু পস্ক' (Posco) তীখা প্ৰকল্প। এনেধৰণৰ দুৰ্বল জনজাতিসকলৰ দুৰ্দশাৰ অসংখ্য উদাহৰণ আছে। পৰিণাম স্বৰূপে তেওঁলোকৰ পৰম্পৰাগত অৰ্থনীতি আৰু জীৱিকাৰ ধ্বংস হ'বলৈ ধৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) জনজাতীয় সমাজবিলাক ..... ধৰণৰ।

খ) বৰ্তমান সময়ত ..... শক্তিয়ে নগৰীয়
অৰ্থনীতি আৰু জনজাতীয় অৰ্থনীতিৰ বৃহৎ পৰিৱৰ্তনত
অৰিহণা যোগাইছে।

প্ৰশ্ন নং ৭ ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

ক) নগৰীকৰণ আৰু উদ্যোগীকৰণ প্ৰক্ৰিয়াই গ্ৰাম্য অৰ্থনীতি গ্ৰাস কৰিছে।

খ) ভাৰতীয় অৰ্থনীতি মুখ্যতঃ কৃষিভিত্তিক অৰ্থনীতি।



অনুশীলনী

ক) এখন সমাজৰ বিকাশত শিক্ষাৰ যথেষ্ট গুৰুত্বৰ বিষয়ে আপুনি কি ভাবে? আপোনাৰ নিজা ভাষাত ব্যাখ্যা কৰক।

.....

.....

.....

খ) বৰ্তমান শিক্ষা ব্যৱস্থাৰ কেইটামান সবলতা আৰু দুৰ্বলতাৰ এখন তালিকা বনাবলৈ চেষ্টা কৰক।

.....

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যিকোনো মানৱ সমাজত শিক্ষাই গুৰত্বপূৰ্ণ ভূমিকা পালন কৰে। সমাজতত্ত্বৰ ফালৰ পৰা চাবলৈ গ'লে শিক্ষা আৰু সামাজিক জীৱনৰ বিভিন্ন দিশ হৈছে, দুয়োৰে পাৰস্পৰিক কেন্দ্ৰ বিন্দু। সেইকাৰণে ইমাইল দুৰখেইমৰ মতে শিক্ষাৰ প্ৰধান কাৰ্য হৈছে সমাজৰ নীতি নিয়ম আৰু মূল্যবোধ সম্প্ৰচাৰ কৰা। সামাজিকীকৰণৰ গুৰুত্বপূৰ্ণ অংশ হৈছে শিক্ষা।
- এই অধ্যায়ত আমি প্ৰাক্ ব্ৰিটিছ আৰু স্বৰাজোত্তৰ কালৰ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ অনুসন্ধান কৰিলো। শিক্ষা হৈছে এটি গতিশীল ধাৰণা আৰু সময় পৰিৱৰ্তনৰ লগে লগে ইয়াৰো পৰিৱৰ্তন হয়। নিৰ্দিষ্ট সময়ৰ দৰ্শন আৰু আৰ্থ সামাজিক বিকাশৰ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষা বিকশিত হয়। বৈদিক যুগত শিক্ষা প্ৰধানতঃ সমাজৰ উচ্চ শ্ৰেণীৰ কাৰণেহে প্ৰযোজ্য আছিল। এনে শিক্ষা গুৰুকুল, আশ্ৰম ইতাদিত প্ৰদান কৰিছিল। ধৰ্মমূলক কিতাপ, সাহিত্য, ব্যাকৰণ, অঙ্ক শাস্ত্ৰ ইত্যাদি অধ্যয়ন কৰাটো আৱশ্যকীয় বুলি গণ্য কৰা হৈছিল। শিক্ষাৰ্থীসকল যিহেতু শিক্ষা গুৰুৰ সৈতে গুৰুগৃহত একেলগে বাস কৰিছিল গতিকে তেওঁলোকৰ মাজত নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। শিক্ষাৰ্থীসকলৰ পৰা এটি নিয়মানুৱৰ্তী জীৱন আশা কৰা হৈছিল। বৌদ্ধিক যুগত শিক্ষাৰ প্ৰসাৰ হৈছিল আৰু সেই অনুসৰি সমাজৰ বিভিন্ন বৰ্গৰ লোকে শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। এই সময়তে শিক্ষাক আনুষ্ঠানিকতাৰ আওতালৈ আনি বৌদ্ধবিহাৰ সমূহত শিক্ষাদান কৰা হৈছিল। অৱশ্যে বৈদিক যুগৰ পাঠ্যক্ৰম সমূহেই এনে শিক্ষাত প্ৰচলিত আৰু প্ৰতিফলিত হৈছিল। মধ্যযুগত শিক্ষাৰ ধৰণ সলনি হৈ শিক্ষাকেন্দ্ৰ হিচাপে 'মাদ্ৰাছা' আৰু 'মকতাব'সমূহ খোলা হয়।

ব্রিটিছৰ সময়ত পশ্চিমীয়া শিক্ষাত বিজ্ঞান আৰু ইংৰাজী শিকাত গুৰুত্ব দিয়া হয়। ইমানদিনে উপেক্ষিত নাৰী শিক্ষাও অগ্রসৰ হ'বলৈ ধৰিলে।

- স্বাধীনতাৰ পিছত শিক্ষা ব্যৱস্থা সবল কৰিবৰ কাৰণে বিশেষ প্রয়াস কৰা হয়। তাৰোপৰি ভাৰতবর্ষত শিক্ষাৰ ক্ষেত্রত উল্লেখযোগ্য বিকাশ আৰু প্রসাৰ হয়। আধুনিক ধর্মনিৰপেক্ষ আৰু গণতান্ত্রিক সমাজ এখনৰ যি লক্ষ তাক সফল কৰিবলৈ হ'লে একাত্মবোধ আৰু সংগ্রামৰ মানসিকতাৰে সকলোকে সমান সুযোগ প্রদানৰ দ্বাৰা আধুনিক বিশ্বৰ প্রত্যাহ্বানসমূহ গ্রহণ কৰিব পাৰিব লাগিব।
- এই অধ্যায়ত বর্তমান বৃত্তিমূলক গাঁথনি পৰিবর্তনৰ বিষয়েও জানিবলৈ চেষ্টা কৰা হৈছে। নগৰীয় আৰু গ্রাম্য অর্থনীতিত হোৱা পৰিৱর্তনসমূহৰ বিষয়েও পৰিস্কাৰকৈ দেখুৱাবলৈ প্রয়াস কৰা হৈছে। জনজাতীয় অর্থনীতিৰ বৈশিষ্ট্যসমূহৰ সবিশেষ আলোচনাৰ জৰিয়তে আধুনিক নগৰীয় অর্থনীতিৰ লগত থকা পার্থক্য দেখুৱা হৈছে।



১১.৮ অধিক জানিবলৈ

Basu, Aparna (1982). *Essay in the History of Educaton*. New Delhi : Concept Publishing Company.

Mukharjee, Dhurjati (ed). (1980). *Education in India Today*. Calcutta Firma Klm Private Limited.



১১.৯ অগ্রগতিৰ খতিয়ান

১ **নং প্রশ্নৰ উত্তৰ ঃ** ক) গুৰুকুল, আশ্রম পাৰিষদ

খ) 'মকতাব' হৈছে মুছলমান সকলৰ স্থানীয় প্রাথমিক বিদ্যালয়, য'ত শিক্ষার্থীসকলক ধর্মমূলক কিতাপ পঢ়িবলৈ দিয়া হয়। ইছলামসকলে ১৩শ খৃষ্টাব্দত ভাৰতবর্ষ আক্রমণ কৰিছিল।

২ **নং প্রশ্নৰ উত্তৰ ঃ** ক) শিক্ষা

খ) গুৰুকুল আৰু আশ্রম।

৩ **নং প্রশ্নৰ উত্তৰ ঃ** ক) মহাত্মা গান্ধীয়ে গ্রাম্য জনসাধাৰণৰ কাৰণে বুনিয়াদী শিক্ষাৰ আৰম্ভণি কৰিছিল। এই শিক্ষা ব্যৱস্থাত বিশেষকৈ স্বাক্ষৰতা আহৰণ, কাপোৰ বোৱা, সূতা কটা, কাঠৰ কাম-কাজ ইত্যাদি ব্যৱহাৰিক শিক্ষাত গুৰুত্ব দিয়া হৈছিল। গান্ধীজীয়ে বিশ্বাস কৰিছিল যে যদিহে ভাৰতীয় গাঁওসমূহে নগৰ বা মহানগৰৰ ওপৰত নির্ভৰ নকৰাকৈ

অৰ্থনৈতিক স্বাধীনতাৰ যোগেদি আৱশ্যকীয় যৱতীয় সা-সামগ্ৰী গাঁৱতেই উপলব্ধ কৰাব পাৰে তেনেহ'লে ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষ আত্মনিৰ্ভৰশীল হ'ব পাৰিব।

খ) আমি জানো যে ভাৰতীয় গণৰাজ্য ভাৰতীয় সংবিধানৰ দ্বাৰা পৰিচালিত হয় আৰু চনৰ জানুৱাৰীৰ পৰা ইপ্ৰযোজ্য হৈছে। সংবিধানৰ চৰ্তৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় তথা ৰাজ্যিক চৰকাৰৰ বিভিন্ন সংস্থাসমূহে শিক্ষানীতিৰ আধাৰ প্ৰস্তুত কৰিছে। স্বাধীনতাৰ পিছৰ পৰা ভাৰতবৰ্ষত দুটা প্ৰধান শিক্ষা নীতি গ্ৰহণ কৰা হৈছে। সেই দুটা হৈছে—

- ৰাষ্ট্ৰীয় শিক্ষা নীতি যাৰ মূল লক্ষ্য আছিল সকলোলৈকে শিক্ষাৰ সুবিধা আগবঢ়োৱা
- ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰ লক্ষ্য আছিল ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সধা, য'ত সন্নিৱিষ্ট কৰা হৈছিল ঃ সমগ্ৰ ভাৰতবৰ্ষতে যিমান পাৰি সিমান শিক্ষানুষ্ঠান খুলি শিক্ষাৰ প্ৰসাৰ সৰ্বাত্মক কৰা।

- শিক্ষাৰ ক্ষেত্ৰত অসমতা আৰু বৈষম্যতা দূৰীকৰণ। ইয়াৰ অৰ্থ হৈছে সকলো বিদ্যাৰ্থীয়ে জাতি, বৰ্ণ, লিংগ নিৰ্বিশেষে শিক্ষানুষ্ঠানত প্ৰৱেশৰ অধিকাৰ পোৱা।
- ইয়াৰ দ্বাৰা সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলক (যেনে জনজাতি, অনুসূচিত জাতি, অন্যান্য পিছপৰা জাতি, শাৰীৰিক ভাৱে অক্ষম লোক ইত্যাদি) সমাজৰ অন্যসকলৰ সৈতে একে অৱস্থালৈ অনাৰ নিৰ্দিষ্ট প্ৰয়োজনীয়তা পূৰণ কৰিছে। ইয়াৰ আৰু এটা লক্ষ্য হৈছে সমাজৰ সৰ্বাংগীন উন্নতি সাধন কৰা।
- ইয়াৰ দ্বাৰা বছৰ বয়সলৈকে সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাদানৰ পোষকতা কৰা হৈছে।
- ইয়াৰ দ্বাৰা বিদ্যালয়ৰ পাঠ্যক্ৰম আধৰুৱাকৈ এৰা শিক্ষাৰ্থীৰ সংখ্যা হ্ৰাস কৰা আৰু বিদ্যালয়লৈ অহাত উৎসাহিত কৰিবলৈ বিচৰা হৈছে।

৪ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) আনুষ্ঠানিক সংস্থা হৈছে কিছুমান সামাজিক গোট যিবিলাক ইচ্ছাকৃতভাৱে অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক দিশত কিছুমান প্ৰয়োজনীয়তা পূৰণৰ কাৰণে সৃষ্টি কৰা হয়। এনে সংস্থা আৰু অনুষ্ঠানসমূহ প্ৰধানকৈ যুক্তিনিৰ্ভৰ বিধিগত নিয়ম-নীতিৰ ওপৰত ভিত্তি কৰি গঠিত হয়; যেনে চাকৰিয়াল আৰু নিয়োগকৰ্তাৰ মাজৰ চুক্তিগত সম্পৰ্ক, সংস্তৰিত সম্বন্ধ, প্ৰত্যেক দিশত দেখা পোৱা শ্ৰম বিভাজন, নিৰ্দিষ্ট কাৰ্য আৰু ব্যক্তি বিশেষৰ মাজৰ অনুভূতি বিহীন সম্বন্ধ।

খ) আধুনিক বৃত্তিৰ কেইটিমান বৈশিষ্ট্য এনেধৰণৰ —

- কাৰ্য হৈছে কোনো এটা নিৰ্দিষ্ট কাম সমাধা, অৱশ্যে বেলেগ বেলেগকৈ বিভিন্নজনে কৰা কাৰ্য ইয়াৰ ভিতৰত নপৰে।
- বুজন পৰিমাণৰ কৃষিৰ লগত জড়িত বৃত্তি অকৃষি কাৰ্যলৈ স্থানান্তৰিত হৈছে।
- বিভিন্ন ধৰণৰ বৃত্তিমূলক খণ্ডলৈ বৃহৎ পৰিমাণৰ শ্ৰম শক্তিৰ প্ৰসাৰণ যেনে— প্ৰযুক্তিগত, বৃত্তিগত চাকৰি ইত্যাদি।

- সাংগঠনিক পটভূমিত চাকৰি বৃদ্ধি।
- অকৃষি ক্ষেত্ৰৰ বৃত্তি সমূহত আনুপাতিকভাৱে কম কায়িক বা শাৰীৰিক শ্ৰমৰ চাকৰি কৰা লোকৰ বৃদ্ধি।

৫ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) মেস্ক ৰেবাৰ খ) বিশেষ পাৰদৰ্শী আৰু জটিল

৬ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) সমসত্ব খ) বিশ্বায়ন

৭ **নং প্ৰশ্নৰ উত্তৰ ঃ** ক) অশুদ্ধ খ) শুদ্ধ



১১.১০ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন ঃ (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ টা শব্দৰ ভিতৰত হ'ব লাগিব)

প্ৰশ্ন ১ ঃ বুনিয়াদী শিক্ষা ব্যৱস্থা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে চমু বিৱৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ ভাতবৰ্ষৰ বৰ্তমান ৰূপত শিক্ষা ব্যৱস্থা কেনে ধৰণৰ?

প্ৰশ্ন ৪ ঃ নগৰীয় অৰ্থনীতি আৰু জনজাতীয় অৰ্তনীতিৰ প্ৰধান পাৰ্থক্যসমূহ আলোচনা কৰক।

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ শব্দৰ ভিতৰত হ'ব লাগিব)

প্ৰশ্ন ১ ঃ আধুনিক শিক্ষা ব্যৱস্থা প্ৰণয়নৰ ইতিহাস বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কেইটামান প্ৰধান পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ব্ৰিটিছ শাসনকালৰ কেইটিমান শিক্ষা ব্যৱস্থাৰ সাফল্যৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ বৈদিক যুগৰ কেইটিমান শিক্ষা বিষয়ৰ অৱদানৰ বিষয়ে উল্লেখ কৰক। বৌদ্ধিক আৰু বৈদিক যুগৰ শিক্ষা ব্যৱস্থাৰ সাদৃশ্যতা আৰু বৈসাদৃশ্যতাসমূহ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ধর্ম আৰু সামাজিক কার্যাৱলী

অধ্যায় গাঁথনি

 উদ্দেশ্য
 পৰিচয়
 ধর্ম ঃ সংজ্ঞা আৰু অর্থ
 সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ধর্মৰ আলোচনা
 ধর্মৰ সামাজিক কার্যাৱলী
 ভাৰতৰ গ্রাম্যাঞ্চলৰ ধর্ম ঃ এক সংক্ষিপ্ত বিৱৰণ
 গ্রাম্য ধর্মৰ অধ্যয়নৰ তাৎপর্য
 ভাৰতৰ গ্রাম্য ধর্মৰ বৈশিষ্ট্য
 পৰিৱর্তিত দৃশ্যপট
 গ্রাম্য ধর্মীয় ব্যৱস্থাৰ প্রধান কার্যসমূহ
 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
 অধিক জানিবলৈ
 অগ্রগতিৰ খতিয়ান
 আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ধর্মৰ বিভিন্ন সংজ্ঞা সম্পর্কে আলোচনা কৰিব পাৰিব,
- ধর্মৰ অর্থ, ধাৰণা আৰু প্রকাৰসমূহ আলোচনা কৰিব পাৰিব,
- মানৱ সমাজত ধর্মৰ বিভিন্ন কার্যাৱলী বিশ্লেষণ কৰিব পাৰিব,
- গ্রাম্য সমাজৰ উৎপত্তি সম্পর্কে জ্ঞাত হ'ব,
- ভাৰতীয় গ্রাম্য সমাজৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব,
- গ্রাম্য সমাজত ধর্মৰ ভূমিকা আৰু কার্যৰ লগতে ইয়াৰ মানদণ্ড সম্পর্কে বুজিব পাৰিব।

১২.২ পৰিচয়

আমি জানো যে পৃথিৱীৰ সকলো সম্প্রদায়ৰ সংস্কৃতিৰ এটা প্রধান উপাদান হৈছে ধর্ম। ধর্মই মানুহক কেৱল এই পৃথিৱীতে নহয় মৃত্যুৰ পিছতো সুৰক্ষা প্রদান কৰে। ধর্মই মানুহক কেৱল দৈহিক আৰু সামাজিক পৰিৱেশৰ সম্পর্কতেই নহয় কিছুমান অপৰিচিত শক্তি আৰু প্রাণীৰ পৰা সুৰক্ষা প্রদান কৰে। মানুহে এই অচিনাকী শক্তি আৰু প্রাণীৰ জগতখনক অলৌকিক শক্তিৰ পৃথিৱী আখ্যা দিয়ে।



জানি থোৱা ভাল

ধর্মৰ ইংৰাজী শব্দটো মধ্যযুগীয় ইংৰাজী শব্দ 'Religioun' ৰ পৰা উদ্ভৱ হোৱা - যিটো পুৰণি ফৰাছী শব্দ 'religion' ৰ পৰা আহিছে। এই শব্দটো লেটিন 'religo' ৰ পৰা উদ্ভৱ হোৱা, যাৰ অর্থ হৈছে শুভ বিশ্বাস (Good Faith), ধর্মীয় নীতি-নিয়ম বা আন তেনে ধৰণৰ অর্থ। কিছুমানে আকৌ এই শব্দটো লেটিন শব্দ religar eৰ পৰা অহা বুলি মতপোষণ কৰে, যাৰ অর্থ হৈছে 'জোৰকৈ বান্ধি ৰখা'।

সাধাৰণ অর্থত ধর্ম হৈছে কোনো এক অলৌকিক আৰু উত্তম শক্তিৰ প্রতি ৰখা বিশ্বাস। এই বিশ্বাস সকলো সমাজতে বিভিন্ন ৰূপত দেখা পোৱা যায়। এই অলৌকিক (supernatural) শক্তিবিধৰ সমাজত এক বিশেষ প্রভাৱ আৰু নিয়ন্ত্রণ থাকে বুলি বিশ্বাস কৰে। আজিৰ পৰা যাঠি হাজাৰ বছৰ আগৰে পৰা সমাজত অলৌকিক শক্তি আৰু ইয়াৰ প্রভাৱ সম্পর্কে বিশ্বাস থকা বুলি প্রমাণ পোৱা যায়। প্রত্নতত্ত্ববিদে পোৱা তথ্য মতে নিয়েনডাৰথেল (Neanderthal) সকলে তেওঁলোকৰ মৃতকৰ সৈতে বহুতো শিলৰ সামগ্রী আৰু অলংকাৰ কবৰ দিছিল। ধর্ম হৈছে কোনো এক অলৌকিকতাৰ (supernatural) প্রতি থকা মানুহৰ সুসংগঠিত সঁহাৰি; যদিও এই অলৌকিক শক্তিৰ প্রতি থকা বিশ্বাসক বিভিন্ন ধর্মমত, ধর্মীয় অভ্যুত্থানে সময়ে সময়ে অস্বীকাৰ কৰি আহিছে। সি যি কি নহওক ধর্মৰ এই সংজ্ঞাটো বা ধর্মৰ উৎপত্তি সম্পর্কে এই মতবাদটো বিভিন্ন তর্ক-বিতর্কৰে ভৰা। অলৌকিক শক্তিৰ প্রতি থকা বিশ্বাস, কিম্বদন্তি (Myth), ধর্মীয় নীতি-নিয়ম তথা অনুশীলন ইত্যাদিৰে ধর্মৰ ধাৰণাটো ভৰি আছে।

যদিও ধর্ম সর্বসাধাৰণে বুজি পোৱা এক পৰিঘটনা, তথাপি ইয়াক মানুহে বিভিন্ন সময়ত বিভিন্ন প্রকাৰে সজ্ঞাবদ্ধ কৰি আহিছে। ধর্মত সাধাৰণতে এজন মহাপুৰুষৰ বাণী আৰু সর্বসাধাৰণে গ্রহণ কৰা ধাৰণা বিভিন্ন ৰূপত পোৱা যায়। গতিকে ধর্মৰ প্রকৃতি সম্পর্কে এটা সর্বসন্মত ধাৰণা পোৱা নাযায়। সমাজতত্ত্ববিদ্ সকলেও সেইকাৰণে ধর্মৰ এটা প্রকৃত ব্যাখ্যা উলিয়াব পৰা নাই।

আকৌ, এই কথাটোও মন কৰিবলগীয়া যে ধর্মীয় বিশ্বাস আৰু অনুশীলনীবিলাকৰ এখন সমাজৰ সৈতে অন্য এখন সমাজৰ, এটা সম্প্রদায়ৰ সৈতে আন এটা সম্প্রদায়ৰ বা এখন ঠাইৰ সৈতে অন্য এখন ঠাইৰ মাজত ভিন্নতা দেখা যায়। এই পার্থক্য আনকি একেটা ধর্মমতৰ মাজতো পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে গাঁৰলীয়া পৰিৱেশতকৈ নগৰ অঞ্চলত ধর্মীয় নীতিবিলাকৰ এক শিথিলতা আছে। এই পার্থক্যসমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰাৰ আগতে ধর্মৰ অর্থ, সংজ্ঞা আৰু ইয়াৰ সামাজিক দিশত থকা প্রধান কর্তব্য সম্পর্কে আলোচনা কৰো আহক।

১২.৩ ধর্ম ঃ সংজ্ঞা আৰু অর্থ

দার্শনিক সকলে সকলো ধর্মৰ মাজতে সাদৃশ্য থকা ধর্মৰ এটা বৈশিষ্ট্য উদ্ভাৱন কৰিবলৈ

চেষ্টা কৰি আহিছে। নৃতত্ত্ববিজ্ঞানৰ জনক হিচাপে খ্যাত ই. বি. টাইলৰৰ মতে ধর্ম হৈছে পৰমাত্মাৰ প্রতি থকা অগাধ বিশ্বাস। টাইলৰৰ এই সংজ্ঞাটোৰ বর্তমানৰ সমাজতো যথার্থতা থকা বুলি বহুতো বিজ্ঞানীয়ে মত পোষণ কৰে। দার্শনিক জেমছ ফ্রেজাৰৰ মতে ধর্মই এক বিশেষ শক্তিক সন্তুষ্ট কৰাকে বুজায়।

বিখ্যাত সামাজিক দার্শনিক এমিল ডুৰখেইমে তেখেতৰ বিখ্যাত গ্রন্থ 'Elementary Forms of the Religious Life'ত ধর্মৰ সংজ্ঞা সম্পর্কে এনেদৰে কৈছিল যে, "ধর্ম হৈছে কোনো এক পৱিত্র বস্তুৰ প্রতি থকা বিশ্বাস আৰু অনুশীলন পদ্ধতি। এই পদ্ধতিত সেই পৱিত্র বস্তু বিধক বিশ্বাস আৰু কর্মৰ জৰিয়তে সর্বসাধাৰণৰ পৰা পৃথক কৰা হয় আৰু এনেকুৱা এক উচ্চ আৰু পৱিত্র স্থানত স্থাপন কৰা হয় য'ৰ পৰা মানুহে এক বিশেষ সম্প্রদায় হিচাপে এটা বিশেষ ধর্মীয় নীতিৰ প্রতি দায়বদ্ধ হয়। সাধাৰণতে এই পৱিত্র স্থানটোক বা সম্প্রদায়টোক গীর্জা বা ধর্মীয় গোট আখ্যা দিয়া হয়।"

জেমছ জি. ফ্রেজাৰে, তেখেতৰ বিখ্যাত গ্রন্থ 'The Golden Bough'ত কৈছিল যে "ধর্ম হৈছে কোনো অলৌকিক শক্তিত থকা বিশ্বাস; মানুহে এই বিশ্বাসৰ জৰিয়তে প্রকৃতি আৰু মানৱ জাতিৰ সুৰক্ষা তথা নিয়ন্ত্রণ নিশ্চিত কৰে।"

মেকভাৰ আৰু পেজে ধর্ম সম্পর্কত কৈছিল যে ধর্ম শব্দটোৱে অকল এজন মানুহৰ অন্য এজন মানুহৰ সৈতে থকা সম্পর্ককে নুবুজায়, ই এজন মানুহৰ অন্য এক উচ্চ শক্তিসম্পন্ন ক্ষমতাৰ সৈতে থকা সম্পর্ককো বুজায়।

অগবার্ণে আকৌ ধর্মক কোনো এক অলৌকিক শক্তিৰ অধিকাৰী মানুহৰ প্রতি থকা বিশ্বাস বুলি কৈছে।

মেক্স মূলাৰৰ মতে ধর্ম হৈছে মানুহৰ এক মানসিক ক্ষমতা যাৰ জৰিয়তে মানুহে নিজৰ অসম্পূর্ণতাক পূর্ণ কৰিব পাৰে।

স্পাইৰোৱে (Spiro), [illegible] চনত, এই কথাটো স্পষ্ট কৰি কৈছিল 'অলৌকিক প্রাণীৰ প্রতি বিশ্বাস' ধর্মৰ সকলো সংজ্ঞাৰেই প্রধান উপাদান। এইখিনী ৰালেছে আকৌ এই বুলি মতপোষণ কৰে যে ধর্ম হৈছে এনে এক মানৱীয় আচৰণ যাক অলৌকিক শক্তি আৰু ক্ষমতাৰ প্রতি ৰখা বিশ্বাস আৰু নীতি-নিয়মৰ ওপৰত ভিত্তি কৰি বিভিন্ন ভাগত বিভক্ত কৰিব পাৰি। সুৰজিৎ সিন্হাৰ মতে ধর্ম হৈছে এনে এক ব্যৱস্থাপনা য'ত কোনো এক পৱিত্র বস্তুৰ প্রতি থকা বিশ্বাস, অনুশীলন আৰু মূল্যবোধ জড়িত হৈ থাকে। ধর্মৰ কোনো এক অলৌকিক শক্তিৰ সৈতে সম্পর্ক থাকে; যি শক্তিক মানৱ জাতিৰ সকলো ঐচ্ছিক তথা সাংসাৰিক সৃষ্টিৰ আদি বুলি ভবা হয়।

ধর্ম সম্পর্কে থকা বিভিন্ন পৰম্পৰাগত সংজ্ঞা সমূহৰ পৰা আমি ধর্মক তলত উল্লেখ কৰা দিশ সমূহৰ সৈতে জড়িত বুলি সিদ্ধান্ত ল'ব পাৰোঁ —

- এখন অলৌকিক জগতত অলৌকিক শক্তি বা আচৰণৰ ওপৰত কৰা বিশ্বাস।
- অলৌকিক শক্তিৰ ওপৰত সহায়, উৎসাহ আৰু শক্তিৰ বাবে নির্ভৰ কৰা।
- ধর্মীয় নীতি-নিয়ম আৰু আচৰণৰ আর্হিসমূহত এই নির্ভৰশীলতা প্রকাশ পায়।
- ধর্মই মানুহক একত্রিত কৰে।

পৃথিৱীত এনে কিছুমান ধর্ম আছে যিবিলাক ধর্মৰ পৰম্পৰাগত সংজ্ঞাৰ অন্তর্ভূক্ত নহয়। যদিও ধর্মই কোনো এক অলৌকিক শক্তিৰ ওপৰত কৰা বিশ্বাস আৰু অনুশীলন পদ্ধতিক বুজায়, তথাপিও মূল বৌদ্ধ ধর্মত কিন্তু তেনে কোনো অতিপ্রাকৃতিক সত্ত্বাৰ বহন নাই। কিন্তু আন ধর্মসমূহৰ নিচিনা এই ধর্ময়েও এটা বিশ্ববীক্ষা আগবঢ়ায়। আমাৰ চাৰিওফালৰ পৰিঘটনা সমূহ ব্যাখ্যা কৰে, আমাক জটিল সময়ত কামত লগাব পৰাকৈ উপায় আগবঢ়ায়। সি যি কি নহওঁক ধর্মৰ মূল বৈশিষ্ট্য হৈছে ইয়াৰ পৱিত্রতা।



জানি থোৱা ভাল

এন্থনী এফ. চি. ওৱালেছে (Anthony F. C. Wallace) ধর্মক চাৰিটা ভাগত বিভক্ত কৰিছে। এই ভাগ সমূহ যদিও সকলো ধর্মৰ সৈতে খাপ নাখায়, তথাপি ইয়াৰ যথার্থতা নুই কৰিব নোৱাৰি।

- **ব্যক্তিবাদী** (Individualistic) ঃ ই আটাইতকৈ সৰল আৰু মৌলিক ধর্মমত।
- **স্বামানবাদী যাদু বিদ্যা** ঃ স্বামান সকল সময়-ভিত্তিক (Part-time) ধর্ম চর্চা কৰোঁতা। তেওঁলোকে ধর্মৰ অনুভূতি বা অলৌকিকতাক তেওঁলোকৰ অনুগত সকলৰ বাবেহে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে শ্বামান বা তান্ত্রিক সকল আধ্যাত্মিক, ঐশ্বৰিকবাদী, হস্তৰেখাবিদ ইত্যাদি। এই ক্ষেত্রত সেই সকলহে পাকৈত হব সিয়ে ধর্মৰ সর্বোচ্চ ক্ষমতাত আৰোহণ কৰিব পাৰে।
- **সাম্প্রদায়িক** ঃ সাম্প্রদায়িকতা কিছুমান বিশ্বাস আৰু অনুশীলনীৰ সমষ্টি। সম্প্রদায় সমূহ সাধাৰণতে বংশগতিৰ ভিত্তিত, জন্মগত ভাৱে, বয়স বা ধর্মীয় অনুভূতিৰ জৰিয়তে গঠিত হয়। মানুহে এই সম্প্রদায়বোৰত নিজৰ জ্ঞান আৰু পূর্বপুৰুষ পূজাৰ জৰিয়তে নিজৰ ভূমিকা পালন কৰে।
- **ধর্মযাজক কেন্দ্রিক ধর্মী** (Ecclesiastical) ঃ এই বিধেই আটাইতকৈ জটিল। ইয়াত ধর্মগ্রন্থ সমূহৰ অন্তর্ভূক্ত বিভিন্ন ধর্মীয় নীতি নিয়মক প্রধান উপাদান হিচাপে গ্রহণ কৰা হয়। ধর্মযাজক সকলেই হ'ল গুৰি ধৰোতা।

১২.৪ সমাজতাত্ত্বিক দৃষ্টিভংগীৰে ধর্মৰ আলোচনা

ভাৰতবর্ষত পৃথিৱীৰ সকলো বিলাক ধর্মৰে মানুহ পোৱা যায়। ভাৰতবর্ষৰ ধর্মৰ মূল বিষয়বস্তু সম্পর্কে আমি নৱম অধ্যায়টিত বিশদভাৱে আলোচনা কৰিম। এই অধ্যায়টিত আমি ভাৰতৰ গ্রাম্য ধর্ম আৰু (Rural religion) আৰু ইয়াৰ গুৰুত্ব তথা কার্যাৱলী সমূহ আলোচনা কৰিম। এই অধ্যায়ত ধর্ম সমূহৰ মাজত চলা প্রতিযোগিতা বা অৱিয়া অৱিৰ কথা আলোচনাৰ বাহিৰত ৰখা হব। কাৰণ সমাজ শাস্ত্রত প্রধানকৈ ধর্মৰ সামাজিক উপযোগিতা তথা ইয়াৰ বিশ্বাস অনুশীলনী সমূহৰ ওপৰতহে গুৰুত্ব দিয়া হয়। এতিয়া আমি সমাজতাত্ত্বিক বিজ্ঞানী সকলে সততে উত্থাপন কৰা ধর্ম সম্পর্কীয় কেইটামান প্রশ্নৰ বিষয়ে আলোচনা কৰো আহক।

- ধর্মই কেনেকৈ বিশ্বাস আৰু পূজা অর্চনাৰ যোগেদি কোনো এটা সংগঠনক একত্রিত ভাৱে পুনৰুজ্জীৱিত কৰে? (ডুৰখিম্)
- ধর্মই কেনেকৈ ব্যক্তিৰ আবেগিক আৰু বৌদ্ধিক বিকাশত অন্তৰায়ৰ সৃষ্টি কৰে? (মার্ক্সৰ মত)
- ধর্মই কেনেকৈ পুঁজিবাদৰ দৰে এটা নির্দিষ্ট অর্থনৈতিক ব্যৱস্থাৰ সৃষ্টি কৰে? (মেক্সৱেবাৰৰ মত)

১২.৫ ধর্মৰ সমাজিক কার্যাৱলী

ধর্মই ব্যক্তিৰ ব্যক্তিগত আৰু সামাজিক জীৱন উভয়তে এক উল্লেখযোগ্য ভূমিকা পালন কৰে। এই ভূমিকা সমাজভেদে বিভিন্ন ধৰণৰ হ'ব পাৰে।

- ব্যক্তিগত ভাৱে ধর্মই মানুহক আবেগিক ক্ষেত্রত সুৰক্ষা দিয়ে। ধর্মই মানুহক নিজৰ বিপদক বা পীড়াক যুক্তিযুক্তভাৱে বিচাৰ কৰি সহ্য কৰিবলৈ শিকায়।
- ধর্মই ব্যক্তিৰ জীৱনত দিক্ নির্ণয় কৰে।
- ধর্মই ব্যক্তিৰ চাৰিওফালে ঘটি থকা বিভিন্ন ঘটনাৱলীৰ যথার্থতা আৰু সঠিক ব্যাখ্যা দাঙি ধৰে।
- সামাজিক ভাৱে ধর্মই সমাজ নিয়ন্ত্রণৰ এক শক্তিশালী আহিলা হিচাপে কাম কৰে। অলৌকিক শক্তিৰ কোপদৃষ্টিৰ ভয়েৰে মানুহৰ আচৰণ আৰু ব্যৱহাৰ নিয়ন্ত্রণ কৰিব পাৰে। ধর্মৰ এই প্রভাৱ বা অনুভৱ মানুহে সৰুৰে পৰা সামাজিক জীৱনৰ পৰা শিকে বা আয়ত্ত কৰে।
- ইয়াৰ উপৰিও ধর্মই মানুহক এটা গোট হিচাপে একত্রিত কৰি ৰাখে।

একোটা ধর্মীয় অনুভূতি অনুসৰণ কৰা মানুহৰ মাজত ধর্মই যদিও একতাৰ মনোভাৱ সৃষ্টি কৰে তথাপিও কেতিয়াবা ই ভিন্ন ধর্মৰ মাজত মতানৈক্যৰ সৃষ্টি কৰিব পাৰে। এই অনৈক্যতাৰ প্রধান কাৰণ হৈছে ধর্মীয় অনুভূতি সম্পর্কে হোৱা ভুল ধাৰণা।



অগ্রগতি নিৰীক্ষণ - ১

খালী ঠাই পূৰণ কৰক ঃ

(ক) কোনো এক পৱিত্র বস্তুৰ প্রতি দেখুওৱা বিশ্বাস আৰু অনুশীলনী সমূহক একত্রিত ভাৱে —— বোলা হয়।

(খ)টাইলৰৰ মতে, "ধর্ম হৈছে —— প্রতি ৰখা বিশ্বাস"।

শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক ঃ

(গ) ডুৰখেইমৰ ধর্মৰ আলোচনা বিলাক ধর্মই সমাজত পালন কৰা ভূমিকাতে কেন্দ্রীভূত আছিল।

(ঘ) ৰৌদ্ধ ধর্ম অলৌকিক শক্তিৰ পৰা মুক্ত আছিল।

(ঙ) ৰৌদ্ধ ধর্মই আমাক বিপদৰ পৰা পৰিত্রাণ পাবলৈ আমাৰ চাৰিওফালে ঘটা ঘটনাৱলীৰ এক সঠিক ব্যাখ্যা দাঙি ধৰে।

১২.৬ ভাৰতৰ গ্রাম্যাঞ্চলৰ ধর্ম ঃ এক সংক্ষিপ্ত বিৱৰণ

গ্রাম্য সমাজত ধর্মৰ প্রভাৱ অপৰিসীম। পৃথিৱীৰ সকলো বিলাক গ্রাম্য সমাজ ব্যৱস্থাতে জন্ম, মৃত্যু, বিবাহ, মহামাৰী, প্রাকৃতিক দুর্যোগ, আকাল, বানপানী ইত্যাদি সামাজিক পৰিঘটনা সমূহৰ এটা ধর্মীয় ব্যাখ্যা থকা দেখা যায়। আনকি ল'ৰা ছোৱালীয়ে প্রাপ্তবয়স্ক বা যৌৱন প্রাপ্ত হ'লেও বহুতো ধর্মীয় ৰীতি-নীতি তথা পূজা পাতল কৰা হয় যাতে তেওঁলোকৰ এই সামাজিক স্তৰৰ পদোন্নতিৰ (অবিবাহিত স্তৰৰ পৰা বিবাহৰ যোগ্যতা পোৱা স্তৰ) ক্ষণ অশুভ শক্তিৰ প্রভাৱৰ পৰা মুক্ত হয়। তেওঁলোকৰ মতে অকল মহামাৰী বা প্রাকৃতিক দুর্যোগেই নহয় জন্ম, মৃত্যু, বিবাহ, বেমাৰ-আজাৰ ইত্যাদিও এক ডাঙৰ সামাজিক ঘটনা। এইবিলাক বিষয়ত পালন কৰা ধর্মীয় ৰীতি-নীতিৰ পৰিমান সমাজ অনুসৰি কম বেছি হ'ব পাৰে। এই পার্থক্য আমি গ্রাম্য আৰু নগৰ অঞ্চলৰ সমাজ ব্যৱস্থা সমূহক তুলনা কৰি চালে ওলাই পৰে। সাধাৰণতে গ্রাম্য অঞ্চলত ধর্মীয় নীতি সমূহ কঠোৰ ভাৱে পালন কৰা হয় কিন্তু চহৰ অঞ্চলত এই ৰীতি সমূহক প্রতীকী ভাবেহে পালন কৰে। ইয়াৰ প্রধান কাৰণ হৈছে চহৰাঞ্চলৰ লোকসকল বেছি আধুনিক আৰু লগতে তেওঁলোকৰ এই ৰীতি সমূহ পালনৰ সময় আৰু সুবিধা দুয়োটা কম থাকে। তলৰ আলোচনাত আমি প্রধানকৈ গ্রাম্য অঞ্চলত ধর্মৰ লগত জড়িত বিভিন্ন দিশৰ লগতে ভাৰতীয় গ্রাম্য সমাজখনৰ এক সম্যক ধাৰণাৰে ধর্মৰ বিভিন্ন দিশ সমূহ উল্লেখ কৰা হ'ব।

১২.৭ গ্রাম্য ধর্মৰ অধ্যয়নৰ তাৎপর্য

ভাৰতবর্ষ হৈছে গ্রাম্য প্রধান ৰাষ্ট্র। যদিও ভাৰতবর্ষত সিন্ধু সভ্যতাৰ সময়ৰে পৰা চহৰৰ অৱস্থিতি থকাৰ প্রমাণ আছে তথাপি গাওঁ অঞ্চলৰ অনুপাতে চহৰ অঞ্চলৰ পৰিমাণ তেনেইনগন্য। চনৰ লোকপিয়ল অনুসৰি ভাৰতবর্ষত খন নগৰ থকাৰ কথা উল্লেখ আছে।

ভাৰতীয় সভ্যতাক গ্রাম্য আৰু নগৰীয়া এই দুয়োটা দিশতে অধ্যয়ন কৰা হয়। গ্রাম্য সমাজ ব্যৱস্থা যদিও সমাজৰ সাধাৰণ ধাৰণাৰ অন্তর্ভূক্ত তথাপি এই সমাজ ব্যৱস্থাৰ এনে কিছুমান মৌলিক উপাদান আছে যিবিলাকৰ বাবে ইয়াক নগৰ আৰু সাধাৰণ সমাজৰ ধাৰণাৰ পৰা পৃথককৈ বুজা যায়। যোৱা শতিকাজুৰি ভাৰতবর্ষৰ নগৰীয়া আৰু গ্রাম্য সমাজ ব্যৱস্থাত প্রচলিত ধর্ম সমূহৰ এক বিস্তৃত পর্যালোচনা চলোৱা হৈছিল। যোৱা শতিকাত ভাৰতবর্ষত উদ্ভৱ হোৱা বিভিন্ন ধর্মীয় বিশ্বাস তথা ধর্মীয় অনুষ্ঠানৰ উপস্থিতিয়ে এই বক্তব্যৰ যথার্থতা নিৰূপণ কৰে।

গ্রাম্য সমাজ ব্যৱস্থা সাধাৰণতে সু-সংগঠিত আৰু এক শক্তিশালী এনাজৰীৰে সাঙোৰ

খাই থাকে। ভাৰতীয় গ্ৰাম্য জীৱক সাধাৰণতে ভূমি, পৰিয়ালৰ গাঁথনি, জাতিগত বৈষম্য আৰু বিভিন্ন ধৰ্মই প্ৰভাৱিত কৰি আহিছে। ধৰ্মই আনকি সমাজৰ এক বৃহৎ অংশৰ মানুহৰ কাৰ্য আৰু চিন্তাধাৰাক প্ৰভাৱিত কৰে। মানুহৰ এই ধৰ্মীয় অনুভূতিয়ে ভাৰতৰ আৰ্থ-সামাজিক দিশকো যথেষ্ট প্ৰভাৱিত কৰিছে। সমাজত প্ৰচলিত বহুতো ধৰ্মীয় নিষেধাজ্ঞা আৰু অনুশাসনে মানুহৰ কেৱল জীৱন দৰ্শনক নিয়ন্ত্ৰিত কৰাই নহয়, তেওঁলোকৰ অৰ্থনৈতিক কাৰ্যকলাপতো কিছুমান বাধ্যবাধকতা আৰোপ কৰে। উদাহৰণ স্বৰূপে, বুদ্ধ ধৰ্মত প্ৰচলিত অহিংসা নীতিৰ বাবে বৌদ্ধ ধৰ্মী লোকসকলৰ মাজত মাংস আৰু ঊলৰ ব্যৱহাৰ কম হয়। গতিকে দক্ষিণ পূব এছিয়াৰ সৰহ সংখ্যক দেশত প্ৰধানকৈ শ্ৰীলংকা, চীন, ভূটান, জাপান, ম্যানমাৰ ইত্যাদি বৌদ্ধ ধৰ্মী লোকৰ প্ৰাদুৰ্ভাৰ থকা দেশসমূহত ঊলৰ ব্যৱহাৰ কম হোৱা দেখা যায়। আকৌ মুছলমান প্ৰধান ৰাষ্ট্ৰ সমূহত বেংক ব্যৱসায় কম হোৱা দেখা যায়। কাৰণ ইছলাম ধৰ্মমতত সূত লোৱাটো পাপ হিচাপে গণ্য কৰা হয়। তেওঁলোকৰ সমাজত গাহৰি মাংস নিষেধ কৰা বাবে মুছলমান বসতি প্ৰধান সমাজত গাহৰি পোহা নিয়ম নাথাকে। আকৌ হিন্দু সমাজ ব্যৱস্থা বিভিন্ন জাতি আৰু জাতিগত আচাৰ-ব্যৱহাৰেৰে ভৰপূৰ। এ. আৰ. দেশায়ে (A. R. Desai) ভাৰতৰ গ্ৰাম্য ধৰ্মীয় ব্যৱস্থা সম্পৰ্কে কৰা অধ্যয়ন সেই বাবে তলৰ কাৰণসমূহৰ বাবে বিশেষ তাৎপৰ্য্যপূৰ্ণ—

- এইটো কথা স্পষ্ট যে গ্ৰাম্য অঞ্চলৰ মানুহে ধৰ্মৰ বিষয়ত নগৰ অঞ্চলৰ মানুহতকৈ অধিক জড়িত হৈ থাকে। পৃথিৱীত গ্ৰাম্য অঞ্চলৰ ধৰ্মীয় পৰম্পৰা তেওঁলোকৰ বৌদ্ধিক, আবেগিক আৰু দৈনন্দিন জীৱনে নিৰ্ধাৰণ কৰে। সাধাৰণতে চহা (গ্ৰাম্য) জীৱনত এনেকুৱা কোনো বিষয় নাই যিটো ধৰ্মীয় পৰম্পৰাৰ অন্তৰ্গত নহয়। তেওঁলোকৰ জাতি প্ৰথা (Caste System), সামাজিক জীৱন, অৰ্থনৈতিক আৰু সাংস্কৃতিক ইত্যাদি প্ৰতিটো দিশ কম-বেছি পৰিমাণে ধৰ্মীয় আদৰ্শৰে পৰিচালিত হয়।
- ভাৰতবৰ্ষৰ গ্ৰাম্য সমাজ ব্যৱস্থা সাধাৰণতে জীৱিকা বা অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল আৰু গ্ৰাম্য অৰ্থনৈতিক ব্যৱস্থা এতিয়াও প্ৰকৃতিৰ ওপৰতে নিৰ্ভৰশীল। কেতিয়াবা বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগে উপযুক্ত সফলতা লাভ কৰিব পৰা নাই। মানুহে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে, ভূমিস্খলন, বানপানী, খৰাং ইত্যাদি ধৰ্মীয় বিশ্বাসৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰে। চহা ৰাইজে প্ৰায়ে তেওঁলোকৰ কৃষি কাৰ্যৰ বাবে বিভিন্ন ধৰ্মীয় উৎসৱ তথা পূজা-পাতল অনুষ্ঠিত কৰা দেখা যায়।
- গ্ৰাম্য সমাজত পুৰোহিত শ্ৰেণীৰ নেতৃত্ব ঃ গ্ৰাম্য সমাজত পুৰোহিতৰ প্ৰাধান্যতা অন্য এটা প্ৰধান বৈশিষ্ট্য বুলি ধৰিব পাৰি। সাধাৰণতে অশিক্ষিত চহা তথা গ্ৰাম্য সমাজত মানুহক পুৰোহিত বা ব্ৰাহ্মণ সম্প্ৰদায়ে ধৰ্মীয় অনুভূতিৰ জৰিয়তে পৰিচালিত কৰে। তেওঁলোকে ধৰ্মৰ জৰিয়তে পৰম্পৰাগত গ্ৰাম্য শাসন ব্যৱস্থা বা পঞ্চায়তকো নিয়ন্ত্ৰণ কৰে। গ্ৰাম্য জীৱনৰ ধৰ্মীয় অনুভূতি আৰু পৰম্পৰাক তথাকথিত এই ধৰ্মীয় নেতা সকলে পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। গতিকে আমি এই কথা স্পষ্টভাৱে ক'ব পাৰো যে ভাৰতীয় গ্ৰাম্য জীৱন ধৰ্মীয় অনুভূতিৰ দ্বাৰাই পৰিচালিত হৈ থাকে।

- পৰিৱৰ্ত্তনশীল গ্ৰাম্য ধৰ্ম ঃ গ্ৰাম্য জীৱনৰ ধৰ্মীয় দৰ্শন বিভিন্ন সময়ত পৰিৱৰ্তন হৈ থাকে। গ্ৰাম্য ধৰ্মীয় সমাজ ব্যৱস্থা বিভিন্ন সময়ত কিছুমান ধৰ্মনিৰপেক্ষ জাতীয়তাবাদী চিন্তাধাৰা আৰু নতুন ৰাজনৈতিক পৰিৱেশৰ প্ৰভাৱত সলনি হয়; যদিও এই কাৰক সমূহ ধৰ্মনিৰপেক্ষ বা ধৰ্মমূলক নহ'বও পাৰে। সাধাৰণতে গণতান্ত্ৰিক অভ্যুত্থানে ধৰ্মৰ এই পুৰণি মতবাদক সমালোচনা তথা সলনি কৰিব বিচাৰে।

দেশাইৰ মতে বৰ্তমানৰ ভাৰতীয় গ্ৰাম্য সমাজৰ ধৰ্ম হৈছে পুৰণিকলীয়া ধৰ্মীয় বিশ্বাস আৰু আধুনিক সমাজৰ প্ৰভূত্বৰ যুদ্ধক্ষেত্ৰ স্বৰূপ। এই প্ৰতিযোগিতাই ভাৰতীয় সমাজৰ প্ৰচলিত ধৰ্মীয় ব্যৱস্থাৰ অধ্যয়নত এক বিশেষ মাত্ৰা প্ৰদান কৰে।

১২.৮ ভাৰতৰ গ্ৰাম্য ধৰ্মৰ বৈশিষ্ট্য

ভাৰতৰ ধৰ্মীয় পৰিৱেশ বৰ জটিল। কাৰণ ভাৰতত একেলগে বহুকেইটা ধৰ্ম আৰু ধৰ্মীয় মতবাদ পোৱা যায়। যিহেতু ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ গতিকে ভাৰতৰ সংবিধানত কোনো ৰাষ্ট্ৰীয় ধৰ্মৰ কথা উল্লেখ কৰা নাই আৰু ভাৰতত বাস কৰা সকলো মানুহেই স্বাধীনভাৱে নিজৰ ধৰ্মৰ চৰ্চা কৰিব পাৰে। গতিকে ভাৰতীয় জনসাধাৰণ বিভিন্ন ধৰ্মীয় বিশ্বাস আৰু মতত বিভক্ত হৈ আছে। আনহাতে বিভিন্ন ধৰ্মমতত বিভক্ত এই লোকসকলৰ সামাজিক গাঁথনিতো পাৰ্থক্য দেখা যায় আৰু তেওঁলোকেও বিভিন্ন পৰম্পৰা আৰু ৰীতি-নীতি অৱলম্বন কৰে। সেইদৰে বিভিন্ন ধৰ্মাৱলম্বী সম্প্ৰদায়ৰ মাজতো বিভিন্ন প্ৰকাৰৰ সামাজিক সংগঠন থাকে।

ভাৰতীয় গ্ৰাম্য ব্যৱস্থাৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য হোৱা দেখা যায়। ভাৰতীয় গাওঁ সমূহৰ বৈশিষ্ট্য, ঠাই, অঞ্চল আৰু সম্প্ৰদায় অনুসৰি ভিন্নতা দেখা যায়। কাৰণ ভাৰতীয় গাওঁ সমূহৰ বৈশিষ্ট্য সাধাৰণতে সমাজ, সংস্কৃতি, অৰ্থনীতি, ভৌগলিক আৰু পৰিৱেশৰ বিভিন্ন কাৰকে নিৰ্ধাৰণ কৰে। প্ৰত্যেকখন গাঁৱৰে এটা মৌলিক জীৱন ধাৰণৰ প্ৰণালী থাকে আৰু সেইবাবে মানুহৰ মাজত ধৰ্মীয় ক্ষেত্ৰতো ভিন্নতা দেখা যায়।

তথাপি ভাৰতৰ গ্ৰাম্য সমাজত থকা এই বৈচিত্ৰতাৰ মাজতো কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখা পোৱা যায়, যিবিলাকে ভাৰতীয় সমাজখনক একতাৰ দোলেৰে বান্ধি ৰাখিছে। বহুতো সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদে ভাৰতীয় গ্ৰাম্য সমাজ দৰ্শন গভীৰ ভাৱে অধ্যয়ন কৰি তলৰ বৈশিষ্ট্য সমূহ উল্লেখ কৰিছে ঃ

- **ভাৰতীয় ধৰ্ম বিশেষভাৱে বাস্তৱমুখী** (Practical) ঃ ভাৰতীয় সমাজত প্ৰচলিত ধৰ্ম, বিশেষকৈ, হিন্দু বা হিন্দু ধৰ্ম যদিও আটাইতকৈ প্ৰাচীন ধৰ্মমত, তথাপি ভাৰতৰ গ্ৰাম্য সমাজত পোৱা হিন্দু ধৰ্মৰ আচাৰ সমূহ প্ৰাচীন নহয়। বিখ্যাত সমাজবিজ্ঞানী এছ. চি. ডুবেই কৈছিল ভাৰতৰ গ্ৰাম্য সমাজত প্ৰচলিত হিন্দু ধৰ্মটোৰ প্ৰাচীন ভাৰতীয় হিন্দুত্বৰ দৰ্শনৰ সৈতে অমিল দেখা যায়। হিন্দু ধৰ্ম হ'ল এটা উপবাস আৰু উৎসৱৰ ওপৰত আধাৰিত ধৰ্ম যিয়ে মানৱ জীৱনৰ সকলোবিলাক সংঘাতকৈ ধৰ্মীয় ৰীতি-নীতিৰে ঢাকি ৰাখিব বিচাৰে। কিন্তু মানুহৰ অতীতে এই কথাই কৈছিল যে আধ্যাত্মিকতাবাদ কোনো

এটা সম্প্রদায়ৰ ধর্মৰ চাবিকাঠি বুলি ক'ব নোৱাৰি। ইয়াৰ বিপৰীতে অধ্যাত্মিকতাৰ বাহিৰেও ধর্মত বেছিভাগেই বাস্তৱৰ কথা বিলাকেহে প্রাধান্য পায়।

- ভাৰতীয় গ্রাম্য জীৱনৰ সকলোবিলাক দিশকে ধর্মই প্রভাৱিত কৰিছে। এই দিশসমূহৰ ভিতৰত অর্থনৈতিক, সামাজিক, ৰাজনৈতিক, ব্যক্তিগত, ক'লা, সংস্কৃতি ইত্যাদিয়েই প্রধান আৰু এই দিশ সমূহৰ মাজত এটা পাৰস্পৰিক সম্পর্ক আছে।
- **চুবুৰীয়া** (Neighbourhood) **জীৱনৰ আৰ্হি ঃ** ভাৰতৰ গ্রাম্যাঞ্চলৰ চুবুৰীয়া জীৱনৰ আৰ্হি গাওঁ অনুসৰি বেলেগ বেলেগ হোৱা দেখা যায়। সাধাৰণতে গাওঁ সমূহত লোকসকল এটা ধর্মীয় গোট বা বহু-ধর্মীয় গোট হিচাপে বাস কৰা দেখা যায়। জাতিগত বৈসাদৃশ্যও ভাৰতীয় গ্রাম্যাঞ্চলৰ প্রধান বৈশিষ্ট্য। গ্রাম্যাঞ্চলত একেলগে বিভিন্ন জাতিৰ মানুহে বাস কৰে আৰু প্রত্যেকটো জাতিৰ মানুহে আকৌ কিছুমান পৃথক ৰীতি-নীতি আৰু আদর্শ অনুসৰণ কৰা দেখা যায়।
- বিভিন্ন ধর্মৰ আৰু জাতিৰ সহাৱস্থান ভাৰতীয় গ্রাম্য ধর্মীয় জীৱনৰ এটা প্রধান বৈশিষ্ট্য।
- **ধর্মীয় বা পৱিত্র স্থানৰ অৱস্থিতি ঃ** গ্রাম্য ধর্মত এক উমৈহতীয়া উপাসনাস্থলী বা মন্দিৰ, মছজিদ ইত্যাদি পৱিত্র অনুষ্ঠানৰ অৱস্থিতি আন এটা প্রধান বৈশিষ্ট্য। যিকোনো ধর্মৰ মানুহেই নাথাকক কিয় গ্রাম্যাঞ্চলত প্রত্যেকৰে এটা সমূহীয়া উপাসনাস্থলী বা পৱিত্রস্থান থাকে আৰু উপাসনাস্থলীবোৰ সাধাৰণতে গাঁৱৰ ওখ গছৰ তলত বা নৈৰ পাৰত স্থাপন কৰা হয়। এই অনুষ্ঠান সমূহক গাওঁখনৰ ঐতিহ্য আৰু পৰম্পৰা অনুসৰি নিজ সম্প্রদায়ৰ ধর্মীয় ৰীতি-নীতি আৰু উৎসৱ পার্বন ইত্যাদি সুৰক্ষিত কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই অনুষ্ঠান সমূহৰ সৈতে কিছুমান জনশ্রুতি আৰু সাধুকথাও জড়িত হৈ থাকে আৰু এইবোৰ গাঁৱৰ মানুহৰ মুখে মুখে প্রচলিত আৰু প্রসাৰিত হৈ থাকে। সাধাৰণতে এই অনুষ্ঠানৰ সৈতে কিছুমান ৰাজহুৱা সম্পত্তি বা ৰাজহুৱা টকা জমা থাকে। কোনো কোনো ক্ষেত্রত এই অনুষ্ঠান সমূহক ব্যক্তিগত ভাৱেও নির্মাণ কৰা হয়।
- ভাৰতৰ গ্রাম্য জীৱনধাৰা অলৌকিক পৃথিৱী এখনৰ দ্বাৰা প্রভাৱিত হৈ থাকে। এই অলৌকিক পৃথিৱীখন বহুতো দেৱ-দেৱী তথা শক্তিৰে পৰিপূর্ণ। এই দেৱতা সকলৰ ভিতৰত প্রধান হৈছে যক্ষ, ভূত-প্রেত, স্থানীয় তথা ব্যক্তিগতভাৱে আৰাধ্য দেৱ-দেৱী সকল। এই দেৱ-দেৱী সকলকো আকৌ মহিমা আৰু শক্তিৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্রেণীবিভাজন কৰা হয়। ৰাজহুৱা ভাৱে আৰাধনা কৰা ধর্মীয় অনুষ্ঠানৰ উপৰিও হিন্দু ধর্মাৱলম্বী লোকসকলৰ ঘৰে ঘৰে মন্দিৰ থকা দেখা যায়। এই ধৰণৰ ধর্মীয় চর্চা আৰু বিশ্বাস পৌৰাণিক কালৰ পৰা বর্তমানলৈকে একে ধৰণে প্রচলিত হৈ আহিছে। গ্রাম্য সমাজত প্রচলিত স্থানীয় দেৱ-দেবী (Local Gods) সমূহে গ্রাম্য সমাজ আৰু গ্রাম্য জীৱন ধাৰাত এক উল্লেখযোগ্য ভূমিকা পালন কৰে। সাধাৰণতে মন্দিৰ সমূহ চাপৰ বেৰাৰে তিনিটা দিশ আগুৰি কৰা কিছুমান ঘৰ মাথোন। পকী ঘৰৰ মন্দিৰ অতি কম দেখা পোৱা যায়। এই অতি সাধাৰণ গাঁথনিৰ মন্দিৰ সমূহৰ ভিতৰত সাধাৰণতে কিছুমান ভিন্নাকৃতিৰ শিল বা গছৰ মূঢ়া থাকে

আৰু মন্দিৰ সমূহ নৈৰ পাৰত বেছিকৈ থকা দেখা যায়। একোখন এনেধৰণৰ বিভিন্ন মন্দিৰ বেলেগ বেলেগ দেৱ-দেৱীক পুজা কৰাৰ বাবেও স্থাপন কৰা হয়।

- **পৰিয়ালৰ উপাসনা স্থান ঃ** গাওঁসমূহৰ ৰাজহুৱা মন্দিৰৰ উপৰিও প্ৰতিটো পৰিয়ালতে একোটা ব্যক্তিগত মন্দিৰো থাকে। এই মন্দিৰ সমূহত পৰিয়ালৰ সদস্য সকলে পৰিয়ালৰ আৰাধ্য দেৱতা জনক পূজা কৰে।
- গ্ৰাম্য সমাজত পালন কৰা ধৰ্মীয় উৎসৱ আৰু ৰীতি-নীতি সমূহ হৈছে গ্ৰাম্য জীৱনৰ প্ৰধান চালিকা শক্তি। এই উৎসৱ সমূহৰ জৰিয়তে সমাজত একতা বৃদ্ধি পায়। গ্ৰাম্য ধৰ্ম সমূহ সাধাৰণতে সমাজত প্ৰচলিত পৰাম্পৰাগত জীৱন ভিত্তিক ৰীতি-নীতি (জন্ম, মৃত্যু আৰু বিবাহ), আৰ্থ-সামাজিক ক্ষেত্ৰত জড়িত বিভিন্ন উৎসৱ তথা পূৰ্বপুৰুষক কৰা পূজা-অৰ্চনা সমূহৰ মাজত বিচাৰি পোৱা যায়। সমাজতত্ত্ববিদ্ আৰু নৃতত্ত্ববিদ্ সকলে এই ধৰ্মীয় কাৰ্যাৱলী সমূহক বিভিন্ন ভাগত বিভক্ত কৰিছে। এই বিভাগ সমূহৰ ভিতৰত প্ৰধান হৈছে প্ৰাৰ্থনা, উচৰ্গা, ৰীতি-নীতি, উপবাস, উৎসৱ ইত্যাদি।
- **পৱিত্ৰ কাৰ্যাৱলী সমূহ ঃ** ভাৰতৰ গাওঁ সমূহত পুৰোহিতালি, পণ্ডিত, মৌলবী, যাজক ইত্যাদি বিভিন্ন কাৰ্যত নিয়োজিত ব্যক্তি থকা দেখা যায়। এই কাৰ্য বা বৃত্তি সমূহৰ ভিতৰত কিছুমান আংশিক বা আন কিছুমান সম্পূৰ্ণ ভাৱে নিয়োজিত থাকে। যিবিলাকে এই বৃত্তি সমূহত সম্পূৰ্ণভাৱে নিয়োজিত হৈ থাকে, তেওঁলোকে সমাজৰ অন্য কাম সমূহৰ পৰা আঁতৰি থাকে। গ্ৰাম্য সমাজৰ সহজ জনজীৱন ব্যৱস্থাত আংশিক বৃত্তিধাৰী, জ্যোতিষ, হস্তৰেখাবিদ্, কবিৰাজ ইত্যাদিয়ে এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।



জানি থোৱা ভাল

শ্বামান আৰু ধৰ্মীয় নেতা (Shaman and Religious Leader)

শ্বামান হৈছে এনেকুৱা এজন ব্যক্তি যিজন কোনো এক নিৰ্দ্দিষ্ট ধৰ্মৰ সৈতে জড়িত নহয়, কিন্তু তেখেতৰ কোনো এক ঐশ্বৰিক শক্তিৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকা বুলি বিশ্বাস কৰা হয়। শ্বামন সকলে সাধাৰণতে কোনো এক ঐশ্বৰিক বা অলৌকিক শক্তিৰ সহায়ত মানুহক ভূত-প্ৰেত, দেৱ-দেৱী তথা বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰে। এই শক্তি তেওঁলোকে ব্যক্তিগত ভাৱে আহৰণ কৰে আৰু এই শক্তিৰ সাধনা তেওঁলোকে নিৰ্জন ঠাইত কৰে। শ্বামান সকলক এগৰাকী ধৰ্মীয় সংগঠক বুলিব পাৰি যিজনে মানুহৰ কল্যাণৰ হকে কাম কৰে। তেওঁলোকে কোনো এক অলৌকিক শক্তিৰ সহায়ত মানুহৰ বেমাৰ আজাৰ আৰু অপমৃত্যুৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰে। এই ক্ষেত্ৰত শ্বামন সকলে মানুহ আৰু অলৌকিক শক্তিৰ মাজত যোগসূত্ৰ হিচাপে কাম কৰে। পুৰোহিত বা যাজক সকলে সাধাৰণতে মানুহৰ কৰ্তব্য সম্পৰ্কে সোঁৱৰায়, আনহাতে শ্বামানে কিন্তু সেই অলৌকিক শক্তিটোকহে আদেশ দিয়ে। সি যি কি নহওঁক শ্বামান আৰু যাজক দুয়োগৰাকীয়ে মানুহৰ পৰা এই কামৰ বাবে পইচা বা পুৰস্কাৰ গ্ৰহণ কৰে।

শ্বামানসকলক যদিও সহজ-সৰল আৰু সাধাৰণ সমাজত পোৱা যায় তথাপি তেওঁলোকক জটিল আৰু ডাঙৰ সমাজতো কেতিয়াবা দেখা পোৱা যায়।

ধর্মীয় নেতা সকল হৈছে এটা সু-সংগঠিত ধর্মৰ প্রধান অংগ আৰু তেওঁলোকক পুৰোহিত বা যাজক আখ্যা দিয়া হয়। ধর্মীয় নেতা সকলক ধর্ম অনুযায়ী বিভিন্ন নাম আৰু ৰূপত পোৱা যায় যদিও তেওঁলোকৰ মূল কামবিলাক সকলোৰে ক্ষেত্রত একে দেখা যায়। তেওঁলোকে ধর্মৰ নীতি-নিয়ম আৰু পৰম্পৰা সমূহ ৰক্ষা কৰে। তেওঁলোক সাধাৰণতে জটিল আৰু ডাঙৰ সমাজিক ব্যৱস্থাত দেখা পোৱা যায়। যাজক বা পুৰোহিত সকলৰ ব্যক্তিগতভাৱে কোনো ঐশ্বৰিক শক্তি নাথাকে আৰু তেওঁলোকে নিজৰ নিজৰ সম্প্রদায়ত পালন কৰা ধর্মীয় উৎসৱ পার্বন ইত্যাদিৰ শুভাৰম্ভ কৰে। তেওঁলোকৰ ক্ষমতা আৰু মহত্ব অনুযায়ী তেওঁলোকৰ কার্য আৰু পদাংক নির্ধাৰণ কৰা হয় আৰু এই কাম কৰিবলৈ এটা সর্বোচ্চ সংস্থা থাকে।

১২.৯ পৰিৱর্তিত দৃশ্যপট

স্বাধীনতাৰ পিছত ভাৰতীয় সমাজ ব্যৱস্থাত বিভিন্ন নতুন ধাৰাৰ উপস্থিতি দেখা গৈছে। এই নব্য ধাৰা সমূহে ভাৰতীয় সমাজৰ বিভিন্ন দিশত এক পৰিৱর্তন আনিছে। তলত ধর্মৰ দিশত হোৱা বিভিন্ন পৰিৱর্তন সমূহ আলোচনা কৰা হ'ল—

- **সাম্প্রদায়িকতাবাদৰ উত্থান ঃ** স্বাধীনতাৰ পিছত ভাৰতত বিশেষকৈ গ্রাম্যাঞ্চলত বিভিন্ন ধর্মীয় সম্প্রদায়ৰ মাজত গোষ্ঠীগত সংঘর্ষৰ সূত্রপাত হৈছে। বিশেষকৈ ধর্মীয় সংখ্যালঘু সকলৰ মাজত সুৰক্ষাৰ অভাৱ অনুভৱ কৰিয়েই এনেবোৰ ঘটা দেখা গৈছে। আমি জানো যে ভাৰতবর্ষ এখন বহু ধর্মীয় ৰাষ্ট্র। আনকি একোটা ধর্মগোষ্ঠীতে সৰু সৰু বিভিন্ন ধর্মীয় মতবাদ প্রচলিত আছে। ইতিহাসত এনে বহু উদাহৰণ আছে য'ত দুটা ভিন্ন মতবাদৰ ধর্মীয় সম্প্রদায়ৰ মাজত সংঘাত হৈছে। এই ধর্মীয় সংঘাত চহৰ অঞ্চলত খুব কম হোৱা দেখা যায়। সাম্প্রদায়িকতাবাদ বর্তমান সমাজত সুসংগঠিত ৰূপত দেখা গৈছে আৰু ই ৰাজনৈতিক পৃষ্ঠপোষকতা লাভ কৰিছে।
- ভাৰতীয় গ্রাম্য সমাজক বিশ্বায়ন, পুঁজিবাদ, আৰু ভোগবাদৰ দৰে বহুতো নব্য ধাৰাই আৱৰি ধৰিছে। এইবিলাকৰ উপৰিও জনসংযোগৰ মাধ্যমৰ প্রভূত উত্থানে ভাৰতীয় সমাজখনত ম'বাইল ফোন, আৰু বিভিন্ন ইলেক্ট্রনিক মাধ্যমৰ বহুল প্রচাৰ হৈছে আৰু ইয়াৰ প্রভাৱ গ্রাম্য সমাজ ব্যৱস্থাত বেয়াকৈ পৰিছে। ওপৰোক্ত ধাৰা আৰু শক্তি সমূহৰ সমাজত মৌলিক আদর্শ ধর্মৰ ওপৰত কুপ্রভাৱ পৰিছে।
- **ৰাজনীতিৰ প্রভাৱ ঃ** সমগ্র ভাৰতবর্ষত ধর্মক ৰাজনৈতিক লাভালাভৰ এক প্রধান অস্ত্র হিচাপে লোৱা দেখা গৈছে। স্থানীয় ৰাজনীতিৰ পৰা ৰাষ্ট্রীয় পর্যায়লৈকে ধর্মৰ জৰিয়তে মানুহৰ মাজত বিভিন্ন ভাৱে বিভেদৰ সৃষ্টি হৈছে। ৰাজনীতিৰ এই নব্য ধাৰাটোৱে অদূৰ ভৱিষ্যতে ধর্মক গ্রাম্য সমাজৰ প্রধান বিভেদকামী শক্তি হিচাপে প্রক্ষেপ কৰিব।



অগ্রগতি নিৰীক্ষণ - ২

(ক) গ্রাম্য ভাৰতত ধর্মৰ দুটা সামাজিক কার্য্যৱলী উল্লেখ কৰক।

(খ) গ্রাম্য সমাজত ধর্মৰ দিশত হোৱা দুটা আধুনিক পৰিৱর্তন উল্লেখ কৰক।

১২.১০ গ্রাম্য ধর্মীয় ব্যৱস্থাৰ প্রধান কার্যসমূহ

- **দলীয় পৰিচয় প্রদান** (Identity) ঃ গ্রাম্য ধর্মীয় ব্যৱস্থাৰ এটা প্রধান বৈশিষ্ট্য হৈছে দলীয় পৰিচয় বা দলীয় আনুগত্যতা। ব্যক্তিগত ভাৰে পালন কৰা ধর্মীয় ৰীতি-নীতি আৰু পূজা-পাতলৰ উপৰিও আন বহুতো উৎসৱ আৰু ৰীতি-নীতিয়ে সমাজত প্রচলিত প্রমূল্য আৰু বিশ্বাস সমূহক পুনর্জীৱিত কৰি তোলে। সাধাৰণতে ধর্মৰ এই কার্যক ৰাজনৈতিক উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা দেখা যায়, যাৰ বাবে ইয়াৰ প্রকৃত কার্য্যটো অৱদমিত হৈ থাকে। উৎসৱ পার্বণ আৰু ৰীতি-নীতি সমূহে দলীয় পৰিচয়ৰ প্রতি মানুহৰ মাজত এক শক্তিশালী অনুভূতিৰ সৃষ্টি কৰে। মানুহে ধর্মীয় অনুভূতি তথা ৰীতি-নীতি সমূহক সামাজিক বান্ধোন আৰু পাৰস্পৰিক সম্পর্ক শক্তিশালী কৰিবলৈ ব্যৱহাৰ কৰে।
- **সমাজ নিয়ন্ত্রণৰ আহিলা** (Means of Social Control) ঃ ধর্ম হৈছে সমাজ নিয়ন্ত্রণৰ এক শক্তিশালী আহিলা। প্রত্যেক ধর্মই অনুৰাগী সকলক কিছুমান নীতি আৰু আদর্শ পালন কৰিবলৈ শিকায়। এই নীতি সমূহ মানুহে ঐশ্বৰিক শক্তিৰ ভয়ত ভংগ নকৰে। এইদৰে গ্রাম্যাঞ্চলত ধর্মৰ নীতি সমূহৰ জৰিয়তে সমাজখন সুশৃংখলিত ভাৰে পৰিচালিত হৈ থাকে।
- **খাদ্যাভাসৰ প্রতি নিয়ন্ত্রণ** ঃ গ্রাম্যাঞ্চলৰ ধর্মীয় ৰীতি-নীতি সমূহ খাদ্যৰ সৈতে জড়িত হৈ থাকে। সাধাৰণতে কিছুমান ধর্মত কোনো এক প্রকাৰৰ খাদ্য খাবলৈ উৎসাহ দিয়ে আনহাতে সেই একেবিধ খাদ্যকে অন্য এটা ধর্মত খোৱা নিষেধ। এনেধৰণে মানুহৰ খাদ্যাভাসতো ধর্মই বিভিন্নতা আনে।
- **উচ্চ-নীচ ভেদভাৱৰ সংৰক্ষণ আৰু গঠন** ঃ ভাৰতীয় গ্রাম্য সমাজ হৈছে শ্রেণীভূক্ত সমাজ। ই প্রধানতঃ জাতিৰ ওপৰত আধাৰিত হয়। জাতি প্রথা কেৱল যে হিন্দু সকলৰ মাজতেই প্রচলিত এনে নহয়। সমাজ বিজ্ঞানীসকলৰ মতে খ্রীষ্টান, মুছলিম, বুদ্ধধর্মী আৰু ভাৰতৰ অন্যান্য ধর্মৰ লোকসকলৰ মাজতো জাতিপ্রথা আছে।

  ধর্মই প্রচলন কৰা নীতি-নিয়ম, আচাৰ-অনুষ্ঠানসমূহৰ দ্বাৰাও গ্রাম্য সমাজত শ্রেণীবিভাগ বর্তাই ৰখা হৈছিল। মেক্ কিম্ মেৰিঅ'টৰ মতে গ্রাম্য সমাজ ব্যৱস্থাত প্রচলিত বংশগত সম্পর্কৰ ধর্মীয় আৰু ৰীতি-নীতি সম্বন্ধীয় দিশসমূহ পাপ-পূণ্যৰ ধাৰণাৰ দ্বাৰা প্রভাৰিত। আনকি গাঁৱত আয়োজিত ভোজ-ভাতৰ ক্ষেত্রতো এই প্রভাৱ দেখিবলৈ পোৱা যায়।

- **আন্তঃজাতিগত (Inter-caste) সম্পর্ক ঃ** হিন্দু ধর্মত প্রচলিত জাতি প্রথা যজমানি প্রথাৰ ওপৰত প্রতিষ্ঠিত। প্রত্যেকটো জাতিৰে এটা নির্দিষ্ট জন্মগত বৃত্তি থাকে আৰু এই বৃত্তিৰে তেওঁলোকে প্রতিবেশী আৰু অন্যান্য জাতিৰ লোকক সেৱা আগবঢ়ায় আৰু বিনিময়ত অন্যান্য সেৱা গ্রহণ কৰে। গ্রাম্যাঞ্চলৰ জাতি গঠনৰ প্রক্রিয়াটো যজমানী প্রথাৰ দ্বাৰা পৰিচালিত। যোগেন্দ্র সিঙৰ মতে, যজমানি প্রথা গাওঁ অঞ্চলৰ বিভিন্ন জাতিৰ মাজত পাৰস্পৰিক আদান-প্রদানৰ ওপৰত প্রতিষ্ঠিত এটা সামাজিক প্রথা। লীছ্ৰ মতে যজমানী প্রথাই শ্রম আৰু গ্রাম্য অর্থনীতিক নিয়ন্ত্রণ তথা পৰিচালনা কৰে।
- ধর্মীয় ৰীতি-নীতিয়ে অৱসৰ আৰু আমোদৰ আহিলা হিচাপে কাম কৰে। ধর্মীয় উৎসৱ পার্বণ সমূহে মানুহক জীৱনত প্রভূত আনন্দ আৰু উৎসাহ যোগায়। গ্রাম্যাঞ্চলত পালন কৰা সকলো ধৰণৰ মেলাৰেই এক ধর্মীয় ভিত্তি থাকে। এইদৰে তেওঁলোকে ধর্মৰ বাবে উদ্‌যাপন কৰা এই উৎসৱ সমূহৰ জৰিয়তে অৱসৰৰ লগতে আনন্দ প্রকাশৰো সুবিধা পায়। এই উৎসৱ সমূহলৈ বিভিন্ন প্রান্তৰৰ পৰা মানুহৰ সমাগম হয়, যাৰ জৰিয়তে দূৰ-দুৰণিৰ মানুহৰ সৈতে সম্পর্ক স্থাপন হয়।



অনুশীলনী

- আপুনি জনা গ্রাম্যাঞ্চলৰ বিভিন্ন উৎসৱৰ এখন তালিকা প্রস্তুত কৰক।
- কৃষি চক্র অনুসৰি পদ্ধতিগতভাৱে বিহু উৎসৱসমূহক সজাওক।



১২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ পৰা আমি এই কথাটো জানিলোঁ যে ধর্মই গ্রাম্য সমাজত তথা গ্রাম্য জন-জীৱনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ জীৱন দর্শন ধর্মই পৰিচালিত কৰি ৰাখে। জীৱনৰ প্রতিটো দিশ প্রধানতঃ — অর্থনীতি, বিশ্বাস, আচৰণ, স্বাস্থ্য, জন্ম, মৃত্যু, বিবাহ ইত্যাদি সকলোবিলাক ধর্মৰ দ্বাৰা প্রভাৱিত। ধর্ম প্রচাৰক বা চর্চাকাৰী সকলে সমাজত এক উচ্চস্থান লাভ কৰে। তেওঁলোকক সমাজৰ বা সম্প্রদায়ৰ প্রেৰণা শক্তি হিচাপে ভবা হয়। ধর্মই আকৌ সমাজৰ প্রতিজন সদস্যকে একেডাল জৰীৰে বান্ধি ৰাখে। আধুনিক যুগৰ বিভিন্ন নৱ্য ধাৰা বিশেষকৈ সাম্প্রদায়িকতাবাদ, ভোগবাদ, পুঁজিবাদ, ৰাজনীতি ইত্যাদিয়ে গাওঁ আৰু নগৰৰ দুয়োখন সমাজৰে ধর্মীয় ব্যৱস্থাত এক আমূল পৰিৱর্তন আনিছে।



১২.১২ অধিক জানিবলৈ

- Sankar Rao, C.N. Society in India, S. Chand & Co. New Delhi.
- Madan, T.N. Religion in India, O.U.P, New Delhi.
- Madan, T.N. India's Religion, OUP, New Delhi.
- Robinson, Rowena Sociology of Religion in India, Sage Publications.



১২.১৩ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ -

(ক) ধর্ম (খ) আত্মাৰ (Spiritual)

(গ) সত্য (ঘ) সত্য

অগ্রগতি নিৰীক্ষণ -

(ক) ধর্মই দলীয় পৰিচয় প্রদান কৰে আৰু সমাজৰ নিয়ন্ত্রক হিচাপে কাম কৰে।

(খ) সামাজিক জীৱনত ধর্মত প্রভূত্ব হ্রাস আৰু ধর্মক ৰাজনীতিকৰণ।



১২.১৪ আহি প্রশ্ন

প্রশ্ন ১ ঃ ধর্মৰ সংজ্ঞা দিয়ক আৰু ধর্মৰ মূল দিশ সমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ ধর্মৰ সামাজিক কার্যাৱলী সমূহ আলোচনা কৰক। গ্রাম্য ধর্ম অধ্যয়নৰ তাৎপর্য্য ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় গ্রাম্যাঞ্চলৰ ধর্মৰ প্রধান বৈশিষ্ট্য সমূহ কি? আলোচনা কৰক।

প্রশ্ন ৪ ঃ গ্রাম্য ধর্মীয় ব্যৱস্থাৰ সাম্প্রতিক পৰিৱর্তন সমূহ আলোচনা কৰক।

প্রশ্ন ৫ ঃ ভাৰতবর্ষৰ ভাষাজনিত ৰাজ্যৰ ক্রমবিকাশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৬ ঃ স্বাধীনতাৰ পিছত ভাৰতবর্ষত ৰাজ্যসমূহ পুনৰ সংগঠনৰ দিশত হেঙাৰ স্বৰূপে দেখা দিয়া প্রক্রিয়াবোৰ আলোচনা কৰক।

প্রশ্ন ৭ ঃ ভাৰতৰ ভাষা আন্দোলন সম্পর্কে বহলাই লিখক। ভাৰতীয় সমাজত ইয়াৰ প্রভাৱ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৮ ঃ আঞ্চলিক সংস্কৃতিৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৯ ঃ জনগোষ্ঠী মানে কি? বহুসংস্কৃতি ধাৰনাৰ সৈতে ইয়াৰ সম্পৰ্ক কি বৰ্ণনা কৰক।

প্ৰশ্ন ১০ ঃ আঞ্চলিকতাবাদ বুলিলে কি বুজে? ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ সমস্যা সমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন ১১ ঃ ভাৰতবৰ্ষৰ আঞ্চলিক বৈষম্যতাৰ ওপৰত আলোচনা কৰক।

প্ৰশ্ন ১২ ঃ ক্ষমতাৰ বিকেন্দ্ৰীকৰণ মানে কি? ভাৰতৰ ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াৰ দিশত ক্ষমতাৰ বিকেন্দ্ৰীকৰণক আহিলা হিচাপে ব্যাখ্যা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১৩ ঃ ভাৰতবর্ষৰ সামাজিক আন্দোলন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ সামাজিক আন্দোলন অর্থ আৰু সংজ্ঞা

১৩.৩.১ সামাজিক আন্দোলনৰ কাৰণসমূহ

১৩.৩.২ সামাজিক আন্দোলনৰ স্তৰসমূহ

১৩.৪ সামাজিক আন্দোলনৰ শ্রেণীবদ্ধকৰণ

১৩.৪.১ সামাজিক সাংস্কাৰধৰ্মী আন্দোলনসমূহ

১৩.৪.২ ধর্মীয় আন্দোলনসমূহ

১৩.৪.৩ সমাজৰ নিম্ন শ্রেণী জড়িত আন্দোলনসমূহ

১৩.৪.৪ ভাৰতবর্ষৰ দলিত শ্রেণীসমূহ জড়িত আন্দোলনসমূহ

১৩.৪.৫ কৃষি বা ভুমি সম্বন্ধীয় আন্দোলনসমূহ

১৩.৪.৬ কৃষক আন্দোলন সমুহ

১৩.৫ নব সামাজিক আন্দোলনৰ উন্মেষণ

১৩.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাষ্ট্র আৰু সামাজত সংঘটিত সামাজিক আন্দোলন সমুহৰ অর্থ আৰু কাৰণসমূহৰ বিষয়ে বুজিব পাৰিব।
- সামাজিক আন্দোলনসমূহৰ বিভিন্ন স্তৰৰ চিনাক্তকৰণ কৰিব পাৰিব।
- ভাৰতীয় সমাজত প্রচলিত সামাজিক আন্দোলনসমূহৰ কিছুমান গুৰুত্বপূর্ণ প্রকাৰৰ বিষয়ে আলোচনা
- এক বিশেষ সামাজিক আন্দোলনে সময়ৰ পৰিৱর্তনত কেনেকৈ প্রাসংগিক ভাবে সামাজিক পৰিৱর্তনৰ সূচনা কৰে তাক বিশ্লেষণ কৰিব পাৰিব ।

১৩.২ পৰিচয়

ধনাত্মক আৰু ঋণাত্মক প্ৰকৃতিৰ সংমিশ্ৰিত ৰূপ প্ৰতিখন সমাজতেই পৰিলক্ষিত হয়। কেতিয়াবা আকৌ এই ঋণাত্মক প্ৰকৃতিসমূহ যেনে— অন্ধবিশ্বাস অপৰাধ দুৰ্ব্যৱহাৰ বা শোষণ ভ্ৰষ্টাচাৰ কৰ্ম সংস্থাপনহীনতা আদিয়ে সমাজৰ ধণাত্মক গুণসমূহক চেৰ পেলাই সামাজিক ভাৰসাম্যতা বিনষ্ট কৰে। সামাজিক আন্দোলন সমূহেই এনেকুৱা অৱস্থাত সামাজিক সমস্যাসমূহ দুৰীকৰণৰ বাবে এক উপায় হৈ পৰে। সমাজৰ এক শ্ৰেণীৰ লোকে এই আন্দোলনসমূহত অংশ গ্ৰহণৰ জৰিয়তে দেশ বা ৰাষ্ট্ৰত যোগাত্মক সামাজিক উপাদানসমুহৰ পূৰ্ণ প্ৰতিষ্ঠা কৰি সমাজ সংস্কাৰৰ চেষ্টা কৰে। ব্যক্তিগতভাৱে এজন ব্যক্তিয়ে সাধাৰণতে এই সামাজিক সমস্যাসমূহ দুৰ কৰিব নোৱাৰে। সেয়েহে সমাজে সমূহীয়াভাৱে শক্তিৰ অংশগ্ৰহণেৰে এক আদৰ্শ সমাজ প্ৰতিষ্ঠাৰ বাবে দায়িত্ব লোৱা আবশ্যক হৈ পৰে। সেয়ে পৃথিৱীৰ সকলো সমাজতেই এই সামাজিক আন্দোলনসমূহে একত্ৰিত হৈ সমাজ প্ৰতিষ্ঠাত অংশগ্ৰহণ কৰে। এই অধ্যয়নত আমি সামাজিক আন্দোলনৰ অৰ্থ কাৰণসমূহ আৰু ইয়াৰ বিভিন্ন স্তৰ সম্বন্ধে বুজিবলৈ চেষ্টা কৰিম। ইয়াৰ উপৰিও ভাৰতৰ সামাজিক আন্দোলনৰ কেইটামান গুৰুত্বপূৰ্ণ প্ৰকাৰ সম্বন্ধেও আমি আলোচনা কৰিম।

১৩.৩ সামাজিক আন্দোলন অৰ্থ আৰু সংজ্ঞা

সকলো ধৰণৰ সামাজিক আন্দোলনৰ জন্ম হোৱাৰ পৰাই সামাজিক পৰিবৰ্তন প্ৰক্ৰিয়াও জড়িত হৈ পৰে। সামাজিক আন্দোলন হ'ল এক সামাজিক প্ৰক্ৰিয়া আৰু ই এনে এক যৌথ প্ৰচেষ্টা যাৰ দ্বাৰা সমাজৰ কিছুমান পৰিবৰ্তন সাধন কৰি এক নতুন সমাজ গঠনৰ উদ্দেশ্য নিহিত থাকে। এই সমূহীয়া প্ৰচেষ্টাৰ জৰিয়তে ব্যক্তিয়ে নিজে বাস কৰা পৰিৱেশৰ উন্নতি সাধন তথা বানচিত পৰিবৰ্তনৰ মাজেৰে সমাজ সংস্কাৰৰ বাবে আগবাঢ়ে। সেয়েহে আমি ক'ব পাৰো যে সামাজিক আন্দোলনসমূহে যৌথ প্ৰচেষ্টাৰ মাজেৰেহে আগবাঢ়িব পাৰে আৰু লগতে ইয়াৰ বাবে উদ্দেশ্যধৰ্মী অনুষ্ঠাপন, দৃঢ় নেতৃত্বত প্ৰয়োজন। আমি প্ৰায়েই দেখো যে সামাজিক আন্দোলনসমূহ স্বতফূৰ্ত প্ৰক্ৰিয়াৰে পৰিচালিত হয় আৰু এইবোৰ বিভিন্ন সামাজিক সমস্যাৰ নিয়ন্ত্ৰণৰ উদ্দেশ্যত সংঘটিত হয়।

Doug McAdam ৰ মতে "সামাজিক সংৰচনাৰ সংশোধন আৰু উন্নতকৰণৰ অৰ্থে অনানুষ্ঠানিক (non institutioal) উপায়েৰে সমাজৰ বৰ্জিত (excluded)গোটৰ দ্বাৰা গঢ় লোৱা সমূহীয়া প্ৰচেষ্টাই সামাজিক আন্দোলন।

Sidney Tarrow ৰ মতে, "সামাজিক আন্দোলনক অতিবাদ, হিংসা, পৃথকীকৰণৰ বহিঃপ্ৰকাশ হিচাবে গণ্য কৰাৰ সলনি ইয়াক সামূহিক উদ্দেশ্যৰ ওপৰত স্থিত আৰু বিশেষভাৱে সমন্বয় সূচিত, সমাজৰ উৎকৃষ্ট বৰ্গ প্ৰতিবাদী আৰু প্ৰাধিকাৰীসকলৰ দ্বাৰা প্ৰভাৱিত সমূহীয়া বিৰোধিতা বুলিহে আখ্যা দিয়া উচিত।"

Anderson আৰু Parker ৰ মতে, সামাজিক আন্দোলন হ'ল - "এক গতিশীল

বহুত্ববাদী আচৰণ যিটোৱে সময়ৰ পৰিৱৰ্তনত ইয়াৰ ৰূপও পৰিৱৰ্তিত কৰে আৰু সমাজৰ পূৰ্ণ সংশোধন ইয়াৰ মূল উদ্দেশ্য।"

১৩.৩.১ সামাজিক আন্দোলনৰ কাৰণসমূহ

সামাজিক আন্দোলন বিভিন্ন কাৰণত সংঙঘটিত হয় যেনে—

ক) **সাংস্কৃতিক প্ৰবাহ ঃ** সাংস্কৃতিক প্ৰবাহে এখন নিৰ্দিষ্ট সমাজৰ পৰিবৰ্তিত মূল্যবোধ আৰু ইয়াৰ দ্বাৰা প্ৰভাৱিত ব্যৱহাৰ বা কাৰ্য্যকে বুজায়। এনে পৰিৱৰ্তিত সমাজ ব্যৱস্থা সকলো সমাজৰে উমৈহতীয়া বৈশিষ্ট্য। সাংস্কৃতিক প্ৰৱাহে প্ৰায়েই ব্যক্তিৰ মানসিকতাক প্ৰভাৱিত কৰে। আৰু আমাৰ সামাজিক জীৱনলৈ নতুন চিন্তা তথা ভাৱধাৰাৰ আৱিৰ্ভাৱ কৰে। ইয়াৰ ফলস্বৰূপে কিছুমান নব্য সামাজিক আদৰ্শ যেনে— গণতান্ত্ৰিক, ভাৱধাৰা, সমাজৰ সকলো শ্ৰেণীৰ সৱলীকৰণ, সুবিধাৰ সমবিতৰণ, গণ সাক্ষৰতা আদিৰ প্ৰতিষ্ঠা হয়। এই আদৰ্শসমূহ প্ৰতিষ্ঠাৰ বাবে প্ৰায়েই আন্দোলন কৰা হয়।

খ) **সামাজিক অন্যায় ঃ** সামাজিক আন্দোলনসমূহৰ এক প্ৰধান কাৰণ হ'ল সামাজিক অন্যায়মূলক কাৰ্য বা পৰিৱেশৰ বিৰুদ্ধে জন-জাগৰণ। প্ৰায়েই দেখা যায় যে, সমাজৰ এক শ্ৰেণী ব্যক্তি হতাশগ্ৰস্ত আৰু বিচ্ছিন্ন অনুভৱ কৰে আৰু নিজকে সমাজৰ দ্বাৰা অন্যলোক বী সমূহৰ দমন কৰা বুলি অনুভৱ কৰে। এই দমনমূলক ব্যৱহাৰৰ অনুভৱে এই শ্ৰেণীলোকক ৰুদ্ধ কৰিব নোৱাৰে। এনেকুৱা পৰিস্থিতিত এক সুস্থ, শৃংখলাবদ্ধ, ঐক্য সমাজ গঢ়াৰ লক্ষ্যৰে সামাজিক আন্দোলনে জন্ম গ্ৰহণ কৰে।

গ) **সামাজিক শৃংখলাহীনতা ঃ** সকলো সমাজেই বিভিন্ন শ্ৰেণী আৰু শাখাৰ ব্যক্তিৰ সমাহৱত গঢ় লৈ উঠে ।ইয়াৰে কিছুসংখ্যক পৰিবৰ্তন সম্বন্ধে অধিক সংবেদনশীল আৰু আন কিছু সংখ্যক পৰিৱৰ্তন সম্বন্ধে আধিক শিথিল আৰু দীৰ্ঘ সময়ৰ ব্যৱধানতহে পৰিৱৰ্তনমুখী হয়। উদাহৰণ স্বৰূপে, চহৰ অঞ্চলসমূহত গ্ৰাম্য অঞ্চলসমূহৰ তুলনাত দ্ৰুত গতিত উদ্যোগীকৰণ সম্ভৱ হয়। এনেকুৱা পৰিৱৰ্তনে কেতিয়াবা অসমতাৰ কাৰণ হৈ পৰে আৰু সামাজিক সমস্যাৰ কাৰক হিচাপে দেখা দিয়ে। এনেকুৱা অঞ্চলভেদে অসমতাপূৰ্ণ পৰিৱেশে পুৰণি পৰম্পৰা আৰু নতুনকৈ অৰ্জিত জীৱন ধাৰনৰ পদ্ধতিৰ মাজত বিভিন্ন ধৰণৰ সংঘৰ্ষৰ বা বিৰোধৰ সৃষ্টি কৰে, যাৰ ফলত ব্যক্তিৰ মনত পৃথকত্ব, অ-নিৰাপত্তা, নিৰাশা আৰু নিৰ্মমতা আদি ঋণাত্মক ভাৱৰ সৃষ্টি হয় আৰু এইবোৰে সামাজিক আন্দোলনৰ কাৰক হৈ দেখা দিয়ে।

ঘ) **শোষণ বা উৎপীড়ন ঃ** নিষ্ঠুৰ আৰু অৰ্থনৈতিকভাৱে কোনোৱে নিজৰ প্ৰতিপত্তি বা ক্ষমতাৰ ব্যৱহাৰ কৰিলেই শোষণৰ সৃষ্টি হয়। এটা সময়ত এই শোষণ

শব্দটোৱেই চৰকাৰ বা শাসকীয় গোটৰ অনৈতিক উৎপীড়ন বুজিবলৈ ব্যৱহাৰ কৰা হৈছিল। ইতিহাসৰ মাজেৰেও আমি দেখিবলৈ পাও ইউৰোপৰত হিটলাৰ আৰু মুচোলিনীৰ আৰু বৰ্তমানসময়তো দক্ষিণ কোৰিয়াত কিম-জং-উম, ছিৰিয়াত বাচাৰ-অল-আচাদ আৰু লিবিয়াত মুঃগাড্ডাফি (মৃত বৰ্তমাণ) আদি শাসন কৰ্তাই উৎপীড়নৰ সৃষ্টি কৰি আহিছে। এনেকুৱা উৎপীড়নৰ বিৰোধিতা কৰিবলৈ সেয়েহে সাধাৰণ জনতাৰ আন্দোলনেই একমাত্ৰ উপায় হিচাপে দেখা দিয়ে। এই আন্দোলনৰ সফলতাই সমাজত আনি দিয়ে বিধিগত আইনি ব্যৱস্থাৰ প্ৰচলন ন্যায়সংগত প্ৰথা আৰু এইবোৰৰ ব্যৱহাৰ।

ঙ) **সার্বজনীক অসন্তুষ্টি ঃ** সমাজৰ বিশেষ কিছুমান অসন্তুষ্টিজনক পৰিৱেশত জনসাধাৰণে এইবোৰৰ পৰা মুক্তি বিচাৰে আৰু এক উন্নতিজনক সামাজিক পৰিৱেশ কামনা কৰে। এনে অৱস্থাত সামাজিক অসন্তুষ্টিয়ে এক গন আন্দোলনৰ ৰূপ লয় আৰু জাতীয় পৰিৱৰ্তনৰ সূচনা কৰে। ফৰাচী বিপ্লৱৰ ইতিহাসে এনে এক সামাজিক আন্দোলনৰ বিষয়ে আমাক জনায়। কুৰি শতিকাৰ আৰম্ভণিৰ সময়ত পৃথিৱীৰ বহু উপনিৱেশিক দেশৰ জাতীয়তাবাদী আন্দোলনৰ সমান্তৰালকৈ ভাৰতীয় স্বাধীনতা আন্দোলন অন্য এক উদাহৰণ। সার্বজনীক অসন্তুষ্টি আৰু বিৰোধিতাই এনে এক পর্যায় পায়গৈ য'ত প্ৰশাসনিয় অধিপতিসকল ৰাইজৰ কাম্য নায্য সমাজ এখনৰ চৰ্তসমূহ পূৰা কৰিব নোৱাৰে। দেশৰ নাগৰিকে অর্থনৈতিক শোষণ, ভ্ৰষ্টাচাৰ, সামাজিক অসমতা, সাম্প্ৰদায়িকতা আদি প্ৰত্যক্ষ কৰে আৰু জনসাধাৰণে সন্মিলিতভাৱে এনেকুৱা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰে।

১৩.৩.২ সামাজিক আন্দোলনৰ স্তৰসমূহ

প্ৰথমতে এক ধর্মিক ভাৱ চিন্তা বিশিষ্ট এটা ব্যক্তি সমষ্টি , এটা নির্দিষ্ট অনুষ্ঠান বা সংস্থাৰ অন্তর্গত হৈ সমস্যা কিছুমানৰ সমাধানৰ কাৰনে এক আন্দোলনত অৱতীর্ণ হয়। এইখিনিতে, তেওঁলোকে নিজৰ কার্য লক্ষ্যত উপনীত হবলৈ এক নেতৃত্ব বাচনি কৰাৰ লগতে সমাজত নিজৰ উদ্দেশ্য উপস্থাপন কৰাৰ বাবে কিছুমান নীতি নির্ধাৰণ কৰে । ইয়াক আমোলাতান্ত্রীকতা (bureaucratization) বুলি কোৱা হয়। ইয়াৰ পিছত আন্দোলন কার্যসূচী আৰম্ভ হয়। অফলতা, বিফলতা, সহ-বিকল্প, পশ্চাৎ - গমন, উপস্থাপন আদি বিভিন্ন পৰিনাম আন্দোলনৰ লগত জড়িত হৈ থাকে আৰু শেষত সময়ৰ লগে লগে আন্দোলনৰ ব্যাপকতা তথা জনপ্ৰিয়তা মন্থৰ হৈ এটা সময়ত ই অবনতি হৈ স্থবিৰ হৈ পৰে।

নিমোক্ত তালিকা মন কৰক - তালিকা নং ঃ

তালিকা — সামাজিক আন্দোলনৰ উন্মেষন বা উত্থান

↓

সন্মিলন

↓

আমোলাতন্ত্রীকতা

↓

সফলতা ✕বিফলতা ✕সহ- অৱস্থান বা সহ -বিকল্প ✕উপস্থাপন ✕সহ -বিকল্প ✕পশ্চ্যাত গমন ✕উপস্থাপন

↓

অবনতি

১৩.৪ সামাজিক আন্দোলনৰ প্রকাৰ

আন্দোলনৰ লক্ষ, অংশগ্রহণকাৰীৰ নৈতিক প্রমুল্যবোধ, আন্দোলনত গ্রহণকার্যনীতি, সামাজিক অনুস্থান আদি বা আন্দোলনৰ পৰিণতত সংঘটিত পৰিৱর্তনৰ বাহকসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন চিন্তাবিদে সামাজিক আন্দোলনৰ বিভিন্ন শ্রেণীকৰণ কৰিছে। তথাপিও আমি নিম্নোক্ত প্রকাৰসমূহৰ ভিত্তিত সাাজিক আন্দোলনক অধ্যয়ন কৰিব পাৰো।

সংস্কাৰ ধর্মী আন্দোলন ঃ এই আন্দোলনৰ লক্ষ হ'ল পূর্বৰ স্থিত সামাজিক প্রমূল্যবোধৰ পৰিৱর্তন কৰি এক উন্নত সমাজৰ স্থাপন। উদাহৰণ স্বৰূপে— শিক্ষা পদ্ধতি, বিবাহ ব্যৱস্থা, ৰীতি-নীতি আদিৰ উচ্চ প্রমূল্যবোধ স্থাপন।

বৈপ্লৱিক আন্দোলন ঃ সংস্কাৰ ধর্মী আন্দোলনৰ বিপৰীত প্রকৃতিৰ এই বৈপ্লৱিক আন্দোলনৰ উদ্দেশ্য হ'ল পূর্বৰ স্থিত প্রমূল্যবোধৰ সলনি আৰু নিজস্ব দৃষ্টিভংগীৰে উচিত বিবেচিত প্রমূল্যবোধৰ সংস্থাপন। উদাহৰণ স্বৰূপে— দেশৰ ৰাজনৈতিক সংৰচনাৰ পৰিবর্তন।

প্রতিৰোধী বা সংৰক্ষণ শাৰী আন্দোলন ঃ এই ধৰণৰ আন্দোলনে ইতিমধ্যে সমাজত অন্য আন্দোলনৰ জৰিয়তে প্রতিষ্ঠিত ধাৰণা পৰিবর্তনৰ বিৰোধিতা কৰে। কেতিয়াবা এই ধর্মী আন্দোলনে ইতিমধ্যে আন্দোলনৰ জৰিয়তে বা গনসমর্থনৰ জৰিয়তে প্রতিষ্ঠিত সমাজৰ প্রতিষ্ঠিত এক বিশেষ প্রকৃতি সমূলি অবৰোধ বা নাশ কৰে। যেনে— ভাৰতবর্ষত চৰকাৰী ভাষা হিচাপে ইতিমধ্যে প্রতিষ্ঠিত হিন্দী ভাষাৰ বিৰোধিতাৰে গঢ় লৈ উঠা আন্দোলন।

Millenerian আন্দোলন ঃ সামাজিক, ৰাজনৈতিক বা ধর্মীয় গোটৰ দ্বাৰা এনে আন্দোলন পৰিচালিত হয়। এই আন্দোলনত অংশগ্রহনকাৰীসকলে সমাজৰ সকলো শাখাক এক যোগাত্মক দিশেৰে পৰিচালিত কৰি সমাজৰ পূর্ণ অংশৰ এক পৰিৱর্তিন বিচাৰে। প্রায়েই এনে আন্দোলনৰ অংশ গ্রহনকাৰী গোটৰ সদস্যসকলে দাবী কৰে যে তেওঁলোক বাস কৰা সমাজখন তেওঁলোকৰ বিচাৰ ধাৰা বা উন্নত জীৱনৰ পৰিপন্থী আৰু ইয়েই তেওঁলোকৰ পটন

ঘটাব। এই বিপদজনক পৰিস্থিতিৰ উপশমৰ বাবে আন্দোলনৰ জৰিয়তে তেওঁলোকে সমাজৰ পৰিবৰ্তন বিচাৰে। উদাহৰণস্বৰূপে ভাৰতত মুছলিম ধৰ্ম সম্প্রদায়িক আন্দোলন।

কেতিয়াবা আকৌ কোনো এটা আন্দোলনৰ জৰিয়তে এখন আদৰ্শ আৰু ত্রুটিহীন উৎকৃষ্ট সমাজ গঢ়াৰ আশা কৰা হয়। যিটো কেৱল কল্পনাতহে সম্ভৱ আৰু বাস্তৱিতাহীন। এনেকুৱা এক আন্দোলনক কল্পলোক (utopion) আন্দোলন বুলি কোৱা হয়। গান্ধীজীৰ সর্বোদয়া আন্দোলন ইয়াৰ এক উদাহৰণ।

কেতিয়াবা জনসাধাৰণে চৰম অসন্তুষ্টি তথা অসম্পূর্ণতাৰ মাজত থাকিও সামাজিক সংৰচনাৰে কোনো পৰিৱর্তন ঘটাব নোৱাৰে। এনেকুৱা পৰিস্থিতিত ব্যক্তিয়ে বাস্তৱক মানি লৈ নিজৰ অসন্তুষ্টি আওকাণ কৰে আৰু নিজৰ জীৱন তথা সামাজিক পৰিৱেশৰ মাজত সমতা স্থাপন কৰিব চেষ্টা কৰে আৰু কেতিয়াবা অন্য পন্থা গ্রহণেৰে জীৱনটো সহজে ল'ব চেষ্টা কৰে। হিপ্পি (hippi) আন্দোলন এনে এক উদাহৰণ।

আমাৰ চাৰিওফালৰ পৰিস্থিতি অধ্যয়ন চকৰিলে দেখিবলৈ পাম ভাৰতবৰ্ষৰ ক্ষেত্রত কিছুমান বিশেষ শ্রেণীৰ আন্দোলনৰ সৃষ্টি হৈছিল। তলত এই বিলাক আলোচনা কৰা হ'ল —

১৩.৪.১ সামাজিক সংস্কাৰমুলক আন্দোলন

বৃটিছ শাসিত ভাৰতৰ এটা ধণাত্মক পৰিণতি হ'ল যে ই ভাৰতীয় সমাজৰ দোষ ত্রুটি আৰু দূর্বলতাবোৰ উদঙাই দেখুৱাইছিল। ১৯ শতিকাৰ ভাৰতৰ বহুবোৰ আন্দোলনেই মূল কাৰণ এনে পৰিণতিৰে ফল। প্রত্যেক সামাজিক আন্দোলনেই মূল উদ্দেশ্য হ'ল শাতিকাজোৰা কুসংস্কাৰপন্ন ৰীতি-নীতি কিছুমানৰ পৰিৱর্তন বা বিলোপ কৰি সমাজৰ উন্নতিৰ পথ প্রশস্ত কৰা। সমাজৰ সকলো শ্রেণীৰ মাজতেই শিপাই উঠা সামাজিক কুসংস্কাৰ, গোড়ামিৰ বিৰুদ্ধে জন জাগৰণ সৃষ্টি এই আন্দোলনবোৰৰ এক বিশেষ উদ্দেশ্য। সমাজৰ উচ্চ শ্রেণীৰ শোষণ ধর্মান্ধতা অন্ধবিশ্বাস আদিৰ বিৰুদ্ধে আন্দোলন গঢ় লৈ উঠে। প্রায়েই বৃটিছ ৰাজেও কিছুমান নীতি নিয়ম চৰকাৰী ভাৱে ধার্য কৰি প্রত্যক্ষ আৰু পৰোক্ষভাৱে আন্দোলনকাৰী সকলৰ পক্ষ সমর্থন কৰিছিল। তলৰ তালিকাখন জৰিয়তে কিছুমান সামাজিক সমস্যাৰ আৰু ভাৰতীয় সংস্কাৰকসকলে লোৱা পদক্ষেপসমূহ দেখুওৱা হৈছে—

তালিকা নং ১৩.২—

সামাজিক সমস্যাসমূহ	সংস্কাৰক	সমাধানসূগ
সতী, শিশু, বিবাহ, বহুবিবাহ	ৰাজা ৰামমোহণ ৰয়	ব্রাহ্মণ সমাজ প্রতিস্থাপণ (১৮২৮০)
বি.এম্.মালাকাৰী	সতি প্রথা বেআইনী ঘোষণা)	শ্রেণী বিভাজন, মূর্তি পূজা

স্বামী দয়ানন্দ সৰস্বতী আৰু বাল্য বিবাহ		অৰ্য সমাজ প্ৰতিস্থা,(১৮৭৫) আধুনিক ভাৰত প্ৰতিস্থা
পিছপৰা শ্ৰেণী আৰু মহিলাৰ	জ্যোতিবা ফুলে, ইস্বৰ	সত্য সাধক সমাজ ১৮৭৩ পুণতে
পৰম্পৰাবাদী ধৰ্ম বিশ্বাস, ভাৰ প্ৰকাশৰ স্বাধীনতা	এনি বেচাণ্ট	হোম ৰুল লীগ (১৯১৪)
অস্পৃশ্যতা	বি আৰ আম্বেদকাৰ	ভাৰতীয় সংবিধানৰ সংৰক্ষণৰ ব্যৱস্থা
যুক্তিগত ধৰ্মীয় ব্যৱস্থাপনা, অসংবৰ্ণ সম্বন্ধ	এম জী ৰানাডে	বিধবা পূৰ্ণ বিবাহ সমিতি (১৮৬১) সংস্কৃতিক নৱজাগৰণ
মহিলাৰ সম অধিকাৰ, যৌতুক প্ৰথা	কেন্দুকুৰি বীৰেচালিংগম	অন্ধ্ৰ প্ৰদেশত প্ৰথম ঈশ্বৰবাদী বিদ্যালয় স্থাপন
অহিংসতা আৰু মানৱ অধিকাৰৰ উন্নয়ন ভূমিকা প্ৰদান	আচাৰ্য বিনোৱা ভাৱে	বিদ্যালয় মন্দিৰ প্ৰতিস্থাপন (১৯৫৯) মহিলাৰ বাবে আন্তৰ্জাতিক সমুদায় গঠন, অনুদানৰ জৰিয়তে এহেজাৰতকৈ বেছি গাঁও সংগ্ৰহ ।

ধৰ্মীয় সংস্কাৰ মুলক আন্দোলন সমুহ ঃ

অতীতৰ পৰাই ধৰ্ম ই মানুহৰ জীৱনৰ ওপৰত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। ধৰ্মৰ সংস্কাৰ অবিহনে সমাজ সংস্কাৰ সম্ভৱ নহয় বুলি বিশ্বাস কৰা হয়। পৃথিৱীৰ পৰিৱৰ্তিত আৰু আধুনিক বিজ্ঞান , গণতন্ত্ৰ আৰু জাতীয়তাবাদী আৰ্হিত নিজ দেশৰ সামাজিক গঠন তৈয়াৰ কৰিবলৈ ভাৰতবৰ্ষইও,নিজৰ পুৰণি পৰম্পৰাগত ধৰ্মৰ সংস্কাৰৰ ওপৰত গুৰুত্ব আৰম্ভ কৰিছ। ধৰ্মীয় সংস্কাৰ আন্দোলনসমুহে পুৰণি ধৰ্মীয় ৰীতি নীতি, বিশ্বাসক এক নতুন সমাজৰ লগত সাচ(monld)ত ঢালি নতুন সমাজৰ লগত খাপ খুৱাবলৈ চেষ্টা কৰি আহিছে। এই আন্দোলনসমূহে কিছু পৰিমানে ভাৰতৰ একাকীত্ব(isolated)পূৰ্ণ সংস্কৃতি আৰু বৌদ্ধিক জগতখনক বিশ্বৰ বহল মজিয়ালৈ আনি পৃথিৱীৰ নতুন ভাৱধাৰা জ্ঞানৰ লগত পৰিচয় কৰাইছে। অৱশ্যে এই ধৰ্মীয় সংস্কাৰমূলক আন্দোলনৰ ঋণাত্মক দিশসমূহও উল্লেখনীয় যেনে— প্ৰথমতে, এই আন্দোলনসমূহে মুঠ জনসাধাৰণৰ এক সৰু অংশ চহৰ অঞ্চলৰ উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীটোকহে প্ৰভাৱিত কৰিব পাৰে। কৃষিজীৱি আৰু চহৰৰ নিম্ন শ্ৰেণীটো এই আন্দোলনৰ দ্বাৰা কোনোধৰণে প্ৰভাৱিত নহয়। দ্বিতীয়তে, ধৰ্মীয় সংস্কাৰকসকল কিছুপৰিমানে শাস্ত্ৰীয় অধিকাৰীসকলৰ ওপৰত নিৰ্ভৰশীল হয় আৰু পশ্চাৎগামী প্ৰকৃতিৰ হয়। তেওঁলোকে কিছুপৰিমানে বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু মানৱীয় প্ৰমূল্যবোধক আওকাণ কৰে।

তলৰ তালিকাত ধৰ্মীয় আন্দোলনৰ মূল গুৰিধৰোতা সকলৰ নাম উল্লেখ কৰা হ'ল—

হিন্দু ধৰ্মীয় আন্দোলনসমূহ ঃ

আন্দোলনৰ নাম	প্ৰতিষ্ঠাতা	উদ্দেশ্য	সফলতা
ব্ৰহ্ম সমাজ	ৰাজা ৰাম মোহন ৰায়	হিন্দুসমূহৰ গোৰমীসমূহৰ বিৰুদ্ধাচৰণ, একে ঈশ্বৰ বাদ মতবাদৰ প্ৰচলন	মহিলাসকলৰ সাধাৰণ জীৱনৰ উন্নতি আধুনিক শিক্ষাৰ প্ৰসাৰণ
প্ৰাৰ্থনা সমাজ	আত্মাৰাম পাণ্ডুৰং	হিন্দু ধৰ্মৰ আচৰণ সমূহৰ আৰু ধ্যান ধাৰণা সমূহৰ সংস্কাৰ	সাধন অস্পৃশ্যতাৰ বিৰুদ্ধে কঠোৰ সমালোচনা
আৰ্য্য সমাজ	স্বামী দয়ানন্দ সৰস্বতী	হিন্দু ধৰ্মালম্বী লোকৰ অন্য ধৰ্মলৈ ৰূপান্তৰ কৰণৰ বিৰোধিতা	মহিলৰ বাবে উচ্ছ শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠা
শিক্ষাবিদ বা অন্য আত্মবিদ্যা সমাজ	মেডাম এইচ.পি. ব্লভাটস্কি আৰু কৰ্ণেল এইচ এচ অলকত	প্ৰাচীন ধৰ্ম আৰু আধ্যাত্মিক তাবাদৰ উন্নয়ন বিশ্ব ভাতৃত্ত বোধ সৃষ্টি	বেনাৰসত কেন্দ্ৰীয় হিন্দু বিদ্যালয় স্থাপন
ভাৰতীয় জাতীয়	এম জি ৰানাডে সমাজ অধিৱেশন	সামাজিক কুৰীতি নীতিসমূহৰ প্ৰচলন বন্ধ, মহিলাৰ কল্যাণ আৰু প্ৰগতি	বিখ্যাত সংকল্প আন্দোলনৰ প্ৰক্ষেপণ আৰু ইয়াৰ দ্বাৰা বাল্য বিবাহ প্ৰচলন বাধা
ৰামকৃষ্ণ মিচন	স্বামী বিবেকানন্দ	সামাজিক কাৰ্য্য আৰু মানৰীয় ধ্যান ধাৰণা	বিদ্যালয়, চিকিৎসালয় আৰু অনাথ আশ্ৰম তথা পুস্তিকালয় স্থাপন

ইছলামীয়

মুছলিম ধৰ্মৰ আন্দোলন —

ডাৰ উক উলুম	মৌলানা হুছেইন আহমেদ	প্ৰাচীন ইছলাম ধৰ্মীয় ৰীতি-নীতি ধ্যান ধাৰণাৰ পূৰ্ণজীৱন ইছলামসকলৰ ইছলামসকলৰ নৈতিক আৰু	জাতীয় আন্দোলন বাবে জনসাধাৰণৰ মনত ৰাজনৈতিক সচেতনতাৰ আত্মিক দিশৰ উন্নয়ন সৃষ্টি
নদৱা উল উলেমা	মৌলানা চিৱলি নুমানী	ইছলামিক শিক্ষা ব্যৱস্থাৰ পুনৰুত্থান ধৰ্মীয় বিজ্ঞানৰ উত্থান	পৰম্পৰাগত শিক্ষাৰ মাধ্যমেৰে শিক্ষিত মুছলমান শ্ৰেণীৰ সৃষ্টি
আহমেদিয় আন্দোলন শতিকাৰ শেষভাগত	মিৰ্জা গুলাম আহমেদ	ইছলাম ধৰ্মৰ সংস্কাৰ সাধন মিছনেৰী আৰু আৰ্য্য সমাজৰ প্ৰভাৱৰ পৰা ইছলাম মুক্ত কৰি ৰখা	আধুনিক ঔদ্যোগিক আৰু প্ৰযুক্তি গত পদ্ধতিৰ ধৰ্মীয় মান্যতা প্ৰদান
মহমেডান শিক্ষা সমাৰোহ	চাৰ চৈয়দ আহমেদ খান	ইছলামিক ধৰ্মী জনসাধাৰণৰ মাজত পশ্চিমীয়া শিক্ষাৰ প্ৰসাৰ	আলিগড় মুছলিম বিশ্ববিদ্যালয় স্থাপন খান

পিছপৰা শ্রেণীসকলৰ আন্দোলন

প্রাচীন কালৰে পৰাই ভাৰতীয় সমাজত শ্রেণী পদ্ধতি এক উল্লেখনীয় বৈশিষ্ট্য। বিংশ শতিকাৰ আৰম্ভণীৰ কালত সংঘটিত পিছপৰা শ্রেণীসকল জড়িত আন্দোলনৰ প্রত্যেক্ষ কাৰণ হল বৃটিছ সকলে জাতি ব্যৱস্থাৰ ৰাজনীতিকৰণ। তদুপৰি, বৃটিছসকলে আৰম্ভণি কৰা পশ্চিমীয়া শিক্ষাৰ ব্যৱস্থা, ভাৰতীয় নাগৰিকৰ বাবে চৰকাৰী কার্যালয়সমূহত চাকৰিৰ সুবিধা, জাতিক ভিত্তি কৰি সংৰক্ষণৰ সুবিধা প্রদান। আদিৰ বাবে জাতি ব্যৱস্থাই ইয়াৰ পূর্বৰ ধর্মীয় আবেষ্টনী পৰিহাৰ কৰে আৰু পুৰষ্কাৰ বা পৰিতোষন(bonus) লাভৰ আহিলা হৈ পৰে।

১৯ শতিকাত "পিছপৰা শ্রেণী" পৰিভাষাৰ প্রয়োগ ভাৰতবর্ষৰ কিছু বিশেষ সংখ্যক শ্রেণীক দলিত, দ্রাবিড়, এজহাৱা(ezhava) মাহাৰ আৰু বহুতো অ-ব্রাহ্মণ জাতিৰ ক্ষেত্রত কৰা হয়। বৃটিছসকলে প্রায় উচ্চ শ্রেণী বা ব্রাহ্মণসকলক সাহায্য বা পোষণ প্রদান কৰাৰ ফলত, সমাজৰ পিছপৰা শ্রেণীৰ লগত উচ্চ শ্রেণীজাত সকলক অর্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক দূৰত্বৰ সৃষ্টি হৈছিল। সামাজিক গতিশীলতাৰ অভাৱত, নিম্ন শ্রেণী জাতসকলে উপলব্ধি কৰিব লৈছিল যে, সমাজত নিজৰ অধিকাৰ ভোগ কৰিবলৈ তেওঁলোকে দাবি আৰম্ভ কৰাৰ প্রয়োজন। এনেকৈয়ে ভাৰতবর্ষত নিম্ন জাতিৰসকলৰ আন্দোলন আৰম্ভ হৈছিল। সাধাৰণভাৱে ক'বলৈ গলে আমি ক'ব পাৰো যে ভাৰতৰ পিছপৰা শ্রেণীৰ আন্দোলন শ্রেণী ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা আৰু এক বিশেষ জাতিৰ লোকৰ উন্নয়নৰ উদ্দেশ্য ইয়াৰ সৈতে জড়িত। প্রথম অৱস্থাত "অ-ব্রাহ্মণ আন্দোলন" হিচাপে পৰিচিত হৈছিল। বৃটিছ শাসিত ভাৰতৰ সকলো পিছপৰা শ্রেণী জড়িত আন্দোলনৰ দুটা প্রধান উদ্দেশ্য দেখা গৈছিল—

(ক) জাতিটোৰ সকলো সদস্য প্রতি সন্মানবোধৰ সৃষ্টি। (খ) ব্রাহ্মণ সকলৰ তুলনাত সমানভাবে বা বেছিকৈ সুবিধা ভোগ আৰু বিশেষধিকাৰ ভোগ।

পিছপৰা শ্রেণী আন্দোলনৰ এগৰাকী মুখ্য প্রবক্তা বা আহ্বায়ক আছিল মহাত্মা গান্ধী। মহাত্মা গান্ধীয়ে বিশেষভাৱে সমর্থন কৰিছিল দলিত আন্দোলন আৰু দলিত ব্যক্তিসকলক নতুনকৈ নামকৰণ কৰিছিল 'হৰিজন' বুলি। দলিত আন্দোলনে জ্যোতিকা ফুলে আৰু বি.আৰ আম্বেডকাৰৰ দৰে বিখ্যাত সমাজ সংস্কাৰকৰ জন্ম দিছিল। তেনেদৰে, ৰামস্বামী নাইকাৰৰ নেতৃত্বত দ্রাবিড় আন্দোলন মূৰ ডাঙি উঠিছিল। এই আন্দোলনৰ এক মূল শ্লোগান আছিল— "আত্ম সন্মান" ডি. এম.কে (DMK) নামৰ ৰাজনৈতিক দলটো এই আন্দোলনৰে পৰিণতি।

ভাৰতত দলিত সকলৰ তুলনাত বোধ হয় কোনো অন্য জাতিয়ে শোষিত হোৱা নাই আৰু অন্য পিছপৰা শ্রেণীৰ আন্দোলনৰ তুলনাত এই দলিত আন্দোলন অধিক বিবাদ পূর্ণ। এই দলিত আন্দোলন ভাৰতৰ বিখ্যাত জাতীয়তাবাদী নেতাসকলে আৰু আন্তজার্তিক ক্ষেত্রত এই আন্দোলনে বিশেষ আকর্ষণ লাভ কৰিছিল। দলিতসকলৰ সামাজিক উন্নয়ন এতিয়াও সম্পূর্ণভাৱে সন্তোষজনক নহয়। সেয়েহে ভাৰতৰ দলিতসকলৰ সংঘর্ষৰ বিষয়ে এক শুদ্ধ আৰু বিশদ জ্ঞান লাভ কৰাটো জৰুৰী।

ভাৰতৰ দলিত আন্দোলন ঃ

শতিকাজোৰা শোষণ উৎপীড়নৰ ফল হ'ল ভাৰতৰ দলিত আন্দোলন। দলিতসকলক ভাৰতীয় সমাজ ব্যৱস্থাৰ আটাইতকৈ নিম্নতম স্থানত ৰখা হৈছিল আৰু তেওঁলোক শোষণ আৰু উৎপীড়নৰ বলি হৈছিল। ভাৰতবৰ্ষৰ জাতি ব্যৱস্থাৰ আটাইতকৈ শোষিত জাতি হ'ল দলিত সম্প্ৰদায়। ভাৰতীয় উচ্চ বৰ্ণ সমাজত তেওঁলোকক অস্পৃশ্য বুলি গণ্য কৰা হৈছিল। সেয়েহে দলিত আন্দোলন অকল অৰ্থনৈতিক শোষণ আৰু ৰাজনৈতিক দমনৰ বিৰুদ্ধে আন্দোলনেই নহয়, বৰং দলিত সম্প্ৰদায়ৰ ব্যক্তিৰ নিজকে সমাজৰ অন্যসকলৰ লগত সমান হৈ সম- মানৱাধিকাৰ ভোগৰ এক পদক্ষেপ। ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ সমানুপাতিক ভাৱে মহাত্মা গান্ধী আৰু বি. আৰ আম্বেদকাৰৰ নেতৃত্বত ভাৰতবৰ্ষত দলিত আন্দোলন আৰম্ভ হৈছিল। অৱশ্যে দলিতসকলৰ এই আন্দোলনৰ এটা দূৰ্বলতা আছিল- একতাৰ অভাৱ আৰু লগতে আন্দোলনৰ নেতৃবৰ্গৰ ভাৱধাৰাৰ মাজত বিভিন্নতা। তেনেদৰে সকলো দলিত আন্দোলনৰে সততে মিল থকা বৈশিষ্ট্য কিছুমান হ'ল— সমতাৰ কাৰণে উমৈহতীয়া প্ৰচেষ্টা, ব্যক্তি নিষ্ঠা বা আত্ম সন্মানবোধ আৰু অস্পৃশ্যতা ৰোধৰ বাবে সংগ্ৰাম। এই আন্দোলনৰ আৰম্ভণি প্ৰথমতে জ্যেতিবা ফুলেৰে নেতৃত্বত জাতি বিৰোধি আন্দোলন হিচাবে হৈছিল, পিছলৈ মহাৰাষ্ট্ৰত আম্বেদকাৰৰ নেতৃত্বত ইয়াৰ প্ৰসাৰ ঘটিছিল। চত্তীশগড়ৰ সৎনামী আন্দোলন, পাঞ্জাৱৰ আদি ধৰ্ম আন্দোলন, মহাৰাষ্ট্ৰৰ মাহাৰ আন্দোলন, উত্তৰ প্ৰদেশৰ জাট আন্দোলন আৰু দক্ষিণ ভাৰতৰ ব্ৰাহ্মণ বিৰোধী আন্দোলন আছিল দলিত আন্দোলনৰ উপজাত বুলি ক'ব পাৰি। সময়ৰ লগে লগে এই আন্দোলনসমুহে জন সমাজত এক উল্লেখযোগ্য স্থান লাভ কৰিব ধৰিছিল আৰু ৰাষ্ট্ৰই ভাৰতীয় দলিত সম্প্ৰদায়ৰ উন্নয়ন বাবে কেইবাটাও ব্যৱস্থা হাতত লৈছিল। বৰ্তমানৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা বহুল পৰিমাণে এই দলিত সম্প্ৰদায়ৰ ওপৰত নিৰ্ভৰশীল আৰু মূল ৰাজনৈতিক দলসমূহৰ ইস্তাহাৰত এই সম্প্ৰদায়ৰ প্ৰতি সচেতনতা এক মূল বিষয়।

কৃষি বা ভূমি সম্বন্ধীয় আন্দোলন

অতীজৰে পৰাই কৃষি ভাৰতীয় সমাজৰ বাবে মূল জীৱিকাৰ উপায় হৈ আহিছে। তথাপিও, ভাৰতীয় কৃষিক্ষেত্ৰত গ্ৰহণ কৰা প্ৰশাসনীয় ব্যৱস্থা আৰু ইয়াৰ স্বৰূপ সম্বন্ধে প্ৰশ্নৰ অৱাতাৰনা কৰা হৈছি। ধনী জমিদাৰ শ্ৰেণী আৰু দুখীয়া কৃষিজীৱি খেতিয়কৰ সংঘৰ্ষ কৃষিক্ষেত্ৰৰ লগত পুৰণি কালৰ পৰাই জড়িত। ইয়াৰ পিছতো বৃটিছ শাসনৰ কালছোৱাত কৃষি নীতিসমূহে পূৰ্বৰ কৃষি সম্বন্ধীয় সংঘৰ্ষক অধিক জটিল কৰিহে তুলিলে। ভাৰতবৰ্ষৰ ৰাজত্ব কৰি থকা বৃটিছ শাসকসকলে নিজ চৰকাৰৰ কাৰণে অধিক লাভৰ উদ্দেশ্যত অতোধিক পৰিমাণে কৃষি ৰাজহ সংগ্ৰহ কৰিব লৈছিল। কৃষকসকল ক্ৰমান্বয়ে কৃষি ভূমিৰ মালিকীস্বত্বৰ পৰা অপসাৰিত হ'ব ধৰিছিল। তেনেদৰে হাবি জংগল আদি যিসমূহৰ লগত কৃষকসকলৰ সাংস্কৃতিক আৰু ধৰ্মীয় ৰীতি-নীতি জড়িত হৈ আছে, সেইসমূহ ক্ৰমে বৃটিছ সকলে হস্তগত কৰি আহিছিল।

চহৰাঞ্চল গঠনৰ বাবে হোৱা কৃষি ভূমিৰ বেদখল,— ভূমি ৰাজহ ধাৰ্য্য , ভূমি কৰ, বনাঞ্চল ধবংস আৰু উদ্যোগ স্থাপন আদিয়ে প্ৰকৃত কৃষি সম্বন্ধীয় আন্দোলনৰ জন্ম দিছিল।

ভাৰতৰ কৃষিক্ষেত্ৰৰ লগত জড়িত আন্দোলন হ'ল কৃষি ক্ষেত্ৰত বৃটিছ সকলৰ কৃষিভূমি বেদখল। বৃটিছ শাসনকালছোৱাত সংঘটিত কেইবাটাও কৃষিজড়িত আন্দোলনৰ নাম হ'ল- নীল বিপ্লৱ (১৮৫৯-৬২), মাপিল্লা আন্দোলন ১৮৩৬-১৯২১ আৰু দাক্ষিণাত্য বিদ্রোহ আদি।

এইখিনিতে এইটো মন কৰিবলগীয়া যে ভাৰতীয় কৃষি সমাজ প্ৰকৃতিভাৱে বহুজাতীয় আৰু অৰ্থনৈতিক আৰু সামাজিক বহুকাৱকে এই কৃষিজীৱি সকলক ভাগ কৰিছে। সধাৱনতে দুটা প্ৰধান ভাগে কৃষিজীৱিসকলক ভাগ কৰিছে- সেইয়া হ'ল— ধনী ভূমি অধিকাৰী বা জমিদাৰী সকল আৰু দুখীয়া ভূমিহীন খেতিয়কসকল। ভাৰতীয় গ্ৰাম্য সমাজত কৃষিজীৱিসকলৰ আন্দোলন ঘাইকৈ বৃটিছ শাসনকালত পৰিলক্ষিত হৈছিল আৰু দেশৰ কৃষি ইতিহাসৰ এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল।

কৃষক আন্দোলন ঃ

উপনিৱেশিক শাসন কালছোৱাত ভাৰতীয় কৃষি ক্ষেত্ৰ প্ৰবলভাৱে দৰিদ্ৰতাৰ সন্মুখীন হোৱাৰ উপৰিও উচ্চ হাৰত ৰাজহ কৃষি ভুমিৰ বেদখল বা ধ্বংস আৰু বে-আইনী ৰাজহ ব্যৱস্থা আদিৰ দ্বাৰা শোচনীয় ভাৱে জুৰুলা হৈছিল। পিছত ১৯২৯ ৰ অৰ্থনৈতিক মন্দাৱস্থাই খেতিয়ক সকলৰ অৱস্থা অধিক জুৰুলা কৰিছিল। কৃষিজাত সামগ্ৰীৰ উৎপাদন মূল্য১৯৩২ চনৰ শেষলৈকে ৫০ শতাংশ অৱনমিত হৈছিল। পৰিণতিক্ৰমে, দেশৰ কৃষকসকলে কৃষি সংস্কাৰ, ভুমি ৰাজহ হ্ৰাস, ঋণ মুক্তিৰ বাবে অৰ্থ সাহায্য আৰু ঋণ দান আদিৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছিল আৰু এই কাৰ্য কৃষক বিদ্রোহ বা কৃষক আন্দোলন হিছাপে ভাৰতত পৰিণতিত হৈছিল।

ঐতিহাসিক ভাৱে কৃষক আন্দোলনক বহলাই তিনিটা ক্ৰম (phase)ত ভাগ কৰিব পাৰি। প্ৰথম ক্ৰমটোত ইয়াৰ বৈশিষ্ট্য হিচাপে ক'ব পাৰি যে এই সময়ত আন্দোলন আছিল নেতৃত্ববিহীন, দ্বিতীয় পৰ্যায় বা ক্ৰমত এই আন্দোলন সু- সংবদ্ধ আৰু কংগ্ৰেছ দলে এই আন্দোলনত সক্ৰিয় ভূমিকা লৈছিল আৰু তৃতীয় পৰ্যায়ত কৃষক সংঘসমূহৰ শ্ৰেণী সচেতনতা সৃষ্টি দেখা যায়। এই সময়ত কৃষক আন্দোলনসমূহৰ নেতৃত্বত আছিল দেশৰ জাতীয় সংগ্ৰামৰ মাজেৰে কৃষক সমস্যা সমাধানত আগ্ৰহী ব্যক্তিসকল।

কৃষকসকলৰ প্ৰতিৰোধ কাৰ্যসূচীক পাচধৰণে ভাগ কৰিব পাৰি—

(ক) দৃঢ় আৰু শক্তিশালী বিদ্রোহেৰে বৃটিছ সকলক ওফৰাই পূৰ্ৱৰ শাসক আৰু সামাজিক সমন্বয়সমূহ পুনঃস্থাপন।

(খ) এখন ঠাই বা কোনো নৃজাতীয় গোষ্ঠীৰ স্বাধীনতা আৰু তাৰ মাজৰে এখন সজাতীয় চৰকাৰ গঠনৰ উদ্দেশ্যে ধৰ্মীয় আন্দোলন।

(গ) সামাজিক উদ্ভাভালি, যিটো আইনৰ দৃষ্টিত ন্যায়সংগত নহয়।

(ঘ) আতংকবাদৰ মাধ্যমেৰে সমূহীয়া ন্যায়লাভৰ আশা।

(ঙ) সমূহীয়া বিদ্রোহৰ মাধ্যমেৰে এক নিৰ্দিষ্ট অভিযোগ শুধৰণিৰ চেষ্টা।

তালিকা —ভাৰতৰ মুখ্য কৃষক বিদ্রোহসমূহ বা আন্দোলনসমূহ ঃ

১৩.৫ নৱ সামাজিক আন্দোলনৰ উন্মেষণ

বৰ্তমান পৃথিৱীৰ সামাজিক আন্দোলনসমূহে আন্তৰ্জাতিক সম্বন্ধ, সামাজিক সম্বন্ধ, সংস্কৃতি তথা অৰ্থনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অবশ্যেই ১৯৬০ চনৰ পৰা সামাজিক আন্দোলনসমূহৰ প্ৰকৃতিত কিছুমান পৰিৱৰ্তন আহিছে। ব্যক্তি আৰু সমাজ বা ব্যক্তিগোটে তেওঁলোকৰ বৰ্তমান জীৱনৰ পৰিৱৰ্তন(সামাজিক , ৰাজনৈতিক, বা অৰ্থনৈতিক পৰিৱৰ্তন) বিচাৰি সামাজিক আন্দোলন আৰম্ভ কৰে। পৰিৱৰ্তিত সময় আৰু পৰিৱেশে প্ৰায়েই ব্যক্তিৰ আশা আৰু ইচ্ছাৰ পৰিৱৰ্তন ঘটায় আৰু সামাজিক আন্দোলনৰ প্ৰবৃত্তিৰ পৰিৱৰ্তন ঘটায়। পাৰস্পাৰিক সামাজিক আন্দোলনৰ তুলনাত এই নতুন সামাজিক আন্দোলনসমূহৰ প্ৰবৃত্তিগত প্ৰাথক্য আছে। এই উল্লেখনীয় পাৰ্থক্য হ'ল - বৰ্ত্তমান সময়ৰ সামাজিক আন্দোলনসমূহে অৰ্থনৈতিক সমস্যাৰ সলনি মানৱাধিকাৰ, জীৱন নিৰ্বাহৰ মান, আত্মবোধ আদি বিষয়ৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে।

সহজ ভাষাত, নতুন সামাজিক আন্দোলনসমূহে সংস্কৃতি, আত্ম পৰিচয়, ধ্যান ধাৰণা আৰু ৰাজনীতি আদি বিভিন্ন বিষয়ৰ ওপৰত সমূহীয়া প্ৰতিক্ৰিয়া গঠন কৰে। এইবোৰ মূলতে সামাজিক আৰু সাংস্কৃতিক প্ৰকৃতিৰ হয়। কেইটামান অতি গুৰুত্বপূৰ্ণ আৰু জনপ্ৰিয় সামাজিক আন্দোলনৰ মূল বিষয় হ'ল— যুদ্ধ বিৰোধী পৰিৱেশীয় নাৰীবাদী আৰু সমকামি অধিকাৰ এইধৰণৰ আন্দোলনসমূহে প্ৰায়ে ব্যক্তিক এক পৰিৱৰ্তিত জীৱন শৈলী গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। বহু লেখকে মত পোষণ কৰে যে, নতুন সামাজিক আন্দোলনসমূহ জন্মৰ কাৰণ হ'ল জ্ঞান আধাৰিত সমাজৰ বিকাশ আৰু এই সমাজৰ দ্বাৰা সামাজিক আৰু সাংস্কৃতিক সংস্কাৰৰ প্ৰচেষ্টা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সামাজিক আন্দোলন মানে কি?

প্ৰশ্ন নং ২ঃ সামাজিক আন্দোলনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

প্ৰশ্ন নং ৩ঃ ধৰ্মীয় সংস্কাৰ আন্দোলনৰ দুটা ঋণাত্মক দিশ উল্লেখ কৰক।

প্ৰশ্ন নং ৪ঃ পিছপৰা শ্ৰেণীৰ আন্দোলনৰ দুটা মূল উদ্দেশ্য উল্লেখ কৰক।

প্ৰশ্ন নং ৫ঃ দলিত আন্দোলনৰ দুটা প্ৰাথমিক লক্ষ্যণ উল্লেখ কৰক।

প্ৰশ্ন নং ৬ঃ কৃষি বা ভূমি সম্বন্ধিয় আন্দোলনৰ দুটা উদাহৰণ দিয়ক।

প্ৰশ্ন নং ৭ঃ ভাৰতৰ কেইগৰাকীমান সমাজ সংস্কাৰকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন নং ৮ঃ ভাৰতৰ কৃষক আন্দোলনৰ শ্ৰেণীসমূহ উল্লেখ কৰক ।

প্ৰশ্ন নং ৯ঃ নতুন বা নব্য সামাজিক আন্দোলন কি?



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক আন্দোলন হ'ল এক সমূহীয়া প্ৰচেষ্টা আৰু আন্দোলন যাৰ দ্বাৰা ব্যক্তিসকলে এক বিশেষ ধৰণৰ পৰিৱৰ্তনক বাধা দিব ইচ্ছা কৰে বা অন্য এক বিশেষ পৰিৱৰ্তন সমাজলৈ আনিব বিচাৰে।
- সামাজিক আন্দোলন উদ্ভৱৰ বহু কাৰণ আছে। সেইবোৰৰ কিছুমান হ'ল- সংস্কৃতিৰ প্ৰৱাহ, সামাজিক অন্যায় বা শোষন, সামাজিক উচ্ছৃশংখলতা উৎপীড়ন আৰু সৰ্বব্যাপী অসন্তুষ্টি আদি।
- সামাজিক আন্দোলনৰ পাঁচটা স্তৰ আছে — উদ্ভৱ, সন্মিলন, পদাধিকাৰী বা আমোলা তান্ত্ৰিকতা, পৰিণতি আৰু পতন।
- ভাৰতীয় সমাজীক সংস্কাৰমূলক আন্দোলনসমূহৰ মূল উদ্দেশ্য হ'ল আমাৰ পুৰণিকলীয়া ত্ৰুতিপূৰ্ণ ৰীতি-নীতি আৰু পৰস্পৰাসমূহৰ প্ৰচলণ বন্ধ কৰি আমাৰ উন্নতিৰ পথ প্ৰসস্থ কৰা।
- ধৰ্মীয় সংস্কাৰমূলক আন্দোলনসমূহৰ উদ্দেশ্যে হ'ল পুৰণি ভাৰতীয় ধৰ্মক আধুনিক সাঁচত ঢালি সমাজৰ নতুন চাম জনসাধাৰণৰ লগত উপযোগীকৈ ইয়াক প্ৰস্তুত কৰা।
- ভাৰতৰ পিছপৰা শ্ৰেণী আন্দোলন শ্ৰেণীব্যৱস্থাৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত আৰু ইয়াৰ দ্বাৰা এটা বিশেষ শ্ৰেণীৰ উন্নতিৰ লক্ষ্য লোৱা হয়।
- ভাৰতৰ দলিত আন্দোলনৰ জন্মৰ মূল কাৰণ হ'ল শতিকা জোৰা শোষন আৰু পৃথককৰণ। এটা বিশেষ শ্ৰেণীবাদ সমাজৰ শ্ৰেণী ব্যৱস্থাৰ অন্তৰ্গত স্তৰ বিন্যাসৰ নিম্নতম স্থানত অৱনমিত কৰাৰ ফলত এই শ্ৰেণীটোৰ অন্তৰ্গত ব্যক্তিৰ অন্তৰত ক্ষোভৰ সৃষ্টি হয়।
- ভাৰতৰ কৃষিখণ্ডত চলি অহা দখলদাৰী বা হস্তান্তৰকৰণ প্ৰক্ৰিয়াৰ ফলত কৃষি বা ভুমি আন্দোলন আৰম্ভ হৈছিল।
- বৃটিছ শাসকসকলৰ কিছুমান শোষণমূলক নীতি যেনে— উচ্চ কৰৰ হাৰ, কৃষি ভূমি বেদখল, অবৈধ কৰ আৰোপ আদি কৃষক আন্দোলনৰ মূল কাৰণ।



১৩.৭ অধিক জানিবলৈ

Ahuja, Ram (2003) Social Problems in India, Rawat Publications, New Delhi.

Chandra, Bipan (2009) History of Modern India, Orient Blackswan,

Delhi.

- Chandra, Bipan, Mridula Mukherjee and Aditya Mukherjee (2008) India Since Independence, Penguins Books India, Noida.
- Datta, K.K (1975) Social History of Modern India, Macmillan, New Delhi.
- Desai, A.R (1982) Peasant Struggles in India, Oxford University Press, Bombay.
- Sarkar, Sumit (1983) Modern India (1885-1947), Macmillan, New Delhi.
- Srinivas, M.N (1995) Social Change in Modern India, Orient Blackswan, Delhi.

১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলন হ'ল এক সমূহীয়াভাৱে প্রচেষ্টা আৰু এক সমূহীয়া আন্দোলন যাৰ দ্বাৰা ব্যক্তিসকলে এক বিশেষ ধৰণৰ সামাজিক পৰিবর্তনক বাধা দিব ইচ্ছা কৰে বা অন্য এক বিশেষ পৰিৱর্তন সমাজলৈ আনিব বিচাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক আন্দোলনৰ পাঁচটা স্তৰ আছে, সেই বোৰ হ'ল— উদ্ভৱ, সম্মিলন, পদাধিকাৰী বা আমোলা তান্ত্রিক, পৰিণতি আৰু পতন।

৩ নং প্রশ্নৰ উত্তৰ ঃ ধর্মীয় সংস্কাৰমূলক আন্দোলনৰ দুটা ঋণাত্মক দিশ হ'ল— প্রথমতে, এই আন্দোলনসমূহে মুঠ জনসাধাৰণৰ এটা সৰু অংশকে প্রভাৱত কৰিব পাৰে আৰু সেইটো অংশটো হ'ল চহৰাঞ্চলৰ মধ্য আৰু উচ্চ শ্রেণীৰ। দ্বিতীয় ধর্মীয় সংস্কাৰসকলৰ পশ্চাৎগামী মনোভাৱ আৰু শাস্ত্রীয় কর্তৃত্বৰ ওপৰত পূর্ণআস্থা।

৪ নং প্রশ্নৰ উত্তৰ ঃ পিছপৰা শ্রেণীৰ আন্দোলনৰ দুটা প্রধান বৈশিষ্ট্য হ'ল — (ক) শ্রেণী অন্তর্ভুক্ত প্রতিজন ব্যক্তিৰ অন্তৰত আত্মসন্মান ভাৱৰ সৃষ্টি। (খ) ব্রাহ্মণসকলৰ তুলনাত সমান বা বেছি সুবিধা বা ৰেহাই ভোগ।

৫ নং প্রশ্নৰ উত্তৰ ঃ দলিত আন্দোলনৰ দুটা প্রধান বৈশিষ্ট্য হ'ল - (ক) দলিত আন্দোলন অকল অর্থনৈতিক শোষন বা ৰাজনৈতিক দমনৰ বিৰুদ্ধে সংগ্রাম নহয়, বৰং সমাজত নিজকে অন্য শ্রেণীৰ ব্যক্তিৰ সহবাসিন্দা হিচাবে মান্যতা লাভ। (খ) প্রত্যেক দলিত আন্দোলনতেই বহুবোৰ সাদৃশ্য দেখা যায় যেনে - সমতাৰ কাৰণে উমৈহতীয়া প্রচেষ্টা আৰু ইচ্ছা, আত্ম সন্মানবোধ আৰু অস্পৃশ্যতাৰ বিৰুদ্ধে সহমত।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভূমি আন্দোলনৰ কেইটামান উদাহৰণ হ'ল - (১) নীল বিপ্লৱ (১৮৫৯-৬২), মপ্পিল্লা বিদ্রোহ (১৮৩৬- ১৯২১), দাক্ষিণাত্য বিদ্রোহ (১৮৭৫) আদি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজা ৰামমোহন ৰায়, স্বামী দয়ানন্দ সৰস্বতী, ঈস্বৰ চন্দ্ৰ বিদ্যাসাগৰ, জ্যোতিবা ফুলে, এনী বেচান্ত, বি. আৰ. আম্বেদকাৰ আদি।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষক প্ৰতিৰোধক পাচ শ্ৰেণীৰ ভাগ কৰিব পাৰি (১) মজবুতকৰণ বা দৃঢ়কৰণ (২) ধৰ্মীয় আন্দোলন (৩) সামাজিক দস্যুতা (৪) আতংকবাদী প্ৰতিশোধ (৫) গণ বিদ্ৰোহ।



১৩.৯ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (উত্তৰসমূহ ১৫০ শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ সামাজিক আন্দোলনৰ বিভিন্ন স্তৰসমূহ চমুকৈ বৰ্ণনা।

প্ৰশ্ন ২ ঃ পিছপৰা শ্ৰেণী আন্দোলন আৰু দলিত আন্দোলনৰ বিষয়ে চমুটোকা লিখা।

প্ৰশ্ন ৩ ঃ নব্য সামাজিক আন্দোলনৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ১৪ ঃ ভাৰতবৰ্ষৰ জাতীয় সংহতি

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ জাতীয় সংহতি - অর্থ আৰু সংজ্ঞা

১৪.৩.১ জাতীয় সংহতিৰ নিয়ম বা তত্ত্ব

১৪.৪ জাতীয় সংহতিৰ বিকাশৰ কাৰকসমূহ

১৪.৪.১ জাতীয় সংহতিৰ প্রসাৰণৰ মূল উপাদানসমূহ

১৪.৫ জাতীয় সংহতিৰ মহত্ব আৰু ইয়াৰ আৱশ্যকতা

১৪.৬ জাতীয় সংহতিৰ প্রত্যাহ্বানসমূহ

১৪.৭ ভাৰতবর্ষত জাতীয় সংহতি প্রাপ্তিৰ বাবে ল'ব লগা উপায়সমূহ

১৪.৮ সামৰণি- জাতীয় সংহতি দিৱস

অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধিক জানিবলৈ

অগ্রগতিৰ খতিয়ান

আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- জাতীয় সংহতিৰ ধাৰণা গঠন কৰিব পাৰিব
- জাতীয় সংহতিৰ প্রসাৰৰ ক্ষেত্রত মূল কাৰকসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- দেশ এখনৰ সার্বজনিক উন্নয়ণৰ ক্ষেত্রত জাতীয় সংহতিৰ গুৰুত্ব সম্বন্ধে জানিব পাৰিব
- জাতীয় সংহতি গঠনৰ ক্ষেত্রত থকা প্রত্যাহ্বানসমূহ চিনাক্ত কৰিব পাৰিব
- এই প্রত্যাহ্বানসমূহ সফলতাৰে অতিক্রম কৰিবলৈ লবলগা ব্যৱস্থা সমূহৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

ভাৰতবর্ষৰ এখন বৈচিত্র্যপূর্ণ দেশ য'ত বিভিন্ন জাতি-উপজাতি, ভিন্ন সংস্কৃতি, ভিন্ন ধর্মালম্বীলোকে বাস কৰি আহিছে। অতীজৰে পৰাই ভাৰতবাসীয়ে এই বিচিত্রতা আগ্রহেৰে আকোঁৱালি লৈ আহিছে আৰু ভাৰতীয় স্বাধীনতা সংগ্রামৰ মাজেৰে ভাৰতবাসীৰ এই সংহতি

প্ৰকাশ পাইছিল। বৰ্তমান ভাৰতবৰ্ষ পৃথিবীৰ দ্বিতীয় জনসংখ্যা বহুল ৰাষ্ট্ৰ। হিন্দু, ইছলাম, খ্ৰীষ্টান, জৈন আদি মুখ্য ধৰ্মালম্বীলোক ভাৰতবৰ্ষত বাস কৰি আহিছে। ১৭শতকৈ অধিক ভাষা আৰু উপভাষা, বিভিন্ন সংস্কৃতি, পৰম্পৰা আৰু ৰীতি-নীতিৰে পৰিপূৰ্ণ ভাৰত । এই বিভিন্নতাৰ সত্ত্বেও ভাৰতবৰ্ষ একক চৰকাৰ ব্যবস্থাৰ দ্বাৰা প্ৰকাসিত আৰু এক সংবিধানৰ নিয়মাৱলীৰে অনুশাসিত হৈ আহিছে। এই বিচিত্ৰতা আৰু ইয়াক আন্তৰিকতাৰে গ্ৰহণ অনৈক্যৰ মাজত ঐক্য ভাৱধাৰাৰে অনুপ্ৰাণিত আমাৰ পূৰ্বপুৰুষ সকলেও সংহতিৰ ৰক্ষা আৰু ইয়াৰ প্ৰসাৰত নিষ্ঠাবান আছিল। সেয়েহে প্ৰতিজন ভাৰতীয়ৰ পক্ষেই জাতীয় সংহতিৰ অৰ্থ আৰু ইয়াৰ মহত্ব সম্বন্ধে জ্ঞান থকাৰ উপৰিও সংহতিৰ বাটত থকা অন্তৰায়সমূহৰ বিষয়েও জ্ঞান থকা উচিত। আগৰ অধ্যায়ত শোষণ, নিপীড়ন আদিয়ে কেনেদৰে সামাজিক বিদ্ৰোহ বা আন্দোলনৰ সৃষ্টি আৰু সিয়েই সমাজিক অ-সংহতিৰ সৃষ্টি কৰে এই বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়ত আমি ভাৰতৰ জাতীয় সংহতি আৰু ইয়াক বৰ্তাই ৰখাৰ ক্ষেত্ৰত ল'ব লগা ব্যৱস্থাৰ বিষয়ে জানিব পাৰম।

১৪.৩ জাতীয় সংহতি - অৰ্থ আৰু সংজ্ঞা

জাতীয় সংহতি দুটা শব্দৰ সংমিশ্ৰণত সৃষ্টি হৈছে। বৃহৎ সংখ্যক ব্যক্তিৰ দ্বাৰা গঠিত এটা গোটেই হ'ল জাতি। ইতিহাস, সংস্কৃতি, ভাষা, ঐতিহ্য, ৰীতি-নিতি আদি কিছুমান উমৈহতীয়া বৈশিষ্ট্যই এই গোট বা ইয়াৰ অন্তৰ্গত ব্যক্তিসকলক একতাৰ ডোলেৰে বান্ধি ৰাখিছে। সেয়েহে ই এক সন্মিলিত সামাজিক, অৰ্থনৈতীক আৰু ৰাজনৈতিক সংৰচনা। আনহাতে, সংহতি হ'ল জাতিটোৰ অন্তৰ্গত বিভিন্ন গোটৰ মাজেৰে বুজাপৰা, সহানুভূতি আৰু ঐক্য মনোভাৱৰ সংমিশ্ৰণত গঢ়ি উঠা এক প্ৰক্ৰিয়া। সেয়েহে, সহজ ভাষাত, জাতীয় সংহতি এক ঐক্যভাৱৰ অনুভূতি, যিটোৱে দেশ এখনৰ জনসাধাৰণক জাতি এটালৈ ৰূপান্তৰিত কৰে। বিভিন্ন সমুদায়ৰ বা সম্প্ৰদায়ৰ, জাতি, ধৰ্ম, সংস্কৃতিৰ নিজস্বতা থাকিলেও সকলোৱে এক দেশবাসী হিচাপে নিজকে পৰিচয় দিয়ে। সেয়েহে আমি ক'ব পৰো যে এখন শক্তিশালী আৰু সমৃদ্ধিশালী ৰাষ্ট্ৰ গঢ়াৰ প্ৰথম চৰ্ত হ'ল জাতীয় সংহতি গঠন।

Dorothy Simson ৰ মতে, "জাতীয় সংহতি মানে, দেশৰ প্ৰতি ব্যক্তিৰ অন্তৰত এনে এক অনুভূতি জগাই তোলা যাৰ ফলত দেশবাসীয়ে সম্প্ৰদায়িক আনুগত্যতকৈ দেশৰ প্ৰতি আনুগত্যক আৰু উন্নতিক অধিক উচ্চ স্থান দিয়ে।"

Rasheedudin Khan ৰ মতে, "জাতীয় সংহতি হ'ল এক নিৰ্দিষ্ট গোটৰ প্ৰতি থকা আনুগত্যৰ বিভাজন ঘটাই তাক এক ৰাজনৈতিক সম্প্ৰদায় অৰ্থাৎ, জাতিৰ আনুগত্যৰ দ্বাৰা দমন কৰা।"

Benjamin এ কয় যে, "জাতীয় সংহতি হ'ল এখন দেশৰ সমূহ জনতাৰ এক সমূহীয়া পৰিচয়ৰ কাৰণে সন্মিলন।"

Weinerৰ মতে," জাতীয় সংহতি হ'ল সাংস্কৃতিক আৰু সামাজিকভাৱে বিচক্ষণ গোটসমূহক এক নিৰ্দিষ্ট ভূ-খণ্ডত সন্মিলিত কৰা আৰু জাতীয় পৰিচয় গঢ়ি তোলা।"

১৪.৩.১ জাতীয় সংহতিৰ নিয়ম বা তত্ত্বসমূহ

জাতীয় সংহতি গঠনৰ বাবে নিযুক্ত নিয়মসমূহ আৱশ্যকীয়—

- জাতি, ধর্ম, সম্প্রদায়, ভাষা, আদিৰে গঠিত গোষ্ঠীগত আনুগত্যক নেওচি জাতীয় আনুগত্যই প্রাধান্য পোৱা উচিত।
- বাৰেৰহনীয়া সাংস্কৃতিক বিচিত্রতা জাতীয় সংহতিৰ বিশাল ছত্রটোত অৱিহনা স্বৰূপ।
- সাংস্কৃতিক, সামাজিক আৰু ৰাজনৈতিক সংহতি জাতীয় সংহতিত সন্মিলিত হ'ব লাগে।
- বিভাজনমুখী আৰু সংহতিনাশক শক্তিসমূহক জাতীয় সংহতি প্রক্রিয়াই নাশ কৰিব লাগিব।
- ই সদায় এক বিবেকশীল ধাৰণা যেনে অনেকৰ মাজত একতা, ধর্ম - নিৰপেক্ষতা আৰু গণতন্ত্র ৰ দ্বাৰা প্রভাৱিত হয়।
- ৰাষ্ট্রীয় সংহতিয়ে বিচ্ছিন্নতাবাদী আৰু পৃথকতাবাদি শক্তিসমূহক নাশ কৰে।
- পাৰস্পৰিক বুজা-পৰা আৰু এৰা-ধৰা যিকোনো ৰাষ্ট্রৰে জাতীয় সংহতি লাভৰ জৰুৰী উপাদান।

১৪.৪ জাতীয় সংহতিৰ বিকাশৰ কাৰকসমূহ

১৭ শতিকাৰ আৰম্ভণিকালৰে পৰাই ভাৰতবৰ্ষৰ ব্রিটিছ সাম্রাজ্যবাদৰ শাসনৰ অধীনলৈ আহে। পিছৰ ২৫০ বছৰলৈকে ব্রিটিছ শাসকসকলে নিজৰ অর্থনৈতীক মুনাফা লাভৰ উদ্দেশ্যে ভাৰতবৰ্ষক শোষণ কৰি আহে। এই কাৰণতে ভাৰতৰ স্বাধীনতা সংগ্রামে জন্ম লাভ কৰে, যিটোক জাতীয়তাবাদ সৃষ্টিৰ প্রথম খোজ বুলি অভিহিত কৰিব পাৰি আৰু ইয়েই দেশত জাতীয় সংহতিৰ জন্ম দিয়ে। সাংস্কৃতিক আৰু ধর্মীয় ক্ষেত্রত বিভিন্নতা থাকিলেও ভাৰতীয় সমাজে দেশৰ এই দুর্দশাৰ সময়ত জাতীয় সংহতিৰ ক্ষেত্রত আন্তৰিকতাৰে যোগদান কৰে। স্বাধীনতা সংগ্রামৰ বাদেও অন্যকিছুমান কাৰণেও দেশৰ জাতীয় সংহতি গঠনত গুৰুত্বপূর্ণ কাৰবাৰ ভূমিকা গ্রহণ কৰে। এইবোৰ তলত আলোচনা কৰা হ'ল —

ঐতিহাসিক কাৰক ঃ ব্রিটিছ শাসকসকলে ভাৰতবৰ্ষত শাসনৰ পাতনি মেলাৰ আগতে, এই দেশ দেশীয় ৰাজ্য(Princely State) আৰু প্রাদেশিক ৰাজ্য (Pronincial State) হিচাপে বিভক্ত কৰি স্ব-প্রসাশনীয় ব্যৱস্থাৰ দ্বাৰা শাসন কৰা হৈছিল। ব্রিটিছ শাসকসকলে এখনৰ পিছত আনখনকৈ এই সকলো ভু-খণ্ডৰ প্রসাশনীয় অধিকাৰ একগোট কৰি নিজৰ হাতলৈ নিছিল। এই ব্যৱস্থা হ'ল ভাৰতীয় সংহতিৰ প্রথম খোজ, কিয়নো ইয়াৰ ফলত দেশখন একক ভূখণ্ড(one enity) হিচাপে ৰূপ পাইছিল। ইয়াৰ পিছত স্বাধীনতা সংগ্রামৰ পূর্ণতা প্রাপ্তিৰ লগে লগে আন্দোলনৰ নেতাসকলে জাতীয়তাবাদ সৃষ্টিৰ বাবে আৰু ব্রিটিছ শাসকৰ বিৰুদ্ধে একতা গঠনৰ বাবে শ্লোগান

ব্যৱহাৰ কৰিছিল। সেয়েহে আমি ক'ব পাৰো যে, আধুনিক ভাৰতৰ জাতীয় সংহতি দুটা প্ৰধান ঐতিহাসিক ঘটনাৰ ফলস্বৰূপে দৃঢ়মূল হয়, সেই কেইটা হ'ল - (১) ব্ৰিটিছ শাসন আৰু (২) ভাৰতৰ স্বাধীনতাৰ বাবে সংগ্ৰাম।

সামাজিক সাংস্কৃতিক কাৰকঃ বৈচিত্ৰতা ভাৰতীয় সমাজৰ এক অবিচ্ছেদ্য অংগ। অতীজৰে পৰাই ভাৰতীয় সমাজ বিভিন্ন জাতি, উপজাতি, ধৰ্ম, শ্ৰেণী আৰু ভাষা ভাষী গোটৰ সমাহাৰেৰে পূৰ্ণ। ইয়াৰ জনসাধাৰণে প্ৰয়োজন অনুসাৰে এই বিচিত্ৰতা সহানুভূতিৰে, এৰাধৰাৰ মনোবৃত্তিৰে আৰু ঐক্যভাৱে গ্ৰহণ কৰি আৰু এই বিছিত্ৰতাক উপভোগ কৰি পাৰস্পৰিক ভাতৃত্বভাৱেৰে বাস কৰি আহিছে। সেয়েহে এইটো ক'ব পাৰি যে, সন্মিলন ভাৰতীয় সমাজক আৰু সংস্কৃতিৰ এক উল্লেখোগ্য বৈশিষ্ট। এই সন্মিলনেই বিচিত্ৰতাৰ মাজত একতা ভাবৰ সৃষ্টি কৰে আৰু জাতীয়তবাদ আৰু জাতীয় সংহতিৰ বিকাশ আৰু সংবৰ্ধনতো অৰিহণা যোগায়।

ভাৰতীয় সংবিধান ঃ ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধানৰ কাৰ্যকৰী হয় আৰু অনেকটাৰ মাজত ঐক্য ধাৰণাৰ পোষকতা কৰে। ভাৰতীয় স্বাধীনতা যুদ্ধৰ সংগ্ৰামীসকলৰ বহুকলৰ দাবী আছিল ভাৰতবৰ্ষ নিজদেশৰ মানুহৰ দ্বাৰা শাসিত হ'ব লগে। ভাৰতীয় সংবিধান এই ধাৰণাৰে ফলশ্ৰুতি। স্বাধীনতা সংগ্ৰামৰ মূল উদ্দেশ্য অনুসৰি ভাৰতীয় সংবিধান সংহতি আৰু সমতা এই তত্বৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে, সংবিধানৰ বুনিয়াদি আধাৰ হিচাপে আমি ধৰ্মনিৰপেক্ষতা, সকলো নাগৰিকৰ প্ৰতি ন্যায় আৰু আইনৰ দৃষ্টিত সকলোৰে বাবে সমতা আদি আদৰ্শ দেখা পাওঁ। আমাৰ সংবিধানৰ মাজত দেখা পাওঁ দেশৰ সকলো ধৰণৰ বৈচিত্ৰ্যৰ প্ৰতি স্বীকৃতি। অৱশ্যে কোনো বিশেষ ধৰ্ম, ভাষা, জাতি প্ৰজাতিৰ প্ৰতি সুকীয়া আগ্ৰহ সংবিধানৰ মাজত দেখা নাযায়। এই উপাদান স্বাধীন ভাৰতৰ জাতীয় সংহতি আৰু জাতীয়তাবোধৰ বিকাশত বৰঙণি যোগাইছে।

ধৰ্মনিৰপেক্ষতা ঃ ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে বৃহৎ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। ভাৰতীয় ধৰ্ম নিৰপেক্ষতাৰ আৰ্হি মৌলিকভাৱে পশ্চিমীয়া ৰাষ্ট্ৰৰ তুলনাত পৃথক প্ৰকৃতিৰ। পশ্চিমীয়া ৰাষ্ট্ৰসমূহত, বিশেষকৈ ইউৰোপত ধৰ্মক ৰাষ্ট্ৰৰ কাৰ্যৰ পৰা সম্পূৰ্ণ নিলগাই ৰখা হৈছে। আনহাতে ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতাই সূচায় যে, ৰাষ্ট্ৰই কোনো বিশেষ ধৰ্মক অগ্ৰাধিকাৰ নিদিয়ে আৰু সকলো ধৰ্মকে সমমান্যতা প্ৰদান কৰে। ভাৰতীয় সংবিধানে ধৰ্মীয় স্বাধীনতাক এক মৌলিক অধিকাৰ হিচাপে সংবিধানত স্বীকৃতি দিছে আৰু ইয়েই ধৰ্মনিৰপেক্ষতাৰ ক্ষেত্ৰত থকা ৰাষ্ট্ৰৰ সদিচ্ছা ব্যক্ত কৰে। ইয়াৰ ফলত সকলো ধৰ্মই সমমান্যতা লাভ কৰিছে আৰু জনসাধাৰণত অন্তৰত সকলোধৰ্মৰ প্ৰতি শ্ৰদ্ধাৰ সৃষ্টি কৰিছে আৰু লগতে দেশৰ জনসাধাৰণে নিজ ধৰ্ম পালন কৰাৰ ক্ষেত্ৰতো স্বাধীনতা লাভ কৰিছে। এই ধৰ্ম স্বাধীনতা আৰু ধৰ্মনিৰপেক্ষতাই মানৱতাবোধ আৰু আধুনিকতাবাদৰ ক্ষেত্ৰত নতুন দৃষ্টিভংগীৰ জন্ম দিয়ে আৰু এনেকৈয়ে বিভিন্ন সমাজ আৰু সম্প্ৰদায় ঐক্যভাৱৰ বান্ধোনেৰে বান্ধ খাই পৰে। সেয়েহে আমি ক'ব পাৰো যে, ভাৰতীয় ধৰ্মনিৰপেক্ষ ভাৱধাৰাই ৰাষ্ট্ৰৰ সংহতি গঠনৰ বাবে আৱশ্যকীয় উপাদান হিচাপে অৰিহনা যোগায়।

১৪.৪.১ জাতীয় সংহতিত অৰিহনা যোগোৱা উপাদানসমূহ

ভাৰতীয় সমাজৰ প্ৰগতি আৰু ইয়াৰ শ্ৰী- বৃদ্ধিৰ কাৰণে, জাতীয় সংহতিৰ প্ৰতিপালন আৰু সংৰক্ষণ জৰুৰী। জাতীয় সংহতিৰ সুৰক্ষিত কৰিব লাগিলে নিৰ্দিষ্ট কিছুমান কথা বা নিয়ম পালন কৰাটো জৰুৰী। তলৰ তালিকাত জাতীয় সংহতিৰ বিকাশত অৰিহণা যোগোৱা কেইটামান উপাদানৰ বিষয়ে আলোচনা কৰা হৈছে।—

উপাদান	উদাহৰণ
জাতীয় প্ৰতীক	জাতীয় পতাকা, জাতীয় সংগীত আদি
সাম্মিলিত বিচাৰ ধাৰা	গণতন্ত্ৰ অধিগ্ৰহণ
ধৰ্মনিৰপেক্ষতা	ধৰ্মপালৰ স্বাধীনতা (ভাৰতৰ সংবিধানৰ ২৫-২৮ অনুচ্ছেদ)
সাংস্কৃতিক সংহতি	সাংস্কৃতিক অধিকাৰ (ভাৰতৰ সংবিধানৰ২৯ অনুচ্ছেদ)
অৰ্থনৈতিক উন্নতি	পঞ্চ বাৰ্ষিক অৰ্থনৈতিক পৰিকল্পনা, দৰিদ্ৰতা দূৰীকৰণ আঁচনি, যেনে MGNREGA
শিক্ষা	বিনামূলীয়া আৰু বৈধ্যতামূলক শিক্ষা (১৪ বছৰ বয়সলৈ)
ৰাজনৈতিক ব্যৱস্থা	সন্মিলিত চৰকাৰ গঠনৰ ব্যৱস্থা
প্ৰশাসনীয় ব্যৱস্থা	সৰ্বভাৰতীয় সেৱা
সমূহ	সামাজিক সংস্কাৰসাধন

১৪.৫ ভাৰতীয় সংহতিৰ মহত্ব আৰু ইয়াৰ আৱশ্যকতা

ইতিহাসৰ পুংখানুপুংখ অধ্যয়নে ভাৰতীয় সংহতিৰ এখন দুৰ্বল চিত্ৰ আমাক দেখুৱাইছে। অনৈক্য আৰু অসংহতিৰে জৰ্জৰিত হৈছিল বুলি ইতিহাসে কয়। ইয়াৰ ফলত দেশবাসীয়ে মৰ্যদাহীন হৈ অসম্মানিত হ'ব লগা হৈছিল। ইয়াৰ পাৰ্শ্ববৰ্তী সময়ত ভাৰতবৰ্ষ মোগলৰ দ্বাৰা পৰাস্ত হৈ অধীন হ'ব লগা হৈছিল আৰু তাৰপিছতো ব্ৰিটিছ শাসকসকলে দেশ অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। ব্ৰিটিছ শাসনৰ কালছোৱাত ভোগ কৰা দুৰ্দশা আৰু অত্যাচাৰে ভাৰতবাসীৰ অন্তৰত ভাৱ যোগাইছিল যে, যদিও সমাজ, সংস্কৃতি, ধৰ্ম, ভাষা, ভৌগোলিকতা আদিত বৈচিত্ৰ্য বিভিন্নতা আছে তথাপিও দেশবাসীৰ অন্তৰত জাতীয় সংহতিৰ অত্যন্ত প্ৰয়োজন আৰু এই জাতীয়বাদ অৰু জাতীয় সংহতিৰ শক্তিয়েই ভাৰতবাসীক বৃটিছ শাসনৰ পৰা মুক্ত হোৱাত সহায় কৰিছিল। স্বাধীনতাৰ পিচতো ভাৰতবৰ্ষৰ প্ৰত্যেক ৰজাই জাতীয় সংহতিৰ সুৰক্ষা আৰু সংবিধানত বিশেষ মহত্ব প্ৰদান কৰি আহিছে।

বৰ্তমান সময়ত, বিভিন্ন পাৰ্থক্য আৰু বিচিত্ৰতা থাকিললেও, ৰাজনৈতিকভাৱে ভাতবৰ্ষ

এখন যুক্তৰাষ্ট্ৰ, য'ত লোকসকল বিভিন্ন সংস্কৃতি, প্ৰজাতি, ভাষা আদিৰে পৰিৱেশিতহৈও পৰস্পৰে শান্তি-পূৰ্ণভাৱে আৰু শ্ৰদ্ধাসহকাৰে বসবাস কৰি আহিছে। জাতীয় সংহতি আন্তৰিকতাৰে গ্ৰহণ কৰিলেহে এনে পৰিস্থিতি সম্ভৱ আৰু এনে ব্যৱস্থাইহে ভাৰতবৰ্ষলৈ সুৰক্ষা আৰু উন্নতি কঢ়িয়াই আনিব পাৰিব। সেয়েহে, ৰাজনৈতিক সংহতিৰ লগতে দেশৰ উন্নতি আৰু বিকাশৰ বাবে মানসিক সংহতিৰও অতি প্ৰয়োজন। জাতীয় সংহতিৰ বিকাশৰ বাবে সহনশীলতা, সহযোগ আৰু ভাতৃত্ববোধৰ প্ৰযোজন। তেনেদৰে, জাতীয় সংহতি অবিহনে দেশবাসীৰ আশা-আকাংখা, উন্নতিৰ সম্ভাৱনাও আশা কৰিব নোৱাৰি। অনেকতাৰ মাজত ঐক্য, ধৰ্মনিৰপেক্ষতা, ন্যায় গণতন্ত্ৰ আদিৰ দৰে উপাদানসমূহ ভাৰতৰ প্ৰতিখন ৰাজ্যৰে আচনি আৰু জাতীয় সংহতিয়ে এই নীতিসমূহ পালনকেই বুজায়।

ভাৰতৰ বাবে জাতীয় সংহতিৰ মৰ্য্যাদা তলৰ কথা কেইটা মনকৰিলেই বুজিব পাৰিব-

- জাতীয় সংহতিয়ে ঐক্য আৰু অখণ্ডতা বৃদ্ধি কৰে আৰু ই-আমাৰ সংবিধানৰ বুনিয়াদী নীতি।
- এই জাতীয় সংহতিয়ে বৈচিত্ৰপূৰ্ণ প্ৰকৃতিৰ ভাৰতবৰ্ষত ঐক্য আৰু ভাতৃত্ববোধ বৃদ্ধি কৰে।
- ই দেশৰ অন্তঃভাগৰ বিভিন্ন অঞ্চলৰ মাজত থকা অশান্তি বা বিবাদ হ্ৰাস কৰে, যিটো দেশৰ সুৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ।
- আমাৰ দৈনন্দিন জীৱনতো বিভিন্ন শক্তি যেনে কোনো এক নিৰ্দিষ্ট অঞ্চলৰ প্ৰতি আমাৰ অধিক আকৰ্ষণ, নিৰ্দিষ্ট ধৰ্ম, ভাষা আৰু জাতিৰ প্ৰতি অধিক আকৰ্ষণে আমাক নিজ দেশৰ প্ৰতি প্ৰকৃত কৰ্তব্য পালনত বাধা দিয়ে। জাতীয় সংহতিৰ বৰ্তমানত এই অপশক্তিসমূহে আমাক নিজ দেশৰ প্ৰতি কৰ্তব্য পালনত বাধা দিব নোৱাৰে।
- ধৰ্মীয় সন্ধিত বা গোড়ামি, অন্ধবিশ্বাস , জাতিবাদ সাম্প্ৰদায়িকতা আদিয়ে ভাৰতীয় সমাজক পশ্চাদগামি কৰি তুলিছিল। সেয়েহে জাতীয় সংস্কৃতিৰ গুৰুত্ব এই অপশক্তিৰোধৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ।

১৪.৬ জাতীয় সংহতিৰ প্ৰত্যাহ্বানসমূহ

ভাৰতবৰ্ষক প্ৰগতিশীল আৰু উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰকৃত জাতীয় সংহতিৰ প্ৰাপ্তি অতি আৱশ্যকীয়। সেয়েহে ভাৰতৰাষ্ট্ৰ আৰু সমাজে সদায় সংহতিৰ বাবে গুৰুত্ব দি আহিছে। অৱশ্যে, ভাৰতীয় জাতীয় সংস্কৃতিত কিছুমান প্ৰতিবন্ধকে বাধাৰ সৃষ্টি কৰি আহিছে। সেইবোৰ হ'ল—

- **আঞ্চলিকতাবাদ আৰু সাংস্কৃতিক বিভিন্নতা ঃ** ভাৰতৰ সাংস্কৃতিক ক্ষেত্ৰত বিভিন্নতাৰে বৈশিষ্ট্যযুক্ত আৰু প্ৰায়েই লোকসকল তেওঁলোক বাস কৰা নিৰ্দিষ্ট এডোখৰ অঞ্চলৰ সাংস্কৃতিক পৰিচয়ৰ দ্বাৰা পৰিচিত হয়। বিভিন্ন সময়ত অঞ্চলিকতাবাদে ব্যক্তিসকলক আঞ্চলিক স্বাৰ্থৰ প্ৰতি আগ্ৰহী কৰি তোলে আৰু এনে সময়তে আঞ্চলিকতাবাদ জাতীয় সংহতি বাটত প্ৰতিবন্ধকৰূপে দেখা দিয়ে। আঞ্চলিকতাবাদৰ উন্মেষ আৰু ইয়াৰ ক্ষতিকৰ

প্রভাৱক উদাহৰণ ভাৰতীয় সমাজত বহুবাৰ দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে, ২০১৪ চনত তেলেংগানা ৰাজ্যৰ উদ্ভৱ, বড়োলেণ্ড সুকীয়া ৰাজ্যৰ দাবী। কেতিয়াবা আকৌ আঞ্চলিকতাবাদ যুক্তিযুক্ত হিচাপেও দেখা যায় কিয়নো এইক্ষেত্রত এটা নির্দিষ্ট অঞ্চলৰ কিছুমান সমস্যাৰ সমাধানৰ বাবে তাৰ জনসাধাৰণে দাবী জনায়। কিন্তু, প্রায়েই অঞ্চলিকতাবাদে ব্যক্তিক ৰাষ্ট্রৰ প্রতি উদাসীন হবলৈ উদ্‌গনি দিয়ে আৰু দেশৰ অন্যঞ্চলৰ প্রতি বিদ্বেষপূর্ণ মনোভাৱৰ সৃষ্টি কৰে। উগ্র অঞ্চলিকতাবাদ অতি ক্ষতিকৰ আৰু ই দেশত বিভেদ আৰু হিংসা পৰিৱেশ গঢ়ি তোলে।

- **জাতিবাদ আৰু সামাজিক বৈষম্য ঃ** জাতিবাদ ভাৰতীয় সমাজৰ এক বিশেষ বৈশিষ্টই এক বিভেদকামী শক্তি যিয়ে সমাজক ব্যক্তিৰ জন্মৰ ওপৰত ভিত্তি কৰি উচ্চ আৰু নীচ ভাগত বিভক্ত কৰে সেয়েহে আমি ক'ব পাৰো যে, অতীজৰে পৰাই ভাৰতৰ জাতীয় সংহতি লাভত জাতিবাদে প্রতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। বর্তমান সময়ত জাতিবাদে ভাৰতীয় ৰাজনীতি প্রৱেশ কৰিছে আৰু জাতিভিত্তিক ৰাজনৈতিক কার্য্যসূচীয়ে বিশেষ স্থান অধিকাৰ কৰিছে। দুর্ভাগ্যক্রমে ভাৰতীয় সংবিধানত ও জাতিবাদক উদ্‌গনি দিয়া দেখা যায়। কিয়নো, সংৰক্ষণ ব্যৱস্থা জাতিবাদৰ ওপৰত প্রতিষ্ঠিত, য'ত দুর্বল জাতিৰ ব্যক্তিসকলক বিশেষ সুবিধা প্রদান কৰা হৈছে। বর্তমান সময়ত এই সংৰক্ষণ ব্যৱস্থাই সমাজত এক বিশেষ অসমানতা আৰু সংঘর্ষৰ সৃষ্টি কৰিছে। সেয়েহে জাতিবাদক ৰাষ্ট্র গঠনৰ পথত এক প্রতিবন্ধক বুলি গণ্য কৰিব পাৰি।

  জাতিবাদৰ লগতে ভাৰতীয় সমাজৰ কিছুমান অন্য উপাদান সামাজিক স্তৰীকৰণৰ সৃষ্টি কৰিছে। যেনে— খাদ্য আৰু সেৱা সামগ্রীৰ অসমান বিতৰণ, ক্ষমতা, সুবিধা আৰু অধিকাৰৰ অসমান বিতৰণ আদি। সেয়েহে আমি ক'ব পাৰো যে, ভাৰতীয় সমাজ কিছুমান অসমান সামাজিক স্তৰ বিন্যাসেৰে গঠিত যত সমাজৰ এমুঠিমান বিশেষ ব্যক্তিৰ বাবে বিশেষ কিছুমান সামাজিক অধিকাৰ লভ্য আৰু ইয়েই জাতীয় সংহতিৰ বিকাশত হেঙাৰ হিচাপে ক্রিয়া কৰে।

- **সাম্প্রদায়িকতা ঃ** সাম্প্রদায়িকতা ভাৰতবর্ষৰ এক গম্ভীৰ সমস্যা আৰু জাতীয় সংহতি লাভৰ বাটত এই এক বৃহৎ প্রতিবন্ধক হিচাপে থিয় দিছে। সাম্প্রদায়িকতাই কোনো এক বিশেষ সম্প্রদায়ক বা ধর্মক অন্যতকৈ উচ্চস্থান আনকি দেশৰ স্বার্থতকৈ উচ্চস্থান দিয়াটোৱেই বুজাই। কোনো ব্যক্তিয়ে নিজ ধর্ম বা সম্প্রদায়ক অহেতুকভাৱে অধিক প্রাধান্য দি অন্য ধর্ম বা সম্প্রদায়ক অৱমাননা কৰিলে সাম্প্রদায়িকতা সমস্যাৰ সৃষ্টি হয়। সাম্প্রদায়িকতা সেয়েহে ঋণাত্মক দিশ যুক্ত শব্দ হিচাবে গণ্য কৰা হয় আৰু ই ক্ষতিকাৰক দিশটোৱে নির্দেশ কৰে। ধর্মীয় মৌলবাদ আৰু ধর্মান্ধতা এই সাম্প্রদায়িকতাৰে সৃষ্টি। ভাৰতত বাস কৰা ব্যক্তিসকলৰ মাজত পৃথিৱীৰ প্রায় সকলো মুলধর্মৰে সংমিশ্রণ আছে। সেয়েহে সাম্প্রদায়িকতা প্রায়েই জাতীয় সংহতি ক্ষেত্রত এক হেঙাৰ হিচাপে দেখা দিয়ে। বিভিন্ন সাম্প্রদায়িক সংঘর্ষই ইয়াৰ প্রমান। ১৯৪৬-৪৭ ৰ সময়ত ভাৰত বিভাজন, ১৯৮৪

চনৰ শিখ সাম্প্রদায়িক সংঘর্ষ, ১৯৯২ চনৰ হিন্দু মুছলমানসকলৰ বাবৰি মছজিদ ধ্বংসক উদ্দেইছে সংঘর্ষ আৰু ২০০২ গুজৰাট সংঘর্ষ এনে সংঘর্ষৰ উদাহৰণ। সেয়েহে ক'ব পাৰি যে ভাৰতীয় ধর্মনিৰপেক্ষতাৰ আর্হি "অনেকতাৰ মাজত একতা" এই মূল নীতিত সফলভাৱে উপনীত হ'ব পৰা নাই।

- **ভাষিকতা সমস্যা ঃ** ভাষিকতা বা ভাষিক সংবদ্ধতই এটা বিশেষ ভাষাৰ প্রতি অধিক পক্ষপাত সম্পন্নতাকে বুজায়। ভাৰতবর্ষৰ এখন বহু ভাষা-ভাষীৰ দেশ আৰু ইয়াত প্রায় ২০০০ ভাষা আৰু দোৱান আছে। স্বাধীনতাৰ সময়ৰে পৰাই ভাষিক সংঘাত দেশৰ বাবে এক উমৈহতীয়া সমস্যা হিচাপে দেখা দিছে। ব্যক্তিসকলে সদায় তেওঁলকৰ মাতৃভাষা আৰু সংস্কৃতিৰ মাজত এক যোগসূত্র স্থাপন কৰে। ভাষাই সংস্কৃতিক বহন কৰি এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ কঢ়িয়াই নিয়ে। সেয়েহে ভাষিক সংঘাট স্বাধীনতাৰ পিছৰে পৰা দেখা যায়। বিশেষকৈ জাতীয় ভাষা, চৰকাৰী ভাষা নির্ধাৰণ আৰু ভাষাভিত্তিক ৰাজ্য স্থাপন এই সমস্যাৰ মূল উদাহৰণ। সেয়েহে বর্তমান সময়ত ভাৰতবর্ষত ভাষিকতা শব্দই এক সমস্যা বহুল শব্দকে সূচায়। স্বাধীন ভাৰতত ভাষা সমস্যাৰ আৰম্ভণি হৈছিল দক্ষিণ ভাৰতৰ হিন্দী-বিদ্বেষী আন্দোলনৰ মাজৰে। হিন্দী ভাষাক জাতীয় ভাষা হিচাপে ঘোষণা কৰাটোক কেন্দ্র কৰি এই বিদ্বেষ আৰম্ভ হয়। পিছলৈও বহু ভাষাকেন্দ্রিক বিবাদৰ সৃষ্টি হয় আৰু ইয়াৰ মূল কাৰণ আছিল এটা বিশেষ ভাষাক সংবিধানৰ মাধ্যমেৰে চৰকাৰী স্বীকৃতি প্রদান। বর্তমান সময়তো ভাৰতীয় সংবিধানৰ দ্বাৰা স্বীকৃতি প্রাপ্ত ২২ ভাষা আছে যদিও ভাষাকেন্দ্রিক বিবাদৰ সৃষ্টি হৈয়েই আছে আৰু ভাৰতৰ বিভিন্ন আঞ্চলত এই ভাষা বিবাদৰ ছবি স্পষ্টকৈ দেখা যায়। এই ভাষা সমস্যাই ভাৰতৰ জাতীয় সংহতিতও বাধাৰ সৃষ্টি কৰিছে।
- **উগ্রবাদ ঃ** উগ্রবাদ জাতীয় সংহতিলৈ এক বৃহৎ প্রত্যাহ্বান। উগ্র বা হিংসাত্মক উপাই জনসাধাৰণৰ মনত ভয়ৰ সঞ্চাৰ কৰি নিজৰ স্বার্থ পূৰণৰ চেষ্টা কৰাৰ ফলত সমাজত উগ্রবাদৰ সৃষ্টি হয়। উগ্রবাদ প্রায়েই বঞ্চনা, শিক্ষাৰ অভাৱ, কর্মসংস্থান আৰু অন্য অর্থ-সামাজিক সমস্যা আৰু অসমান সামাজিক সুবিধা আদিৰ পৰা উদ্ভৱ হয়। বর্তমান সময়ত ভাৰতবর্ষ নক্সালবাদ, মাওবাদ আৰু অন্য কিচুমান সহস্র বিদ্রোহী দল যেনে NSCN, ULFA আৰু কিছুমান মৌলবাদী সংস্থাৰ উগ্রবাদৰ দ্বাৰা জর্জৰিত হৈ আহিছে। এই উগ্রবাদী শক্তিসমূহে আক্রান্ত অঞ্চলসমূহৰ শান্তি সম্প্রীতি বিঘ্নিত কৰি, ন্যায় ব্যৱস্তলৈ ভাবুকি কঢ়িয়ায় আনে। সেয়েহে উগ্রবাদৰ প্রচলনে জাতীয় সংহতিৰ পথ ৰুদ্ধ কৰে।
- **নৃগোষ্ঠীয় আৰু জনজাতিয় পৰিচয় ঃ** নৃগোষ্ঠীয় আৰু জনজাতি সকলৰ পৰিচয় আৰু মান্যতা প্রদান এই বিষয়টো প্রায়ই সমস্যা বহুলতাৰে আক্রান্ত হৈ থাকে আৰু জাতীয় সংহতিৰ বাবে ই প্রতিবন্ধক স্বৰূপ। ভাৰতৰ বিভিন্ন প্রান্তত সিচঁৰিত হৈ থকা বিভিন্ন সম্প্রদায় সমূহে ভাৰতীয় হিচাপে তেওঁলোকৰ স্বকীয় ভাষা আৰু সংস্কৃতিৰ বাবে অধিক সচেতন। ভাৰতীয় নাগৰিক হিচাপে বিবেচনা কৰিব যাওঁতে তেওঁলোক নিজস্ব ভাষা

সংস্কৃতিৰ বাবে অধিক পৰিচিত হৈ পৰে। আনহাতে, দেশৰ কিছুমান অঞ্চল বা সমাজৰ এটা বিশেষ অংশক দেশৰ অন্য সকলৰ দ্বাৰা হীন চকুৰে চোৱা হয়, কিয়নো সেই লোকসকল জনজাতি বুলি পৰিচিত হয়। এই ধৰণৰ নৃগোষ্ঠীয় অসমানতাই প্ৰায়েই নৃ-জাতীয়বাদ (ethno-nationalism) ৰ জন্ম হয়। য'ত এক বিশেষ নৃ-জাতিয়ে নিজৰ জাতিক ৰাষ্ট্ৰৰ উৰ্ধত স্থান দিয়ে। এই নৃ-জাতীয়বাদৰ প্ৰকাশ নৃ-জাতীয় বিদ্ৰোহৰ মাজত দেখা যায়। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ উত্তৰ পূব অঞ্চলত সংঘটিত বিদ্ৰোহাত্মক কাৰ্যকলাপ আৰু ইয়াৰ ফলত হোৱা ধ্বংসলীলা আৰু সংঘাট। সেয়েহে পৰিচয়ৰ ৰাজনীতি (Identity Polotics) ৰ লগত নৃ-জাতীয়তাবাদৰ সৃষ্টি হয় আৰু জাতীয় সংহতিৰও বিস্তৰ ক্ষতি সাধন হয়।

১৪.৭ জাতীয় সংহতিৰ বাবে ল'বলগা ব্যৱস্থাসমূহ

- ধৰ্মনিৰপেক্ষতা নীতিৰ উত্তৰণ ঃ ভাৰতবৰ্ষ পৃথিৱীৰ সবাতোকৈ বৃহৎ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। ভাৰতীয় সংবিধানে ইয়াৰ নাগৰিকসকলৰ বাবে ধৰ্ম পালনৰ স্বাধীনতা তেওঁলোকৰ বাবে মৌলিক অধিকাৰৰ ৰূপত প্ৰদান কৰিছে আৰু ইয়াৰ ফলত ধৰ্মনিৰপেক্ষতাও নিশ্চিত ৰূপত দেশত প্ৰচলন হৈছে। তথাপিও, দূৰ্ভাগ্যজনকভাৱে আমাৰ দেশ ধৰ্মনিৰপেক্ষতাৰ ক্ষেত্ৰত প্ৰচুৰভাৱে অসফল হৈছে। সৰ্বসাধাৰণ নাগৰিক আৰু ধৰ্মীয় অনুষ্ঠানসমূহে বিশেষকৈ ৰাজহুৱা ক্ৰিয়াসমূহৰ মাজেৰে চৰম ধৰ্মীয় গোড়ামী আৰু অ-সহনশীলতা প্ৰদৰ্শন কৰি আহিছে। ধৰ্ম পালনৰ স্থান, ৰাজহুৱা সন্মিলনৰ স্থান আদিৰ ক্ষেত্ৰতো এনে ধৰ্মীয় অসহিষ্ণুতা দেখা যায়। সেয়েহে, ধৰ্মনিৰপেক্ষতা আচলতে প্ৰতিজন নাগৰিকে অন্তৰেৰে গ্ৰহণ কৰি সকলো ধৰ্মৰ প্ৰতি সহনশীলতাভাৱ পোষণ কৰা উচিত। ইয়াৰ বাবে চৰকাৰে কিছুমান ব্যৱস্থা যেনে - চেমিনাৰ বা আলোচনা অনুষ্ঠান, শ্ৰব্য-দৃশ্য মাধ্যম আৰু অন্য গণ্য সংযোগৰ মাধ্যমৰ সহায় সাংস্কৃতিক বিনিময় সূচক অনুষ্ঠান আয়োজন আদি কৰে।
- **শিক্ষা ঃ** শিক্ষাই ব্যক্তি এজনক জ্ঞান, পৰিপক্কতা আৰু মানসিক শান্তি প্ৰদান কৰে। সেয়ে, জাতীয় সংহতিৰ বাবে শিক্ষা এক অপৰিহাৰ্য্য অংগ বুলি বিবেচিত হৈ আহিছে। ইয়াৰ বাবে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পূৰ্ণগঠন আৰু সু-বিন্নাসৰ লগতে ই ধৰ্মনিৰপেক্ষ নীতিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা অতি প্ৰয়োজন। শিক্ষাৰ পাঠ্যক্ৰম অতি সাৱধানে আৰু যোগাত্মকভাৱে সংগঠিত হোৱা প্ৰয়োজন। ই যাতে কোনো বিশেষ ধৰ্মৰ প্ৰতি অধিক আনুগত্য নেদেখুৱাই আৰু সাম্প্ৰদায়িকভাৱ প্ৰকট নকৰে আৰু কোমলমতীয়া শিক্ষাৰ্থীসকলক বিপক্ষে পৰিচালিত নকৰে তাৰ প্ৰতি সাৱধান হোৱা উচিত।
- **ৰাজনৈতিক নীতিসমূহৰ সংশোধন ঃ** ভাৰতীয় ৰাজনৈতিক নীতিসমূহৰ গুৰুত্বপূৰ্ণ উদ্দেশ্যসমূহৰ ভিতৰত জন কল্যাণ এটা। অৱশ্যে, বহুসময়ত এই নীতিসমূহ প্ৰয়োজনীয় গুৰুত্ব প্ৰদানৰ অভাৱত সমাজৰ সকলো পৰ্য্যায়লৈ বিস্তাৰ নহয় আৰু ফলত সমাজৰ বহুতো শ্ৰেণীৰ ব্যক্তিয়ে এই নীতিসমূহৰ কল্যানমূলক প্ৰভাৱৰ পৰা বঞ্চিত হ'ব লগা হয়।

সেয়েহে ৰাজনৈতিক নীতিসমূহ নির্ধাৰণ কৰোঁতে সম্বন্ধৰ সকলো শ্রেণীৰ ব্যক্তিয়ে ইয়াৰ সুফল পাব পৰাকৈ নির্ধাৰণ কৰিব লাগে আৰু সকলোৱে যাতে ইয়াৰ সুফল লাভ কৰিব পাৰে বঞ্চিত নহয় তাৰ প্রতি সজাগ হ'ব লাগে।

- **সহনশীলতা আৰু গ্রহণ ঃ** সহনশীলতা আৰু গ্রহণ বা স্বীকৃতি ধর্মনিৰপেক্ষতাৰ সহযোগী প্রক্রিয়া। ভাৰতবর্ষৰ বৈছিত্রপূর্ণ ধর্ম, সংস্কৃতি, জাতি, ভাষা, আদিয়ে ইয়াৰ সমাজক বিশেষ এক স্বকীয়তা প্রদান কৰিছে আৰু লগতে এইটোও অতি আৱশ্যকীয় যে ভাৰতবাসীৰ প্রত্যেকেই সহনশীলতা, গ্রহণক্ষমতাযুক্ত শ্রদ্ধাশীল হয়। ই বৈচিত্রতাক স্বকীয় কৰে। সহনশীলতা আৰু গ্রহণ ক্ষমতাৰ অবিহনে ব্যক্তিসকলে অন্যধর্ম, সংস্কৃতি, ৰীতি নীতিৰ প্রতি সন্মান দেখুৱাব নোৱাৰিব আৰু একেখন সমাজত বাস কৰিও প্রত্যেকৰ মাজত ঐক্যভাৱ নাথাকিব। সেয়েহে জাতীয় সংহতি লাভৰ বাবে সহনশীলতা, গ্রহণ আৰু বিভিন্নতাৰ প্রতি শ্রদ্ধাশীল আচৰণ নাগৰিকৰ অন্তৰত উন্মেষ কৰিবই লাগিব।
- **গণসংযোগ মাধ্যমৰ যথাযথ প্রয়োগ ঃ** গণসংযোগ মাধ্যামক গণতন্ত্রৰ চতুর্থ স্তম্ভ বুলি আখ্যা দিয়া হয়। জনসাধাৰণৰ ৰায় বা মন্তব্য প্রকাশ আৰু প্রসাৰৰ বাবে ই সদায় এক বিশেষ কার্যকৰী ব্যৱস্থাৰূপে পৰিগণিত হৈ আহিছে। সেয়েহে গণসংযোগ মধ্যমসমূহ ধর্মনিৰপেক্ষতা, সামাজিক ন্যায় আৰু জাতীয় সংহতিৰ ভাৱ জাগৰণ বাবে সক্রিয়ভাৱে আৰু আন্তৰিকতাৰে কাম কৰি যোৱা উচিত। গণ সংযোগমধ্যমে নিজৰ কর্ত্যব্যৰ পৰা আঁতৰি আহিলে আৰু সাম্প্রদায়িক ভাৱধাৰাক প্রশ্রয় দিলে জনসাধাৰণেও সম্প্রদায়কভাৱৰ দ্বাৰা প্রভাবিত হয় আৰু ৰাষ্ট্র বিৰোধী কার্য্যকলাপৰ দ্বাৰা সমাজক শান্তি আৰু আইন শৃংখলা বিনষ্ট হয়। সেয়েহে ধর্মনিৰপেক্ষতা আৰু জাতীয় সংহতিক গণসংযোগ মাধ্যমে সদায় অগ্রাধিকাৰ দিয়া উচিত।
- **সন্তুলিত উন্নয়ন ঃ** সমাজৰ সকলো ক্ষেত্রৰে সন্তুলিত উন্নয়নে ৰাষ্ট্র এখন মজবুত কৰি গঢ়ি তোলে। ৰাষ্ট্র এখনৰ বিভিন্ন অঞ্চলসমূহৰ মাজত আর্থিক প্রগতিৰ তাৰতম্য থাকিলে জনসাধাৰণৰ সকলো শ্রেণীৰ জনসাধাৰণে দেশৰ সর্বোচ্চ উন্নয়নৰ সুফল একেধৰণে লাভ কৰিলে জাতীয় সংহতি সম্ভৱ। আর্থিক প্রগতি, উন্নত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা, প্রয়োজনীয় শিক্ষা ব্যৱস্থাৰ উপলব্ধতা, কর্মসংস্থানৰ সুবিধা আদিয়ে জাতীয় সংহতিৰ বিকাশ আৰু স্থায়িত্ব নিশ্চিত কৰে।
- **ৰাষ্ট্র বিৰোধী শক্তিসমূহ প্রতিৰোধ ঃ** জাতীয় সংহতি লাভৰ ক্ষেত্রত ৰাষ্ট্র বিৰোধী শক্তিসমূহ আটাইতকৈ ডাঙৰ প্রতিবন্ধক। এই শক্তিসমূহে সদায় দেশৰ শান্তিপূর্ণ নীতি নিয়ম আৰু আদর্শ পালনলৈ ভাবুকি কঢ়িয়াই আনে। শোষণ, অর্থনৈতিক অনগ্রসৰতা, সামাজিক সমস্যাসমূহে এই ৰাষ্ট্র বিৰোধী শক্তিসমূহক জন্ম দিয়ে। জনসাধাৰণৰ মনত পৃথক বা বৈষম্য আৰু ৰাষ্ট্র বিৰোধী অনুভৱৰ জন্ম হয়। সেয়েহে ৰাষ্ট্র এখনৰ বাবে এই ৰাষ্ট্র বা দেশবিৰোধী শক্তিসমূহৰ উত্থান বিপদজনক আৰু ই দেশৰ সংহতি বিনাশ কৰে।

১৪.৮ সামৰণি-জাতীয় সংহতি দিৱস

জাতীয় সংহতি সাংস্কৃতিক বিচিত্রতাৰে ভৰপূৰ ভাৰতবৰ্ষৰ উমৈহতীয়া পৰিচয়। এই সংহতিয়ে দেশৰ অনেকতাৰ মাজত ঐক্য আৰু অখণ্ডতাক অৰিহণা যোগায়। দেশৰ স্বাধীনতাৰ পিছৰে পৰা ভাৰতবৰ্ষই এই ধাৰণাক গুৰুত্ব দি আহিছে আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ বাবে বহুবোৰ ব্যৱস্থাও হাতত লৈছে। অৱশ্যে প্রকৃতার্থত দেখা যায় যে সমাজৰ বিভিন্ন শাখাৰ লোকসকলৰ মাজত থকা ভুল বুজাবুজি আৰু সংকীর্ণতা সহজে আঁতৰাই পঠিয়াব নোৱাৰি। কিয়নো, সাম্প্রদায়িকতাবাদী পৃথকতাবাদী আৰু পন্থন্বেষী আদি বিভিন্ন অপশক্তি সমাজত সক্রিয় হৈ থাকে। কিন্তু ভাৰত চৰকাৰে সদায় জাতীয় সংহতিক অগ্রাধিকাৰ দি আহিছে, কিয়নো, জাতীয় সংহতি অবিহনে দেশৰ প্রকৃত আৰু সর্বাঙ্গীন মঙ্গল আৰু উন্নতি অসম্ভৱ। এনেকুৱা এক প্রচেষ্টাৰ পৰিণতি হ'ল২০১৩ চনৰ পৰা প্রতি নবেম্বৰ মাহৰ ১৯ তাৰিখে পালন কৰি অহা জাতীয় সংহতি দিৱস। ভাৰতৰ পূর্বৰ প্রধানমন্ত্রী ইন্দিৰা গান্ধীৰ জন্ম দিৱসৰ দিনা এই সংহতি দিৱস পালন কৰা হয়। সংহতি দিৱস পালনৰ মূল তাৎপর্য হ'ল জাতিৰ সকলো শ্রেণীৰ ব্যক্তিৰ মাজত প্রেম আৰু ঐক্য ভাৱৰ সম্প্রসাৰণ কৰা। জাতীয় সংহতি দিৱস উৎযাপনৰ অর্থে চৰকাৰে বহুতো কার্যসূচী আৰু অনুষ্ঠান পৰিচালনা কৰি আহিছে, সেইবোৰ হ'ল — জাতীয় সংহতি শিবিৰ, জাতীয় যুৱ মহৎসৱ, জাতীয় যুৱ শক্তি বঁটা, বিভিন্ন আলোচনা চক্র, সাংস্কৃতিক কার্যসূচী আদি। সমাজৰ বিভিন্ন স্তৰৰ পৰা আৰু অঞ্চলৰ পৰা অহা যুৱক যুবতিসকলৰ অংশ গ্রহণৰ মাজেৰে তেওঁলোকৰ পৰস্পৰৰ মাজত বিশ্বাস আৰু ভাতৃত্বৰ সম্পর্ক গঢ়ি উঠে। জাতিবাদ, সাম্প্রদায়িকতা আৰু অঞ্চলিকতাবাদ আদিৰ দৰে সামাজিক অপসক্তিসমূহৰ পৰা হ'ব পৰা সমস্যাসমূহৰ বিষয়ে এই অনুষ্ঠানসমূহৰ মাজেৰে জ্ঞাত কৰা হয়। শেষত ইয়াকে ক'ব পাৰি যে, ভাৰতৰ জাতীয় সংহতি ইয়াৰ প্রকৃত অর্থত উপলব্ধি হোৱাটো অতি জৰুৰী। ইয়াৰ বাসিন্দাসকলে নিজৰ ক্ষুদ্র ব্যক্তিগত স্বার্থ পৰিহাৰ কৰি দেশৰ বিশাল ঐতিহ্য আৰু বিভিন্নতাক আন্তৰিকতাৰে গ্রহণ কৰি দেশৰ প্রকৃত সংহতি লাভৰ প্রকৃত লক্ষ্যত উপনীত হোৱা উচিত।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং১ ঃ জাতীয় সংহতি মানে কি বুজা?

প্রশ্ন নং২ ঃ জাতীয় সংহতিৰ এটা সংজ্ঞা দিয়ক।

প্রশ্ন নং৩ ঃ জাতীয় সংহতিৰ চাৰিটা নিয়ম বা তত্ত্ব লিখক।

প্রশ্ন নং৪ ঃ জাতীয় সংহতিৰ বিকাশৰ বাবে প্রয়োজনীয় কেইটামান উপাদানৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন নং৫ ঃ জাতীয় সংহতি দিৱস কেতিয়া পালন কৰা হয়?

প্রশ্ন নং৬ ঃ জাতীয় সংহতি দিৱস কাৰ জন্মদিৱসৰ লগত সংগতি ৰাখি পালন কৰা হয়?

প্রশ্ন নং৭ ঃ জাতীয় সংহতি দিৱস পালনৰ মূল উদ্দেশ্য কি?



১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জাতীয় সংহতি হ'ল একক ভাৱৰ অনুভূতি আৰু ইয়েই বিভিন্ন গোটৰ মানুহক একগোট কৰি বান্ধি এখন ৰাষ্ট্ৰ গঠন কৰে।
- স্বাধীনতা সংগ্ৰামৰ বাদেও অন্য কিছুমান উপাদানেও ভাৰতৰ জাতীয় সংহতি গঠনৰ বৰঙণি যোগাইছে। যেনে— ঐতিহাসিক, সামাজিক সংস্কৃতিক, ভাৰতৰ জাতীয় সংবিধান, ধৰ্মনিৰেক্ষতা আদি।
- জাতীয় সংহতি বিকাশৰ বাবে কিছুমান উপাদান জৰুৰী যেনে— জাতীয় প্ৰতীক সন্মিলিত আদৰ্শবাদ সাংস্কৃতিক সংহতি অৰ্থনৈতিক উন্নতি শিক্ষা আদি।
- ভাৰতবৰ্ষ ঐতিহাসিভাৱে অনৈক্য আৰু অসংহতিৰে অৱনমিত হৈছিল আৰু তাৰ ফলস্বৰূপে মোগলসকলে আৰু পিছৰকালৰ ব্ৰিটিছসকলে এই দেশ অধিকাৰ কৰি আমাক অধীন কৰি ৰাখিছিল।
- ব্ৰিটিছ শাসনকালত ভোগ কৰা চৰম দুৰ্দশাই আমাৰ দেশবাসীক জ্ঞান দিছিল যে, ভাৰতৰ দৰে এখন বিভিন্নতাৰে পূৰ্ণ দেশ য'ত সংস্কৃতি, ধৰ্ম, ভাষা আৰু ভৌগোলিক পটভূমি বৈচিত্ৰপুৰ্ণ ইয়াত জাতীয় সংহতি অতি আৱশ্যকীয়।
- এই সকলো বিভিন্নতা সত্ত্বেও ভাৰতবৰ্ষ একক ৰাজনৈতিক সত্তা অৰ্থাৎ ৰাষ্ট্ৰ ব্যৱস্থাৰ দ্বাৰা যুক্ত আৰু বিভিন্ন সংস্কৃতি জাতি ধৰ্ম আৰু ভাষিকতা সত্ত্বেও ইয়াৰ জনসাধাৰণে শান্তিপূৰ্ণ ভাৱে আৰু পৰস্পৰৰ মাজত শ্ৰদ্ধাৰে বাস কৰি আহিছে।
- ৰাজনৈতিক সংহতি লগতে মানসিক সংহতি আৰু জাতীয় সংহতি ভাৰতৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে অতি প্ৰয়োজন।
- সংহাতিয়ে আমাক অনেকতাৰ মাজত ঐক্য ধৰ্মনিৰপেক্ষতা ন্যায় আৰু গণতন্ত্ৰ আদিৰ দৰে নীতিসমূহৰ হৃদয়ঙ্গম কৰিবলৈ শিকায়।
- অঞ্চলিকতাবাদ সাংস্কৃতিক পৰিচয় জাতিবাদ সামাজিক অসমানতা সাম্প্ৰদায়িক ভাষিকতা উগ্ৰবাদ নৃগোষ্ঠীয় পৰিচয় আদি বহুতো প্ৰতিবন্ধকে ভাৰতৰ জাতীয় সংহতি বিঘ্নিত কৰি আহিছে।
- ভাৰতৰ জাতীয় সংহতিৰ বিকাশত থকা প্ৰতিবন্ধকবোৰ আঁতৰাই সংহতি লাভৰ উদ্দেশ্যে বহুতো ব্যৱস্থা হাতত লোৱা হৈছে। সেইবোৰ হ'ল — ধৰ্মনিৰপেক্ষতাবাদৰ উত্তৰণ, শিক্ষা, ৰাজনৈতিক নীতিসমূহৰ সংস্কাৰসাধন, সহনশীলতা আৰু গ্ৰহণযোগ্য গণ সংগোগ মাধ্যমসমূহৰ উচিত ব্যৱস্থা সঞ্চালিত উন্নয়ন ৰাষ্ট্ৰ বিৰোধী শক্তিসমূহৰ বিনাশ আদি।
- ভাৰতৰ চৰকাৰে সদায় জাতীয় সংস্কৃতিৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে কিয়নো জাতীয় সংস্কৃতি অবিহনে দেশৰ প্ৰকৃত উন্নয়ন অসম্ভৱ।

- ভাৰতৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি২০১৩ চনৰ ১৯ নৱেম্বৰৰ দিনটোত জাতীয় সংহতি দিৱস হিচাপে পালন কৰা হয়।
- জাতীয় সংহতি দিৱসৰ মূল উদ্দেশ্য হ'ল দেশবাসীৰ অন্তৰত প্ৰেম আৰু ভাতৃত্বভাৱৰ উন্মেষ।
- বিভিন্ন সামাজিক বৰ্গ অঞ্চল আৰু ধৰ্মৰ যুৱক-যুৱতীসকলক এই সংহতি দিৱসত যোগদানৰ বাবে উৎসাহিত কৰা হয়।
- ব্যক্তিয়ে নিজৰ ক্ষুদ্ৰ ব্যক্তিগত স্বাৰ্থ পৰিহাৰ কৰি জাতীয় সংহতি লাভৰ উদ্দেশ্যে দেশৰ বিভিন্নতা আৰু বিচিত্ৰতাক আন্তৰিকতাৰে আদৰি লোৱা উচিত।

১৪.১০ অধিক জানিবলৈ

- Ahuja, Ram (2003) Social Problems in India, Rawat Publications, New Delhi
- Chandra, Bipan (2009) History of Modern India, Orient Blackswan, Delhi.
- Datta, K.K (1975) Social History of Modern India, Macmillan, New Delhi.
- Desai, A.R (1982) Peasant Struggles in India, Oxford University Press, Bombay.
- Sarkar, Sumit (1983) Modern India (1885-1947), Macmillan, New Delhi.
- Srinivas, M.N (1995) Social Change in Modern India, Orient Blackswan, Delhi.

১৪.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সহজ ভাষাত জাতীয় সংহতি হ'ল ঐক্যভাৱৰ অনুভূতি আৰু ইয়েই দেশৰ ব্যক্তিসকলৰ একগোট কৰি একজাতি গঢ়ি তোলে। বিভিন্ন সম্প্ৰদায়, জাতি, ধৰ্ম, সংস্কৃতি, অঞ্চলৰ বিভিন্নতা পৰিহাৰ কৰি ব্যক্তিসকলে উমৈহতীয়াভাৱৰ দ্বাৰা অনুপ্ৰাণিত হয়। জাতিয় সংহতি শব্দটো দুটা শব্দৰ সংমিশ্ৰিত ফল। এটা জাতি হ'ল, বৃহৎ সংখ্যক ব্যক্তিৰ দ্বাৰা গঠিত গোট আৰু এই ব্যক্তিসকলক ইতিহাস, সংস্কৃতি, ভাষা, ঐতিহ্য, ৰীতি নীতি আদি কিছুমান উমৈহতীয়া বৈশিষ্ট্যৰে সংযুক্ত। সেয়েহে ইয়াক এক সংযুক্ত সামাজিক অৰ্থনৈতীক আৰু ৰাজনৈতিক সংৰচনা বুলি কোৱা হয়। সংহতি আনহাতে বিভিন্ন গোটৰ ব্যক্তিৰ মাজত ঘটা ঐক্যভাৱ আৰু সমন্বয় প্ৰক্ৰিয়া।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বেঞ্জামিনৰ মতে জাতীয় সংহতি হ'ল এখন দেশৰ সমূহ জনতাৰ এক উমৈহতীয়া পৰিচয়ৰ কাৰণে সন্মিলন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জাতীয় সংহতিৰ চাৰিটা নীতি হ'ল —

☯🗁☸ জাতি, ধৰ্ম, সম্প্ৰদায় ভাষা আদিৰে গঠিত গোষ্ঠীগত অনুজ্ঞত্যক নেওচি জাতীয় আনুগত্যই প্ৰাধান্য পোৱা উচিত।

☯🗎☸ বাৰে বাৰে বণিয়া সাংস্কৃতিক বিচিত্ৰতা জাতীয় সংহতিৰ বিশাল ছত্ৰটোত অৰিহণা স্বৰূপ।

☯🗏☸ সাংস্কৃতিক সামাজিক আৰু ৰাজনৈতিক সংহতি জাতীয় সংহতিত সন্মিলিত হ'ব লাগে।

☯🗐☸ বিভাজন মুখি আৰু সংহতি নাশক শক্তিসমূহক জাতীয় সংহতি প্ৰক্ৰিয়াই নাশ কৰিব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জাতীয় সংহতিৰ বিকাশৰ বাবে ব্যৱহৃত বিভিন্ন উপাদান সমুহ হ'ল জাতীয় প্ৰতীক, যেনে (জাতীয় পতাকা, জাতীয় সংগীত আদি) সংঘবদ্ধ বিচাৰ ধৰা, যেনে (গণতন্ত্ৰ প্ৰতিস্থা) ধৰ্মনিৰপেক্ষতা ভাৰতীয় সংবিধানত ধৰ্মৰ অধিকাৰৰ ব্যৱস্থাপনা সাংস্কৃতিক সমন্বয়, যেনে (সংবিধানত সাংস্কৃতিক স্বাধীনতাৰ ব্যৱস্থাপনা) অৰ্থনৈতিক বিকাশ, যেনে (পঞ্চবাৰ্ষিক পৰিকল্পনা) আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতি বছৰৰ ১৯নৱেম্বৰৰ দিনা জাতীয় সংহতি দিৱস পালন কৰা হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰত বৰ্ষত ভুৎপূৰ্ব প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম দিৱসৰ দিনটো জাতীয় সংহতি দিৱস হিচাপে পালন কৰা হয়।



১৪.১২ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ জাতীয় সংহতিৰ ধাৰণাৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ জাতীয় সংহতিৰ মহত্ব আৰু ইয়াৰ আৱশ্যকতা সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ জাতীয় সংহতি দিৱসৰ বিষয়ে চমুটোকা এটি লিখক আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা আলোচনা কৰক।

(খ) দীঘলীয়া প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ জাতীয় সংহতিৰ বিকাশৰ বাবে আৱশ্যকীয় উপাদানসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ জাতীয় সংহতি লাভৰ মূল প্ৰতিবন্ধকসমূহ কি কি?

প্ৰশ্ন ৩ ঃ জাতীয় সংহতি ক্ষতি কৰিব পৰা সমস্যাসমূহৰ সমাধানৰ উপাই সমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ সাম্প্রদায়িকতা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ ধাৰণা আৰু সংজ্ঞা
১৫.৪ ভাৰতবৰ্ষত সাম্প্রদায়িক হিংসা আৰু আন্দোলন সংঘৰ্ষ
১৫.৫ তাত্ত্বীক দৃষ্টিকোণ
১৫.৬ সাম্প্রদায়িকতা উত্থানৰ কাৰণসমূহ
১৫.৭ সাম্প্রদায়িকতা নিবাৰণ-ধৰ্মনিৰপেক্ষ ইয়াৰ উপায়নে?
অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
অধিক জানিবলৈ
অগ্রগতিৰ খতিয়ান
আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সাম্প্রদায়িকতাৰ ধাৰণা গঠন কৰিব পাৰিব
- সাম্প্রদায়িক হিংসা আৰু সংঘৰ্ষৰ কাৰণসমূহ আলোচনা কৰিব পাৰিব
- সাম্প্রদায়িকতা নিবাৰণৰ উপায় হিচাপে ধৰ্মনিৰপেক্ষতা গ্রহণৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

প্রতিজন ব্যক্তিয়ে জন্ম লগ্নৰে পৰাই নিৰ্দ্দিষ্ট কিছুমান পৰিচয় বহন কৰে আৰু তেওঁৰ লিংগ, জাতি, প্রজাতি, শ্রেণী, বর্ণ আদিয়ে এই সুকীয়া পৰিচয়ৰ কাৰক। ধৰ্ম এনে এক পৰিচয়। অতীজৰে পৰাই ধৰ্ম আমাৰ সমাজ আৰু সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। প্রতিটো মানৰ সভ্যতা কিছুমান ধৰ্ম সম্বন্ধীয় ৰীতি-নীতি আৰু ঐতিহ্যৰ জন্মৰ লগত জড়িত আৰু ইয়াৰ প্রচলন আজিও চলি আছে। যোগাত্মক দিশত চালে ধৰ্মই একতা আৰু ভ্রাতৃত্ববোধ বৃদ্ধি কৰে, কিন্তু প্রায়েই দেখা যায় সমাজে ইয়াৰ ঋণাত্মক দিশটোৰ দ্বাৰাহে বেছিকৈ ক্ষতিগ্রস্ত হয়, কিয়নো সাম্প্রদায়িক হিংসা আৰু সংঘৰ্ষ পৃথিৱীজুৰি বিয়পী পৰা এক সামাজিক ব্যাধি। আগৰ অধ্যায়ত ইতিমধ্যে আমি সাম্প্রদায়িকতাৰ কু- প্রভাৱত জাতীয় সংহতি কেনেদৰে বিনষ্ট হ'ব পাৰে তাক অধ্যয়ন কৰিলো। এই অধ্যায়ত আমি সাম্প্রদায়িকতাৰ বিষয়ে অধ্যয়ন কৰাৰ লগতে তাত্বিক দিশৰ পৰাও

সাম্প্রদায়িকতা অধ্যয়ন কৰিম। লগতে এই সমস্যা সৃষ্টিৰ কাৰণ আৰু তাৰ সমাধানৰ বিষয়েও আলোচনা কৰিম।

১৫.৩ ধাৰণা আৰু সংজ্ঞা

সাম্প্রদায়িকতা মিছা বা অন্ধ বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত এক বিচাৰ ধাৰা। এই বিচাৰধাৰাই সমাজক কিছুমান ধর্মীয় সম্প্রদায় বা গোটত ভাগ কৰে, যিবোৰৰ পৰস্পৰ বিৰোধী কিছুমান বিচাৰ ধাৰা থাকে। এটা সম্প্রদায় বা ধর্মৰ লোকৰ আন এটা সম্প্রদায় বা ধর্মালম্বী লোকৰ প্রতি থকা বিৰূপ মনোভাৱ আৰু প্রতিদ্বন্দিতাকে সাম্প্রদায়িকতা শব্দৰে বুজোৱা হয়। এই সাম্প্রদায়িক প্রতিদ্বন্দ্বিতাত এটা পক্ষৰ লোকৰ দ্বাৰা আনটো পক্ষৰ লোকক অর্থহীন বা মিছা উপায়ে সমালোচনা কৰা, আঘাত দিয়া আৰু অপমান কৰা কার্যলৈ ৰূপান্তৰিত হয়। এই বৈৰীতাৰ বাবে আনকি লুট-পাত, হত্যা, অগ্নি-সংযোগ কৰি ঘৰ- দুৱাৰ ধ্বংস কৰি অন্য সম্প্রদায়ৰ অনিষ্ট সাধন কৰা হয়। সাম্প্রদায়িক ভাৱ সম্পন্ন ব্যক্তিসকল সাধাৰণতে ধর্মৰ আশ্রয়ত পালিত ৰাজনীতিৰ লগত জড়িত হৈ থাকে। সাম্প্রদায়িকতাৰ ধাৰণা গঠনৰ সময়তে দৃষ্টিগোচৰ হয় যে, ধর্মীয় বিভাজন ইয়াৰ মূল আধাৰ যিয়ে এটা সম্প্রদায়ক আন এটাৰ পৰা বিভাজিত কৰে। সাম্প্রদায়িক শক্তিৰ প্রাথমিক ক্রিয়া হিচাপে সাম্প্রদায়িক ধাৰণা আৰু চিন্তাৰ গতি বিয়পাই দিয়ে। সাম্প্রদায়িকতা ৰাজনৈতিক, ধর্মীয় আৰু অর্থনৈতিক দিশসমূহৰ মাজেৰে প্রকট হ'ব পাৰে। সাম্প্রদায়িকতা এক বিশ্বাসৰ ওপৰত আধাৰত প্রক্রিয়া যাৰ দ্বাৰা সমাজ এখনক ৰূপ দিব বিচৰা হয় আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই দেশৰ ৰাজনৈতিকতাও প্রতিষ্ঠা কৰিব বিচৰা হয়।

Merriam Webster আভিধান মতে, সাম্প্রদায়িকতা হ'ল- ধর্মীয় বা নৃ-জাতীয় সমন্বৰ ওপৰত ভিত্তি কৰি গঠিত সামাজিক, ৰাজনৈতিক গোট এটাৰ প্রতি আনুগত্য।

Bipin Chandra ৰ মতে, সাম্প্রদায়িকতা হ'ল - এক বিশ্বাস য'ত এটা ব্যক্তিৰ গোটে এক বিশেষ ধর্ম পালন কৰে আৰু যাৰ ফলত একধৰণৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক অভিৰুচিৰ সৃষ্টি হয়।

Manshardt মত শোষণ কৰে যে, সাম্প্রদায়িকতা হ'ল এক মনোভাৱ বা মানসিকতা আৰু ইয়াৰ অন্তৰালত বহুদিনৰ পৰা চলি অহা ৰীতি-নীতি আৰু বহুবংশৰ পক্ষপাত যুক্ত হৈ থাকে।

১৫.৪ তাত্ত্বীক দৃষ্টিকোণ

সাম্প্রদায়িকতাৰ তাত্ত্বীক দৃষ্টিকোণ অধ্যয়ন কৰোঁতে নিম্নিলিখিত মূল কেইটাৰ সহায় লোৱা হয় যেনে উপনিৱেশিক, জাতীয়বাদী, মার্ক্সবাদী ৰচনাত্মক আৰু আধুনিকতাবাদ বিৰোধী। সাম্প্রদায়িকতাবাদৰ বিভিন্ন তত্ত্বৰ বিভক্তীকৰণে এই তত্বসমূহৰ পৰস্পৰৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যৰ বিষয়ে জ্ঞান দিয়ে—

- **উপনিৱেশিক দৃষ্টিকোণ ঃ** সাম্প্রদায়িক শব্দৰ ব্যৱহাৰ প্ৰথম বৃটিছ উপনিৱেশিকসকলে আৰম্ভ কৰিছিল। ভাৰত আৰু মালয়েছিয়া আদিৰ দৰে উপনিৱেশৰ স্থান বৰ্ণনাৰ কাৰণে তেওঁলোকে এই শব্দ ব্যৱহাৰ কৰিছিল। এই দেশসমূহত থকা ধৰ্মীয় সংখ্যালঘুৰ লগতে ধৰ্মীয় সংখ্যা গুৰু বিশিষ্ট ব্যক্তিক বুজাবলৈ এই শব্দ ব্যৱহাৰ কৰিছিল। অৱশ্যে 'সাম্প্রদায়িক' শব্দৰ এই ব্যৱহাৰে ধৰ্মান্ধতা, বিভাজন আৰু সংকীৰ্ণতাৰ এক ঋণাত্মক অৰ্থহে দিছিল। অন্য এক ভাষাত বৃটিছ সাম্ৰাজ্যবাদ অভিযানৰ সমৰ্থনহে কৰিছিল সাম্প্রদায়িক শব্দই। প্ৰথমবাৰৰ বাবে সাম্প্রদায়িক তাৰ ওপৰত লিখা প্ৰবন্ধ আছিল সাম্প্রদায়িক শত্ৰুতাৰ আৰম্ভণি আৰু প্ৰসাৰ আৰু 'Hugh McPhrson' নামৰ বৃটিছ উপনিৱেশিক এগৰাকী আছিল ইয়াৰ লিখক। তেওঁ মতপোষণ কৰিছিল যে ধৰ্ম নিৰ্ভৰ সাম্প্রদায়িক মতভেদক ৰাজনৈতিক কিছুমান কাৰকে অধিক প্ৰৱল কৰি তুলিছিল। পিছত তেওঁ কৈছিল যে, হিন্দু-মুছলমান সকলৰ মতভেদৰ কাৰণ আছিল অতীজৰ মুছলমানসকলৰ ভাৰত আক্ৰমণ আৰু হিন্দুসকলে ইয়াৰ বাবে মুছলমান সকলৰ ওপৰত ঘৃণা ভাৰ পোষণ কৰিছিল। মুছলমানসকলে আকৌ ধৰ্মৰ ওপৰত ভিত্তি কৰি হিন্দু সকলক তিৰস্কাৰ কৰিছিল আৰু পূৰ্বৰ ৰাজনৈতিক শ্ৰেষ্ঠতাইও তেওঁলোকক অহংকাৰী কৰিছিল।

  Manshardt আৰু Smith সাম্প্রদায়িকতা সন্দৰ্ভত বিশেষ অভিজ্ঞ দুগৰাকী লেখক। ভাৰতৰ 'হিন্দু - মুছলমান সমস্যা প্ৰৱন্ধত Manshardt এ লিখিছে— সাম্প্রদায়িকতা ভাৰতীয় লোকৰ 'ধাৰ্মীকতা'ৰ দ্বাৰা সৃষ্ট, কিন্তু, এই সমস্যা তীব্ৰভাৱে প্ৰকট কৰিছিল বৃটিছ সাম্ৰাজ্যবাদী ৰাজনৈতিক নীতিয়ে। Smithৰ লিখনীত ও কম-বেছি পৰিমাণে Manshardt ৰ মতবাদৰ সাদৃশ্য আছিল। Smithএ বৰ্ণনা কৰিছিল যে কুৰি শতিকালৈ সাম্প্রদায়িকতা বিশেষ তীব্ৰ বা শক্তিশালী নাছিল কিন্তু বৃটিছ সাম্ৰাজ্যবাদৰ পুঁজিবাদী আৰু ৰাজনৈতিক শক্তিয়ে ইয়াক তীব্ৰতৰ কৰি তোলে। ফলস্বৰূপে সাম্প্রদায়িকতা সকলো উপনিৱেশিক অঞ্চলতে এক সমস্যাৰূপে দেখা দিয়ে।

- **জাতীয়তাবাদী দৃষ্টিকোণ ঃ** সাম্প্রদায়িকতাৰ জাতীয়তাবাদী দৃষ্টিকোণ উপনিৱেশিক দৃষ্টিকোণৰ বিপৰীতমতেৰে প্ৰকাশ পাইছে। উপনিৱেশিক সকলৰ মতে "সাম্প্রদায়িকতা এক পূৰ্ব-উপনিৱেশিক সমস্যা আৰু ই অ-নিবাৰণীয়"। কিন্তু, জাতীয়তাবাদী দৃষ্টিকোণ মতে, সাম্প্রদায়িকতা হ'ল ঔপনিৱেশিক সমস্যা আৰু জাতীয়তাবাদ ইয়াৰ নিবাৰণৰ উপায়। জাতীয়তাবাদী লিখকসকলে সাম্প্রদায়িকতাৰ ঐতিহাসিক দৃষ্টিকোণৰ পৰা চাইছিল আৰু দাবী কৰিছিল যে, ঔপনিৱেশিক নীতি "বিভাজন আৰু শাসন", লগতে, ঔপনিৱেশিক কঠোৰ ধৰ্মীয় নীতিয়ে ভাৰতৰ সাম্প্রদায়িকতাৰ জন্ম দিছিল আৰু এনেকৈ পিছলৈ সমাজৰ সংহতি বিনষ্ট হৈছিল। জাতীয়তাবাদী সকলৰ মতে, জাতীয়তাবাদ আৰু সাম্প্রদায়িকতাবাদ উপনিৱেশকতাবাদৰ বাবে দায়ী, তেনেহলে প্ৰথমবিধক আমি যথাযথ প্ৰতিক্ৰিয়া আৰু পিছৰ বিধক ভূল বুলি ক'ব পাৰোঁ। জৱাহৰলাল নেহৰুৰ মতে "সাম্প্রদায়িকতাবাদ জাতীয়তাবাদৰ এক ৰূপান্তৰকৰণ, কিন্তু ই পশ্চাতগামী, অনিষ্টকৰ আৰু প্ৰকৃত

জাতীয়তাবাদৰ পৰা বহু দূৰত।"

W.C.Smithৰ মন্তব্য এইখিনিতে বিশেষ মন কৰিবলগীয়া, তেওঁ কৈছিল যে, "সাম্প্রদায়িকতাবাদ পিছপৰা, অনুন্নত দেশসমূহৰ স্মাৰক স্বৰূপ, আধুনিক মূলৰ পৰা দূৰত ব্যক্তিৰ নিজস্ব ধর্ম আছে আৰু ইয়াৰ দৃঢ়ভাৱে পালন কৰাৰ অধিকাৰ আছে, কিন্তু ধর্মক ৰাজনীতিত প্ৰৱেশকৰণ আৰু দেশখনৰ ধ্বংস মাতি অনাৰ নিচিনা কার্য ইউৰোপত আজিৰ পৰ⊕৩০০-৪০০ বছৰ আগতেই ঘটিছিল। ভাৰতক আমি ইয়াৰ পৰা মুক্তি দিব লাগে।"

নেহৰুৱে মত পোষণ কৰিছিল যে সাম্প্রদায়িকতাবাদ আদিমবাদৰ, প্রতিচ্ছবি মাথোন আৰু ই সমাজক 'বিশ্ব- সম্প্রদায়ৰ' দৰে মহান ভাৱনাক বুজাৰ মানসিকতা ৰুদ্ধ কৰে, আনহাতে এই মহান ভাৱনাক স্বাধীনতা সংগ্রামীসকলে সদায় অগ্রাধিকাৰ তেখেতে এই সমস্যাৰ সমাধানৰ বাবে ভাৰতৰ "ধর্মনিৰপেক্ষতা" আর্হিৰ উল্লেখ কৰি কৈছিল যে, ই জাতীয় সংহতি, সমতা আৰু সামাজিক ন্যায়ও প্ৰৱল কৰে আৰু ভাৰতীয় সংবিধানৰ সংৰচনাত এই ধর্মনিৰপেক্ষতা অন্তর্ভুক্ত হৈছিল।

- **মার্ক্সবাদী চিন্তাধাৰা বা দৃষ্টিভংগীঃ** মার্ক্সবাদী সিদ্ধান্ত মতে সাম্প্রদায়িক পৰিঘটনা এক নতুন আৰু আধুনিক ঘটনা আৰু বোধ হয় ই পূর্ব-উপনিৰেশিক সময়ত ঘটা নাছিল। এগৰাকী বিখ্যাত মার্ক্সবাদী সিদ্ধান্তবাদী (theorist) বিপিন চন্দ্রই- কৈছিল যে সাম্প্রদায়িকতা আধুনিক ৰাজনীতিৰ উন্মেষণৰ ফলত উদ্ভৱ হৈছিল আৰু মধ্যযুগীয় বা প্রাচীন ৰাজনীতিৰ লগতে বা পূর্ব ১৮৫৭ ৰ লগত ই এক স্পষ্ট পার্থক্য দেখুৱাইছিল। তেওঁ আকৌ কৈছিল যে, বৃটিছ আগমনৰ আগলৈকে কোনো বিশেষ জনপ্রিয় ৰাজনীতিৰ প্রচলন নাছিল। সেয়েহে, তেওঁ সাম্প্রদায়িক ৰাজনীতিৰ বাবে উপনিৰেশকতাৰে দায়ী কৰিছিল। মার্ক্সবাদী সিদ্ধান্ত মতে সাম্প্রদায়িকতা হ'ল-এক মিছা সমস্যা আৰু ইয়াৰ সমাধানও সেয়েহে ভিত্তিহীন আনহাতে জাতীয়তাবাদ হ'ল এক প্রকৃত সমস্যা যাৰ সমাধান ও প্রকৃত। এইদৰে তেওঁলোকে মত পোষণ কৰে যে সাম্প্রদায়িকতাই কেৱল হ্রস্বম্যাদী কিছুমান লক্ষ্য যেনে - কর্ম সংস্থান বা সংৰক্ষিত আদিৰহে ব্যৱস্থা কৰিব পাৰে কিন্তু সাংস্কৃতিক বা মানৱাধিকাৰ আদিৰ নিচিনা লক্ষ্য পূৰণৰ ক্ষেত্রত কোনো উল্লেখযোগ্য বৰঙনি যোগাব নোৱাৰে। সেয়েহে মার্ক্সবাদীসকলৰ মতে সাম্প্রদায়িকতা সমাজৰ বাস্তৱিকতাৰ এক আংশিক বা খণ্ডীয় দৃশ্য নহয় , ই হ'ল এক সম্পূর্ণ অবিজ্ঞানসন্মত আৰু ভূল তথ্য যিটো বর্তমান সময়ত অপর্যাপ্ত। অৱশ্যে এই ধাৰণা সম্পূর্ণৰূপে সন্দেহ মুক্ত নহয় কিয়নো, পাকিস্তান, বাংলাদেশ, নেপাল আদি সার্বভৌম (স্বতন্ত্র) ৰাষ্ট্রতও সাম্প্রদায়িকতা অতি সুস্পষ্ট।

  বিপিন চন্দ্রই আকৌ, সাম্প্রদায়িকতাৰ ভিতৰত 'হিন্দু সম্প্রদায়িকতা' আৰু 'মুছলমান সাম্প্রদায়কতাৰ' দৃষ্টিভংগীৰ বিভিন্নতা সন্দর্ভতো মত প্রকাশ কৰিছে। তেওঁৰ মতে ব্যক্তিৰ ধর্মীয় বিশ্বাসৰ ওপৰত ভিত্তি কৰি সাম্প্রদায়িক অনুভূতি আৰু প্রবৃত্তিৰো পার্থক্য থাকে।

তেওঁৰ মতে মুছলমান সাম্প্রদায়িকতা, হিন্দু জাতীয়তাবাদৰ তুলনাত অধিক শক্তিশালী, কিয়নো দূর্বল ধর্মীয় অনুভূতিৰ উপৰিও জাতি বিচাৰ, অস্পৃশ্যতা, অন্ধবিশ্বাস আদি সামাজিক অশুভ কাৰকসমূহ তেওঁলোকক আৱৰি আছে। অৱশ্যে, এই ধাৰণা সমূহ শুদ্ধ হোৱা হ'লে, বর্তমান সময়ত আমাৰ সমাজ সাম্প্রদায়িক প্রবৃত্তি আৰু হিংসাৰে নাথাকিলেহেঁতেন। শেষত, এইটো ক'ব পাৰি যে, মার্ক্সবাদী লিখকসকলে সাম্প্রদায়িক সমস্যাৰ ওপৰত কিছু পৰিমাণে আলোকপাত কৰিছে যদিও ইয়াৰ সমস্যা সমাধানৰ ক্ষেত্রত কোনো সমাধান আগবঢ়াব পৰা নাই।

- **ৰচনাত্মক দৃষ্টিভংগী ঃ** ঔপনিৱেশিক, জাতীয়তাবাদী আৰু মার্ক্সবাদী মূলত শ্রেণীবদ্ধ কৰা পৰম্পৰাগত সাম্প্রদায়িকতা বিষয়ক দৃষ্টিভংগীসমূহ বর্তমান সময়ত অবাস্তৱ আৰু অপ্রয়োজনীয় বুলি প্রত্যোখান কৰা হৈছে। ৰচনাত্মক দৃষ্টিভংগী বর্তমান অধিক সময় সাপেক্ষে বুলি গণ্য কৰা হৈছে আৰু ই বর্তমান সাম্প্রদায়িকতাৰ ছবি এখন বাস্তৱসন্মত আৰু গ্রহণযোগ্য হিচাপে ডাঙি ধৰিছে। সাম্প্রদায়িকতাৰ এই দৃষ্টিভংগী ৰচনাত্মক পণ্ডিত Gyanendra Pandey, Jaffselot আৰু Berand Cohn আৰু বিভিন্ন দিশৰ পৰা আগ বাঢ়িছে। ৰচনাত্মক দৃষ্টিভংগীৰ সর্বশ্রেষ্ঠ পণ্ডিত Gyanendra Pandey ৰ মতে, সাম্প্রদায়িকতা জাতীয়তাবাদৰ সৃষ্টি। অৱশ্যে তেওঁৰ সাম্প্রদায়িকতাৰ সম্বন্ধে তেওঁ ধাৰণা আন চিন্তাবিদৰ মতে সাম্প্রদায়িকতা হ'ল বা "বিপদগামী আৰু অনুন্নত জাতীয়তাবাদতকৈ পৃথক"। Pandey ৰ মতে, ভাৰতবর্ষৰ সাম্প্রদায়িকতা হ'ল, পুঁজিবাদৰ চৰিত্রগত আৰু লোপ বিৰুদ্ধে উৎপাদন, যিয়ে দেশলৈ জাতীয়তাবাদ আৰু উপনিৱেশকতাবাদৰ ধাৰণাও আনে। Cohnৰ সাম্প্রদায়িকতাৰ বিষয়ে প্রকাশিত তত্ত্ব উপনিৱেশীয় নীতিৰ ওপৰত আধাৰিত। তেওঁ মতপোষণ কৰে যে, সাম্প্রদায়িকতা ওপৰত প্রকাশিত হোৱাৰ মূলতে হ'ল— উপনিৱেশিক ৰাষ্ট্র বা উপনিৱেশিক অভিজ্ঞতা। আনহাতে Jaffselot ৰ তত্ব প্রধানকৈ "হিন্দুত্ব বা সোঁপন্থী ৰাজনীতিৰ ওপৰত আধাৰিত আৰু তেওঁৰ লিখনিত উপনিৱেশিকতাক বিশেষ গুৰুত্ব দিয়া হোৱা নাই।

  বহলাই ইয়াকেই ক'ব পাৰি যে ৰচনাত্মক দৃষ্টিভংগীয়ে ধাৰণাগত আর্হিৰ প্রসাৰ ঘটাইছিল। ঔপনিৱেশিক, জাতীয়তাবাদী আৰু মার্ক্সবাদী দৃষ্টিভংগী সাম্প্রদায়িকতাৰ এক নির্দিষ্ট দিশৰ প্রতি কেন্দ্রীভূত আছিল হয় সেইটো হ'ল প্রতি ব্যক্তিৰ অন্তৰত থকা ধর্মীয় দিশটোৰ প্রতি। অৱশ্যে তেওঁলোকৰ দৃষ্টিভংগীত এইটো দেখা গৈছিল যে, বৃটিছ উপনিৱেশিকতাই কেনেকৈ ভাৰতীয় সমাজৰ ধর্মীয় বিশ্বাসৰ উপৰিও ইয়াৰ সাংস্কৃতিক আৰু অন্যান্য সামাজিক দিশসমূহক কেনেকৈ প্রভাৱিত কৰিছিল, সেই বিষয়ে এই দৃষ্টিভংগীসমূহে গুৰুত্ব দিয়া নাছিল। ৰচনাত্মক দৃষ্টিভংগীত এই পৰিৱর্তনৰ প্রভাৱৰ ওপৰত আলোকপাত কৰা হৈছে আৰু এই পৰিৱর্তনে সাম্প্রদায়িকতাৰ জন্ম কাৰণ হ'ব পাৰে বুলিও মত প্রকাশ কৰিছে।
- **আধুনিকতাবাদ বিৰোধী ঃ** Ashim Nandy ৰ লিখনিৰ মাজেৰে প্রধানকৈ আধুনিকতা বাদ বিৰোধী ধর্ম- নিৰপেক্ষতাৰ সন্ধান পোৱা যায়। Nandy য়ে সম্প্রদায়িক ভাৱনাৰ

উন্মেষনাৰ বাবে উপনিৱেশিক স্বার্থজড়িত প্রশাসনকে ই জগৰীয়া কৰে। তেওঁৰ মতে, পশ্চিমীয়া শাসন ব্যৱস্থাই সমাজৰ পৰম্পৰাগত ব্যৱস্থাই ওফৰাই নিজ স্বার্থ পূৰণৰ উদ্দেশ্য জড়িত নতুন দৃষ্টিভংগী সময়ত স্থাপন কৰিছিল। নন্দীৰ মতে ভাৰতৰ পৰম্পৰাগত ঐতিহ্য, ইয়াৰ সহনশীল নীতি আৰু শান্তি- পূর্ণভাৱে বসবাসৰ প্রতি থকা আগ্রহৰ বাবে এই দেশ সমৃদ্ধিশালী আৰু ধর্মীয় দিশটোও আদৰণীয় আছিল। উপনিৱেশীয় শাসনে সদায় ওপৰত কিছুমান নীতি- নিয়ম ব্যস্ত কৰিলে যাৰ ফলত ভাৰতীয় সমাজ ব্যৱস্থাই পূর্বৰ সন্তুলন হেৰুৱায় পেলালে। পশ্চিমীয়া কৰণ আৰু আধুনিকতাবাদৰ ফলত, পুৰণি ঐতিহাসিক সহনশীলতা আৰু শান্তিপূর্ণ বাতাবৰণ অর্ন্তনান হ'ল আৰু জাতীয়তাবাদ আৰু সাম্প্রদায়িকতাই সেই ঠাই অধিকাৰ কৰিলে।

আধুনিকতাবাদ বিৰোধী পন্থীসকলে মতপোষন কৰে যে ভাৰতৰ দৰে এখন তৃতীয় বিশ্বত উপনিৱেশীয় শাসন তথা শিক্ষাৰ পৰম্পৰাগত দান হ'ল— সাম্প্রদায়িকতাবাদ আৰু ধর্ম নিৰপেক্ষতা। আধুনিকতাবাদ বিৰোধীজনে ধর্মীয় সহনশীলতাৰ নিচিনা ধাৰণাসমূহ ধর্মনিৰপেক্ষতাৰ দৰে মুখ্য বিষয়ৰ পৰা উদ্ধাৰ কৰিব চেষ্টা কৰিছে। তেওঁলোকে বিশ্বাস কৰে যে প্রাচীন ভাৰতৰ ধর্মীয় সহনশীলতাৰ আদর্শ আধুনিক যুগত সক্রিয় হৈ নাথাকিল। ধর্মীয় নিৰপেক্ষতাও তেওঁলোকৰ মতে আধুনিকতাৰ কুফল। মুঠতে, আধুনিকতাবাদ বিৰোধীসকলে বিশ্বাস কৰে যে সাম্প্রদায়িকতা আৰু ধর্মনিৰপেক্ষ আধুনিক শিক্ষাৰ ফল।

১৫.৬ সাম্প্রদায়িকতা সৃষ্টিৰ কাৰণসমূহ

ভাৰতবর্ষত সাম্প্রদায়িকতা সৃষ্টি আৰু ইয়াৰ প্রাসাৰৰ বাবে প্রধান কাৰণসমূহ প্রধানকৈ চিনাক্ত কৰা হৈছে — উপনিৱেশিক পৰম্পৰা ঃ মহম্মদ আলী জিন্নৰ দুই ৰাষ্ট্র (two nation) নীতি ভাৰতৰ বিভাজনৰ বাবে প্রধানকৈ দায়ী। তদুপৰি বৃটিছ শাসকসকলে নিজ স্বার্থ পূৰণৰ বাবে বিভাজন আৰু শাসন নীতি প্রাযয়োগ কৰিছিল য'ত সর্বসাধাৰণ লোকৰ উন্নতি বা দেশৰ প্রগতিৰ প্রতি কোনো আগ্রহ নাছিল। এই উপনিৱেশিক শাসকসকলৰ উৎসাহতেই ভাৰতবর্ষৰ বিভাজন হৈছিল। এক বৃহৎ সংখ্যক মুছলমান পাকিস্তান প্রতিষ্ঠাৰ পিছতো ভাৰতত বাস কৰি আহিছে আৰু ভাৰতবর্ষই সদায় ধর্মনিৰপেক্ষতাৰ পক্ষ সমর্থন কৰি আহিছে, য'ত সমান অধিকাৰ ভোগ দেশৰ জনতাৰ মৌলিক অধিকাৰ। তথাপিও দেশৰ চুকেকোণে সাম্প্রদায়িকতাই মূৰ ভাঙি উঠিছে আৰু ই বৃটিছ শাসন কালৰ পৰম্পৰাৰ ফল।

- **ধর্মীয় গোড়ামী ঃ** পাকিস্তান সৃষ্টিৰ ফলত মুছলিম জনসাধাৰণৰ এটা চামৰ মাজত নিজকে পৃথকভাৱে ৰখাৰ এক মনোভাৱে দেখা দিয়ে আৰু দেশৰ ধর্মনিৰপেক্ষ আৰু জাতীয়তাবাদী নীতিৰ পৰা নিজকে আঁতৰাই ৰাখে। তেওঁলোকে নিজকে বৈষম্য আৰু পৃথকীকৰণৰ স্বীকাৰ বুলি অনুভৱ কৰিবলৈ লয় আৰু নিজৰ পৃথক সংস্কৃতি আৰু ৰীতি-নীতিৰ বাবে এই ভাওনাও অধিক প্রকট হৈ পৰে। ইয়াৰ ফলত দেশৰ ধর্মীয় ৰাজনৈতিকতাৰ উদ্ভৱ হয় আৰু পৰিণতিক্রমে সাম্প্রদায়িক অশান্তিও বৃদ্ধি পায়।

- **হিন্দু উগ্রৰাষ্ট্রীয়তা ঃ** সাম্প্রদায়িক অশান্তি বৃদ্ধিৰ বাবে হিন্দু উগ্রজাতিয়তাবাদী চিন্তাধাৰাও দায়ী। কিছুমান হিন্দু ধর্মীয় গোট সময়ে সময়ে হিন্দু স্বার্থজনিত বিষয় কিছুমানৰ বাবে চৰকাৰক দাবী জনাই তেওঁলোকৰ দাবী পূৰণ কৰে। হিন্দুত্ববাদী এই গোটসমূহৰ কার্যকলাপে মুছলিম সম্প্রদায়ক হেয় কৰে আৰু সমাজত হিন্দু সাম্প্রদায়িকতাৰ সৃষ্টি কৰে। এই গোটসমূহে আকৌ চৰকাৰৰ সংখ্যালঘু নিৰাপত্তা নীতিসমূহৰ বিৰোধিতা কৰে আৰু লগতে মুছলমান সকলৰ কল্যাণৰ লগত জড়িত নীতিসমূহো বিৰোধীতা কৰে।
- **ৰাজনীতিৰ সাম্প্রদায়িকতাকৰণ ঃ** ভাৰতবর্ষৰ নির্বাচনী ৰাজনীতি দিনক দিনে অধিক প্রতিযোগিতামুখী হৈ পৰিছে আৰু ইয়াৰ লগত জড়িত ব্যক্তিসকলে নিজৰ নির্বাচনী বিজয়ৰ বাবে ভূল-শুদ্ধ যিকোনো উপায়ে গ্রহণ কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। কেতিয়াবা ৰাজনৈতিক সুবিধা গ্রহণৰ কাৰণে এওঁলোকে সাম্প্রদায়িক বিৰোধীতাৰ সৃষ্টি কৰে। এই বিৰোধীতাৰ সৃষ্টিৰ কাৰণ হ'ল কোনো এটা বিশেষ সম্প্রদায়ৰ প্রতি অধিক অনুকম্পা আৰু সাহায্য। সেয়েহে, সাম্প্রদায়িকতাৰ ৰাজনীতিয়ে সাম্প্রদায়িকতাৰ বিকাশত এক বিশেষ ভূমিকা গ্রহণ কৰে।
- **দৰিদ্রতা আৰু বে-ৰোজগাৰী ঃ** দৰিদ্রতা আৰু বে-ৰোজগাৰীয়ে নিৰক্ষৰতা, অজ্ঞানতা আৰু অনুন্নতমুখী সমাজ এখনৰ সৃষ্টি কৰে আৰু এনে অৱস্থাত ধর্মীয় মৌলবাদীসকলে সহজে জনসাধাৰণৰ নিজৰ বশ কৰি ধর্মীয়ভাৱে বিপথে পৰিচালিত কৰিব পাৰে। জনসাধাৰণৰ এটা অংশ এই ধর্মীয় গোড়ামীৰ চিকাৰ হয় আৰু সাম্প্রদায়িক হিংসাৰ সৃষ্টি কৰে। দূর্বল অর্থনৈতিক অৱস্থাও জনসাধাৰণক এই ধর্মীয় ভন্দ নেতাসকলৰ বশ হ'বলৈ বাধ্য কৰে।
- **উগ্র মৌলবাদী ঃ** কিছু সংখ্যক তাত্বিকে মতপোষন কৰে যে দেশত সাম্প্রদায়িক সংঘর্ষ বৃদ্ধিৰ কাৰণ হ'ল সংগঠিত উগ্র মৌলবাদী গোটৰ সৃষ্টি। এওঁলোক ধর্মভিত্তিক উদ্দেশ্যৰে সংগঠিত হয়। এই সংগঠনসমূহে নিজৰ ৰাজনৈতিক অবীষ্ঠ সিদ্ধিৰ উদ্দেশ্যে এটা প্রায়েই হিংসাত্মক উপায় গ্রহণ কৰে। ৰাজনৈতিক স্বার্থৰ বাবে এটা সম্প্রদায়ৰ অন্তৰত আনটৌলৈ হিংসা বা বিদ্বেষৰ ভাৰ সুমুৱাই দিয়া হয় আৰু ইয়েই দেশত সাম্প্রদায়িক হিংসা বিয়পাই দিয়ে। জাতিব্যৱস্থা, সম্প্রদায় আৰু ধর্মীয় নেতৃত্বই এই প্রক্রিয়া আৰু দ্রুততৰ কৰি তোলে।
- **গণসংযোগ মাধ্যমৰ অপ্রয়োগ আৰু অপব্যাখ্যা ঃ** গণসংযোগ মাধ্যমসমূহৰ ঋণাত্মক ভূমিকাৰ বাবে কেতিয়াবা সাম্প্রদায়িক অশান্তি অধিক মাত্রাত বৃদ্ধি পায় আৰু বিৰোধী সম্প্রদায় সমূহ পৰস্পৰৰ বিৰুদ্ধে অধিক সক্রিয় হৈ উঠে। উদাহৰণস্বৰূপে, বাৱৰি মছজিদ ধ্বংসৰ বাতৰি গণসংযোগ মাধ্যমৰ দ্বাৰা অতি দ্রুতগতিত আৰু উষ্ণ প্রকাশেৰে সমাজত বিয়পি পৰাৰ বাবে দেশৰ সাম্প্রদায়িক পৰিস্থিতি অধিক গুৰুতৰ হৈ পৰিছিল।
- **দেশৰ সীমান্তৱর্তী অঞ্চলৰ প্রভাৱ ঃ** চুবুৰীয়া ধর্ম শাসিত দেশ দুখনৰ মাজত থকা সম্পর্কৰ প্রভাৱ দেশৰ সাম্প্রদায়িকতাৰ ওপৰত পৰে আৰু দেশৰ সীমান্তৱর্তী অঞ্চলসমূহ সম্প্রদায়িক সমস্যাৰ দ্বাৰা আক্রান্ত হয়। উদাহৰণস্বৰূপে, পঞ্জাৱ আৰু জম্মু- কাশ্মীৰৰ সাম্প্রদায়িক

সমস্যা প্রধানকৈ সীমান্তৱর্তী দেশ পাকিস্তানৰ প্ৰৰোচনাতেই পৰিচালিত হৈছে। সেয়েহে, এই সীমান্তৱর্তী প্রভাৱ ৰোধ কৰিব নোৱাৰিলে, দেশৰ সাম্প্রদায়িক সমস্যাও ৰুদ্ধ হোৱাও আশা কৰিব নোৱাৰি।

- **চৰকাৰৰ ভূমিকা ঃ** দেশৰ সাম্প্রদায়িক মানসিকতাৰ বাবে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ প্রত্যক্ষ আৰু পৰোক্ষভাৱে দায়িত্বশীল। চৰকাৰে প্রায়েই সাম্প্রদায়িক অশান্তিৰ দ্রুত আৰু কঠোৰ ব্যৱস্থা ল'বলৈ অপৰাধ হয়। সাম্প্রদায়িক ভাৱাপন্ন ৰাজনৈতিক দলসমূহৰ প্রতি কঠোৰ ব্যৱস্থা গ্রহণৰ ক্ষেত্রতো চৰকাৰৰ পদক্ষেপ আশাপ্রদ নহয়।

  সাম্প্রদায়িকতা নিবাৰণ—নিৰপেক্ষতা এই সমস্যা সমাধানৰ উপায় হয়নে?

  বর্তমান সময়ত সাম্প্রদায়িকতা ৰোধ ভাৰতীয় সমাজ আৰু ৰাষ্ট্রৰ বাবে এক গুৰুত্বপূর্ণ কর্তব্য হিচাপে বিবেচিত হৈছে। বহু লেখকে মতপোষন কৰে যে, সাম্প্রদায়িকতা সমাধানৰ বাবে ধর্মনিৰপেক্ষতা গ্রহণ কৰিব পাৰি। সাম্প্রদায়িকতা ৰোধৰ বাবে গ্রহণ কৰিব পৰা কেইটামান ব্যৱস্থাৰ বিষয়ে আলোচনা কৰো আহক—

- **আর্থ-সামাজিক উন্নয়ণ ঃ** আর্থ সামাজিক অনগ্রসৰতা দেশ আৰু সামাজৰ সমস্যা বা সংঘাতৰ এটা মূল কাৰণ বুলি গণ্য কৰা হয়। অনুন্নত আর্থ- সামাজিক ব্যৱস্থাই উদ্বেগ, হতাশা আৰু অসন্তুষ্টিৰ সৃষ্টি কৰে আৰু জীৱনৰ এই সমস্যা সমূহৰ সমাধান কৰিবলৈ জনসাধাৰণে যিকোনো ব্যৱস্থা গ্রহণ কৰিব বাধ্য হয়। জনসাধাৰণে ভাবে যে যদি তেওঁলোকে নিজস্ব সম্প্রদায়ৰ দ্বাৰা পৰিচালিত অনুষ্ঠানৰ ওপৰত আস্থা প্রদর্শন কৰে, তেতিয়া ইয়াৰ দ্বাৰা তেওঁলোকৰ ব্যক্তিগত বিকাশ আৰু উন্নয়নৰ সুবিধা হব পাৰে। প্রায়েই সাম্প্রদায়িক নেতাসকলে আৰু অনুষ্ঠানসমূহে ব্যক্তিৰ এই বিশ্বাসৰ সুযোগ লয় আৰু সমাজ ব্যৱস্থাৰ শৃংখলা নষ্ট কৰি সমাগত উদ্বেগ অৰাজকতাৰ সৃষ্টি কৰে। এই ব্যৱস্থা অৱশ্যেই প্রতিৰোধ কৰিব পাৰি যদিহে দেশে আর্থ সামাজিক অৱস্থাৰ আৰু প্রগতিৰ হাৰ উর্দ্ধগামী কৰিব পাৰে আৰু ইয়াৰ সুফল সমাজৰ সকলো শ্রেণীৰ মানুহে লাভ কৰিব পাৰে।

- **ৰাষ্ট্র আৰু ৰাজনৈতিক উচ্চবর্ণৰ নিৰপেক্ষ নীতি ঃ** ভাৰতবর্ষ এখন গণতান্ত্রিক ৰাষ্ট্র হিচাপে সমাজৰ সকলো শ্রেণীৰ ব্যক্তিৰ উন্নতি দেশৰ মূল লক্ষ্য। এই লক্ষ্যত উপনীত হ'বলৈ দেশে সমতাৰ সফল প্রয়োগ আৰু সকলো শ্রেণী নাগৰিকলৈ সামাজিক ন্যায়ৰ ব্যৱস্থা কৰিব লাগিব। আমাৰ সংবিধানত এই নীতিসমূহৰ প্রতিষ্ঠাপিত হৈছে কিন্তু আচলতে ভাৰতীয় সমাজত অসমানতা , অন্যায় আৰু সাম্প্রদায়িকতাৰ প্রদর্শন অহৰহ চলিয়েই আছে। তাত্বিক ভাৱে ৰাষ্ট্র সদায় নিৰপেক্ষ আৰু ৰাজনৈতিক উচ্চবর্গ ই সদায় একতা, উন্নতি আৰু সুখ সমৃদ্ধিৰ কাৰণে কাম কৰে। কিন্তু বাস্তৱ ক্ষেত্রত এইয়া প্রত্যক্ষ কৰা নাযায়। প্রায়েই ৰাষ্ট্রই ৰাজনৈতিক দলৰ নীতি - ধাৰণাৰ দ্বাৰা পৰিচালিত হয়, ফলত সমাজৰ এটা বিশেষ শাখাৰ প্রতি অধিক মনোযোগ দিয়ে আৰু অন্যভাগ সমাজৰ ব্যক্তি ৰাষ্ট্রৰ ধ্যান ধাৰণাৰ পৰা পৃথক হয়। এই পৰিস্থিতিয়ে দেশত অশান্তি আৰু অসন্তুষ্টিৰ সৃষ্টি কৰে আৰু ব্যক্তিয়ে নিজৰ অধিকাৰ ভোগ কৰিবলৈ শক্তি প্রদর্শন কৰিবলৈ বাধ্য হয়।

সেয়েহে ৰাষ্ট্রই এক নিৰপেক্ষ নীতি গ্ৰহণ কৰা উচিত আৰু ৰাজনৈতিক শাসকসকলে সাম্প্রদায়িক অনুভূতি মানুহৰ অন্তৰত জাগ্রত নহবলৈ চেষ্টা কৰা উচিত।

- **শিক্ষাৰ প্রচাৰ ঃ** শিক্ষাই মানুহৰ জ্ঞানৰ পৰিধি বঢ়াই, ভাল বেয়া বিচাৰ কৰিব পৰা শক্তিৰ উদ্রেক কৰে। ভাৰতবর্ষতৰ এক ডাঙৰ অংশৰ লোক নিৰক্ষৰ আৰু সেয়ে দেশৰ ৰাজনৈতিক কার্যকলাপ আৰু ৰাষ্ট্রৰ কার্যসন্ধন্ধে তেওঁলোকৰ জ্ঞান অতি কম। নির্দ্দিষ্ট কিছুমান ৰাষ্ট্র বিৰোধী শক্তিয়ে সহজে এই লোকসকলক নিজৰ স্বার্থ সিদ্ধিৰ উদ্দেশ্য ব্যৱহাৰ কৰে। সেয়েহে, শিক্ষাৰ প্রসাৰণ ভাৰতীয় সমাজৰ বাবে দ্রুত প্রয়োজনীয় আৰু তেনেদৰে অজ্ঞানতাৰ আন্ধাৰ আতৰাই দেশৰ প্রগতি আঁতৰাব পাৰি।
- **গণসংযোগ মাধ্যমৰ সক্রিয় ভূমিকা ঃ** গণসংযোগ মাধ্যমক গণতন্ত্রৰ চতুর্থ স্তম্ভ আখ্যা দিয়া হয়। ৰাইজৰ মতামত গ্রহণ আৰু প্রচাৰৰ বাবে ই সদায় এক গুৰুত্বপূর্ণ মাধ্যম হিচাপে পৰিগণিত হৈ আহিছে। সেয়েহে, গণসংযোগ মাধ্যম সদায়েই জনতাৰ পক্ষত থাকি ধর্মনিৰপেক্ষতা, সামাজিক ন্যায় আৰু জাতীয় সংহতি আদিৰ দৰে বিষয়ত সমাজক সজাগ কৰি আৰু শুদ্ধ পথৰ সন্ধান দিয়া উচিত। এই গণসংযোগমাধ্যম সমূহ নিজ কর্তব্যৰ পৰা লক্ষ্যভ্রষ্ঠ হ'লে আৰু সাম্প্রদায়িক দৃষ্টিভংগীৰ প্রতি সহানুভূতিশীল হ'লে, সর্বসাধাৰণ জনতাও এনে ভাৱনাৰ প্রতি আকর্ষিত হয়, আৰু ফলত দেশৰ, সমাজৰ শান্তি বিঘ্নিত কৰি সাম্প্রদায়িক আৰু দেশ বিৰোধী কার্যত লিপ্ত হয়। সেয়েহে, গণসংযোগ মাধ্যমসমূহে সদায় ধর্মনিৰপেক্ষতা আৰু জাতীয় সংহতিৰ বিকাশক নিজ কর্তব্যৰ গ্রন্থিত অন্তর্ভুক্ত কৰিব লাগে।
- **জাতীয় বিচাৰধাৰাৰ উন্নয়ন ঃ** দেশৰ অনেকতাৰ মাজত একোটা ভাৱনাৰ সফল ৰূপায়নৰ বাবে ভাৰত ৰাষ্ট্রই কেতবোৰ বিচাৰধাৰক সমাবিষ্ট কৰিছে আৰু এই বিচাৰধাৰক সকলোৱে আদৰি লৈছে। আমাৰ সংবিধানতো এই বিচাৰ ধাৰাৰ প্রতিচ্ছবি আছে। উদাহৰণস্বৰূপে, দেশৰ সকলোৰে বাবে গণতান্ত্রিকতা, ধর্মৰ ক্ষেত্রত ধর্মনিৰপেক্ষতা, সকলোৰে কাৰণে সমতাৰ সুবিধা, সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায় আদি। ৰাষ্ট্রৰ এই বিচাৰ ধাৰাৰ পূর্ণ সহযোগ বা উপলব্ধি দেশৰ জনতাৰ মাজত পোৱা নাযায়। ইয়াৰ কাৰণ অজ্ঞানতা, প্রয়োজনীয় প্রচাৰ নোহোৱা আৰু আনকি আমাৰ ৰাজনৈতিক নেতাসকলৰ স্বার্থ জড়িত কার্য বুলি ভবা হৈছে। ইয়াৰ পৰিণতিত স্বৰূপে আঞ্চলিকতাবাদ, সাম্প্রদায়িকতাবাদ আৰু পৃথকবাদ আদিৰ সৃষ্টি হৈছে আৰু ব্যক্তিসকৰ সমাজত কিছুমান নির্দিষ্ট শাখাত বিভক্ত হৈছে। সেয়েহে সাম্প্রদায়িক ভাৱনাক মানুহৰ অন্তৰৰ পৰা আতৰাই পঠাবলৈ ৰাষ্টই কিছুমান সম্পূর্ণ আৰু জনপ্রিয় জাতীয় বিচাৰ ধাৰাৰ গ্রহণ আৰু পালন কৰা উচিত।
- **ধর্মনিৰপেক্ষতা ঃ** স্বাধীনতাৰ পূর্বে বৃটিছ শাসকসকলে ভাৰতীয় মানুহৰ অন্তৰত সাম্প্রদায়িকতাৰ বীজ সিঁচিবলৈ নানান ব্যৱস্থা হাতত লৈছিল। স্বাধীনতাৰ পিছতো ইয়াৰ প্রভাৱ ৰৈ গৈছিল আৰু দেশত হিন্দু, মুছলমান আৰু শিখসকলৰ মাজত বিভাজন কেন্দ্র কৰি সাম্প্রদায়িক সংঘর্ষৰ সূত্রপাত হৈছিল। এই ঘটনাৰ বিনাশকাৰী ৰূপ দেখি দেশৰ

নেতাসকলে উপলব্ধি কৰিছিল যে, ভৱিষ্যতে দেশত এই ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ কিছুমান ব্যৱস্থা হাতত লোৱাটো অতি প্রয়োজন। তাৰ ফলস্বৰূপে দেশে সংবিধান ৰচনাৰ জৰিয়তে ধর্ম নিৰপেক্ষতা নীতি গ্রহণ কৰে। ভাৰতীয় ধর্ম নিৰপেক্ষতা নীতি পশ্চিমীয়া নীতিৰ পৰা কিছু পৃথক। পশ্চিমীয়া দেশ সমূহত বিশেষকৈ ইউৰোপত ধর্মনিৰপেক্ষতাই দেশৰ শাসন কার্যৰ পৰা ধর্মক সম্পূর্ণ পৃথক কৰা বুজায়, কিন্তু ভাৰতীয় ধর্মনিৰপেক্ষতাই বুজায় যে দেশে কোনো বিশেষ ধর্মক চৰকাৰী মান্যতা নিদিয়ে আৰু সকলো ধর্মকে সমান চকুৰে চায়। ভাৰতীয় সংবিধানে ধর্ম পালনৰ অধিকাৰক এক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে যাতে, ধর্মনিৰপেক্ষতা নীতি সঁচা অর্থত সকলোৱে হৃদয়ঙ্গম কৰিব পাৰে। ফলত, দেশত সকলো ধর্ম সন্মান আৰু আদৰনীয় আৰু নাগৰিকৰ ইচ্ছা অনুসৰি নিজ ধর্ম পালনৰ অধিকাৰ আছে। এই স্বাধীনতা আৰু ধর্ম নিৰপেক্ষতাৰ আদর্শ ই মানৱতা আৰু আধুনিকতা এই আদর্শক উজ্জ্বল কৰে আৰু সমাজ তথা সম্প্রদায়ৰ মাজত মিলা-প্রীতি, সোহায্য বৃদ্ধি কৰে। এখন ধর্ম নিৰপেক্ষ দেশত নেতাসকলে আৰু তেওঁলোকৰ সমর্থকসকলে নিজৰ ধর্ম ৰাজনৈতিক উদ্দেশ্যত বা স্বার্থত ব্যৱহাৰ কৰাটো আশা কৰা নাযায়। অৱশ্যে স্বাধীনতাৰ পিছত দেশে বিভিন্ন ৰাজনৈতিক দলসমূহে ধর্মৰ অপ্রয়োগ কৰি নিজ স্বার্থ পূৰণৰ চেষ্টা কৰি অহা দেখিবলৈ পাইছে। এনেদৰে, সাম্প্রদায়িকতা ভাৰতীয় সমাজত ৰাজনৈতিক স্বার্থ পূৰণৰ উদ্দেশ্যৰে আৰোপিত কৰা হৈছে। সেয়েহে সাম্প্রদায়িকতা ৰোধৰ বাবে নিৰপেক্ষতা নীতি গ্রহণ কৰা হৈছে যদিও ই সফল হ'ব পৰা নাই আৰু ৰাজনৈতিক উচ্চবর্গই ধর্মনিৰপেক্ষতা আৰু সাম্প্রদায়িকতাক নিজ স্বার্থ পূৰণৰ আহিলা হিচাবেহে ব্যৱহাৰ কৰিছে। পৃথিৱীৰ সর্ববৃহৎ ধর্মনিৰপেক্ষ ৰাষ্ট্র হিচাৱে ভাৰতবর্ষ গৌৰৱৰ অধিকাৰী যদিও, ধর্মনিৰপেক্ষতাত প্রকৃত ৰূপায়ণ এতিয়াও বাকী। সেয়েহে ধর্মনিৰপেক্ষতাৰ ধাৰণা আৰু ইয়াৰ বাস্তৱিক প্রয়োগৰ পূর্ণ সংশোধন লগতে ধর্মৰ অনানুষ্ঠানিকতাৰ অতীব প্রয়োজন।



অগ্রগতি নিৰীক্ষণ

প্রশ্নঃ নং ১ঃ সাম্প্রদায়িকতা কি?

প্রশ্নঃ নং ২ঃ সাম্প্রদায়িক হিংসাৰ সংজ্ঞা দিয়ক। সাম্প্রদায়িক হিংসা বা সংঘর্ষৰ দুটা উদাহৰণ দিয়ক।

প্রশ্নঃ নং ৩ঃ সাম্প্রদায়িকতাৰ বিভিন্ন তত্বসমূহ উল্লেখ কৰক।

প্রশ্নঃ নং ৪ঃ সাম্প্রদায়িকতাৰ সৃষ্টি আৰু ইয়াৰ প্রসাৰণৰ কাৰণসমূহ কি কি?

প্রশ্নঃ নং ৫ঃ সাম্প্রদায়িকতা নিবাৰণৰ উপায়সমূহ আলোচনা কৰক।

প্রশ্নঃ নং ৬ঃ সাম্প্রদায়িকতা কি কি উপায়ে সমাজত বিয়পি পৰে?



১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাম্প্রদায়িকতা হল এক বিশ্বাস যে এক নির্দিষ্ট ধর্ম এটা নির্দিষ্ট গোট ব্যক্তিৰ দ্বাৰা পালন কৰা হয়, আৰু ইয়াৰ ফলস্বৰূপে উমৈহতীয়া সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক উদ্দেশ্য তেওঁলোকৰ একেই হয়।
- সাম্প্রদায়িকতা বিভিন্ন উপায়েৰে সমাজত বিস্তাৰ লাভ কৰিব পাৰে, যেনে— ৰাজনৈতিক সাম্প্রদায়িকতা, ধর্মীয় সাম্প্রদায়িকতা আৰু অর্থনৈতিক সাম্প্রদায়িকতা।
- সাম্প্রদায়িক সংঘর্ষ বেছিকৈ উত্তৰ ভাৰতত সংঘটিত হোৱা দেখা যায় আৰু দক্ষিণ তথা পূব ভাৰতত ইয়াৰ প্রভাৱ কম। সাম্প্রদায়িক হিংসা আৰু সংঘর্ষ ভাৰতত সাধাৰণতে স্বতঃপ্রৰর্তিত নহয় বা কাচিৎহে ধর্মীয় শুভ্রতাজনিত হয়। এইবোৰ প্রধানকৈ সংঘাত পূর্ণ ৰাজনৈতিক স্বার্থ জড়িত ভাৱে সংঘটিত হয়।
- সাম্প্রদায়িকতাৰ তাত্বিক দৃষ্টিকোণ প্রধানকৈ এই ভাগকেইটাৰ দ্বাৰা অধ্যয়ন কৰিব পাৰি যেনে— উপনিৱেশিক, জাতীয়তাবাদী, মার্ক্সবাদী, ৰচনাত্মক আৰু আধুনিকতাবাদ বিৰোধী।
- সাম্প্রদায়িকতা সৃষ্টিৰ বিভিন্ন কাৰণ সমূহ হল - উপনিৱেশিক পৰম্পৰা, হিন্দু উগ্র বালিয়া বা উগ্রৰাষ্ট্রীয়তা, ধার্মিক গোড়ামী, দৰিদ্রতা আৰু বে-ৰোজগাৰী, উগ্র মৌলবাদ, জনসংযোগ মাধ্যমৰ অপপ্রয়োগ আৰু অপব্যাখ্যা, ৰাজনৈতিক সাম্প্রদায়িকতা বাদ আৰু সীমান্তৱর্তী অঞ্চলৰ প্রভাৱ আদি।
- সাম্প্রদায়িকতা ৰোধৰ কিছুমান উপায় হ'ল — আর্থ সামাজিক উন্নয়ন, ৰাষ্ট্র আৰু ৰাজনৈতিক উচ্চৱর্গৰ নিৰপেক্ষ ভূমিকা, শিক্ষাৰ প্রসাৰ, গণসংযোগ মাধ্যমৰ গঠনমূলক সক্রিয়তা, জাতীয় ভাৱাদর্শৰ উত্থান আৰু ধর্মনিৰপেক্ষতা আদি।



১৫.৯ অধিক জানিবলৈ

- Ahuja, Ram (2003) Social Problems in India, Rawat Publications, New Delhi.
- Chandra, Bipan (1984) Communalism in Modern India, Vikas, New Delhi.
- Chandra, Bipan (2004) Communalism: A Primer, Anamika, New Delhi.
- Chandra, Bipan Mridula Mukherjee, Aditya Mukherjee (2008) India Since Independence, Penguin Books, New Delhi.

- Engineer, Asghar Ali (1984) Communal Riots in Post-independent India, Sangam Books, Delhi.
- Ghosh, S.K (1987) Communal Riots in India, New Delhi.
- Hasan, Mushirul (1991) Nationalism and Communal Politics in India, Manohar Publications, New Delhi.
- Pathan, Sufiya (2009) A Historical and Theoretical Investigation into 'Communalism' Ph.D. thesis submitted to Manipal University.
- Sarkar, Sumit (1983) Modern India, Macmillian Indian Press, Madras.
- Singh, V.V (1993) Communal Riots, Rawat Publications, jaipur.
- Vanaik, Achin (1997) Communalism Contested: Religion, Modernity and Secularization, New Delhi.

১৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতা এক মিছা বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত বিচাৰ ধাৰা, যিয়ে সমাজক বিভিন্ন ধর্মীয় সম্প্রদায়ত বিভক্ত কৰে। এই গোটসমূহৰ বিচাৰধাৰাতও সেয়ে বিভিন্নতা থাকে আৰু সেয়ে এইবোৰ পৰস্পৰ বিৰোধী মনোভাৰৰ হয়। এটা ধর্মৰ সম্প্রদায়ৰ লোকৰ আন ধর্মীয় সম্প্রদায়ৰ ওপৰত প্রদর্শন কৰা শত্রুভাৱকে সাম্প্রদায়িকতা আখ্যা দিয়া হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতা হিংসা সাধাৰণতে নৃজাতীয় বা সম্প্রদায়ৰ মাজত সংঘটিত হয় য'ত এটা সাম্প্রদায়িক গোট আনটোৰ বিৰুদ্ধাচৰণ কৰে। সাম্প্রদায়িক হিংসা আৰু সংঘর্ষৰ দুটা উদাহৰণ হ'ল - ১৯৪৭ সাম্প্রদায়িক সংঘর্ষ আৰু ১৯৮৪ চনৰ শিখ-বিৰোধী সংঘর্ষ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতাৰ বিভিন্ন তত্ব সমূহ হ'ল - উপনিৱেশিক, জাতীয়তাবাদী, মার্ক্সবাদী, ৰচনাত্মক আৰু আধুনিকতাবাদ বিৰোধি। সাম্প্রদায়িকতাৰ বিভিন্ন তত্বসমূহৰ শ্রেণীবদ্ধকৰণে এই তত্বসমূহৰ পৰস্পৰাৰ মাজত থকা পার্থক্য আৰু সাদৃশ্য সম্বন্ধে বুজিবলৈ সহায় কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতাৰ বিভিন্ন কাৰণ সমূহ হ'ল - উপনিবেশিক পৰম্পৰা, হিন্দু উগ্র ৰাষ্ট্রীয়তা, ধার্মিক গোড়ামী, দৰিদ্রতা আৰু কর্মহীনতা, উগ্র মৌলবাদ, সংযোগ মাধ্যমৰ ভাপ ব্যৱহাৰ আৰু অপব্যাখ্যা, ৰাজনীতিৰ সাম্প্রদায়িক উদ্দেশ্য আৰু সীমান্তৰর্তী অঞ্চলৰ প্রভাৰ আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতাৰ বিকাশ আৰু ইয়াৰ সম্প্রসাৰণ ৰোধৰ কেতবোৰ উপায়

হ'ল - আর্থ সামাজিক উন্নয়ন, ৰাষ্ট্ৰ আৰু ৰাজনৈতিক উচ্চৱর্গৰ নিৰপেক্ষ ভূমিকা, শিক্ষাৰ প্রভাৱ, গণসংযোগ মাধ্যমৰ গঠনমূলক সক্রিয়তা, জাতীয় ভাৱধাৰা আদর্শৰ উত্থান আৰু ধর্মনিৰপেক্ষতা আদি।

৬ নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতাৰ প্রসাৰণৰ কেতবোৰ দিশ হল ৰাজনৈতিক সাম্প্রদায়িকতা, ধর্মীয় সাম্প্রদায়িকতা আৰু অর্থনৈতিক সাম্প্রদায়িকতা।



১৫.১১ আৰ্হি প্রশ্ন

(ক) চমু প্রশ্ন (উত্তৰ সমূহ ১৫০ শব্দৰ ভিতৰত লিখিব)

প্রশ্ন নং ১ঃ সাম্প্রদায়িকতাৰ মার্ক্সীয় দৃষ্টিভংগী ব্যাখ্যা কৰা।

(খ) দীঘল প্রশ্ন (উত্তৰ সমূহ ৫০০ শব্দৰ ভিতৰত লিখিব)

প্রশ্ন নং ১ঃ ভাৰতবর্ষই সাম্প্রদায়িকতাৰ সৃষ্টি আৰু ইয়াৰ প্রসাৰণৰ নিবাৰণৰ বাবে ধর্মনিৰপেক্ষতাৰ ভূমিকা আলোচনা কৰা।

প্রশ্ন নং ১ঃ ভাৰতবর্ষত সাম্প্রদায়িকতাৰ বৃদ্ধিৰ কাৰণসমূহ বহলাই আলোচনা কৰা।

*** ***** ***